অসমীয়া কাব্যত

প্ৰেমৰ বোৱঁতী সুঁতি

STATE CENTRAL LIBRARY
GAUHATI
ASSAM

শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, এম. এ.

Asamiya Kavyat **PREMAR BOWATI SUTI** : A critique and analytical study of the love poems of Assamese literature from the beginning to the twentieth century—written by Shri Atul Chandra Barua M A , A C S and published with the financial assistance of the Publication Board, Assam, Gauhati 1970

প্ৰকাশক :
শ্ৰীপ্ৰদীপ বৰুৱা
নৱগিৰি, গুৱাহাটী-৩

মূল্য : ৯'০০

প্ৰথম সংস্কৰণ : ডিচেম্বৰ, ১৯৭০

গ্ৰন্থকাৰৰ অন্যান্য গ্ৰন্থ

প্ৰজাপতিৰ নিৰ্ব্বন্ধ, মদন আৰু বসন্ত, কাব্য-প্ৰভা, গল্প-ভাৰতী, সাহিত্যৰ ৰূপৰেখা, সমালোচনা সাহিত্য, সাহিত্য-দৃষ্টি, সাহিত্য-জীৱন, ওলট-পালট, নৱী-কথা, ডাকে বোলে শুনা উপায, লোক-দেৱতা শিৱ, সন্ধিযাৰ সাধু, ভূমি আৰু জীৱন, মাজ নিশাৰ সাধু ইত্যাদি।

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

শ্ৰীমতী হিৰণপ্ৰভা বৰুৱা (বুলবুলি)

প্ৰিয়তমাসু

STATE CENTRAL LIBRARY
GAUHATI
ASSAM

বাট-চ'ৰা

খৰখেদা কৰ্ত্তব্যেৰে ভৰা চৰকাৰী চাকৰিত থাকি কোনো বিষয়ত একাণপতীয়াভাৱে চিন্তা কৰা কাৰো জীৱনত সম্ভৱ হৈ নুঠে। অন্ততঃ এই লিখকৰ ক্ষেত্ৰত সি আখৰে আখৰে সত্য বুলি প্ৰমাণ হৈ আহিছে। লিখকে কেতিয়াবা দিনৰ পাছত দিন, মাহৰ পাছত মাহ সাহিত্যৰ নামত কাগজ-কলম নোছোৱাকৈও কটাই দিবলগীয়া হৈছিল। তেনে বিপৰীত অৱস্থাৰ মাজতো মনৰ তাড়নাত ৰব নোৱাৰি মাজে সময়ে হেৰোৱা আঁতবোৰ বিচাৰি লৈ তেওঁ পুনঃ অধ্যয়ন আৰু ৰচনাত প্ৰবৃত্ত হবলৈ বাধ্য হৈছিল আৰু তাকেই 'অসমীয়া কাব্যত প্ৰেমৰ বোৱঁতী সুঁতি'ৰ উৎস বুলিব পাৰি। ইয়াক পোনতে 'অসমীয়া কৱিতাত আদিৰসৰ বোৱঁতী সুঁতি' নাম দিয়া হৈছিল। প্ৰকাশন পৰিষদত দাখিল কৰাত পৰিষদে তাৰ বৰ্ত্তমানৰ নামটোৰে প্ৰকাশ কৰিবলৈ উপদেশ দি আমালৈ সহায় আগবঢ়ালে। দাতাৰ ন-টা গুণ বুলি জানি সেই পৰামৰ্শ অনুসৰি নতুন নামত তাক ৰাইজৰ আগলৈ উলিওৱা হ'ল।

মৰণশীল মানৱৰ স্তুতি-নতি আৰু পূজা-সেৱাই স্বৰ্গৰ দেৱতাসকলক জীয়াই ৰাখে। মানুহৰ ব্যক্তিগত জীৱনত বন্ধু-বান্ধৱ আৰু প্ৰিয়-পৰিজনৰ উৎসাহ-উদ্দীপনাই সেই একে কাম কৰে, সেযে নহলে মানুহ সমাজত জীয়াই থাকিব নোৱাৰে। আলোচনা চক্ৰ, সাহিত্য-চ'ৰা, ক্লাব, মজলিচ, সঙ্ঘ আদিৰ গুৰিতো তেনে ধৰণৰ প্ৰেৰণা আৰু পৰস্পৰ নিৰ্ভৰশীলতা বিদ্যমান। পলুৱে মুখৰ লালটিৰে জাল গুঁঠি লেটা কুন্দাই তাৰ মাজত মহা আযমেৰে থাকি নিজক নিঃশেষ কৰি দিয়েই আনন্দ পোৱাৰ দৰে মানুহেও মনোমত সমাজ বিচাৰি লৈ তাতেই মজি জীৱনৰ অন্ত পেলাবলৈ ভাল পায। তেনেকৈ গঢ়ি উঠা ছিলং মুকুল সঙ্ঘ, গুৱাহাটী আলোচনা চক্ৰ আদি সাহিত্য-চ'ৰাত 'সুঁতি'ৰ দুই একোগছি প্ৰবন্ধ পঠিত আৰু আলোচিত হৈছিল। তেনে

আলোচনাৰ উৎসাহে লিখকক ৰচনাত ছেগাচোৰোকাভাৱে হলেও নিৰত থাকিবলৈ অন্তৰত সমল যোগাইছিল। যিসকল সদাশয় বন্ধু আৰু হিতাকাঙ্ক্ষী উপদেষ্টাই তেনে কাৰ্য্যত লিখকক সততে উৎসাহ-অনুপ্ৰেৰণা দি আছিল সেইসকলৰ ভিতৰত ডঃ প্ৰফুল্লদত্ত গোস্বামী, ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, ডঃ কালীনাথ শৰ্ম্মা, হেকিম এ আহমদ, সুসাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়া, অধ্যাপক নৱকান্ত বৰুৱা, অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী, অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মা আৰু সুসাহিত্যিক বেণুধৰ শৰ্ম্মাৰ নাম অগ্ৰগণ্য।

পুথিৰ আৰ্হি-কাকত চোৱাত আমাৰ শৈশৱৰ শিক্ষাগুৰু শ্ৰদ্ধেয় মৌঃ খোচনূৰ আলি আৰু অনুজপ্ৰতিম অধ্যক্ষ ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই আৰু কিতাপখন আগ্ৰহ আৰু তৎপৰতাৰে ছপাই উলিওৱাত নৱজীৱন প্ৰেছৰ মালিক শ্ৰীকালীচৰণ পালে যি সাহায্য আগবঢাইছে তাৰ বাবে তেওঁলোকলৈ আগবঢাবলৈ শলাগণিৰ এষাৰি বচনত বাহিৰে লিখকৰ আৰু জানো কিবা আছে ?

শেষত যিসকলৰ বাবে ইমান যত্ন-তদাৰক কৰা হৈছে সেই সুধী, সহৃদয় পাঠকসকলে ইয়াক উপাদেয় আৰু হিতকাৰী যেন পালেই লিখকৰ শ্ৰম সাৰ্থক হব। ইতি—

নৱগিৰি, গুৱাহাটী-৩
১লা ডিচেম্বৰ, ১৯৭০

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

সূচীপত্ৰ

বিষয়	পৃষ্ঠা
১। মৌখিক কবিতাত আদিৰস	১
২। অসমীয়া বৈষ্ণৱ আৰু তান্ত্ৰিকৰ দৃষ্টিত নাৰী ..	২৪
৩। প্ৰাক্-শঙ্কৰী কাব্যত লৌকিকতা	৪৬
৪। প্ৰাক্-শঙ্কৰী কাব্যত লৌকিকতা (২) (দুৰ্গাবৰী আৰু মনকৰী ৰামায়ণ গীতত)	৫৫
৫। প্ৰাক্-শঙ্কৰী কাব্যত আদিৰস .. (পাঁচালী কাব্য)	৬৫
৬। সুকনান্নীত হৰ-পাৰ্ব্বতীৰ বিয়া	৮৫
৭। প্ৰাক্-শঙ্কৰী কাব্যত আদিৰস (সুকনান্নী, দুৰ্গাবৰী, পীতাম্বৰী আৰু তুলনাত অনন্তকন্দলিৰ কাব্য)	৯৭
৮। বৈষ্ণৱী কবিতাত প্ৰেম	১২৩
৯। মাধৱকন্দলিৰ ৰামায়ণত আদিৰস	১৩৭
১০। শঙ্কৰী কাব্যত লৌকিকতা	১৫০
১১। বৈষ্ণৱী কাব্যত আদিৰস (শঙ্কৰদেৱ, অনন্তকন্দলি আৰু ৰামসৰস্বতী)	১৬৩
১২। মাধৱদেৱৰ কাব্যত আদিৰস	১৯০
১৩। বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস (১) (ৰজাঘৰীয়া প্ৰেম)	২১২
১৪। বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস (২) (কবিৰাজ চক্ৰবৰ্ত্তীৰ কাব্য)	২২২
১৫। বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস (৩) (মাধৱ-সুলোচনাদি কাব্য)	২৩৮
১৬। বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস (৪) (মৃগাৱতী চৰিতৰ পৰা জনা গাভৰু গীতলৈ)	২৪৮
১৭। আধুনিক অসমীয়া প্ৰেমৰ কবিতা	২৬৪

অসমীয়া কাব্যত

প্ৰেমৰ বোৱঁতী সুঁতি

মৌখিক কৱিতাত আদিৰস

আদিৰসতে সৃষ্টিৰ আদি কাণ্ডৰ আৰম্ভণি। এই ৰসৰ অন্য নাম শৃঙ্গাৰ ৰস। সৃষ্টি অটুট ৰখাৰ উপৰিও তাৰ বৃদ্ধি আৰু নিৰন্তৰ শৃঙ্খলা ৰক্ষাত ই যেন একাধাৰে ব্ৰহ্মা, বিষ্ণু আৰু শিৱ —ত্ৰয়ী দেৱতা। প্ৰেমকে আশ্ৰয় কৰি এই আদিৰসৰ সৃষ্টি হয়। এই প্ৰেম প্ৰাণীৰ সহজাত প্ৰবৃত্তি। সেইদেখি কৱিয়ে কৈছে—

'প্ৰেমত ঘূৰিছে ভূমণ্ডল,
প্ৰেমত ফুলিছে শতদল।' (বেজবৰুৱা)

গমি চালে দেখা যায় যে সংসাৰত সাধাৰণ লোকৰ মূল অভাৱ মাত্ৰ দুটা—উদৰ ক্ষুধা আৰু যৌন ক্ষুধা। অতীজত সৃষ্টি ধ্বংসকাৰী যুদ্ধ-বিগ্ৰহবোৰ মূল কাৰণ আছিল এই দুটায়ে, অৰ্থাৎ হয় ৰাজ্যলাভ, নহয় নাৰীৰত্ন লাভ, নতুবা উভয় বিধৰ লাভ। ৰামায়ণ, মহাভাৰত, ইলিয়াড, ওডিছি আদি মহাকাব্যবোৰৰ মূল কাহিনীয়েই তাৰ সাক্ষী। বৰ্ত্তমান জগতত নাৰী-পুৰুষৰ কাৰ্য্যক্ষেত্ৰ একে হৈ পৰাত

স্ত্ৰীসকল সুৰক্ষিত নাৰীৰত্ন হৈ থাকিবলৈ এৰিলে; অন্ততঃ অধুনা নাৰীয়ে যুদ্ধৰ প্ৰত্যক্ষ কাৰণ ৰূপে দেখা নিদিয়ে। নাৰী-পুৰুষৰ দুয়োৰো যি দুৰ্নিবাৰ আকৰ্ষণ, সাহিত্যত তাক কাম, প্ৰীতি, প্ৰেম, ৰতি, প্ৰণয়, যৌনক্ষুধা আদি নানা নামত অভিহিত কৰা হৈছে। এই আকৰ্ষণ আদিৰসৰ মূল হেতু স্বৰূপ।

পৃথিৱীৰ সকলো দেশৰে মৌখিক সাহিত্য আদিতে আদিৰস-প্ৰধান আছিল। অসমীয়া সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। অসমীয়াত মৌখিক সাহিত্য বোলোতে বিহুগীত, বনগীত, বাৰমাহী গীত, নাওঁেলী, বিয়ানাম, আইনাম, যোজনা-ফকৰা-দৃষ্টান্ত-পটন্তৰ আদি মুখে মুখে বাগৰি অহা মৌখিক সাহিত্য শ্ৰেণীকে বুজা যায়।

বিহুগীত, বনগীত আদি গীতবোৰেই অসমীয়া সাহিত্যৰ আদিম চানেকি। এই গীত-মাতবোৰত আদিৰসৰ মহিমাময় গৌৰৱ ভূয়ঃ ভূয়ঃ ঘোষণা কৰা হৈছে। সেই হেতুকেই হৰিনামৰ দুচৰি গাবলৈ ঢোল-পেঁপা লৈ বাহিৰ হোৱা ডেকা-গাভৰুৱেও পোনতে প্ৰশস্তি গায়—

নামৰে কঠীয়া ঈশ্বৰে দিছিলে
ব্ৰহ্মাই সৰজা নাম,
বেয়া নাম ওলালে খেমিবা দেউতা
পোনতে পীৰিতি গাম।

গীত-মাতবোৰত থকা আদিৰসৰ সুঁতিটো দুটা বিশিষ্ট ধাৰাত বিভক্ত হৈছে, এটা বৈধ মিলনৰ আৰু আনটো চোৰ-আঁৰকৈ গোপনে চলোৱা অবৈধ পীৰিতি বা গুপ্ত প্ৰণয়ৰ সুঁতি। দুয়োটা সুঁতিৰে মূল আকৰ্ষণ একেটা—মিলন-বাসনা। তাকে অনঙ্গ ৰঙ্গ অথবা মন্মথৰ পূজাও বোলা হয়। সেই পূজাৰেই আৱাহনী মন্ত্ৰ-ৰূপে বিহুগীতত গোৱা হয়—

তোমাৰো যৌৱন কাল আমাৰো যৌৱন কাল
যৌৱন কাল নাথাকে ৰ'ই,
এনে হেন যৌৱন কাল যাবলৈ ওলালে
পীৰিতি নকৰা ক'ই।

* * * *

শালে ভুমুকিযায় শ'লে ভুমুকিয়ায়
চেঙে ভুমুকিয়ায খালত,
প্ৰাণৰে ভিতৰত ধনে ভুমুকিয়ায়
তালৈ পৰি থাকে মনত।

* * * *

পানীত জকেমকায পানীৰে পকৰা
ফুলত জকেমকায় পাহি,
চেনাইৰ গাল দুখনিত তেজে জকেমকায়
মুখত জকেমকায় হাঁহি।

* * * *

তিতিকৈ তিয়নি যুৱনৰ শুৱনি
পিৰালি শুৱনি তাঁত,
লাহৰী শুৱনি চকুৰ চেলাউৰি
জামুকি বোলোৱা দাঁত।

* * * *

উজাই নাৱৰীয়াই বালিত ভাতে খালে
কুঁজা হৈ বোটলে ছুৱা,
তোমাৰে ঘৰতে কৈ থৈ আহিছোঁ
লোকৰ নেভাঙিবা গুৱা।

* * * *

পৰলৈ নিদিবা মন ঐ ময়না
পৰলৈ নিদিবা মন,
হাড়ক মাটি কৰি তেজক পানী কৰি
তোমালৈ ঘটিছোঁ ধন।

*　*　*　*

হাঁহ হৈ চৰিম গৈ তোমাৰে পুখুৰীত
পাৰ হৈ চৰিম গৈ চালত,
ঘাম হৈ সোমাম গৈ তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত।

*　*　*　*

বাঁহৰ তলে তলে বাঁহী বজাইছিলোঁ
চেনায়ে শুনক গৈ বুলি।
শাহু আয়ে শুনিলে মিচিকি হাঁহিলে
জোঁৱাই ল'ৰাই বজাইছে বুলি।

ইমানলৈ কথা ঠিকেই আছে, দেহ-গৰকা পীৰিতিৰ সুঁতি (জপা গৰকিলে জপাৰ বৰ কাপোৰে, দেহা গৰকিলে প্ৰেমে) যেন নিয়ম-নীতি মানি সুগম বাট লৈ গৈ আছে, পীৰিতিত ক'তো কণা-মুৰি লগা নাই। তেনেকৈ চলি থকা পীৰিতিৰ সুঁতিয়ে কেতিয়াবা বাটত কিবা ভেঁটা পোৱা বাবেই হওক বা সোঁতৰ কোব চৰি অহা বাবেই হওক, অকস্মাতে গতি সলাই বাধা-ভেঁটা একো নমনা হৈ পৰে। অন্য কেতিয়াবা আকৌ জন্মৰ পৰাই কিবা এটা পঘা-ছিঙা পৰ্‌কিতি লৈ ই নিয়ম-নীতিৰ হাক-বচন একোপধ্যে নুশুনা হয়। কিয় তেনে হয় কোৱা নাযায়, কিন্তু হয় যে তাক অস্বীকাৰ কৰাৰ উপায় নাই।

মানুহৰ সমাজতো অনেক লোক আছে যিসকলে সদায় নিজৰ ঘৰত মাছে-মঙহে অপৰ্য্যাপ্ত খাবলৈ পালেও চাহ বা ভাতৰ

হোটেলত গৈ একোপাক মাৰি জিভাৰ জুতি সলাইহে তৃপ্তি লাভ কৰে। এনে মানুহো ওলাব যি মাজে-সময়ে আনৰ ঘৰত আলহী হৈ শাকে-পাতে হলেও এমুঠি খাইহে আনন্দ পায়। আন হাতে এনে লোকৰ কথাও শুনা যায় যি জীৱনত আনৰ ঘৰত এসাজ পৰ্য্যন্ত খোৱা নাই নতুবা কিবা কাৰণত খাবলগীয়া হলেও খাই অকণো তৃপ্তি পোৱা নাই অথবা আধাপেটী হৈ থকা যেন অনুভৱ কৰিছে। সেই হেতুকে কোৱা যায়—'যাৰ যি পৰ্‌কিতি মৰিলেহে লগত যায়'।

ইতৰ জন্তুৰ ভিতৰতো কিছুমানৰ প্ৰকৃতি স্বভাৱতে শান্ত আৰু কিছুমানৰ উগ্ৰ। আকৌ একে শ্ৰেণী বা জাতিৰ ভিতৰৰে কিছুমান নিৰীহ ধৰণৰ আৰু কিছুমান উচ্ছৃঙ্খল প্ৰকৃতিৰ। কিছুমান গৰু আছে যিবোৰে বন্ধনত থাকিও মূৰ পোলোকা দি কোনোবা পাকত গৈ ছুৱনি সোমাই বাৰী লুৰুকি আহে। অন্য কিছুমান আছে যিবোৰে আনৰ বেৰি-কুৰি ৰখা কুঁহিয়াৰৰ খেতিত বা কলাতলীত হেঙাৰ ভাঙি সোমাই ঢুকামোৰ নাখালে থাকিব নোৱাৰে, এছাৰা-চেকনী বা ফলীয়া টোকনৰ কোব খাই হলেও সিহঁত তাত সোমাব যে সোমাবই।

সমাজপ্ৰিয় মানুহৰ মনতো বিধি-বিগৰ্হিত উদণ্ডতাৰ প্ৰতি তেনে এটি বন্য স্পৃহা মাজে সময়ে জাগি উঠে। সেই বাবেই হৰ পায় মাঘ বিহুৰ উৰুকাৰ দিনা পিঠা চুৰ কৰি, চন্দ্ৰ-গ্ৰহণত পৰৰ ঘৰত দলিয়াই, টিং বজাই, লক্ষ্মীপূজাত উৎপাত কৰি আৰু অনাবৃষ্টিৰ কালত বৃষ্টি নমাবলৈ বুলি ঢেঁকী চুৰ কৰি, গালি-শপনি খাই ফুৰাটোও ঠাইবিশেষত সমাজ-সম্মত ৰীতি হৈ পৰিছে। গতিকে 'কশ্চিৎ কশ্চিৎ ব্যভিচাৰি, ছাগীমুখে যথা দাড়ি'ৰ দৰে এইবোৰ উদণ্ডালিকো মানুহে উপায় নাপাই স্বীকৃতি দিবলৈ বাধ্য হৈছে। এনেবোৰ কাৰ্য্য সমাজৰ স্বীকৃত ব্যতিক্ৰম। এনে ব্যতিক্ৰমে, বিশেষকৈ প্ৰেম-প্ৰীতিৰ ক্ষেত্ৰত ঠাই লোৱা এনে ব্যতিক্ৰমে—মৌখিক সাহিত্যতো

একো ডুখৰি বিশেষ ঠাই অধিকাৰ কৰিছিল আৰু আজিও তাকে কৰি আছে।

সাধাৰণতে গতানুগতিক কাৰ্য্যই মানুহৰ মনোযোগ যিমান আকৰ্ষণ কৰে তাতকৈ স্বাভাৱিক কাৰ্য্যই বেছি কৰে। প্ৰেম-প্ৰীতি বা বিবাহ আদিৰ কাৰ্য্যতো সেই একে কথা। পৰকীয়া প্ৰীতিয়ে সেইবাবে ভক্তি-সাধনাৰো এটি সুকীয়া মাৰ্গকে নিৰ্দ্দেশ কৰিছে। যদিও 'বাট এৰি অবাটে নাযাবা' বোলা বচনটো সকলোৰে জনা আছে তথাপি মানৱ প্ৰকৃতি এনে যে সি চুটি বাট বিচাৰি হাবিৰ মাজেদিও আগবাঢিবলৈহে খুঁচিয়াই দিয়ে। পুৰণি বাটেদি বাট বুলি থাকোঁতেও ফালৰি কাটি যোৱা নতুন বাটটোৰ ওৰ লবলৈ মানুহৰ মন ব্যগ্ৰ হৈ পৰে। নতুনত্বৰ সন্ধান আৰু আস্বাদনৰ অভিলাষ মানৱ মনৰ এটি বিশেষ গুণ বা প্ৰকৃতি। বাট এৰি অবাটে যাব খোজা তেনে এটি মনৰ পৰিচয় বিহুগীতবোৰতো ওলাই পৰিছে—

আমলৈয়ে বুলি মাৰো ফৰেমুঠি
কি বুলি তেঁতেলী সৰে,
ভনী-জোঁৱাই বুলি দি যাওঁ তামোলখনি
কি বুলি হাতত ধৰে।

* * * *

চতিয়নাৰ ওপৰত বেলি মাৰে গ'লে
ঘিলা মাৰে গ'লে ফাঁকত,
তোমাৰে আমাৰে কথা মাৰে গ'লে
প্ৰথম কুকুৰাৰে ডাকত।

* * * *

কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিম মই তোক,

ৰাতি নৌ পুৱাওঁতে কিয় ডাকে দিলি
চেনাই এৰি গ'লে মোক।

* * * *

আকাশৰ জোনটি নেপাওঁ হাতে মেলি
মাটিত মাৰি গলোঁ হেঁচা,
সাৰ পাই খেপিয়াওঁ মোৰ ধন কাষত নাই
এফাল ঢাৰি-পাটী চেঁচা।

* * * *

তুমি প্ৰাণেশ্বৰী প্ৰেমৰে পুতলা
কোলাতে বহুৱাই লম,
বাৰ শতুৰুলৈ ভয় নকৰিবা
কাপোৰ দি লুকুৱাই থম।

* * * *

চেলু চাই পীৰিতি কৰিবা সাদৰী
সময় চাই লগাবা মাত;
শতুৰু দেখিলে ককাইদেউ বুলিবা
ভিতৰি বুলিবা নাথ।

* * * *

কাউৰীৰ শতুৰু মুগা-চুঙীয়া
পৰিব নিদিয়ে ডালত,
আমাৰে শতুৰু আই নো বোপাই ঐ
ফুৰিব নিদিয়ে লগত।

* * * *

কোবাই দে বগৰি সৰক মোৰ চেনেও ঐ
কোবাই দে বগৰি সৰক,
নিচিনা দৰৰক আনি দিম কনেও ঐ
খুৱাই দিবি বেইতা মৰক।

যৌৱনৰ উদভীয়া পীৰিতিৰ এই সকলোবোৰ একো একোপাহি উগ্ৰগন্ধী বন্যপুষ্প। গতানুগতিকতাৰ ছাপ নতুবা সমাজৰ চিৰাচৰিত কাৰ্য্যৰ নমুনা এইবোৰে দাভি নধৰে। সেই বুলি এইবোৰত থকা মানৱীয় আবেদন বা আনুভূতিক আকৰ্ষণো অস্বীকাৰ কৰা নাযায়, কাৰণ এইবোৰ গীতো একো প্ৰকাৰ বাস্তৱৰ চিৰস্থায়ী ভেটিতে স্থাপিত।

মানুহৰ মন সদায় সৃষ্টি-ধৰ্ম্মী, সৃষ্টি-বিলাসী। বসন্তৰ বা পাই যৌৱন-উতলা মন যেতিয়া কমোৱা তুলা উৰাদি উৰিবলৈ ধৰে তেতিয়া যুৱতীৰ অৱস্থা হৈ পৰে—'বহোঁ তাঁতে শালত, চকু আলিবাটত, মাকো সৰি সৰি পৰে।' ইফালে সমাজৰ কঠোৰ বন্ধনত থাকি মনৰ উচপিচনি তেওঁ কাৰ্য্যত দেখুৱাবও নোৱাৰে—খুলি কোৱা দূৰৰ কথা। তেনে অৱস্থাত যুৱক-যুৱতীয়ে এফালে সমাজ-বান্ধোন মানি থাকিয়ে নিজৰ আবেগ-অনুভূতি অন্য ফালে এৰি দিব খুজিলে বুদ্ধিৰ যথেষ্ট কচৰৎ কৰিবলগীয়া হয়। লুকা-চুৰি খেলা তেনে বুদ্ধিৰ ইঙ্গিত, তেতিয়া বিহুগীততো ওলায়—

নিলাজীও নহবা লাজো নকৰিবা
দুয়োবো মাজতে ৰবা,
দু-আষাৰ সুধিলে একাষাৰ মিহিকৈ
টিপতে যুগুতাই থবা।

নাইবা,

বাৰীৰে আমগছ তিনি ফেৰেঙীয়া
তাতে বহি মাতিলে কুলি,
গধূলি বেলিকা আহিবা লাহৰি।
চালনি আনোগৈ বুলি।—

—এনে ধৰণৰ। অকল সিমানেই নহয়, তেনে দিহা-পৰামৰ্শ অনুযায়ী কাৰ্য্যপন্থাও অনুষ্ঠিত হয়।

বেৰৰ চুকেদি সোমাম কেনে কৰি
পেটতো লাগিব ভয়,
কোনোবাই ক'ৰবাত দেখিব লাগিলে
ওলাম কোন লাজেৰে মই।

বিহুগীতে বছৰৰ বিশেষ এটা সময়ত মাথো মানুহৰ মন-প্ৰাণ দখল কৰি লয়, আৰু সেয়ে হৈছে বসন্ত কাল। বছৰৰ বাৰমাহে কিন্তু কিছুমান মাত-কথা মানুহৰ মুখে মুখে অহৰহ বাগৰি ফুৰে—সেইবোৰেই যোজনা-ফকৰা, দিষ্টান বা পটন্তৰ। এই যোজনা-ফকৰাবোৰবো বহুততে উগ্ৰ কামগন্ধী কথা, ভাব আৰু কাৰ্য্যৰ ব্যঞ্জনা বাককৈয়ে পোৱা যায়। যোজনা-ফকৰাবোৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ বিবিধ ৰঙত ৰঞ্জিত হৈ ওলোৱা আকৰ্ষণীয় বচন, আৰু কথাৰ সোৱাদ বঢাবৰ কাৰণে এইবোৰৰ ব্যৱহাৰ আঞ্জাৰ মচলাৰ দৰে। এই বচনসমূহৰো বহুততে বৈধ আৰু অবৈধ গুপুত মিলনৰ একোটি ইঙ্গিতপূৰ্ণ ধ্বনি আছে। বহুত দীঘলীয়া অবাচ্য কথাও কেতিয়াবা এনে বচনৰ সহায়ত হাতী মাৰি ভুককাত ভৰোৱাৰ দৰে ইঙ্গিততে চমুকৈ প্ৰকাশ কৰা যায়। তেতিয়া এইবোৰ হৈ পৰে 'বুজাক বুজাবা আকাৰে ইঙ্গিতে' বোলা কথাৰে একোটা সাৰ্থক দৃষ্টান্ত। দুটামান পটন্তৰ দিলে কথাটো স্পষ্ট হৈ পৰিব,—

(১) আগেয়ে আছিলোঁ ডালিমৰ পোহাৰী
সদৌৰে বুলিছিল বাই,
গছো লেৰেলিল ডালিমো শুকাল
(এতিয়া) কোন বুলি মাতোতা নাই।'

—ইয়াত ডালিম শব্দই ৰঙা পকা-দাড়িম্ব-সদৃশ স্তন আৰু পোহাৰী শব্দই যুৱতী ৰমণীৰ ইঙ্গিত দিছে। বাৰ্দ্ধক্যই যৌৱনৰ মদাৰ-ফুলীয়া চেহেৰা কেনেকৈ হৰণ কৰে আৰু যৌৱন-সুলভ

ৰূপ-লাৱণ্য আঁতৰি গলে ৰূপৱতী নাৰীৰ মূল্যয়ে বা কিমান—অন্ততঃ প্ৰেমৰ বজাৰত কিমান—তাৰে ই এটি অৰ্থব্যঞ্জক সঙ্কেত।

(২) আলু খালে ভোলানাথে, কলা খালে জগন্নাথে
বাকলি চুহিলে যি
ধন ভৰি মৰে সি।

—ইয়াতো 'এক বৰাই ধান খায়, এক বৰাই হান খায়', নতুবা 'কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কোবায়' বোলাৰ দৰে চুৰকৈ পীৰিতি কৰি পলাই সৰা চতুৰ প্ৰেমিক আৰু আলেঙে আলেঙে চাকি চাই বাদ লাগি মৰা এলাইবাং প্ৰণয়ীৰ তুলনা কৰা হৈছে। অন্য কথাত ইয়াকে কোৱা হয় বোলে—'খাই কাৰশলা ডালত উঠিল, কাঠিচেলেকাৰ মৰণ মিলিল।' তেনেকৈ—

(৩) উৰি গল কুপতী খেদি নিলে শেনে
এক পাত কাঁৰে সাত ঠাইত বিন্ধিলে
সিও কথা হৈছে তেনে
ধৰিব নো কোনে?

—ইয়াতো বহুত ঘাটত গোপনে বৰশী বোৱা দুষ্ট প্ৰেমিকৰ প্ৰকৃতি সম্পৰ্কে ব্যঞ্জনা আছে। সেই একে অৰ্থতে ইংৰাজ কবি বাইৰণেও কাঁৰ শব্দ প্ৰয়োগ কৰিছে Straight as a shaft বুলি—তেওঁৰ বিখ্যাত কবিতা (Bride's confessions) 'বিবাহিতা গাভৰুৰ স্বীকাৰোক্তি'ত।

(৪) টেকেলি পৰিল নাদত
ভিনীহি নোবোলা লাজত।

—ইয়াত নাদ কি টেকেলিয়েবা কি তাক ভেদ ভাঁহাবি নকলেও হব। বসন্তৰ ফুল গৈ ক্ৰমে শৰতৰ ফলত পৰিণত হোৱাত স্তোকনম্ৰা লতিকাৰ এই দশা। গুপ্ত প্ৰণয়ৰ ফলত হোৱা গৰ্ভাৱস্থাৰ তুলনা নাদত অসাৱধানতাৰ হেতুকে পতিত হোৱা পাত্ৰ

(টেকেলি)ৰ লগত দিয়া হৈছে। অবৈধ পীৰিতিৰ ইও এটা অৰ্থপূৰ্ণ পটন্তৰ।

(৫) দক্ষিণে গৰজে খৰলৈ
বুঢাই বিয়া কৰায় পৰলৈ।

—ইয়াতো বৃদ্ধ লোকৰ তৰুণী ভাৰ্য্যা হলে কি গতি হয়, অৰ্থাৎ তেনে ভাৰ্য্যা অচিৰে কেনেকৈ পৰাশ্ৰিতা বা পৰোপভোগ্যা হয় তাৰে ইঙ্গিত আছে। আকৌ

(৬) চাই চাই বুলিবা বাট,
দেহৰে ভিতৰত আছে খলা-বমা
পিচলি পৰিবা তাত।

—এই কথা ফাকিও দ্ব্যৰ্থক। এটা অৰ্থত যৌৱনত বিপৰীত লিঙ্গৰ অঙ্গ-তৰঙ্গৰ প্ৰতি বিপৰীত লিঙ্গৰ যি দুৰ্নিবাৰ আকৰ্ষণ তাৰে সূচনা কৰিছে। অন্য অৰ্থত ভকতসকলে সংসাৰৰ পাপ-তাপ পূৰ্ণ কাৰ্য্যৰ ইঙ্গিত পায় দেহৰ খলা-বমাৰ উল্লেখত।

ৰতিসূচক বা প্ৰেম-প্ৰসঙ্গমূলক আৰু অনেক প্ৰবচন আছে। এই বচনবোৰত অবৈধ পীৰিতিৰ প্ৰচুৰ ব্যঞ্জনা আছে যদিও কিন্তু অবৈধ পীৰিতিক হলে ক'তো খাতাংকৈ সমৰ্থন কৰা হোৱা নাই, বৰঞ্চ অ'ত ত'ত তাৰ বিষময় ফলৰহে দ্যোতনা আছে। তাৰ কাৰণ, বচনবোৰত বাস্তৱধৰ্ম্মী সত্য নিহিত আছে যদিও সেইবোৰৰ সৃষ্টি হৈছে সমাজত নিয়ম-নীতি আৰু শৃঙ্খলা স্থাপনৰ উদ্দেশ্যে। উপদেশৰ দৰে ব্যৱহৃত হৈ এইবোৰে বিবেকৰ হাক-বচনৰ দৰে কাম কৰে।

কোনো কোনো ক্ষেত্ৰত সুকৰ্ম্ম আৰু কুকৰ্ম্মৰ অথবা বৈধ আৰু অবৈধ কামৰ উদাহৰণ দি মানুহৰ মন সুকৰ্ম্মৰ ফালে আকৰ্ষণ কৰিবলৈ যত্ন কৰা হৈছে। ধ্ৰুৱৰ আখ্যানত ৰজাৰ নামটো আছিল যেনেকৈ উত্তানপাদ, তেওঁৰ ৰাণী দুগৰাকীৰো নাম আছিল তেনেকৈ

সুৰুচি আৰু সুনীতি ; অৰ্থাৎ মানুহ স্বভাৱতে 'উত্তানপাদ' বা উন্নতি-প্ৰয়াসী, কিন্তু হলেও তেওঁৰ মন সুৰুচি আৰু সুনীতি—এই দুটা পথৰ মাজত দুই নাৱত দুই ভৰি হৈ থাকে। সুনীতিপূৰ্ণ কামতকৈও সুৰুচিপূৰ্ণ কামেহে তেওঁক বেছিকৈ আকৰ্ষণ কৰে, অৰ্থাৎ যি শ্ৰেয়ঃ বা হিতকাৰী তাতকৈ যি প্ৰেয়ঃ বা মনঃপূত কাম সিহে তেওঁক বেছিকৈ ভুলাব খোজে। হিতকাৰী অথচ মনোহাৰী, এনে বস্তু সংসাৰত বিৰল। হিতকাৰী বস্তু হাততে থাকোঁতে কেতিয়াবা মনোহাৰী বস্তুৰ সন্ধানত মানুহৰ মন উধাও হয়। তেনে ক্ষেত্ৰত গোহালিৰ গৰুৱে বাৰীৰ ঘাঁহে বাহি নহা—বুলি বচন মতা হয়। সুৰুচি আৰু সুনীতিৰ দৰে দুগৰাকী বোৱাৰীৰ বৰ্ণনা চিত্ৰ এটি দি ডাকৰ বচনত কোৱা আছে, বোলে—

এজনী— (ক) কাষত কলসী জলক যায় ;
তলমূৰ কৰি কাকো নাচায়।
যেই পথে যায়, সেই পথে আসে,
ডাকে বোলে ভাল মনত ভাষে॥

অন্যজনী (খ) বাৰীৰ পুখুৰী এৰি নদীক যায়,
সঘনে সহাস্যে পৰ পুৰুষক চায়।
স্তন কাষ আৰু দেখায় পিঠি,
খাই-বৈ তাইৰ মেলক দৃষ্টি।
সেই স্ত্ৰীৰ সৈতে যি কৰে বাস,
তাৰ নাই জানা জীৱনত আশ॥

এই দুযোটা ছবিৰ ভিতৰত পোনৰটো শ্ৰেয়ঃ হব পাৰে, কিন্তু প্ৰথম দৃষ্টিত দ্বিতীয়টোহে দৰ্শকৰ মনোমত বা প্ৰেয়ঃ হৈ উঠিব। চকুত নীতিশাস্ত্ৰ নাথাকে, নীতিশাস্ত্ৰ থাকে মনত বা অন্তৰত। চকুৱে সদায় বিচাৰে 'অপৰূপ ৰূপৰেখা'।

প্ৰিয়জনৰ সান্নিধ্য কামনা আৰু প্ৰেমাস্পদৰ আকৰ্ষণ অনেক

বচনৰ বিষয়-বস্তু। পীৰিতি বৃক্ষৰ গুটিয়ে উপযুক্ত ক্ষেত্ৰ পালেই গজালি মেলে, যুক্তিযুক্ততাৰে সি সিমান কাণসাৰ নকৰে। এবাৰ গজালি মেলা বীজ সহজে নিৰ্ম্মূলো নহয়, লতাই বগাবলৈ আশ্ৰয় বিচৰাৰ দৰে সিও নিজৰ অভিলাষৰ আশ্ৰয় বৃক্ষ বিচাৰি আগুৱাবলৈ ধৰে। বাধা পালে সি চোৰাং গতি লয় আৰু অন্তঃসলিলা ফল্গু নদী মাটিৰ তলেদি বৈ যোৱাৰ দৰে লোক-দৃষ্টিৰ আঁৰে-আঁৰে চলিবলৈ ধৰে। তেনে কাৰ্য্যৰ চেকা অনেক বচনত দেখিবলৈ পোৱা যায়। যেনে,—

(১) দেখিব নোৱাৰোঁ যাক, ঘনে ঘনে দেখো তাক।
চাবলৈ বিচাৰোঁ যাক, বিধিয়ে নিদিয়ে তাক॥

*　　*　　*　　*

(২) আঠিযা কলৰে পাতে নাকাটিবা, চিটিকি পৰিব এঠা,
লোকক দেখুৱাই কেতেৰাই মাতিবা, ভিতৰি নেৰিবা বেথা।

(বিহুগীততো এইফাকি কথা গীত হিচাপে গোৱা যায়)

(৩) নাদৰ পানীয়ে গা জুৰ নকৰে, নইত নপৰে মানে,
নিলগৰ চেনেহে গা জুৰ নকৰে, ওচৰত নহলে মানে। ইত্যাদি

মন কৰিবলগীয়া কথা এই যে বিহুগীতৰ দৰে যোজনা-ফকৰা-পটন্তৰ আদিতো অবৈধ প্ৰণয় আৰু তাৰ ছুৰ্জ্জয় আকৰ্ষণৰ কথা আছে যদিও যোজনা-ফকৰাৰ বচনবোৰ ভৰ্ৎসনাৰ সুৰতহে ব্যৱহাৰ কৰা যায়, আদৰ্শ নীতি হিচাপে নহয়। তথাপি যিদৰেই নহওক, এই বচনবোৰে তেনে কাৰ্য্যবোৰৰ সমাজত থকা অস্তিত্ব বা প্ৰচলন সম্পৰ্কে পোনপটীয়া প্ৰমাণ দাঙি ধৰে। ভৰ্ৎসনাৰ সুৰটো কিছুমান বচনত তেনেই দেখ-দেখ ধৰণৰ, যেনে—

শাহুৱে সোন্দাকল খায়,
আপুনি যেনে জোঁৱাই-ভতৰী
লোককো সেই সাঁচতে চায়।

বিহুগীত-বনগীতত পোৱাৰ দৰে এই বচনবোৰবো বহুতত গুপ্ত প্ৰেমিক-প্ৰেমিকাৰ বুদ্ধি-কৌশল আৰু ন-ন উদ্ভাৱনাৰ দৃষ্টান্ত ভূৰি-ভূৰি পোৱা যায়। প্ৰেমৰ ক্ষেত্ৰৰ কাৰণে এই কৌশলবোৰক নীতি-বিগৰ্হিত হোৱা সত্বেও প্ৰযোজ্য আৰু বিধেয় বুলি ধৰি লোৱা হয়। কিয়নো মহাপুৰুষ মাধৱদেৱৰ দৰে চিৰকৌমাৰ্য্যব্ৰতী ব্ৰহ্মচাৰী এজনেও জানো তেৰাৰ 'ৰাজসূয়' কাব্যত শাস্ত্ৰোক্তি হিচাপে কোৱা নাই যে প্ৰেম বা সুৰতি সম্পাদন, বিবাহ, প্ৰাণ-হানিৰ ভয় আদিত মানুহে গৰ্হিত মিথ্যাৰ আশ্ৰয় গ্ৰহণ কৰাটোও দোষণীয় নহয়—

সুৰতি, বিবাহ, প্ৰাণ সঙ্কটৰ ত্ৰাসে।
গো-ব্ৰাহ্মণৰ অৰ্থে সৰ্ব্বস্ব বিনাশে॥
এতেকতে মিছা মাতিলেও নাহি পাপ।
হেন জানি অঙ্গীকাৰ এৰা বলি বাপ॥

(ৰাজসূয় কাব্য, মাধৱদেৱ)

ঠিক তেনেকৈয়ে তলৰ বচনবোৰেও মানুহৰ মুখে মুখে প্ৰবচন প্ৰসিদ্ধি লাভ কৰি আছিছে—

(১) শয্যাত শুচি তিৰীৰ পাও।
কৰ্ষালে শুচি ডোমৰ নাও॥

* * * *

(২) শাহু-বোৱাৰীৰ মাজত একেটা পৈ,
কথমপি ৰৈ আছে শান্তি ধৰমটো লৈ।

* * * *

(৩) কুঁহিয়াৰ কাটিলে পাবত;
এজনী আনিলে ধন-কড়ি দি
এজনী আনিলে লাভত।

* * * *

(৪) পচোৱা বতাহে ছুৱাৰ মেলে,
বৰলাৰ গালৈহে জগৰটো ঠেলে।

* * * *

(৫) আন্ধাৰত তৰিছোঁ তাঁত,
ফুৰি আহোঁগৈ ধনৰ চুবুৰীত
লগাই আহোঁগৈ মাত।

* * * *

(৬) দেৱতাৰ হলে লীলা,
মানুহৰ হলে ধৰি বান্ধি কিলা। ইত্যাদি

অনেক বচন আছে যিবোৰ বিহুগীত, বনগীত আদিতো সমানে চলে। কোন বিধৰপৰা কোন বিধলৈ কেতিয়া গ'ল কোৱা টান। তেনেকুৱা কিছুমান বচন আকৌ পুৰণি পুথিতো পোৱা যায়। যেনে, মাধৱ কন্দলী বিৰচিত 'ৰামায়ণ'ৰ সুন্দৰ কাণ্ডত যেতিয়া হনুমানে সীতাক পিঠিত তুলি ৰাৱণৰ লঙ্কাৰপৰা পলুৱাই আনিব খুজিছিল তেতিয়া—

সীতায়ে বোলন্ত বানৰৰ মুখ চাই।
নিকটেক পো গোটৰ এতমান টাই॥
ঢোল হেন ডিমা পাৰে চুঙাৰ বাহুলি।
পিপিয়া চটকে পৰ্ব্বত লৱে তুলি॥

আজিও মানুহে কয়—'মৌ-পিয়া চৰায়ে পৰ্ব্বত লয় তুলি, ঢোল হেন ডিমা পাৰে চুঙাৰ বাহুলি'। এনেকুৱা উদাহৰণ আৰু অনেক আছে। হব পাৰে কবিসকলেই জনসাধাৰণৰ ৰুচি যোগাবলৈ ঘৰুৱা প্ৰবচনৰপৰা তেনে ধৰণৰ আপ্তবাক্য গ্ৰহণ কৰিছিল। আনহাতে হয়তো কবি বিৰচিত এনে অনেক মধুৰ বচন আলাপ-আলোচনাৰ মাজেদি ঘৰুৱা প্ৰবচনত সোমাই পৰিছিল। বিহুগীতৰ পংক্তি আৰু যোজনা-পটন্তৰ বচনৰ ক্ষেত্ৰতো তেনে হোৱাটো

তেনেই স্বাভাৱিক। ৰূপৰ বৰ্ণনাত তেনে ভাষা-সাদৃশ্য বিশেষভাৱে পৰিলক্ষিত হয়, যেনে—

পানী চাই বাটিলে পানীৰে কলমৌ তেল চাই বাটিলে চুলি,
মাকৰ ঘৰতে জীয়ৰী বাটিলে যেনে দামকলৰ পুলি।

* * * *

সোণাৰি শালত সোণ জিলিকিল কটাৰী জিলিকিল ডাবত,
আমাৰ মইনা বাটেদি আহিছে জিলিকি আহিছে জাকত।

প্ৰেমিক-প্ৰেমিকাৰ ভোগাকাঙ্ক্ষাৰ জুৰিটি মিলনত মিলি গলে আৰু বিয়া-বন্ধনৰ মাজেদি সিহঁতৰ সংসাৰ গঢ়ি উঠিলে প্ৰেমৰ বিননিও আৰু নাইকিয়া হয়। কিন্তু, দ্বিতীয় পক্ষৰ প্ৰতি পুৰুষৰ দুৰ্ব্বলতা আৰু অলঙ্কাৰৰ প্ৰতি নাৰীৰ স্পৃহা তেতিয়াও বৈ যায় বুলি গীত-মাতবোৰে সঁহাৰি দিযে। বিহুগীত আৰু যোজনা-ফকৰা দুয়োতে ইয়াৰ সাক্ষ্য পোৱা যায়। অৱশ্যে, বিহুগীতত যেনেকৈ 'নিচিনা দৰবক আনি দিম কনেও ঐ খুৱাই দিবি বেইতা মৰক' বোলা ধৰণৰ আসুৰিক পন্থাৰো উল্লেখ আছে প্ৰবচনবোৰত তেনে নাই। প্ৰবচনত লাগী আৰু এলাগী ঘৈণীৰ কথা উল্লেখ কৰি কোৱা হয়—

লাগীয়ে ভাঙিলে কাঁহী, থলে মিচিকিয়াই হাঁহি।
এলাগীয়ে ভাঙিলে কতৰা, গৰগাঁও পালেগৈ বতৰা।

তেনেকৈ আকৌ—

সতিনী-ৰহীয়া পৈ,
এবাৰ হুঁহুৱায়, এবাৰ কন্দুৱায়
পথালি কোলাত লৈ।

অলঙ্কাৰ সম্পৰ্কে—

সোণৰ কৰিয়া থোপ,
তোলৈ নাযাওঁ, যাম বাপেৰলৈ
মাহী আই বুলিবি মোক।

—এনে বচনত যুৱতী নাৰীয়ে অলঙ্কাৰৰ মোহত ডেকাক এৰি বুঢ়ালৈও যাব খোজাৰ এটি ইঙ্গিত আছে। সেইদৰে—'সাতখন কোৰেৰে কৰিয়া গঢ়াই দিম, জোকাৰিবি লেৰেলা কাণ'-ৰ প্ৰতিধ্বনি আকৌ বিহুগীতত আছে—

শুৱায় কি নুশুৱায় সোণৰ পোৱাল মণি
বনিযাই বনিয়াই চাওঁ,
আতোলা সোণেৰে বিৰি গঢ়াই দিয়া
বিহু মাৰিবলৈ যাওঁ।—ইত্যাদি

হিন্দু ধৰ্ম্মত যেনে 'নমো নমো পাৰিজাত, কুকুৰে ছুলেহি বাহি গাত' বোলা ভকত আছে তেনে 'শাল, শিঙি, সুৱাৰ, সেযেহে ভক্তিৰ দুৱাৰ' বোলা মহন্তও আছে। সেইবাবে কোৱা হয—'জল, যোনি, ভাত, এই তিনিতে হিন্দুৰ জাত।' অৱশ্যে এনে বচনো প্ৰায়ে উপহাসৰ ছলেৰেহে কোৱা হয।

বিহুগীতত বিবাহিত জীৱনৰ দাম্পত্য প্ৰণয়ৰ চিত্ৰ পাবলৈ নাই। বিহুগীতৰ নিজবাটি হযতো দাম্পত্য জীৱনৰ ব্ৰহ্মপুত্ৰ পালেই মিলি নাইকিযা হয। যোজনা-পটন্তৰত কিন্তু দাম্পত্য জীৱন সুন্দৰকৈ প্ৰতিফলিত হৈছে। যোজনাৰ গাভৰুই প্ৰতিজ্ঞা কৰে—

'কাঁহীত নাখাওঁ, বাটিত নাখাওঁ, নাখাওঁ সফুৰাত গুৱা,
মনৰ জোখাই নাপাওঁ মানে দেহকো নকৰোঁ চুৱা।'

তেনেকৈ গৈ মনোমত পতি পাই ঘৰ-সংসাৰ কৰি লৈ মৰম-চেনেহৰ মাজত কাল কটাবলৈ ধৰিলে নাৰীৰ স্বাভাৱিক ঈৰ্ষাৰ হেতুকে বহুত সময়ত নিজৰ মাকেই খেদ কৰি কয,—

'নেদেখাই দেখিলে, ধাৰি পাৰি লেখিলে,
বৰ ল'ৰাই তিৰোতা আনি, মাহী আই যেন দেখিলে।'

স্বামীয়ে নিজৰ সুৱাগী ভাৰ্য্যাক হেনো ডিঙিৰ মূল্যবান মণি যেন দেখে—

ভাই-ভনী খেৰৰ শনি,
ভাৰ্য্যা আছে গলৰ মণি।

তেনেকৈয়ে পত্নীয়েও স্বামীৰ বিষয়ে কয়—

বোপাই ভাই ৰজা হলে হবি দেশান্তৰি,
নিজৰ স্বামী ৰজা হলে হবি পটেশ্বৰী।

স্বামীক তিৰোতাই সিমান আত্মীয় বুলি ভাবে কাৰণেই তেওঁ আক কয়—

ঢাপত চপলিয়াওঁ,
কটনা কাটি পৈটো পাইছোঁ,
ক'লৈকো নপঠিয়াওঁ।

সেই দেখিয়ে কথাতে কোৱা হয় 'মাটিৰ মৈ, পাটীৰ পৈ'। নিষ্ফল কোনবোৰ কাম তাৰে বকলা মেলিলে সেইবাবে ওলাই পৰে—

লৰৰ নিষ্ফল আগত নৈ,
তিৰীৰ নিষ্ফল পাটীত নাই পৈ।

তিৰোতাই ভবাৰ দৰে পুৰুষেও আকৌ ভাবে—

বসন্তৰ সুখ যুৱতী ভালি,
শীতকালে সুখ তুলি-নিহালি।
বাৰিষা কালত কূপৰ জল,
গ্ৰীষ্ম কালত চন্দন শীতল।

সংস্কৃত শ্লোকত নাৰীৰ গুণ বৰ্ণনা কৰি কৰিয়ে সেইবাবেই কৈছে নাৰী হেনো—'শীতকালে ভৱেদুষ্ণা, উষ্ণেষু সুখশীতলা'।

তিৰোতাই পুৰুষৰ কাম বা কামনা পূৰ্ণ কৰে বুলিয়ে তেওঁক কামিনী বোলা হয়। সেইদৰে ৰমণ-সুখ বা আনন্দ দিয়ে কাৰণে তেওঁ 'ৰমণী', পৰিচালিতা হৈ চলে বাবে তেওঁ 'নাৰী', পুৰুষৰ বংশ বা বীৰ্য্য ৰক্ষা কৰে হেতুকে তেওঁ 'কলত্ৰ', ঘৰখন সুন্দৰকৈ

চলায় কাৰণে 'ঘৈণী' বা 'ঘৰিণী', আশ্রিতা হৈ ভৰণ-পোষণ গ্রহণ কৰে বাবে ভাৰ্য্যা ইত্যাদি। মদমত্ত দঁতাল হাতীকো চতুৰ মাউতে শাসনত ৰখাৰ দৰে চতুৰী তিৰোতায়ো স্বামীৰ মন যোগাই লাগী বা সুৰাগী ঘৈণী হৈ তেওঁক সংসাৰ যাত্ৰাত সহায় কৰে। তাকে কৰোঁতে তেওঁলোকৰ মূল বা বীজমন্ত্ৰ—ডাক পুৰুষে কোৱাৰ দৰে মাত্ৰ এটা শব্দ আৰু সেয়ে হৈছে 'ৰতি'। —'পৰিহৰা কৃষি নদীৰ পাৰ, পৰিহৰা নাৰী ৰতি নাই যাৰ।' ৰতি-শাস্ত্ৰত পাৰদৰ্শিতা লাভ কৰি কেনেবাকৈ পতিলৈ আওকাণ কৰিবলৈ হলে কিন্তু তেওঁ কাৰো আদৰ-সম্মান নাপায় আৰু সমাজৰো গৰিহণা খাবলগীয়া হয়। ভ্ৰষ্ট চৰিত্ৰৰ তেনে নাৰী সংসাৰ-যাত্ৰাৰ উপযোগী নহয। তেনে লম্পট চৰিত্ৰৰ নাৰীৰ বিষয়ে ডাকে কয়—

অতিথিৰ সুখ নাই একো কালে,
দুগ্ধ ভাল নাপায মাতালে।
চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যোতি,
দুষ্টা স্ত্ৰীৰ নাই পুত্ৰত ৰতি॥

আৰু,

মাছে নিচিনে নৈ, তিৰীয়ে নিচিনে পৈ,
কুকুৰে নিচিনে তাম-তুলসী, ঠেং দাঙি মূতে গৈ।

বৰগীত, বিহুগীত আৰু যোজনা-ফকৰাত বাহিৰেও বিয়াগীত, নাওলী, মন্ত্ৰগীত, বাৰমাহী গীত আদি মৌখিক সাহিত্যবোৰতো ছেগাচোৰোকাকৈ অ'ত-ত'ত দুই-একোটা কামোদ্দীপক পদ্য-পংক্তি পোৱা যায়।

চুটি চুটি মন্ত্ৰক আটে আখৰীযা মন্ত্ৰ বোলে। চেলাৰ আটে আখৰীয়া মন্ত্ৰ অৰ্থাৎ চেলাৰ বিষ জৰা মন্ত্ৰ আৰু ডণ্ডুৱা সাপ, খন্তী সাপ, গোপ, মকৰা, জেঠী আদিয়ে কামোৰাৰ অনেক আটে

আথৰ্বীয়া মন্ত্ৰ বীভৎস ভাষাত উচ্চাৰণ কৰা অবাচ্য বচনৰ সমষ্টি মাত্ৰ। বেজে অস্পষ্টকৈ এটা সুৰ বা গত লগাই সেইবোৰ মুখে মুখে গাই যায়। এনে মন্ত্ৰৰ গুণ চমকপ্ৰদ।

বিহুগীত আৰু বনগীতত থকাৰ দৰে পূৰ্ব্বৰাগ, মিলনেচ্ছা, বিৰহৰ আশঙ্কা বা বিৰহ আদিৰ অনুৰাগ-ৰঞ্জিত গীত অৱশ্যে এইবোৰত নাই। নাওঁলী গীতবোৰত বিহুগীতৰ দৰে পূৰ্ব্বৰাগৰ মাত্ৰা বেছি। এই নাওঁলী গীতবোৰ বিহুগীতৰ দৰে ৰিঙিযাই মুক্ত-কণ্ঠে মুকলি পথাৰত নাইবা হাবিৰ মাজত গৰু-ম'হ চৰাওঁতে গোৱা এবিধ গীত। ইযাৰ সুৰ বিহুগীতৰ দৰে মিহি বা ল-নী নহয় আৰু নাৰীৰ কণ্ঠত ইযাক কেতিযাও শুনিবলৈ পোৱা নাযায়। তাৰে নমুনা, যেনে—

কৈৰাই কুমটি খায ঐ লাহৰি,
কৈৰাই কুমটি খায,
আজিৰ জীযা ছলিৰ গাত হাত লগালেই,
পোনে গোচৰলৈ যায।

* * * *

আমলৈ আমাৰা, লোণলৈ থেকেৰা, ফুটীযা গাখীৰৰ দৈ,
মাকৰ ঘৰতে, জীযা বুঢা হোৰৈ, নাপাই ঐ চেঙেৰা পৈ।

কন্যা বাৰমাহীত আকৌ—'আঘোণ মাহত হায! নাকাটিলো পাত, খাবলৈ নাপালোঁ প্ৰভু নবীন ধানৰ ভাত' আদি গীতে পূৰ্ব্বৰাগ ফুটি উঠাৰ পূৰ্ব্বে বিৰহ বিৰিঙি পৰাৰ সূচনা কৰে। জযধন বনিযাৰ বাৰমাহী গীতত অৱশ্যে অলপ পৃথক সুৰ বাজি উঠিছে। তাত মাণিক সাউদে বণিজৰপৰা উভতি আহি নিজৰ পত্নীৰ সতীত্ব পৰীক্ষা কৰিবৰ কাৰণে নানা প্ৰকাৰ প্ৰলোভন দেখুৱা গীত-মাতৰ অৱতাৰণা কৰিছে। এইবোৰতো আদিৰসৰ উপাদান প্ৰভূত পৰিমাণে বিদ্যমান। ৰাধা বাৰমাহী, ৰাম

বাৰমাহী, সীতা বাৰমাহী আদি বাৰমাহী গীতবোৰতো কমোৱা তুলা বতাহত উৰি ফুৰাদি আদিৰসৰ স্তিমিত প্ৰভাযুক্ত জোনাকী পৰুৱা উৰি ফুৰা দেখা যায়।

আইনাম আৰু ধাই নামত তপত তেজৰ পিৰপিৰণি তোলা আদিৰসৰ চোকা গীত পাবলৈ নাই। আদিৰসৰ প্ৰযোজনো তাত নাই। তথাপি ধাই নামত ডকৰা ধাইৰ মুখেদি দুই এফাকি আমোদজনক গীত ওলাই নহাকৈও থকা নাই; যেনে—

জোনৰে আগতে একোটি তৰা,
আযে বিযা দিলে গঁঠীযা দৰা,
হেৰ' তই গঁঠীয়া নেপাৰ অ' গালি,
আইৰ ঘৰলৈ গুচি যাম ভৰি পখালি।

বিযানামবোৰো বহলকৈ ভগালে দুই শ্ৰেণীত পৰে। এবিধত ৰাম-সীতা, হৰ-পাৰ্ব্বতী, উষা-অনিৰুদ্ধ, অৰ্জ্জুন-সুভদ্ৰা আদি পৌৰাণিক আখ্যান গোৱা হয়, আনবিধ ৰগৰপূৰ্ণ আধুনিক চুপতিৰে ভৰা। সাধাৰণতে পুৰোহিত বামুণ নতুবা দৰা-কন্যাৰ বন্ধু-বান্ধৱীক লৈ বেচ ৰগৰৰ সৃষ্টি কৰা হয়—জোৰানামত। জোৰানামবোৰৰ সাৰ্থকতা বাক্‌চপলতাতেই। তাত বাহিৰে সাধাৰণ বিযানামৰ অ'ত ত'ত—'আয়ে নাকান্দিবা বোপাই নাকান্দিবা, আমি জিৰণীযা মৌ', নাইবা

বিযাৰ মাজে প্ৰভাৱতী সূৰ্য্যসম জ্বলে,
ৰূপ দেখি বাপু কৃষ্ণ হালি জালি পৰে।

—এনে ধৰণৰ আদিৰসপূৰ্ণ সাধাৰণ কথা দুই একোটা লক্ষ্য কৰা যায়। আধুনিক বিযানামবোৰত কাব্যিক সৌন্দৰ্য্য নাইবা কাব্য-ৰসতকৈও বাক-পটুতা বা চপলতাহে অধিক স্পষ্ট হৈ আছে। তাৰে নমুনা স্বৰূপে কব পাৰি—

অ' মন লিবন, আজি দুইজনাৰ অপূৰ্ব্ব মিলন।
অ' মন বকুল, সীতাৰ কাৰণে ৰাম বিয়াকুল।
অ' মন তৰা, আইদেউৰ বাতৰি কেনেকৈ পালা?
অ' মন জোনাকী, বোপাৰে আইদেউৰে আগৰে চিনাকি।

আৰু,

মটৰ চলে ঢপ ঢপ, নকৰিবা তপ্ তপ্
আজিহে বুজি পালোঁ, বোপা তোমাৰ মতলব।

মৃদু মৃদু বাজিছে

কোমল কইন্না দেখি দৰাই মিচিক মিচিক হাঁহিছে।
উৰা জাহাজ উৰি গ'ল, বাতৰি কাগজ পৰি ৰ'ল
বোপাই দিয়া চিঠিখন আইদেউৰ হাতত পৰি ৰ'ল।

ইত্যাদি।

এইবোৰত আন্তৰিক প্ৰেমৰ মৃদু প্ৰবাহ কেনেকৈ পৰিবৰ্ত্তনৰ সোঁতত পৰি বস্তুবাদী হৈ আধুনিক জীৱনৰ উকা প্ৰয়োজন-বোধলৈ ৰূপান্তৰিত হব ধৰিছে তাৰ এটি ধাৰণা কৰিব পাৰি।

মৌখিক গীতৰ ভিতৰত বড়ো-কছাৰীসকলৰ ডিমাচা বড়ো-গীতত বনগীতত থকাৰ দৰে পুৰুষত্বব্যঞ্জক আৰু কামোদ্দীপক উপাদান ভৰপূৰ হৈ আছে। অনেক ডিমাচা বড়োগীত আজি-কালি অসমীয়ালৈ অনূদিত হব ধৰিছে। তাৰে এটা ডিমাচা বড়োগীতৰ ভাবাৰ্থ এনেকুৱা—'অ' মোৰ চেনেহী, সাদৰী ভনীটী। ধান খেৰৰ আগবোৰ কঁপিব লাগিছে। সেইবোৰ কঁপিছে মলয়া বতাহ লাগি। তোমাৰ নিচিনা ভৰ যৌৱনৰ যুৱতী এজনী যদি মই মোৰ কৰি লব পাৰিলোহেঁতেন, তেতিয়া হলে সাৰটি লৈ শাহু আইৰ ঘৰৰ এটা খোটালিত বতাহত কঁপা ধানৰ দৰে মযো কঁপিলোহেঁতেন।' এনে বড়োগীতৰ সুৰ কিন্তু অসমীয়া লোকৰ চিৰ পৰিচিত সুৰ।

অসমীয়া মৌখিক সাহিত্য অসমীয়া জাতিৰ প্ৰাচীন সমল। ভাব আৰু ভাষাৰ ফালেদি এইবোৰ পুৰণি সমাজৰ দৰেই সহজ, সৰল আৰু পোনপটীয়া। অৰ্থনৈতিক বিপৰ্য্যয় বা ৰাজনৈতিক বিপ্লৱৰ কঠোৰতাই ইমান দিনে এই গীত-মাতবোৰৰ আবেগ-অনুভূতিত স্থায়ী সাঁচ বহুৱাব নোৱাৰিছিল। অৱশ্যে আগৰ সেই 'মুকলি-মূৰীয়া সদায় সুখীয়া' জীৱন আজিকালি সময়ৰ চকৰি ঘূৰাৰ লগে লগে সমস্যাবহুল হৈ পৰিছে। তাৰে ফলত সমাজৰ প্ৰত্যেক মানুহক আজিৰ পৰিকল্পিত সংসাৰৰ একোটা হিচাবৰ জীৱ মাত্ৰ বুলি গণ্য কৰা যায়। মৌখিক সাহিত্য তেনে কৃত্ৰিমতাৰ জল-বায়ুত পেপুৱা লাগিবলৈ বাধ্য। ই সেইবাবে যুগ পৰিবৰ্ত্তনৰ লগে লগে সন্তোষী চহাৰ সৰল হিয়াৰ প্ৰতিচ্ছবিয়ে হৈ নাথাকি সভ্য জগতৰ অৱসৰ বিনোদনৰ সঁজুলি হবলৈ উপক্ৰম কৰিছে। হলেও কিন্তু এইটো সত্য যে সমাজৰ এটা স্তৰত সি সদায় হাবিৰ ফুলৰ দৰে আপোনা-আপুনি ফুলি শ্ৰীবৃদ্ধি লাভ কৰি এক শ্ৰেণীৰ লোকৰ অন্তৰৰ ভাষা প্ৰকাশ কৰিয়ে থাকিব। অসমীয়া জাতি আৰু অসমীয়া ভাষা থাকে মানে তাৰ ৰূপান্তৰ ঘটি থাকিলেও বিনাশ নহয়।

অসমীয়া বৈষ্ণৱ আৰু তান্ত্ৰিকৰ দৃষ্টিত নাৰী

তন্ত্ৰ-মন্ত্ৰৰ কাৰণে পুৰণি কামৰূপ বিখ্যাত। মাযঙীয়া বেজে মন্ত্ৰৰ বলেৰে কটা গছ থিয় কৰি ৰাখি আৰু বহা আসন টিকাত লগাই দি এসময়ত হেনো মানুহক বিস্মিত কৰিছিল। আজিও অসমীয়া বেজে দাইল ফেটী সাপৰ বিষ মন্ত্ৰ শক্তিৰে জাৰি নাইকিয়া কৰা দেখিলে আচৰিত হব লাগে। তাতোকৈ আচৰিত কথা এই যে যি মন্ত্ৰ-শক্তিৰে এনে অদ্ভুত কাম সম্ভৱ কৰি দেখুৱা হয় তাতো আছে প্ৰেমৰ আদিৰসপূৰ্ণ কাহিনী। বজালি*, বিষালি, সৰ্ব্বঢাক, কৰতি আদি মন্ত্ৰবোৰৰ বহুতৰে বিষযবস্তু মহাদেৱ-পাৰ্ব্বতী, নেতা-পদ্মাৱতী, গোপী-কৃষ্ণ নতুবা সাগৰ মন্থনৰ সময়ৰ মোহিনী-মহাদেৱ আৰু তেৰাসকলৰ আচৰিত প্ৰেম-লীলা। অকল সিমানেই নহয়, এই দেৱতাসকলৰ প্ৰেম-কাহিনীকে লৈ একো একোখন বিশেষ নামৰ মন্ত্ৰ পুথিয়ে ৰচিত হৈছে, যেনে—সাপৰ বিষ জৰা পদ্মা বজালি, কালী বজালি আৰু বাত বিষ জৰা ন ভনী, বাৰ ভনী, ওঠৰ ভনী, সাগৰ মন্থন আদি বিষালি মন্ত্ৰ। সাগৰ মন্থন বজালি মন্ত্ৰও আছে। দুয়োখন পুথিতে দেৱাসুৰৰ সাগৰ মন্থন আৰু তাৰপৰা উদ্ভূত হোৱা কালকূট বিষৰ বৰ্ণনা আছে। বজালি পুথিত অমৃতৰ আশাত কুশৰ পাত চেলেকি চাওঁতে সৰ্পৰ জিভা কেনেকৈ দ্বিধা বিভক্ত হ'ল তাৰো বৰ্ণনা দিয়া আছে। পদ্মা বজালিত শিৱৰ নগ্ন কামুকতা আৰু পদ্মাৱতীৰ

---

* বজালি আৰু বেজালি একে নহয়। সৰ্পৰ বিষ জৰা কোনো এটা বিশেষ পৌৰাণিক কাহিনীৰ বৰ্ণনামূলক মন্ত্ৰ পুথিযে বজালি মন্ত্ৰ। ই বেজালি বা বেজ-বিদ্যা সম্পৰ্কীয় বৈদ্য শাস্ত্ৰৰে অংশ বিশেষ।

জন্ম কাহিনী ৰমণীয়ভাৱে বৰ্ণোৱা আছে। সাপৰ বিষ জৰা প্ৰায়বোৰ মন্ত্ৰতে নাগমাতা পদ্মাৱতীৰ কাৰ্য্যকলাপৰ বৰ্ণনা আছে। মন্ত্ৰত থকা এই কাহিনীবোৰৰ সুসঙ্গতি বহুত সময়ত উলিয়াই লবলৈ কঠিন হৈ পৰে যদিও ঘটনাৰ উল্লেখবোৰ মন কৰিবলগীয়া, যেনে—

যৈসানি গোঁসাই কৈলাসক গৈলা।
দেৱীৰ ৰূপ দেখি আতি মোহ ভৈলা॥
গোঁসাযে বোলে দেৱী শৃঙ্গাৰ কৰা দান।
মহা-কামে জৰ্জ্জৰিত নাহিকে চেতন॥
দেৱী বোলে গোঁসাই তুমি শুনিও বচন।
দিবাভাগে শৃঙ্গাৰক খোজে কোন জন॥
সামান্য পুৰুষ হেন শৃঙ্গাৰক খোজা।
সৰ্পৰ অলঙ্কাৰ প্ৰভু দূৰ কৰি থোৱা॥
অনেক বচনে দেৱী গোঁসাইক বুজাইলা।
মহাকামে গোঁসাই নানা স্তুতি বাক কৈলা॥ ইত্যাদি

এই তন্ত্ৰ-মন্ত্ৰবোৰৰে এটি অতি ক্ষীণ অথচ অৰ্থব্যঞ্জক স্মৃতি খোৱা-খুবুনীৰ কাহিনীত পোৱা যায়। বিয়াৰ তৃতীয় নিশা দৰা-কন্যাক এই আখ্যান আনুষ্ঠানিকভাৱে শুনোৱা হয়। মহাদেৱৰ খেতি দেখি পাৰ্ব্বতীয়ে বিস্ময় প্ৰকাশ কৰাত পাৰ্ব্বতীৰ মুখৰপৰা হঠাৎ জন্মলাভ কৰিছিল খোৱা আৰু খুবুনীয়ে। সিহঁতে জন্ম গ্ৰহণ কৰিয়ে সদাশিৱৰ খেতি পুৰি ধ্বংস কৰিবলৈ ধৰাত শিৱে সিহঁতক ত্ৰিশূলেৰে বধ কৰিব খুজিছিল, পিছে সিহঁতক পাৰ্ব্বতীৰ সন্তান বুলি জানিব পাৰি আৰু সিহঁতৰ স্তুতি-নতি শুনি আশু-তোষে প্ৰাণ দান দি সিহঁতৰ নিবাস ঠিক কৰি দিলে। সেই মতে বিয়াৰ তৃতীয় দিনা দৰা-কইনাই সিহঁতৰ (খোৱা-খুবীৰ) আখ্যান শুনিলে সিহঁতে দৰা-কইনাৰ ভৱিষ্যৎ জীৱনত একো অনিষ্ট নকৰে। সেই দেখি উজনী অসমত কি শিক্ষিত, কি অশিক্ষিত

সকলোৰে মাজত খোবা-খুবীৰ উপাখ্যান সমানে আদৃত হৈ আছে। এই আখ্যানে হৰ-পাৰ্ব্বতীৰ দাম্পত্য জীৱনৰ এটি মধুৰ চিত্ৰ দাঙি ধৰে। পতি-পত্নীৰ মাজত যাতে দন্দ্ব-কাজিয়া বা মতভেদ নহয় আৰু নৱ-দম্পতীৰ দাম্পত্য জীৱন সুখময় হৈ উঠে তাৰ বাবে হৰ-পাৰ্ব্বতীৰ আদৰ্শ মিলনৰ কাহিনী তেওঁলোকক শুনোৱা হয়। ইযাকো তন্ত্ৰ-মন্ত্ৰৰ পৰ্য্যায়তে গণ্য কৰা হয়।

মোহিনী, বশীকৰণ আদি মন্ত্ৰক সম্পূৰ্ণৰূপে কামশাস্ত্ৰৰ অন্তৰ্গত বুলি ধৰি লোৱা যায়। কিছুমান মন্ত্ৰৰ প্ৰক্ৰিয়া-পদ্ধতিও আচৰিত ধৰণৰ। সাপৰ বিষ দূৰ কৰিবলৈ কেতিয়াবা বেজ বা ওজাই তেওঁক খবৰ দিবলৈ যোৱা মানুহজনকে জোৰেৰে চৰিয়াই দিয়ে। পতি-পত্নীৰ মাজত দন্দ্ব খৰিযাল মুগুচা হলে বশীকৰণ বা মোহিনীৰ সহায় লবলৈ বেজৰ ওচৰ চপা হয়। তাকে কৰিবলৈ বিবদমান দম্পতীৰ তিৰোতাজনীৰ সমবয়সীযা ৰূপৱতী তিৰোতা এগৰাকীয়েহে গৈ বেজক খবৰ দিয়া নিয়ম। বেজে তেতিযা মন্ত্ৰ জপি সেই খবৰ দিয়া তিৰোতা-গৰাকীক তিনিটা চুমা খাই মৰম কৰি পঠিয়ায় আৰু সেই সময়ৰে পৰা দম্পতীৰ বিবাদ বা মনোমালিন্য দূৰ হয।

তন্ত্ৰ-মন্ত্ৰবোৰে এইদৰে পুৰণি অসমৰ জাতীয সংস্কৃতিৰ এটি স্বৰূপ প্ৰকাশ কৰে। আগতে কোৱা হৈছে যে পুৰণি কামৰূপক তন্ত্ৰ-মন্ত্ৰৰ লীলাভূমি বুলি বাহিৰত সকলোৱে গণ্য কৰিছিল। আজিও ভাৰতৰ সকলো ঠাইৰ লোকে কামৰূপীয তন্ত্ৰ-মন্ত্ৰৰ নাম শুনিলে ভয খায়। মহামাযাৰ মহাপীঠস্থান কামাখ্যা তন্ত্ৰ-মন্ত্ৰৰ প্ৰধান ঠাই আছিল। দিগ্বিজযী পণ্ডিত শঙ্কৰাচাৰ্য্যই খৃষ্টীয় নৱম শতিকাত অসমলৈ আহি অভিনৱগুপ্ত নামৰ তান্ত্ৰিক পণ্ডিত এজনৰ লগত তৰ্কবাদ কৰিছিল। তৰ্কত পৰাস্ত কৰি পণ্ডিত শঙ্কৰাচাৰ্য্যই অভিনৱগুপ্তক বাক্য-বাণেৰে থকা-সৰকা কৰাত শঙ্কৰাচাৰ্য্যক যথোচিত শিক্ষা দিবলৈ তেওঁ কৃতসঙ্কল্প হ'ল আৰু তান্ত্ৰিক পদ্ধতিৰে অভিচাৰ মন্ত্ৰ জপি শঙ্কৰাচাৰ্য্যৰ গাত ভগন্দৰ ৰোগ জপাই দিলে।

সেই ৰোগত শঙ্কৰাচাৰ্য্য মৃতকল্প হ'ল। নানা প্ৰকাৰ চিকিৎসাৰ অন্তত ধৰা পৰিল যে শঙ্কৰাচাৰ্য্যৰ বেমাৰ কুমন্ত্ৰ (অভিচাৰ) সম্ভুত। পিছে, শঙ্কৰাচাৰ্য্যৰো শিষ্যবৰ্গৰ মাজত এজন নৃসিংহ সাধক আছিল, নাম পদ্মপাদ। পদ্মপাদে তেতিয়া ওভোটা অভিচাৰৰ দ্বাৰা অভিনৱগুপ্তৰ প্ৰাণ সংহাৰ কৰে। অভিনৱগুপ্তই ভাবিবই পৰা নাছিল যে শঙ্কৰাচাৰ্য্যৰ লগতো অভিচাৰ মন্ত্ৰ জনা লোক আছে। সেইবাবে তেওঁ কুমন্ত্ৰ কৰোঁতে নিজৰ গা মন্ত্ৰেৰে আগে বান্ধি লোৱা নাছিল। সি যি হওক, শঙ্কৰাচাৰ্য্যও কিন্তু সেই ভগন্দৰ ৰোগৰ ফলতেই স্বৰ্গী হ'ল।

এনেবোৰ কাৰণতে হবলা মহামানৱ মহাত্মা গান্ধীয়েও ১৯২১ চনত অসমলৈ পোনতে আহি অসমৰ তন্ত্ৰ-মন্ত্ৰৰ কথা উল্লেখ কৰি জানোচা তেৰোঁ অসমৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱত ভেৰা হৈ বৈ যাব লগীয়া হয় বুলি বক্তৃতাত ৰগৰ কৰিছিল। বিজ্ঞান-সম্মত ব্যাখ্যা এটা দি তেতিয়া তেখেতে অৱশ্যে কৈছিল যে অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য এনে মনোৰম যে বিদেশৰপৰা যি কোনো লোক আহি সেই সৌন্দৰ্য্য দেখি বিমুগ্ধ হয় আৰু ভেৰাৰ দৰে ইয়াত বৈ যাবলৈ ইচ্ছা কৰে।

তন্ত্ৰ-মন্ত্ৰৰ মূলত আছে নাৰী বা আদ্যা শক্তি স্ত্ৰী। তন্ত্ৰৰ মতে 'বিনা শক্তিং ন পূজাস্তি মৎস্য-মাংসং বিনা প্ৰিয়ে' অৰ্থাৎ শক্তি বা নাৰী, মাছ আৰু মঙহ—এই তিনিটা বস্তুৰ অবিহনে তান্ত্ৰিক পূজা অসম্ভৱ। তন্ত্ৰত নাৰী বা নাৰীপ্ৰেমে কিদৰে সিদ্ধিমাৰ্গ নিৰ্দ্দেশ কৰিছে ভাবিবলগীয়া, কিন্তু তান্ত্ৰিকৰ অদ্ভুত ইন্দ্ৰজাল বা অসম্ভৱক সম্ভৱ কৰিব পৰা শক্তি হলে কোনেও উলাই কৰি উৰাই দিব পৰা নাই। পুৰণি কামৰূপৰ তান্ত্ৰিক পূজাৰ উল্লেখ আনকি পুৰণি বুৰঞ্জীতো পোৱা যায়। মুছলমান বুৰঞ্জীবিদ্‌সকলে 'আলমগীৰ-নামা', 'বাহাৰিস্তান্-ই-ঘাইবী' আদি বুৰঞ্জীৰ একাধিক স্থানত বহুবাৰ স্বীকাৰ কৰি গৈছে যে অসমলৈ আহিলে মানুহক ইয়াৰ

লোকে তন্ত্ৰ-মন্ত্ৰৰ বলত বশ কৰি পেলায় আৰু তাৰে ফলত ইয়ালৈ এবাৰ আহিলে মানুহ ঘুনাই ঘূৰি যাব নোৱাৰে। শত্ৰুৰ লগত যুদ্ধ লাগিলে যুদ্ধৰ পূৰ্ব্বে অসমীয়া সৈন্যবোৰে কেনেকৈ নদীৰ পাৰত তান্ত্ৰিক পূজা কৰি তন্ত্ৰ-মন্ত্ৰ কৰা বস্তুবোৰ শত্ৰুৰ ফালে মুখ কৰি নদীত উটুৱাই দি ৰিঙিয়াই মন্ত্ৰ মাতিছিল তাৰ উল্লেখ 'বাহাৰিস্তান-ই-ঘাইবী'ত আছে। স্বৰ্গীয় ডঃ মইদুল ইচলাম বৰাই অসমৰ বুৰঞ্জীৰ বিষয়ে পাঁচোটা বক্তৃতা দিছিল আৰু বক্তৃতা প্ৰসঙ্গত তেওঁ এঠাইত কৈছিল—'হাজোৰ যুদ্ধৰ সময়ত সিহঁতে (অসমীয়া সৈন্যই) এইদৰে কলৰ ভেল এখনত পূজা কৰি ভেলখন উটাই দিছিল। ভেলত এটি বলি- দিয়া ক'লা মানুহৰ মূৰ, এটি ক'লা কুকুৰৰ মূৰ, এটি ক'লা মেকুৰীৰ মূৰ, এটি ক'লা গাহৰিৰ মূৰ, এটি ক'লা গাধৰ মূৰ, এটি ক'লা বান্দৰৰ মূৰ, এটি ক'লা ছাগলীৰ মূৰ আৰু এটি ক'লা পাৰৰ মূৰ। ভেলত এই আটাইবোৰ মূৰ গোট খুৱাই তাৰ লগত পকা কল, তামোল-পাণ, সৰিয়হ, ৰঙা পিঠাগুৰি আদি নানান সম্ভাৰেৰে লগ লগাই ভেলখন উটাই দিয়া হৈছিল।' (ডঃ কাকতি—'পুৰণি অসমৰ ধৰ্ম্মৰ ধাৰা')

আকৌ আহোম ৰজা প্ৰতাপসিংহৰ ৰাজত্ব কালত এবাৰ বঙালে অসম আক্ৰমণ কৰাত ৰজাদেৱে দেৱ-দেৱীক পূজা দিলে, সিহঁতকো শুকুলা ম'হ চাৰি হাল, হাঁহ, পাৰ, ছাগ আৰু আন উপহাৰ বস্তু দি পূজা কৰি ৰজাদেৱে প্ৰাৰ্থনা কৰি বুলিলে—'ব্ৰহ্মপুত্ৰে মোৰ সম্বন্ধি সুপ্ৰসন্ন হৈ জতকৰাৰ সুঁতি তৰ পেলোৱা।' পাছে ৰজাদেৱৰ প্ৰাৰ্থনাত থাকি ব্ৰহ্মপুত্ৰে হাজোৰ সুঁতি তৰ পেলায, বঙালৰ নাও যতে আছিল ত'তে তৰ পৰি (নাও) লাগি থাকিল।" —(দেওধাই অসম বুৰঞ্জী)।

শিখ ধৰ্ম্মগ্ৰন্থতো অসমৰ তান্ত্ৰিকতা স্বীকাৰ কৰা হৈছে। নানকৰ শিষ্য এজনৰ নাম আছিল মৰ্দ্দন। এওঁক কামৰূপীয়া মাযাবিনী এজনীযে সঁচাকৈয়ে হেনো তন্ত্ৰ-মন্ত্ৰ কৰি ভেৰা কৰি ৰাখিছিল।

তান্ত্রিকসকলৰ নাৰী-সাধনা আৰু সহজীয়াপন্থীসকলৰ নাৰী-সাধনা প্ৰায় একে ধৰণৰ কথা। দুয়োতে পৰকীয়া প্ৰীতিৰ প্ৰাধান্য মানি লোৱা হয়। ভগৱান প্ৰেমময়। প্ৰেমৰ মাজেদিহে তেওঁৰ প্ৰেমানন্দ ৰূপটো দেখা পোৱা যায়। এই প্ৰেমৰ সাধাৰণ পথ বা ক-ফলা হ'ল—নাৰী-প্ৰেম। এই নাৰী-প্ৰেম দুই প্ৰকাৰৰ, স্বকীযা আৰু পৰকীযা। সাধাৰণ অৰ্থত নিজৰ বিবাহিতা পত্নীৰ লগত দাম্পত্য প্ৰেমৰ যি নিবদ্ধ সম্বন্ধ সেযে স্বকীযা প্ৰেম আৰু পৰাঙ্গণা বা পৰৰ তিৰোতাৰ প্ৰতি প্ৰেমৰ যি আকৰ্ষণ সেযে পৰকীযা প্ৰীতি। পৰাঙ্গনা-প্ৰীতি অবৈধ কাম। সমাজত ই ব্যভিচাৰ আনিব পাৰে, গতিকে ধৰ্ম্মাচৰণৰ এই পথ কণ্টকাকীৰ্ণ আৰু ভয়াবহ।

সহজীযা শব্দটো 'সহজ' এই সংস্কৃত মূলৰপৰা আহিছে আৰু তাৰ অৰ্থ জন্মৰ লগত ওপজা প্ৰবৃত্তি। জন্মৰ লগত বহুত প্ৰবৃত্তি ওপজে, কিন্তু সেই সকলোৰে ভিতৰত প্ৰেম বা ভালপোৱা প্ৰবৃত্তিয়ে প্ৰধান আৰু সিয়ে সমাজৰ মুখ্য বান্ধনি স্বৰূপ। গতিকে প্ৰেম বা প্ৰীতিক স্বযং ভগৱানৰে এটা বিশেষ গুণ বুলি গ্ৰহণ কৰা যায়। ভগৱানৰ প্ৰেম-বিলাসতেই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে।

সহজীযাসকলৰ সহজ বা প্ৰণয কথাটো বুজিবলৈ সিমান সহজ নহয। ভক্তকৱি চণ্ডীদাসে সেইদেখি কৈছিল—

সহজ সহজ সবাই কহযে সহজ জানিবে কে।
তিমিৰ অন্ধকাৰ যে হইযাছে পাৰ সহজ জেনেছে সে।

(চণ্ডীদাস)

সহজীয়া ধৰ্ম্মৰ প্ৰকৃত আচৰণ আৰু অনুশীলনৰ বাবে কাম প্ৰবৃত্তি চৰিতাৰ্থৰ প্ৰয়োজন আৰু নাৰী-সঙ্গই তাত সহায় কৰে, কিন্তু কাম প্ৰবৃত্তিৰ চৰিতাৰ্থ ধৰ্ম্মাচৰণৰ লক্ষ্য নহয়। সেই কাম অতিক্ৰম কৰি গৈ প্ৰেমময় ভগৱানৰ প্ৰেমানন্দ ৰূপটো উপলব্ধি কৰাটোহে তাৰ লক্ষ্য।

প্ৰথম সাধন ৰতি সম্ভোগ শৃঙ্গাৰ।
সাধিবে সম্ভোগ ৰতি পালাবে বিকাৰ॥
জীব-ৰতি দূৰে যাবে কৰিলে সাধন।
তাৰ পৰে প্ৰেম-ৰতি কৰি নিবেদন॥

(অমৃত ৰত্নাৱলী)

অৰ্থাৎ কাম পৰিত্যাগ কৰি প্ৰেম লোৱাটোৱে সহজীয়াসকলৰ লক্ষ্য। তেওঁলোকৰ মতে কুইনাইন নোখোৱা লোকে কুইনাইনৰ তিতা কেনে বুজিব নোৱাৰে আৰু আম নোখোৱা লোকেও পকা আমৰ মিষ্টতা উপলব্ধি কৰিব নোৱাৰে। সেইবাবেই কামৰ মাজেদি গৈ কাম অতিক্ৰম কৰি প্ৰেমৰ স্বৰূপ উপলব্ধি কৰিবলৈ তেওঁলোক ধাবিত হয়।

বৈষ্ণব ধৰ্ম্মত পৰকীয়া প্ৰীতিৰ নিদৰ্শন ৰাধা-কৃষ্ণৰ প্ৰেম। সাগৰ গোৱালৰ কন্যা আছিল ৰাধা। ব্ৰজধামত তেওঁৰ ঘৰ। ৰাধাৰ বিয়া হৈছিল আইহন বা অভিমন্যু বুলি এজন নপুংসক গোৱালৰ লগত। ৰাধাৰ যৌৱন-উদীপ্ত ৰূপটোৱেই কলীয়া কৃষ্ণক বলিয়া কৰিলে, নে কৃষ্ণৰ ভুবন-ভুলোৱা বাঁহীৰ সুৰ আৰু প্ৰেম-চাতুৰীযেহে ৰাধাক বিব্ৰতা কৰিলে সেইটো কোৱা টান, কিন্তু যি প্ৰকাৰেই নহওক দুয়োৰো প্ৰতি দুয়োৰো চিত্ত আকৃষ্ট হ'ল। চণ্ডীদাসৰ 'শ্ৰীকৃষ্ণ কীৰ্ত্তন' মতে অৱশ্যে কানুৰ ফুল-তামোল দিয়াৰ ছলেৰে যাচি দিয়া প্ৰেম নিবেদন ৰাধাই অৱজ্ঞাৰে উকৱাই দিছিল। পিছত মথুৰাৰ হাটত আৰু নৌকা-বিলাসত লটিঘটি হৈহে তেওঁ কৃষ্ণত আত্ম-নিবেদন কৰিবলৈ বাধ্য হয়। সি যিয়েই নহওক লাগিলে, পৰাঙ্গনা প্ৰীতিৰ ই এটা নিদৰ্শন হৈ ৰ'ল। ভগৱানৰ কাৰ্য্য বাবে তাক তেওঁৰ লীলা মাথোন বুলি গ্ৰহণ কৰি ভক্তসকলে তাত নানান অলৌকিকত্ব স্থাপন কৰিলে আৰু ৰাধা-কৃষ্ণৰ তেনে প্ৰেমক পূত-প্ৰেমলৈ তুলি তাক এক প্ৰকাৰ ভক্তিৰ মাৰ্গ বুলিয়ে নিৰ্ণয় কৰিলে। ৰাধা-কৃষ্ণৰ এই প্ৰেমতেই উদ্বুদ্ধ হৈ বঙ্গীয় বৈষ্ণৱ

ধৰ্ম্মৰ গুৰু চৈতন্যদেৱে এদিন আকাশত উৰি ফুৰা নীলা মেঘ আৰু দিগন্তত দেখিবলৈ পোৱা কৃষ্ণবৰ্ণ তমাল তৰুৰাজিতো ভগৱান কৃষ্ণৰেই ৰূপৰ প্ৰতিবিম্ব দেখিছিল, আৰু উৰ্দ্ধবাহু হৈ প্ৰেমাকুল-ভাৱে কৃষ্ণ-নাম কীৰ্ত্তনত আপোন-পাহৰা হৈছিল।

অসমৰ বৈষ্ণৱ সাহিত্য আৰু বৈষ্ণৱ ধৰ্ম্মত ৰাধা-কৃষ্ণৰ যুগল প্ৰেমৰ বিস্তৃত বিবৰণ নাই। অ'ত-ত'ত যি অলপ আছে তাক বঙ্গীয় বৈষ্ণৱ কীৰ্ত্তনৰ ঢোলোকনি মাত্ৰ বুলি ধৰি ললেও ভুল নহব। সেইবুলি অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰো অন্ততঃ এটা শাখাত নাৰী-প্ৰেম আৰু নাৰী-পূজাই শ্ৰেষ্ঠ স্থান অধিকাৰ নকৰাকৈ থকা নাই।

বৈষ্ণৱসকলৰ মতে, অন্ততঃ পৰকীয়া পন্থীসকলৰ মতে কাম ৰিপু দমন কৰাৰ লগে লগেহে প্ৰেমৰ পবিত্ৰ পোহৰ মানুহৰ মনলৈ আহে। দমনো হয় গমনৰ মাজেদিহে, পৰিবৰ্জ্জন বা পৰিহাৰৰ জৰিয়তে নহয়। এই খিনিতে কাম আৰু প্ৰেমৰ মাজত থকা পাৰ্থক্যখিনিৰ কথা পুনঃ আহি পৰে। আগতে উল্লেখ কৰা হৈছে যে পাৰ্থক্যটো প্ৰকাৰগত পাৰ্থক্য নহয়, মৰ্ম্মগত বা অৰ্থগত পাৰ্থক্যহে (not in form but in essence) অৰ্থাৎ তাক কেনে ধৰণে লোৱা যায় নাইবা সি কেনে প্ৰতিক্ৰিয়া কৰে তাৰ ওপৰতহে পাৰ্থক্যটো নিৰ্ভৰ কৰে। চৈতন্য চৰিতত তাক এইদৰে বিশ্লেষণ কৰি দেখুওৱা হৈছে—

আত্মেন্দ্ৰিয় প্ৰীতি ইচ্ছা তাৰে বলি কাম।
কৃষ্ণেন্দ্ৰিয় প্ৰীতি ইচ্ছা ধৰে প্ৰেম নাম॥
(চৈঃ চঃ ১-৪)

বৈষ্ণৱৰ দৃষ্টিত স্বাভাৱিক মিলন বাসনায়ে ভোগাসক্তিৰ অতীত হৈ ভগৱন্মুখী গতি কৰিলে সি প্ৰেমত পৰিণতি লাভ কৰে। ভোগাসক্তি অতিক্ৰম কৰাৰো পথ দুটা। এটা পথ ভোগাসক্তিৰ মাজেদিয়ে আৰু আনটো তাৰ সীমাৰ বহুত দূৰত। ভোগাসক্তিৰ মাজেদি যোৱা সকলেও কিন্তু বোকাত থকা মাছে গাত বোকা লাগিবলৈ

নিদিয়াৰ দৰে ভোগ-বিলাসৰ মাজত থাকিও তাত লিপ্ত নোহোৱাকৈ থাকে। তেওঁলোকৰ নীতিক ভকতীয়া কথাত 'মাৰো মাছ, নোছোওঁ পানী' নীতি বোলা যায়। আনটো দল তেনেই নিৰহ-নিপানীভাৱে নিৰ্লিপ্ত বা ভোগৰ প্ৰতি অনাসক্ত। ই এক প্ৰকাৰৰ অহেতুকী প্ৰীতি। দুয়ো পন্থৰ লোকসকলৰ ভিতৰত মিল ইমানেই যে তেওঁলোকৰ দুয়োৰে লক্ষ্য থাকে বহুত দূৰত, 'অবাংমনসোগোচৰ' কিবা এটাত, ভোগতো নহয়, প্ৰীতিতো নহয়। বেছি ভাগ তান্ত্ৰিক আৰু অসমীয়া বৈষ্ণৱেই অনাসক্ত ভকত অৰ্থাৎ ভোগৰ ক্ষেত্ৰত নিৰ্লিপ্ত হৈ থাকি ভোগৰপৰা বিৰত থকা লোক।

অসমীয়া বৈষ্ণৱসকলৰ মাজত বিভিন্ন পন্থী ভকত আছে। তেওঁলোকে অনাসক্তিৰ পৰীক্ষাত উত্তীৰ্ণ হব পাৰিলেহে সন্মানৰ মহন্ত আখ্যা পায় আৰু মহন্তৰ আসনত বহিবলৈ অৰ্হতা অৰ্জ্জন কৰে। 'তেল-কৰণী' তেনে এটা পৰীক্ষা। ভকতনীসকলৰ তেল-কৰণীত যি মহন্ত নিৰ্ব্বিকাৰ থাকিব পাৰে তেৱেঁহে মহন্তৰ মূল আসনত বহি মন্ত্ৰ দিবৰ যোগ্যতা লাভ কৰে। তেল-কৰণী প্ৰায় সকলো ভকত-সেৱাতে অনুষ্ঠিত হয়, আৰু সেই তেল-কৰণীত ভকতনীসকলে উচ্চাসনৰ অভিলাষী মহন্তসকলৰ গুপ্তাঙ্গত তৈল-মৰ্দ্দন কৰে। সেই মৰ্দ্দনত সম্পূৰ্ণৰূপে নিৰ্ব্বিকাৰ থাকিব পাৰিলেহে মহন্তই ধৰ্ম্ম ধৰিবলৈ উপযুক্ততা লাভ কৰে। তেতিয়া তেওঁ উঠন আসনত বহি ভকত-ভকতনীসকলক নাম আৰু মন্ত্ৰ দিব পাৰে।

অসমীয়া বৈষ্ণৱসকলৰ মাজত নীতিগত হিচাপে কিছুমান সাধাৰণ বিভাগ পৰিস্ফুট হৈ থকা দেখা যায়, যেনে—

১। পুঠি-মছীয়া সম্প্ৰদায়। কাছ আৰু মাগুৰ মাছ এওঁলোকৰ অতি প্ৰীতিকৰ খাদ্য। খাদ্যৰ দৰে প্ৰকৃতিতো তেওঁলোক নিৰ্জ্জু আৰু নম্ৰ ধৰণৰ। এওঁলোকে ভকতসেৱাক 'ঠগী' বোলে। 'পিছে, কোন ফালে বা যোৱা হব' বুলি সুধিলে তেওঁলোকে উত্তৰ দিয়ে—'ঠগীলৈ' বুলি।

২। ঠাকুৰ-খেলীয়া। এওঁলোকে ভকত-সেৱাৰ প্ৰীতি মিলনক 'সেৱা' বোলে, 'ঠগী' নোবোলে। ধুতি-বিধুতিৰ বাহ্যিক বাছ-বিচাৰ এওঁলোকৰ বৰ বেছি। স্নানৰ কোবো আনতকৈ চৰা। এনেকৈ 'নমো নমো পাৰিজাত' হৈ থকা বাবেই বোধহয় এওঁলোকে ঠাকুৰ-খেলীয়া আখ্যা পাইছে। বাকী আচাৰ-ব্যৱহাৰত এওঁলোক পুঠিমছীয়াৰ সদৃশ।

৩। ভাগধৰীয়া। ভাগৱত-ধৰীয়া বা ভাগৱত ধৰোঁতাৰ পৰাই বোধহয় এই নাম আহিছে। এওঁলোকেও ভকত-সেৱাৰ প্ৰীতি-মিলনক 'সেৱা' বোলে। ভাগৱত পুথি থাপনাত ৰাখিহে এওঁলোকে ধৰ্ম্মৰ যিকোনো অনুষ্ঠান কৰে। চলন-ফিৰণত এওঁলোক পুঠি-মছীয়া সকলৰ দৰেই।

৪। ৰৰখেলীয়া। এওঁলোকক পূৰ্ণ-ধৰীয়া আৰু বাতিখোৱা, এই দুই নামেৰেও জনা যায়। এওঁলোক কোবাল প্ৰকৃতিৰ। এওঁলোকৰ আনুষ্ঠানিক মিলনক 'ঠগী' বোলা হয়। মদ, মাংস, গাহৰি, কুকুৰা আদি এওঁলোকৰ ঠগীত অবাধে চলে। এওঁলোকে কথাৰ ছলেৰে বচন মাতি কয়—বোলে 'শাল, শিঙী, সুৰাৰ, ই তিনি ভক্তিৰ দুৱাৰ'। অৰ্থাৎ ভক্তি-মন্দিৰৰ দ্বাৰত মাছ-মঙহৰ অবাধ ভোজন চলে। গুপ্ত মন্ত্ৰৰ প্ৰচলন এওঁলোকৰ মাজত বেছি। অনেকে অভিচাৰ মন্ত্ৰও (কুমন্ত্ৰও) জানে আৰু তাৰ দ্বাৰা আচৰিত আচৰিত কাম কৰি দেখুৱাব পাৰে। শুনা যায়, গাহৰি, কুকুৰা আদি ঠগীত উৎসৰ্গিত হোৱা জীৱবোৰ তেওঁলোকে 'চিয়া' (মন্ত্ৰ) গাই থাকোঁতেই নিধন প্ৰাপ্ত হয়। পাৰ্ব্বত্য অঞ্চলত আৰু জনজাতীয় লোকসকলৰ মাজত এই পন্থৰ লোকৰ সংখ্যা সৰহ। 'যি দেশৰ যি ভাও' নীতিত বৈষ্ণৱ মত প্ৰচাৰ কৰিবৰ কাৰণেই বোধহয় এই পন্থৰ সৃষ্টি হৈছিল। গোপালদেৱ এই পন্থৰ প্ৰবৰ্ত্তক।

৫। ৰৰখেলীয়া আৰু পুঠিমছীয়া এই দুয়োটা প্ৰধান সম্প্ৰদায়ৰ সদাচাৰবোৰ বহুত পৰিমাণে মিলে। সম্প্ৰদায়ৰ মূল কথাবোৰৰ

গীতি-ছন্দময় ৰূপটোকে সদাচাৰ বোলে। ভকতসেৱা বা সকলো বৈষ্ণৱৰ মিলনত হোৱা প্ৰীতিভোজৰ নাম কৰণী। এই 'কৰণী' শব্দৰ পৰাই তেল-কৰণী শব্দ ওলাইছে। ভকতসেৱা বা ঠগীত বিশিষ্ট বৈষ্ণৱসকলে নিৰ্দ্দিষ্ট স্থান অধিকাৰ কৰি উপৱিষ্ট হয়। ৰাতিখোৱা সম্প্ৰদায়ৰ ভকতসেৱা বা ঠগী ৰাতিৰ ভিতৰতে অনুষ্ঠিত হৈ ৰাতিয়ে শেষ হয়। সেই অৰ্থতে তেওঁলোকক ৰাতিখোৱা সম্প্ৰদায় বোলে। এওঁলোকৰ ভকতসেৱা বৰ গহীন-গম্ভীৰ পৰিস্থিতিৰ মাজত সম্পন্ন হয়। গুপ্ত মন্ত্ৰ আৰু গোপন আলাপ-আলোচনা এওঁলোকৰ অতিশয় অধিক আৰু সম্প্ৰদায়ৰ ভিতৰুৱা কথাবোৰ এওঁলোকে বাহিৰৰ লোকৰ আগত ব্যক্ত নকৰে। এনে ধৰণৰ গোপ্য আচৰণৰ প্ৰবলতালৈ লক্ষ্য কৰি গণ্ডীৰ বাহিৰৰ লোকে অনেক সময়ত এওঁলোকক ইতিকিং কৰিব খোজে।

বৰখেলীয়া আৰু পুঠিমছীয়া এই দুয়ো সম্প্ৰদায়ৰ ভকত-সেৱাত বৈষ্ণৱসকলে আসন গ্ৰহণ কৰাৰ নিৰ্দ্ধাৰিত নিয়ম-নীতি আছে। তাকে মেৰু-কৰণী বোলে। এই দুই সম্প্ৰদায়ৰ বাহিৰে অন্যৰ মেৰু-কৰণী নাই। বৰখেলীয়াৰ মেৰু-কৰণীৰ ভেঁটিটোত তিনিটা থাক থাকে। সেই ভেঁটিৰ চাৰিওফালে চাৰিটা কলপুলি পুতি তাত সৰ্ব্বমুঠ ১০৮টা চাকি জ্বলাই দি ঠাইডোখৰ উজ্জ্বল কৰি ৰখা হয। উঠন মহন্ত তাৰ মাজত বহে। তেওঁ তেল-কৰণীত উত্তীৰ্ণ হোৱা সিদ্ধ লোক। কেইবাজনো উঠন মহন্ত একেটা ভকতসেৱাত গোট খালে তেওঁলোকৰ ভিতৰৰ বয়োজ্যেষ্ঠ জনলৈ সেই আসন আগবঢোৱা হয়। ভেঁটিৰ চাৰি কোণত চাৰিজন মহন্ত বহে। এওঁলোকো তেল-কৰণীত উত্তীৰ্ণ হোৱা মহন্ত। এওঁলোক চাৰিওকো চাৰি সিদ্ধ বুলি জনা যায়। প্ৰত্যেক সিদ্ধৰ ওচৰে ওচৰে তিনিজনকৈ মুঠতে বাৰজন বৈষ্ণৱে আসন গ্ৰহণ কৰে। এই কেইখন হিচাবৰ নিৰ্দ্দিষ্ট আসন। তাত বাহিৰে বাকী আসনত সাধাৰণ বৈষ্ণৱ বা ভকতসকল বহে।

ভকতনীসকলৰ সাধাৰণ নাম সাজনী। সজ্জাৰ বাবে বোধহয় সাজনী। তেওঁলোকে ডলা বা কাঁহীত ফুল লৈ মূৰৰ ওপৰত তুলি চুচৰি চুচৰি বহি খোজকাঢ়ি গৈ সেই ডলা বা কাঁহী মহন্ত-সকলৰ আগত থয়। সিদ্ধসকলে তন্মুহূৰ্ত্ততে সদাচাৰ লগাই দিয়ে আৰু বাকী বৈষ্ণৱসকলে ধৰে। চাৰিও ফালৰপৰা গীতৰ চেৰে-চেৰে তেতিয়া মহন্তৰ গালৈ ফুল চতিয়াই থকা হয়। গীতৰ গুণ-গুণনি ধ্বনিত চৌদিশ মুখৰিত হৈ উঠে। গীত-মাত শেষ হলে মহন্তই উঠি যি উদ্দেশ্যে ঠগীৰ আযোজন কৰা হৈছে তাকে সকলোৰে আগত সদৰীকৈ কয়। যদি কোনোৱে মহন্ত হোৱাৰ মানস কৰি সৰু-সুৰা পৰীক্ষাবোৰত উত্তীৰ্ণ হৈ এই ঠগী পাতে তেনেহলে উঠন মহন্তই তেওঁক তেতিয়া গুপ্ত মন্ত্ৰ প্ৰদান কৰি মহন্ত পাতে।

পুঠিমছীযা সকলৰো মেৰু-কৰণী প্ৰায় একে ধৰণৰে, কিন্তু তেওঁলোকৰ কলপুলি মাত্ৰ এটা, চাৰিটা নহয়। তাতেই কিন্তু লেখৰ সেই ১০৮টা চাকি জ্বলাই দিয়া হয়। কলপুলিৰ ওচৰতে উঠন মহন্তক আসন দিয়া হয়। চাৰিজন সিদ্ধ (মহন্ত) তেওঁৰ চাৰিওফালে বহে। বাৰজন বৈষ্ণৱো তেওঁলোকৰ ওচৰতে বহে। মূল আসনত বহা জনকে উঠন মহন্ত বোলা হয়। চাৰিজনা সিদ্ধ আৰু উঠন মহন্ত সদাচাৰ চলি থকা সময়ত আসনৰপৰা একো কাৰণতে উঠি নাযায়।

ভকত হবলৈ হলে প্ৰথমতে আহি ৰীতিমতে মহন্তৰপৰা পোনতে পাঁচটা নাম বা কীৰ্ত্তন মন্ত্ৰ শিকি লব লাগে। তেওঁ তেতিয়া পাঁচ-নেমীয়া ভকত হয়। তেতিয়াও তেওঁ সংসাৰী লোকৰ হাতে খাব পৰাই থাকে, কিন্তু দেৱীপূজাৰ প্ৰসাদ কেতিয়াও গ্ৰহণ কৰিব নোৱাৰে।

পাঁচ-নেমীয়া ভকতৰ ওপৰ খাপতে জলপেনীয়া ভকত। তেওঁলোকে সকামী সংসাৰী লোকৰ হাতে অন্ন গ্ৰহণ নকৰে। তাৰ

পাছত তেওঁলোকক ভকতৰ শাৰীৰপৰা বৈষ্ণৱলৈ উন্নীত কৰা হয়। এই বৈষ্ণৱসকলৰ হাতে সিদ্ধ মহন্তসকলেও খায়। এইদৰে ভকত, বৈষ্ণৱ, মহন্ত, সিদ্ধ মহন্ত আদি বিভিন্ন স্তৰ বা বিভাগ আছে।

ভকত-মহন্তসকলে ভাত খোৱাক চাউল ধৰা বা অন্ন গ্ৰহণ কৰা বোলে। তাবে এটা ধেমেলীয়া ব্যাখ্যা তেওঁলোকে এইদৰে দি কয় যে আজিকালিৰ হিন্দু ধৰ্ম্মত ভাতৰ ওপৰতে জাত (জাতি) বৈ আছে, এটা জাতিৰ মানুহৰ হাতে অন্য জাতিৰ মানুহে নাখায়। ভকত-মহন্তসকলে কিন্তু যত জীৱ তত শিৱ বুলি ধৰি লৈ সকলোকে সমান দেখে আৰু সকলোকে এক ভগৱন্তৰ সেৱক গণ্য কৰি সকলোৱে এক জাতিৰ হৈ পৰে।

কেতিয়াবা ভকত বা মহন্তসকলৰ কাৰবাৰ কিবা সামাজিক অপৰাধ হলে তেওঁলোকে আটায়ে লগ হৈ তাৰ বিচাৰৰ কাৰণে এখন মেল বা সমাজ পাতে। ভকত-মহন্তসকলৰ এই সমাজখনৰ নাম 'বাৰাণত' বা 'বাৰণাৱত'। বাৰণাৱতে সকলো দোষৰ বিচাৰ আৰু মীমাংসা কৰি দোষীক দণ্ড বিহে। মাটি চেলেকিবলৈ দিয়া এটা সাধাৰণ শাস্তি। ই মিৰিসকলৰ কেবাং সভাৰ দৰে।

সাজনীসকলে গীত গাই গাই হাতত বা মুৰত লৈ যোৱা কঁাহী বা ডলাখনক জনানী বোলা হয়। জনানী লৈ আৰম্ভ কৰা গীতৰ প্ৰথম ঘোষাটো হ'ল—'জনানী আই-য়ে সঙ্গলৈ পাও চলায়'—ইত্যাদি।

তাৰ পাছৰ ঘোষাটো এনেকুৱা—

নামে গঙ্গাৰ জল
ভকতে নিৰ্ম্মল
বৈয়াছে হৃদয়ৰ মাজে হে ৰাম ৰাম—
নামে গঙ্গাৰ জল ॥
গীতাত আছয় (নামে গঙ্গাৰ জল)
সৰ্ব্ব শাস্ত্ৰ অৰ্থ (নামে গঙ্গাৰ জল)

নৈবাহা বিচাৰি চায় হে ৰাম ৰাম—
নামে গঙ্গাৰ জল—
ভকতে নিৰ্ম্মল—ইত্যাদি

বৰখেলীয়া মহন্তৰ ঠগী হলে বাটৰ পৰাই ভকত-মহন্তসকলক আদৰি অনা নিয়ম। সাজনীসকলে গৈ ভৃঙ্গাৰৰ জলেৰে চৰণ ধুৱাই তেৰাসকলক গীত গাই গাই আদৰি আনে। সেই গীতবোৰো বৰ মধুৰ। তাৰে এটাৰ নমুনা, যেনে—

গুৰুজন আহিছে কি লৈ মই সাদৰিম দিবলৈ নাহিকে একো।
পদূলিৰে পৰা আদৰি আনোগৈ দেহৰ পাতি দিমে সাকোঁ॥
ভকতো আহিছে কি লৈ মই সাদৰিম লৈবো চৰণৰে ধূলি।
পদূলিৰে পৰা আদৰি আনোগৈ মোৰে নিজ বাপ বুলি॥
ভৃঙ্গাৰৰে জলে চৰণ ধুৱাইবো কেশে মলচিবো পাও।
চিৰ কালে যেন স্বামী সঙ্গ পাওঁ প্ৰেমতে মজাওঁ গাও॥

আকৌ,

আগে কোন নাম পাছে কোন নাম গুৰুই কোন নাম লৱে।
ভয়ৰাৰ কুৰতে গুৰুই চিনান কৰে উভতি ধৰিয়া বাৱে॥
উভতি ধৰিযা বাবলৈ লাগিছে সোঁতৰ সীমা সংখ্যা নাই।
শুকাই চেৰা সোঁত তৰতে পৰিলে ললে ভৰা সোঁতে ঠাই॥
উভতাৰ মুখতে ভিঙৰা পাতিলোঁ পিপৰাৰ সাৰণ নাই।
ইটো তত্ত্ব কথা সুধিয়া আহোঁগৈ গুৰু চিনানলৈ যায়॥
চৈধ্যখন ব্ৰহ্মাণ্ড ঘূৰিয়া আহিলোঁ ললোঁ সচঙ্গত ঠাই।
কহে মোৰ গুৰুৰে শুনা মোৰ বান্ধৱ এই 'সিয়া' ভকতে গায়॥

তাৰ পাছত ভকতনীসকলে ডলা বা কাঁহীৰ জনানীত তামোলৰ ঠোক, ধুনা, চাকি, ফুল, গামোচা, ধানৰ ছুনৰি আদি লৈ আগ বাঢ়ি গৈ মহন্তৰ ওচৰ পায়।

ভকতনীসকলৰ সঙ্গত থাকে যদিও বৈষ্ণৱ-মহন্তৰ পদ-স্খলন নঘটে। কিবা পাকত কাৰোবা কেনেবাকৈ কিবা মানসিক বিকাৰ ঘটিব খুজিলে তাক বাৰাণত সমাজে শাস্তি দি উদ্ধাৰ কৰি লয়। এইদৰে ভোগৰ মাজতে থাকি ভোগাতীত হৈ প্ৰেমৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাতেই বৈষ্ণৱৰ নিৰ্লিপ্ত মধুৰ পীৰিতিৰ শ্ৰেষ্ঠতা ধৰা পৰে।

এইখিনিতে এটা উল্লেখযোগ্য কথা এই যে শঙ্কৰদেৱৰ এক শৰণ ধৰ্ম্মত কেৱলীয়া সন্ন্যাসী আছে কিন্তু সন্ন্যাসিনী নাই। পুৰুষৰ ধৰ্ম্ম-মেলত তিৰোতাক কেতিয়াও যোগ দিবলৈ দিয়া নহয়। তিৰোতাসকলে মন্দিৰৰ চোতালত ঈশ্বৰৰ নাম-কীৰ্ত্তন বেলেগ থুপত আৰু বেলেগ সময়ত কৰে। (ডঃ কাকতি—পুৰণি অসমৰ ধৰ্ম্মৰ ধাৰা)। এই নিয়ম সাধাৰণ লোকৰ মাজত আজিকোপতি চলি আছে। এনে স্থলত ওপৰত উল্লেখ কৰা পন্থৰ মহন্ত আৰু ভকত-সকলে নাৰীকো তেওঁলোকৰ ধৰ্ম্মাচৰণত সমপৰ্য্যায়ভুক্ত কৰি লৈ ঠগী বা ভকতসেৱাত যোগ দিবলৈ দিয়াৰ কাৰণ ৰহস্যপূৰ্ণ। এই ভকত-মহন্তসকলেও শঙ্কৰদেৱকেই মূল গুৰুস্বৰূপে স্বীকাৰ কৰে। হব পাৰে শঙ্কৰোত্তৰ যুগত বৈষ্ণৱ ধৰ্ম্মৰ পূৰ্ণধৰীয়া, দামোদৰীয়া আদি বিভিন্ন পন্থৰ সৃষ্টি হোৱাত নাৰীৰ মৰ্য্যাদাকো স্বীকাৰ কৰিবলৈ কালৰ দাবী মানি এনে ধৰণৰ পৰিবৰ্ত্তন ঘটোৱা হ'ল। বঙ্গদেশৰ মধুৰ ৰসপূৰ্ণ চৈতন্যপন্থী বৈষ্ণৱ ধৰ্ম্মৰো ইয়াত বাহ্যিক আৰু পৰোক্ষ প্ৰভাৱ থাকিব পাৰে, কিন্তু এইটো ঠিক যে বঙ্গীয় মধুৰ ৰসৰ প্ৰত্যক্ষ স্থান বা সাদৃশ্য ইয়াত নাই।

তান্ত্ৰিকসকলেও নাৰীক লগত ৰাখি সকামী হৈ কৃচ্ছ্ৰ সাধনা কৰে। তেওঁলোকৰ সেই সাধনা সমূহীয়া সাধনা নহয়, সকাম, নিভৃত আৰু মৌন সাধনা। অক্ষতযোনি যুৱতী নাৰী এগৰাকীক মাধ্যম ৰূপে লৈ নিভৃত স্থানত নিৰ্ব্বিকাৰভাৱে মন্ত্ৰ জপা আৰু নাৰী অবয়বৰ বিভিন্ন আকৰ্ষণ নিৰীক্ষণ কৰি আৱশ্যকমতে স্পৰ্শ, আঘ্ৰাণ, চুম্বন, লেহনাদিৰ দ্বাৰা মন্ত্ৰৰ নিৰ্দ্দিষ্ট কাৰ্য্য সম্পাদন কৰা তান্ত্ৰিক

বামাচাৰীসকলৰ একপ্ৰকাৰ বিধি। এই প্ৰসঙ্গত ডঃ কাকতিয়ে আৰ. জি. ভাণ্ডাৰকাৰৰ Vaisnavism, Saivism, and Minor Religious System বোলা কিতাপৰ উদ্ধৃতি দি কৈছে—'দক্ষিণাচাৰী-সকলে ভূজপাত বা পাটৰ কাপোৰ বা সোণপাতত যোনিমণ্ডলৰ ছবি আঁকে। এটাৰ ভিতৰত আন এটা—এইদৰে নটা ছবিৰ চাক এটি গাথি লোৱা হয়। ইয়াকেই শ্ৰীচক্ৰ বোলে। এই চক্ৰৰ ওপৰত পূজা চলে। বামাচাৰীসকলে সুন্দৰী ছোৱালী এজনীৰ বাস্তৱ গুপ্তাঙ্গমণ্ডলত পূজা কৰে। এই পূজাত মদ, মাংস, মৌ, মাছ আদি উপকৰণ লাগে। এনেকি ব্ৰাহ্মণেও অতি সংগোপনে ত্ৰিপুৰাসুন্দৰীৰ পূজাত যোগ দিয়ে। ভৈৰৱী চক্ৰৰ পূজা যেতিয়া-লৈকে চলি থাকে তেতিয়ালৈকে কোনো জাতিভেদ নাথাকে। সকলো জাতিৰ সেৱকেই ভৈৰৱী চক্ৰৰ পূজাৰ সময়ত ব্ৰাহ্মণত্ব প্ৰাপ্ত হয়। পূজা শেষ হলে সকলোৱে নিজ নিজ জাতিলৈ উভতি আহে।'

'কুমাৰী পূজা'ও তেনেকুৱা অন্য এটা অনুষ্ঠান। এই পূজা আজিও অসমৰ নানা ঠাইত আনুষ্ঠানিকভাৱে পতা হয়। কুমাৰী পূজাতো জাতিভেদ নাই, আৰু এজনী কুমাৰীক পূজা কৰিলেই সকলো দেৱতাক পূজা কৰা হয়। কামাখ্যাৰ কুমাৰী পূজা প্ৰখ্যাত অনুষ্ঠান।

একাহি পূজিতা বালা সৰ্ব্বং হি পূজিতং ভৱেৎ।
জাতিভেদো ন কৰ্ত্তব্যঃ কুমাৰী পূজনে শিৱে॥

কুমাৰী পূজাৰ কুমাৰীগৰাকীও সাক্ষাৎ দেৱী প্ৰতিমাসদৃশ হোৱা উচিত।

ঔপন্যাসিক ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ 'ৰহদৈ-লিগিৰী' উপন্যাসত কুমাৰী পূজাৰ দক্ষিণ আৰু বামাচাৰ প্ৰক্ৰিয়া আলোচনা কৰিছে। তেওঁ কৈছে, 'কামাখ্যাত এবেলি ভাটীৰ জমিদাৰ এজনে এজনী বামুণৰ কুমাৰী ছোৱালীৰ ভৰি দুখনত ধূপ, দীপ, নৈবেদ্য, বস্ত্ৰ,

টকা আদি দি পূজা কৰা নিজ চকুৰে দেখিছোঁ।' সেই একে পূজাৰে বামাচাৰী প্ৰক্ৰিয়াৰ উল্লেখ কৰি এজন বামাচাৰীয়ে তাত কৈছে, 'মোৰ মাথোন একেটা সাধন বাকী আছে। সেই সাধনটো কৰিবলৈ নাপালে মোৰ শেষ মুক্তি নহ'ব। এজনী সতী, সাধ্বী অথচ অক্ষতযোনি অতীব সুন্দৰী বা ৰূপহী গাভৰু নোপোৱাৰ কাৰণেই মই ইমান বছৰে সেই সাধনটো কৰিব পৰা নাই।' পিছত বহুদৈৰ লগত যেনিবা সেই সাধন সমাধা হ'ল।

এনেবোৰ সাধন কাৰ্য্যত সিদ্ধি লাভ কৰিবলৈ হলে শৰীৰ আৰু মনৰ ওপৰত অসাধাৰণ সংযম লাভ কৰিব লাগে। যি মহাযোগী মহেশ্বৰে কালকূটৰ দৰে গৰল ভক্ষণ কৰিও অচল-অটল থাকি জগতক স্তম্ভিত কৰিছিল তেৰোঁ দুৰ্দ্দমনীয় কাম ৰিপুৰ প্ৰভাৱত পৰি লটিঘটি হৈছিল। প্ৰকৃত মহন্ত বা প্ৰকৃত তান্ত্ৰিক হব লাগিলে কিন্তু তেওঁৰ প্ৰথম কৰ্ত্তব্য হব—কাম জয় কৰাটো, আৰু তাকো ভোগৰ সামগ্ৰী সন্মুখত ৰাখি সাধনাৰ দ্বাৰা কাম জয় কৰাটো। এই অৰ্থতেই বোধহয় শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু হৰমোহনৰ কাম-কেলিকো কামজয়ৰ বাবেহে ৰচিত আৰু প্ৰচাৰিত হোৱা বোলা হৈছে, সাধাৰণ অৰ্থত নহয়, 'কামজয় নামে ইটো কেশৱৰ কেলি'। (ৰাসক্ৰীড়া—দশম)।

এইদৰে নাৰীসঙ্গ ত্যাগ কৰি নহয়, নাৰীসঙ্গ লাভ কৰি দুৰ্দ্দমনীয় কাম ৰিপুৰ দমনৰ দ্বাৰা সাধনাত সিদ্ধিলাভ কৰাটোহে পৰকীয়া, ৰাতিখোৱা, সহজীয়া আৰু তান্ত্ৰিকসকলৰ লক্ষ্য। নাৰী বা প্ৰকৃতি সকলো শক্তিৰ মূল স্বৰূপ। নাৰীৰ শক্তিয়ে পুৰুষক সহায় নকৰিলে সৃষ্টি অসম্ভৱ। শিৱ আৰু শক্তিৰ অভেদতা বিশ্লেষণ কৰি সেইবাবে কোৱা হয় যে 'শিৱ' শব্দৰ ইকাৰটো প্ৰকৃতিৰ পৰা নহা হলে সি শৱ (মৰাশ) হৈ পৰে। তেনেকৈ প্ৰকৃতিৰ পৰশতহে জীৱই কৰ্ম্মশক্তি লাভ কৰে। সাধাৰণ ক্ষেত্ৰতো দেখা যায় যে প্ৰকৃতি নহলে পুৰুষে অকলে সৃষ্টি ধৰ্ম্ম

ৰক্ষা কৰিব নোৱাৰে। তেনেকৈ আকৌ প্ৰকৃতিয়েও পুৰুষৰ সংযোগ পালেহে সৃষ্টিৰ কামত অগ্ৰসৰ হ'ব পাৰে। তাকে পাহৰি এসময়ত দেৱতাসকলে ভাবিছিল যে তেওঁলোকৰ সমান বলবান আৰু কোনো নাই। তেওঁলোকৰ শক্তিৰ এদিন পৰীক্ষা হ'ল। তেওঁলোকৰ সন্মুখত এক অপূৰ্ব্ব জ্যোতিপুঞ্জৰ আবিৰ্ভাব হ'ল। দেখাত সি আছিল এটি মূৰ্ত্তি মাত্ৰ। কাৰ মূৰ্ত্তি কোনেও নাজানে। তেওঁনো কোন তাকে জানিবৰ কাৰণে অগ্নি, বায়ু আদি বলৱন্ত দেৱতাসকল গ'ল। তেওঁলোক কোনোৱে সেই অপূৰ্ব্ব মূৰ্ত্তিৰ আঁতিগুৰি একো জানিবলৈ সক্ষম নহ'ল। শেষ যোৱাদি গৈ প্ৰত্যেকে ফেঁচা অহাৰ দৰে উভতি আহিব লগীয়া হ'ল। দেৱৰাজ ইন্দ্ৰে তেতিয়া বিনম্ৰভাৱে মূৰ্ত্তিৰ ওচৰ চাপিল। ইন্দ্ৰ যোৱাৰ লগে লগে সেই অপূৰ্ব্ব জ্যোতি অন্তৰ্হিত হ'ল আৰু সেই ঠাইতে দিব্য ৰূপ ধৰি স্পষ্টভাৱে আদ্যা শক্তি উমা-হৈমৱতীয়ে দেখা দিলে। ইন্দ্ৰক তেওঁ নিজৰ চিনাকি দিয়াত ইন্দ্ৰই প্ৰণতি জনালে। এই আখ্যান কেন উপনিষদত আছে। ইয়াতে আদ্যা শক্তিৰ প্ৰভাৱৰ পোনতে ইঙ্গিত পোৱা যায়। উপনিষদৰ যুগৰে পৰা প্ৰকৃতি আৰু পুৰুষৰ অভেদত্ব মানি লোৱা হৈছে। পিছৰ যুগত তাৰেই পৈণত পৰিণতি হিচাপে উমা-মহেশ্বৰ, লক্ষ্মী-নাৰায়ণ, ৰাধা-কৃষ্ণ, গৌৰী-শঙ্কৰ, সীতা-ৰাম আদি যুগল মূৰ্ত্তিৰ ধাৰণা পোৱা যায়।

এই প্ৰকৃতি-পূজা শ্ৰীকৃষ্ণৰ জন্মৰো পূৰ্ব্বৰ পৰা লোকসমাজত চলি আছিল। ব্ৰজ-গোপীসকলৰ কৃষ্ণক স্বামীৰূপে পাবলৈ কৰা কাত্যায়নী ব্ৰত আৰু পূজা, ৰুক্মিণীৰ কৃষ্ণক পতি পাবলৈ কৰা মহামায়া কাত্যায়নীৰ স্তুতি-আৰাধনা তাৰেই একোটি প্ৰমাণ।

মহাত্মা শঙ্কৰাচাৰ্য্যই এসময়ত শক্তিৰ অস্তিত্ব মানিব খোজা নাছিল। তেওঁ শাক্ত পণ্ডিতবৰ্গক তৰ্ক-যুদ্ধত পৰাস্ত কৰি প্ৰচাৰ কৰিছিল যে শক্তি বোলা কোনো বস্তু নাই, শিৱহে সকলোৰে

মূল। কাশীৰ শাস্ত্ৰ পণ্ডিতসকলক তৰ্কত হৰুৱাই তেওঁ এদিন গঙ্গাৰ তীৰত মণিকৰ্ণেশ্বৰ ঘাটত বিশ্ৰাম লবৰ কাৰণে এজোপা গছৰ তলত শুই আছিল। সময় দুপৰীয়া। তেওঁৰ মূৰ আছিল দক্ষিণ ফালে, ভৰি উত্তৰ ফালে। নদীলৈ যোৱা বাটটো তেওঁৰ শৰীৰটোৱে তেনেই আগুৰি আছিল। এনেতে এজনী দীপলিপ পাট-গাভৰু কাষত কলহ লৈ নৈলৈ পানী আনিবলৈ গৈ শঙ্কৰাচাৰ্য্যক তেনেকৈ বাট আগচি থকা পালে। তেওঁ শঙ্কৰাচাৰ্য্যক কলে, 'ভগৱান, কৃপা কৰি আপোনাৰ চৰণ দুখন অলপ আঁতৰাই নিয়ক, মই পানী আনিবলৈ যাওঁ।'

শঙ্কৰাচাৰ্য্যই কলে, 'আই, তুমি ভৰিৰ ওপৰেদি পাৰ হৈ যাব পাৰা। তাকে কৰিলে তোমাৰ একো অপৰাধ নহয়।'

গাভৰুই কলে—'সেইটো আকৌ কেনে কথা? আপুনি এজনা সদাচাৰী সাত্ত্বিক ব্ৰাহ্মণ। আপোনাক চেৰাই মই কেনেকৈ যাম?'

উত্তৰত পণ্ডিত শঙ্কৰে পুনঃ কলে, 'আই, তুমি তেনেই অবোধ বালিকা। তুমি নাজানা যে ব্ৰাহ্মণ, বৈশ্য, মতা, মাইকী— এই পাৰ্থক্যবোৰ অজ্ঞানতাৰ হেতুকেহে ওপজে। জ্ঞানী লোকৰ কাৰণে সকলো ব্ৰহ্মময়। গতিকে তুমি মোৰ ওপৰেদি পাৰ হৈ গলে তোমাৰ একো অপৰাধ নহয়।'

কথা শুনি গাভৰুৱে যেন মনত অসীম বেদনা অনুভৱ কৰিলে। তেওঁ কলে—'প্ৰভু, নিজেই কলে যে মই এজনী অবোধ বালিকা, ধৰ্ম্মজ্ঞান মোৰ ওপজা নাই। এনেস্থলত অবোধ বালিকা এজনী হৈ মহাজ্ঞানী শুদ্ধ ব্ৰাহ্মণ এজনক গছকি কেনেকৈ মই পাৰ হৈ যাম? মই আপোনাৰ কথাৰ অৰ্থ নুবুজোঁ—আপুনি ভৰি দুখন অলপ আঁতৰাই নিয়ক।'

শঙ্কৰাচাৰ্য্যই বিৰক্তিৰ সুৰত এইবাৰ কলে, 'আই, মই বাৰে বাৰে তোমাক তোমাৰ কৰ্ত্তব্যৰ নিৰ্দ্দেশ দিব লাগিছোঁ, তথাপি

তুমি মোৰ কথা নুশুনিবা নেকি? মই ইমান ক্লান্ত আৰু অৱশ যে লৰচৰ কৰিবলৈয়ে মোৰ গাত শক্তি নোহোৱা হৈছে।'

তাতে গাভৰুই বিস্ময় প্ৰকাশ কৰি কলে—'প্ৰভু, মই জনা নাছিলোঁ যে আপোনাৰ শৰীৰত এইদৰে শক্তি নোহোৱা হৈছে। জনা হলে মই আপোনাক ভৰি গুচাবলৈ নকলোঁহেঁতেন।' এই বুলি তেওঁ হাতেৰে শঙ্কৰাচাৰ্য্যৰ ভৰি দুখন অলপ আঁতৰ কৰি থৈ নদীৰ পৰা কলহত পানী লৈ উভতিল। শঙ্কৰাচাৰ্য্যই এইবাৰ পুনঃ কলে—'আই, মোৰ বৰ পিয়াহ লাগিছে, অণ্ঠ-কণ্ঠ শুকাই গৈছে, পানী অলপ দিয়া।'

—নদীৰ ইমান ওচৰতে থাকি আপুনি মোৰপৰা পানী খুজি খাব লগীয়া হ'ল কিয়? দুখোজ আগুৱাই গৈ নদীত খালেই হয় দেখোন!

—মই আগেয়ে কৈছোঁ নহয়, মোৰ লৰচৰ কৰিবলৈকে শক্তি নাইকিয়া হৈছে। তুমি নুবুজা নেকি?

তেতিয়া নদীৰ দুয়ো তীৰত প্ৰতিধ্বনি তুলি মেঘৰ গৰ্জ্জনৰ দৰে গাভৰুৰ কণ্ঠস্বৰ ফুটি ওলাল—'শঙ্কৰ, তুমিয়ে জানো শক্তিক অৱহেলা কৰা নাছিলা?'

শঙ্কৰাচাৰ্য্যৰ অন্তৰতো সেই একে প্ৰশ্নৰে প্ৰতিধ্বনি উঠিল। বিজুলীৰ চকামকা আৰু মেঘৰ গুৰু গৰ্জ্জনত বাটৰুৱা সন্ত্ৰস্ত হোৱাৰ দৰে মহাত্মা শঙ্কৰাচাৰ্য্যৰো বুকু কঁপি উঠিল। খন্তেকৰ বাবে তেওঁ ভয়ত অতৰ্কিতেই চকু মুদি দিলে। ঘোৰ নিদ্ৰাৰপৰা চক্‌মক কৰে সাৰ পাই উঠা শিশুৰ দৰে পুনৰ চকু মেলি চাই সেই অপূৰ্ব্বসুন্দৰী গাভৰু গৰাকীৰ চকুত তেওঁ যেন শত শত চন্দ্ৰ-সূৰ্য্যৰ প্ৰখৰ জ্যোতিঃপুঞ্জহে জ্বলি উঠা দেখিবলৈ পালে। তেওঁ আপোনা-আপুনিয়ে মা-মা কৈ চিঞৰি উঠি সেই সুন্দৰীৰ চৰণ দুখনি আকোৱালি ধৰিবলৈ আগবাঢ়ি গ'ল। কিন্তু কি আচৰিত কথা! উপনিষদৰ হৈমৱতী উমা অন্তৰ্দ্ধান হোৱাৰ দৰে সেই নাৰী

মূৰ্ত্তিও তাতে অন্তৰ্দ্ধান হ'ল। সেই ভাস্বৰ জ্যোতিৰ আকস্মিক অন্তৰ্দ্ধানত গুৰু শঙ্কৰাচাৰ্য্য যেন ঘোৰ অন্ধকাৰতহে নিমজ্জিত হ'ল। মাতৃবিয়োগ ঘটা নিঃসহায় শিশুৰ দৰে তেওঁ কান্দি কান্দি কবলৈ ধৰিলে—'আই মাতৃ, তুমি মোক এৰি ক'লৈ গ'লা ?' তাৰ পাছত তেওঁ গৈ ওচৰতে থকা অন্নপূৰ্ণাৰ মন্দিৰত প্ৰবেশ কৰি দেৱীৰ চৰণ প্ৰান্তত প্ৰাৰ্থনা জনাই কবলৈ ধৰিলে—'হে ত্ৰিলোকেশ্বৰী মাতা, শক্তিৰ সহযোগতহে স্বয়ং শিৱেও শিৱত্ব ৰক্ষা কৰিব পাৰিছে, সেয়ে নহলে তেৰোঁ শিৱ গুচি শৱ হয়।' এই আখ্যানেও শক্তিৰ মাহাত্ম্যৰে ইঙ্গিত দিয়ে।

মহামায়া কামাখ্যাৰ শক্তি সম্বন্ধেও 'দৰং ৰাজবংশাৱলী'ত এটা কাহিনী আছে। গৌৰৰ পাৎছাৰ হাতত বীৰ চিলাৰায় যেতিয়া বন্দী হৈ আছিল, সেই সময়ত তেওঁ এদিন কামাখ্যা গোঁসানীক স্তুতি কৰি শুই থাকোঁতে দেৱীয়ে সপোনত দেখা দি তেওঁক কলে—

উঠ চিলাৰায় তই নকৰিবি ভয়।
উপায় কৰিযা মুক্ত কৰিবো নিশ্চয়॥
(দৰং ৰাজবংশাৱলী)

এই বুলি দেৱীয়ে কেনেকৈ সৰ্পদংশনত এদিন পাৎছাৰ মাক মৰিব আৰু তেওঁক কেনেকৈ বন্দীবীৰ চিলাৰাযে জীয়াবলৈ সমৰ্থ হব তাৰ নিৰ্দ্দেশ দি গুচি গ'ল। কাৰ্য্যতো সেযে হ'ল। চিলাৰায়ে দেৱীদত্ত সান্দহুৱা মন্ত্ৰেৰে জাৰি সৰ্পদংশনত মৃত হোৱা পাৎছাৰ মাকক জীয়ালে—

তেতিক্ষণে সৰ্পবিষ সকলে গুচিল।
পূৰ্ব্বৰতে পাৎছা মাক উঠিয়া বসিল॥ (দঃ বা)

এই ঘটনা বুৰঞ্জীত বৈ গ'ল।

শক্তিপূজাৰ মহা-পীঠস্থান কামাখ্যাত আৰু দুৰ্গাপূজা, মনসা-পূজা আদিত দেওধনীয়ে নানান লয়লাসেৰে নৃত্য কৰি দেৱীৰ আৰু

দৰ্শকসকলৰ প্ৰীতি সাধন কৰাৰ প্ৰথা আজিও চলি আছে। দেৱ-দেৱীৰ আগত নৃত্য কৰা দেৱদাসীও একশ্ৰেণীৰ নাৰীয়ে। দেওধনী বা দেৱদাসীক ধৰ্ম্মৰ ফালৰ পৰা শুচি জ্ঞান কৰা হয়। শক্তি সাধনাৰ তেওঁলোকো সমল স্বৰূপ।

মনৰ ভয় জয় কৰিবৰ কাৰণে ঘোৰ অমাৱস্যাত শৱ-সাধনা যেনে, বৈষ্ণৱ, শাক্ত আৰু তান্ত্ৰিকৰ কোনো কোনো পদ্ধতিত নাৰী সাধনাও কামজয়ৰ বাবে তেনে ধৰণৰ কাৰ্য্য। এই সাধনাত সিদ্ধি লাভ দুৰূহ কাম, কিন্তু অসম্ভৱ নহয়।

নাৰী আৰু পুৰুষ দুয়োৰো প্ৰতি দুয়োৰো যি দুৰ্জ্জয় আকৰ্ষণ তাতেই কাব্য, সাহিত্য, চাৰুকলা আদিৰো জন্ম। যুগে যুগে তাৰেই বিভিন্ন ধৰণৰ বা বিভিন্ন পদ্ধতিৰ পূজা-অৰ্চ্চনা বিভিন্ন ঠাইত বিভিন্ন প্ৰকাৰে অনুষ্ঠিত হৈ আহিছে আৰু হৈ থাকিব।

প্ৰাক্‌শঙ্কৰী কাব্যত লৌকিকতা

পঞ্চদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে এই কালডোখৰত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱে সমগ্ৰ ভাৰতবৰ্ষতে এটা বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল। অসমো সেই প্ৰভাৱৰ পৰা আঁতৰত নাছিল। এই সৰ্ব্বভাৰতীয় চিন্তাধাৰৰ আধাৰ গ্ৰন্থ আছিল শ্ৰীমদ্ভাগৱত, উপনিষদ, বিষ্ণুপুৰাণ আৰু হৰিবংশ। স্তূপীকৃত হৈ থকা বিৰাট তুষাৰখণ্ডৰ পৰা অনেক নৈ-নলা বাহিৰ হোৱাৰ দৰে উক্ত শাস্ত্ৰ-সমূহত পুঞ্জীভূত হৈ থকা চিন্তনীয় বিষয়বোৰেও বিবিধ বৈষ্ণৱ গ্ৰন্থ অৱলম্বন কৰি প্ৰকাশৰ বাবে গতিশীল হৈ পৰিছিল। ইতিপূৰ্ব্বে যে ভাগৱত, হৰিবংশ, বিষ্ণুপুৰাণ আদি বৈষ্ণৱ ধৰ্ম্মৰ মূল গ্ৰন্থবোৰ সংস্কৃতৰপৰা প্ৰাদেশিক ভাষাসমূহলৈ অনূদিত হোৱা নাছিল এনে নহয়, কিন্তু হৈছিল যদিও সেই কাম কোনো নিৰ্দ্দিষ্ট উদ্দেশ্য লৈ কৰা হোৱা নাছিল। অন্য কথাত কবলৈ গলে, বিষ্ণুৰ প্ৰাধান্য প্ৰচাৰ কৰা আৰু তেওঁকেই একমেবাদ্বিতীয়ম্ বুলি প্ৰমাণ কৰা সেই অনূদিত গ্ৰন্থসমূহৰ লক্ষ্য নাছিল। ৰামায়ণ আৰু মহাভাৰত এই দুযোখন গ্ৰন্থৰো অংশবিশেষ চমুকৈ গীতত প্ৰাদেশিক ভাষাত ভাঙি উলিওৱা হৈছিল—কিন্তু তাতো কোনো লোক বা দেৱতাৰ শ্ৰেষ্ঠত্ব বা অদ্বিতীয়ত্ব প্ৰমাণৰ চেষ্টা চলা নাছিল। বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ সৰ্ব্বভাৰতীয় প্ৰবাহ আৰু আন্দোলন আৰম্ভ হোৱাৰ লগে লগে জ্ঞান প্ৰচাৰৰ লগত এই উদ্দেশ্য সাঙোৰ খাই পৰিল। তেতিয়া ৰামচন্দ্ৰ শ্ৰেষ্ঠ মানৱ হৈ নাথাকি অৱতাৰী পুৰুষ বা দেৱতা হৈ পৰিল, কৃষ্ণ ৰাজনৈতিক ব্যক্তি হৈ নাথাকি 'কৃষ্ণস্তু ভগৱান্ স্বয়ং' হ'ল। তেওঁলোকৰ জীৱনৰ দৈনন্দিন কাৰ্য্যাৱলীয়েও ক্ৰমে

ভগৱানৰ লীলা-খেলাত পৰিণতি লাভ কৰি পৰম নিগূঢ় ৰহস্যৰ অফুৰন্ত আকৰ হৈ পৰিল। তেতিয়া তেৰাসকলৰ ধৰাধামত কৰা সকলো কাৰ্য্যয়ে দ্ব্যৰ্থক বা বহু-অৰ্থসূচক হৈ উঠিল। বাল্মীকিৰ ৰামায়ণৰ আদৰ্শ পুৰুষ বা আদৰ্শ ৰজা ৰামচন্দ্ৰ গৈ তুলসীদাসী ৰামাযণ বা ৰামচৰিত মানসত ভগৱান ৰামচন্দ্ৰ বা প্ৰভু ৰামচন্দ্ৰ হ'ল। ধৰ্ম্মৰ যাদুকৰী প্ৰভাৱ এনেকুৱাই। তেতিয়া ভক্ত-ভগৱান একাকাৰ হৈ পৰে।

অসমতো বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ সোঁত আগতীয়াকৈয়ে আৰম্ভ হৈছিল আৰু মহাপুৰুষ শঙ্কৰদেৱেই আছিল সেই প্ৰবাহৰ প্ৰথম পৰিচালক বা ধৰ্ম্মগুৰু। তেতিয়ালৈকে অসমত বিষ্ণুপূজা চলিছিল যদিও অন্য দেৱ-দেৱীবৰ্জ্জিত নিৰহ-নিপানী বিষ্ণু আৰাধনাৰ প্ৰচলন হোৱা নাছিল। বিধি-ব্যৱহাৰে তেতিয়া বিষ্ণুপূজা চলিছিল, কিন্তু বিষ্ণুপূজাৰ লগতে গণেশাদি পঞ্চদেৱতা আৰু অন্য দেৱতাৰো পূজা লগেভাগে চলি আছিল। পিছত যিসকল বৈষ্ণৱে বিষ্ণুকে কেৱল বা একমাত্ৰ আৰাধ্য দেৱতা বুলি ধৰি ললে তেওঁলোক কেৱলীয়া বৈষ্ণৱ নামে পৰিগণিত হ'ল। অৱশ্যে কালক্ৰমত কেৱলীয়া শব্দৰ অৰ্থান্তৰ আৰু আনকি বিকৃতাৰ্থ পৰ্য্যন্ত ওলাল। সি পৃথক কথা।

বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ হোৱাৰ লগে লগে বৈষ্ণৱসকলে হোম-যজ্ঞাদিৰে কৰা বিষ্ণুপূজাৰ পৰিবৰ্ত্তে বৈষ্ণৱী কীৰ্ত্তন বা নাম-কীৰ্ত্তন মাত্ৰ কৰিবলৈ ধৰিলে। অৱশ্যে তেতিয়াও এক শ্ৰেণীৰ লোকৰ মাজত পূৰ্ব্বৰ বিষ্ণুপূজা নিৰ্ব্বিবাদে চলি থাকিল। বৈষ্ণৱে কিন্তু বিষ্ণুৰহে উপাসনা কৰে, অন্য দেৱ-দেৱী নামানে। তেওঁলোকৰ উপাসনাৰো আলম হ'ল নাম-কীৰ্ত্তন, পূজা-সেৱা নহয়। গতিকে বৈষ্ণৱৰ নাম-কীৰ্ত্তন পূৰ্ব্বৰ বিষ্ণুপূজাৰপৰা দেখা-দেখিকৈয়ে পৃথক হবলৈ বাধ্য হ'ল। মন কৰিবলগীয়া কথা এই যে গাঁও-ভূঁইত অনেক ঠাইত নাম-কীৰ্ত্তন আৰু বিষ্ণুপূজা একে ঠাইতে আৰু একে সমাজতে চলিছিল আৰু আজিও

চলি আছে। বিষ্ণুপূজাত বলি-বিধান নাই বাবেই বোধহয় সেইটো সম্ভৱ হৈছে।

বৈষ্ণৱ ধৰ্ম্মৰ প্ৰাদুৰ্ভাবৰ সময়লৈকে অসমত প্ৰচলিত থকা গ্ৰন্থবোৰৰ বেছিভাগেই আছিল পদ-পুথি। সেই পুথিবোৰৰ লক্ষ্য আছিল জন-সমাজত পুৰণি হিন্দু শাস্ত্ৰসমূহৰ কথা বিদিত কৰা আৰু তাৰ মাজেদি মানুহৰ মনৰ আগত ধৰ্ম্মৰ উচ্চ আদৰ্শ দাঙি ধৰা। কোনো এক প্ৰকাৰৰ মতবাদ বা ধৰ্ম্মবাণী প্ৰচাৰ কৰা তাৰ উদ্দেশ্য বা লক্ষ্য নাছিল। সেইবাবে সেইবোৰৰ প্ৰকাশভঙ্গী আছিল বহুপৰিমাণে সৰ্ব্বজন মনোগ্ৰাহী নতুবা সকলোৰে মন মুহিবলৈ লক্ষ্যৰখা ধৰণৰ। তাত সেইহেতুকে পাতল আলোচনা আৰু আদিৰসপূৰ্ণ কথাৰ স্থান বা আদৰ যথেষ্ট আছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ অনুবাদ কৰোঁতেও কবিয়ে ঠায়ে ঠায়ে ঘৰুৱা উপমা, ঘৰুৱা উদাহৰণ আৰু জনপ্ৰিয় প্ৰবচনবোৰ প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰিছিল। সেই সময়ত বিহুগীত, বনগীত, আইনাম, ধাইনাম আদিৰ সুৰত বুৰ গৈ থকা সমাজে সংস্কৃত শাস্ত্ৰৰ মূল্যৱান কথাবোৰো সুৰ-সম্বলিত কৰি সুৰীয়াভাৱে প্ৰকাশ কৰিলেহে গ্ৰহণ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছিল। সেই কাৰণে অনুবাদবোৰো হৈ পৰিছিল পদ বা পদ্য, গদ্য বা কথ্য কথা নহয়।

সেই সময়ৰ পদ-পুথিবোৰক দুভাগত ভগাব পাৰি। এভাগত সাধাৰণ লোকে যাতে সহজে বুজিব পাৰে তাৰ বাবে ধৰ্ম্মৰ মূল আখ্যানবোৰ চমুকৈ বৰ্ণনা কৰা হৈছিল। আখ্যান-বস্তুৰ জুমুধিটো মাত্ৰ লৈ তাত নানা প্ৰকাৰৰ সুৰ সংযোজনা কৰি ৰাগ-ৰাগিণীৰে তাক সুৰ লগাই গাবলৈ উপযোগী কৰি তোলা হৈছিল। সুৰ লগাই পদত গোৱা কথাবোৰৰ অৰ্থ আৰু বেছি সুগম কৰিবৰ কাৰণে পাঠকে মাজে মাজে তাক ব্যাখ্যা কৰি সমজুৱাসকলক বুজাই দিছিল। এনে কৰোঁতে পাঠকে অনেক

সমন্বত ৰস সৃষ্টিৰ খাতিৰত নিজে অনেক ন-ন কথাৰ অৱতাৰণা কৰিছিল। কৱিসকলেও বিষয়বস্তু ৰসাল আৰু সুখবোধ্য কৰিবৰ কাৰণে তাত মনেগঢ়া কথাও মাজে মাজে সুমুৱাই দিছিল। দুৰ্গাবৰী ৰামায়ণৰ পদ আৰু কথাবোৰেই তাৰ স্পষ্ট উদাহৰণ। তাত এনে অনেক কথা আছে যিবোৰৰ মূলৰ ঘাই ৰামায়ণত নাম-গোন্ধেই নাই, অথচ সেইবোৰ জনসমাজত সৰ্ব্বজনবিদিত আৰু গৃহীত হৈ আজিও চলি আছে। উদাহৰণ স্বৰূপে—

পাত্তিলা পাশাৰ শাৰীহে—
আসিলন্ত ঘৰে ৰাম—(আসিলন্ত ঘৰে)
সীতা সমে খেলে পাশা ৰাম গদাধৰে।

বিজয় ভৈলন্ত ৰাম প্ৰথমৰ আৰি।
তাত পাছে ৰাম হাৰিলন্ত তিনি শাৰী॥
তিনি লক্ষ টকা ৰামে পাশাত হাৰিলা।
পুষ্পৰ জৰিৰে সীতাই ৰামক বান্ধিলা॥ ইত্যাদি।

(দুৰ্গাবৰী ৰামায়ণ)

অন্যবিধ পদ-পুথি মূল সংস্কৃতৰপৰা যিমান পৰা যায় মূলানুগ কৰি ৰচনা কৰা হৈছিল। সেইবোৰতো কিন্তু যুদ্ধৰ বৰ্ণনা নতুবা কোনো ঠাই বা তাৰ অধিবাসীৰ বিবৰণ আদিত কৱিসকলে নিজৰ স্থানীয় বা-ৰতাহ তাত নিদিয়াকৈ নাছিল। মাধৱ কন্দলিৰ দৰে পণ্ডিত লোকেও অকুণ্ঠভাৱে তেনে কাম কৰিছিল আৰু স্পষ্ট কথাত তাৰ স্বীকৃতিও দিছিল। তেওঁ কৈছে—

কৱিসব নিবন্ধয় লোক ব্যৱহাৰে।
ক'তো নিজ, ক'তো লম্ভা কথা অনুসাৰে॥
দেৱবাণী নুহি ইটো লৌকিক হে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্ব্বথা॥

(কিষ্কিন্ধ্যা কাণ্ড)

মানুহৰ মন সেই যুগত ভাৰাক্ৰান্ত নাছিল। পৰিশ্ৰম কৰি কোনোমতে চাউলমুঠি মোকোলাই সাধুভাৱে জীয়াই থকাই আছিল জীৱনৰ সাধাৰণ আদৰ্শ। গতিকে মুক্ত কল্পনাৰ কাৰণে তেওঁলোকৰ মনোৰাজ্যত একোখনি মুকলি আকাশ আছিল। যুদ্ধৰ বৰ্ণনা ওলালে কোন বীৰে কি শৰ কেনেকৈ প্ৰহাৰ কৰিছিল, তাৰ ফলত বসুমতী কেনেকৈ তলবলাবলৈ ধৰিছিল, সূৰ্য্য কেনেকৈ নিষ্প্ৰভ হৈছিল, সিদ্ধ-মুনিসকলে কেনেকৈ ত্ৰাহি ত্ৰাহি বুলি ঈশ্বৰৰ নাম লৈছিল আৰু দেৱতাসকলেও ভয়ত স্বৰ্গৰাজ্য এৰি ভগৱান বিষ্ণুৰ ওচৰ চাপিছিল—এনেবোৰ কল্পনাক তেওঁলোকে মনত সহজে ঠাই দিব পাৰিছিল আৰু এনে বৰ্ণনাই তেওঁলোকৰ সৰল মনত স্থায়ী সাঁচ বহুৱাইছিল। এনেকৈয়ে সেই সময়ত এক শ্ৰেণীৰ কৱিয়ে সাধাৰণ তৰপৰ লোকৰ মনত খাপখোৱাকৈ প্ৰীতিময় কাব্য ৰচনা কৰিছিল আৰু অন্য এক শ্ৰেণীৰ কৱিয়ে মূল সংস্কৃত কাব্যৰ যথাসাধ্য অনুগত হৈ পদ-পুথি ৰচনা কৰিছিল। প্ৰথম বিধৰ কৱিসকলৰ ভিতৰত মনকৰ, দুৰ্গাবৰ, পীতাম্বৰ, সুকৱি নাৰায়ণদেৱ আদি কৱি-সকলক গণ্য কৰা যায়। অন্য বিধৰ ভিতৰত 'পূৰ্ব্বকৱি অপ্ৰমাদী, মাধৱকন্দলি আদি'কে প্ৰমুখ্য কৰি কৱি হেম সৰস্বতী, হৰিবৰ বিপ্ৰ, ৰুদ্ৰকন্দলি, কৱিৰত্ন সৰস্বতী আদি কৱিসকলৰ নাম উল্লেখ কৰা যায়। মাধৱ কন্দলি, হেম সৰস্বতী, হৰিবৰ বিপ্ৰ আদি কৱিসকলে যি গাম্ভীৰ্য্য আৰু পাণ্ডিত্যেৰে সংস্কৃতৰপৰা অসমীয়ালৈ কাব্য অনুবাদ কৰিছিল তাৰ শ্ৰেষ্ঠত্ব স্বয়ং শঙ্কৰদেৱেও মুক্তকণ্ঠে স্বীকাৰ কৰিছিল আৰু তেৰায়ো কাব্যত তেওঁলোকৰ পথকেই অনুসৰণ কৰিছিল। তথাপি শঙ্কৰী যুগৰ কাব্যতকৈ এই যুগৰ কাব্য কিবোৰ বিষয়ত পৃথক সেইটো চাবলগীয়া।

স্বীকাৰ কৰিব লাগিব যে দুৰ্গাবৰ, পীতাম্বৰ আদি গীতি-কৱি-সকলৰ মুখ্য উদ্দেশ্য আছিল লোকৰঞ্জন বা সমজুৱাক প্ৰীতি দান কৰা। তেওঁলোকে জনসাধাৰণৰ মনঃপূত কৰি গীত ৰচনা কৰিছিল।

গীতৰ বিষয়-বস্তু আৰু ৰাগসম্বলিত সুৰ এই দুয়োটাই পাঠকক আকৰ্ষণ কৰিছিল। বিষয়বস্তুৰ বৰ্ণনাত হয় আদিৰস, নহয় হাস্যৰস আৰু সেয়ে নহলে বীৰৰস—এই তিনিটাৰ এটা নহয় এটা সততে বিৰাজ কৰিছিল। সাধাৰণ শ্ৰোতাৰ বাবে এই তিনিওটা ৰস অতিশয় প্ৰিয়। আদিৰসৰ প্ৰভাৱ শঙ্কৰী যুগৰ কাব্যতো যথেষ্ট পৰিমাণে আছিল, কিন্তু বৈষ্ণৱ সাহিত্যত বা বৈষ্ণৱ কাব্যত সি আছিল মানুহৰ মন আকৰ্ষণৰ এটি আহিলা বা উপকৰণ মাত্ৰ, সেয়ে কাব্যৰস সৃষ্টিৰ চৰম উদ্দেশ্য নতুবা ৰচনাৰ একমাত্ৰ লক্ষ্য নাছিল। য'ত আদিৰসে স্থান বা পাত্ৰক হীন বা নীচৰ্লৈ অৱনত কৰিব খোজে তাত সেই ৰসৰ আশ্ৰয় বৈষ্ণৱ কৱিসকলে গ্ৰহণ নকৰিছিল, বৰং তাক বৰ্জ্জনহে কৰিছিল। এটা সাধাৰণ উদাহৰণৰ পৰা কথাটো স্পষ্ট হৈ পৰিব।

আহোম ৰাজ্য এৰি আহি কোঁচ ৰজাৰ অধীনস্থ কামৰূপত প্ৰৱেশ কৰি এসময়ত মহাপুৰুষ শঙ্কৰদেৱে সেই অঞ্চলৰ মাতঃবৰ লোক আৰু কৱি কোন কোন আছে তেওঁলোকৰ বিষয়ে সমজুৱা-সকলক সুধিছিল। তেতিয়া নাৰায়ণ ঠাকুৰে কৱি পীতাম্বৰৰ নাম উল্লেখ কৰিলত মহাপুৰুষে তেওঁৰ কাব্য কেনেকুৱা শুনিবলৈ অভিলাষ কৰিলে। কৱি পীতাম্বৰে মাৰ্কণ্ডেয় পুৰাণৰ চণ্ডী আখ্যানটো পদবন্ধে নিবন্ধিছিল। গতিকে তেওঁ যে শাক্তপন্থী সেইটো একৰকম সুনিশ্চিত আছিল। তেওঁ দশম স্কন্ধ ভাগৱতৰো পদ অসমীয়ালৈ অনুবাদ কৰা বুলি শুনি (কৰিছন্ত পদ তেন্তে দশম স্কন্ধৰ) তাৰে দুই-এফাকি পদ মহাপুৰুষে শুনিবলৈ ইচ্ছা কৰাত নাৰায়ণ ঠাকুৰে ৰুক্মিণী হৰণৰ পদ এফাকিকে সুৰ লগাই গাই শুনালে—'যেনমতে ৰুক্মিণীয়ে কৃষ্ণক ভাবিলা।' তেওঁ গালে—

বিলাপ কৰি কান্দে দেৱী ৰুক্মিণী।
কোন অঙ্গে খুন দেখি নাইলা যদুমণি॥'

—পদ শুনি বৈষ্ণৱ ধৰ্ম্মৰ গুৰু শঙ্কৰদেৱৰ ভাল নালাগিল।

চৰিত পুথিমতে তেওঁ হেনো কবি পীতাম্বৰ দ্বিজক তেতিয়া 'শক্তি কামসিক' অৰ্থাৎ শক্তি-পূজক আৰু কাম বা আদিৰস পৰায়ণ বুলি ধৰি লৈ ধৰ্ম্মকথা প্ৰচাৰৰ বাবে নাইবা 'ধৰ্ম্ম ধৰিবাৰ যোগ্য লোক নোহে' বুলি সিদ্ধান্ত কৰিলে আৰু অকল সিদ্ধান্ত কৰাই নহয়, তাক স্পষ্ট ভাষাত ব্যক্তও কৰিলে।

মহাপুৰুষে জনসমাজত ইতিপূৰ্ব্বে খ্যাতি লাভ কৰা এগৰাকী স্থানীয় কবিৰ বিষয়ে তেওঁক নেদেখাকৈয়ে নাইবা তেওঁৰ বিষয়ে ভালকৈ নজনাকৈয়ে ইমান সোনকালে তেওঁক দোষাৰোপ কৰি দিয়া কটু মন্তব্য এটা সঁচাকৈয়ে কৰিছিল নে নাই সেইটো কোৱা টান। হব পাৰে তেৰাৰ কিঞ্চিৎ অসন্তুষ্টি বা বিৰক্তিৰ আভাস পায়ে চাটুকাৰ চঁৰিত-লিখকে ঢোটোকে ৰোটো বা তিলকে তালটো কৰি ঘটনাটো লিপিবদ্ধ কৰি থলে। অসন্তুষ্টিও এই বাবেহে হব পাৰে যে বৈষ্ণৱৰ দৃষ্টিত কৃষ্ণ হ'ল স্বয়ং ভগৱান্ আৰু ৰুক্মিণী স্বয়ং লক্ষ্মী দেৱী। তেনে স্থলত কৃষ্ণ-ৰুক্মিণীৰ প্ৰণয়ক সাধাৰণ লোকৰ প্ৰণয়ৰ দৰে বৰ্ণনা কৰা উচিত নহব। কবি পীতাম্বৰৰ বৰ্ণনাত ৰুক্মিণীয়ে নিজৰ অঙ্গ-সৌষ্ঠৱৰ অহঙ্কাৰ কৰি কৃষ্ণক তেনে অহঙ্কাৰপূৰ্ণ অন্তৰেৰে আহ্বান জনোৱাৰ ইঙ্গিত আছে। এনে বৰ্ণনাত কৃষ্ণ আৰু ৰুক্মিণী দুয়ো সাধাৰণ শ্ৰেণীৰ প্ৰেমিক-প্ৰেমিকালৈ নামি আহে, অন্ততঃ কৃষ্ণৰ ভগৱানত্ব তাত অৱনমিত হয়। বৈষ্ণৱৰ কাৰণে সেইটো অসহনীয় আৰু অযুক্তিকৰ কথা। এই ক্ষেত্ৰতো হয়তো তেনেকুৱাই হৈছিল। মুঠতে ঘটনাটো দৃষ্টিকোণ সম্পৰ্কীয় বিচাৰৰ কথা।

আগতে উল্লেখ কৰা হৈছে যে দুৰ্গাবৰ, পীতাম্বৰ আদি গীতি-কৱিসকলৰ ৰচনাৰ মুখ্য উদ্দেশ্য আছিল জনগণ-চিত্তবিনোদন বা শ্ৰোতাৰ মনৰ সন্তুষ্টি সাধন। সেইদেখি ভাৰত, পুৰাণ, ৰামায়ণ আদিৰ আখ্যানবোৰক তেওঁলোকে লোকগীতিৰ সুৰত বৰ্ণনা কৰি লোকগীতিৰেই সেইবোৰকো একো একোটা নতুন আৰু উন্নত

সংস্কৰণ ৰূপে গঢ় দিছিল। কৱি পীতাম্বৰৰ উষা-হৰণৰ 'বিষাদ-বিমনা উষাহে' আদি গীতবোৰলৈ লক্ষ্য কৰিয়ে ডঃ কাকতিয়ে এইবোৰক লোকগীতিৰ নতুন আৰু উন্নত ৰূপান্তৰ বুলিছিল।

মনকৰ, দুৰ্গাবৰ আৰু সুকৱি নাৰায়ণদেৱ—এই তিনি গৰাকী কৱিয়ে মনসাপূজাৰ গীতো ৰচনা কৰিছিল। এওঁলোক তিনিওকে শঙ্কৰদেৱৰ আগৰ গীতি-কৱি বুলি ধৰা হয়। মনকৰ আৰু দুৰ্গাবৰে ৰামায়ণৰ গীতো ৰচনা কৰিছিল। মনকৰৰ ৰামায়ণী গীত বৰকৈ পাবলৈ নাই। হব পাৰে দুৰ্গাবৰে কৰাৰ দৰে তেওঁ হয়তো সমগ্ৰ ৰামায়ণৰ পদ ৰচনা কৰা নাছিল। ছেগাচোৰোকাকৈ মনঃপূত কৰি অ'ৰ-ত'ৰপৰা ৰামায়ণৰ কিছুমান বছা বছা গীতহে কাঢ়ি উলিয়াইছিল। দুৰ্গাবৰৰ ৰামায়ণ ছপা হৈ ওলাইছে। দুয়োৰো ৰচিত ৰামায়ণী গীত বাল্মীকিৰ ৰামায়ণৰ যথাযথ অনুবাদ নহয়, ৰামায়ণ কাহিনীটোৰ গীতিমূলক ৰূপান্তৰ মাত্ৰ। সেইবাবে মহাকৱি বাল্মীকিৰ অবিদিত অৰামায়ণী কথা দুৰ্গাবৰী ৰামাযণৰ অনেক ঠাইত আছে বুলি আগতে উল্লেখ কৰি অহা হৈছে। আচৰিত কথা এই যে সেই অৰামায়ণী কথাবোৰ কিন্তু অসমীয়া সমাজত এনেভাৱে জীণ গৈ আছে যে সেইবোৰ মূল ৰামায়ণৰ কথা নহয় বুলিলে বিশ্বাস কৰাই টান হৈ পৰে। বঙ্গালী কৃত্তিবাসী ৰামায়ণ আৰু অন্যান্য প্ৰাদেশিক ভাষাৰ ৰামায়ণবোৰতো এনে প্ৰক্ষেপণ অনেক আছে। আন নালাগে, ৰত্নাকৰ দস্যু বাল্মীকি মুনি হোৱাৰ ৰহস্যময় কাহিনীটোৱে কৃত্তিবাসী ৰামায়ণৰ নতুন সৃষ্টি, বাল্মীকি ৰামায়ণত তাৰ গুংসূত্ৰই নাই।

এনেবোৰ নতুন কথাৰ আটাইবোৰকে কিন্তু কৱি-কল্পনা বুলি ধৰি লোৱা টান; কিয়নো এই শ্ৰেণীৰ কৱিসকল আছিল সৰ্ব্বতো-প্ৰকাৰে জনসাধাৰণৰ কৱি বা লোক-কৱি। সমসাময়িক সমাজত চলি থকা আখ্যান আৰু মাত-কথাৰ লগত এই কৱিসকলৰ অন্তৰৰ নিগূঢ় সম্বন্ধ আছিল। সেইবাবে জনসাধাৰণৰ মাজত প্ৰসিদ্ধি

লাভ কৰা কাহিনীবোৰক তেওঁলোকে মূল ৰামায়ণত নাথাকিলেও আদৰি লৈ নিজৰ কাব্যত স্থান দিছিল আৰু তেনে কাৰ্য্যই তেওঁলোকৰ কাব্যৰ আদৰ বৃদ্ধি কৰাত সহায় কৰিছিল। তাৰে এটা উদাহৰণ আজিও গাঁৱৰ ভাবৰীয়া গীতত পোৱা যায়। অসমীয়া লোকে মাটিত আঁচ পাৰিলে তাক তৎক্ষণাৎ আকৌ মচি পেলায়। তাৰ কাৰণ তেওঁলোকৰ এটা বদ্ধমূল ধাৰণা এই যে তাকে কৰিবলৈ পাহৰাটোৱেই সীতাৰ বনবাসৰ অন্যতম কাৰণ আছিল। এদিন সীতা দেৱীক অযোধ্যাৰ তিৰোতাসকলে ৰাক্ষস ৰাৱণৰ মূৰ্ত্তিটো আঁকি দেখুৱাবলৈ বৰকৈ ধৰিছিল। তেওঁলোকৰ আখুটি এৰাব নোৱাৰি তেওঁ অগত্যা দহ-মূৰীয়া ৰাৱণৰ ছবিটো মাটিতে আঁকি দেখুৱাইছিল। ভুলক্ৰমে সেই ছবি তেওঁ মচিবলৈ পাহৰিলে। তাৰে কিছু পৰ পিছত ৰামে আহি মাটিত সেই মূৰ্ত্তিটো দেখি আচৰিত হ'ল আৰু সেইটো যে সীতাৰ কাম দেখিযে তাক বুজিলে। সীতাৰ সতীত্বত তেওঁৰ স্বভাবতে অলপ সন্দেহ উপজিল। ধোবা-ধুবুনীৰ মুখত ওলোৱা অপবাদৰ কথাও ইতিমধ্যে তেওঁৰ কৰ্ণগোচৰ হ'ল। সাতে সতৰে তেওঁ সীতাক বনবাস দিলে। জনশ্ৰুতিয়ে সেইবাবে আজিও গঞালোকক মাটিত আঁচ পাৰিলে তৎক্ষণাৎ মচি থবলৈ সোঁৱৰাই দিয়ে। ৰামায়ণত এই ঘটনাৰ উল্লেখ নাই। হব পাৰে ই মনকৰী ৰামায়ণ গীতৰে অৱশেষ। এইদৰে জনশ্ৰুতিত থকা অনেক অৰামায়ণী কথাৰে গীতি-ৰামায়ণ ভৰপুৰ। প্ৰাক্ শঙ্কৰী যুগৰ কাব্যৰ লগত জনশ্ৰুতিৰ কাহিনী এনেকৈয়ে ওতঃপ্ৰোতভাৱে জড়িত আছিল। ইও লৌকিকতাৰ সান্নিধ্যৰে পৰিচায়ক।

প্ৰাক্-শঙ্কৰী কাব্যত লৌকিকতা

(২)

(দুৰ্গাবৰী আৰু মনকৰী ৰামায়ণ গীতত)

দুৰ্গাবৰী ৰামায়ণ বাল্মীকি ৰামায়ণৰ মূলানুগ অনুবাদ নহয় আৰু ইয়াত সাত কাণ্ডৰ ঠাইত পাঁচোটি কাণ্ড মাত্ৰ আছে, আদি আৰু অযোধ্যা কাণ্ড নাই। ইয়াত মাধৱ কন্দলিৰ ৰামায়ণৰ বহুত উপমা আৰু শব্দ-যোজনা অবিকৃতভাৱে ব্যৱহাৰ হোৱা পোৱা যায়। হব পাৰে যে মাধৱ কন্দলিৰ ৰামায়ণৰে ই আছিল এটা লোকগীতি সংস্কৰণ, অৰ্থাৎ ওজাপালিৰ গীতত গাব পৰাকৈ ইয়াক কৰি দুৰ্গাবৰে কন্দলিৰ ৰামায়ণৰপৰা চুম্বককৈ কাটি লৈ সুৰ-ৰাগ আদিৰ সংযোজনাৰে গীতৰ উপযোগী কৰি লৈছিল। তাকে কৰোতে দুৰ্গাবৰে জনসমাজত চলি থকা ৰামায়ণী কিংবদন্তী কিছুমানো তেওঁৰ গীতত সামৰি লৈ তাক অধিক লোকৰঞ্জক কৰি তুলিছিল।

আধুনিক সমালোচকসকলৰ মতে ৰামায়ণৰ মূল কাহিনীটো পোনতে মানুহৰ মুখে মুখেহে চলি আছিল—ই অন্ততঃ আজিৰপৰা তিনি হাজাৰ বছৰ আগৰ কথা। লোকপৰম্পৰাই চলি থকা এই কাহিনী মহৰ্ষি বাল্মীকিৰ হাতত ৰামায়ণ মহাকাব্যৰূপে পৰিণতি লাভ কৰে। বাল্মীকিৰ ৰামায়ণ মতেও নাৰদ মুনিয়েহে তেওঁক ৰামচৰিত কাহিনী শুনাইছিল। চতুৰ্দ্দিশ ভ্ৰমণ কৰি ফুৰাত নাৰদ অপ্ৰতিদ্বন্দ্বী। গতিকে তেনে এজন ব্ৰহ্মৰ্ষিৰপৰা ৰামায়ণৰ কাহিনী মহৰ্ষি বাল্মীকিয়ে শুনি লৈ শ্লোকছন্দত ৰচনা কৰাটো বিশেষ অৰ্থ-

ব্যঞ্জক কথা। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে সেই বিষয়ে চিন্তা কৰি মন্তব্য দিছে—'পিছত ভাৰতবৰ্ষৰ ভিতৰতে নানা সাহিত্যিক আৰু মৌখিক ৰূপভেদক আশ্ৰয় কৰি এই উপাখ্যান (ৰামায়ণৰ উপাখ্যান) পৰিবৰ্দ্ধিত আৰু পৰিমাৰ্জ্জিত হয়, আৰু ভাৰতৰ বিভিন্ন কথ্য ভাষা-সমূহত প্ৰচলিত মৌখিক ৰূপবিলাকৰ বিলোপ সাধন নকৰি, বৰঞ্চ সেইবোৰক অতিক্ৰম কৰি গৈ মহৰ্ষি বাল্মীকিৰ পুণ্য নামৰ লগত জড়িত সংস্কৃত ভাষাত বিৰচিত ৰামায়ণ ৰূপে এই (ৰাম) উপাখ্যানে এটা চিৰস্থায়ী মৰ্য্যাদা লাভ কৰে।'

অসমীয়াত বাল্মীকি ৰামাযণৰ যথাযথ অনুবাদ কৰিছে কৰি মাধৱ কন্দলিয়ে। তেওঁৰ বাহিৰেও দুৰ্গাবৰ, মনকৰ, অনন্তকন্দলি, শঙ্কৰদেৱ, মাধৱদেৱ, অনন্ত ঠাকুৰ, ৰঘুনাথ মহন্ত, ভবানীনাথ দ্বিজ, শ্ৰীকান্ত সূৰ্য্য বিপ্ৰ আদি কৱিসকলে আৱশ্যকমতে ৰামায়ণৰ পদ অসমীযালৈ ভাঙিছিল। এওঁলোকৰ ভিতৰত দুৰ্গাবৰ আৰু মনকৰ এই দুগৰাকী কৱিৰ ৰামায়ণ পদ জনসমাজত গীত হিচাপে প্ৰচাৰ হয়। মনকৰৰ দুই একোটা গীত মাত্ৰ গাঁও-ভূঁইত সিঁচৰতি হৈ আছে, প্ৰকাশিত পুথিৰ আকাৰত তেওঁৰ গীত এতিযাও ওলোৱা নাই। 'হে স্বামী, নকৰা নৈৰাশ, তোমাৰ লগতে স্বামী খাটিম বনবাস—স্বামী নকৰা নৈৰাশ'—আদি দিহাবোৰ মনকৰী দিহা বুলি ওজাসকলে কয়।

আগতে উল্লেখ কৰা হৈছে যে দুৰ্গাবৰী ৰামায়ণৰ কাণ্ড মাত্ৰ পাঁচোটা, যেনে, অৰণ্য কাণ্ড, কিষ্কিন্ধ্যা কাণ্ড, সুন্দৰা কাণ্ড, লঙ্কা কাণ্ড আৰু উত্তৰা কাণ্ড। মাধৱ কন্দলিৰ ৰামায়ণবো পাঁচোটা কাণ্ড মাত্ৰ মহাপুৰুষ শঙ্কৰদেৱৰ সময়ত প্ৰচাৰিত আছিল, আদি কাণ্ড আৰু উত্তৰা কাণ্ড কিবা প্ৰকাৰে লুপ্ত হৈ পৰিছিল। ৰামায়ণ সেই কালত বৰ লোকপ্ৰিয় কাব্য আছিল। মাধৱ কন্দলিৰ ৰামায়ণত ভক্তিৰস পৰ্য্যাপ্ত পৰিমাণে নাই বুলি অনন্তকন্দলিয়ে সেই ৰামায়ণখনকে অলপ ইফাল-সিফাল কৰি এখন নতুন

ৰামায়ণ ৰচনা কৰিছিল আৰু তাৰ কৈফিয়ৎ তেওঁ নিজেই এইদৰে দিছিল—

মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক শুনি আমাৰ কৌতুক কৰে মন॥
ৰামৰ সামান্য সন্ত গুণ যথাৱত।
ভজনীয় গুণ তাত নভৈল বেকত॥
এতেকে যতন কৰো ভকতিক পদে।
সুবুলিবা নিন্দা সদা শুনা সভাসদে॥

ৰামৰ ভজনীয় আৰু শৰণ্য গুণসব ব্যক্ত কৰি ভাগৱতৰ ৰস মিহলাই কৰি অনন্তকন্দলিযে নতুন ৰামাযণ লিখিলে। সৰ্ব্বগুণাকৰ মহাপুৰুষ শঙ্কৰদেৱে কিন্তু অনন্তকন্দলিৰ এই কাৰ্য্য সমৰ্থন নকৰিলে। তেওঁ তেতিয়া প্ৰিয় শিষ্য মাধৱদেৱৰ হতুৱাই বাল্মীকি-ৰামায়ণৰ আদিকাণ্ডৰ ভাঙনি কৰালে আৰু নিজেও উত্তৰা কাণ্ড ভাঙি উলিয়াই মাধৱ কন্দলিৰ ৰামায়ণত সংযোগ কৰিলে আৰু অধ্যায়বোৰৰ শেষত ভক্তিমূলক উপদেশ পাঠ যোগ দি পুথিখন সম্পূৰ্ণ কৰি ভক্তসকলৰো গ্ৰহণীয় কৰি তুলিলে। ফলত অনন্ত কন্দলিৰ ৰামায়ণহে লোকসমাজৰপৰা লুপ্ত হোৱাৰ দৰে হয় আৰু মাধৱকন্দলিৰ ৰামায়ণ পূৰ্ব্বতকৈও প্ৰসিদ্ধ হৈ অসমীয়া সমাজত স্থায়ীভাৱে ৰৈ যায়।

গীতি ৰামায়ণ হিচাপে দুৰ্গাবৰী ৰামায়ণ লোকসমাজত বিশেষ-ভাৱে সমাদৃত। সম্ভৱতঃ দুৰ্গাবৰ আৰু মনকৰ এই দুয়োজনা কৰি ওজাপালি গোৱা ওজা আছিল। প্ৰসিদ্ধ ওজাসকলে মুখে মুখে পদ ৰচনা কৰি সুৰ লগাই গাব পাৰে। দুৰ্গাবৰী আৰু মনকৰী পদবোৰৰ লগত সদায় দিহা আৰু সুৰ বান্ধি দিয়া থাকে। সেয়ে তেওঁলোকৰ গীতি-প্ৰীতিৰ আভাস দিয়ে।

দুৰ্গাবৰী ৰামায়ণত আদিৰসতকৈও কৰুণ ৰসৰহে প্ৰাধান্য দেখা যায়। আদিৰসৰ ক্ষীণ প্ৰবাহ এটা অৱশ্যে তাত নথকা নহয়।

পিছে লোকাচাৰ আৰু লৌকিকতাৰ ফালৰ পৰা চালেহে এই কাব্য বেছি সমৃদ্ধ আৰু সৌষ্ঠবপূৰ্ণ যেন লাগে। কাৰণ ইযাত বৰ্ণনা কৰা অনেক কথা বাল্মীকি ৰামায়ণৰ কথা বা কাহিনী নহয়। দুই এফোটা উদাহৰণে কথাটো প্ৰমাণ কৰিব।

মূলৰ মতে দণ্ডকাৰণ্যত সীতাই মায়া-হৰিণ দেখা সময়ত তেওঁ আছিল ফুলনিত ফুল তুলি। অসমীয়া জনসমাজত প্ৰচলিত থকা মতে আৰু দুৰ্গাবৰী ৰামায়ণেও কোৱা মতে কিন্তু সেই সময়ত সীতা আৰু ৰামে গছৰ ডাল-পাতেৰে সজা পজাত বহি ৰং মনেৰে পাশা খেলি আছিল। অকল সেয়ে নহয়, পাশাখেলত ৰাম সেইদিনা সীতাৰ হাতত হাৰিছিল আৰু তেওঁ সীতাদেৱীক তিনি লক্ষ টকা দিবলগীয়া হৈছিল; সীতাই তেতিয়া তেওঁক ফুলৰ জৰীৰে বান্ধি গছৰ ডাল-পাতেৰে মৃদুভাৱে কোবাই টকা সাধি আছিল, ঠিক এনে সময়তে অকস্মাতে তেওঁ বাহিৰত মায়া-মৃগ দেখিবলৈ পায়। সোণৰ হৰিণ দেখি সীতাৰ নাৰী-মন সচকিত হয় আৰু তাক হাততে পাবলৈ উত্ৰাৱল হৈ ৰামচন্দ্ৰক তেওঁ বন্ধনমুক্ত কৰি দি শীঘ্ৰে সেই মৃগটো জীযাই জীয়াই ধৰি আনি দিবলৈ কুটুৰিবলৈ ধৰে।

এতিয়া বাল্মীকি-ৰামাযণৰ কথা চাওক। পাশা-খেলৰ উল্লেখ মূল ৰামায়ণত নাই। মূলৰ মতে স্বৰ্ণ-মৃগ দেখি সীতাৰে নহয় ৰামচন্দ্ৰৰো লোভ লাগিছিল, সীতাৰ কাকূতিয়ে কেৱল তেওঁক, জুইক বতাহে সহায় কৰাৰ দৰে, সহায়হে কৰিছিল—'লোভিতস্তেন মৃগেণ, সীতযা চ প্ৰচোদিতঃ।'

আৰু এটা মন কৰিবলগীয়া কথা এই যে জনপ্ৰবাদৰ আৰু দুৰ্গাবৰী ৰামায়ণৰ সীতাই সোণৰ হৰিণ পাবলৈ বিচাৰিছিল—জীয়াই জীয়াই। মূল ৰামায়ণত কিন্তু সোণৰ হৰিণৰ ছাল আনি দিবলৈহে সীতাই ৰামক খাটিছিল।

> পুষিবো পালিবো—লগত ফুৰাইবো
> লগৰ মোৰ সৈতাৰী।

কাষে কোলে কৰি লগত ফুৰাইবো—এ
থাকিবো দুখ পাসৰি ॥
আনিবা জীৱন্ত, নকৰিবা হত
নামাৰি শৰ সন্ধানে।
যেবে যাওঁ দেশ—এ মোৰ সন্দেশ—এ
কৰি দুৰ্গাবৰ ভনে ॥

বাল্মীকিৰ ৰামায়ণৰ মতে সীতাই কৈছিল—হে আৰ্য্যপুত্ৰ, এই হৰিণটোৰ সোণবৰণীয়া ছালখন শয্যাত পাৰি লৈ তাতে সুখেৰে বহিবলৈ মোৰ হাবিয়াহ হৈছে—'স্বশয্যায়াং পৰিস্তীৰ্য্য সুখমিচ্ছেয়-মাসিতুম্'। সেইবাবে মায়া-মৃগৰ পাছে পাছে খেদি যাবলৈ ওলাই ৰামে লক্ষ্মণক কৈছিল—'ভাই লক্ষ্মণ, মই ইয়াক মাৰি শীঘ্ৰে ইয়াৰ ছাল লৈ আহিম। মই নহালৈ তুমি সীতাক এৰি নাযাবা।'—

হত্বৈনং চৰ্ম্মচাদায় শীঘ্ৰমেষ্যামি লক্ষ্মণ।
তাবন্ন চলিতব্যং তে, যাবন্নাহমিহাগতঃ ॥

মাধৱ কন্দলিৰ ৰামায়ণত জনপ্ৰবাদ আৰু মূলৰ কথা দুয়োটা সুন্দৰকৈ মিলাই দিয়া আছে। তাত সীতাই ৰামক পাৰিলে জীয়াই জীয়াই সোণৰ হৰিণটো আনি দিবলৈ খাটিছে, নোৱাৰিলে ছালখনকে আনি দিবলৈ কৈছে, যাতে সেই ছালখন তেওঁ ঘূৰি গৈ অযোধ্যাত দেখুৱাব পাৰে।

এহি মৃগ মাৰি ছাল আনি দিয়া মোক।
অযোধ্যাক গৈয়া কথা কহিবাক হোক ॥

* * *

ধৰিবাক পাৰা যেবে অতি বৰ ভাল।
নোহে মৃগ মাৰি মোক আনি দিয়া ছাল ॥ (মাধৱ কন্দলি)

দুৰ্গাবৰী ৰামায়ণৰ ৰামে মায়া-মৃগৰ অনুধাবন কৰিবলৈ ওলাই সীতাৰ দুৱাৰ-ডলিৰ ওচৰত ধনুৰে তিনিটা আঁক পাৰি সেই আঁচৰ বাহিৰ নহবলৈ কৈহে মৃগৰ পাছ লৈছিল।

ভাৰ্য্যাৰ আখুটি ৰামে সহিব নাপাৰি
সাৰঙ্গৰ তিনি ৰেখা দিলন্ত মুৰাৰি॥

এইবোৰত বাহিৰেও মায়া-মৃগ মাৰি ঘূৰি আহি 'ৰেখাৰ বাহিৰে খোজ দেখি ৰঘুনাথে'—'হাহা প্ৰিয়া কোথা গৈলা এৰি' বুলি হাহাকাৰ কৰি উঠা, কিজানি কিবা বন্য জন্তু দেখি ভয় খাই ঘৰ এৰি পলোৱা বুলি ভবা আৰু আনকি 'অতি স্নেহো পাপাশঙ্কে' হে সীতাৰ নাৰী-মনৰ দুৰ্ব্বলতাৰ বিষয়েও মনলৈ দুশ্চিন্তা অনা কাৰ্য্য সম্পূৰ্ণ মানৱীয় আৰু অসমীয়া সমাজৰ চলতি কথা হলেও অবাল্মীকীয়। দুৰ্গাবৰীত আছে—

কিবা বন্য জন্তু দেখিয়া বিদ্যমান।
ত্ৰাশ হৈয়া গৈলা কিবা হঠাতে প্ৰমাণ॥
আমাক উদ্দেশি সীতা গৈলা স্বৰূপত।
জানোবা আছয এহি অৰণ্য মাজত॥

আৰু

অ' কি লখ্মন—
গৈল সীতা মোক উপেক্ষিয়া।
তৃণত শয়ন মোৰ বল্ক পৰিধান হে
এহি দুখ মনে আলচিয়া॥

* * *

সম্পদে সুন্দৰী নাৰী
আপদে পেলাইলা এৰি
মই তাক জানোহো স্বৰূপে।

* * *

আখুটি কৰিয়া মোক—
মৃগ পঠাইলাহে—
তোমাকো পঠাইলোঁ ক্ৰোধ কৰি।
মই নাজানিলো তান
কপট হৃদয় প্ৰাণ
তিৰী মায়া বুঝিতে নাপাৰি॥

* * *

সীতাৰ গুণ স্মৰণ কৰি আৰু সীতাৰ সঙ্গত অনঙ্গ-ৰঙ্গত মজি বনবাসৰ দুখ পাহৰি থকা কালডোখৰৰ কথা ভাবি ৰামচন্দ্ৰই বিলাপ কৰিছিল—

কোনে সম্ভাষিব মোক মধুৰ বচনে।
কাহাক তুষিব মই চুমা-আলিঙ্গনে॥
কাৰ সঙ্গে ৰঙ্গে নিতে থাকিবো কৌতুকে।
অনাথিতি কৰি প্ৰিয়া এৰিলিহি মোকে॥

* * * *

হাতৰ ৰতন মোৰ হে
কোনে নিলে ছালি।
আপোন দোষে হেৰুৱাইলো চিত্ৰৰ পুতলি॥
শৰীৰৰ কান্তি যেন হে
আন্ধাৰৰ বাতি।
বিনা প্ৰদীপত জ্বলে শৰীৰৰ জেউতি॥

তাৰে অৰণ্য কাণ্ডত আছে পিতৃ-শ্ৰাদ্ধ কৰিবৰ কাৰণে ফল-মূল আহৰণ কৰিবলৈ ৰাম-লক্ষ্মণ দুয়ো এদিন বনলৈ গৈছিল। সেই সময়ত সীতাদেৱী ফল্গু নদীৰ তীৰত অকলে আছিল। তেতিয়া মৃত দশৰথ ৰজাই সীতাদেৱীৰ সম্মুখত হেনো দেখা দি কৈছিল—

যেন ৰাম তেন তুমি নাহি ভিন্ন ভাও।
পিণ্ড দান দিয়া মোক স্বৰ্গে চলি যাওঁ॥

সীতাই তেতিয়া দশৰথ ৰজাৰ নিৰ্দ্দেশ ক্ৰমে বালিৰেই পিণ্ডদান কৰে আৰু সেই পিণ্ড গ্ৰহণ কৰি দশৰথ সানন্দে স্বৰ্গলৈ উভতি যায়। সেই কাৰ্য্যৰ সাক্ষী আছিল ফল্গুনদী, তুলসী, কলগছ, চন্দ্ৰ-সূৰ্য্য আদি। কিন্তু যথাসময়ত ৰামে সোধাত এইবোৰৰ কোনেও এই কথা কবলৈ প্ৰস্তুত নোহোৱা দেখি সীতাই ফল্গুক অন্তঃসলিলা হবলৈ, তুলসী গছত কুকুৰে প্ৰস্ৰাব কৰিবলৈ, কলগছৰ ওপৰৰ দোনাবোৰ অশুচি হবলৈ আৰু চন্দ্ৰ-সূৰ্য্য দুয়োকো ৰাহু গ্ৰহে গ্ৰাস কৰিবলৈ অভিশাপ দিছিল। অন্য এসময়ত আকৌ সীতাই মায়া অযোধ্যা নিৰ্ম্মাণ কৰি ৰামচন্দ্ৰৰ মনত সন্তোষ দিছিল। এই-বোৰ কথাও মূল ৰামায়ণ অথবা মাধৱ কন্দলিৰ ৰামায়ণ—এখনতো নাই, অৱশ্যে কৃত্তিবাসী ৰামায়ণত আছে। কৃত্তিবাসী ৰামাযণত অকল এইবোৰেই নহয়, আৰু এশ এটা পৌৰাণিক আখ্যানৰ সংযোগ আছে। এই আখ্যানবোৰ হয়তো সেই সময়ত জনসমাজত মুখে মুখে চলি আছিল। কবি কৃত্তিবাস আৰু কবি দুৰ্গাবৰে সেই-বোৰক নিজ নিজ ৰচনাত স্থান দিছিল জনসাধাৰণৰ মন যোগাবলৈ।

কবি দুৰ্গাবৰক এনেবোৰ অবাল্মীকীয় কাহিনীৰ কাৰণে সংস্কৃত ৰামায়ণৰ লগত বিশেষ পৰিচিতি নথকা অথবা সংস্কৃতৰ ভাল জ্ঞান নথকা বুলি কোনো কোনো পণ্ডিতে ‘মত দিব খোজে, কিন্তু তেওঁৰ গীতি ৰামায়ণৰে দুই একোটি পংক্তিয়ে সেই সন্দেহ ভিত্তিহীন বুলি প্ৰমাণ আগবঢ়ায়। বাল্মীকি ৰামায়ণৰ ‘শৈলূষ ইব পোষাৰ্থ-মন্যস্মৈ দাতুমৰ্হৰি’ অৰ্থাৎ ভৰণ-পোষণৰ কষ্টৰ কাৰণে তুমি এতিয়া মোক পত্নীজীৱী ব্যক্তিৰ দৰে (শৈলূষৰ দৰে) অন্যৰ হাতত সমৰ্পণ কৰাটো উচিত হৈছেনে বুলি সীতাই ৰামচন্দ্ৰক বনবাসলৈ যাবৰ সময়ত কৰা প্ৰশ্নটোৰ অসমীয়া ভাঙনি কবি দুৰ্গাবৰৰ কাব্যত এইদৰে পোৱা যায়—

আমাক ইতৰ নাৰী সম দেখিলাহা।
নটৰ নটিনী যেন আমাক বিলাহা॥ (গীতি ৰামায়ণ)

মাধৱ কন্দলিৰ ৰামায়ণতো মূল ৰামায়ণৰ এই কথাশাৰীৰ যথাযথ অনুবাদ নাই।

ৰামায়ণৰ অনুবাদত প্ৰাদেশিক ভাষাত অসংখ্য আখ্যান-উপাখ্যান প্ৰৱেশ কৰিছে। এইবোৰে ৰামায়ণৰ জনপ্ৰিয়তা আৰু ব্যাপক প্ৰচাৰৰ সূচনা কৰে। অবাল্মীকীয় আখ্যান-উপাখ্যান-সমূহৰ সংখ্যাধিক্যলৈ লক্ষ্য কৰি কৃত্তিবাসী ৰামায়ণ সম্পৰ্কে মন্তব্য দি ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে সেইবাবেই কৈছিল, 'মূল কথা-বস্তুৰ ব্যত্যয় না কৰিযা ৰাম-কাহিনী আশ্ৰয় কৰিয়া ৰচিত সংস্কৃত বাল্মীকি ৰামায়ণ ও বাঙ্গলা কৃত্তিবাসী ৰামায়ণ দুইখানি পৃথক পুস্তক।' হৰৰ কথাও, কাৰণ ৰত্নাকৰ দস্যুৰ বাল্মীকিত্ব প্ৰাপ্তি, ৰামৰ দ্বাৰা ৰাৱণ বধৰ হেতু শাৰদীয় শক্তিপূজা (দুৰ্গাপূজা) উদ্‌যাপন, বিভীষণ-পুত্ৰ তৰণীসেনৰ অদ্ভুত বীৰত্বৰ কাহিনী—এনেবোৰ উপকথা বাল্মীকি-ৰামায়ণৰ বহিৰ্গত বিষয়।

ভক্ত তুলসীদাসে তেওঁৰ বিৰচিত ৰামায়ণক মূল ৰামায়ণৰ পৰা বহুদূৰ আঁতৰি যোৱা বাবে ৰামায়ণ আখ্যা নিদি 'শ্ৰীৰাম-চৰিত মানস' নাম দিছিল। তাত তেওঁ বেদ-পুৰাণ আদি শাস্ত্ৰৰো সাৰোদ্ধাৰ কৰি আনি সংমিশ্ৰণ কৰিছিল। বহুত ঠাইত তেওঁ তাত মনেগঢ়া কাহিনীকো প্ৰশ্ৰয় দিছিল। বিয়াৰ পূৰ্ব্বে ৰাম-সীতাৰ মাজত ঘটা পূৰ্ব্বৰাগৰ অপূৰ্ব্ব কাহিনীয়ে তাৰ চৰম নিদৰ্শন। বাল্মীকি ৰামায়ণৰ মতে ঋষি বিশ্বামিত্ৰৰ আদেশত শ্ৰীৰামচন্দ্ৰ মিথিলালৈ গৈছিল হৰ-ধনু ভঙ্গ কৰি সীতাক বিয়া কৰাবৰ কাৰণে। হৰধনু ভঙ্গৰ সময়তহে সীতাই ৰামক আৰু ৰামেও সীতাক দেখাৰ প্ৰথম সুযোগ পাইছিল, তাৰ আগতে ক'তো কোনোদিন তেওঁ-লোকৰ পৰস্পৰ দেখা-সাক্ষাৎ হোৱা নাছিল। তুলসীদাসৰ মতে কিন্তু শ্ৰীৰামচন্দ্ৰই মিথিলাৰ ৰাজ-উদ্যানত হৰ-ধনু ভঙ্গৰ আগতেই সীতাক দেখে আৰু অকল দেখায়ে নহয়, তাতেই দৃষ্টি-বিনিময়ৰ মাজেদি দুয়োৰো ভিতৰত ভাবৰ আদান-প্ৰদান ঘটে। দুয়োৰো

মাজত ঘটা এই পূৰ্ব্বৰাগেই হৰ-ধনু ভঙ্গৰ অন্তত স্বয়ম্বৰৰ জৰিয়তে দাম্পত্য প্ৰণয়ত পৰিণতি লাভ কৰে। এদিনাখন নিজেও পত্নীৰ উপদেশতেই ভক্তি-জীৱন গ্ৰহণ কৰা কবি তুলসীদাসৰ এনে এটি কাল্পনিক উদ্ভাৱনাৰ সংযোগে তেওঁৰ বিৰচিত ৰামায়ণ কাব্যৰ পবিত্ৰতা আৰু কমনীয়তা কোনো প্ৰকাৰে হ্ৰাস নকৰি বৃদ্ধিহে কৰিছে। হব পাৰে, এনে এটি জনপ্ৰবাদ সেই সময়ত জনসমাজতো প্ৰচাৰিত হৈ আছিল আৰু কবিয়ে তাক যথাযোগ্যভাৱে কাব্যত স্বীকৃতিদান কৰিলে মাত্ৰ।

কবি দুৰ্গাবৰৰ গীতি ৰামায়ণৰো অবাল্মীকীয় উপাখ্যানসমূহৰ বিষয়ে সেই একে মন্তব্য প্ৰযোজ্য। এইটো কিন্তু কবই লাগিব যে দুৰ্গাবৰৰ কাব্যত আদিৰসৰ প্ৰবাহ পাঁচালী কবি মনকৰ বা সুকবিনাৰাযণৰ কাব্যৰ দৰে প্ৰবল নহয়। মনকৰী ৰামায়ণ আজিও উদ্ধাৰ হোৱা নাই আৰু গীতি ৰামাযণৰ বাহিৰৰ যি দুই-চাৰিটা ৰামায়ণী গীত মানুহৰ মুখে মুখে চলি আছে সেইবোৰো যে মনকৰী, পীতাম্বৰী নহয়, সেইটোও ঠিৰাংকৈ কবলৈ যথেষ্ট সবল যুক্তি পোৱা নাযায়।

প্ৰাক্-শঙ্কৰী কাব্যত আদিৰস

(পাঁচালী কাব্য)

পাঁচ শব্দৰ লগত পাঁচালী শব্দৰ সম্বন্ধ জড়িত আছে। ওজাপালি গীতো পাঁচ শব্দৰ লগত সম্বন্ধ থকা এবিধ সঙ্গীত; আৰু সেইবাবে ইয়াক পঞ্চাঙ্গ সঙ্গীত বোলে। পাঁচজন লোকেৰে, অতি কমেও পাঁচজন লোকেৰে ওজাপালি হয়—যেনে, ওজা, দাইনা (দক্ষিণ বা সোঁ) পালি, গোৰ পালি আৰু দুজন সাধাৰণ পালি। গীতৰো আকৌ পাঁচটা ভাগ, যেনে সুৰসাধনা, গুৰুবন্দনা, বিষ্ণুপদ, পুথিৰ পদ আৰু ভণিতা বা সামৰণি। পদৰো পাঁচটা অংশ—যেনে মালিতা, ৰাগ, দিহা, বাণা আৰু থোকা। আদিতে পাঁচালী গীতবোৰো পঞ্চাঙ্গ সঙ্গীতেই আছিল। যি গীতত কোনো দেৱ-দেৱীৰ প্ৰভুত্ব বা শক্তিৰ মহিমা বিশ্লেষণৰ দ্বাৰা জনসমাজৰ মন আকৰ্ষণ কৰিবলৈ যত্ন কৰা হয় তাকে পাঁচালী গীত বোলা হৈছিল। সেই বুলি বিষ্ণুৰ মহিমা ঘোষণা কৰা বৈষ্ণৱী সঙ্গীতক পাঁচালী বোলা নহৈছিল। পাঁচালী গীতত যি দেৱ-দেৱীৰ শক্তি ঘোষণা কৰা হয় তাত ভীতি-প্ৰদৰ্শনৰো ভাব নিহিত থাকে; অৰ্থাৎ সেই দেৱতা বা দেৱীক পূজা নকৰিলে মানুহৰ দুৰ্ঘোৰ অনিষ্ট হব পাৰে আৰু পূজা কৰিলে ঐশ্বৰ্য্য-বিভূতি আৰু অন্যান্য পাৰ্থিৱ সুখ-সম্পদ লাভ হয়। তাকে কৰিবলৈ উদাহৰণ স্বৰূপে একোটা আখ্যান বৰ্ণনা কৰা হয়, যেনে, চান্দো সদাগৰৰ আখ্যান। সুকনান্নীৰ পদৰ শেষত সঘনে পোৱা যায়—

> সুকবি নাৰায়ণদেৱৰ সুৰস পাঁচালী
> বেউলা ক্ৰন্দন বুলি এই এক লেছাৰী॥ ইত্যাদি।

পিছে পাঁচালী গীত বা স্তুতিৰ লগত পঞ্চাঙ্গ সঙ্গীতৰ সম্বন্ধ জড়িত থকাতকৈও অন্য এটা বিশেষ লক্ষণ স্পষ্ট হৈ থাকে, আৰু সেয়ে হৈছে গায়কৰ বৃত্তি আৰু আবৃত্তি। গায়কে সেই গীত আবৃত্তি কৰে আৰু সি তেওঁৰ বা তেওঁলোকৰ বৃত্তি বা জীৱিকা দান কৰে। গতিকে গায়কক তুষ্ট কৰাটো ভক্তৰ কৰ্ত্তব্য। তেনেকৈয়ে পঞ্চাঙ্গ সঙ্গীত পাঁচালীৰে ক্ৰমে সত্যনাৰায়ণৰ পাঁচালী, শনিৰ পাঁচালী আদিকো সামৰি ললে। পাঁচালী এবিধ সকাম আৰাধনাৰ বিশিষ্ট স্তুতিগীত। এই গীতত একোটা আখ্যান জড়িত থাকে আৰু সেই আখ্যানে দেৱতা বা দেৱীগৰাকীৰ মাহাত্ম্য স্পষ্ট কৰি তোলে।

পুৰণি অসমীয়া কাব্যত পাঁচালী কৱি যাইকৈ তিনিজন—মনকৰ, দুৰ্গাবৰ আৰু সুকৱি নাৰায়ণদেৱ। দুৰ্গাবৰৰ ৰামায়ণ সম্বন্ধে আগতে উল্লেখ কৰা হৈছে। ৰামায়ণ পাঁচালী কাব্য নহয়, কাৰণ ইয়াত পাঠকৰ ঐহিক বাসনাক স্থান দিয়া হোৱা নাই। ৰামায়ণ, মহাভাৰত আদিৰ পদ ওজাপালিয়ে গায যদিও সিও পাঁচালী গীত নহয়, কাৰণ তাত ভীতি প্ৰদৰ্শনৰ দ্বাৰা পূজা আদায় কৰাৰ উল্লেখ নাথাকে। এই গীত বৈষ্ণৱ ভাৱসিক্ত আৰু ঐহিক ঐশ্বৰ্য্য-বিভূতিতকৈও পাৰত্ৰিক মঙ্গলৰ পিনেহে ই বেছিকৈ আঙুলিয়ায়। পাঁচালী গীত ঐহিক সুখ-সম্পত্তি বিধায়ক আৰু কোনো এক বিশিষ্ট দেৱ-দেৱীৰ গুণাৱলীয়ে তাত প্ৰভুত্ব বিস্তাৰ কৰে। সেই দেৱতা বা দেৱীক পূজা-সেৱা নকৰিলে ইহকাল-পৰকালত কি অনিষ্ট হব পাৰে তাকে ভীতি-সঞ্চাৰক কথাৰে বৰ্ণনা কৰা হয়। উপৰোক্ত তিনিজনা বিখ্যাত পাঁচালী কৱিৰ কাব্য কি পৰিমাণে আদিৰসপূৰ্ণ আছিল সেইটোহে ইয়াত বিচাৰ্য্য।

মনকৰ শাক্ত কৱি। তেওঁৰ বিৰচিত অনেক স্তুতি-গীত আজিও ওজাপালিয়ে মনসাপূজাত তাল-মান ঠিক ৰাখি সুৰ লগাই বহি বহি গায়। তেওঁৰ বিৰচিত মনসা কাব্যত বেউলা-লখিন্দাৰৰ কথা নাই। তেওঁৰ মনসা কাব্য তিনি খণ্ডত বিভক্ত; যেনে, সৃষ্টি খণ্ড, হৰ-

পাৰ্ব্বতীৰ বিবাহ খণ্ড আৰু পদ্মাৱতীৰ জন্ম খণ্ড। তিনিও খণ্ড ওজাপালিয়ে গায়। সৃষ্টি খণ্ডত গঙ্গাদেৱী, চন্দ্ৰ, সূৰ্য্য, সাগৰ, মৎস্য আদিৰ উৎপত্তি বৰ্ণোৱা আছে, হৰ-পাৰ্ব্বতীৰ বিয়া আৰু তাৰেই গৌণ ফল স্বৰূপে হোৱা পদ্মাৱতীৰ জন্ম খণ্ডত বিয়াৰ মনোৰম বৰ্ণনাৰ উপৰিও পদ্মাৱতীৰ পদ-স্খলন হৰ খোজাৰ আকৰ্ষণীয় বিৱৰণ আছে।

কবি দুৰ্গাবৰেও এখন মনসা-কাব্য ৰচনা কৰিছে। তাত চান্দো সদাগৰৰ কাহিনীটো—চান্দো-পত্নী সনেকাৰ গৰ্ভৰ ৰৰত ছয় পুত্ৰ লাভৰেপৰা পদ্মাৱতীৰ ক্ৰোধত চান্দোৰ ছয়পুত্ৰ নিধন, সনেকাৰ গৰ্ভত পুনঃ লখিন্দাৰ ৰূপে গন্ধৰ্ব্ব অনিৰুদ্ধৰ জন্ম, লখিন্দাৰৰ বিয়া, লখিন্দাৰৰ সৰ্পদংশনত মৃত্যু, লখিন্দাৰ আদি সাত ভাইৰ পুনৰ্জীৱন লাভ আৰু স্বামীসহ সতী বেউলাৰ পুনৰ চম্পাৱতী নগৰ প্ৰৱেশ-লৈকে এই সমস্ত ঘটনা চমুকৈ বৰ্ণোৱা আছে।

মন কৰিবলগীয়া কথা এই যে দুয়োজনা কবিয়ে ঘটনাৰ বৰ্ণনা দিওঁতে মাজে মাজে আদিৰসৰ ৰসাল ছিটিকনি বা চাটনি বাককৈয়ে দিছে। তেনে চাটনি ওজাপালি গীতৰ এটা অপৰিহাৰ্য্য অঙ্গও। তেনে ধৰণৰ বৰ্ণনা থকা বাবে হৰ-পাৰ্ব্বতীৰ বিয়াৰ পদ গঞাসকলৰ প্ৰীতিকৰ বস্তু। তাৰ ঘটনাটো এনেকুৱা,—ঋষি হেমৱন্তৰ দুহিতা পাৰ্ব্বতী বা দুৰ্গাদেৱীৰ তেতিয়া ভৰ যৌৱন। তেওঁ এদিন হাতত 'কৰণ্ডী' লৈ অকলে অকলে পুষ্পবনলৈ ফুল তুলিবলৈ গৈছিল। পুষ্পবন সদাশিৱৰ বন। সেই সময়ত দেৱীৰ মূৰত আছিল দীঘল চুলিৰ ধুনীয়া কমলজুতি খোপা আৰু সৰ্ব্বশৰীৰত সুবাসিত চন্দনৰ আমোলমোলীয়া প্ৰলেপন। তেওঁ সেইদৰে সাজন-কাচন কৰি পুষ্পবনলৈ যাবলৈ মনেৰে অভিলাষ কৰাৰ লগে লগে এটা সিংহ আহি সম্মুখত উপস্থিত হৈ সেৱা জনালে—'মনে দেৱী মানসিল, তাতে সিংহ উপজিল, সিংহ ভৈল অতি ৰূপমান।' সেই সিংহত উঠি দেৱী শিৱৰ পুষ্পবন পালেগৈ। পুষ্পবনৰ দুৱৰীয়ে দ্বাৰ খুলি

নিদিয়াত সিংহ-বাহিনী দেৱীয়ে পশুৰাজক দ্বাৰত থৈ ছুৱৰীক গাৰ বলেৰে ঠেলি পুষ্পবনত প্ৰৱেশ কৰিলে আৰু নানা তৰহৰ ফুল আহৰণ কৰাত লাগি গ'ল।

ইফালে ছুৱৰীয়ে দেৱীৰ হাতত অপমানিত হৈ ততালিকে গৈ শিৱৰ আগত গোচৰ দিলে। ভঙুৱা শিৱে ভাবিগুণি চাই ধীৰে-সুস্থে ফুলনিলৈ আহোঁতে ভালেখিনি সময় গ'ল। ইতিমধ্যে দেৱীয়ে নিৰ্বিঘ্নে নিৰ্বিবাদে যথা ইচ্ছা যিমান পাৰে ফুল তুলি 'কৰণ্ডী'ত ভৰালে। কি কি ফুল তুলিলে?—

গুটিমালি জাঁই বেলি আৰু তিপুমালি।
ওড তঁগড তোলে শেৱালি নেৱালি॥
লবঙ্গ মালতী লতা চম্পা নাগেশ্বৰ।
অশোক বাসকা কৰবিৰ যে ধস্তুৰ॥ ইত্যাদি

বিবিধ ফুলেৰে জাতিষ্কাৰ হৈ থকা বিশাল পুষ্পবনত ঘূৰি ফুৰি ফুল তোলোতে দেৱীৰ ভাগৰ লাগিল। বিৰ্‌বিৰ্‌কৈ বলি থকা জুৰ বতাহত খন্তেক জিৰণি লবলৈ বুলি তেওঁ এজোপা ফুলি থকা অশোক গছৰ তল পালেগৈ।

ফুল তুলি তুলি দেৱীৰ তুতি গৈল বল।
ধীৰে ধীৰে গৈল দেৱী অশোকৰ তল॥

একেই হিয়া শাত কৰা ফুলৰ সুবাস, তাতে মৃদু মলয়াৰ বিৰ্‌বিৰ বা। চৌদিশ ভ্ৰমৰৰ গুঞ্জনত মুখৰিত হৈ আছে। অশোকৰ তলৰ শীতল ছুৱবি ডলিচাত বহা মাত্ৰকে দেৱীৰ তন্দ্ৰাভাৱ হ'ল, চকু মুদ খাই আহিল। তেওঁ কেতিয়া হাতত মূৰ থৈ শুই পৰিল নিজেই নাজানিলে।

মলয়া পবন বাউ বহে ধীৰে ধীৰে।
অশোকৰ তলে শুতিলন্ত একেশ্বৰে॥

এনে সময়ত ত্ৰিশূল ডম্বৰুধাৰী মহাদেৱ ভূত-প্ৰেতাদিৰ দ্বাৰা পৰিবৃত হৈ বৃষভ-বাহনত গৈ পুষ্পবনৰ দ্বাৰত উপস্থিত হ'ল।

খটাঙ্গ ডম্বৰু ত্ৰিশূল ধাৰী।
বৃষভ বাহনে আসন কৰি॥
চলিলা দেৱৰাজ ডম্বৰু বাই।
ভূত-প্ৰেত সঙ্গে নাচিয়া যায়॥
নাচিতে নাচিতে মালঞ্চ পাইল।
দ্বাৰৰ কোণত বৃষভ ৰখাইল॥
ভূত-প্ৰেত থৈলা দ্বাৰৰ কোণে।
মালঞ্চ পশিলা চোৰৰ মোলে॥

হাতত সাৰে ভৰিত সাৰে চোৰ প্ৰৱেশ কৰাৰ দৰে তেওঁ অকলে অকলে পুষ্পবনত প্ৰৱেশ কৰিলে আৰু দুৰ্গাৰ সন্ধানত ঘূৰিবলৈ ধৰিলে। দুৰ্গাক বিচাৰি তেওঁ পুষ্পবন চলাথ কৰিলে তথাপি দুৰ্গাৰ শুংসূত্ৰকে নাপালে। শেষত অকস্মাৎ এবাৰ অশোক জোপাৰ তললৈ তেওঁৰ চকু গ'ল। নিদ্ৰামগ্না দুৰ্গাদেৱীৰ নিপোতল অবয়ব তেওঁৰ দৃষ্টিগোচৰ হ'ল। তেওঁ দুৰ্গাৰ ওচৰ চাপিল আৰু তেনে অৱস্থাত যুৱতী দুৰ্গাক অকলশৰে পাই তেওঁৰ লুভীয়া মনটো চঞ্চল হৈ উঠিল—'দুৰ্গাক দেখি গোঁসাইৰ আকুল চিত্ত।' দেৱীৰ লগত আলাপ কৰিবলৈ গোঁসাইৰ মন গ'ল—কিন্তু দেৱীক জগোৱা যায় কেনেকৈ? মাতিলে হয়তো চক্‌মক্ খাই উঠিব। গাত হাত দিলেও ভয় খাব পাৰে। নামাতি নজগাই তেওঁৰ ৰূপ-মাধুৰীকে পান কৰি থিয় হৈ থাকিব পাৰি, কিন্তু তেনেকৈ থাকোঁতে কেনেবাকৈ দেৱীয়ে সাৰ পাই তেওঁক দেখিলে বৰ লাজৰ কথা হব। সাত-পাঁচ ভাবি তেওঁ বুকুত বল বান্ধি দেৱীৰ ওচৰ চাপিল আৰু মৰণত শৰণ দি ওচৰতে বহি লৈ দুৰ্গাৰ পীনোন্নত বক্ষস্থলত অতি সন্তৰ্পণে হস্ত সঞ্চালন আৰম্ভ কৰিলে—

'লাসে কৰি হাত দিলা হৃদিৰ উপৰ।' তাতে শৰীৰত বিজুলী চমকি গ'লত চক্‌মক্ খাই দেৱী উঠি বহিল আৰু সন্মুখত এজন পুৰুষক দেখি লাজত তুৰন্তে আঁতৰিব খুজিলে—

চেতন পায়া বসিল উঠি।
গোঁসায়ো ধৰিলা আঞ্চলেৰ মুঠি॥

মহাদেৱ গোসাযেও দেৱীৰ আঁচলত খামুচি ধৰি এৰি নিদিলে আৰু নানা প্ৰকাৰে দেৱীক আমনি কৰিবলৈ ধৰিলে। দুয়োৰো মাজত হাস্য-পৰিহাসৰ মাজেদি ভালকৈয়ে টনা-আজোৰা চলিল। উন্মত্ত শিৱৰ প্ৰতিটো কাৰ্য্যকে দেৱীয়ে নাৰীসুলভ আৰিমূৰি আৰু অঙ্গভঙ্গীৰে বাধা দিবলৈ যত্ন কৰিছিল, কিন্তু তেওঁৰ ক্ৰোধ ওপজা নাছিল। বুঢা গোঁসায়ে তাতে আসৈ পাই অঞ্চলৰ মুঠি এৰি দি ডিঙিত হাত দিলে, ডিঙিত হাত দিবলৈ বাধা দিয়াত চুলিত হাত দিলে, লজ্জাভাৱে তাতো আপত্তি কৰাত গোঁসায়ে তেওঁক ছেগ চাই আকোৱালি ধৰিলে আৰু অধৰ চুম্বন কৰিলে। তাতে দেৱী অৱশ হৈ পৰাত গোঁসায়ে তেওঁৰ হৃদয়ত হস্তৰ পৰশ দি আলফুলকৈ তেওঁক বলেৰে কোলাত তুলি ললে—

খোপাই হাত নাদিও গোঁসাই যে আউল হইব কেশ।
আমি অল্পমতি গোঁসাই অল্প যে বয়স॥
গলাই হাত নিদিও গোঁসাই যে চিণ্ডিবেক হাৰ।
আমি অল্পমতি গোঁসাই নাজানো শৃঙ্গাৰ॥
অধৰে চুম্বন নিদিও গোঁসাই যে লুপ্ত হৈব কাজল।
কিমতে সহিবো গোঁসাই তোমাৰ পয়োভৰ॥
হৃদয়ে হাত নিদিও গোঁসাই যে চিন্তিব কাঞ্চুল।
দেৱত খখাৰ (কলঙ্ক) ৰবে বুৰাইবো ঋষিৰ কুল॥
আনন্দ লভিলা গোঁসাই যে হুৰুগাৰ বোলে।
অধৰে চুম্বিয়া ৰে তুলি লৈলা কোলে॥ ইত্যাদি

এই পৰ্ব্ব এইদৰে ক্ৰমে আগবাঢ়ি গৈ তৃপ্তি-কৌতুহলৰ চৰম পৰিণতিত অন্ত হ'ল। এনে আনন্দ-উপভোগৰ অৱশ্যম্ভাৱী ফল সম্পৰ্কে নানা প্ৰকাৰৰ চিন্তা উপজিলত দুৰ্গাৰ চকুৰেদি জিল্-মিলকৈ ছুধাৰি চকুলো বৈ গ'ল। তেওঁ তেতিয়া 'কিসক আইলো ফুল বনে' বুলি বিনাই বিনাই কান্দিবলৈ ধৰিলত মহাদেৱে তেওঁক চেনেহ-বচনেৰে উপায়-যুগুতি দিলে। তেওঁ কলে যে হৈ যোৱা কামৰ কাৰণে চিন্তা কৰি লাভ নাই আৰু যি হৈ গ'ল তাৰ বাবে ভয় কৰাৰো কোনো কাৰণ নাই, কিয়নো তেওঁ (শিৱই) তেওঁক যথাবিধি বিয়া কৰাই কলঙ্কৰ পৰা মুক্ত কৰিব। অকল সিমানেই নহয়, তেওঁলোক দুয়োৰে যে পূৰ্ব্বজন্মৰ পৰাই পতি-পত্নীৰ সম্বন্ধ বৰ্ত্তিছে তাকো তেওঁ যুক্তিৰে দুৰ্গাক বুজালে।

মহাদেৱৰ এনে আশ্বাস বাণী শুনি আৰু বিশেষকৈ দুৰ্গাক তেওঁ সকলো প্ৰকাৰ কলঙ্কৰ পৰা মুক্ত কৰিব বুলি আশ্বাস পাই তেওঁৰ মনলৈ বল আহিল। বিশেষকৈ গোঁসায়ে তেওঁক বিয়া কৰাবলৈ গাত লোৱাত তেওঁৰ মনৰ বেজাৰ-বিমৰিষ আঁতৰিল আৰু কান্দি থকা অৱস্থাতে তেওঁ মিচিক্কৈ হাঁহি দিলে। দুৰ্গাৰ হাঁহি-কান্দোনৰ এই মধুৰ ৰূপটিয়ে যোগী মহাদেৱৰ অন্তৰৰ ৰুদ্ধ কামাগ্নি পুনৰ জ্বলাই তুলিলে। তেওঁ দেৱীক এইবাৰ ছুনাই মৰমেৰে সাৱটি ধৰিলে। মনৰ শঙ্কা-সঙ্কোচ, চিন্তা-উদ্বেগ সকলো আঁতৰিলত দেৱীয়ে ইবাৰ মহাদেৱৰ কৱলত সম্পূৰ্ণৰূপে নিজক এৰি দিলে।

হাসিলন্ত পাৰ্ব্বতী গোঁসাই পাইলা চল।
ঘৃত-কুম্ভ পাই যেন ফোঙ্কাই অনল॥
গোঁসানীৰো হৃদয় ভেদিল কামবাণে।
যুৰত হইল দেৱী ৰতিত স্তুজানে॥

* * * *

শঙ্কৰৰ ৰূপ গৈলা মদনক জিনি।
মদনৰ পঞ্চবাণ হানিলা গোঁসানী॥
হৰৰ অধিকতৰে গোঁসানীৰ ভৈলা মন।
কটাক্ষ নয়নে দেৱী চাহে ঘনে ঘন॥

দুয়োৰো নিৰঙ্কুশ মদন-যুদ্ধ চলিল। কোনেও হাৰ নামানে—আক্ৰমণ আৰু প্ৰত্যাক্ৰমণৰ কোব ক্ৰমে বাঢ়ি গ'ল।

*　　*　　*　　*

নিলাজ হইয়াৰে উদাস কৈলা দেহা।
মালবান্ধে বান্ধে যে মালক লাগ পায়া॥
মালে যেন মালক ধৰিলা মাল বান্ধে।
উসমিস লাগি গৈলা মদনৰ দ্বন্দ্বে॥

ওৰে নিশা সেইদিনা সেইদৰেই পাৰ হ'ল। ৰাতি পুৱালত দুৰ্গাৰ আকৌ লাগিল ভয়। হাজাৰ হওক তেওঁ নাৰী। তেওঁৰ তেতিয়া কেশ আউল-বাউল, গা-মূৰ জপৰা, হাত-ভৰি ফপৰা, পিন্ধা কাপোৰ শোটোৰা-শোটোৰ। ইফালে মদন-যুঁজত হাতৰ 'শাখা' ভাগি গৈছে, চকুৰ কাজল, কপালৰ সেন্দুৰ সকলো আধা-মচা হৈছে। যিবা ডিঙিৰ হাৰ এডাল আছিল সিও যুঁজত কেতিয়াবা ছিগি দুটুকুৰা হৈ পৰি গ'ল। এনে অৱস্থাত দুৰ্গা এতিয়া ঘৰলৈ যায় কেনেকৈ? তেওঁ ঘোৰ বিপাঙত পৰিল। তেওঁ মহাদেৱক সুধিলে—

কি বুদ্ধি কৰিম গোঁসাইৰে
কেমনে যাইবো ঘৰ,
কি কথা কহিবো যাই ৰে
আতাইৰে বৰাবৰ।

বিজয়ী বীৰৰ দৰে হৈ মহাদেৱে তেতিয়া তেওঁক এইদৰে বুদ্ধি দিলে—'তুমি ইমান ভয় খাইছা কিয়? এই সামান্য বুদ্ধিখিনিও

তোমাৰ আজিলৈ হোৱা নাই নে? কৰা যে ফুল ছিঙোতে ডালৰ আচাৰ খাই হাতৰ শাঁখা ভাগিছে—'ডাল ভাঙি আচাৰ খাই শাখা ভৈলা চুৰ।' চ'ত-বহাগ মাহৰ ৰ'দ আৰু গৰমত গছৰ গুৰিয়ে গুৰিয়ে গৈ ফুল তুলি ফুৰোঁতে ঘামত সেন্দুৰ, কাজল আদি সকলো গলি গ'ল।

চৈত্ৰ বৈশাখ ৰৌদ্ৰে যে এ ঘামে আগলি।
সেন্দুৰ কাজল মানে সবে গৈল গলি॥

আৰু কেতেকী ফুলৰ কাঁইটত লাগি গলৰ হাৰডাল ছিগিল। এইদৰে এই ক্ষুদ্ৰ কথাখিনিকে যদি তুমি গৈ বাপেৰাৰ আগত কৰলৈ বুদ্ধি আৰু সাহস নোপোৱা তেনেহলে তুমি ঘৰলৈ উভতি যাব নেলাগে, মোৰ লগতে থাকি যোৱা—মই যি কৰিব লাগে পিছে পৰে গৈ কৰিম।

কয়া কেতকী ফুল যে কণ্টা তিনি ধাৰ।
কাঞ্চুলি চিণ্ডিলৰে চিণ্ডিল গলেৰ হাৰ॥
এহি কথা তুমি যে বাপেৰ আগে কহা।
কহিতে নাপাৰা যদি মোৰ আগে ৰহা॥

ইমানকৈ শিকাই-বুজাই দিয়া সত্বেও নোবাবিবা নে? এনেবোৰ ৰহস্যপূৰ্ণ লুকাচুৰি খেলাত দেখোন তিৰোতাহে বেছি চৰা বুলি লোকে কয়।

পুৰুষত কৰিয়া তিৰীৰ বৰ বোধ।
দুগ্ধক যে পানী কৰে পানীক দুগ্ধ॥

গতিকে তুমিও তিৰোতাৰ চলাহী বুদ্ধি খটাই ভাভিব পাৰিবা যোৱা।'

ইফালে টুটকীয়া নাৰদে আছিল এই সকলোবোৰ কথাৰ গম-গতি লক্ষ্য কৰি। তেওঁ গৈ মামীয়েক গঙ্গাদেৱীৰ আগত মোমায়েক মহাদেৱৰ এই গোপন-বিহাৰৰ কথা লগালে—

হেমন্তৰ জীউ দুৰ্গা গৈল ফুলবাৰী।
তাৰ সঙ্গে মোমাই যে খেলাৱে ধেমালি॥

নাৰদৰ কথা শুনি গঙ্গাদেৱীয়ে ভাবিলে—কথাটো হবও পাৰে, কাৰণ মই বয়সত বৃদ্ধা হৈ আহিলোঁ—গোঁসাইৰ মন তুষিব নোৱাৰা হলোঁ। কিন্তু সেই বুলিয়ে তেওঁ মোক এনেকৈ মনস্তাপ দিয়া উচিত হব নে?—তেওঁ ধৰিলে কান্দিবলৈ—

বয়সত লম্বিত ৰতিত ভৈলো হিনী।
বৃদ্ধ কালে দিলে গোঁসাই দাৰুণ সতিনী॥
এহি বুলি গঙ্গামায়ে কৰন্ত ক্ৰন্দন।
শুনি লৰ পাৰি আইলা জাহ্নুৰ ননন্দ॥

মাকৰ কান্দোন শুনি তেওঁৰ দুই পুত্ৰ লৰি আহিল। গঙ্গা-দেৱীয়ে তেতিয়া পুতেকহঁতত আদেশ দিলে—'বোপাইঁত, তহঁতে ফুলনিলৈ গৈ তাৰপৰা এইমাত্ৰ ফুল তুলি লৈ যোৱা গাভৰু ছোৱালী এজনীক লগ ধৰি তাই গঙ্গা পাৰ হওঁতে যিপ্ৰকাৰে পাৰা বধ কৰিবাহঁক। ই তোমালোক দুয়োৰে প্ৰতি মোৰ আদেশ। মই তোমালোকৰ সহায় হম।'

মাতৃৰ আদেশ শিৰোধাৰ্য্য কৰি ল'ৰাহঁত ওলাই গ'ল। তেওঁলোকে গঙ্গাত মায়া নৌকা লৈ গাভৰুৰ কাৰণে বাট চাই থাকিল। গঙ্গাত সেইদিনা পৰ্ব্বত আকাৰৰ ঢৌ উঠিল। ফুলনিলৈ যোৱাৰ সময়ত আগদিনাখন মাত্ৰ দুৰ্গাই গঙ্গা নৈত 'আঠুমান' পানী পাই গৈছিল—

যাইবাৰ বেলা গৈলোঁ আঠুমান পানী।
বিনা বৰিষণে পানী লীলাক নাজানি॥

বৰষুণ-বাদল নোহোৱাকৈ নদীত ইমান পানী হোৱা দেখি আৰু তাতে তেওঁক পাৰ কৰিবলৈ নৌকা সাজু হৈ থকা পাই দুৰ্গাদেৱীয়ে তাৰ ভিতৰত কাৰবাৰ কিবা অভিসন্ধি আছে বুলি গম নোপোৱাকৈ নাথাকিল। নিজৰ কৃত কাৰ্য্যৰ অপৰাধলৈ ভাবি মনত অলপ সংশয়ো উপজিল। অলপ তং কৰি বুজিলে যে ই গঙ্গাদেৱীৰে মায়া হব—

দুৰ্গাদেৱী জানিলন্ত গঙ্গাদেৱীৰ মায়া।
হেৰা আইসে দুই ভাই মায়া নৌকা লৈয়া॥
আমি পাপ কৰিলো চিত্তত ভৈলা ফুল।
সে কাৰণে নদীখান ভৈলা হুলস্থূল॥

নৌকাত মুঠাকৈ নৈ পাৰ হোৱাৰ উপায় নাই। গতিকে তেওঁ অগত্যা নৌকাত উঠিল। নাও গৈ নৈৰ সোঁমাজ পোৱাত চোৰ কোৰত নাৱত জোলোকা-জোলোকে পানী সোমাবলৈ ধৰিলে। নাও বুৰিবলৈ ধৰিলত দুয়ো নাৱৰীয়াই নৈত জাপ দি পৰিল আৰু সাঁতুৰি পাৰ ললেগৈ। দুৰ্গাদেৱীয়ে তেতিয়া সকলো কথা স্পষ্টকৈ বুজি পালে আৰু নিজেও দশভূজা ৰূপ ধৰি পাঁচখন হাতেৰে নাৱৰ পানী সিঁচি থাকি বাকী পাঁচখন হাতেৰে নাও বাবলৈ ধৰিলে।

পাঞ্চ হাতে বাহে নাও পাঞ্চে সিঞ্চে পানী।
আপুনি কাণ্ডাৰী ভৈলা হেমন্ত নন্দিনী॥
বায়ুবেগে দেৱীয়ে নদীৰ ভৈলা পাৰ।
আঙুলি দেখায় পুতা—মোচাৰিয়া ঘাৰ॥

দুৰ্গাই এইদৰে নদী পাৰ হৈ চুলি জোকাৰি খোপা বান্ধিলে আৰু লবাহঁত আঙুলি দেখুৱাই উপ্‌লুঙা কৰি ঘৰলৈ খোজ ললে।

ঘৰ পোৱাত দুৰ্গাৰ বেশ দেখি তেওঁক সকলোৱে সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। দুৰ্গাই নিজক বচাবলৈ নানান কথা কলে। তেতিয়া তেওঁৰ নিষ্কলুষতাৰ প্ৰমাণ চাবলৈ নানাপ্ৰকাৰ পৰীক্ষাৰ উদ্ভাবন কৰা হ'ল। দুই মূৰে পুতি থোৱা দুটা খুটাত এৱা সূতাৰ সাঁকো বান্ধি দি তাৰ তলত চোকা খুৰ আদি অস্ত্ৰ-শস্ত্ৰ ৰাখি তাৰ ওপৰেদি তেওঁক পাৰ হৈ যাবলৈ দিয়া হ'ল। তাৰ পিছত সেন্দুৰৰ সৰু আলি এটাৰে আলিৰ সেন্দুৰ অকণো নেপেলোৱাকৈ তেওঁ খোজ কাটি যাব লগীয়াত পৰিল। সৰু ঘৰ এটাত সূতা কাটি বহি থাকিবলৈ দি তাত জুই লগাই দিয়া হ'ল—পোৰে নে নোপোৰে

চাবৰ কাৰণে। এইদৰে তুলা পৰীক্ষা, অগ্নি পৰীক্ষা আদি বহুত পৰীক্ষা লোৱা হ'ল, কিন্তু আচৰিত কথা—সেই সকলোবোৰতে দুৰ্গা হেলাৰঙে পাৰ হ'ল।

ইফালে ঘৰলৈ গৈ শিৱ গোঁসায়ে পত্নী গঙ্গাদেৱীক নানাপ্ৰকাৰে বৰাই-বুজাই সৈমান কৰি দুৰ্গাক তেওঁ বিয়া কৰাব খোজা প্ৰস্তাৱত মান্তি কৰিলে। যথা সময়ত দেশৰ দস্তুৰ মতে আগতে খোজাবঢা কৰাৰ পিছত ঋষি হেমৱন্তৰ ঘৰলৈ জোৰণৰ যাৱতীয় বস্তুবোৰ পঠিওৱা হ'ল। ভাৰীসকলৰ লগত এইবাৰ তেলৰ ভাৰৰ মেনা বা ভাল মানুহ হিচাপে নাৰদ মুনি নিজে উপযাচি যাবলৈ ওলাল।

পিছে যাব যি পৰ্কিতি সি কেনেকৈ যাব ?—বাটত যাওঁতে নাৰদে কলহৰ লাড়ু মিঠৈবোৰ খাই তাত ইটা-মাটি ভৰালে, কলবোৰ খাই থোঁকত বাকলিবোৰ থলে ; এনে ধৰণৰ আৰু কত ওলট-পালট। এইদৰে জোৰণৰ সম্ভাৰ গৈ পোৱাত—

দধিৰ ভাৰ ঋষিআনী চাইল হাত দিয়া।
দধি নাই কলহ আছে কাদায়ে ভৰিযা॥
গুৱাৰ ভাৰত ঋষিআনী চাই হাত দিয়া।
চোবাই-পিকেঁ ভৰি আছে সফুৰা ভৰিয়া॥
লাৰুৰ ভাৰত ঋষিআনী দিলা হাত।
হাণ্ডি ভৰি আছে সবে ইটামাটি তাত॥

এইবোৰ হোৱা সত্বেও নানা বেমেজালিৰ মাজেদি জোৰণৰ পৰ্ব্বটো কোনো মতে শেষ হ'ল। তাৰ পিছত আহিল বিয়া। বিয়াৰ দিনা দৰাৰ বাবে সাজন-কাচন কৰি শিৱে বৃষভ বাহনত দৰা-যাত্ৰা কৰিলে কেনেকৈ ?—

বিপৰীত জঁটা ভাৰ সৰ্পে কৰে ঝাতিঙ্কাৰ
ভস্ময়ে ভূষিত কৰি মনে।
বাঘৰ চৰ্ম্মক আনি কটিত বান্ধিলা টানি
সাজে গোঁসাই বিবাহক মনে॥

দৰা-গৈ বিয়া-ঘৰ পোৱাত আয়তীসকলে দৰাক আগবঢ়াবলৈ আহি ভস্মধূলাৰে লুতুৰিপুতুৰি হৈ থকা দৰাৰ ডিঙিয়ে-মূৰে ওলমি থকা সাপবোৰ দেখি ভয়ত ৰাম-বিষ্ণু স্মৰি পিচুৱাই গ'ল। ঋষিৰ পত্নীয়েও জোঁৱাইক আদৰিবলৈ গৈ—

দুৰ্ব্বাক্ষত লৈয়া হাতে দিতে চাহে জমাইৰ মাথে
আছে জমাই বৃষভ উপৰ।
মাথাত ঘোণ্ডত দিয়া শৰীৰ উদাস হৈয়া
হুয়া গোঁসাই ধূলায়ে ধূসৰ॥
আচোক ৰৰিব ৰৱ দেখি ভৈল ভয়ঙ্কৰ
নগৈলন্ত জমাইৰ ওচৰ॥
আই পলায় ভিতাভিতি পেলায়া চালনী বাতি
ঋষিয়ানী গৈল অভ্যন্তৰ॥

ঋষিয়ানীয়ে অন্তঃপুৰলৈ গৈ ঋষি হেমৱন্তক কলে যে তেনে নওঠা বৰত কইনা দিয়াতকৈ কইনাক হাতে-ভৰিয়ে বান্ধি পানীত পেলাই দিয়াই ভাল হব—

আখি খাইলি ঋষি যে কোথাই পাইলি বৰ।
লাওটে আছই জমাই বৃষভৰ উপৰ॥
হাতে ভৰি বান্ধি ঝিউক পেলাইবোহো জলে।
লাওটা জমাইক নেদিবোহো একো কালে॥

* * * *

শিৱ নহে টিৱ নহে যাউক বাহুৰিয়া।
লাজ নাহি ঋষি তুমি চাহা বাহিৰ হুয়া॥
লাওটে আছয় জমাই শিঙা-ডমৰু বায়া।
আয়তী-বৰতী পলায় লাওটা দেখিয়া॥
শিৱ নহে টিৱ নহে কোথাইৰ হুতাশন।
নেদিবো গৌৰীক বিহা গুচায়ো বাজন॥

এনে মন্তব্যবোৰ গৈ শিৱৰ কাণতো পৰিল। ভঙুৱা শিব গোঁসাইৰ গাত তেতিয়াহে চেতনা আহিল। যোগবলেৰে তেওঁ তৎক্ষণাৎ নিজৰ ৰূপ পৰিবৰ্ত্তন কৰিলে আৰু নিৰ্ম্মল ফটিকৰ উজ্জ্বল মূৰ্ত্তি এটাৰ দৰে টলবল চেহেৰা গ্ৰহণ কৰিলে। পাৰ্ব্বতীয়ে এই কথা জানিব পাৰি মাকক কলে—

দুৰ্গা বোলে মাইৰে জঁৱাইক ধৰি আন।
দেখ গিয়া জমাইৰ কমন ৰূপ ঠান॥

ঋষি নিজে ওলাই গ'ল আৰু জোঁৱাই ল'ৰাৰ কামিনী-মোহন ৰূপ দেখি লৰালৰিকৈ উভতি গৈ তেওঁৰ পত্নীৰ আগত কলে—তোমাৰ জোঁৱাই ল'ৰাক এক্ষিয়া চোৱাগৈ। আমাৰ গৌৰী জীয়াৰী যেনে, জোঁৱাই ল'ৰাও ঠিক তেনে যোৰৰ হৈছে—

ঋষি বোলে ঋষিয়ানী আয় গৈল ক'তি।
যেমত জমাইৰে তেমত পাৰ্ব্বতী।

আয়তী-গায়তী, ল'ৰা-বুঢ়া সকলোৰে গৈ এইবাৰ দৰাৰ ৰূপ দেখি অবাক হ'ল। দৰা চাবৰ কাৰণে ঠেলা-হেঁচা লাগিল। তেতিয়া

কামিনী-মোহন বে হৰেৰ ভৈল ৰূপ।
ৰূপ দেখি দেৱগণ সবে ভৈলা চুপ॥
শঙ্কৰৰ ৰূপ ভৈলা কামিনী-মোহন।
শত চন্দ্ৰ সম জ্বলে হৰেৰ বদন॥

ইফালে দুৰ্গায়ে লাহ-বিলাহ কৰি নিজক সজালে আৰু বিবিধ অলঙ্কাৰেৰে বিভূষিতা হ'ল। তেতিয়া দুৰ্গাৰ তেজ যেন ফুটি যাওঁ ফাটি যাওঁ।

দুৰ্গাৰ ৰূপক কেহো চাহন নাযায়।
সম্মুখে চাহিলে দেৱীক নয়ন ফুটি যায়॥

এইদৰে ব্ৰহ্মাৰ পৌৰোহিত্যত বিয়াখন যথাবিধি সমাধা হ'ল। তাৰ পিছত?—

পাটী পাৰিয়া দিলা এ তুলি মহৰি।
তাহাত স্থুতিল দুই দেৱ হৰ-গৌৰী॥
দুহানৰ হৃদয় কৰিয়া এক ঠাই।
বিহাই ৰাত্ৰিৰ দিনা নাই ভিন্ন ভাই॥
বুকে বুকে মুখে মুখে নাহিকে অন্তৰ।
দুহান বাহুতে দুই দিলন্ত শিঅৰ॥

হৰ-গৌৰীৰ বিবাহ খণ্ড এইদৰে সমাপ্ত হৈছে। তাৰ পিছৰ পদ্মাৰ জন্ম খণ্ডও আদিৰসেৰে ভৰপূৰ। বিয়াৰ কিছুদিন পাছত এদিনৰ কাৰণে গঙ্গা-দুৰ্গা দুয়ো পত্নীৰপৰা মেলানি মাগি শিৱ গৈছিল পুষ্পবনলৈ। তেতিয়া ব'হাগ গৈ জেঠ মাহ পৰিছে। ফুলনিত ঘূৰি ফুৰি ভাগৰ লগাত ভাঙৰ নিচাত ভোলানাথ গৈ এটা সৰোবৰৰ দাঁতিৰ গছৰ শীতল ছাঁত বহিল। সেই সময়ত সৰোবৰত নানা তৰহৰ চৰায়ে নাদুৰি-সাঁতুৰি জলকেলি কৰি আছিল। জলচৰ পক্ষীৰ জলক্ৰীড়া দেখি আৰু ভ্ৰমৰৰ মধুৰ গুঞ্জন শুনি ভোলানাথৰ মনত যৌৱনৰ চঞ্চলতা জাগি উঠিল। এনে ৰম্য পৰিবেশত তেওঁৰ মন সঘনে গঙ্গা-দুৰ্গাৰ ওচৰলৈ উৰি যাবলৈ ধৰিলে—'হায়, এহেন সময়ে গঙ্গা-দুৰ্গা নাই কোলে।' তেওঁ তেতিয়া—

হাহা দুৰ্গা হাহা গঙ্গা বোলে ঘনে ঘন।
কামে পীড়িল গোঁসাইক আকুল কৰে মন॥

অকল সিমানেই নহয়, পুষ্কৰিণীৰ স্বচ্ছ জলত হংস-মিথুনৰ কামোদ্দীপক জলক্ৰীড়া দেখি গোঁসাইৰ অতৰ্কিতেই ৰেতঃস্খলন হ'ল। পদ্মৰ পত্ৰত তেওঁ নিজৰ উদগত ৰেতঃ স্থাপন কৰিলত সেই ৰেতঃ পদুমৰ নলাৰে পাতালপুৰী পালেগৈ। পাতালত তাৰপৰা কন্যা এজনী উপজিল। পদ্মৰ নলাৰে গৈ পাতালত উপজিল কাৰণে কন্যাৰ নাম ৰখা হ'ল পদ্মাৱতী বা পদুমাই।

পাতালত পদ্মাৱতী লহপহ কৰে বাঢ়ি আহিল। যৌৱনত ভৰি দিয়াত তেওঁ পাতালপুৰীৰ অৱৰোধ আৰু ভাল নোপোৱাত পৰিল। অষ্টনাগৰ ৰথত উঠি তেওঁ পৃথিবীলৈ আহিল আৰু নানা ঠাই পৰিভ্ৰমণ কৰি হৰৰ পুষ্পবনৰ ভিতৰত থকা সেই বিতোপন সৰোবৰৰ তীৰতেই বাস কৰিবলৈ মনস্থ কৰিলে।

ইফালে ভোলানাথে সাংসাৰিক জীৱনৰ আহুকালৰ পৰা আঁতৰি থাকিবলৈ গঙ্গা-দুৰ্গাৰ পৰা বিদায় লৈ মাজে সময়ে গৈ পুষ্পবনত দিন দিয়েক কটাইছিল। এবাৰ গোঁসাই তেনেকৈ যোৱাত গঙ্গা-দুৰ্গা দুয়ো আলচ কৰি তেওঁৰ মনৰ বল নো কিমান তাৰে পৰীক্ষা চাবলৈ পাঙিলে। সেইমতে যুৱতী দুৰ্গাই এবাৰ কুচুনীৰ বেশত আৰু অন্য এবাৰ গোৱালিনীৰ বেশত গৈ মহাদেৱৰ মন ভুলাই তেওঁৰ লগত সাৰ্থক মদন-ক্ৰীড়া কৰি আহিল। গোঁসায়ে তথাপি দুৰ্গাক দুৰ্গা বুলি চিনি নাপালে।

গোঁসাই বোলে কুচুনী কোথেৰ হস্তে আইল।
কুচুনীক আনি মোক বিধিয়ে মিলাইল॥

* * * *

কুচুনীৰ বোলে সত্য কৰিলা ঈশ্বৰ।
কুচুনী সহিতে ক্ৰীড়া মালঞ্চ ভিতৰ॥

আৰু

দধিৰ পসাৰ লৈল মাথাৰ উপৰ।
গোৱালিনী ৰূপে দেৱী ভৈলা অৱতাৰ॥

* * * *

তোমাৰ কাৰক গোঁসাই যাইতে মুযুৱাই।
গঙ্গা-দুৰ্গা শুনিলে যে আমাকে খণ্ডাই॥ ইত্যাদি

কবি মনকৰৰ মনসা-কাব্যত উপৰোক্ত কাহিনীৰ উল্লেখ মাত্ৰ আছে। বঙ্গীয় কবি জগজ্জীৱনৰ মনসা-মঙ্গল কাব্যত কিন্তু এই

দুয়োটা ঘটনাৰ বিস্তৃত বিৱৰণ দিয়া আছে। বঙ্গীয় কৱিৰ মতে শিৱৰ তেনে গোপন-বিহাৰৰ ফলতে কাৰ্ত্তিক আৰু গণপতিৰ জন্ম; গোৱালিনীৰ পুত্ৰ গণপতি আৰু কুচুনীৰ পুত্ৰ কাৰ্ত্তিক।

হাস্য পৰিহাস্যে শিব পুৱাইল ৰজনী।
প্ৰভাতে বিদায় দেহ বোলে গোৱালিনী॥

* * * *

ফিৰিয়া চলিলা দেৱী আপোনাৰ ঘৰ।
গণেশ জন্মিলা দেৱীৰ গৰ্ভেৰ ভিতৰ॥

আৰু

গোসাঞি বোলে কুচুনী মোৰ বোল ধৰ।
আলিঙ্গন দান দিয়া প্ৰাণ ৰক্ষা কৰ॥
কুচুনী বোলেন প্ৰভু মুঞি নীচ জন।
দেৱেৰ দেৱতাৰ বাক্য লজ্ঘিব কেমন॥
কুচুনীৰ সঙ্গে হৰ বঞ্চিল ৰজনী।
শিৱেৰ স্থানে বিদায় চাহেন কুচুনী॥

* * * *

বিদায় লইয়া দেবী পাইল বাসৰ।
কাৰ্ত্তিকেৰ জন্ম হৈল গৰ্ভৰ ভিতৰ॥ (কবি জগজ্জীবন)

বঙ্গীয় কৱিৰ মতে শিৱৰ এনে পুষ্পবন-বিহাৰ বাৰ বছৰ চলিছিল। সি যি হওক, কৱি মনকৰৰ মনসা-কাব্যত পোৱা যায় যে পুষ্পবনত অকলে বিহৰণ কৰোতে শঙ্কৰে এদিন পদ্মাৱতীক লগ পালে। তেতিয়া পদ্মাৱতীয়ে ভৰ যৌৱনত ভৰি দিছিল। সৰোবৰৰ দাঁতিত ফুলনিৰ মাজত অকলে তেনে এগৰাকী পৰম ৰূপৱতী যুৱতীক লগ পাই জটীয়া শিৱৰ মন চঞ্চল হৈ উঠিল। পদ্মাৱতীয়ে শিৱৰ অভিপ্ৰায় বুজিব পাৰি চতুৰালি কৰি পোনেই নম্ৰভাৱে তেওঁক ‘আতাই’ বুলি সম্বোধন কৰিলে। তেওঁ ভাবিছিল

তেওঁৰ তেনে ব্যৱহাৰে উন্মত্ত শিৱ গোঁসাইক সৈমান কৰিব পাৰিব, কিন্তু সেইটো নহ'ল, তেওঁ বৰং কন্যাৰ ফালে পোনেই চোঁচা লৈ গৈ প্ৰশ্ন কৰিলে—

গোঁসাই বোলে কন্যাৰে কোথাই আগমন।
অধৰৰ মধুপানে ৰাখহ জীৱন॥

বুঢ়া গোঁসাইৰ এনে অকাৰ্য্য দেখি পদ্মাৱতীয়ে আত্মৰক্ষা কৰিবলৈ সষ্টম হ'ল আৰু 'মালকাচে কাচিল অঙ্গৰ পৰিধান।' কামান্ধ গোঁসায়ে যুৱতীৰ কাপোৰৰ আঁচোলত ভালকৈ খামুচি ধৰিলে আৰু দুয়োৰো দবৰা-দবৰি বাগৰা-বাগৰি লাগিল। পদ্মাৱতীৰ লগত বাসুকী নাগ আছিল। যুঁজ দেখি বাসুকীয়ে দেখা দিলে।

বলে ধৰিলেক গোঁসাই অঞ্চলৰ মুঠি।
ধূলায়ে ধূসৰ দুযো ভৈল লুটি-সুতি॥
ভূমিত পৰিযা গোঁসাই ধৰিলন্ত ছলে।
সেহিবেলা উঠিল বাসুকি মহাবলে॥
বাসুকিক দেখি গোঁসাই পায়া গৈল লাজ।
উঠিয়া পলাইল নাভৈলেক আন কাজ॥

গতিকে বাসুকি নথকা হলে সিদিনা কি ঘটনা ঘটিলহেঁতেন বুজা নাযায়। পদ্মাৱতীয়ে তেতিযা উঠি ভোলানাথক পিতা বুলি সম্বোধন কৰি আতুৰভাৱে কান্দিবলৈ ধৰিলে। তাতে ভোলানাথে কলে—

তুমি যদি হোৱা মোৰ ধৰ্ম্মৰ ঝিযাৰী।
আইস দেখো পুতা তুমি নিজ ৰূপ ধৰি॥

তাতে

বাপৰ মুখৰ দেৱী শুনিয়া বচন।
ভয়ঙ্কৰ ৰূপক ধৰিলা তেতিক্ষণ॥

ব্যাল্লিশ সৰ্পক দেৱী হুঙ্কাৰিলা মনে।
অঙ্গ আভৰণ সৰ্প ভৈলা তেতিক্ষণে॥ ইত্যাদি

নাগমাতা বিষহৰীৰ সৰ্পাধিষ্ঠাত্ৰী ৰূপ দৰ্শন কৰি শিৱৰ তেতিয়া মনৰ ভ্ৰান্তি দূৰ হ'ল। বাসুকি নাগৰপৰাও সকলো কথাৰ সম্ভেদ লৈ জীয়েকক প্ৰবোধ দি তেওঁ কলে যে বিধিৰ বিড়ম্বনাতহে তেনে দুৰ্ঘটনা ঘটিল, গতিকে তাৰ বাবে অনুশোচনা কৰি লাভ নাই।

নকৰ বিষাদ মাই চাডা অভিমান।
তোমাক আমাক বিধি কৈল বিডম্বন॥

ইয়াৰ পাছত পদ্মাৱতীয়ে পিতৃ-গৃহলৈ গৈ কাৰ্ত্তিক-গণপতি দুই ককায়েকক চাই আহিবলৈ অভিলাষ কৰিলে। মহাদেৱৰ আদেশত তেতিয়া পদ্মাৱতীয়ে মক্ষিকা ৰূপ ধৰি এটি ফুলৰ ভিতৰত সোমাই ফুলৰ কৰণিত পিতৃগৃহলৈ গ'ল।

আন দিনা ফুল নি ভোলানাথে ফুলৰ কৰণি গঙ্গা-দুৰ্গাৰ হাতত দিয়ে। সেইদিনা তেওঁ কৰণিটো আলফুলকৈ আটলত তুলি থলেগৈ। তাতে গঙ্গা-দুৰ্গাৰ সন্দেহ উপজিল। দুয়ো আলচ কৰি গোঁসাই বাহিৰলৈ যোৱাত কৰণিৰ ৰহস্য উদ্ঘাটন কৰিবলৈ ওলাল। কৰণিলৈ হাত মেলাত 'উৰ্দ্ধক লাগিয়া কৰণ্ডী উঠি যায়।' নানা প্ৰবন্ধে কৰণিটো নমাই আনি নিৰীক্ষণ কৰাত তেওঁলোকে নিচেই অকণমাণি কন্যা পদ্মাৱতীক তাত দেখিবলৈ পালে। দুৰ্গাই তেওঁক ধৰি লৈ ভালকৈ এক চাট শোধালে আৰু দুয়োবো জোটা-পোটা লগাত দুৰ্গাই হাতৰ কঙ্কনেৰে পদ্মাৱতীৰ চকু এটা কণা কৰিলে। খঙৰ কোবত পদ্মাৱতীয়ে তেতিয়া সৰ্পৰূপ ধাৰণ কৰি দুৰ্গাক দংশন কৰিলে আৰু তেনেকৈ তেওঁক অচেতন কৰি পেলাই থৈ বাৰীৰ ভিতৰত থকা শিজু গছ এজোপাত উঠি থাকিল। উভতি আহি শিৱে ঘৰত সকলো কথা জানিব পাৰিলে আৰু বহুত কষ্টেৰে দুৰ্গা-পদ্মাৰ মাজত মিত্ৰতা স্থাপন কৰিলে। মনকৰী মনসা-কাব্যৰ কাহিনী ইমানতে অন্ত হৈছে।

মনকৰৰ মনসা-কাব্যৰ খ’তে পৰিসমাপ্তি তাতেই দুৰ্গাবৰৰ মনসা-কাব্যৰ আৰম্ভণি বুলিব পাৰি। কাৰণ উপৰোক্ত ঘটনাৰ অন্তত দেৱী পদ্মাৱতীয়ে পৃথিৱীত পূজা খাবলৈ প্ৰস্থান কৰে। তাতে তেওঁৰ বণিক চন্দ্ৰধৰৰ লগত বিৰোধ আৰম্ভ হয় আৰু তাৰে ফলত হোৱা বেউলা-লখিন্দাৰৰ করুণ কাহিনীয়ে দুৰ্গাবৰী মনসা-কাব্যৰ বিষয়-বস্তু।

দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱ দুয়ো বেউলা-লখিন্দাৰৰ কাহিনীটো নিজ নিজ মনসা-কাব্যত বৰ্ণনা কৰিছে। দুৰ্গাবৰী কাব্যত ঘটনা তেনেই চমু আৰু তাত চান্দোৰ জন্মৰহস্য, উষা-অনিৰুদ্ধৰ বিবাহ, জালো-মালোৰ উপাখ্যান আদি উপ-কাহিনীবোৰ নাই। লখিন্দাৰৰ জন্মৰপৰা মৃত্যু আৰু পুনৰ্জীৱন লাভলৈকে ঘটনাটোৰ থূলমূল কাহিনীটো মাত্ৰ তাত আছে। বৰ্ণনাতো আদিৰসতকৈ করুণ ৰসহে স্পষ্ট হৈছে আৰু কোনো ঠাইতে ঘটনাই ঠাল-ঠেঙুলি মেলিব পৰা নাই। আন হাতে এই কাহিনী-বোৰে জুমুৰি দি ধৰাত সুকবি নাৰাযণদেৱৰ মনসা-কাব্য যথাৰ্থতে এখন পূৰ্ণাঙ্গ পুৰাণত পৰিণতি লভিছে। সেই হেতুকেই সুকৱি নাৰায়ণদেৱৰ মনসা-কাব্যখনক সাধাৰণতে ‘পদ্মাপুৰাণ’ নামত জনা যায়। ইয়াত হাস্য-করুণ আৰু আদিৰসে যথাস্থানত মুক্তভাৱে খেলা কৰিছে। সেয়েহে ই গঞা সমাজৰ অতি আপোন আৰু অতি আদৰৰ পুথি। ইয়াৰ সাধাৰণ নাম সুকনান্নী। সুকৱি-নাৰায়ণী শব্দৰেই চমু ৰূপ সুকনান্নী।

সুকনান্নীত হৰ-পাৰ্ব্বতীৰ বিয়া

শৈৱ-শাক্তৰ বিবাদ আৰু মিলনৰ কাহিনীয়ে মনসা-কাব্যৰ মূল বস্তু। বণিকপ্ৰবৰ চন্দ্ৰধৰ বা চান্দো সদাগৰ আৰু মনসাদেৱীৰ মাজত এই বিৰোধ আৰম্ভ হৈছিল। শিৱভক্ত চান্দো সদাগৰে শিৱত বিনে আন কাকো পূজা নিদিযে, ইফালে শাক্তসকলৰ পৰম আৰাধ্যা দেৱী পদ্মাৱতীয়েও চান্দোসদাগৰৰ হাতে পূজা খাইহে এৰিব—এয়ে হ'ল কন্দলৰ মূলসূত্ৰ। অসমীয়া সমাজত জনাজাত বেউলা-লখিন্দাৰৰ কাহিনীয়ে এই বিবাদ স্পষ্ট কৰি তুলিছে। চান্দো-পুত্ৰ লখিন্দাৰক বিয়াৰ নিশাতেই পদ্মাৱতীৰ নাগে দংশন কৰে। সতী বেউলাই পতি লখিন্দাৰক ভূৰত তুলি নদীৰে উজাই গৈ দেৱৰ পুৰীত জীযাই আনে আৰু পদ্মাৱতীৰ অনুগ্ৰহতে লখিন্দাৰে পুনৰ্জীৱন লাভ কৰে। পুত্ৰ লখিন্দাৰক জীয়াই অনাৰ পিছত বোৱাৰী বেউলাৰ অনুৰোধত চন্দ্ৰধৰে শক্তিদেৱী পদ্মাৱতীৰ মাহাত্ম্য স্বীকাৰ কৰি বাওঁ হাতেৰে তেওঁক পূজা দিয়ে। ইয়াতেই শৈৱ-শাক্তৰ বিবাদৰ ওৰ পৰে। মনসা-কাব্যৰো মূল কাহিনী ইমানেই।

আগতে উল্লেখ কৰা হৈছে যে মনসা-কাব্যৰ অন্য নাম পদ্মা-পুৰাণ। সুকৱি নাৰায়ণদেৱে ভণিছিল কাৰণে তাৰ অন্য নাম সুক্‌নাৰায়ণী বা সুকনান্নী। ই কিন্তু সংস্কৃত পদ্ম-পুৰাণেৰে সৈতে একে বস্তু নহয়। সংস্কৃত পদ্ম-পুৰাণত চান্দো সদাগৰৰ নাম নতুবা বেউলা-লখিন্দাৰৰ কাহিনীৰ নাম-গোন্ধেই নাই। গৌৰীৰ বিবাহ বৰ্ণনা, গৰুড়ৰ জন্ম, দেৱ-দানৱাদিৰ উৎপত্তি, নেতা-পদ্মাৰ জন্মাদি গোটাচেৰেক প্ৰাসঙ্গিক কাহিনীৰ মাত্ৰ তাত উল্লেখ আছে। অসমীয়া পাঁচালী কৱি মনকৰ বা সুকৱি নাৰায়ণদেৱৰ হৰ-পাৰ্ব্বতীৰ

বিয়াৰ বৰ্ণনাও পদ্ম-পুৰাণৰ হৰ-গৌৰীৰ বিয়াৰ লগত নিমিলে। পদ্ম-পুৰাণত বিয়াৰ বিতং বৰ্ণনা নাই, উল্লেখ মাত্ৰ আছে। অসমীয়া হৰ-পাৰ্ব্বতীৰ বিয়া, বিশেষকৈ সুকনান্নীৰ হৰ-পাৰ্ব্বতীৰ বিয়া ইমান আকৰ্ষণীয় যে ওজাপালিয়ে তাক এখন পৃথক পুথি হিচাপেই আওৰাই লয়। ইযাক অসমীযা সমাজৰ ডেকা-বুঢা, শিশু-আদহীয়া, পুৰুষ-স্ত্ৰী নিৰ্ব্বিশেষে সমানে উপভোগ কৰে। কৰ্ম্মি মনকৰৰ হৰ-গৌৰীৰ বিয়াতকৈও সুকনান্নীৰ হৰ-গৌৰীৰ বিয়া অধিকতৰ জনপ্ৰিয়। সেইদেখি ইয়াত সেই সম্পৰ্কে পৃথকে আলচ কৰা হ'ল।

ঘটনাটো এইদৰে আৰম্ভ হৈছে। ঋষিৰাজ হিমালযৰ কন্যা গৌৰীয়ে তেতিয়াও পূৰ্ণ যৌৱন পোৱা নাই। তেওঁ কিন্তু মহাদেৱক পতি পাবৰ কাৰণে কঠোৰ তপস্যা আৰম্ভ কৰিছে—

দিহা—তপ কৰে মহামাযা শিৱ আৰাধনে।
জনম সাফল হৌক শিৱ দৰশনে॥

পদ—হিমালযৰ ঘৰে কন্যা জন্মিছে পাৰ্ব্বতী।
তাক বিহা কৰাইবেক দেৱ পশুপতি॥
তপস্যা কৰিছে দেৱী পুণ্য তপোবনে।
শিৱ পতি হৌক বুলি ভাবে ৰাতি-দিনে॥

গৌৰীৰ তপস্যাত শঙ্কৰ স্থিৰে থাকিব নোৱাৰিলে। তেওঁ পাৰ্ব্বতীক দেখা দিলে আৰু পাৰ্ব্বতীৰ অনিন্দ্যসুন্দৰ ৰূপত মুগ্ধ হৈ কামবিহ্বলভাৱে তেওঁৰ হাতত ধৰিলে।

শিৱৰ তেনে কাৰ্য্যত পাৰ্ব্বতী কিন্তু হতবুদ্ধি নহ'ল। বৰং তুষ্ট ল'ৰাক মাকে উপদেশ দি শান্ত কৰাৰ দৰে শান্ত কৰিবলৈহে যত্ন কৰিলে। তেওঁ কলে—

হিমালয়-নন্দিনী আমি অকুমাৰী কন্যা।
তোমাৰ দৰ্শনে আজি হইলোহো ধন্যা॥

অকুমাৰী লজ্যিলে পুৰুষ হুতচিৰী।
আপুনি সকলো জানা তত্ত্বক বিচাৰি॥
তুমি দেৱ জগৎপতি দেৱৰ ঈশ্বৰ।
জানিশুনি কৰা কেনে এনে অবিচাৰ॥
ক্ষুধা ভৈলে কেবা কৰে দুহাতে ভোজন।
মৃতকৰ পিণ্ড লোভে খায কোন জন॥
আপুনি ঈশ্বৰ তুমি পৰম সুজ্ঞানী।
কি কাৰণে বুদ্ধিহীন হোৱা শূলপাণি॥
আমাক বিহাইতে যদি তোমাৰ ভৈল চিত।
পিতাত কহিযা বিহা কৰিতে উচিত॥

ভবানীৰ এনেবোৰ উপদেশত শিৱ শান্ত নহৈ নোৱাৰিলে। তেওঁ তেতিয়া খোজা-বঢা কৰি লোকাচাৰ মতে পাৰ্ব্বতীক বিয়া কৰিবলৈ স্থিৰ কৰিলে। ঘূৰি অহাৰ আগতে তেওঁ দুৰ্গাক পুনৰ কলে—'তুমি যদি কপটালি কৰি মোৰ লগত পিছত বিয়া নোহোৱা তেন্তে কিন্তু তোমাৰ গাত মোৰ শাওপাত লাগিব—আৰু কোনো পুৰুষে তোমাক বিযা নকৰিব।' চণ্ডীকাই শিৱৰ কথাত মিচিকিয়াই হাঁহিলে।

প্ৰবোধ পাইয়া শিৱে চণ্ডীৰ বচনে।
বিদায় মাগিলো চণ্ডী যাওঁ নিজ স্থানে॥
যদি কপটে ভাণ্ডি যাওঁতো আমাৰে।
ইজন্মে পুৰুষে বিহা নকৰিব তোৰে॥
হাসিযা চণ্ডীকা দেৱী হইল অন্তৰ।
মদনে পীডিত হৈয়া ৰহিলা শঙ্কৰ॥

জোৰণ বা তেলৰ ভাৰ দিয়াৰে পৰা শিৱ-দুৰ্গাৰ বিয়াখন এখন জাতে-পাতে অসমীয়া বিযা। ভীম-চৰিতৰ মহাবলী ভীমেই শিৱৰ বিয়াতো জোৰণৰ ভাৰ নিয়া ভাৰী। ভীমৰ লগত ভাল মানুহ,

মেলেকী বা মেনা হৈ যায় মহামুনি নাৰদ। ভীম-চৰিতৰ ভীমেও কাৰ্ত্তিক গণপতিৰ লগত বৰ গৰথীয়া হৈ মহাদেৱৰ ঘৰত গৰু চাৰিছিল। জনপ্ৰিয় লোক-কাহিনীত এনেকুৱা কাল-বিভ্ৰাটকো বিভ্ৰাট যেন নালাগে।

উল্লেখযোগ্য কথা এই যে মনকৰৰ কাব্যত ভীমৰ উল্লেখ নাই। তাত নাৰদ মুনিয়ে অসংখ্য ভাৰীৰ কান্ধত ভাৰ দি জোৰণৰ সামগ্ৰী নিছে। বঙালী কবি জগজ্জীবন বিৰচিত মনসামঙ্গল কাব্যত এই বিয়াখন অন্য প্ৰকাৰেহে সম্পাদিত হৈছে। তাত শিৱইহে নাৰদ মুনিৰ উপদেশ মতে গৌৰীক পত্নী পাবৰ কাৰণে বিন্ধ্যা পৰ্ব্বতৰ ওচৰত সুন্দৰ পুষ্পোদ্যান (পুষ্পমালঞ্চ) নিৰ্ম্মাণ কৰি লৈ 'কামিনী-অভাবে কাতৰপ্ৰাণ' হৈ আছিল। দেৱতাসকলৰ অনুৰোধত তেতিয়া হেমন্ত ঋষিৰ কিশোৰী কন্যা গৌৰীয়ে নিজে সেই উদ্যানৰ মালিনী হবলৈ গাত লয়। অশোক ফুলৰ তলত সেই সময়তে শিৱ-দুৰ্গাৰ মিলন হয় আৰু শিৱৰ আহ্বানত জয়া-বিজয়া প্ৰমুখ্যে পঞ্চ সখীয়ে শিৱ-দুৰ্গাৰ গান্ধৰ্ব্ব-বিবাহ সম্পন্ন কৰে। তাৰ পিছত শিৱৰপৰা বিদায় লৈ পাৰ্ব্বতী পিতৃ-গৃহলৈ উভতি যায়।

পিতৃ হেমন্ত মুনিয়ে কন্যাক কলঙ্কিতা অনুমান কৰি আন আন ঋষিসকলৰ পৰামৰ্শমতে তুলা পৰীক্ষা, অগ্নি পৰীক্ষা আদি অষ্ট পৰীক্ষাৰ আয়োজন কৰিলে। গৌৰী সেই সকলোবোৰ পৰীক্ষাতে উত্তীৰ্ণ হ'ল। ঋষিসকল তাত তুষ্ট নহ'ল। খঙত জ্বলিপকি হেমন্ত ঋষিয়ে গৌৰীক পিছদিনা ৰাতিপুৱা ভিক্ষাৰীত বিয়া দিবলৈ সকলোৰে আগত প্ৰতিজ্ঞা কৰিলে।

ৰাতি পুৱালত শিৱই ভিখাৰীৰ বেশত হেমন্ত ঋষিৰ ঘৰত উপস্থিত হৈ কলে যে কুমাৰী কন্যাৰ হাতেহে তেওঁ ভিক্ষা গ্ৰহণ কৰিব। মাকৰ আদেশত গৌৰীয়ে তেতিয়া ওলাই আহি দুই হাত তুলি ভিখাৰীক ভিক্ষা দিব খোজোতে ছেগ চাই শিৱই তেওঁৰ স্তনাগ্ৰ স্পৰ্শ কৰে। তাতে ক্ৰুদ্ধ হৈ হেমন্ত ঋষিয়ে ভিখাৰী

শিৱক দুপৰীয়ালৈ কাঠৰ ঘৰ এটাত বন্দী কৰি থৈ সৰোবৰত ইষ্ট দেৱতাৰ পূজা কৰি আহে। দুপৰীয়া হঠাৎ বন্দী ভিখাৰীজনৰ কথা মনত পৰাত তেওঁ ঘৰটোত ভুমুকিয়াই চাই দেখে যে তেওঁ সৰোবৰত যিবোৰ ফুল শিৱৰ উদ্দেশ্যে অৰ্পণ কৰিছিল—সেই সকলোবোৰ ভিখাৰীৰ চৰণ-প্ৰান্তত জমা হৈ আছে। ঋষিয়ে তেতিয়া কপট ভিখাৰী শিৱক চিনিব পাৰি প্ৰাৰ্থনা জনোৱাত শিৱ তেওঁৰ জীয়াৰী উমাৰ পাণিপ্ৰাৰ্থী হয়। ঋষিয়ে কন্যাদান কৰিবলৈ স্বীকাৰ কৰাত শঙ্কৰ কৈলাসলৈ উভতিল। ইয়াৰ পাছৰ বিয়া-সাজন আৰু বিয়াৰ বৰ্ণনা বঙলা আৰু অসমীয়া কাব্যত প্ৰায় একে ধৰণে পোৱা যায়। অৱশ্যে জোৰণ বা তেনেৰ ভাৰৰ বৰ্ণনা বঙলা কাব্যত নাই, অসমীয়া কৱি মনকৰ আৰু সুকৱি নাৰায়ণদেৱৰ কাব্যতহে আছে।

জোৰণত হেমৱন্তৰ ঘৰলৈ মহাদেৱে কি কি বস্তু পঠাইছিল তাৰো সকস্থৰা হিচাপ এটা নাৰায়ণদেৱে দিছে—

ব্ৰহ্মাৰ বচনে হৰষিত মহেশ্বৰ।
অধিবাসৰ দ্ৰব্য দিলা হেমালয়ৰ ঘৰ॥
লাৰু, কল, সান্দহ যে দধি, গুৰ, চেনি।
গুৱাপাণ নাৰিকল ভাৰ বান্ধি আনি॥
অসংখ্যাত দ্ৰব্যৰ ভাৰ এক ঠাই কৰিয়া।
পঠাইলা সঙ্গে ভীম নাৰদক দিয়া॥
সবাৰে আগত যায় নাৰদ মুনি বৰ।
ভীমে লৈলা কান্ধে ভাৰ মণ্ডা মনোহৰ॥
সান্দহ দেখিয়া ভীমৰ লটৰ-পটৰ মন।
মহাৰঙ্গে ভাৰখান নমাইলা তেখন॥

ভীমে ভাৰখন নমাই থৈ নাৰদৰ লগত আলচ কৰিলে আৰু দুয়ো পেটৰ ভোকত ভাৰৰ বস্তু পাৰেমানে খালে। পকা পকা

কলবোৰ খাই থোকত বাকলিবোৰ এৰিলে, সান্দহবোৰ খাই তাৰ ঠাইত তুঁহ ভৰালে, গুৰ খাই ইটা-মাটি ভৰালে, চেনি খাই নদীৰ বালি থলে, ডাব-নাৰিকলৰ পানীবোৰ খাই তাত চক্ৰান্ত কৰি চেঁচা পানী ভৰালে আৰু দৈ-গাখীৰৰ মখাবোৰ খাই কলহৰ তলিত বোকা আৰু পানী ভৰাই থলে। এনেকৈ এইবোৰ নি ঋষি হেমৱন্তৰ ঘৰত দিয়া হ'ল। ঋষিসকলে জোৰণৰ বস্তুবোৰ ভাগ কৰি ঘৰাঘৰি লৈ গৈ যেতিয়া খাবলৈ চায় তেতিয়া লঘু হৈ হেমৱন্ত আৰু মহাদেৱ দুয়োকো গালি-শপনি পাৰিবলৈ ধৰিলে। তেনে অপমান সহ্য কৰি থাকিব নোৱাৰি, জনচেৰেকে আহি হেমৱন্তৰ ভাৱী জোঁৱায়েক শিৱক নানা প্ৰকাৰে নিন্দা কৰি কলে, 'তোমাৰ জোঁৱাই ভাং-ধতুৰা খাই পগলা হৈ ফুৰে ফুৰক, কিন্তু আমাক এনেকৈ অপমান কৰিব আৰু আমাৰ জাতি-কুল মাৰিব কিয়?'

ভাং ধতুৰা খায় তাৰ কুল নাই জানি।
সান্দহ বুলি তুস দেই, দধি বুলি পানী॥
নাৰিকল গোট দেই তাতো নাহি শাস।
উচ্ছিষ্ট দ্ৰব্য দিয়া জাতি কৈলা নাশ॥

ঋষিসকলৰ ক্ৰোধ দেখি হেমৱন্তই গলবস্ত্ৰ হৈ ক্ষমা ভিক্ষা কৰিলে। তেওঁৰ তেনে বিনযাবনত অৱস্থা দেখি সকলোৱে একমুখে কলে— 'তুমি বিয়া এখন পাতিছা—আমি শুভ কাৰ্য্যত বিধি-পথালি নিদিওঁ বাৰু, আমি হলে কিন্তু—"সৰ্ব্বকৰ্ম্ম কৰিবো নাখাইব অন্নজল।" সকামত জ্ঞাতি-কুটুম্বে নোখোৱাতকৈ ডাঙৰ দণ্ড নাই। তাকে দেখি হেমৱন্তই কাতৰভাৱে তেওঁলোকৰ ওচৰত পৰামৰ্শ বিচাৰিলে। ঋষিসকলে জানে যে গঙ্গাৰ স্পৰ্শত সকলো শুচি হয়। সেইবাবে তেওঁলোকে আলচ কৰি কলে—যে স্বয়ং গঙ্গা দেৱীয়ে আহি যদি ৰন্ধা-বঢা কৰে তেনেহলে তেওঁলোক সকলোৱে বিয়াত খাব পাৰিব। তেতিয়া ব্ৰহ্মাৰ উপদেশমতে শিৱে গঙ্গাক শান্তনুৰ ঘৰৰপৰা

আনি বিযাৰ ৰান্ধনী পাতে আৰু ঋষিসকলে তাত খায়। এইদৰে বিয়াখন সম্পন্ন হয়। আগতে উল্লেখ কৰা হৈছে যে কবি মনকৰৰ বৰ্ণনাতো কিন্তু ভীমৰ কোনো উল্লেখ নাই, তাত নাৰদেহে জোৰণৰ বস্তুবোৰ বাটত খাই বিয়া-ঘৰত ঘমঘণ্টখন লগাইছিল। গঙ্গাক ৰান্ধনী হিচাবে অনাৰ কথাও তাত নাই। শিৱ-পত্নী গঙ্গা আৰু শান্তনুৰ কমণ্ডলুত থকা গঙ্গাও একে হব নোৱাৰে।

সুকবি নাৰায়ণদেৱৰ কাৱ্যত বিয়াৰ কাৰণে মহাদেৱৰ সাজন-কাচন আৰু বিয়া চাবলৈ অহা দেৱতাসকলৰ উলহ-মালহৰ বৰ্ণনা যেনে চমৎকাৰ নাৰদৰ টাং-টিঙালিবোৰো তেনে আমোদজনক। নিজ নিজ বাহন লৈ দেৱতাসকল বিযাৰ ঠাইলৈ আহিল: হংস বাহনত ব্ৰহ্মা, ঐৰাৱতত ইন্দ্ৰ, মহিষত ৰবি-নন্দন যমৰাজ, ছাগত অগ্নি, হৰিণত পৱন, গৰুড়ত নাৰায়ণ ইত্যাদি। নাৰদ ওলাল ঢেঁকী এটাত উঠি। ঢেঁকীটোৰ দুয়ো কাণে দুখন কুলা আৰু মূৰত শামুকৰ ঘুগুৰা বান্ধি থোৱা আছে। মুখত ৰচীৰে, সৰু ল'ৰাই কল-ঠকুৱাৰ ঘোঁৰাত লগোৱাৰ দৰে লেকাম এডালো লগোৱা আছিল—

সাজিলা নাৰদ মুনি ব্ৰহ্মাৰ নন্দন।
ঢেঁকীক আনিযা মুনি কৰিলা সাজন॥
দুই কাষে ঢেঁকীৰ বান্ধিল দুই কুলা।
ঘুগুৰা বুলিয়া বান্ধে শামুকৰ মালা॥
মুখত লাগাম দিলা ইচামৰ জৰী।
পিঠিত বান্ধিলা আনি জিম ধেতুৰী॥

এইদৰে—

চাৰিপাশে দেৱগণ মধ্যে শিৱ যায়।
ক্ষণে হাসে ক্ষণে নাচে ডম্বৰু বজাই॥
সুৰেশ্বৰী গঙ্গাদেৱীক আছে জঁটে ধৰি।
পাঞ্চখন মুখ শিৱৰ শোভে শাৰী শাৰী॥

দুই কৰ্ণে শোভা কৰে সুবৰ্ণ কুণ্ডল।
তিনি নয়নে শিৱৰ জ্বলিছে অনল॥
কণ্ঠে বাসুকী নাগ সহস্ৰ ফণা ধৰি।
দশোদিশ প্ৰকাশ কৰিলা ত্ৰিপুৰাৰি॥

হেমৱন্তৰ ঘৰতো বিয়াৰ উখল-মাখল লাগিছে। আনন্দৰ কোলাহলত কাৰো মাত ক'তো নুশুনি, অলপ কথাতেই হুৰাহুৰি লাগি গণ্ডগোলৰ সৃষ্টি হৈছে। কথাত কথাই হেমৱন্ত আৰু মেনকাৰ মাজত কাজিয়া লাগি গা চোৱা-চুৱিযে হ'ল। নাৰদে তাকে দেখি হাতত টিলিকি মাৰি ৰং চালে।

এত শুনি মেনকা ঋষিক বোলে মন্দ।
দুই এক কথাকে বাঢ়িয়া গেল দন্দ॥
হিমালযে মেনকায়ে কৰে মাৰামাৰি।
দেখিয়া নাৰদ মুনি দিলে টিকি পাৰি॥
দুই নখে নাৰদ মুনি টোকাৰী বজায়।
দুই জনে দন্দ কৰে মুনি ৰঙ্গ চায॥
নাৰদে বোলে কেনে কৰা মাৰামাৰি।
আসিল ব্ৰহ্মাণ্ড পতি বৰ পাইল গৌৰী॥

দৰা গৈ হেমৱন্তৰ নঙলা পালত দৰা আদৰিবলৈ শাহুৱেক মেনকা আযতীসকলক লৈ আগবাঢ়ি আহিল, কিন্তু ভঙুৱা দৰাৰ অৰ্দ্ধনগ্ন ৰূপ আৰু গাত ওলমি থকা সাপবোৰ দেখি ভয় খাই সকলো পলাবলৈ বাধ্য হ'ল। দৰাক বহিবলৈ পাৰিদিয়া সিংহাসন শিৱে ভৰিৰে লাঠি মাৰি পেলাই দি নিজৰ কঁকালত থকা বাঘৰ ছালখন পাৰি বহিল। এইবোৰ দেখি শাহুৱেক মেনকাই কান্দিবলৈ ধৰিলে—

তাক দেখি মেনকাৰ চকুৰ পৰে পানী।
উন্মত্ত পাগল বুঢ়াত দিলো জীউখানি॥

ক্রোধমনে চলি গৈলা বাৰীৰ ভিতৰে।
জমাইক দেখি মেনকাই লাগে কান্দিবাৰে॥

বিয়া-ঘৰত বহি ভাঙৰ জালত মহাদেৱে মনৰ আনন্দত ডম্বৰু বজাই যেতিয়া নাচিবলৈ ধৰিলে তেতিয়া শাহুৱেক মেনকাই নো কয় কি—

কোন কালে দেখিছা বৰে নাচে শশুৰৰ ঘৰে
উলঙ্গে থাকয় সভামাজে।
আপুনি মঙ্গল গাৱে শিঙা ডম্বৰু বাৱে
তাক দেখি মৰি যাও লাজে॥

তেওঁ গৈ জীয়েক চণ্ডীকাৰ ডিঙিত ধৰি হুৰাওৰাৱে কান্দিবলৈ ধৰিলে। চণ্ডীকাৰ কিবা ইঙ্গিত পায়ে হবলা মহাদেৱে যোগবলেৰে নিজৰ ৰূপ সলাই পেলালে। চাই থাকোঁতেই তেওঁ মদনমোহন ৰূপ ধাৰণ কৰি থুলন্তৰ পুৰুষ এটা হৈ পৰিল। ডিঙিৰ হাড়ৰ মালা মহামূল্য হেমহাৰত পৰিণত হ'ল, বাঘৰ ছালে পট্টবস্ত্রৰ ৰূপ ললে, গাত ওলমি থকা সাপবোৰ তাতেই অন্তৰ্দ্ধান হ'ল। মেনকাই তেতিয়া ৰংমনে দৰা-বৰণ কৰি আদৰি নিলে।

বিযাত দৰা-কইনা বহি থাকোঁতে এটা অদ্ভুত ঘটনা ঘটিল। দুৰ্গাৰ ৰূপ দেখি ত্রিনয়নৰ মনত বিপুল আনন্দ উপজিল। সেই আনন্দৰ প্ৰকাশ স্বৰূপে মহাদেৱৰ কপালত থকা চন্দ্ৰটোৱেও আগতকৈ শতগুণে উজ্জ্বল হৈ বিজুলী বাতিৰ দৰে টলবলাবলৈ ধৰিলে। তাতে দ্বিতীয়াৰ কাঁচি জোনৰ দুয়ো মূৰেদি অমৃত নিগৰিল আৰু সি এটোপ দুটোপকৈ শিৱৰ বহা আসন ব্যাঘ্র-চৰ্ম্মৰ ওপৰত পৰিল। সেই অমৃতৰ গোন্ধ পাই ছালৰপৰাই তিনিটা গোজৰণি মাৰি বাঘ জী উঠিল। ভয়ঙ্কৰ বাঘ দেখি বিয়াৰ আযতী-গাযতী, চাওঁতা-গাওঁতা সকলো পলাই পত্রং দিলে। কাৰ্য্য বিষম দেখি শিৱে উঠি তিনিটা হুঙ্কাৰ মৰাত বাঘ লেতু-সেতু হৈ

মহাদেৱৰ চৰণত দীঘল হৈ মৰাৰ দৰে পৰি ৰ'ল আৰু গোঁসাইৰ ইঙ্গিতত পুনঃ ছালত পৰিণত হ'ল।

কন্যা-দানৰ সময়ত পুৰোহিতে শঙ্কৰৰ পিতৃ-পিতামহৰ নাম সোধাত শঙ্কৰে উত্তৰ দিব নোৱাৰি ব্ৰহ্মাৰ ফালে চালে, কাৰণ 'শূন্যে উপজিলা হৰ নাহি পিতামাতা।' ব্ৰহ্মাই তেতিয়া উত্তৰ দি কলে—

শূলকণ্ঠ নামে উগ্ৰকণ্ঠৰ নন্দন।
নীলকণ্ঠ নামে পিতা এই বিবৰণ॥
একে হৰৰে নাম কহে তিনিবাৰ।
পঞ্চ বদনে হৰে লাগে হাসিবাৰ॥

শূলকণ্ঠ, নীলকণ্ঠ আৰু উগ্ৰকণ্ঠ, এই তিনিওটা মহাদেৱৰে নাম। তাকেই পিতৃ-পিতামহসকলৰ নাম বুলি ব্ৰহ্মাই কৈ দিলত হৰৰ হাঁহি উঠিল আৰু পাঁচোখন মুখেদি হাঁহিবলৈ ধৰিলে।

বিয়াৰ অন্তত দৰা ভোলানাথক ঘৰৰ ভিতৰলৈ নি শাহুৱেক মেনকাই নানাপ্ৰকাৰ পিঠা-পৰমান্ন আৰু অন্ন-ব্যঞ্জন খাবলৈ দিয়ে। দৰাৰ লগতে ভীমো গৈছিল লগুৱা হিচাপে ঘৰৰ ভিতৰলৈ। পেটুক ভীমৰ ভোক লাগি আছিল। তেওঁ ছেগ চাই মেনকাক কলে—'আই, আপুনি ওচৰত থাকিলে দৰাই লাজ পায়, অলপ আঁতৰি যাওক'। মেনকাই তেতিয়া অন্ন-ব্যঞ্জন, পিঠা-পৰমান্ন কাঁহী ভৰাই দি ভিতৰলৈ গ'ল। সাধুকথাৰ বামুণৰ বহুৱাৰ দৰে ভীমে তেতিয়া মহাদেৱৰ কাঁহীখন ছুই—'ভীমে বোলে ছুইলো গোঁসাই নকৰ ভোজন।' এই বুদ্ধিৰে ভীমে পেট ভৰাই অন্ন-ব্যঞ্জন-পিঠা-পৰমান্নাদি খালে।

অসমীয়া কাব্যৰ নাৰদ মুনি সম্বন্ধত মহাদেৱৰ ভাগিন। তেওঁৰ টুটকীয়া স্বভাৱৰ কথা অসমীয়া গঞা সমাজে ভালকৈ জানে। মোমাযেক ভোলানাথৰ বিয়াতো কন্দল লগাবৰ কাৰণে তেওঁ কম কৰা নাছিল। মেনকাৰ আগত দৰা ভোলানাথৰ বিষয়ে কৈছিল—

তোমাৰ জীউক লাগি মোৰ লাগে বেথা।
মন দিয়া শুনা কহো জামাতাৰ কথা॥
ঘৰে নাহি ভাত তাৰ ছালে নাহি খেৰ।
শুইবাৰ শয্যা নাহি পিন্ধিতে কাপোৰ॥
মৰাৰ অঙ্গাৰ-ভস্ম লিপে সৰ্ব্ব গাৱে।
মস্তকত জঁটা তাতো সৰ্পই ফোম্পাৱে॥
তিনিগোটা নেত্ৰ তাৰ অগ্নি হেন জ্বলে।
ভাং ধতুৰা খাই ফুৰে শ্মশানে শ্মশানে॥
ঘৰৰ সম্বল তাৰ বলধ এক গোটা।
জল খাইতে দুখ তাৰ আছে ভাঙা লোটা॥ ইত্যাদি।

নাৰদৰ এনে কাৰ্য্যলৈ সোঁৱৰণ কৰি আজিও অসমীয়া লোকে বিয়াৰ সময়ত নাৰদৰ বাহন ঢেঁকীত পূজা দি বান্ধ এটা দি থয় —যাতে বিয়াত নাৰদ নামিব নোৱাৰে।

অসমীয়া কাব্যত হৰ-পাৰ্ব্বতীৰ বিযাৰ অন্তত তেওঁলোকৰ ভিতৰত হোৱা শুভ-মিলনৰ ফলত গণেশৰ আৰু তাৰ পিছত কাৰ্ত্তিকৰ জন্ম হয়। কাৰ্ত্তিকৰ হাতত তাৰক নামৰ অসুৰ নিধন হয়। এই তাৰক আৰু শ্ৰীৰামচন্দ্ৰৰ হাতত নিহত হোৱা তাড়কা নহয়।

বঙ্গীয় কবি জগজ্জীবন বিৰচিত হৰ-পাৰ্ব্বতীৰ বিয়াৰ বৰ্ণনাত কিন্তু নাৰদৰ টুটকীয়া কাৰ্য্য নাই বুলিলেই হয়, তাত নাৰদে বৰং পৰম হিতকৰী মিত্ৰৰ দৰেহে মহাদেৱক সহায় কৰিছে। শিৱক যোগবলেৰে যুৱকৰ ৰূপ ধাৰণ কৰিবলৈ নাৰদেহে তাত ইঙ্গিত দি বিপদসঙ্কুল অৱস্থা এটাৰপৰা শিৱক ৰক্ষা কৰিছে। বিয়াৰ পিছত বঙলা কাব্য মতে দুৰ্গা আৰু গঙ্গাৰ মাজত সতিনী যুঁজ লাগে। শিৱে বাসগৃহৰ পৰাই দুৰ্গাক নিদ্ৰিতা অৱস্থাত এৰি গঙ্গাৰ গৃহলৈ মাজ নিশা হাতত-সাৰে ভৰিত-সাৰে গৈছিল। দুৰ্গাই সাৰ পাই শয্যাত শিৱক নেদেখি বিচাৰি গৈ গঙ্গাৰ গৃহত

পোৱাত গঙ্গা-দুৰ্গাৰ মাজত কন্দলৰ সৃষ্টি হয়। তাতে ত্যক্ত-বিৰক্ত হৈ শিৱ গৃহ-ত্যাগী হবলৈ ওলাইছিল। পিছত গঙ্গা-দুৰ্গাৰ মাজত মিত্ৰতা স্থাপন হয় আৰু শিৱে দুয়োৰপৰা বিদায় লৈ 'মালঞ্চবন' বা পুষ্পোদ্যানত বাৰ বছৰ কটাইছিল। সেই সময়তে দুৰ্গাই গঙ্গাৰ অনুমতিক্ৰমে পুষ্পোদ্যানত শিৱক ভুলাই দুবাৰো শিৱৰ লগত ৰতি-সুখ উপভোগ কৰি আছে, এবাৰ গোৱালিনীৰ বেশত আৰু দ্বিতীয় বাৰ কুচুনীৰ বেশত। প্ৰথম সম্ভোগৰ ফলত গণপতিৰ আৰু দ্বিতীয় সম্ভোগৰ ফলত কাৰ্ত্তিকৰ জন্ম হয়। এই বিষয়ে আগতে উল্লেখ কৰা হৈছে। নাৰায়ণদেৱেও অৱশ্যে এঠাইত 'কুচুনী লৈয়া বুঢ়া নানা ৰঙ্গ কৰে' বুলি উল্লেখ কৰিছে।

অসমীয়া মনসা কাব্যত কৰি মনকৰৰ বৰ্ণনাত আদিৰসে আৰু সুকৱি নাৰায়ণদেৱৰ বৰ্ণনাত হাস্যৰসে প্ৰাধান্য লভিছে। নাৰায়ণ-দেৱৰ হৰ-গৌৰীৰ বিয়াৰ কিছুমান বৰ্ণনা বিয়া-নামতো আছে। বিয়া-নামত আছে যে বিষ্ণুৰ বাহন শিৱৰ গাত থকা সাপবোৰ পলাবলৈ ধৰাত অৰ্দ্ধনগ্ন হৰ পূৰ্ণ নগ্ন হব ধৰিছিল। এনেবোৰ কল্পনা লোকৰঞ্জনৰ বাবে অনুপম সমল।

প্ৰাক্-শঙ্কৰী কাব্যত আদিৰস

(সুকনান্নী, দুৰ্গাবৰী, পীতাম্বৰী আৰু তুলনাত অনন্তকন্দলিৰ কাব্য)

দুৰ্গাবৰৰ মনসা-কাব্য আৰু সুকবি নাৰায়ণদেৱৰ মনসা-কাব্য দুযোটা তেনেই পৃথক বস্তু। দুৰ্গাবৰী মনসা-কাব্যক বেউলা-কাব্য আখ্যা দিয়া চলে, কাৰণ তাত চান্দোসদাগৰৰ ছয় পুত্ৰ লাভতে আৰম্ভ কৰি অতি কম কথাত লখিন্দাৰৰ পুনৰ্জন্ম লাভ আৰু গৃহলৈ প্ৰত্যাগমনতে কাব্যৰ সামৰণি পৰিছে। পূৰ্ব্বে কোৱা হৈছে যে নাৰায়ণদেৱৰ মনসা কাব্যক পদ্মা-পুৰাণ নামেও জনা যায়, আৰু প্ৰকৃততে নানা আখ্যান-উপাখ্যানেৰে ভৰা ই এখন পূৰ্ণাঙ্গ পুৰাণেই। ইয়াত বেউলা-লখিন্দাৰৰ আখ্যানে পুথিৰ আধাতকৈও কম ঠাই আগুৰিছে। আকৌ বেউলা-লখিন্দাৰৰ কাহিনীটো মূল ঘটনাবো অনেক ঠাইত দুৰ্গাবৰী আৰু সুকনান্নীৰ মাজত অ'ত ত'ত অলপ-অচৰপ অমিল নথকা নহয়। উদাহৰণ স্বৰূপে সুকনান্নীৰ মতে কালীনাগে লখিন্দাৰক দংশন কৰিছিল, কিন্তু দুৰ্গাবৰীৰ মতে অজগৰেহে লখিন্দাৰক দংশন কৰে। সেই বুলি দুয়োখন কাব্যৰ বৰ্ণনা অনেক ঠাইত তেনেই আচৰিত ধৰণে মিলি যায়, যেনে দুৰ্গাবৰীত আছে—মেৰ-ঘৰত প্ৰৱেশ কৰি লখিন্দাৰৰ ৰূপ দেখি অজগৰে বিলাপ কৰিছিল—

কৰত দাঁকিবো কৰ কিশলয় পাত।
কঙ্কালে দাঁকিবো তোৰ ডম্বৰু সাক্ষাৎ॥

সেই একে কথাকে সুকবি নাৰায়ণদেৱৰ কালীনাগে বিলাপ কৰি কৈছিল—

কঁকালখন দাঁকিম বালাৰ অতিশয় সৰু।
আটিলে মুঠিতে লুকায় যেন হৰৰ ডম্বৰু॥ ইত্যাদি।

সুকবি নাৰায়ণদেৱৰ বৰ্ণনা মহাকাব্যৰ বৰ্ণনা সদৃশ বিস্তৃত ধৰণৰ আৰু কবি দুৰ্গাবৰৰ বৰ্ণনা চমু আৰু মৌখিক লোকগীতিৰ বেছি ওচৰচপা ধৰণৰ। দুৰ্গাবৰৰ হাতত আদিৰস বা বীৰ ৰসতকৈও করুণ ৰসহে অধিক আকৰ্ষণীয় হৈ পৰে। বস্তুতঃ দুৰ্গাবৰে অনেক ঠাইত আদিৰসৰ বৰ্ণনা ঠোৰতে মাত্ৰ দি নাইবা আদিৰসাত্মক ঘটনাটো উন্নুকিয়ায়ে সামৰি থৈছে। মনসা-কাব্যৰ বেউলা-লখিন্দাৰৰ ফুল-শয্যাৰ কথোপকথনেই তাৰ এটি উদাহৰণ। আদিৰস প্ৰকাশৰ এনে এটি সুযোগ সুকবি নাৰাযণদেৱে বাৰুকৈয়ে লৈছিল, অথচ দুৰ্গাবৰীত তেনে কথোপকথনৰ নাম-গোন্ধেই নাই। সুকবি নাৰায়ণদেৱৰ তেনে বৰ্ণনা গঞাসমাজৰ মনঃপূত—

কামে কাতৰ হৈ লখাই বণিযাৰ নন্দন।
ঘনে ঘনে বেউলাক মাগে আলিঙ্গন॥
লখাই বোলে প্ৰিয়া মোৰ চাপি আহা কোলে।
মধুময অমৃত পান কৰো কৌতূহলে॥
থাম্প দিয়া আনে বেউলাক কোলাৰ উপৰে।
খসাইলা বস্ত্ৰক লখাই বিধি ব্যৱহাৰে॥
বেউলা বোলে শুনা প্ৰভু কহো তোমাৰ ঠাই।
যদি সত্য নষ্ট কৰা ধৰ্ম্মৰ দোহাই॥

এই বুলি সতী বেউলাই কামাতুৰ পতি লখিন্দাৰক প্ৰিয় বচনেৰে যিবোৰ উপদেশ দি শান্ত কৰিছিল তাৰ বৰ্ণনা সুকনান্নী গোৱা ওজাপালিৰ মুখে শুনিলে মাজনিশাৰ তন্দ্ৰাতুৰ শ্ৰোতাও জাগ্ৰত আৰু মুগ্ধ হৈ থাকিবলৈ বাধ্য হয়। বেউলাই যুক্তিৰে শাস্ত্ৰোক্ত নিৰ্দ্দিষ্ট সময়লৈ বাট চাবলৈ পতি লখিন্দাৰক বুজাই

এইদৰে কৈছিল যে ৰিকশিত পুষ্পৰ মধু চুহি লোৱাত ভোমোৰাৰ যি তৃপ্তি আৰু আনন্দ, যথাসময়ত বিধি ব্যৱহাৰে কৰা শৃঙ্গাৰতো সেই একে আনন্দ। তাৰ যথাযথ উত্তৰ লখিন্দাৰেও অৱশ্যে নিদিয়াকৈ নাছিল। তেওঁ কৈছিল যে ভোমোৰাৰ ভিতৰতো কিছুমান এনে চতুৰ ভোমোৰা আছে যিবোৰে মেল নোখোৱা ফুলৰ পাহিকো আলফুলকৈ স্নেহেৰে মেলি ধৰি তাৰপৰা মধু আহৰণ কৰে। এনে কথাৰ উত্তৰত বেউলাই সমগ্ৰ পুৰুষ জাতিৰ ছলাহী চৰিত্ৰ আৰু ব্যৱহাৰৰ কথা উল্লেখ কৰি তেনে কাৰ্য্যৰ তীব্ৰ সমালোচনা কৰে। কথোপকথনখিনি এনেকুৱা—

বেউলা—আধা ফুটা ফুলত যাই ভ্ৰমৰে দিয়ে মুখ।
মধু নাহি পায তাৰ মুখে পায দুখ॥

লখিন্দাৰ—একগোট ভ্ৰমৰ আছে বৰ যে সিযান।
ফুল পাহি মেলি ধৰি মধু কৰে পান॥

বেউলা—বেউলা বোলে শুনা প্ৰভু কহো তোমাৰ ঠাই।
স্বৰূপত জানো পুৰুষৰ লাজ নাই॥
কোমল ঘাঁহ দেখিলে বলধৰ বাঢে বল।
যুৱতী দেখিলে হয় পুৰুষ পাগল॥
পৰৰ বস্তু দেখি চোৰৰ উত্ৰাৱল মতি।
উত্ৰাৱল পুৰুষৰ মন দেখিলে যুৱতী॥

* * * *

কামৰ কাৰণে লখাই হৈ গৈছে পাগল।
ভোক ভোক কৰে যেন ভোকোৱা ছাগল॥

পত্নী বেউলাই ইমানবোৰ কোৱা সত্ত্বেও লখিন্দাৰে উন্মত্তৰ দৰে হৈ কাম কৰিব খোজাত বেউলাই করুণ সুৰত কৈছিল—

দিহা— অ’ স্বামী নহয় ভাল, অ’ কি আৰে—
বিহায় ৰাতিত স্বামী নহয় ভাল।

পদ— ভাল নহয় দয়াৰ প্ৰভু বিয়াৰ ৰাত্ৰি দিনে।
শুনিলে বুলিব মন্দ ব্ৰাহ্মণ সজ্জনে॥
আগে শুনিছিলোঁ প্ৰভু তুমি বৰ পণ্ডিত।
আজি কেনে দেখো তোমাৰ ৰাখোৱাল চিত॥
ভাল নহয় দযাৰ স্বামী তোমাৰ মুখৰ বাণী।
মদমত্ত হস্তীক অঙ্কুশে ৰাখে টানি॥
তোমাৰ মুখৰ বাণী প্ৰভু বৰ ভাল নহয়।
আপেস্তা বাঁহে কি পুৰঠৰ ভাৰ সয॥
কেঁচা ডালিম খালে প্ৰভু জিভাত বান্ধে কষ।
পকিলে খাইলে তাৰ অধিক লাগে ৰস॥
কেঁচা কল প্ৰভু কোনো কাৰ্য্যৰ নহয।
পকিলেসে সেই কলৰ সোৱাদ বাঢয॥
তপত ভাল খালে প্ৰভু জিভাৰ যায ছাল।
জুৰাই-শতাই খালে প্ৰভু অধিক লাগে ভাল॥

* * * *

অবাইচা গৰুক আনি জুৰি বাৱে হাল।
নষ্ট কৰে নাঙল-যুৱলি নষ্ট কৰে ফাল॥

ইমানতো লখাইৰ মন উত্ৰাৱল হৈয়ে থাকিল। প্ৰাণাধিকা পত্নীৰ প্ৰতিটো বাধাই তেওঁক যেন ইঙ্গিতপূৰ্ণ আহ্বানহে জনালে। তেৱোঁ বেউলাৰ সেই অবাইচা গৰুৰ ৰূপকটোৰ যথাযথ উত্তৰ তেতিয়াই দি কলে—

চাৰি দিন বাজানে গৃহস্থক কৰে দাতি।
সজ্জ হৈলে বাজানে মুঠে নহয় কাতি॥
কামৰ কাৰণে লখাইৰ ভয়-লজ্জা নাই।
বেহুলাই যতেক কহে নুশুনে লখাই॥

অৱশেষত সতী বেউলাই ইবাৰ লখিন্দাৰক পূৰ্ব্বজন্মৰ কথা স্মৰণ

কবিবলৈ কৈ ছুয়োৰো জীৱনৰ উদ্দেশ্য ব্যাখ্যা কৰাত লাগি গ'ল। বেউলাৰ কথাত ইবেলি লখিন্দাৰ কিছু পৰিমাণে পতিয়ন গ'ল, পূৰ্ব্বৰ স্মৃতি তেওঁৰ মানস পটত যেন ক্ৰমে ক্ৰমে উদয হ'ল। পূৰ্ব্ব জন্মত তেওঁ আছিল ইন্দ্ৰ-পুৰীৰ গন্ধৰ্ব্ব, নাম অনিৰুদ্ধ, আৰু বেউলা আছিল নৰ্ত্তকী উষা। চান্দোৰ লগত বাদ কৰি পদ্মাৱতীয়ে ইন্দ্ৰৰ পৰা ছুয়োকো ধাৰ কৰি পৃথিবীলৈ নমাই আনি চান্দো সদাগৰৰ পুতেক আৰু বোৱাৰীয়েক হিচাপে জন্ম দিয়াইছিল—

পূৰ্ব্বৰ যতেক কথা নাই সুমৰণ।
তুমিতো আছিলা কাম দেৱৰ নন্দন॥
আমিতো আছিলোঁ বাণ ৰাজাৰ জীয়াৰী।
ছুইজনাক পদ্মাৱতী আনি আছে হৰি॥

* * * *

মৰণৰ কথা শুনি বণিক নন্দন।
মনক বান্ধিযা ৰাখি কৰিলা শয়ন॥

এইদৰে লখিন্দাৰ নিদ্ৰামগ্ন হ'ল।

ইতিপূৰ্ব্বে শহুৰেক সাহে ৰজাৰ ঘৰতো বিয়াৰ অন্তত বেউলা-লখিন্দাৰক বিশ্ৰামৰ কাৰণে সুবৰ্ণৰ পালেঙ্গত শয্যা তৈয়াৰ কৰি দি সখীয়েক তাৰকাই লখিন্দাৰক সেই একে ধৰণে মধু-লুব্ধ ভ্ৰমৰৰ লগত তুলনা কৰি কৈছিল—

প্ৰমত্ত ভ্ৰমৰা তুমি ৰসে বিচক্ষণ।
কমল কলিকা যেন বেফুলা যৌবন॥
কলিকা পুষ্পত মধু নাহি যে প্ৰকাশ।
কি দিয়া তুষিব মই ভ্ৰমৰাৰ আশ॥

* * * *

যদিহে ভ্ৰমৰ হয় অধিক সিয়ান।
ছুই হাতে ধৰি তাৰ মধু কৰে পান॥

ক্ষুধাৰ্ত্তৰ মনে হায় কিছু নাহি চায়।
ক্ষুদ পাইলে যেন মন শৰীৰ জুৰায়॥
ক্ষুধা অগ্নি নুমাইলে নিচেষ্ট হবে মন।
ক্ষুধা-তৃষ্ণা পাচ দিয়া কৰন্ত শয়ন॥
আমি তোমাত আৰু কি কৈব বিশেষ।
কথাৰ চলে তাৰকাই কহে উপদেশ॥

নানা ৰং-কৌতূহলৰ মাজত উপদেশ দি নাৰীসকলে বেউলা-লখিন্দাৰক শয়ন-গৃহত থৈ উভতি গ'লত নৱ-দম্পতীৰ মাজত কেনেকৈ মদন-পূজাৰ প্ৰাৰম্ভিক কাৰ্য্য আৰম্ভ হৈছিল তাৰ বৰ্ণনাও কৱিয়ে অতি উলাহেৰে দিছে—

ইসব কৌতুকে লখাই হাসিযা হাসিযা।
গাৱৰ কাপোৰ লখাই পেলাইলা খসায়া॥
থৰ থৰ কৰি কাম্পে বেফুলাৰ গায।
লাজতে কাতৰ হৈয়া বদন শুকায॥

* * * *

কনক ডাবিম্ব যেন দুই কুচ ঠান।
লৰি আছে হেম হাৰ বিজুলী প্ৰমাণ॥

* * * *

দুই স্তন উদং কৰিছে দুই কৰে।
উন্মত্ত হইছে মন মদনৰ শৰে॥
বাহিৰৰ যত ভোগ কৰিল কোঁৱৰে।
নিবন্ধতে আলিঙ্গি ধৰিলা পুনুবাৰে॥

* * * *

কামে কাতৰ হৈ লখাই সহিতে নাপাৰে।
বিস্তৰ যতন কৰে ৰতি ভুঞ্জিবাৰে॥

লাজে বেফুলাই হৈল দগধ পৰাণ।
লখাইক প্ৰবোধ কৰে মধুৰ বচন॥

*   *   *   *

আমি ৰাজকন্যা তুমি ৰজাৰ তনয়।
বাপৰ ঘৰত কৰ্ম্ম উচিত নহয়॥
বেফুলাৰ বচন লখাই শুনিযা শ্ৰবণে।
কাল সৰ্পে ৰহে যেন মাঠাক নমায়ে॥
ঈষৎ হাসিযা লখাই চান্দোৰ নন্দন।
বেফুলাক উৰুত থৈয়া কৰিলা শয়ন॥

এনে ধৰণৰ শৃঙ্গাৰ ৰসপূৰ্ণ বৰ্ণনা আৰু অনেক ঠাইত আছে। উল্লেখযোগ্য কথা এই যে কৱিয়ে ছেগ বুজি প্ৰায় সকলোবোৰ আদিৰসপূৰ্ণ বৰ্ণনাতে হাস্যৰসৰ মিশ্ৰণ দি তাক আৱশ্যক মতে অধিকতৰ উপভোগ্য কৰিবলৈ যত্ন কৰিছে। উদাহৰণ স্বৰূপে কাণ্ডাৰী ডুমুনীৰ লগত মহাদেৱৰ প্ৰেম-খেলা, সোণেকাৰ ভগ্নী কনকাৰ লগত চান্দোসদাগৰৰ পীৰিতি আদিৰ চিত্ৰবোৰলৈয়ে আঙুলিযাব পাৰি। দুৰ্গাক ঘৰত এৰি শিৱ গৈছিল কমল বনলৈ। বাটত এখন নৈ পাৰ হব লাগে। দুৰ্গাই শিৱৰ মনৰ বল পৰীক্ষা কৰিবৰ কাৰণে ইতিমধ্যে গৈ এগৰাকী কাণ্ডাৰী ডুমুনী হৈ ঘাটত মানুহ পাৰ কৰিবলৈ নাৱত বহি থাকিল। শিৱে নিজৰ বাহন বৃষভটোক সাতুৰি পাৰ হবলৈ নৈত নমাই দি নিজে লৰালৰিকৈ নাৱত উঠিল। নাৱত তেওঁ অকলশৰীয়া। অকলশৰে তেনেকৈ পাৰ হওঁতে ব'ঠা মাৰি থকা কাণ্ডাৰী ডুমুনীৰ মনোলোভা ৰূপ দেখি শিৱ মুগ্ধ হ'ল। তেওঁ ডুমুনীৰ ওচৰত প্ৰেম নিবেদন কৰিলে আৰু অনেক প্ৰবন্ধে তাত কৃতকৃত্যও হ'ল। কিন্তু কৃতকাৰ্য্য হোৱাৰ পূৰ্ব্বে দুয়োৰো মাজত কম তৰ্ক-বিতৰ্ক হোৱা নাছিল। ঘটনাটোৰ পৰিণতিও কম উপভোগ্য নহয়—

শিৱে বোলে শুন তই খৰুৱা ছুমুনী।
তোৰ ৰূপে দেখো মই অভয়া ভৱানী॥
তোৰ ৰূপ দেখি মোৰ দহে কলেৱৰ।
আলিঙ্গন দিয়া মোৰ প্ৰাণ ৰক্ষা কৰ॥

ছুমুনী বোলে ডাটি পকা হৈলি কি কাৰণে।
আপোনাৰ ভাল-মন্দ সুবুজ আপোনে॥
বানৰৰ মুখে যেন ঝুনা নাৰিকল।
কাকৰ আগত যেন দিয়ই শ্ৰীফল॥
আমি ভৰ যুৱতী যে তুমি বৃদ্ধ বুঢ়া।
দান্ত সৰা বাঘে যেন খাইবে খোজে মূৰা॥

শিৱে বোলে শুন তই খৰুৱা ছুমুনী।
বুঢ়াৰ গাৱৰ বল পৰীক্ষিলে জানি॥
চাৰি যুগৰ বুঢ়া আমি ধৰি আছু ভাল।
পৰীক্ষিলে বুজিবিহি বুঢ়াৰ ঠাকুৰাল॥
যেনে দেখা তেনে মই নোহো জানা বুঢ়া।
বায়ুৰ দোষত হৈয়া আছোঁ পকা-মূৰা॥

ছুমুনী বোলে যোগী তই আপুনি ভিক্ষাৰী।
কি দিয়া বশ্য কৰিবিঁ পৰৰ নাৰী॥

শিৱে বোলে কালি যাইব কোঁচৰ নগৰে।
ভিক্ষা কৰি যত পাওঁ আনি দিবো তোৰে॥

ছুমুনীয়ে বোলে তোৰ এহিসে ভাৰষা
ভিক্ষা কৰি আনিয়া পুৰাবি মোৰ আশা॥
কোথাকাৰ যোগী তই নাহি অপমান।
নিত্যে উপবাসে তোৰ ভোকে যায় প্ৰাণ॥
ভিক্ষা কৰিয়া তই কৰহ ভোজন।
পৰৰ নাৰী দেখি তোৰ সাত-পাঁচ মন॥

শিৱে বোলে তেনে বাক্য নোবোল নোবোল।
তোৰ বাক্য শুনি মোৰ হিয়া ভৈল চুৰ॥
শিৱে বোলে আজি কিছু নপাবি দিবাৰ।
ছয় মাস খাটিয়া সুজিবো তোৰ ধাৰ॥
ডুমুনী হাসিল শুনি শিৱৰ বচন।
আথে-বেথে ঘাটে নৌকা চপাইল তেখন॥

এনেকৈ ঘাটত কোনোমতে নাওখন চপাই দি ডুমুনী পাৰত জপিয়াই পৰি লৰ মাৰিলে। শিৱে উপস্থিত বুদ্ধি খটাই 'থাপ দিয়া ডুমুনীক ধৰিলা ছুই কৰে'। তাতে ডুমুনীয়ে চিয়ঁৰ-বাখৰ লগালে আৰু তাৰ মাজতে কলে, 'মোৰ পতি নদীয়াল আহি এতিয়াই তোমাক ধৰি মাৰি গুৰুলা কৰিব, তোমাৰ গৰুটোও বেচি দি মোৰ নাৱৰ খেৱাৰ মাচুল আদায় কৰিব। মোক তুমি ভালে ভালে এৰি দিয়া।' শিৱে কিন্তু তালৈ ভ্ৰূক্ষেপ নকৰিলে—

কামে উন্মত্ত শিৱে নাশুনে বচন।
হস্তে ধৰি চুম্বন দিয়া লৈলে আলিঙ্গন॥

খেলা শেষ হোৱাৰ লগে লগে কুঁজতে টোকৰটো দি দুৰ্গাই লাহেকৈ নিজৰ ৰূপত শিৱক দেখা দিলে। মহাদেৱে লজ্জিত হৈ তলমূৰ কৰাত ভৱানীয়ে কটা ঘাত চেঙা তেল দিবলৈ পুনঃ কলে যে এই কথা তেওঁ গৈ ব্ৰহ্মাৰ আগত কৈ দিব। শিৱে তেতিয়া দুৰ্গাক নানা প্ৰকাৰে বৰাই-বুজাই শান্ত কৰিলে আৰু দিন দিয়েকৰ বাবে বিদায় লৈ কমল বনলৈ যাত্ৰা কৰিলে।

ৰতি ভুঞ্জি মহাদেৱ হৈল হৰষিত।
চণ্ডী বোলে এই কালে কৰাও লজ্জিত॥
আপোনাৰ নিজ মূৰ্ত্তি ধৰিলা ভৱানী।
লজ্জিত হইল তেঁৱে দেৱ শূলপাণি।

চণ্ডীকাই কলে— ভালেসে আসিলো মই ডুমুনী ৰূপ ধৰি।
তেকাৰণে জাতি ৰক্ষা ভৈল ত্ৰিপুৰাৰি॥
নোহে যদি হওঁ মই ডোমৰ কুমাৰী।
জাতি নষ্ট হৈল হয় ভাঙৰা ভিক্ষাৰী॥
এহি কথা কৈবো কালি ব্ৰহ্মাৰ গোচৰ।
ডুমুনী দেখিয়া মজিল ভাঙৰা শঙ্কৰ॥

শিৱে বোলে শুনা চণ্ডী আমাৰ উত্তৰ।
অজ্ঞানে কৰিলো পাপ মোক ক্ষমা কৰ॥ ইত্যাদি।

অন্য এসময়ৰ কথা। শিৱভক্ত চান্দোসদাগৰক মহাদেৱে মহাজ্ঞান মন্ত্ৰ দান কৰিছিল আৰু সেই মন্ত্ৰৰ বলেৰে তেওঁ মৰাক জীয়াব পাৰিছিল। ইফালে দুৰ্গাদেৱীয়েও তেওঁক দিছিল হেমতাল নামে এডাল লাখুটি। সেই লাখুটি অগ্নিত পোৰা নাযায়, পানীত তল নপৰে, কৰবাত এৰি আহিলেও সি আপোনা-আপুনি আহি চান্দোসদাগৰক লগ দিয়ে। অক্ষয়-অব্যয় আৰু অব্যৰ্থ এই মন্ত্ৰ।

পদ্মাৱতীয়ে তেওঁক পূজা নকৰা কাৰণে এবাৰ চন্দ্ৰধৰৰ ছয় পুত্ৰক সৰ্পদংশনত নিধন কৰিছিল, কিন্তু মহাজ্ঞানৰ বলেৰে চান্দোৱে সিহঁতক জীয়ালে। পদ্মাৱতীয়ে তেতিয়া বায়েক নেতাৰ লগত আলচ কৰি চান্দোৰ মহাজ্ঞান হৰণ কৰিবলৈ চক্ৰান্ত কৰিলে। তেওঁ এদিন চন্দ্ৰধৰৰ পত্নী সোনেকাৰ ভগ্নী কনকাৰ ৰূপ ধৰি সদাগৰৰ ঘৰত ওলালগৈ।

কনকাৰ ৰূপ ধৰি জয় বিষহৰী।
ধীৰে ধীৰে চলি যায় চম্পক নগৰী॥
শিৱৰ নন্দিনী পদ্মা ধীৰে ধীৰে চলে।
ৰূপৰ মহিমা দেখি মুনিগণো ভুলে॥
নয়নে ভঙ্গিমা কৰি অৰ্দ্ধে উৰ্দ্ধে হাসি।
দেখিতে ভোল যায় সন্ন্যাসী তাপসী॥

নানান ভঙ্গিমা কৰি শিৱৰ কুমাৰী।
তিলকতে গৈয়া পাইলা চম্পক নগৰী॥

পদ্মাই কনকাৰ ৰূপত চান্দোৰ ঘৰত আলহী উঠিল আৰু নানা প্ৰকাৰে চান্দোৰ মন তলাবলৈ যত্ন কৰিলে। কাৰ্য্য সিদ্ধিও নোহোৱাকৈ নাথাকিল—চন্দ্ৰধৰে দুৰ্ব্বল মুহূৰ্ত্ত এটাত কনকাৰ আগত মহাজ্ঞান প্ৰকাশ কৰিলে। মহাজ্ঞানৰ মূল কথা আছিল তাক কাৰবাৰ আগত প্ৰকাশ কৰিলে সি আৰু গুণ নিদিয়ে। কাৰ্য্যত সেয়ে হ'ল।

পদ্মাই ধৰিলা ৰূপ, কনকা সুন্দৰী।
তাকে দেখি মোহ গৈল চান্দো অধিকাৰী॥
গোঁফে হাত দিয়া সাধু ডাঢ়ি মোচৰয়।
কনকাৰ দিশে সাধু ঘনে ঘনে চায়॥
মনসা বুজিল চান্দো বিভোল হইল।
মনত হৰিষে পদ্মা হাঁসিতে লাগিল॥

* * * *

সনেকা বন্ধনত ব্যস্ত থকা ছেগ লৈ—

চান্দো বোলে শুন ভনী কনকা সুন্দৰী।
তোমাৰ ৰূপ দেখি প্ৰাণ ধৰিতে নপাৰি॥
তোমাৰ যৌৱন দেখি দহে কলেবৰ।
আলিঙ্গন দিয়া মোৰে প্ৰাণ ৰক্ষা কৰ॥

* * * *

ভিন্নজন নোহো আমি হওঁ ভগ্নীপতি।
সেহিসে কাৰণে মাগো তোমাৰ সুৰতি॥
থিৰ নোহে মন মোৰ তোৰ ৰূপ দেখি।
মোক আলিঙ্গন দেহ শুন চন্দ্ৰমুখী॥

সুচতুৰা কামিনীৰ দৰে পদ্মাৱতীয়ে চন্দ্ৰধৰক উত্তৰ দিছিল—

গন্ধ বণিয়া আমি উত্তম আচাৰ।
একে স্বামী বিনে নাহি জানিবি আমাৰ॥
পতিব্ৰতা নাৰী আমি জগতে বখানি।
স্বামী বিনে অপৰক আমি নাহি জানি॥
ডাটি পকাইলি বুঢ়া মুখে লাজ নাই।
চূণ-কালি দিব শুনি যতেক সভাই॥
* * * *

কনকা যতেক বোলে সাধুৱে সুশুনে।
মদনে পীড়িয়া চাৱে আলিঙ্গন মনে॥

পুনৰপি পদ্মাৱতী বুলিতে লাগিল।
নাগৰ কামোৰে মোৰ বৰ ভাই মৰিল॥
সি কথা কহিতে আইলো তোমাৰ গোচৰ।
উপদেশ দেহ মোৰে যাওঁ নিজ ঘৰ॥
শুনি আছো মহাজ্ঞান দিযাছে শিকাই।
কৃপা কৰি দেহ যদি ভাইক জীযাই॥
তোৰ মহাজ্ঞান পাচে আনি দিবো তোকে।
কপট নকৰা সাধু জ্ঞান দেহ মোকে॥
* * * *
হাসিয়া বুলিল আগে দেহ মহাজ্ঞান।
পাচে আশা পূৰিযা পাইবা আলিঙ্গন॥
এতেক বচন যদি কনকা বুলিল।
ধনৰত্ন ভৰা যেন নৌকাখন পাইল॥

চান্দো বোলে যাইব আস শয়ন মন্দিৰে।
তথা গৈলে মহাজ্ঞান আমি দিব তোৰে॥
কনকাক দেখিয়া চান্দো মোচৰয় ডাটি।
আজি মোৰ হাতে ভায়া নাহি ভাৰি-ভুৰি॥

হাস্য পৰিহাস্য হুহে আনন্দ হৃদয়।
বিভোলে পৰিয়া চান্দো মহাজ্ঞান দেই॥

* * * *

চাৰি দিশে চাই পদ্মা যেন চোৰৰ মতি।
কহিতে লাগিল পুনু জয় পদ্মাৱতী॥
এক তিল থাকা তুমি শেতেলীত বসি।
ঝাৰি লৈয়া শীঘ্ৰে আমি বাহিৰ হস্তে আসি॥
এত বুলি ভৃঙ্গাৰ লৈয়া যায় পদ্মাৱতী।
ঘৰৰ হইতে বাজ হইল শীঘ্ৰগতি॥

* * * *

হাস্য ৰস সৃষ্টিৰ কাৰণে কৱিয়ে অ'ত ত'ত শ্লীলতাৰ সীমাও পাৰ হৈ গৈছে। বিয়া-ঘৰত হৰ্ষোৎফুল্ল শিৱৰ উলঙ্গ অৱস্থাৰ বৰ্ণনা আৰু বাসৰ ঘৰত নাৰী সকলৰ আগতে তেওঁ যিখন কাণ্ড কৰিলে তাক অশ্লীল আখ্যা নিদি নোৱাৰি। তাৰ উদ্ধৃতি নিষ্প্ৰয়োজন।

সুকনান্নীৰ পুষ্পধাৰী বা পদ্মাৱতীৰ জন্মখণ্ডতো মনকৰী কাব্যৰ পুষ্পধাৰী খণ্ডৰ দৰে আদিৰসৰ প্ৰাচুৰ্য্য পৰিস্ফুট হৈছে। তাত বাহিৰে সতী বেউলাৰ প্ৰতি ধনা-মনা গোধাৰ প্ৰেম নিবেদন, জলযাত্ৰী সদাগৰৰ বেউলাক নিবলৈ কৰা যত্ন আদিতো আদিৰসৰ ব্যঙ্গ ৰূপ একোটা দেখিবলৈ পোৱা যায়।

(২)

কৱি পীতাম্বৰ দ্বিজ কৃত দশম স্কন্ধত থকা আদিৰসৰ কথা আগতে ৰুক্মিণীৰ কৃষ্ণ-প্ৰেমৰ কথা কওঁতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা হৈছে। তেওঁৰে অন্যতম কাব্য 'উষা-পৰিণয়'। 'উষা-পৰিণয়'তো তেওঁ পদৰ লগত ৰাগ বান্ধি দিছে আৰু সেয়ে কৱিৰ লোক-ৰঞ্জনৰ কালে ৰখা লক্ষ্যৰ ইঙ্গিত দিয়ে। উষা-পৰিণয়ৰ উষা-অনিৰুদ্ধক

লৈ কৰি অনন্তকন্দলিয়েও 'কুমৰ-হৰণ' কাব্য ৰচনা কৰিছে। দুয়োখন কাব্যৰে মূল ঘটনা একে, মাত্ৰ বিতং বিবৰণত অ'ত ত'ত অলপ পাৰ্থক্য আছে। 'কুমৰ-হৰণ'ত নাৰদে চিত্ৰলেখাক হৰণলুকি মায়া শিকাইছে আৰু সেই হৰণলুকি মায়াৰ বলত কুম্ভাণ্ডৰ জালেৰে গৈ চিত্ৰলেখাই অনিৰুদ্ধক হৰণ কৰিছে—মৌ-মাখি ৰূপ ধৰি। 'উষা-পৰিণয়'ত নাৰদে চিত্ৰলেখাক তামসী বিদ্যাহে শিকাইছে। ইফালে 'কুমৰ-হৰণ'ৰ কুঁজী আৰু 'উষা-পৰিণয়'ৰ কৌকিলা ধাই একে প্ৰকাৰৰ চৰিত্ৰ—দুয়ো হাড়ে-হিমজুৰে অসমীয়া। 'বিষ্ণুপুৰাণ', 'হৰিবংশ' বা 'ভাগৱত'ত এই দুই চৰিত্ৰৰ এটিও নাই। 'হৰিবংশ'ত চোৰাংচোৱাইহে বাণাসুৰক উষাৰ গোপন-বিহাৰৰ কথা কয়। দুৰ্ব্বাৰ কাম-পীডা উপস্থিত হোৱাৰ পিছত সপোনত দেখা আৰু সপোনত ৰমণ কৰা ৰূপহীক দিঠকত নাপাই বিকল হৈ 'তোমা বিনে প্ৰাণ আৰ ৰহিব কেমনে' বুলি সন্ন্যাসী হৈ অনিৰুদ্ধ কোঁৱৰ বনচাৰী হবলৈ ওলাইছিল—'বান্ধি জঁটাযুত শিৰে, দণ্ড কমণ্ডলু কৰে, বাহিৰাইল কামেৰ কুমাৰ'। এই চিত্ৰটিৰ কিছু অংশ কৰি পীতাম্বৰৰ নিজা সৃষ্টি আৰু কিছু অংশ হৰিবংশৰ, বিকল হোৱা পৰ্য্যন্ত হৰিবংশৰ আৰু সন্ন্যাসী বেশত বনগমন পীতাম্বৰৰ উদ্ভাৱন। কামসেনা যক্ষিণীও কৰি পীতাম্বৰৰে সৃষ্টি। এইবোৰে অৱশ্যে কাব্যৰ কলা-সৌষ্ঠৱ বৃদ্ধি কৰিছে বুলিব নোৱাৰি, চপলতাৰ সহায়ত লোকৰঞ্জন বা লৌকিকতা সৃষ্টিত মাত্ৰ সহায় কৰিছে। আকৌ 'কুমৰ-হৰণ'ৰ চিত্ৰলেখা মন্ত্ৰী কুভাণ্ডৰ কন্যা, 'উষা-পৰিণয'ৰ চিত্ৰলেখা স্বৰ্গৰ অপ্সৰা। 'উষা-পৰিণয়'ৰ মতে মন্ত্ৰী কুভাণ্ডৰ কন্যাৰ নাম ৰামা, তেৱোঁ উষাৰ এগৰাকী সখী বা বান্ধৱীহে। সমগ্ৰ 'উষা-পৰিণয়' গীতৰ সমষ্টি আৰু সেইবাবে প্ৰত্যেক অধ্যায়তে তাত ৰাগ-সুৰ নিৰূপণ কৰি দিয়া আছে। 'কুমৰ-হৰণ' পদ-পুথি মাত্ৰ। 'কুমৰ-হৰণ' কাব্য আৰু 'উষা-পৰিণয়' পূৰ্ণমাত্ৰায় গীতি-কাব্য।

পীতাম্বৰ কবিৰ ‘কামসিক’ আখ্যা লাভৰ সাৰ্থকতা নিৰ্ভৰ কৰিছে তেওঁৰ বিৰচিত ‘উষা-পৰিণয়’ কাব্যত। ‘উষা-পৰিণয়’ৰ উষা তেতিয়া আছিল উদগত-যৌৱনা। তেওঁ এদিন সখীসকলক লগত লৈ ফুলনিত খেলি ফুৰিছিল। সেই সময়ত বসন্তৰ পূৰ্ণ সমাৰোহ। গছ-লতা ফুল-ফলেৰে চৌদিশ জ্বাতিষ্কাৰ, আৰু তাত—

ভ্ৰমৰা গুঞ্জৰে উন্মত মধুপানে।
পূৰিল সকল দিশ কোকিল নিসানে॥
ত্ৰিভুবন মোহন আনন্দ মধুমাসে।
সংসাৰ যুৰিয়া লোকে কাম অভিলাষে॥
বাণৰ নন্দিনী উষা হেনয় সময়।
গহনে বেৰাইতে হেন ধৰিলা হৃদয়॥

ঠিক সেই সময়তে হৰ-গৌৰীৰো সেই বনলৈকে আগমন হওক! নিৰ্জ্জন বনভূমিৰ তেনে পৰিবেশ পাই তেওঁলোকৰ অন্তৰতো কামানল জ্বলি উঠিল। ভোলানাথে গৌৰীৰ মন যোগাবৰ কাৰণে শৰীৰৰ সৰ্পাভৰণ খহাই পুষ্পিতা মাধৱী লতা বান্ধি ললে, শিৰৰ-পৰা গঙ্গাক নমাই থৈ তাত মাধৱী ফুলৰ মালা পিন্ধিলে, ছাই-ভস্মৰ সলনি গাত চন্দন প্ৰলেপ সানিলে, কৰ্ণত কুণ্ডল আৰু চৰণত নূপুৰ ন-কৈ আঁৰিলে, শিঙা-ডম্বৰু পেলাই থৈ হাতত মন্দিৰা বাদ্য ধাৰণ কৰিলে, ব্যাঘ্ৰচৰ্ম্মৰ ঠাইত সুন্দৰ পট্টবস্ত্ৰ জিলিকি উঠিল, ডিঙিৰ মুণ্ড-মালাৰ স্থান সুগন্ধি পাৰিজাত-মালাই গ্ৰহণ কৰিলে; বৃষভাৰোহণ পৰিহাৰ কৰি তেওঁ ৰথাৰোহী হ’ল। এনেকৈ তেতিয়া—

মদন মোহন ৰূপ দেৱ ত্ৰিনয়ন।
দেখি দিব্য নাৰীগণ কামে অচেতন॥

—এইদৰে সাজন-কাচন কৰি ভোলা-শঙ্কৰে দুৰ্গা-ভৱানীৰ লগত কাম-কেলি আৰম্ভ কৰিলে। সখীসকলৰ লগত ফুৰি ফুৰোঁতে

শঙ্কৰ-ভৱানীৰ এই মুক্ত কাম-কেলি উষাৰ দৃষ্টিগোচৰ হ'ল। আঁৰত থাকি সখীয়েকসকলৰ লগত তেওঁ এই দৃশ্য নয়নভৰি উপভোগ কৰিলে। তেওঁৰ মনত প্ৰতিক্ৰিয়া হ'ল—

দেখিয়া কুমাৰী পাছে হাসে মনে মনে।
ধন্য তিৰী-পুৰুষ ক্ৰীড়া যি কৰে বনে॥
হেনয় সময়ে যাৰ কোলে নাহি পতি।
গলাই কটাৰী দিয়া মৰোক সি যুৱতী॥
বসন্ত কালত যাৰ স্বামী নাহি কোলে।
গলত পাথৰ বান্ধি মৰক সেহি জনে॥

অকস্মাতে কেনেবাকৈ উষাৰ ওপৰত পাৰ্ব্বতীৰ চকু পৰিল। তেওঁ উষাক দেখিয়ে তেওঁৰ মনোবিকাৰৰ কথা সকলো গম পালে। উষাক ওচৰলৈ মাতি নি তেওঁ তেতিয়া কলে—'আই, তই বাপেৰৰ সম্বন্ধেদি আমাৰ নাতিনী হৱ। আমাৰ কাম-কেলি তই চাব নাপায়। তথাপি আমাক দেখি তোৰো মনত আজি কাম-বিকাৰ উপজিল যেতিয়া, তয়ো বাৰু এদিন পতিৰ লগত এনেকৈ অনঙ্গৰঙ্গ কৰিব পাৰিবি। বহাগ মাহৰ শুক্লা দ্বাদশী তিথিত তই সপোন দেখিবি। সেই সপোনত তোৰ লগত যিজন পুৰুষ উপগত হ'বহি সচিতত তেওঁকেই তই স্বামী পাবি।' লগতে অপ্সৰা চিত্ৰলেখাক উষাৰ লগত সখী বান্ধি দিলে আৰু উষাৰ লগতে তেওঁক থাকিবলৈ আদেশ দিলে। সিমানেই নহয়, কামসেনা নামৰ যক্ষিনী এজনীকো এদিন মায়া ধৰি অনিৰুদ্ধৰ ওচৰলৈ যাবলৈ আৰু উষাৰ বেশ ধৰি তেওঁকো কামমোহিত কৰিবলৈ আদেশ দি থলে—

আলিঙ্গনে চুম্বনে মোহিবি ভাল মতে।
উষাকেহে মনে যেন ভাবে দিনে ৰাতে॥

যথাসময়ত কামসেনাই সেইমতে গৈ মায়া ধৰি অনিৰুদ্ধৰ শয়নকক্ষত প্ৰৱেশ কৰিলে আৰু সাইলাখ উষাজনী হৈ এজামুৰি

দি লোভনীয়ভাৱে বুকু-পিঠি উন্মুক্ত ৰাখি অমনোযোগীভাৱে থিয় হ'ল। তাইৰ মুখত লাজ আৰু চকুত লাজভৰা হাঁহি-কটাক্ষ। গাৰ কাপোৰ তাই অকাৰণতে ঘনাই ঘনাই খুলি পিন্ধিবলৈ ধৰিলে।

দেখিয়া কুমাৰ-মন পোৰে কামৰসে।
আঞ্চলে ধৰিয়া সে মিনতি বোল হাসে॥
প্ৰাণ ৰাখ শশীমুখী আলিঙ্গন দিয়া।
কহে পীতাম্বৰে হৰি চৰণ বন্দিয়া॥

*　　*　　*　　*

মদন সৰ্পে তনু মোৰ দংশিল
নাহি আন পৰকাৰ।
তাৰ বিষে মোৰ তনু বিয়াকুল
ঔষধ তোৰ শৃঙ্গাৰ॥

মায়াবিনী যক্ষিণী কামসেনাই তেতিয়া ওৰে ৰাতি বিবিধ বিহাৰেৰে কুমাৰক ৰতিসুখ প্ৰদান কৰিলে—

একে কলাৱতী আৰু গৌৰীৰ আজ্ঞায়।
প্ৰতি প্ৰতি ৰতি-তনু ধৰিলা তথায়॥
সকল ৰজনী নিৰন্তৰে ৰতিৰঙ্গে।
দুইহানো হৃদয় আতি ভেদিল অনঙ্গে॥

—এনেকৈ নিশাটো কুমাৰক অনঙ্গ সুখৰ সপ্তম স্বৰ্গত আপ্লুত ৰাখি ৰজনী প্ৰভাত নৌহওঁতেই মায়াবিনী যক্ষিণী কামসেনা হঠাৎ অন্তৰ্দ্ধান হ'ল। কন্যাক ক'তো নেদেখি কোঁৱৰ তেনেই বাতুল সদৃশ হ'ল।

কন্যা কোথা গৈল বুলি ক্ষণে যায় ধায়া।
একে থানে সাত বাৰ আসে চায়া চায়া॥

হতাশাত মৰ্ম্মাহত হৈ ৰাতিপুৱা কোঁৱৰ সন্ন্যাসী হৈ গৃহত্যাগ কৰিবলৈ ওলাল। নাতি ল'বাৰ তেনে অৱস্থা দেখি ককাক

কৃষ্ণে—'যাকে মনে বাঞ্ছস আনিয়া দিবো তোক' বুলি তেওঁক প্ৰবোধ দি ৰাখিলে।

ইফালে দেৱীৰ মায়াত উষায়ো 'প্ৰথম প্ৰহৰ নিশি দেখিলা সপোন' (২০৩ পদ)। তাত তেওঁ দেখিলে যেন 'পুৰুষেক আসিয়া লৈলেক কোলে তুলি।' সূৰ্য্য-কিৰণৰ উত্তাপ পাই পদুম বিকশিত হোৱাৰ দৰে উষাৰো স্বপ্নলব্ধ পুৰুষৰ স্পৰ্শ লাভত অন্তৰৰ সুপ্ত কাম-বাসনাবোৰ জাগ্ৰত হ'ল।

আলিঙ্গনে চুম্বনে মনৰ ৰতি-প্ৰীতি।
তাহাৰ পৰশে কন্যা হইল যুৱতী॥
নখৰেখা ৰুচিৰ অসংখ্য পযোধৰে।
কিংশুক ফুলিল যেন মেঘ-মহিধৰে॥
অধৰ খণ্ডিত সে দশন ক্ষত ঘায়।
পুষ্পৱতী যুৱতী ঘৰ্ম্মিত সৰ্ব্ব গায়॥
নিঃশেষ ৰমণ-ৰঙ্গ উষাক শিখায়া।
অন্তৰ্দ্ধান হৈল তেৱে গোসাঁনীৰ মায়া॥

এইদৰে সপোনত ৰমণ-ৰঙ্গ নিঃশেষ কৰি শিকি লৈ দিঠকত তাৰ প্ৰতিফলন কাৰ্য্যত লভিবলৈ উষাৰো মন ব্যাকুল হৈ পৰিল। মন্ত্ৰী কুভাণ্ডৰ কন্যা সখী ৰামাৰ উপদেশ অনুসৰি তেওঁ সখী চিত্ৰলেখাক স্মৰণ কৰিলে আৰু স্মৰা মাত্ৰকে চিত্ৰলেখাও তাতে উপস্থিত হ'লহি।

'দেখিলো সপোন এক আজুকাৰ ৰাতি' বুলি আৰম্ভ কৰি সপোনৰ সকলো বিৱৰণ উষাই চিত্ৰলেখাৰ আগত কলে। মদন-ক্ৰীড়াৰ বৰ্ণনা দি তেওঁ কলে—

কৰি কৰ ধৰি বোলো মিনতি বচনে।
মদন-কুঞ্জৰে মোৰ অঙ্কুশ নামানে॥
যত বোলো মিনতি চঞ্চল হয় আতি।
কদলি দলিল যেন মদমত্ত হাতী॥

পয়োধৰ পৰশে খণ্ডিত চাৰি পাশে।
দেখি দেখি দহে মন মদন হুতাশে॥

চিত্ৰলেখাই সখীয়েক উষাৰ মনৰ অৱস্থা বুজিব পাৰি কোঁৱৰক আনি দিবৰ কাৰণে সাত দিনৰ সময় বিচাৰিলে। উত্তৰত—

উষা বোলে সাত দিন সাত যুগ মোৰ।
ৰহে বা নৰহে প্ৰাণ আগে কৈলো তোৰ॥

অনন্তকন্দলিৰ 'কুমৰ-হৰণ'ত উষাই সপোনত অনিৰুদ্ধক দেখাৰ পিছতে সাৰ পাই উঠি দিঠকত তেওঁক পাবলৈ অস্থিৰ হৈ পৰে আৰু কোঁৱৰ অনিৰুদ্ধক নাপালে কটাৰীৰে ডিঙি কাটি মৰিব বুলি হাতত কটাৰী তুলি লৈ সখীয়েক চিত্ৰলেখাক ভয় দেখুৱায়— 'নাপাওঁ যেবে তাঙ্ক স্বামী, নিশ্চয় মৰিবো আমি, সখী সত্য কহিলোঁ তোমাত।' চিত্ৰলেখাই নিৰুপায় হৈ তেতিয়া কান্দি জেউৰ পাতি থকা কেঁচুৱা ল'ৰাক বুজোৱাৰ দৰে বুজাই কবলৈও বাধ্য হয়— 'হেন শুনি চিত্ৰলেখী, বোলে নমৰিবা সখী, তোৰ দুখ গুচাইবো এখন।'

'উষা-পৰিণয়'তো চিত্ৰলেখাই যেতিয়া কোঁৱৰক হৰণ কৰা দুঃসাধ্য হব পাৰে বুলি অসুবিধাবোৰ দেখুৱায় তেতিয়া উষাই জুই ধৰি লৈ জ্বলা জুইত জাপ দি মৰিবলৈ সাজু হৈছিল আৰু তাৰ বাবে সাতবাৰ অগ্নিক প্ৰদক্ষিণ কৰিছিল—

এই বুলি অগ্নিক উষা প্ৰদক্ষিণ কৰে।
চিত্ৰলেখা উঠি গৈয়া ধৰিলেক কৰে॥
মৰিবাক মুযুৰায় শুনা প্ৰাণ সখী।
কালি আনি দিবো তোৰ সপোনৰ পতি॥

অনিৰুদ্ধ হৰণৰ হেতু চিত্ৰলেখা সাজি-কাচি ওলাল। চিত্ৰলেখাৰ আটক ধুনীয়া ৰূপে উষাৰ মনত সন্দেহৰ বীজ সিঁচিলে। চিত্ৰলেখাৰ ভুবন-মোহিনী ৰূপ দেখি জানোচা কোঁৱৰে তেওঁক সামৰি লয়,

জানোচা থুলন্তৰ পুৰুষ অনিৰুদ্ধ কোঁৱৰক অকলে পাই সখীয়েক চিত্ৰলেখায়ো আত্মসম্বৰণ কৰিব নোৱাৰি বিশ্বাস-ঘাতকতা কৰে— এনেবোৰ চিন্তা-ভাবনাই উষাক জ্বলা-কলা কৰি তুলিলে। তেওঁ সখীয়েক চিত্ৰলেখাক নিজৰ মনৰ উদ্বেগৰ কথা কলে—

উষা বোলে সখী তোৰ বুজোহো আকলি।
আগে শাস খাই পাছে দিবিহি বাকলি॥
তুমিও যুৱতী মোৰ স্বামীও যুৱত।
মোক ঘোল দিয়া জানো ভুঞ্জস অমৃত॥ (কুমৰ-হৰণ)

মনস্তত্ত্ব বিজ্ঞান-সম্মত এইফেৰি কথাৰ ভাব পীতাম্বৰী 'উষা-পৰিণয়'ত নাই। ই বৈষ্ণৱ কৱি অনন্তকন্দলিৰ হে ৰসজ্ঞ মনৰ চতুৰ উদ্ভাৱনা। মূলত নথকা কথাও সেই যুগৰ কৱিসকলে ছেগ বুজি কাব্যত সন্নিবিষ্ট কৰি কাব্যৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছিল।

আকৌ সপোন-কোঁৱৰ অনিৰুদ্ধক সচিতত পোৱাৰ আশা নাই বুলি সখী চিত্ৰলেখাই কোৱাৰ লগে লগে উষা মৰিবলৈ ওলাইছিল— 'উষা-পৰিণয়'ৰ মতে জ্বলা জুইত জাপ দি আৰু 'কুমৰ হৰণ'ৰ মতে গলত কটাৰী দি।

এই বুলি অসিপত্ৰ কৰে তুলি লৈলা।
সখীৰ আগত মৰিবাক সাজু ভৈলা॥ (কুমৰ-হৰণ)

'কুমৰ-হৰণ'ৰ মতে উষাৰ মনৰ সন্দেহ তেনেই অমূলক নাছিল, চিত্ৰলেখা হেন সুন্দৰী যুৱতীক নিভৃতে পাই কোঁৱৰে বুভুক্ষু মনৰ অভিলাষ তেওঁৰ ওচৰত নিবেদন নকৰাকৈ নাছিল, সিও এবাৰ নহয়, দুবাৰ, পোনতে এবাৰ অনিৰুদ্ধৰ শয়ন-কক্ষত, দ্বিতীয় বাৰ আকৌ শোণিতপুৰৰ পথত, ৰথৰ ওপৰত। শয়ন-কক্ষত চিত্ৰলেখাক মাজ নিশা অকলে পাই বিকল হৈ কৈছিল—

আসা পাশ প্ৰাণেশ্বৰী চিন্তো মনোময়।
ঘোৰ কামানলে মোৰ শৰীৰ দহয়॥

মৃণাল সদৃশ ভুজে আলিঙ্গিয়ো মোক।
অধৰ অমৃত কামানলে জুৰায়োক॥

এনে অৱস্থাত চিত্ৰলেখাৰ নিজৰ উদ্দেশ্য সিদ্ধিত লক্ষ্য স্থিৰ ৰাখি কোঁৱৰক যি উত্তৰ দিছিল সি অতুলনীয়। তেওঁ কৈছিল—

ইঠায়ত যদি আনে দেখয় আমাক।
তুমি লঘু হুইবা যে মোৰো যাইব নাক॥
ইঠায়ৰ প্ৰভু মই ৰজাক দৰাও।
যদি মন আছে আসা দূৰক পলাওঁ॥

তেতিয়া চিত্ৰলেখাৰ উপদেশ মতে কাম কৰি দুয়ো ভ্ৰমৰ-ভ্ৰমৰী হৈ কুন্দ্ৰাক্ষৰ জালেৰে বাহিৰলৈ ওলাই আহে আৰু ৰথত উপবেশন কৰে।

ৰথ চলিবলৈ ধৰাৰ লগে লগে কোঁৱৰৰ মন পুনঃ অধৈৰ্য্য হৈ উঠিল। তেওঁ চিত্ৰলেখাক তেওঁৰ পূৰ্ব্ব প্ৰতিশ্ৰুতি সোঁৱৰাই দি কবলৈ ধৰিলে—

তোমাক দেখিলে মোৰ দহয় মদন।
সেস্থৰে সুন্দৰী মোক দেস আলিঙ্গন॥

তেওঁ অকল প্ৰস্তাৱ দাঙি ধৰিয়ে ক্ষান্ত নাথাকিল—উঠি চিত্ৰলেখাৰ কাষ পালেগৈ—'এহি বুলি অনিৰুদ্ধে চাপিলেক পাশ।'

চিত্ৰলেখাই কাৰ্য্য বেগতিক দেখি পোনতে নিজক ৰাজকুমাৰী উষাৰ দাসী মাত্ৰ বুলি উষাৰ কাৰণে বাট চাবলৈ কলে। তেওঁ কোঁৱৰক সান্ত্বনা দিবলৈ শাস্ত্ৰৰ বচনো আওৰাই কলে—

দাসী-বধূ জীয সখী শৰণীয়া নাৰী।
ৰাজভাৰ্য্যা গুৰুপত্নী চাণ্ডালী কুমাৰী॥
ইহাক ঘেণিলে মাতৃ-গমনৰ পাপ।
হেন জানি ক্ষমা মোক কৰিওক বাপ॥

কিন্তু তাতো বিশেষ ফল নধৰাত তেওঁ সুকুমাৰ সঙ্গীত বিদ্যাৰ আশ্ৰয়

লবলৈ স্থিৰ কৰিলে। অপ্সৰা চিত্ৰলেখা সঙ্গীতৰ ৰাণী। তেওঁ 'বসন্ত কালত যেন কোকিলৰ ৰাৱে' গীত আৰম্ভ কৰিলে আৰু গীত শুনি 'কুমৰৰ পালটিল চিত', আৰু—

কন্যাক দিলেক পিঠি গীত আছে শুনি।
সমাধি লাগিয়া যেন থাকি গৈল মুনি॥
একভিতি চিত্ৰলেখা নানা গীত গাৱে।
বায়ুতো অধিক কৰি ৰথক ডকাৱে॥

এইদৰে চিত্ৰলেখাই কোঁৱৰক ভুলাই নি শোণিতপুৰ পোৱালেগৈ। মন কৰিবলগীয়া কথা এই যে কামসিক কৱি পীতাম্বৰৰ কাব্যত বা মূলত ক'তো চিত্ৰলেখাৰ প্ৰতি কোঁৱৰৰ চিত্ত-চাঞ্চল্য ওপজা নাই। বৈষ্ণৱ কৱি অনন্তকন্দলিৰহে ই বিজ্ঞান-সম্মত কল্পনা। 'উষা-পৰিণয়'ৰ মতে চিত্ৰলেখাৰ মুখে উষাৰ কথা শুনিলত কোঁৱৰৰ মনলৈ সকলো কথা সৰসৰকৈ আহিবলৈ ধৰিলে আৰু সেইবোৰ ভাবি ভাবি তেওঁ তেনেই তন্ময় হৈ পৰিল। চিত্ৰলেখাৰ প্ৰতি তেওঁৰ মানসিক দুৰ্ব্বলতা ওপজা নাই, বৰঞ্চ বিপৰীতে চিত্ৰলেখাইহে সুঠাম অঙ্গ-প্ৰত্যঙ্গৰ সুন্দৰ যুৱক অনিৰুদ্ধ কোঁৱৰক অকলে অসাৱধানে থকা পাই মনৰ মাজত মদন-পীড়া অনুভৱ নকৰাকৈ নাছিল—

মন মোৰ কিবা কৰে বুলি ভৈলা লাজ।
পৰৰ নিমিত্তে আসি কৰিলোঁ অকাজ॥ (উঃ পঃ)।

তেনেকৈ আকৌ উষা-অনিৰুদ্ধৰ গান্ধৰ্ব্ব বিবাহৰ পিছৰ পৰ্ব্ব অৰ্থাৎ ফুল-শয্যাৰ কাৰ্য্যাৱলী সম্পৰ্কে তথাকথিত কামসিক কৱি কিন্তু নীৰৱ। ফুলশয্যাৰ বৰ্ণনা দিয়াটো ৰুচি-বিগৰ্হিত হব বুলিয়ে হওক নাইবা নিষ্প্ৰয়োজন বুলি ভাবিয়ে হওক, কৱি পীতাম্বৰে সেই বৰ্ণনা দিয়া নাই, পাঠকৰ কাৰণে তাক চিন্তাৰ সামগ্ৰী কৰিয়ে এৰিছে। বৈষ্ণৱ কৱিয়ে কিন্তু ফুল-শয্যাৰ কাৰ্য্য-ক্ৰমণিকা পৰ্য্যন্ত দাঙি ধৰিছে—

অনন্তৰে ৰতিৰঙ্গ ভৈলন্ত দুহাৰ।
ভৈল মনোৰথ পূৰি ষোড়শ শৃঙ্গাৰ॥
বৃষারুঢ় আদি কৰি কাৰ্য্য যত যত।
ভাৱে ভাৱে অনিৰুদ্ধ কৰিলা বেকত॥
কৰে ধৰি স্তনত যে মৰ্দ্দন কৰিল।
দুইকো দুয়ো বাহু মেলি আলিঙ্গি ধৰিল॥
আউল বাউল কেশ চিণ্ডিলেক হেম হাৰ।
কটিৰ মেখলা খসি পৰিল উষাৰ॥
বহুভাৱে দুইকো দুয়ো পূৰিলা মদনে।
ঘৰ্ম্মজলে তিন্তিলেক দুহানো বদনে॥
সিদ্ধি ভৈল মনোৰথ পূৰিলন্ত আশ।
পুহাইল ৰজনী ৰবি ভৈলন্ত প্ৰকাশ॥ (কুঃ হঃ)।

এনে ধৰণৰ সম্ভোগ উপভোগ আঠ-দিন আঠ-ৰাতি চলিল। তাৰ পিছতহে নগৰত জগৰ লাগিল। মহাৰাজ বাণাসুৰে সকলো কথাৰ সম্ভেদ পালে। কুঁজী বান্দীয়ে পুৰস্কাৰ পোৱাৰ আশাত উলহ-মালহকৈ গৈ ৰজাৰ আগত সকলো কথা লগালে। ইয়াৰ পাছৰ ঘটনাৰ বৰ্ণনা বীৰ-ৰসপূৰ্ণ। কাব্যত আদিৰস ইমানতে শেষ হৈছে।

বৈষ্ণৱ কৰি অনন্তকন্দলিয়ে 'কুমৰ-হৰণ'ৰ এই কাহিনীটো দশমৰ মধ্য খণ্ড অনুবাদ কৰোঁতেও এবাৰ অসমীয়ালৈ ভাঙিছে। তাত মূল ভাগৱতৰ লগত মিল ৰাখিবৰ বাবেই নে কি দুই-এঠাইত তেওঁ কাব্যৰ মনে-গঢ়া কথা কিছুমান বাদ দিছে। কুঁজীৰ চৰিত্ৰ তাত নাই। কুঁজী বুঢ়ীৰ পৰিবৰ্ত্তে উষাৰ ৰখীয়া-পৰিয়া সৈন্যসকলেহে উষা-অনিৰুদ্ধৰ গোপন-বিহাৰৰ কথা বাণাসুৰক জনাইছিল।

নকহিলে আমাক কাটিবে ৰাজা বাণ।
এহি শুনি সবে তেতিক্ষণে দিলা জান॥ (দশম স্কন্ধ)

মাত্ৰ চাৰি-পাঁচ আধ্যা পদতে সমস্ত উষা-পৰিণয় বা কুমৰ-হৰণ কাব্য দশমত কৰি অনন্তকন্দলিয়ে সামৰি থৈছে। তাতো সেই বুলি কৱিয়ে ঘটনাটো ৰসাল কৰিবৰ কাৰণে আদিৰসত তাক বাককৈয়ে জুবুৰিয়াইছে। উল্লেখযোগ্য এই যে আদিৰসত সম্পূৰ্ণ-ৰূপে সিক্ত কৰিলেও কৃষ্ণ-ভক্তিৰ প্ৰাধান্য প্ৰচাৰৰ কাৰণে বৈষ্ণৱ কৱিসকলৰ সাধাৰণ নীতি মানি তেওঁ নাৰী-সঙ্গ কামনাৰ পৰিণাম যে শোচনীয় সেই বিষয়ে মন্তব্য নিদিয়াকৈ থকা নাই। বৈষ্ণৱ কৱি অনন্তকন্দলিৰ চুম্বক কথাত ঘটনাৰ যথাযথ বৰ্ণনা দিব পৰা শক্তি আৰু তাৰ মাজেদিও আদিৰস পৰিস্ফুট কৰাৰ চেষ্টা তেওঁৰ দশমৰ তলত দিয়া পদ কেইফাঁকিয়ে দেখুৱাব—

উষা বোলে প্ৰাণ সখী স্বপ্নত আছিলোঁ দেখি
পুৰুষেক ত্ৰৈলোক্য মোহন।
চাৰু শ্যাম কলেৱৰ দিব্য পীত বস্ত্ৰধৰ
ৰুচিকৰ কমল-লোচন॥
মহাবাহু মহাবল সুচৰিত্ৰ সুমঙ্গল
একো অঙ্গে নাহি ক্ষতিক্ষুণ।
কামিনী-মোহন বেশ দৰশনে হৰে ক্লেশ
কতনো কহিবো ৰূপ-গুণ॥
লযলাস বেশে আসি মোৰ মুখ চাই হাসি
মহাৰঙ্গে আলিঙ্গি ধৰিল।
মুখে মুখে ঘনে চুম্ব মৰ্দ্দিলেক কুচ-কুম্ভ
ৰতিৰস ভাব দৰশাইল॥
পিয়াই অধৰ মধু মনক হৰিয়া মোৰ
নাজানো লুকাই কোথা যায়।
তাঙ্কে আমি স্বামী বুলি বিচাৰোহো বিয়াকুলি
সখী মোক দিওক দেখাই॥

পেলাই কাম সমুদ্ৰত কিবা দোষ দেখি মোত
ত্যজি গৈল সিটো প্ৰাণ-নাথ।
নাপাওঁ যেবে তাঙ্ক স্বামী নিশ্চয়ে মৰিব আমি
সখী সত্য কহিলোঁ তোমাত॥ (দশম)

ইয়াৰ পাছত চিত্ৰলেখাই চিত্ৰত দেৱতা-গন্ধৰ্ব্ব-দানৱ-মানৱ সকলোৰে ছবি আঁকি আঁকি উষাক দেখুৱাবলৈ ধৰিলে। দশমৰ মতে উষাই ছবিত অনিৰুদ্ধক দেখি 'নাপাওঁ যেবে তাঙ্ক স্বামী, নিশ্চয় মৰিবো আমি' বুলি কৈয়ে ক্ষান্ত থাকে; কাব্যত দেখুৱাৰ দৰে আপোন-ঘাতিনী হবলৈ জুই জ্বলাই লৈ নতুবা হাতত কটাৰীৰে সাজু হোৱা নাই। উষা-অনিৰুদ্ধৰ গোপন-বিহাৰৰ চিত্ৰ কিন্তু স্বচক্ষে দেখা সাক্ষীৰ দৰে দশম স্কন্ধতো কৱি অনন্তকন্দলিয়ে চমুকৈ হলেও দিবলৈ পাহৰা নাই। কৱিৰ মতে ইযাত কিন্তু এই বৰ্ণনা ৰখীয়া সৈন্যবোৰেহে দিছিল। উষাই যেন—

ছেগ বুজি মুখ চাই হাসি মুচুকাই।
ঘনে ঘনে অন্বেষপুৰ্বক চলি যায়॥
স্তনে ঘন নখ ক্ষত উঠে দন্ত ঘাৱে।
চুম্বনৰ চটা মুখে উঠে ঠাৱে ঠাৱে॥
শিথিল মেখলা চিণ্ডি লুলে সাতসৰী।
নিত্যে সখীগণ হাতে গন্থাৱে সুন্দৰী॥
কঙ্কন নূপুৰ মণি থৈল সোলোকাই।
ঘৰ্ম্মজলে কুচৰ কুঙ্কুম বহি যায়॥
মুকুতা কাঞ্চলি ফোট আছে ঠাই ঠাই।
সঘনে সোলকে খোপা লোটাই মধাই॥
এহিমতে শৃঙ্গাৰৰ লক্ষণ যতেক।
নপাৰন্ত একোমতে উষা ঢাকিবাক॥

বস্ত্রে গাৱ ঢাকি যেবে ফুৰন্ত সুন্দৰী।
তথাপি লক্ষিল বীৰগণে হেতু কৰি॥ (দশম)

এনেবোৰ তেজৰ-পিৰপিৰণি তোলা আদিৰসাত্মক বৰ্ণনা দি শেষত কিন্তু বৈষ্ণৱী শান্তি-পানী চতিয়াই পাঠকক শান্ত কৰিবলৈ কৱিয়ে পাহৰা নাই বুলি আগতে উল্লেখ কৰা হৈছে। মোখনিত সেইবাবে কৱিয়ে কৈছে—

শুনা সভাসদ অনিৰুদ্ধ নিবোধন।
নাৰীৰ নিমিত্তে সুখে আছে কোন জন॥
নাৰীৰ সঙ্গক যিটো কৰে অভিলাষ।
জানিবা আপুনি সিটো হোৱে সৰ্ব্বনাশ॥

* * * *

দুৰ্গতিৰ মন্দিৰ জানিবা নাৰী সঙ্গ।
হেন জানি তেজিও ইহাৰ যত ৰঙ্গ॥
একেশ্বৰে আসিলাহা যাইবা একেশ্বৰে।
কৈত শুনি আছা পুত্ৰ ভাৰ্য্যা ৰক্ষা কৰে॥
হেন জানি ইটো আশা বাসা মনে ছাড়ি।
কৃষ্ণত ভকতি কৰা এক বুদ্ধি কৰি॥

বৈষ্ণৱী কৱিতাত প্ৰেম

প্ৰেম শব্দৰ সাধাৰণ অৰ্থ মৰম, অনুৰাগ বা ভালপোৱা, যেনে— ভ্ৰাতৃ-প্ৰেম, বাৎসল্য প্ৰেম, জীৱ-জন্তুৰ প্ৰতি প্ৰেম, দেশ-প্ৰেম, বিশ্ব-প্ৰেম ইত্যাদি। যদিও এই শব্দ নানা ঠাইত নানা প্ৰকাৰৰ মৰম বুজাবৰ কাৰণে ব্যৱহাৰ কৰা পোৱা যায়, তথাপি ইয়াৰ এটা পাৰিভাষিক বা বিশেষ অৰ্থ নোহোৱা নহয় আৰু তাক সম্পূৰ্ণভাৱে এৰি সি আঁতৰি নাযায়। বিপৰীত লিঙ্গৰ প্ৰতি বিপৰীত লিঙ্গৰ যি আকৰ্ষণ বা মৰম তাকে বুজাবলৈহে বিশেষ অৰ্থত ইয়াৰ প্ৰযোগ হয়। এই অৰ্থৰ পম খেদি গলে মনস্তাত্বিক পণ্ডিত ফ্ৰয়ডৰ প্ৰেম-তত্বতো উপনীত হোৱাটো অস্বাভাৱিক নহয়। অপত্য স্নেহৰ উৎস বিশ্লেষণ কৰি ফ্ৰয়ডে কয় যে শিশুসকলৰ ভিতৰতো পুত্ৰক মাতৃয়ে আৰু কন্যাক পিতৃয়ে অধিক স্নেহ কৰে। বিপৰীতে কন্যাৰো পিতৃৰ প্ৰতি আৰু পুত্ৰৰ মাতৃৰ প্ৰতি অনুৰাগ প্ৰবলতৰ। এনে ভাবৰ প্ৰেমেই বহল অৰ্থত বিয়পি পৰি প্ৰেমৰ সাধাৰণ অৰ্থ মৰমত পৰিণত হয। সি যি হওক, এইটো কিন্তু ঠিক যে প্ৰেম আৰু তাৰ প্ৰতিশব্দবোৰৰ ব্যৱহাৰ সাহিত্যত অন্য শব্দৰ তুলনাত অপেক্ষাকৃতভাৱে বেছি, সাহিত্যৰ, অকল সাহিত্যৰ কিয়—চিত্ৰ, ভাস্কৰ্য্যাদি সকলো কলাৰে মূল প্ৰেম। সেই হেতুকে সুসাহিত্যিক ডঃ নেওগে কৱি ৰঘুনাথ চৌধাৰীৰ কৱিতা আলচ কৰি কৈছে যে পৃষ্ঠাত তিনিটাকৈ পদ থকা তিনিকুৰি চাৰি পিঠিৰ ‘কেতেকী’ কাব্যখনতে বিহগী কৱিয়ে প্ৰেম শব্দটো স্পষ্টকৈয়ে কম পক্ষেও দুকুৰি চৈধ্য বাৰ ব্যৱহাৰ কৰিছে। বৈষ্ণৱ যুগৰ কৱিসকলৰ কাব্যতো ইয়াৰ মুক্ত প্ৰয়োগ পৰিলক্ষিত হয়।

গো-চাৰণ যুগত নৰ-নাৰীৰ মাজত যি প্ৰেম মুকলি বতাহত কমোৱা তুলাৰ দৰে উৰি ফুৰি যুৱা মন চঞ্চল কৰিছিল, বৈষ্ণৱ যুগত সিয়ে ক্ৰমে ভগৱন্মুখী হৈ দৈৱিক আৰু অলৌকিক গুণেৰে বিভূষিত হ'ল। বৈষ্ণৱোত্তৰ যুগত সিয়েই পুনৰ ৰজাঘৰীয়া পীৰিতি বা ডা-ডাঙৰীযা সকলৰ প্ৰেমলৈ ঢাল খালে। তেতিয়া প্ৰেমৰ আলোচনা নিবদ্ধ থাকিল ৰজা, মহাৰজা, কোঁৱৰ, সেনাপতি, ডা-ডাঙৰীযা আৰু বিষয়-ববীযাসকলৰ ভিতৰতে। নাৰীৰ ক্ষেত্ৰত অৱশ্যে সি এখন বহল ঠাই বিচাৰি ললে। অৱশ্যে ইয়াৰপৰা ইয়াকে বুজিব নালাগে যে প্ৰেমৰ বতাহে তেতিয়া ইতৰ শ্ৰেণীৰ লোকসকলক স্পৰ্শ কৰা নাছিল, নিশ্চয় কৰিছিল, মাত্ৰ সাহিত্যত সেইসকলৰ প্ৰেমৰ আলোচনা বা আদৰ হোৱা নাছিল। তাৰ পিছৰ যুগত আকৌ ইংৰাজ কৱিসকলৰ ৰোমান্টিচিজমৰ বলিয়া বতাহ প্ৰৱেশ কৰিলত কৱি-সাহিত্যিকসকলে সাধাৰণ জীৱনৰ প্ৰেম-কাহিনীবো কাব্য-উপন্যাস আদিত জয়গান গাবলৈ ধৰিলে। তেতিয়া চহা যুৱক-যুৱতী ধনবৰ-ৰতনীৰ নিঠকুৱা প্ৰেমেও পূৰ্ণ প্ৰকাশ লাভ কৰিবলৈ সমৰ্থ হ'ল।

বৈষ্ণৱ যুগত নৰ-নাৰীৰ অন্তৰৰ মিলন-বাসনাৰ মানপী প্ৰেমেই উপাস্য দেৱ-দেৱীত আৰোপিত হৈ অসাধাৰণ ৰূপ ধাৰণ কৰিছিল। তাৰ উদাহৰণ শ্ৰীকৃষ্ণৰ ৰাসলীলা, গোপীৰ বস্ত্ৰ-হৰণ, হৰমোহন ইত্যাদি। ভগৱান কৃষ্ণক কেন্দ্ৰ কৰি বৈষ্ণৱ সাহিত্যত প্ৰেমৰ বিপুল লীলা-খেলা আৰম্ভ হৈছে। ভক্ত কৱিসকলৰ কোনোৱে তেওঁক শিশু কৃষ্ণ, কোনোৱে যৌৱনোন্মত্ত প্ৰেমিক কৃষ্ণ, কোনোৱে বিশ্বপ্ৰেমী কৃষ্ণৰূপে লৈ বৰ্ণনাত ৰসৰ সৃষ্টি কৰিছে।

শ্ৰীকৃষ্ণ মহাভাৰতৰ যুগৰ ইতিহাস-প্ৰসিদ্ধ অৱতাৰ। কুৰুক্ষেত্ৰৰ ৰণৰ তেৱেঁই উদ্যোক্তা আৰু কবলৈ গলে সমগ্ৰ কুৰুক্ষেত্ৰ নাটকৰ তেৱেঁই সূত্ৰধাৰ স্বৰূপ। পাণ্ডৱসকল জীয়াই থকা কালতেই তেওঁ বৈকুণ্ঠ প্ৰয়াণ কৰে। শ্ৰীকৃষ্ণৰ জীৱনৰ মূল ঘটনাবোৰ সেইবাবে

মহাভাৰততে পোৱা যায়। বৈষ্ণৱী প্ৰেম-কাহিনী সমূহৰ উৎস স্বৰূপ গোপীৰ বস্ত্ৰহৰণ আৰু ৰাসলীলাৰ উল্লেখ কিন্তু মহাভাৰতত ক'তো পোৱা নাযায়। গোপীৰ বস্ত্ৰহৰণ আৰু ৰাসলীলাৰ মাজত ওতঃপ্ৰোত সম্বন্ধ। বস্তুতঃ গোপীৰ বস্ত্ৰহৰণতে আৰম্ভ হৈছে শ্ৰীকৃষ্ণৰ ৰাসলীলা। স্বীকাৰ কৰিব লাগিব যে বস্ত্ৰহৰণৰ ঘটনাটোত অলৌকিকত্ব আৰোপ নকৰিলে তাৰ বৰ্ণনা নগ্ন অশ্লীলতা দোষত দুষ্ট হৈ পৰিব।

বস্ত্ৰহৰণৰ বিষয়-বস্তু তেনেই তাকৰ। গোপীসকল আছিল বিবাহিতা তিৰোতা। তথাপি তেওঁলোকে কৃষ্ণক পতিৰূপে পাবৰ কাৰণে মনে-প্ৰাণে বাঞ্ছা কৰিছিল আৰু সেই উদ্দেশ্যে সুদীৰ্ঘ এমাহ কাল দুঃসাধ্য কাত্যায়নী ব্ৰত উদ্‌যাপন কৰিছিল। সদায় দোকমোকালিতে পূজাৰ সামগ্ৰী লৈ তেওঁলোক যমুনাৰ তীৰলৈ যায আৰু যমুনাত স্নান কৰি পূজা-অৰ্চ্চনা কৰে। স্নানৰ সময়ত তেওঁলোকে নিজ নিজ পৰিহিত বস্ত্ৰ নদীৰ পাৰত খুলি থৈ উলঙ্গ বেশে পানীত নামিছিল। এইদৰে সুদীৰ্ঘ এটি মাহৰ অন্তত যিদিনা ব্ৰত পূৰ্ণ হবৰ হ'ল সিদিনাও তেওঁলোকে আগৰ দৰে পাৰত কাপোৰ থৈ পানীত নামিল। এনে সময়তে ধেমেলীয়া কানায়ে আহি ছেগ চাই তেওঁলোকৰ বস্ত্ৰবোৰ গোটাই থুপুৰি কৰি লৈ যমুনাৰ তীৰত থকা কদম গছ এজোপাত উঠিলগৈ। কৃষ্ণৰ কাৰ্য্য দেখি গোপীসকল ঘোৰ বিপাঙত পৰিল। তেওঁলোক এতিয়া পাৰলৈ উঠি আহে কেনেকৈ, তেওঁলোক যে বিবস্ত্ৰা! ইফালে শৰৎকলীয়া শীতৰ প্ৰত্যূষত তেওঁলোক আছে আকণ্ঠ জলমগ্না হৈ। প্ৰাতঃস্নান তেওঁলোকৰ এদিনৰ কাম নহয়, ৰীতিগত অভ্যাস। শেষত নিৰুপায় হৈ বস্ত্ৰ ঘূৰাই দিবলৈ তেওঁলোকে কৃষ্ণক স্তুতি-নতি কৰিবলৈ ধৰিলে। কৃষ্ণই তেতিয়া কি ধৰণে তেওঁলোকৰ লজ্জা হৰণ কৰিলে সি অবৰ্ণনীয়। সকলো দিব পাৰে নাৰীয়ে কিন্তু দিব নোৱাৰে লজ্জা-বিসৰ্জ্জন। লজ্জা এবাৰ গলেই

তেওঁলোকৰ সকলো গ'ল। সেইবাবেই কোৱা হয়—'লজ্জা ললনানাং ভূষা' অৰ্থাৎ লজ্জাই নাৰীৰ প্ৰকৃত ভূষণ।

সি যি হওক, কৃষ্ণৰ কথামতে তেওঁলোকে পানীৰপৰা উঠি আহি কৃষ্ণৰ হাতৰপৰা নিজ নিজ বস্ত্ৰ গ্ৰহণ কৰিব লগীয়াত পৰিল। তাতো সন্তুষ্ট নহৈ কৃষ্ণই কলে—'তোমালোকে ব্ৰতৰ সময়ত বিবস্ত্ৰা হৈ স্নান কৰিছা, তাতে জলৰ দেৱতা বৰুণ আৰু নাৰায়ণৰ ওচৰত অপৰাধ হৈছে। সেই পাপ মোচন নহলে তোমালোকৰ ব্ৰত বিফলে যাব। গতিকে মূৰৰ ওপৰত দুয়ো হাতৰ বদ্ধাঞ্জলি ৰাখি তলৰ পানীলৈ চাই নমস্কাৰ কৰা, তাৰ পিছতহে বস্ত্ৰ গ্ৰহণ কৰিব পাৰিবা।' গোপীসকলে তেতিয়া উপায় নাপাই—

কৃষ্ণৰ বচনে এক হাতে ঢাকি
গুপ্ত অঙ্গ আপোনাৰ;
শিৰৰ ওপৰে এক হাত থৈ
কৰিলন্ত নমস্কাৰ॥ (দশম)

তেনেকৈ এখন হাতৰ নমস্কাৰ পাশ্চাত্যৰ গ্ৰহণীয় নীতি হব পাৰে, কিন্তু প্ৰাচ্যৰ নহয়। গতিকে পুনৰ দোষ ধৰি ক'লীয়া কানুই কলে—

এক হাতে যিটো দেৱক প্ৰণামে
তাৰ হস্ত কৰে ছেদ।—

গোপীসকলৰ তেতিয়া সমূলি উপায় নোহোৱা হ'ল। তেতিয়া তেওঁলোকে—

শুনি দুয়ো কৰ শিৰত তুলিল
ত্যজিয়া গুপুত অঙ্গ।—

ইমানতে কানাইৰো উদ্দেশ্য সিদ্ধি হ'ল। উলঙ্গ গোপীসকলৰ শেষ লজ্জাকণো এইদৰে হৰণ কৰা হ'ল। কৃষ্ণে তেতিয়া তুষ্ট হৈ

তেওঁলোকক এইবুলি বৰ দিছিল—'হে অবলা গোপীসকল, তোমালাকৰ মনোবাঞ্ছা সিদ্ধি হব, কাম্য ফল যথাসময়ত পাবা। এতিয়া ব্ৰজধামলৈ যোৱা। সমাগত চন্দ্ৰাৱলী নিশাচেৰেকত তোমালোকৰ মনস্কামনা মই পূৰ কৰিম'—

আসিব শৰৎ ৰাতি বিত্তোপন
বিকসিত বৃন্দাবনে।
মই সমন্বিতে কৰিবাহা ক্ৰীডা
পৰম আনন্দ মনে॥

বস্ত্ৰহৰণৰ এই মনোৰম উপন্যাস মহাভাৰত, হৰিবংশ বা বিষ্ণুপুৰাণ ক'তো নাই, ই একমাত্ৰ ভাগৱতৰ কাহিনী। আৰৌ ৰাসক্ৰীডা সম্পৰ্কেও মন কৰিবলগীয়া কথা এই যে ব্ৰজ-গোপীসকলৰ লগত কৃষ্ণৰ ৰাসক্ৰীডাহে নালাগে সেই সম্পৰ্কীয় কোনো কাৰ্য্যৰ উল্লেখেই মহাভাৰতত নাই। শিশুপাল বধৰ সময়ত শিশুপালে কৃষ্ণক নিন্দা কৰি গালি পাৰোতে কৃষ্ণৰ কোনোটো অপবাদকে তেওঁ উল্লেখ কৰিবলৈ পাহৰা নাছিল, তাতো কিন্তু গোপী-কৃষ্ণ সম্পৰ্কীয় এই আখ্যানটোৰ উল্লেখ নাই। তেতিয়া এই ঘটনা প্ৰচাৰিত হোৱাহেঁতেন তাৰ উল্লেখ তাৰপৰা কেতিয়াও বাদ নপৰিলে-হেঁতেন। মহাভাৰতৰ মতে দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ সময়ত মাথোন দ্ৰৌপদীয়ে কৃষ্ণক স্মৰণ কৰোতে 'গোপীজনপ্ৰিয় কৃষ্ণক' স্মৰণ কৰিছিল বুলি এটা উল্লেখ আছে। গোপীজন শব্দই আবাল-যুৱতী-বৃদ্ধা সকলো গোপীক সামৰে, গতিকে তাৰদ্বাৰা ৰাসলীলাত লিপ্ত থকা গোপীসকলৰ কথা ভাবিব নোৱাৰি। মুঠতে গোপীৰ বস্ত্ৰহৰণৰ কাহিনী ভাগৱতকাৰৰ নিজা সৃষ্টি আৰু সিয়ে বৃন্দাবনত ৰাসক্ৰীডাৰ সময়ত গোপী-কৃষ্ণৰ মিলনৰ কাৰণে পূৰ্ব্বৰাগ আৰু পটভূমিৰ সৃষ্টি কৰিছে। ৰাসক্ৰীডাৰ কাহিনী বিষ্ণুপুৰাণত যৎসামান্যৰূপে আৰু নিৰ্ম্মলভাৱে আৰম্ভ হৈছে, হৰিবংশত সি অলপ চঞ্চলতা লাভ

কৰিছে আৰু ভাগৱতত পূৰ্ণ বিকাশ লাভ কৰি ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত তেনেই ৰূপে-ৰসে-গন্ধে-স্পৰ্শে জাতিষ্কাৰ হৈ পৰিছে।

বৈষ্ণৱী প্ৰেমৰ উৎস শ্ৰীকৃষ্ণৰ ৰাসলীলা। এই ৰাসলীলাকে লৈ নানা কাব্য, নানা আলোচনা আৰম্ভ হৈছে। ভক্তসকলৰ কাৰণে যুগ যুগ ধৰি ই ৰহস্যময় চিন্তাৰ অফুৰন্ত উৎস হৈ আহিছে। তাৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ আভাস ওপৰত দিয়া হ'ল। তথাপি এইটো ঠিক যে ৰাসক্ৰিযাৰ সমগ্ৰ ঘটনাকে অলৌকিক কাহিনী আৰু দেৱতাৰ লীলা ৰূপে গ্ৰহণ নকৰিলে তাৰ সাধাৰণ ব্যাখ্যা অসম্ভৱ হৈ উঠে। বস্তুতঃ ভক্তসকলৰ মতে কৃষ্ণৰূপী পৰমব্ৰহ্ম বা পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰূপী গোপীসকলৰ দুৰ্নিবাৰ আকৰ্ষণৰ অভিঁব্যক্তিতে ৰাসলীলাৰ গূঢ তত্ত্ব নিহিত আছে। ৰাসলীলাৰ কৃষ্ণপ্ৰেমৰ আধ্যাত্মিক ব্যাখ্যাৰ কথা এৰি দিলেও সাধাৰণ অৰ্থতে সি অলৌকিক হৈ পৰে এইবাবে যে পণ্ডিতসকলে নিৰ্ণয় কৰা মতে ৰাসক্ৰীডাৰ সময়ত কৃষ্ণৰ বয়স আছিল মাত্ৰ আঠ বছৰ। কাজেই ই কৃষ্ণৰ শিশুলীলাৰ কাহিনী। আঠ বছৰীয়া শিশু কৃষ্ণে জানিবা বস্ত্ৰহৰণৰ দ্বাৰা গোপীসকলক লঘু-লাঞ্ছনা কৰি শিশু-মনৰ মৌলিক কৌতূহলৰ নিবৃত্তি সাধিলে, কিন্তু উপপতি হৈ গোপীসকলৰ কাম-বুভুক্ষা নিবাৰণ কৰিলে কেনেকৈ? ৰাসক্ৰীডাত তেওঁ গোপীসকলৰ লগত উপপতিৰূপে ক্ৰীডা কৰিছিল বুলি স্পষ্ট উল্লেখ আছে—

আনন্দে গোবিন্দে গোপিকাৰ বঢাই কাম।
ৰমিলা শৰত ৰাত্ৰি আতি অবিৰাম॥
কৰিয়া সুৰতি সন্তোষিলা মনমথ।
নিৰন্তৰে গোপীৰ পূৰিলা মনোৰথ॥

(ৰাসলীলা—দশম)

দ্বিতীয়তে আকৌ ষোল হাজাৰ গোপীৰ প্ৰত্যেকৰে লগত কৃষ্ণে 'যত গোপী তত কৃষ্ণ' হৈ বিহাৰ কৰিছিল—একে সময়তে।

তৃতীয়তে, বৃন্দাবনত কৃষ্ণৰ সৈতে ক্ৰীড়ামগ্ন হৈ থকা কালত গোপীসকলক ব্ৰজধামত তেওঁলোকৰ নিজ নিজ পতিয়ে নিজৰ লগতে শয্যাশায়িনী হৈ থকা পাইছিল। এই আটাইবোৰ তেনেই অলৌকিক কথা, আৰু তেনে অলৌকিকত্বই বৈষ্ণৱী প্ৰেমৰ মূল ৰহস্য।

ৰাসলীলাৰ প্ৰেমখেলাত আমি সাধাৰণ নৰ-নাৰীৰ যৌন প্ৰেমৰ প্ৰাকৃত ভাব যিমানে লক্ষ্য নকৰোঁ লাগিলে, এইটো হলে কিন্তু মানিবই লাগিব যে গোপী-কৃষ্ণৰ লীলাক্ষেত্ৰ বৃন্দাবনো অপ্ৰাকৃত বৃন্দাবন আৰু গোপিকাসকলো সাধাৰণ গোৱালিনী নহয়। সাধাৰণ অৱস্থাত বিবাহিতা কোনো নাৰীয়ে কাৰবাৰ সুললিত বংশী-ধ্বনি শুনি মাজনিশা পতিসঙ্গ পৰিহাৰ কৰি অভিসাৰিকাৰ ভেশত নিৰ্জ্জন বনলৈ ওলাই যাব নোৱাৰে—লাগিলে সেই বংশী-ধ্বনি যিমানেই চিত্তাকৰ্ষক নহওক। গতিকে বৈষ্ণৱ কৱিৰ বৃন্দাবনো অপ্ৰাকৃত বা অতিপ্ৰাকৃত বৃন্দাবন আৰু গোপিকা-সকলো অসাধাৰণ নাৰী অথবা যোগমায়াৰ নাৰীৰূপী বিগ্ৰহ মাত্ৰ। এই গোপীসকলৰ প্ৰেমত আছে সৰ্ব্বস্ব বিসৰ্জ্জন, আত্মসত্তা-বিলোপ, সৰ্ব্ববন্ধন ছেদ আৰু সৰ্ব্বসংস্কাৰ মুক্তি। সাধাৰণ নৰ-নাৰীৰ যৌন শৃঙ্গাৰ বা আদিৰসৰ ই বহুত ওপৰত আৰু লোকোত্তৰতাৰ গৰিমাৰে মহিমা-মণ্ডিত। এনে অলৌকিকতাপূৰ্ণ প্ৰেমৰ ক্ষেত্ৰত প্ৰেমিক-প্ৰেমিকাৰ মাজত যিবোৰ কাৰ্য্যই অনাচাৰ বা ব্যভিচাৰৰ চেকা সাধাৰণ লোকৰ মনলৈ আনিব খোজে সেইবোৰকো তেওঁলোকৰ কেৱল লীলাখেলা (লীলৈৱ কেৱলম্) বুলি সমাজত গ্ৰহণ কৰা হয়।

কাম আৰু প্ৰেমৰ মাজত পাৰ্থক্য বহুত। কামজ আকাঙ্ক্ষাই নিতৌ নৱৰূপ ধাৰণ কৰে আৰু প্ৰেমে বিচাৰে আত্মোৎসৰ্গ বা আত্মবিলোপ অৰ্থাৎ এটাতে মজি যাবলৈ। গোপীসকলৰ কৃষ্ণ-প্ৰাপ্তিৰ আকাঙ্ক্ষা পোনতে কামজ হলেও কৃষ্ণপ্ৰাপ্তিৰ লগে লগে

সি প্ৰেমত ৰূপান্তৰিত হৈছিল আৰু সেই বাবেহে ঘৰলৈ উভতি যাবলৈ কৃষ্ণই বাৰে বাৰে বুজাই কোৱা সত্ত্বেও তেওঁলোকে কৃষ্ণৰ সঙ্গ ত্যাগ কৰিব নোৱাৰিছিল।

বৈষ্ণৱ কৱিসকলৰ হাতত প্ৰেম শব্দটো ব্যাপক অৰ্থত ব্যৱহৃত হৈছিল। স্নেহ, দয়া, ভক্তি, মৰম, সৌহাৰ্দ্দ্য আদি সেই পৰ্য্যায়ৰ ভাব প্ৰকাশ কৰিবৰ কাৰণে তাক সঘনে ব্যৱহাৰ কৰা হৈছিল। তেনেকৈয়ে আদিৰসৰ লগত সংশ্লিষ্ট থকা শৃঙ্গাৰ, ৰতি, সম্ভোগ, প্ৰীতি, বিলাস, ৰমণ আদি শব্দৰ প্ৰযোগো সেই যুগৰ সাহিত্যত কম নাছিল। সেই শব্দবোৰ সাধাৰণ অৰ্থত এনে যেন লাগিলেও সেইবোৰৰ প্ৰত্যেকৰে বিশেষ অৰ্থ নথকা নহয়, যেনে শৃঙ্গাৰ আৰু ৰতিয়ে বিশেষ অৰ্থত পুৰুষ আৰু নাৰীৰ মাজৰ ভালপোৱাৰ চোকা অৱস্থাটো বুজাইছিল, যেনে—

মহা কামাতুৰ ইন্দ্ৰ ৰতিত কুশল।
ষোড়শ শৃঙ্গাৰ ভাব দেখাইলা সকল॥ (মাধৱদেৱ)

* * *

অনন্তৰে ৰতিৰঙ্গ ভৈলন্ত দুহাৰ।
ভৈল মনোৰথ পূৰি ষোড়শ শৃঙ্গাৰ॥ (অনন্তকন্দলি)

ইয়াৰ প্ৰথম উদাহৰণত ইন্দ্ৰ-অহল্যাৰ আৰু দ্বিতীয় উদাহৰণত উষা-অনিৰুদ্ধৰ অনঙ্গ-ৰঙ্গ প্ৰকট হৈছে।

প্ৰবল অনুৰাগ বুজাবৰ কাৰণেও সাধাৰণ অৰ্থত ৰতি শব্দৰ প্ৰয়োগ হয় আৰু অতীততো তেনে প্ৰয়োগ চলিছিল, যেনে—

কায় বাক্য মনে এহিসে বাঞ্ছোহো
তোহ্মাত থাকোক মতি।
জন্মে জন্মে মোৰ মনে নচাৰোক
তোমাৰ চৰণে ৰতি॥
(ভাগৱত, প্ৰথম স্কন্ধ—শঙ্কৰদেৱ)

সেইদৰে প্ৰেম শব্দটোৰ বিবিধ প্ৰয়োগো মন কৰিবলগীয়া। বয়সত জ্যেষ্ঠ বা জ্ঞানত শ্ৰেষ্ঠ জনৰ প্ৰতি হোৱা মৰমকে ভক্তি বোলে আৰু বয়সত যিজন সৰু তেওঁৰ প্ৰতি ওপজা আদৰ ভাবকে স্নেহ বা মৰম বোলে। সমবয়স্ক বা কনিষ্ঠজনৰ প্ৰতি ওপজা সেই একে ভাবেই প্ৰীতি নাম পায়। এই সকলোবোৰ ভাবকে প্ৰেম শব্দই বিভিন্ন স্থানত সম্যকভাৱে প্ৰকাশ কৰিছিল—বৈষ্ণৱ কবিসকলৰ হাতত ; যেনে,—

অনন্তৰে ধৈৰ্য্য ধৰি কৰিলন্ত কৃতাঞ্জলি
দণ্ডৱতে পৰি মহাবীৰে।
প্ৰেমৰ নাহিকে পাৰ কৰিলন্ত নমস্কাৰ
কৃষ্ণৰ চৰণ ছুয়া শিৰে॥

(ভাগৱত, একাদশ স্কন্ধ—শঙ্কৰদেৱ)

ইয়াত ভক্ত উদ্ধৱৰ শ্ৰীকৃষ্ণৰ প্ৰতি থকা ভক্তিকেই প্ৰেম বোলা হৈছে। স্নেহ ভাব বুজাবৰ কাৰণে আকৌ প্ৰেম শব্দৰ প্ৰয়োগ চাওক—

এহি বুলি **প্ৰেমত** আকুল মহাশান্তী।
নিজ পুত্ৰৰূপে প্ৰদ্যুম্নক সম্ভাষন্তী॥

(দশম স্কন্ধ, অনন্তকন্দলি)

আৰু—

প্ৰেমে পুলকিত তনু আলিঙ্গিয়া পুনু পুনু
হৰিষে কৰন্ত শিৰ ঘ্ৰাণ।

(বিষ্ণুপুৰী সন্ন্যাসী, ৪ৰ্থ স্কন্ধ)

ওপৰৰ দুয়ো ক্ষেত্ৰতে ক্ৰমে ৰুক্মিণীৰ নিজ পুত্ৰ প্ৰদ্যুম্নৰ প্ৰতি আৰু ৰজা উত্তানপাদৰ ধ্ৰুৱৰ প্ৰতি থকা অপত্য স্নেহকে প্ৰেম বোলা হৈছে। সেই একে ভাবকে প্ৰেম নুবুলি স্নেহ শব্দৰ প্ৰয়োগেৰে তলৰ পদ কেইশাৰীত প্ৰকাশ কৰা হৈছে—

উদ্ধৱে কৃষ্ণৰ শুনি বাণী।
কৃতাঞ্জলি ভৈল মহামানী॥
মাতিবে নোৱাৰি আছা ৰহি।
চক্ষুৰ লোতক পৰে বহি॥
স্নেহে আকুল ভৈল মন।
ধৈৰ্য্য ধৰি ভৈলা সন্ধুক্ষণ॥ (ভাগৱত, দশম স্কন্ধ)

ৰতি অৰ্থত প্ৰেমৰ প্ৰযোগ সহজে পোৱা যায, উদাহৰণ স্বৰূপে যেনে,

বংশীৰ শুনিযা নাদ উত্ৰাৱল মনে।
কৃষ্ণক সাদৰে অতি প্ৰেম নিৰীক্ষণে॥

আৰু—

কৃষ্ণ পদ পৰশে ওপজে প্ৰেমভাৱ।
তৃণসৱ শিহৰে ৰোমাঞ্চ হোৱে গাৱ॥ (দশম স্কন্ধ)

এই দুয়োটা উদাহৰণতে কৃষ্ণৰ বাঁহীৰ মাত শুনি গোপীসকলৰ অন্তৰত ওপজা প্ৰেম আৰু কৃষ্ণৰ পাদস্পৰ্শ লভি তৃণাদিতো হোৱা প্ৰেম-শিহৰণৰ ইঙ্গিত আছে।

ৰতি অৰ্থৰ প্ৰেমৰ লগত মানসিক আকৰ্ষণৰ মাত্ৰ সম্বন্ধ আছে, তাতকৈ বেছি নাই, অৰ্থাৎ আকৰ্ষণ চলি থকা পৰ্য্যন্ত সি প্ৰেম হৈ থাকে। সেই আকৰ্ষণত শৰীৰৰ অবযৱ বিকাৰগ্ৰস্ত হবলৈ ধৰিলেই সি কামত পৰিণতি লাভ কৰে, যেনে, সুভদ্ৰা হৰণৰ সময়ত অৰ্জ্জুনক দেখি সুভদ্ৰাৰ অৰ্জ্জুনৰ প্ৰতি যি শ্ৰদ্ধাপূৰ্ণ আকৰ্ষণ হৈছিল সেযে আছিল প্ৰেম, তাত আত্ম-সমৰ্পণৰ ভাব নিহিত আছিল। অৰ্জ্জুনৰ কিন্তু কি হৈছিল? তেওঁ সুভদ্ৰাক দেখি প্ৰেমৰ বিপুল আকৰ্ষণ অনুভৱ কৰিযে থকা নাছিল, তেওঁক আত্মসাৎ কৰিবলৈ তনু-মন আদিও ক্ৰমে বিকাৰগ্ৰস্ত হৈছিল। দুয়োৰো ভাবৰ বৰ্ণনা দশম স্কন্ধ, ভাগৱতত এইদৰে আছে—

এহি মনে গুণি কৃষ্ণৰ ভগিনী
ভৈলা অতি প্ৰেম ভাৱ।
অৰ্জ্জুনক দেখি চাহিছা নিৰেক্ষি
প্ৰেমে পুলকিত গাৱ॥

কিন্তু অৰ্জ্জুনৰ হলে সুভদ্ৰাক দেখি আৰু সুভদ্ৰাৰ প্ৰেমপূৰ্ণ দৃষ্টি-লাভ কৰি প্ৰেম উপজিয়ে নাথাকিল, কাম ভাবো উপজিল—

সুভদ্ৰাৰ চিত্তনেত্ৰ অৰ্জ্জুনত প্ৰৱেশিলা
টানিলেও নাযায় আন ভিতি।
অৰ্জ্জুনৰো তনু-মন কামে ভৈল বিমোহিত
ধৈৰ্য্য ধৰি ৰাখিলন্ত মতি॥

অকল সিমানেই নহয়, তেওঁৰ আৰু কি হ'ল ?—

বলৱন্ত কামজ্বৰে চিত্তক আকুল কৰে
মনত নিমিলৈ একো সুখ।
কেতিক্ষণে ছিদ্ৰ পাইবো সুভদ্ৰাক হৰি নিবো
এহি চিন্তি ভৈলা মহাদুখ॥

মুঠতে প্ৰেম, ৰতি, পীৰিতি আদি আদিৰস ব্যঞ্জক শব্দবোৰৰ প্ৰয়োগ ভক্ত কৱিসকলে সুশ্ৰাব্য কৰি বিভিন্ন ঠাইত বিভিন্ন অৰ্থত সঘনে ব্যৱহাৰ কৰিছিল। শ্ৰৱণ-কীৰ্ত্তনত কাম আৰু প্ৰেম ভাবৰ আৰু দৃষ্টিত মদনৰ উৎপত্তি। সেই মদনেই মাত্ৰাত ক্ৰমাগত বাঢি গৈ ৰতি, শৃঙ্গাৰ আদিত পৰিণত হয়। তাৰ উল্লেখ মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাতে মন কৰিবলগীয়া। ব্ৰজগোপীসকলে কাত্যায়নী ব্ৰত কৰি থকা সময়ত মনে-প্ৰাণে অনুক্ষণে কৃষ্ণৰ ৰূপ-গুণৰ কথা ভাবিছিল আৰু চৰ্চ্চা কৰিছিল। তাতেই তেওঁলোকৰ কৃষ্ণ-প্ৰেম মনত জাগি উঠিছিল। তেতিয়া তেওঁলোকৰ অৱস্থা হৈছিল—

মনত পৰন্ত ৰূপ বসন-ভূষণ।
প্ৰেমে তন্তালেক নাসে মুখত বচন॥

এনে সময়তে তেওঁলোকে এদিন কৃষ্ণৰ মধুৰ বংশীধ্বনি শুনিবলৈ পালে। তেতিয়া তেওঁলোক স্থিৰে থাকিব নোৱাৰি কামে জৰ্জ্জৰিত হ'ল—

ব্ৰজৰ যুৱতী সব শুনি সিটো গীত।
ভৈলন্ত ব্যামোহ কামে অতি জৰ্জ্জৰিত॥

তেওঁলোকৰ অন্তৰত ওপজা কামে কৃষ্ণ-দৰ্শন লাভ কৰি মদনত পৰিণতি লভিলে। ইয়াতে কাম আৰু মদনৰ পাৰ্থক্য মন কৰিব পাৰি—

কামিনী মোহন ৰূপ দেখি মাধৱৰ।
মদনে বিহ্বল কৰে কম্পে কলেৱৰ॥

তাৰ পিছৰ অৱস্থাত ৰতি আহি পৰে—

গোপীসৱে কৰে তনু কুঙ্কুমে ৰঞ্জিত।
ৰতি সমযত লাগে কৃষ্ণৰ ভৰিত॥

ই কুঙ্কুম কিন্তু সাধাৰণ কুঙ্কুম নাছিল। স্পৰ্শত সোঁচৰা ব্যাধি বিয়পাৰ দৰে ইযাৰো স্পৰ্শই কামভাব জগাই তুলিছিল। ছুলে কিয়, দেখিলেও কামভাব জাগি উঠিছিল। কৃষ্ণৰ চৰণ-কুঙ্কুম খোজ কাঢোতে বৃন্দাবনৰ ঘাঁহ-বনত লাগিছিল। তাকে দেখিযে নতুবা তাৰ পূত স্পৰ্শ লাভ কৰিয়ে বনচৰী কিৰাতিনীসকলো কাম-বিহ্বলা হৈ পৰিছিল—

(কৃষ্ণে) বৃন্দাবন ভ্ৰমন্তে বনত লাগি থাকে।
পাৱে পীড়া কামে কিৰাতিনী দেখি তাকে॥

আগতে কোৱা হৈছে যে অপ্ৰাকৃত বা অতিপ্ৰাকৃত বৰ্ণনা বৈষ্ণৱী প্ৰেমৰ এটা প্ৰধান লক্ষণ। তেনে অতিপ্ৰাকৃততাই কেতিয়াবা কেতিয়াবা উৎকট ৰূপ গ্ৰহণ নকৰাকৈও থকা নাই, উদাহৰণ, যেনে, লক্ষ্মীৰ ত্ৰৈলোক্য-মোহন ৰূপ দেখি মহাদেৱ তো বিমোহিত হ'লেই, তেওঁৰ বাহন বৃদ্ধ বৃষভটোও কাম-বিহ্বল হ'ল

ত্ৰিনয়নক গাযে-মূৰে মেৰিযাই থকা বিশাল সৰ্পবোৰৰো সেই একে অৱস্থা। ই কেনে ধ্ৰৱণৰ কথা?

শিৱৰ লাগিল কটাক্ষ ছটা।
কামে জৰ্জ্জৰিত কাম্পয জটা।
হাতৰ পৰিল ডম্বৰু শূল।
গাৱৰ সৰ্প সিও বিযাকুল॥

*　　*　　*

ভৈলন্ত উলঙ্গ দেৱ ভোলানাথ।
হাতে অঙ্গ ঢাকি চপৰায় মাথ॥
লক্ষ্মী-মুখ দেখি শিৱ বলধ।
ভৈল মন তাৰ কামে দগধ॥
অতি বিয়ামোহ হৰক ল'ই।
পৰিল পাছে সিও মূৰ্চ্চা গ'ই॥ (ভাগৱত, অষ্টম স্কন্ধ)

নাৰী-মূৰ্ত্তি দেখি বৃষভ বা সৰ্পৰ কামভাব জাগি উঠা অলৌকিকতাৰ চৰম নিদৰ্শন। বৈষ্ণৱ কবিতাত কিন্তু তাকো অপ্ৰাসঙ্গিক বা অনুচিত যেন অনুমান নহয়।

বৈষ্ণৱৰ দৃষ্টিত প্ৰেমিকাৰূপে গোপীসকলে কৃষ্ণত আত্ম-সমৰ্পণ কৰোঁতেও তেওঁলোকৰ মনত একো অহং ভাব থাকিব নোৱাৰে; থাকিলে সি ইতৰ প্ৰেমত পৰিণত হব। প্ৰেমিক-প্ৰেমিকাৰ ক্ষেত্ৰত সাধাৰণতে উপভোগৰ চৰম অৱস্থাত দুয়োৰো সমান অধিকাৰ, কিন্তু বৈষ্ণৱী প্ৰেমৰ ক্ষেত্ৰত সেই সূত্ৰ নাখাটে। প্ৰেমিকা গোপীসকলে প্ৰেমিক কৃষ্ণত আত্মসমৰ্পণ কৰিয়ে ক্ষান্ত থাকিব লাগিব, সমস্বত্ব বিচাৰিব নোৱাৰে আৰু বিচাৰিলেই তেওঁলোকৰ মনত অহং ভাব উপজিব আৰু তেতিয়াই তেওঁলোকে প্ৰেমিক ভগৱানৰ সঙ্গৰ পৰা বঞ্চিত হব। কাৰ্য্যত এবাৰ সেইটো নঘটাকৈও নাছিল, কৃষ্ণক ৰাসক্ৰীড়াৰ চূড়ান্ত আনন্দৰ মাজত

গোপীসকলে তেওঁলোকৰ বশলৈ আনিব খোজোতেই তেওঁ তেওঁলোকৰ কবলমুক্ত হৈ নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছিল। ভক্তসকলে ইয়াতেই গোপী-কৃষ্ণৰ ৰাসক্ৰীড়াত আত্মা-পৰমাত্মাৰ সম্বন্ধ বিচাৰি পায়। মহাপুৰুষ শঙ্কৰদেৱৰ মনত বৈষ্ণৱী প্ৰেমৰ এই সংজ্ঞা সজাগ আছিল বাবেই তেওঁ গীতি-কবি পীতাম্বৰৰ 'কোন অঙ্গে খুন দেখি নাইলা যদুমণি'—বচনত আসোঁৱাহ দেখা পাইছিল। জগদীশ্বৰ কৃষ্ণক পতিৰূপে পাবলৈ ইচ্ছা কৰি যি নাৰীয়ে নিজৰ অঙ্গ-সৌন্দৰ্য্যৰ গৰ্ব্বেৰে গৰ্ব্বিতা হৈ তেওঁক সেইমতে আহ্বান কৰিব খোজে তেওঁ বৈষ্ণৱ-দৃষ্টিত আদৰ্শ প্ৰেমিকা হব নোৱাৰে। শঙ্কৰদেৱৰ কাব্য আৰু নাটৰ ৰুক্মিণী-চৰিত্ৰলৈ মন দিলেই কথাটো স্পষ্ট হৈ পৰিব। বৈষ্ণৱ কবিৰ ৰুক্মিণীয়ে কৃষ্ণক তিনিও লোকৰ ঈশ্বৰ 'সুৰাসুৰ বন্দিত পুৰুষোত্তম' বুলিহে স্বামীৰূপে পাবলৈ বাঞ্ছা কৰিছিল আৰু নিজৰ জীৱন যৌৱন তেওঁৰ ওচৰত সমৰ্পণ কৰি কৃতাৰ্থ মানিছিল। মুঠতে অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ কল্পিত কৃষ্ণ-প্ৰেম সাধাৰণ প্ৰেমৰ বহুত ওপৰত আৰু ভগৱদ্ভক্তিও 'সাহিত্যৰ প্ৰসিদ্ধ নববিধ ৰসৰ বীজ স্বৰূপ হলেও তাৰ উৰ্দ্ধত অৱস্থিত'।

(মনোৰঞ্জন শাস্ত্ৰী)।

আদিৰসৰ আবেদন বা প্ৰেমৰ আকৰ্ষণ বিশ্বজোৰা। সেই হেতুকে ধৰ্ম্মশাস্ত্ৰতো প্ৰেম বা আদিৰসৰ স্থান অস্বীকাৰ কৰা নাযায়। দুৰ্দ্দান্তজনকো প্ৰেমেৰে বশ কৰা যায়। সেই হেতুকেই বিষ্ণুশৰ্ম্মাৰ দৰে পণ্ডিতেও অমৰশক্তি ৰজাৰ মূৰ্খ পুত্ৰসকলক শিক্ষা দিবলৈ ভাৰ গ্ৰহণ কৰি উঠি যি পাঠ্যক্ৰম তৈয়াৰ কৰিছিল তাতো 'বাৎসায়নাদিনি কামশাস্ত্ৰানি' বুলি বাৎসায়নৰ কামশাস্ত্ৰক তাৰ অন্তৰ্ভুক্ত কৰি লৈছিল। মহাপুৰুষ শঙ্কৰদেৱেও জনগণ-মনস্তুষ্টিৰ কাৰণে সেই একে পদ্ধতিতে কীৰ্ত্তনৰ দৰে ধৰ্ম্মগ্ৰন্থত হৰমোহন, ৰাসক্ৰীড়া আদিৰ আকৰ্ষণীয় বৰ্ণনাৰ স্থান দিছিল।

মাধৱকন্দলিৰ ৰামায়ণত আদিৰস

অসমীয়া ৰামায়ণ-কৱিসকলৰ ভিতৰত মাধৱকন্দলিকেই 'আদি আৰু অপ্ৰমাদী' কৱি বুলি গণ্য কৰা হয়। বাল্মীকি-ৰামায়ণৰ মূলানুগ অনুবাদ হিচাবেও মাধৱকন্দলিৰ ৰামায়ণ এখন শ্ৰেষ্ঠ কাব্য, শ্ৰেষ্ঠ অকল অসমীয়া ৰামায়ণ হিচাবেই নহয়, সমসাময়িক প্ৰাদেশিক ভাষাৰ অনুবাদ সমূহৰ ভিতৰতে শ্ৰেষ্ঠ। মূলৰপৰা অনুবাদ কৰোতে সেইবুলি মাধৱকন্দলিয়েও যে নতুন কথা একেবাৰে তাত যোগ-বিয়োগ কৰা নাছিল এনে নহয়। কিষ্কিন্ধ্যা কাণ্ডত তেওঁ নিজে পুথিৰ পাতনিত কোৱাৰ দৰে কৈছে—

> বাল্মীকি কৰিলা শাস্ত্ৰ গদ্য-পদ্য ছন্দে।
> তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে॥
> আপোনাৰ বুদ্ধি অৰ্থ যিমত বুজিলোঁ।
> সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ॥ ইত্যাদি।

অন্য এঠাইত তেওঁ এই কথাও স্পষ্টভাৱে কৈছে যে তেওঁৰ ৰামচন্দ্ৰ বাল্মীকিৰ ৰামায়ণৰ ৰামচন্দ্ৰৰ দৰে নৰশ্ৰেষ্ঠ ৰামচন্দ্ৰ বা দেৱতা ৰামচন্দ্ৰ নহয়, তেওঁৰ কাব্যও লোকাচাৰ বা লৌকিকতালৈ লক্ষ্য ৰাখি ৰচনা কৰা কাব্যহে, দেৱতাৰ কাহিনীৰে পৰিপূৰ্ণ ধৰ্ম্মপুথি নহয়। কৱিয়ে সেইবাবে তাত প্ৰয়োজন মতে নতুন কথাও দুই-একোটা সংযোগ কৰিছিল।

কাম-মোহিত ক্ৰৌঞ্চযুগলৰ এটাক নিষ্ঠুৰ ব্যাধে নিহত কৰাৰ করুণ কাহিনীতে যি কাব্যৰ পাতনি তাত যে আদিৰসপূৰ্ণ কথা পৰ্য্যাপ্ত পৰিমাণে থাকিব সেইটো সহজে অনুমান কৰা যায়, কিন্তু আদি কৱিৰ মূল কাব্যৰ সৌন্দৰ্য্য অক্ষুন্ন ৰাখি অসমৰ অপ্ৰমাদী পূৰ্ব্বকৱি মাধৱকন্দলিয়ে কেনেকৈ আদিৰসপূৰ্ণ নতুন কথাৰ তাত

সমাবেশ কৰিছিল, নতুবা মূলৰ কথাকে কিদৰে নতুনভাৱে সজাই সমাজৰ তৃপ্তিকৰ কৰি তুলিছে সেইটোহে বিশ্লেষণৰ বিষয়।

মাধৱকন্দলিৰ ৰামায়ণৰ আদি কাণ্ড আৰু উত্তৰা কাণ্ড ক্ৰমে মাধৱদেৱ আৰু শঙ্কৰদেৱ বিৰচিত। সেইবাবে সেই দুই কাণ্ডৰ আলোচনা মাধৱকন্দলিৰ ৰামায়ণৰ আলোচনাৰ অন্তৰ্ভুক্ত নহয়। কন্দলি ৰামায়ণৰ অযোধ্যা কাণ্ডৰ কথাকে পোনতে চোৱা যাওক।

ৰাণী কৈকেয়ীয়ে দশৰথ ৰজাৰপৰা লোৱা বৰ মতে কৈকেয়ী-পুত্ৰ ভৰত ৰজা হব আৰু ৰামচন্দ্ৰ চৈধ্য বছৰৰ বাবে বনলৈ যাব। ৰামচন্দ্ৰ তাৰ বাবে প্ৰস্তুত হ'ল। তেওঁ মাতৃ কৌশল্যা আৰু বিমাতাসকলৰপৰা বিদায় লৈ সীতাৰ ওচৰলৈ গ'ল। সীতাই এইবোৰ কথাৰ তেতিয়াও গম-গতি পোৱা নাছিল। তেওঁ তেতিয়া শয়ন কক্ষত বহি 'মোৰ স্বামী ৰাম, ৰজা হৈবো আজি, আমি হৈবো পটেশ্বৰী' বুলি ভাবি ৰামচন্দ্ৰৰ আগমনৰ কাৰণে অপেক্ষা কৰি দুৱাৰমুখলৈ চাই আছিল।

প্ৰসন্ন নয়ন হৰিষ বদন
কৰি দুৱাৰক চাইল।
প্ৰাণনাথ ৰাম গুণে অনুপাম
আসা দৰিশন পাইল।

এনে এটা আনন্দৰ মুহূৰ্ত্তত ৰামচন্দ্ৰক বিষন্ন বদনে অহা দেখি তেওঁ আচৰিত হ'ল আৰু সেই বিষন্নতাৰ কাৰণ সুধি, সকলো বুজিব পাৰি 'হা প্ৰভু বুলি, পৰিলা ভূমিত, হৃদয়ত মুঠি হানি।' ক্ষন্তেক পিছত চেতন লভি—

নযাইবাহা প্ৰভু বুলিয়া জানকী
আঞ্চলত ধৰিলন্ত।
যেন লক্ষ্মীদেৱী ঈশ্বৰ বিষ্ণুৰ
চৰণত পৰিলন্ত॥

ৰামে তেতিয়া বিদায় লবলৈ বুলি পুনঃ সীতাৰ ফালে এবাৰ মূৰ তুলি চালে। তেওঁৰ মানস-পটত তেতিয়া অতীতৰ অনেক চিত্ৰ উদয় হবলৈ ধৰিলে। সৰ্ব্বাঙ্গ-সুন্দৰী সীতাৰ অনুপম ৰূপে তেওঁক যেন সিদিনা নতুনকৈ মুগ্ধ কৰিলে। তেওঁৰ মনত হ'ল সীতাৰ ভ্ৰূযুগল যেন এখন বিতোপন ধনুহে আৰু সীতাৰ কটাক্ষ-দৃষ্টি তাত যুৰি থোৱা শৰ—'ভ্ৰুবযুগ ধনুত কটাক্ষ যেন শৰ'—আৰু

নীলোৎপল দল সম নয়ন যুগল।
দেখি মুনিগণে হোৱে মোহিত সকল॥
নাসা ভৈল তিলফুল বন্দুলি অধৰ।
মুকুতা-পঙ্‌তি দন্ত পান্তি মনোহৰ॥

এইহেন ৰূপলৈ চাই থাকোঁতে আৰু অনেক ভাব তেওঁৰ মনলৈ আহিল। সীতাৰ বাহুদ্বয় যেন বাহু নহয়, পদুমৰ মোলানহে আৰু উদৰস্থিত মাংস-সঙ্কোচনৰ ভাঁজবোৰ যেন অবিস্মৰণীয় স্বৰ্ণৰেখাহে—

বাহু দুইখান তোৰ মৃণালৰ সৰি।
উদৰত ত্ৰিবলিকা স্বৰ্ণখাটখৰি॥

অনিন্দ্যসুন্দৰী সীতাৰ মধ্যদেশৰ লোভনীয় অংশৰ কথা মনলৈ অহাত ৰামে ভাবিছিল সি যেন সাক্ষাৎ অমৃতৰ আকৰ। তেওঁৰ তেতিয়া কল্পনাত এনে অনুমান হৈছিল যেন তাহানি মদন ভস্মৰ সময়ত শিৱৰ কোপ-বহ্নিয়ে মদনক দহিবলৈ ধৰাত তৎমৎ নাপাই মদন কেউফালে পলাই ফুৰিছিল আৰু ক'তো কোনো ঠাইতে জুৰণি নাপাই শেষত তেওঁ আহি সীতাৰ নাভিৰূপী সৰোবৰত বুৰ মাৰি তাকেই তেওঁৰ নিজৰ কাম্যস্থান বুলি ভাবি তাতেই জিৰণি লৈ তাৰ দুৱাৰ বন্ধ কৰি দিছিল। অৰ্দ্ধদগ্ধ কামদেৱৰ শৰীৰৰ বহ্নি সীতাৰ নাভি-সৰোবৰত প্ৰৱেশ কৰিছিল হেতুকে সেই বহ্নিৰ ধোঁৱা স্বৰূপে সীতাৰ উদৰত নাভি-সংলগ্ন হৈ এশাৰী নোমৰ আবিৰ্ভাব হৈছিল। সীতাৰ কঁকালটোও কঁকাল নহয়, যেন এটা বিতোপন

ডম্বৰুৰ মধ্যভাগহে। তেওঁৰ বিশাল নিতম্বদেশ মনোহৰ স্বৰ্ণহাৰে সুশোভিত কৰি ৰাখিছিল। কামাঙ্গ আছিল সাক্ষাৎ অমৃতৰ কুণ্ড।

হৰ-কোপ-বহ্নি পীড়ে খুজি নাপাই জুৰ।
নাভি সৰোবৰে কামদেৱে দিলে বুৰ॥
নিজ পুৰ পশি পাছে মুদিল দুৱাৰ।
উদৰৰ নোমপান্তি ধুম ভৈল তাৰ॥
ডম্বৰুৰ মধ্যদেশ সদৃশ কঙ্কাল।
কাঞ্চিয়ে ৰঞ্জিত অতি নিতম্ব বিশাল॥
অমৃতৰ কূপ সম মন্মথৰ পুৰ।
সৰস জঁঘন তোৰ প্ৰকাশে প্ৰচুৰ॥

ইযাত বিশেষ উল্লেখযোগ্য কথা এই যে উপৰোক্ত বৰ্ণনাৰ অভিনৱ কল্পনা মাধৱকন্দলিৰ নিজস্ব সৃষ্টি, বাল্মীকিৰ ৰামায়ণত নাই। 'অমৃতৰ কূপসম মন্মথৰ পুৰ'—এনে ধৰণৰ শক্তিশালী আৰু গাম্ভীৰ্য্যপূৰ্ণ প্ৰকাশ-ভঙ্গী মাধৱকন্দলিৰ লিখনীৰ এটা বিশেষত্ব। ইয়াত কল্পনাৰ চপলতাক ভাষাৰ মনোমোহা আৱৰণে শোভনীয়-ভাৱে ঢাকি ৰাখিছে।

সীতাহেন সুন্দৰী ভাৰ্য্যাক এৰি থৈ বনবাসী হব লগীয়া হোৱাত ৰামৰ মনে ঘনে ঘনে শোকত হাহাকাৰ কৰি উঠাটোও স্বাভাৱিক। তেওঁৰ ৰূপ-পিপাসী ডেকা মনটোৱে সীতা-সুন্দৰীৰ অনিন্দ্য অঙ্গ-সৌন্দৰ্য্য স্মৰণ কৰি এইদৰে বিলাপ কৰিছিল—

সুকুমাৰ উৰু ৰাম কন্দলীৰ সম।
জঙ্ঘা দুইৰ কান্তি আতি দেখি মনোৰম॥
সুগুপুত গ্ৰন্থি অতি ৰঙা দুই পাও।
নৱ কিশলয় দল সদৃশ স্বভাৱ॥
পন্থৰ গমনে কুঞ্জৰৰ তেজ হৰে।
নূপুৰৰ শবদে সাৰস অনুসাৰে॥

সূৰ্য্যৰ উপমা দুই কুণ্ডলৰ জ্যোতি।
তৰাগণ চমক মাণিক গজমতি॥
সুৰগণ গন্ধৰ্ব্ব নাগৰ তেজ হৰে।
বেশ দেখি যুৱতে কিমতে প্ৰাণ ধৰে॥
জীৱন্তে মৃতক মই তোক পৰিহৰো।
গলে শিলা বান্ধিয়া সাগৰে জাম্প মাৰো॥

সীতাৰ মনতো যে সেই সময়ত অতীতৰ সুখ-স্মৃতি জাগি উঠা নাছিল এনে নহয়। কি দোষত নো ৰামে তেওঁক এৰি থৈ অকলে বনবাসলৈ যাবলৈ ওলাল তাৰ উত্তৰ তেওঁ বিচাৰি নাপালে। আঁকোৰা-পকোৰা কথা এৰি তেওঁ তেতিয়া পোনে পোনে স্বামীক নিজৰ মনোভাব খুলি কলে—

চম্পক কলিকা যেন মোৰ কলেৱৰ।
লুণ্ডিঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ॥
যেৱে আসি বিকশিত হৈল ফুল ফল।
উপভোগ এৰি কেনে কৰাহা নিষ্ফল॥

এইখিনিতে কোৱা উচিত হব যে বিয়াৰ সময়ত সীতাৰ বয়স চৈধ্য বছৰ আছিল আৰু এবছৰ মাত্ৰ গৃহবাস কৰাৰ পাছতে তেওঁ বনবাসলৈ গৈছিল। এই কথা সীতাহৰণৰ সময়ত সীতাই ছদ্মবেশী মুনি দশাননৰ আগত কৈছিল—

বনবাস দুখে অতি তিনিৰো নিকাৰ।
পঞ্চিশ বৰিষ আৱে স্বামীৰ আমাৰ॥
ৰূপে গুণে ত্ৰিভুবনে ধনুৰ্দ্ধৰ সাৰ।
ষোড়শ বৰিষ আৱে সম্পূৰ্ণ আমাৰ॥

অৱশ্যে মূলৰ মতে সীতাহৰণৰ সময়ত সীতাৰ বয়স আছিল ওঠৰ বছৰ, ষোল বছৰ নহয়।

মম ভৰ্ত্তা বীৰ্য্যো বয়সা পঞ্চবিংশকঃ।
অষ্টাদশ চ বৰ্ষানি মম জন্ম নিগচ্ছতে॥

সি যি হওক, বিদায়-ভিখাৰী ৰামচন্দ্ৰক সীতাদেৱীয়ে তেতিয়া আৰু কৈছিল—

সূৰ্য্য অবিহনে যেনে নোশোভয দিন।
ৰজনী নোশোভে যেন শশধৰ হীন॥
বসন্ত নোশোভে বিনে কোকিলৰ বোলে।
নিষ্ফল জীৱন প্ৰভু তুমি বিনে কোলে॥
সুমৰন্তে প্ৰভু মোৰ লাগে হৃদিখেদ।
ৰোলো স্বামীদেৱ নকৰিও বন্ধুছেদ॥
কমন অঙ্গত মোক হীন দেখিলাহা।
কি কাৰণে প্ৰভু মোক উপেক্ষিযা যাহা॥

এনেবোৰ আলাপ যে পতি-পত্নীৰ গোপন কক্ষৰ কথা-বতৰা তাক সহজে অনুমান কৰা যায।

মূল ৰামাযণমতে পিতৃৰ আজ্ঞা মানি বনবাসী হবলগীয়া হোৱা নিদাৰুণ বাতৰিটো সীতাক দিছিল সজ্জন-পৰিবৃত শয়ন-কক্ষত ৰামচন্দ্ৰই (তস্থৌ স্ববেশ্মমধ্যে সা ৰামগমনাকাঙ্ক্ষিনী)। সীতাই ৰামচন্দ্ৰৰ আগমনৰ কাৰণে উৎকণ্ঠাৰে বাট চাই আছিল। অসমীয়া ৰামাযণত সীতা সেই সময়ত সজ্জন পৰিবৃতা (ভক্তিমদ্ভিৰ্জ্জনৈঃ কীৰ্ণং) আছিল বুলি কোনো কথাৰ উল্লেখ নাই। বৰং আগতে কোৱাৰ দৰে ৰামে সেই সময়ত সীতাক নিজৰ শযন-কক্ষত অকলে লগ পাইছিল বুলি ভাবিবৰহে স্থল আছে। সেযে নহলে তেওঁলোকৰ মাজত অনঙ্গকেলিৰ পূৰ্ব্বস্মৃতিবিজড়িত অঙ্গসৌষ্ঠৱৰ বৰ্ণনাপূৰ্ণ কথাবতৰা নোলালহেঁতেন। পতি-পত্নীৰ বিচ্ছেদ কালত তেনেবোৰ স্মৃতি মনলৈ অহাটো হয়তো অস্বাভাৱিক নহয় আৰু তাৰে সুযোগ লৈ বৰ্ণনাত লৌকিকতাৰ সৃষ্টি কৰিবলৈ অসমীয়া কৱিযে পাহৰা নাই।

মাধৱকন্দলিৰ ৰামায়ণত ভক্তিৰস যথাযথভাৱে নাই বুলি ভক্তসকলৰ মনঃপূত কৰি বৈষ্ণৱ কৱি অনন্তকন্দলিয়ে ভক্তিৰসত সিজাই অনন্ত ৰামায়ণ ৰচনা কৰিছিল। বৈষ্ণৱ কৱিৰ সেই ৰামায়ণতো একে ধৰণৰ বৰ্ণনাকে পোৱা যায়। ৰামে তাত কৈছে—

ইহেন যৌৱন ভাৰ   সুমৰন্তে মন মোৰ
কেনমতে লভিবেক সুখ।
তনযুগ নিৰমল   নিন্দে যেন তালফল
পূৰ্ণচন্দ্ৰ নিন্দে তোৰ মুখ॥
সোণৰ পুতলি তনু   ভ্ৰূযুগ মদন ধনু
নাসা নিন্দে যেন তিলফুল।
নেত্ৰ নীলোৎপল সম   বাহু দুই নিৰমল
মোলান নাহিকে যাৰ তুল॥ ইত্যাদি।

আকৌ সীতাৰ কথাতো সেই একে ধৰণৰ ভাব-ভঙ্গী ব্যঞ্জিত হৈছে—

শ্ৰীৰামৰ বাক্য শুনি   সীতাদেৱী বুলিলন্ত
প্ৰভু মোৰ তুমি নিজা দেৱ।
কোন নো দোষক দেখি   এৰি যাইবা প্ৰভু মোক
মই কাক কৰিবোহো সেৱ॥

*   *   *

সূৰ্য্য অবিহনে যেন   দিনতে আন্ধাৰ হোৱে
চন্দ্ৰ বিনে নোশোভয় ৰাতি।
তুমি চন্দ্ৰমুখ বিনে   সীতা শান্তি নোশোভয়
তাৰ গৃহবাসে কিবা ৰতি॥ (অনন্তকন্দলি)

অযোধ্যা কাণ্ডৰ আৰু দুটা ঘটনা উল্লেখযোগ্য। মূল ৰামায়ণত অৱশ্যে দুয়োটাৰে উল্লেখ আছে। লক্ষ্মণসহ ৰাম-সীতা তেতিয়া

গৈ চিত্ৰকূট বন পাইছিল। এদিনৰ কথা। লক্ষ্মণ গৈছিল মৃগ মাৰিবলৈ, ৰাম-সীতা আছিল ঘৰত। সীতাই সেন্দুৰৰ সলনি মানস শিলাত শিলেৰে ঘঁহি ৰক্ত চন্দন সদৃশ কৰি উলিওৱা ৰঙা প্ৰলেপৰ ফোঁট আলফুলকৈ কপালত লৈছিল। ৰামে স্নেহালিঙ্গন দিওঁতে সেই প্ৰলেপন তেওঁৰ হিয়াত লাগিছিল। তাকে দেখি সীতাই পৰিহাস কৰি ৰামক লক্ষ্মণে আহি নৌদেখোতেই মচি পেলাবলৈ কৈছিল—

মানস শিলাৰ ফোট সীতাদেৱী লৈল।
আলিঙ্গন্তে ৰামৰ হিয়াত সঞ্চৰিল॥
হেন দেখি সীতায়ে কৰিলা পৰিহাস।
সুঁৰত শৃঙ্গাৰ বৰ ভৈল অভিলাষ॥ (মাধৱকন্দলি)

মাধৱকন্দলিৰ ৰামায়ণত ৰাম-সীতাৰ মাজৰ উপহাস-পৰিহাসৰ ইঙ্গিত এটা মাত্ৰ পোৱা যায়, বৈষ্ণৱ কৱি অনন্তকন্দলিয়ে কিন্তু সেই বাক্-বিতণ্ডাৰ আদিৰসপূৰ্ণ বৰ্ণনা এটিও দাঙি ধৰাৰ লোভ সামৰ্থা নাই।

মানস শিলাক গুলি আনি সীতা
ললাটে ফোট পিন্ধিলা।
আলিঙ্গন্তে সেহি ৰামৰ হিয়াত
আচম্বিতে সঞ্চাৰিলা॥
হেন দেখি সীতা পৰিহাস বাণী
বুলিলা স্বামীক চাই।
লক্ষ্মণে দেখিযা আসি হাসিবন্ত
মুচিওক ৰঘুৰাই॥
শ্ৰীৰামে বোলন্ত কিছু দোষ নাই
ভকতৰ অৱশেষ।
সুৰত সুখৰ এহি অলঙ্কাৰ
হৃদয় মুখ বিশেষ॥ ৮৮৮॥ (অনন্তকন্দলি)

অন্য এদিনৰ কথা। মূল ৰামায়ণ মতে সীতাই কিবাকিবি খাদ্যশস্যৰ গুটি ৰ'দত শুকাবলৈ দি চৰাই খেদি আছিল। ৰামো নিচেই ওচৰতে আছিল। এনেতে এটা টেঙৰ কাকে আহি সীতাক বৰকৈ আমনি কৰিবলৈ ধৰিলে, এফালেদি খেদিলে আকৌ চকুৰ পচাৰতে অন্যপিনেদি সি আহি সীতাক আমনি কৰে। ৰামে ঘটনাটো ওচৰৰপৰা চাই আছিল। সীতাই সামান্য চৰাই এটাকো খেদি পঠিয়াব নোৱাৰা দেখি তেওঁ সীতাক পৰিহাস কৰিছিল। পিছত দুষ্ট কাকৰ অত্যাচাৰ ক্ৰমাগত চৰি যোৱাত আৰু ৰামলৈও ভ্ৰূক্ষেপ নকৰি সি সীতাৰ বক্ষস্থলত নখাঘাত কৰাত ৰাম আৰু স্থিৰে থাকিব নোৱাৰিলে। তেওঁ তৎক্ষণাৎ ধনু হাতত তুলি লৈ কাকলৈ ঈষিকৰ বাণ প্ৰহাৰ কৰিলে।

লৌকিকতাৰ ৰস বুজা অসমীয়া কৱিয়ে শ্ৰোতাৰ ৰুচিকৰ কৰিবলৈ ঘটনাটোত আৰু এফেৰি ৰহণ সানিছে। অসমীয়া কৱিৰ কল্পনাত পৰিশ্ৰান্ত ৰামে সেইদিনা সীতাদেৱীৰ উৰুত মূৰ থৈ টোপনি গৈছিল। লক্ষ্মণো মৃগয়াৰ্থে কোনোবা ফালে ওলাই গৈছিল।

মৃগ হেতু লক্ষ্মণ চলিলা আন ভিতি।
শৃঙ্গাৰে ৰহিলা ৰাম সীতায়ে সহিতি॥
অনেক হৰিষ ভৈলা ৰামৰ শৰীৰে।
সীতাৰ উৰুত শিৰে শুইলা নদীতীৰে॥ (মাধৱকন্দলি)

সেই সময়ত গছৰ ডালত পৰিথকা কাক এটাই সীতাৰ উন্মুক্ত স্তন-যুগলৰ অপূৰ্ব্ব ৰূপ দেখি কিবা লোভনীয় ফল বুলিয়ে হবলা স্থিৰে থাকিব নোৱাৰিলে আৰু 'সীতাৰ তনত পৰিলেক ঝাম্প দিয়া।'

সীতাৰ ৰূপক দেখি কাক ভৈলা ভোল।
অগাদেৱা কৰি গৈয়া চাপিলেক কোল॥
তনমাঝে গোসাঁনীৰ মাৰিলেক ঘাৱ।
ক্ৰোধিলন্ত সীতা মাও কাম্পে হাত পাও॥ (মাধৱকন্দলি)

* * * *

কোমল যে স্তন ঘাব্ৰ কৰিলেক
বহি যায় তেজ ধাৰ।
দেখি সীতা সতী কান্দিবে লাগিলা
বিষে দেখি অন্ধকাৰ।
সীতাৰ আগত পৰি উন্মত্ত
কাকে কল কল কৰে।
পুনু থাপ দিযা আখি পালতান্তে
স্তনৰ মাজত পৰে॥ ৮৯২ ॥
ইহাতে খেদন্তে সিহাতে পৰয়
ভোল হুযা আছে কাক।
খেদিবে নোৱাৰি ৰামক সুন্দৰী
কান্দন্ত পাৰিয়া ডাক॥ (অনন্তকন্দলি)

সীতাৰ কান্দোনত ৰামে সাৰ পালে। সাৰ পাই তেওঁ দেখে যে সীতাৰ চকুলোৰে তেওঁৰ শৰীৰ তেনেই তিতিবুৰি গৈছে। সীতাৰ ফালে চাই তেওঁ দেখে যে 'সীতাৰ তনৰ মাঝে বহয় ৰুধিৰ'। উন্মত্ত কাকে ৰামকো উপেক্ষা কৰি সীতাৰ স্তনত পুনু পৰিবলৈ খেদি অহাত ৰামে ধনু-কাঁড হাতত তুলি ললে আৰু—

ক্ৰোধিয়া বোলন্ত ৰামে লৈবোহো পৰাণ।
মন্ত্ৰ পঢ়ি মাৰিলেক ঈষিকৰ বাণ॥ (মাধৱকন্দলি)

শৰৰ ভয়ত কাক পলাল, কিন্তু মন্ত্ৰপূত বাণে তাক পাছে পাছে খেদি নিলে। ইন্দ্ৰৰ নন্দন কাকেও প্ৰাণৰ ভয়ত উৰি উৰি গৈ দেৱলোকত শৰণ ললে। দেৱলোক আৰু নৰলোকত কোনেও তাক আশ্ৰয় নিদিলে। পিছত সি ৰামৰ ওচৰলৈ উভতি আহি ৰামত শৰণ লৈ প্ৰাণভিক্ষা মাগিলে।

একো থানে কাকে যেৱে শৰণ নাপাইলা।
শীঘ্ৰবেগ কৰিয়া ৰামৰ পাশে আইলা॥

খেদে যমদূত সম ৰাঘৱৰ বাণ।
বোলে নিচিনিলো প্ৰভু ৰাখিওক প্ৰাণ॥ (মাধৱকন্দলি)

শৰণাগতৰ প্ৰতি সদয় হৈ তেতিয়া ৰামে কাকক কলে—

অবাধ্য মোহোৰ বাণ জান তই সাঙ্গ।
প্ৰাণে যেৱে জীৱি ছাৰি দেহ এক অঙ্গ॥ (মাধৱকন্দলি)

উপায় নাপাই কাকে ততালিকে নিজেই নিজৰ চকু এটা উলিয়াই শৰৰ মুখত অৰ্পণ কৰিলে। ৰামৰ আদেশত তেওঁৰ অব্যৰ্থ বাণ তাকে পায়ে ক্ষান্ত থাকিল। সেই দিন ধৰি কাউৰীয়ে এটা চকুৰেদি দেখা নাপায় অৰ্থাৎ দুযোটা চকুৰে একে সময়তে একো বস্তু চাব নোৱাৰে।

সেহি কালহন্তে কাকে এক চক্ষু
নেদেখয় সমুদায়।
সচকিত মনে আহাৰ পানী খাই
আচয় ঘৰে পলাই। (অনন্তকন্দলি)

*　　*　　*　　*

ঘাৰগোট পালতায়া এক আখি চাই।
সচকিত মনে সি আহাৰ-পানী খায়॥ (মাধৱকন্দলি)

কাউৰীয়ে এটা চকু মুদি চোৱা আৰু সচকিতভাৱে সদায় আহাৰ পানী-খোৱা অভ্যাসৰ লগত এই ঘটনা সাঙুৰি দিয়াত ই অতিশয় মনোগ্ৰাহী আৰু লোকৰঞ্জক হৈ পৰিছে। ৰামৰো দয়ালু অন্তৰৰ ই এটি নিদৰ্শন। সেইদেখি এই ছেগতে টিপ্পনী দি ভক্ত কৱি অনন্তকন্দলিয়ে আধ্যাৰ শেষত বৈষ্ণৱোচিত ধৰ্ম্মোপদেশ এফেৰি সংযোগ কৰি কৈছে—

শুনা সৰ্ব্বজন পাতেক দহন
ৰামৰ ৰম্য চৰিত্ৰ।
ৰামৰ সমান আছে কোন জন
জগতৰ মহাহিত॥

আপোনাৰ ভাৰ্য্যা সীতাৰ স্তনত
কৰিলা কাকে বিদাৰ।
তথাপি ভজিল মাত্ৰকে ক্ষমিল
দেখিও কৃপা ৰামৰ॥
হেনয় ৰামক পৰম ব্ৰহ্মক
নুসুমৰে পাপী লোক।
লৱে আন মন্ত্ৰ মিছা যন্ত্ৰ তন্ত্ৰ
চিন্তি পাৱে মহাশোক॥ (অনন্তকন্দলি)

আকৌ সুন্দৰা কাণ্ডত আছে যে ৰাৱণে সীতাক হৰি নি তেওঁৰ ৰাজধানী লঙ্কাপুৰীৰ অশোক বনত ৰাখিছিল। তেওঁ সীতাৰ মন নিজৰ অভিৰুচিমুখী কৰি লবলৈ সৰ্ব্বতোপ্ৰকাৰে যত্ন কৰিছিল। তেওঁ বিষন্নবদনা সীতাক কেনে ধৰণৰ ভাষাত সম্বোধন কৰিছিল তাৰ ইঙ্গিত মূল ৰামাযণত এইদৰে দিয়া আছে —'হে চন্দ্ৰমুখি, স্থূল নিতম্বে, মই চকুৰে তোমাৰ যি যি অঙ্গ দেখিবলৈ পাইছোঁ সেই সেই অঙ্গতে এতিয়া মোৰ দৃষ্টি নিবদ্ধ হৈ আছে। হে মৈথিলি, তুমি মোৰ ভাৰ্য্যা হোৱা। (ৰামৰ প্ৰতি) এই মোহ পৰিত্যাগ কৰা। মোৰ বহুত সুন্দৰী পত্নী আছে। তেওঁলোকৰ ওপৰত তুমি পটেশ্বৰী হবা।'

'যদ্‌যৎ পশ্যামি তে গাত্ৰং চন্দ্ৰাংশুসদৃশাননে।
তস্মিংস্তস্মিন্ পৃথুশ্ৰোণি চক্ষুৰ্ম্মম নিবধ্যতে॥ ১৫॥
ভব মৈথিলি ভাৰ্য্যা মে মোহমেতং বিসৰ্জ্জয়।
বহ্বীনামুত্তমস্ত্ৰীনাং ত্বমগ্ৰমহিষী ভব।' ১৬॥

এই ক্ষেত্ৰত মাধৱকন্দলিৰ ৰামাযণত কিন্তু ৰাৱণে তাতোকৈ অধিক কলাকুশল মন এটাৰ মাৰ্জ্জিত ৰুচিৰহে পৰিচয় দিছে। তেওঁ সীতাৰ চন্দ্ৰবদন অথবা অন্য কোনো অঙ্গবিশেষৰ সৌন্দৰ্য্য চাবলৈ অভিলাষ কৰা নাই, তাৰ মাজেদি সূক্ষ্ম কলাবিদে চোৱাৰ

দৰে অন্য এক সৌন্দৰ্য্য নিৰীক্ষণ কৰিবলৈহে অভিলাষ কৰিছে। তলমূৰ কৰি থকা সীতাই মুখ তুলি এবাৰ তেওঁৰ ফালে চালেই আকাশত ক্ৰমে চন্দ্ৰোদয় হোৱাৰ দৰে হ'ব আৰু সেই চন্দ্ৰোদয়ৰ গতিশীল দৃশ্যটি তেওঁ সীতাৰ ক্ৰমাগত ওপৰলৈ তোলা মুখখনিতে দেখিবলৈ পাব, আৰু সেয়ে হলে বিজুলীয়ে এন্ধাৰ দূৰ কৰাৰ দৰে সেই দৃশ্যই তেওঁৰ মনৰ সকলো অৱসাদ দূৰ কৰিব। সম্ভোগৰ লালসাতকৈও সৌন্দৰ্য্য স্পৃহা ইয়াত অধিক স্পষ্ট হৈ উঠিছে—

মুখ তুলি মাত সৰস বদনী
দেখো মই চন্দ্ৰোদয়।
অন্তৰ্গত মোৰ ত্বৰিতে খন্দোক
দাৰুণ এ তমোময়॥
তোমাৰ ৰূপক কোনে বৰ্ণাইবেক
সকল গুণ সম্পন্নী।
তিনিও ভুবনে আমি নৈও দেখো
তোৰ ঠান বিতোপনী॥

* * * *

বনবাসী জটী তপস্বীক এৰি
সীতাদেৱী মোক ভজা।
তোমাৰ বাপ যে জনকক পাতিবো
পৃথিৱী মণ্ডলে ৰাজা॥

আদিৰসৰ এনে গহীন বৰ্ণনা কৰি মাধৱকন্দলিৰ কাৰণেহে সম্ভৱ। সংযত ভাষাৰ এনে বৰ্ণনা একাধিক স্থানত আছে। এইবোৰত কৱিয়ে শ্ৰোতাৰ অভিৰুচিলৈ লক্ষ্য ৰাখি শ্ৰেয়ঃ আৰু প্ৰেয়ঃ দুয়োৰে সামঞ্জস্য ঘটাবলৈ যত্নৰ ক্ৰটী কৰা নাই। মূলৰপৰা আঁতৰি নগৈ আৰু লৌকিকতাৰ প্ৰতিও যথোচিত সম্মান প্ৰদৰ্শন কৰি ৰামায়ণ ৰচনা কৰিছিল বাবেই ই অসমীয়া বাকী কেইখন ৰামায়ণৰ মূল গ্ৰন্থ স্বৰূপ হৈ পৰিছিল।

শঙ্কৰী কাব্যত লৌকিকতা

ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো নদ-নদীকে মহাবাহু ব্ৰহ্মপুত্ৰই নিজৰ বুকুলৈ আকৰ্ষণ কৰাৰ দৰে অসমত মধ্য যুগৰ বৈষ্ণৱ ধৰ্ম্ময়ো সকলো প্ৰকাৰ সাহিত্যিক প্ৰচেষ্টাকে বৈষ্ণৱ ধৰ্ম্মমুখী কৰি তুলিছিল। বৈষ্ণৱ যুগৰ কৱিসকলৰ কাব্য, নাটক, সঙ্গীত আদিৰ গ্ৰন্থবোৰেই তাৰ সাক্ষী। বৈষ্ণৱ কৱিসকলৰ প্ৰচেষ্টাতেই তাহানি চতুৰ্দ্দশ শতিকাৰ আগ ভাগৰ বৰাহী ৰজা মহামাণিক্য আৰু কমতাধিপতি দুৰ্ল্লভনাৰায়ণ আদি ৰজা-মহাৰজাসকলৰ দিনৰপৰা চলি থকা ৰাজসভাৰ আলোচনা চক্ৰক ৰাইজৰ মাজলৈ পোনতে নমাই আনি সত্ৰ, নামঘৰ আদিত প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰা হৈছিল।

ডঃ কাকতিৰ মতে 'পুৰণি সাহিত্যত শঙ্কৰদেৱ, মাধৱদেৱ, অনন্তকন্দলি, ৰামসৰস্বতী আৰু দ্বিজ পঞ্চানন—এই কেইজনাই প্ৰথম খাপৰ কৱি।' তেৰাসকলে সংস্কৃত শাস্ত্ৰৰপৰা অসমীয়া ভাষালৈ তৰ্জ্জমা কৰি কাব্য ৰচনা কৰিছিল, কিন্তু তাকে কৰোঁতেও লোকাচাৰ বা লৌকিকতাৰ ফালে বিশেষ মনোযোগ দি চলিব-লগীয়া হৈছিল, কাৰণ, লোকসমাজত ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰাই আছিল বৈষ্ণৱ কৱিসকলৰ লক্ষ্য।

এই বিষয়ে পোনতে মহাপুৰুষ শঙ্কৰদেৱৰ কথালৈয়ে আঙুলিয়াব পাৰি। যিগৰাকী মহাপুৰুষে, চৰিত লিখকৰ মতে কৱি পীতাম্বৰ বিৰচিত দশম স্কন্ধ ভাগৱতৰ পদত কৃষ্ণৰ বিষয়ে ৰুক্মিণীয়ে বিলাপ কৰি কোৱা এষাৰ কথা শুনিয়ে পোন্‌ছাটে মন্তব্য দিছিল যে সেই কৱিজন আদিৰস-পৰায়ণ আৰু 'ধৰ্ম্ম ধৰিবাৰ যোগ্য লোক নোহে'

—সেইজনা মহাপুৰুষে জানো আদিৰসপূৰ্ণ বা কামসিক কথা তেওঁৰ ৰচনাত ঠাই দিয়া নাছিল? বৰঞ্চ বিচাৰি চালে দেখা যাব যে শঙ্কৰদেৱৰ কাব্যত যি পৰিমাণে আদিৰসৰ উদাহৰণ আছে আন বৈষ্ণৱ কৱিসকলৰ কাব্যত হয়তো সেই পৰিমাণে নহবই। উদাহৰণ স্বৰূপে 'কীৰ্ত্তন'ৰ হৰমোহন বা ৰাসক্ৰীড়া আৰু দশমৰ ৰাসক্ৰীড়াৰ বৰ্ণনালৈয়ে আঙুলিয়াব পাৰি। হৰমোহনৰ বৰ্ণনাৰ অশ্লীলতাই হয়তো বৈষ্ণৱ কৱিৰ নালাগে অন্যান্য কামসিক কৱিসকলৰ বৰ্ণনাৰ অশ্লীলতাকো চেৰ পেলাব। কোনো কোনো ঠাইত এনে বৰ্ণনা আছে যিবোৰ চকুৰে পঢ়া সম্ভৱ হলেও ঘৰৰ বা ওচৰ-পাজৰৰ সৰু-বৰ দহজনৰ আগত ডাঙৰকৈ পঢ়া সম্ভৱ নহয়, অথচ সৰু-ডাঙৰ, ল'ৰা-বুঢ়া, মুনিহ-তিৰোতা সকলোৰে বেঢ়ি থকা সমাজ এখনত পাঠ কৰিবৰ কাৰণেহে এইবোৰ ৰচিত হৈছিল আৰু প্ৰকৃততে তেনেকৈ পাঠ কৰাও হৈছিল; পাঠ কৰায়ে নহয়, লগে লগে তাৰ ব্যাখ্যা আৰু টীকা-টিপ্পনিও চলিছিল—সম্যক ৰসাস্বাদনৰ কাৰণে। কীৰ্ত্তন শব্দটোৱেই তেনে অৰ্থ সূচায়। অন্য পিনে আকৌ মহাপুৰুষ শঙ্কৰদেৱে অসমীয়া সমাজ, তাৰ সমস্যা আৰু প্ৰয়োজনৰ কথা যিদৰে বুজিছিল আজিলৈকে অসমত জন্ম লাভ কৰা অন্য কোনোৱে বুজিছেনে নাই সন্দেহৰ কথা। তেনেহলে এইহেন মহাপুৰুষেও দেখা-শুনাত অশ্লীল, অশ্ৰাব্য বৰ্ণনা তেওঁৰ ধৰ্ম্ম-সাহিত্যৰ ভিতৰত ঠাই দিছিল কিয়? বৈষ্ণৱ ধৰ্ম্মৰ চাৰি পুথি হ'ল—'কীৰ্ত্তন', 'দশম', 'ঘোষা' আৰু 'ৰত্নাৱলী'। চাৰিওখন অসমীয়া লোক মাত্ৰেৰে পৰিচিত, লিখা-পঢ়া নজনা নিৰক্ষৰ জনেও অন্ততঃ এই চাৰিখনৰ নাম জানে। পুথি কেইখন তেওঁলোকৰ ইমানে পৰিচিত যে মহাপুৰুষ দুজনাই দিয়া 'দশম স্কন্ধ শ্ৰীমদ্ভাগৱত' নামৰ ঠাইত চমুকৈ 'দশম', 'নামঘোষা'ৰ ঠাইত 'ঘোষা' আৰু 'ভক্তি-ৰত্নাৱলী'ৰ ঠাইত 'ৰত্নাৱলী' বুলিলেই তেওঁলোকে বুজে আৰু নিজেও সেইদৰেহে ব্যৱহাৰ কৰে। এনে স্থলত বৈষ্ণৱ ধৰ্ম্মৰ গুৰু শঙ্কৰদেৱেই তেওঁৰ

নিজৰ ৰচনাত অশ্লীলতাক ঠাই দিছিল কিয়—আজি সেইটো ভাবিবলগীয়া কথা। তেনে বৰ্ণনাৰ দুই একোটা উদাহৰণ, যেনে—'কীৰ্ত্তন'ৰ ৰাসক্ৰীড়াত—শ্ৰীকৃষ্ণই গোপীসকলৰ—

মুখ চায়া কাৰো তোলন্ত হাস।
মাতন্ত কাকো কৰি পৰিহাস॥
লন্ত বস্ত্ৰ কাঢ়ি বঢায়া ৰঙ্গ।
বেকত কৰন্ত গুপুত অঙ্গ॥

* * *

কতো গোপিকাৰ কৰে পৰশন্ত স্তন।
কটাক্ষে নিৰীক্ষি কাকো কৰন্ত চুম্বন॥

তেনেকৈ 'দশম'ৰ ৰাসক্ৰীড়াতো—

কাৰো বস্ত্ৰ লন্ত কাঢ়ি কৃষ্ণে বঢাই ৰঙ্গ।
হৰে আতি বেকত গুপুত যত অঙ্গ॥
গুচান্ত কাচলি উচ্চ কুচ দুই উদি।
হাতে ঢাকি থাকে কতো লাজে চক্ষু মুদি॥
কৰে ধৰি কৰন্ত স্তনক নখে ক্ষত।
কঙ্কালৰো সোলোকাই সাড়ী শ্বেত-নেত॥
হোৰে অঙ্গ উদাস কটিত নিকপটি।
আণ্ঠুক সাৱটি চাই কৰন্ত চৰ্ব্বটি॥

আকৌ 'কীৰ্ত্তন'ত মোহিনীৰ—

ভৈল তনু উদাস বেকত গুপ্ত অঙ্গ।
লাজে আঠু সাবটি কৰন্ত অঙ্গ-ভঙ্গ॥

তেতিয়া শঙ্কৰে—

একো নেদেখন্ত কামাতুৰ ভৈল হৰ।
কন্যাক ধৰিবে মনে দিলেক লৰৰ॥

খট খট কৰি বাজে গলে মুণ্ড মাল।
কঙ্কালৰ সুলকি পৰিল বাঘ-ছাল॥
ভৈলন্ত উলঙ্গ তাকো নচান্ত চাপৰি।
দেখি পলাইবাক লৈলা কন্যাযো লৰৰি॥

তাৰ পিছত—

উগুল-থুগুল মন মদনে বিকল।
বহিতে লাগিলা শঙ্কৰৰ বিন্দুজল॥
হস্তিনীক খেদন্তে হস্তীৰ যেন স্ৰৱে।
যেন গিৰি-শিখৰৰ মেৰুধাৰা বৱে॥
সেহিমতে শঙ্কৰৰ বিন্দু যায় পৰি।
দেখি ঋষিগণে অন্তৰিল তাঙ্ক এৰি॥

মহাপুৰুষে এনে ধৰণৰ বৰ্ণনা তেওঁৰ ৰচনাত ঠাই দিয়াৰ গুৰিত তলত দিয়া কাৰণবোৰ থাকিব পাৰে বুলি অনুমান কৰা যায়—

১। বৈষ্ণৱ যুগৰ আগতে অসমীয়া সমাজত যিবোৰ আমোদ-প্ৰমোদ, গীত-মাত, যোজনা-ফকৰা, প্ৰবচন-সুবচন আদি চলি আছিল সেইবোৰৰ সৰহ ভাগেই আদিৰসাত্মক আছিল। তেতিয়া আদিৰসাত্মক কথাৰ আলোচনা সমাজত নিষিদ্ধ নাছিল, বৰং সামাজিক লোকৰ সৰু-বৰ নিৰ্ব্বিশেষে সকলোৱে সেইবোৰ শুনি সুখ আৰু তৃপ্তিহে লাভ কৰিছিল। আজিকালিও গঞা সমাজত অশ্লীল বচন কিছুমান নিৰ্ব্বিবাদে চলি আছে আৰু সেইবোৰৰ গূঢ়াৰ্থলৈ কোনেও সিমান মন-কাণ নিদিয়ে নাইবা সেইবোৰক একো কথাৰ-কথা বুলিয়ে গণ্য নকৰে। সমাজৰ তেনে এটা অৱস্থালৈ তেনেই আওকাণ কৰি গহীন কথাৰে কোনো এটা গুৰুতৰ বিষয়লৈ মানুহৰ মন আকৰ্ষণ কৰা নাযায়। গতিকে সমাজৰ বা-বতাহলৈ লক্ষ্য কৰি তেনেবোৰ কথাৰ মাজেদিয়ে,

ডাক্তৰে ৰোগীৰ তৃপ্তিকৰ কৰি মিঠা কুইনাইন দিয়াৰ দৰে বৈষ্ণৱ কৱিসকলেও ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰিছিল আৰু মহাপুৰুষ শঙ্কৰদেৱ আছিল তেৰাসকলৰ পথ-প্ৰদৰ্শক গুৰু।

২। মহাপুৰুষৰ আদিৰসাত্মক বৰ্ণনাবোৰৰ লক্ষ্য আছিল তেনে বৰ্ণনাৰ মাজেদি কাম-পৰবশ হোৱাৰ পৰিণাম প্ৰদৰ্শন কৰা আৰু হুলেৰে হুল কাঢ়াৰ দৰে তাৰ সহায়ত কাম ভাব জয় কৰা। বিষ প্ৰয়োগৰ দ্বাৰা বিষ নিবাৰণ—চিকিৎসা বিদ্যাৰ এটি পন্থা বা উপায়। কোনো কোনো ক্ষেত্ৰত বৰ্ণনাৰ ভিতৰতে কৱিযে নিজৰ তেনে এটি মহৎ উদ্দেশ্যৰ কথা বুদ্ধিৰে ব্যক্ত কৰি গৈছে—

শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আৰু শুনি হৌক নিৰ্ম্মল মতি॥ (ৰাসক্ৰীড়া, কীৰ্ত্তন)

* * * *

শুক নিগদতি ৰাজা শুনিও শ্ৰবণে।
পূৰ্ণকাম হৰি ক্ৰীড়িল যিকাৰণে॥
দেখাইলন্ত দুখ কামাতুৰ পুৰুষৰ।
স্ত্ৰীৰ যে দুৰ্জ্জন ভাব শুনা আতপৰ॥ (ৰাসক্ৰীড়া, কীৰ্ত্তন)

* * * *

শুনিওক বুধজন জনম সাফলি।
কামজয় নামে ইটো কেশৱৰ কেলি॥ (ৰাসক্ৰীড়া, দশম)

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে যে কাম প্ৰবৃত্তিৰ উপভোগ তাৰ চৰ্চ্চাৰ দ্বাৰা নিবৃত্ত কৰা নাযায়, বৰঞ্চ তেনে চিন্তা-চৰ্চ্চাই ঘৃতাগ্নিৰ দৰে তাক দুগুণে জ্বলাইহে তোলে। এই কথা কৱিয়ে নিজেও এঠাইত স্বীকাৰ কৰিছে। শঙ্কৰে যেতিয়া কৃষ্ণৰ মোহিনী নাৰীমূৰ্ত্তি চাবলৈ বৰকৈ অভিলাষ কৰিছিল তেতিয়া হৃষীকেশ ভগৱান কৃষ্ণই তেওঁক বুজনি দি কৈছিল—

কামুক জনৰ তাত মহা কৌতূহল।
তুমি মহা যোগীৰ দেখিবে কিবা ফল॥

আৰু—

ঘোৰ নাৰীমাযা সৰ্ব্ব মাযাতে কুৎসিৎ।
মহা সিদ্ধ মুনিৰো সাক্ষাতে হৰে চিত্ত॥
দৰশনে কৰে তপ জপ যোগ ভঙ্গ।
জানি জ্ঞানীগণে কামিনীৰ এৰে সঙ্গ॥ (হৰমোহন, কীৰ্ত্তন)

কামুকসকলৰ কাৰণে নিশ্চয় মহাপুৰুষে তেওঁৰ নাট-কাব্য আদি ৰচনা কৰা নাছিল। তথাপি তেওঁ এনে কামুকতাপূৰ্ণ বৰ্ণনাৰ সংযোগ তেওঁৰ ৰচনাত কৰিছিল এইবাবে যে প্ৰেম বা কামভাবৰ বৰ্ণনা সৰ্ব্ব-সাধাৰণৰ নালাগে অসাধাৰণ লোকৰো তৃপ্তিদায়ক। তেনে তৃপ্তিদানৰ প্ৰলোভনেৰে মন আকৰ্ষণ কৰি কাম প্ৰবৃত্তিৰ চৰম পৰিণাম দৰ্শোৱাটোৱে আছিল কবিৰ মুখ্য উদ্দেশ্য। সেইবাবে তেনে বৰ্ণনাৰ অন্তত সদায় পৰিণতিৰ ইঙ্গিত সাঙুৰি থোৱা আছে। ৰাসক্ৰীড়াৰ গোপীসকলে উন্মুক্ত উপভোগৰ প্ৰাচুৰ্য্যৰ দ্বাৰা কৃষ্ণক বশ কৰিব নোৱাৰিলে, ঐকান্তিক ভক্তিপূৰ্ণ আত্মোৎসৰ্গৰ দ্বাৰাহে পিছত ঢুনাই তেওঁক পালে। তেনেকৈ হৰমোহনতো যি শঙ্কৰে মহাযোগী বুলি ডাঙ্কোপ মৰা কথাৰে মহা আটোপ কৰি কৈছিল—

মহা যোগবলে শুদ্ধ কৰি আছোঁ কায়া।
ব্ৰহ্মময় দেখোঁ কি কৰিব পাৰে মাযা॥
দহি আছোঁ মদনক আৰু শঙ্কা নাই। —ইত্যাদি,

সেই শঙ্কৰেই পুনঃ কৃষ্ণৰ মায়াত পৰি লটি-ঘটি হৈ কৰ লগীয়াত পৰিছিল, বোলে—

মই জগতৰ পতি মোৰ হেন ভৈল গতি
আন কোন থিয় হৈব আত।

হেন জানা স্বৰূপত চৰাচৰ আছে যত
সবে বন্দী বিষ্ণুৰ মাযাত ॥

এই সকলোবোৰ বৰ্ণনাতে বিষ্ণুৰ মাহাত্ম্য আৰু শ্ৰেষ্ঠত্ব প্ৰকাশ কৰাই আছিল কৱিৰ মুখ্য উদ্দেশ্য। তাকে কৰোঁতে কৱিয়ে কেতিয়াবা মূলৰ পৰাও কিঞ্চিৎ আঁতৰি গৈছিল। উদাহৰণ স্বৰূপে কোৱা যায় যে ওপৰত উল্লেখ কৰা ধৰণৰ দম্ভালি (ব্ৰহ্মময় দেখো কি কৰিব পাৰে মায়া) মূল ভাগৱতত নাই।

৩। আদিৰস সকলো ৰসৰ মূল স্বৰূপ। সেই ৰসে সকলোকে জয় কৰি থৈছে, কিন্তু জয় কৰিব পৰা নাই ভগৱান কৃষ্ণক। সেই ৰসৰো ওপৰত ভগৱান কৃষ্ণ। কৃষ্ণৰ অতৰ্ক মহিমা প্ৰমাণ কৰিবৰ কাৰণে ৰাসক্ৰীডা আৰু হৰমোহনত নাৰী-প্ৰেমৰ অৱলম্বন গ্ৰহণ কৰা হৈছে। যি নাৰী-প্ৰেমত জঁটাযা শিৱও বশ হয়, সেই নাৰী-প্ৰেমেও ঈশ্বৰ কৃষ্ণক অভিভূত কৰিব পৰা নাছিল, বৰং তেওঁৰ মায়াতহে গোপিকাৰূপী নাৰীসকলে তালে তালে নাচি ফুৰিছিল—

নপাৰিবে গোপীগণে মোহিবে কৃষ্ণক।
ছাযায়ে সহিতে যেন ওমলে বালক ॥ (ৰাসক্ৰীডা, কীৰ্ত্তন)

৪। মহাপুৰুষে আদিৰসপূৰ্ণ কথাৰ বাবে কৱি পীতাম্বৰক হেযজ্ঞান কৰিব খোজা নাছিল, মাত্ৰ কৃষ্ণক সাধাৰণ প্ৰেমিক আৰু ৰুক্মিণীকো সাধাৰণ নাযিকাৰ দৰে ব্যৱহাৰ কৰা দেখিহে তেওঁ বিৰক্ত হৈছিল—এই কথা আগতে কৈ অহা হৈছে। বৈষ্ণৱ কৱিসকলৰ মতে কৃষ্ণ পৰম পুৰুষ ভগৱান আৰু ৰুক্মিণীও সাক্ষাৎ লক্ষ্মীস্বৰূপা। 'ৰুক্মিণী-হৰণ' কাব্য আৰু নাটক দুযোখন গ্ৰন্থতে মহাপুৰুষে কৃষ্ণ-ৰুক্মিণীক সেইভাৱেহে অঙ্কন কৰিছে, সাধাৰণ প্ৰেমিক-প্ৰেমিকা হিচাবে নহয়।

৫। কৃষ্ণৰ প্ৰাধান্য প্ৰচাৰ বৈষ্ণৱ সাহিত্যৰ মুখ্য উদ্দেশ্য। সেই দেখি কৃষ্ণক প্ৰেমিক হিচাবে দেখুৱালেও তেওঁ হব লাগিব

আদৰ্শ প্ৰেমিক, অৰ্থাৎ এনে প্ৰেমৰ মালিক যি প্ৰেম জনসাধাৰণৰ কাৰণে অসম্ভৱ। ৰাসক্ৰীড়া তাৰে নিদৰ্শন। আকৌ কৃষ্ণই নাৰী মূৰ্ত্তিত দেখা দিলেও সেই নাৰী এনে নাৰী হব লাগিব যাক দেখি যোগীন্দ্ৰ ভূতনাথো স্থিৰে থাকিব নোৱাৰে। যুদ্ধক্ষেত্ৰত নামিলেও তেওঁ এনে বীৰ হব যাৰ হাতত তেত্ৰিশ কোটি দেৱতা একত্ৰে আহিলেও পৰাস্ত হবলৈ বাধ্য। মুঠতে সকলো ক্ষেত্ৰতে 'কৃষ্ণস্তু ভগৱান স্বয়ং' অথবা 'এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ' প্ৰমাণ কৰি জনসাধাৰণক বিষ্ণু-ভাবাপন্ন কৰাটোৱেই আছিল বৈষ্ণৱসকলৰ লক্ষ্য।

৬। ওপৰুক্ত কাৰণসমূহৰ বাবে মহাপুৰুষ শঙ্কৰদেৱেও আদি-ৰসৰ প্ৰাচুৰ্য্যেৰে নাট আৰু কাব্য ৰচনা কৰিছিল। পিছে প্ৰশ্ন হৈছে যি ভগৱান কৃষ্ণ বৈষ্ণৱ ধৰ্ম্মৰ উপাস্য দেৱতা, তেৱেঁই জানো ৰাসক্ৰীড়া কৰিবলৈ গৈ পৰস্ত্ৰী গোপীসকলৰ লগত নিৰ্জ্জন অৰণ্যত শাৰদীয়া পূৰ্ণিমা নিশা বিহাৰ কৰা উচিত হৈছিল। ই জানো আদৰ্শ কৰ্ম্ম? কৱিয়ে নিজেও এই প্ৰশ্ন উত্থাপন নকৰাই থকা নাই। প্ৰশ্ন উত্থাপন কৰি পাঠক আৰু শ্ৰোতাসকলৰ কৌতূহল নিবাৰণৰ কাৰণে তেওঁ উত্তৰো দিছে। 'কীৰ্ত্তন'ৰ ৰাসক্ৰীড়াত আছে—

ধৰ্ম্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী॥
হোৱন্ত হৰি যদি পূৰ্ণকাম।
কৰিলা কেনে গৰিহিত কাম॥

উত্তৰ তাতেই দিয়া আছে—

পৰম ঈশ্বৰে কৰে অকৰ্ম্ম।
তেজস্বীত কিছু নাহি অধৰ্ম্ম॥
সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।

* * *

তথাপিতো কিছু নোছোৱে দোষে॥
হৰক দেখি বিষ খায় আনে।
সিজনে যেন মৰি যায় প্ৰাণে॥

সিমানতো কোনোবা হয়তো প্ৰত্যয় নাযাব পাৰে বুলি ভাবি কৰিয়ে লগতে এই কথাও কৈ থলে যে শ্ৰীকৃষ্ণই যিসকল গোপীৰ লগত ৰাসক্ৰীড়া কৰিছিল সেইসকলক তেওঁলোকৰ স্বামীসকলে নিজ নিজ ঘৰতেই শেতেলীত শুই থকা পাইছিল।

মোহিলা গোপীক কৃষ্ণৰ মায়া।
কাষতে আছে দেখে নিজ জায়া॥
"(গতিকে) নকৰে অসূয়া কৃষ্ণক কেৱ।
কায়মনে সবে কৰন্ত সেৱ॥

পূৰ্ব্ব জন্মত গোপীসকলে কৃষ্ণৰ লগত এই ৰাসক্ৰীড়া সম্বন্ধে বন্দবস্তৰ উল্লেখো পুথিত আছে। বস্তুতঃ মূল ভাগৱতত সেই যুক্তিৰ ওপৰতে যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। এনেবোৰ যুক্তি দিয়াৰ অন্ততো আকৌ ৰাসক্ৰীড়া পাঠ কৰিলে পাঠকৰ কি লাভ হব তাকো কোৱা আছে—

ইটো ৰাসক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনে যিটো নৰ॥
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম সাগৰে সুখে হৈবে পাৰ॥
ইটো কামজয় কৃষ্ণৰ কথা।
শুনা নৰদেহ নকৰা ব্যথা॥

আকৌ—

আক শুনে ভণে যিটো জন অবিশ্ৰাম।
বাঢ়িবে ভকতি অতি জিনিবেক কাম॥

'দশম'তো সেই একে কথাকে কোৱা আছে—কৃষ্ণই তাত গোপী-সকলক বুজনি দি কৈছে—

দুর্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৰাসব স্ত্রীমতি॥

আৰু—

উপপতি সমে ক্রীড়া কর্ম্ম গৰিহিত।
পর্ব্বত সমান পাপ সৌকার্য্য কিঞ্চিৎ॥
ইহলোকে নিন্দে পৰলোকে মহাভয়।
স্বামী যেৱে জানে মিলে পৰম সংশয়॥

গোপীসকলেও উত্তৰ দিছে এই বুলি—

উপপতি সমে ক্রীড়া বুলিলা পাতক বৰ
ইটো কথা নপশে কাণত।

আৰু—

সাক্ষাতে তোমাক দেখো আৰু কি পাপক লেখো
আমি দৃঢ় কৰি আছোঁ চিত্ত।

অন্তত কোৱা আছে—

শুক নিগদতি ৰাজা শুনিও শ্রবণে।
পূর্ণকাম হৰি ক্রীড়িলা যি কাৰণে॥
দেখাইলন্ত দুখ কামাতুৰ পুৰুষৰ।
নাই সুখ-শান্তি নলৱয় বাৰী-ঘৰ॥
ৰাত্রি দিনে স্ত্রীৰে মাত্র পালি ফুৰে আশ।
স্ত্রী ভৈল ৰাজা কামাতুৰ ভৈল দাস॥ ইত্যাদি।

এনেবোৰ যুক্তিক অৱশ্যে তদগতচিত্তে ভক্তিভাৱে গ্ৰহণ কৰাত ভিন্ন অন্য উপায় নাই।

৭। অসমীয়া বৈষ্ণৱ ধর্ম্মৰ নাম ভাগৱতী ধর্ম্ম, কাৰণ

ভাগৱতৰ কৃষ্ণই বৈষ্ণৱসকলৰ উপাস্য দেৱতা আৰু ভাগৱতেই এই ধৰ্ম্মৰ মূল গ্ৰন্থ। ভগৱান কৃষ্ণক পৰম পুৰুষ বা মহাপুৰুষ ৰূপে লোৱা হৈছিল বাবেই এই ধৰ্ম্মৰ অন্য নাম মহাপুৰুষীয়া ধৰ্ম্ম। মহাপুৰুষ মানে কৃষ্ণ-ভগৱান বা নাৰায়ণ। পিছত শঙ্কৰ আৰু মাধৱ এই দুগৰাকী ধৰ্ম্মগুৰুকো জনসমাজে মহাপুৰুষ বুলি গ্ৰহণ কৰে আৰু সেই অৰ্থতো তেৰাসকলৰ প্ৰচাৰিত ধৰ্ম্মক মহাপুৰুষীয়া ধৰ্ম্ম বোলা হয়।

ভগৱানত্ব আৰোপ কৰিলে যি কোনো ভাব আৰু কাৰ্য্যই শুদ্ধ আৰু পৱিত্ৰ হয় আৰু তেওঁ যি কৰে সি হৈ পৰে লীলা। ৰাসক্ৰীড়া আৰু হৰমোহনবো প্ৰেম-খেলা তেনেকুৱা লীলাহে। সেই লীলাৰ বৰ্ণনা সাধাৰণ লোকে বিস্ময়-বিমুগ্ধ অন্তৰেৰে গ্ৰহণ কৰিব লাগে আৰু ধৰ্ম্মাচাৰীসকলে বস্তুতঃ লয়ো। সেয়ে নহলে ৰাসক্ৰীড়া নাইবা হৰমোহনৰ বৰ্ণনাই অসমীয়া সমাজত কাহানিবাই দুৰ্ঘোৰ আলোড়নৰ সৃষ্টি কৰিলেহেঁতেন।

ৰাসক্ৰীড়া আৰু হৰমোহনৰ বিষয়বস্তু ভাগৱতৰ পৰা আহৰণ কৰা হৈছে যদিও তাক জীৱন্ত কৰি তুলিবৰ কাৰণে মহাপুৰুষে যুক্তি-তৰ্কও তাত নখটোৱাকৈ থকা নাই। উদাহৰণ, যেনে—শ্ৰীকৃষ্ণই যে কামাতুৰ পুৰুষৰ দুখ দেখুৱাবৰ বাবেহে ৰাসক্ৰীড়া পাতিছিল সেই কথা ভাগৱতৰ ৰাসক্ৰীড়াৰ ক'তো সেইদৰে কোৱা নাই। কীৰ্ত্তনৰ মোহিনী ৰূপ দৰ্শনৰ সময়ত হৰ-কৃষ্ণৰ মাজত যি কথোপকথন হৈছিল আৰু তাৰ মাজতে হৰে নিজৰ তপ-যপ-যোগ-সাধনা আদিৰ যি দম্ভালি কৰিছিল তাৰ ক্ষুদ্ৰ আভাসো মূল ভাগৱতত পাবলৈ নাই। কীৰ্ত্তনৰ শঙ্কৰে যেন কৃষ্ণৰ মায়াবলৰ লগত নিজৰ যোগশক্তিৰ প্ৰতিযোগিতাহে চলাইছে। এনে কাৰ্য্যই ঘটনাৰ নাটকীয় আকৰ্ষণ বৃদ্ধি কৰিছে, সন্দেহ নাই; কিন্তু ই ভাগৱতৰ বৰ্ণনাৰ লগত সম্পূৰ্ণ একে নহয। ই মহাপুৰুষৰ নিজৰ সৃষ্টি।

সংসাৰত নাৰীমায়া সকলো মায়াৰ ভিতৰতে কুৎসিৎ বুলিও ভাগৱতত কোৱা নাই। ভাগৱতৰ মতে মহাদেৱে কৃষ্ণৰ মোহিনী ৰূপৰ কথা শুনি সেই ৰূপ নিজ চকুৰে চাবলৈ অভিলাষ জনোৱাত ভগৱান কৃষ্ণই কয়—'যেহেতু আপুনি মোৰ মোহিনী ৰূপটো দৰ্শন কৰিবলৈ অভিলাষ কৰিছে, গতিকে মই যাৰপৰা কামৰ উদ্ভৱ হয় আৰু যি কামীসকলৰ আদৰণীয় সেই ৰূপ আপোনাক দেখুৱাম'। এই বুলি তেওঁ অন্তৰ্দ্ধান হয় আৰু নাৰীৰূপ প্ৰদৰ্শন কৰে।

মোহিনী ৰূপৰ এই কথা বৰ্ণাই স্বয়ং ভগৱানে ভাগৱতত কৈছে—'অজিতেন্দ্ৰিয় লোকে ইয়াক অতিক্ৰম কৰিব নোৱাৰে। আপোনাৰ বাহিৰে কোন এনে পুৰুষ আছে যি এবাৰ আসক্ত হৈ এই মায়া অতিক্ৰম কৰিব পাৰিব?' মহাদেৱে মোহিনীৰ পাছে পাছে দৌৰি শেষত স্খলিতবীৰ্য্য হৈ নিজৰ দোষ বুজিব পাৰি প্ৰকৃতিস্থ হৈছিল। তেওঁ তেতিয়া পাৰ্ব্বতীক কৈছিল—'হে দেৱী, তুমি পৰম দেৱতা, পৰম পুৰুষ ভগৱানৰ মায়া এতিয়া দৰ্শন কৰিলা তো? ভগৱানৰ অৱতাৰসমূহৰ মাজত মই শ্ৰেষ্ঠ হৈও এই ভগৱন্মায়াত বিৱশ হৈ মোহিত হৈছিলোঁ। যি সকল অজিতেন্দ্ৰিয তেওঁলোক যে এনে ভগৱন্মায়াত মোহিত হব তাত আচৰিত হব লগীয়া একো নাই।' ভাগৱতৰ মতে মহাদেৱে বিষ্ণুৰ আগত আগতেও অহঙ্কাৰ কৰি একো কোৱা নাছিল— পাছতো লাজ পোৱা নাছিল। মহাপুৰুষে নাটকীয় ভঙ্গী সংযোজনাৰ দ্বাৰা কৃষ্ণ-মাহাত্ম্য আৰু কিঞ্চিৎ বঢ়াবৰ কাৰণেহে তেনে বৰ্ণনাৰ অৱতাৰণা কৰিছিল।

মুঠতে মহাপুৰুষে কাব্যত এনে শৃঙ্গাৰ ৰসপূৰ্ণ চিত্ৰৰ স্থান দিছিল সমাজৰ এক শ্ৰেণীৰ লোকৰ মনস্তুষ্টি সাধনৰ কাৰণে। কীৰ্ত্তন-দশম দুয়োখন পুথি ভক্তিৰসৰ মৌচাক। একান্ত ভকত-সকলৰো যিবিলাকে শৃঙ্গাৰ ৰসৰ আচ্ছাদন বিচাৰে তেওঁলোকে এনেবোৰ বৰ্ণনাত সেইটো অপৰ্য্যাপ্ত পৰিমাণে পাইছিল। সাধাৰণ

লোকৰ অধিকাংশই শৃঙ্গাৰ ৰসৰ ভক্ত। সেইবাবে অন্ততঃ সাধাৰণ লোকৰ মন আকৰ্ষণ কৰিবৰ কাৰণে হলেও কাব্যত শৃঙ্গাৰ বা আদিৰসৰ অৱতাৰণা কৰাটো কৱিসকলৰ বাবে নিতান্ত প্ৰয়োজনীয় হৈ পৰিছিল। মুঠতে কাব্যৰ লৌকিকতা বা জনপ্ৰিয়তা নিৰ্ভৰ কৰিছিল বহুত পৰিমাণে শৃঙ্গাৰ ৰসৰ সমুচিত ব্যৱহাৰৰ ওপৰত। সেই পিনেদি চাবলৈ গলে শঙ্কৰী কাব্যৰ লৌকিকতায়ো জনসমাজক আপ্লুত কৰি অতৰ্কিতে ভক্তিমাৰ্গলৈ আগুৱাই দিছিল।

বৈষ্ণৱী কাব্যত আদিৰস

(শঙ্কৰদেৱ, অনন্তকন্দলি আৰু ৰামসৰস্বতী)

নদ-নদী, জান-জুবি আদিৰ লক্ষ্যস্থল মহাসাগৰ হোৱাৰ দৰে মধ্য যুগৰ কাব্য, নাটক আদি বিবিধ সাহিত্যত প্ৰেমৰ লক্ষ্যকেন্দ্ৰ হৈ পৰিছিল স্বয় ভগৱান কৃষ্ণ (কৃষ্ণস্তু ভগৱান স্বয়ং)। কৱি-সকলে নিজৰ অন্তৰ উজাৰি প্ৰেমানুৰাগ প্ৰকাশ কৰিব খুজিলেও নিৰ্দিষ্ট পন্থা এটা অৱলম্বন কৰি ভগৱান কৃষ্ণৰ মাধ্যমেৰেহে তাক প্ৰকাশ কৰিব লাগিছিল। এই নিয়ম এক প্ৰকাৰ কবি-প্ৰসিদ্ধিত পৰিণত হৈছিল। তাকে কৰিবলৈ যাওঁতে বঙলা সাহিত্যত বিশেষ এক শ্ৰেণীৰ ভক্ত কৱিৰ সৃষ্টিয়ে হৈছিল। এই কৱিসকলে নিজৰ ব্যক্তিগত প্ৰেমৰ ছবিকে ভগৱান কৃষ্ণৰ জীৱনতো দেখিবলৈ পাই তাকে ৰাধা-কৃষ্ণৰ প্ৰেমৰূপে আৱেগপূৰ্ণ কৱিতাত প্ৰকাশ কৰিছিল। জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস আদি কৱিসকলক এই শ্ৰেণীত ধৰা যায়। নৰ্ত্তকী পদ্মাৱতীৰ প্ৰতি জয়দেৱৰ, ৰজা শিৱসিংহৰ মহিষীৰ প্ৰতি বিদ্যাপতিৰ আৰু ৰজকিনী ৰামীৰ প্ৰতি চণ্ডীদাসৰ যি পৰকীয়া প্ৰীতি সিয়ে আছিল গোপাঙ্গনা ৰাধিকাৰ প্ৰতিও ভগৱান কৃষ্ণৰ প্ৰীতি। এই কৱিসকলে গোপন বিহাৰৰ কাৰণে আসক্ত হৈ তেওঁলোকৰ নিজ নিজ প্ৰেমিকাৰ প্ৰতি অন্তৰত যি আকৰ্ষণ অনুভৱ কৰিছিল তাকেই ভগৱান কৃষ্ণৰ ৰাধা-প্ৰেমৰ নামত প্ৰকাশ কৰিছিল। ৰাধা-কৃষ্ণৰ প্ৰেমৰ এই মধুৰ গীতবোৰ সেইবাবেই জীৱন্ত আৱেগৰ মূৰ্ত্ত বিকাশ হৈ পৰিছে। অসমীয়া বৈষ্ণৱ কৱিসকলৰ কাৰো তেনে ধৰণৰ পোনপটীয়া প্ৰেম-কাহিনী পোৱা নাযায়। সেইহেতু অসমীয়া বৈষ্ণৱ কৱিতাৰ প্ৰেম বহুপৰিমাণে

কৃত্ৰিম প্ৰেম বা বস্তুধৰ্ম্মী (objective) প্ৰেম, মনোধৰ্ম্মী (subjective) বা কবিৰ অন্তৰৰ স্বতঃস্ফূৰ্ত্ত প্ৰেম নহয়।

অসমীয়া বৈষ্ণৱ কবিসকলে প্ৰেমৰ ক্ষেত্ৰতো যেন ভগৱানৰ উদ্দেশ্যেহে সকলো কৰিছিল—'হৃদি স্থিত হুয়া তুমি—যেন কৰাইবাহা স্বামী—হৃষীকেশ কৰিবো তেনয' বা 'যথা নিযুক্তোঽস্মি তথা কৰোমি' হৈ। তেওঁলোকৰ প্ৰেম-উপভোগত প্ৰেমিকে কণ্ঠলগ্ন হৈও ভগৱানক পাহৰা নাই। প্ৰেমৰ মুক্ত প্ৰবাহক তেওঁলোকে প্ৰেমৰ বৰ্ণনাৰ মাজতেই ইতিকিং কৰি তাৰ কু-পৰিণামৰ প্ৰতি পাঠকক সঘনে সতৰ্ক কৰি দিছে। হৰমোহন, ৰাসক্ৰীড়া আদিত শঙ্কৰদেৱেই তাৰ আদৰ্শ দাঙি ধৰিছিল। এই প্ৰসঙ্গত পোনতে শঙ্কৰদেৱৰ 'ৰুক্মিণী-হৰণ' কাব্য আৰু 'ৰুক্মিণী-হৰণ' নাটলৈয়ে আঙুলিয়াব পাৰি। প্ৰসঙ্গক্ৰমে বৈষ্ণৱ-কবি অনন্তকন্দলিৰ 'কুমৰ-হৰণ' আৰু ৰামসৰস্বতীৰ 'গীত-গোবিন্দ' কাব্যৰ কথাও উল্লেখযোগ্য।

তেতিয়া ৰুক্মিণীৰ ৰূপ-যৌৱনৰ কথা মানুহৰ মুখে মুখে বিয়পি পৰিছিল 'যাক দেখি সিদ্ধ মুনিগণ হোৱে ভোল', আৰু তেতিয়া তেওঁ কেনে হৈ পৰিছিল—

প্ৰথম বয়সী নাৰী পদ্মিনী প্ৰধান।
হৃদয়ত বাঢে স্তন বদৰী প্ৰমাণ॥
বহল জঘনী কটিদেশ অতি সৰু।
মুঠিতে লুকাই যেন হৰৰ ডম্বৰু॥
চন্দ্ৰসম জ্বলে অতি চাৰু নখপান্তি।
যাক দেখি মদনৰ চিত্ত উদ্ভ্ৰান্তি॥ ইত্যাদি

ইফালে মাধৱৰো তেতিয়া ভৰ যৌৱন, তেওঁৰো ৰূপ-গুণৰ খ্যাতি চৌদিশে ফাটি-ফুটি গৈছে—

জগতত্তে নাহি ৰূপ কৃষ্ণৰ সমান।
কামিনী মোহন ৰূপ পুৰুষ প্ৰধান॥

ৰূপৱতী হলে অন্ততঃ নাৰীৰ ক্ষেত্ৰত ৰূপৰ দম্ভ-অহঙ্কাৰ সাধাৰণতে অলপ থাকেই। তেনেস্থলতো ৰুক্মিণীৰ ক্ষেত্ৰত কিন্তু তাৰ ব্যতিক্ৰম হৈছিল। কৃষ্ণক তেওঁ স্বামীৰূপে পাবলৈ বাঞ্ছা কৰিছে ভক্তি-ভাৱেহে, প্ৰেমভাৱে নহয়।

শিশু কাল হন্তে স্বামী বৰি আছোঁ মনে।
মোক বিহা কৰাইবন্ত প্ৰভু নাৰায়ণে॥

ইয়াত 'প্ৰভু নাৰায়ণ' কথাটো মন কৰিবলগীয়া। সেইবাবেই তেওঁ আজীৱন সাধনাৰ সামগ্ৰী প্ৰভু নাৰায়ণক হাততে পায়ো উপভোগৰ প্ৰবল জোৱাৰত উটি-ভাহি নগৈ তেওঁক পৰম-পুৰুষ বুলিয়ে গ্ৰহণ কৰি জীৱনৰ চৰম সৌভাগ্য উপলব্ধি কৰিব পাৰিছিল।

পৰম পুৰুষ জীউ ভৈলি মুৰাৰু।
জনম সাফল সখি আবহু হামাৰু॥

—আৰু 'ৰুক্মিণী ক্ৰীড়য়ামাস স্মৃত্বা হৰিপদং হৃদি' কৃষ্ণৰ চৰণ হৃদয়ত গ্ৰহণ কৰিহে উপভোগত নিজক নিবিষ্ট কৰিছিল। বিয়াৰ আগতে ভৱানী মন্দিৰলৈ যাওঁতেও তেওঁ 'হৰিকহো চৰণ চিন্তিয়ে চলি যায়' (নাটক), 'কৃষ্ণক বাঞ্ছন্ত স্বামী দুৰ্গাক সুমৰি' (কাব্য)। আকৌ পিছতো ৰক্ষাসকলে কৃষ্ণক বেটি ধৰি ৰণ দিয়াত ৰুক্মিণীয়ে নিৰুপায় হৈ কৈছিল—

হেন জানি প্ৰভু আৰে কৰিও উপায়।
যেন তেন মতে মোক নিয়ো পলুৱাই॥

যুদ্ধ যেতিয়া অৱশ্যম্ভাৱী হৈ পৰিল, ৰণবাদ্য বাজিবলৈ ধৰিলে—তেতিয়া ৰুক্মিণীয়ে নিজৰ কাৰণে অকণো নাভাবি স্বামীৰ মঙ্গলৰ বাবেহে চিন্তিতা হৈ পৰিছিল—

আৱল কৈচন নাথ অভাগীক লাই।
কাচক চাহিতে জানো মাণিক হৰাই॥ (নাটক)

* * * *

আৰু— মোহোৰ কাৰণে প্ৰাণনাথ আইল চলি।
আজি জানো হুকৱাও সোণৰ পুতলি॥
পাপিষ্ঠীক লাগি কেনে আইলা গোঁসাই।
কাচক চাহন্তে জানো মাণিক হৰাই॥ (কাব্য)

ৰুক্মিণী সকলো সময়তে সৰ্ব্বতোভাৱে সংযতা আছিল, ৰুক্মিণীৰ ৰূপ দেখি ববঞ্চ কৃষ্ণৰহে মনত যৌৱনৰ মাদকতাপূৰ্ণ চঞ্চলতা কিঞ্চিৎ হলেও ফুটি নুঠাকৈ নাছিল আৰু সেয়েহে—

কথমপি হৰি, অতি ধৈৰ্য্য ধৰি, থিৰ কৰিলন্ত চিত,
হৰিবাক প্ৰতি, মাধৱৰ মতি, কৰে আতি পিত পিত॥

পুৰুষৰ তুলনাত নাৰীৰ কাম-বাসনা প্ৰবলতৰ আৰু কাম-শক্তিও পুৰুষতকৈ দহগুণে চৰা, এয়ে বিশেষজ্ঞসকলৰ অভিমত, কিন্তু হলেও সি লজ্জাৰ ডাঠ আৱৰণৰ দ্বাৰা আবৃত থাকে, ব্ৰহ্মপুত্ৰৰ গৰ্ভ-সোঁতৰ দৰে।

শ্ৰীকৃষ্ণৰ মদন-মোহন ৰূপ দেখি ৰুক্মিণীৰ লগৰীয়া যুৱতীসকলৰ অন্তৰত কেনে চাঞ্চল্য উপজিছিল আৰু তেওঁলোকে তেতিয়া কেনে আচৰণ দেখুৱাইছিল তাৰ বৰ্ণনা দিয়াত বৈষ্ণৱ গুৰুৱে কাৰ্পণ্য কৰা নাই। কৃষ্ণক দেখি—

অতিশয় ভোল হুয়া কতোজনী উঠি।
আন ছলে কৃষ্ণক দেখাৱে কাষ পিঠি॥
স্তনক দেখাৱে হাস্য কৰি মুখ ঢাকি।
বস্ত্ৰ কাতি কৰি টেৰ চক্ষু চাহি থাকি॥
মদনে পীড়িলা আতি সহিতে নাপাৰে।
বিমোহিত হুয়া আলগতে চুমা পাৰে॥ (ইত্যাদি)

অসমীযা বৈষ্ণৱ কাব্যৰ প্ৰেমিকাই সংযমৰ সীমা ডেই নাযায় আৰু কৃষ্ণক প্ৰেমিকৰূপে পালেও তেওঁ যে পৰম-পুৰুষ স্বয়ং ভগৱান সেইটো একো অৱস্থাতে পাহৰি নেপেলায়। আচলে-

পিচলে কেনেবাকৈ যদি সেইটো পাহৰি প্ৰেমিকাই নিজৰ ৰূপ-যৌৱনৰ অহঙ্কাৰ মনলৈ আনে তেতিয়া তেওঁ সেই মুহূৰ্ত্তে ভগৱৎ-প্ৰাপ্তিৰপৰা বঞ্চিতা হয়। ৰাসক্ৰীড়াত ৰাধা আৰু গোপী-সকলৰো সেয়ে হৈছিল।

বৈষ্ণৱ কবি অনন্তকন্দলিৰো 'কুমৰ-হৰণ'ৰ মূল বস্তু উষাৰ গুপ্ত-প্ৰণয় আৰু উষা-অনিৰুদ্ধৰ গোপন-বিহাৰ। এই বিষয়ে পীতাম্বৰ কবিৰ 'উষা-হৰণ'ৰ কথা আলচ কৰোঁতে তুলনামূলকভাৱে কিছু কৈ অহা হৈছে। তাতো কবিয়ে ঠায়ে ঠায়ে আদিৰসৰ আকৰ্ষণীয় বৰ্ণনা দিছে যদিও বৈষ্ণৱ কবিয়ে শেহত কৃষ্ণৰ প্ৰাধান্য প্ৰতিপন্ন কৰিবলৈ হৰি-হৰৰ সন্মুখ-সমৰৰো অৱতাৰণা কৰিছে—

হৰি ধৰিলন্ত চক্ৰ শঙ্কৰে ত্ৰিশূল।
চতুৰঙ্গ সেনাৰ লাগিল হুলস্থূল॥

ব্ৰহ্মাই তেতিয়া হৰ-কৃষ্ণৰ মিলন ঘটাবলৈ গৈও আওপাকে কৃষ্ণৰে গৰিমা প্ৰকাশ কৰিছে—

দেৱতাৰ কাৰ্য্য সাধি ফুৰন্ত মাধৱ।
তুমি কিয় তাত আসি কৰা উপদ্ৰৱ॥
আমাৰ বচন লৰা দুয়ো এৰা কষ্ট।
তুমি কৃষ্ণে কন্দলে সৃষ্টি যে হৈব নষ্ট॥

তাৰেই ফলত হৰি-হৰ দুয়ো 'গলাগলি কৰিয়া গৈল এক ঠাৱ॥'

কুমৰ-হৰণত সঙ্গীতৰ প্ৰভাৱ মানৱ মনৰ ওপৰত কেনে কাৰ্য্যকৰী সেইটোও দেখুৱা হৈছে। চিত্ৰলেখাই কোঁৱৰৰ হাতৰ পৰা প্ৰথমবাৰ সাৰিল—কোঁৱৰৰ শয়নকক্ষত 'ৰতি-উপভোগ প্ৰভু নোহে ইটো স্থান' বুলি কৈ। দ্বিতীয়বাৰ বাটত শোণিতপুৰ নৌপাওঁতে পুনঃ কোঁৱৰে ধৰাত মধুৰ সঙ্গীত যুৰি তাৰ দ্বাৰা চিত্ৰলেখাই তেওঁক মুগ্ধ কৰি ৰাখিছিল।

বৈষ্ণৱী প্ৰেমৰ বিখ্যাত কাব্য 'গীত-গোবিন্দ'তো সঙ্গীতৰ প্ৰভাৱ

ঠায়ে ঠায়ে স্বীকাৰ কৰা হৈছে। 'গীত-গোবিন্দ' সম্পৰ্কে আৰু কিঞ্চিৎ আলচ কৰা প্ৰয়োজনীয়, কাৰণ ই এখন অমৰ প্ৰেম-কাব্য।

'গীত-গোবিন্দ' খৃষ্টীয় দ্বাদশ শতিকাৰ বঙ্গীয় কবি জয়দেৱৰ অন্যতম প্ৰেমৰ কাব্য। ই সংস্কৃত ভাষাৰ কাব্য হলেও ইয়াৰ ছন্দ-মাধুৰ্য্য আৰু শব্দ-গাঠনি এনে যে তাৰ কাৰণে কোনো কোনো ঠাইত সি প্ৰাদেশিক ভাষাৰ ৰচনাৰূপে পৰিগণিত হব খোজে। ৰাধা-কৃষ্ণৰ বিবিধ ৰতি-বিলাসৰ চিত্ৰ-সম্পদেৰে 'গীত-গোবিন্দ' সম্পূৰ্ণ হলেও কবিৰ মনৰ ৰাধা কিন্তু তেওঁৰ প্ৰেমিকা আৰু দ্বিতীয় পত্নী পদ্মাৱতীহে। পদ্মাৱতী আছিল জগন্নাথ মন্দিৰৰ নৰ্ত্তকী বা দেৱদাসী আৰু কবি জয়দেৱ আছিল সেই মন্দিৰৰে পূজাৰী। জগন্নাথৰ দ্বাৰা স্বপ্নাদিষ্ট হৈ তেওঁ হেনো পদ্মাৱতীক পত্নীৰূপে গ্ৰহণ কৰিছিল। সি যি হওক, কিন্তু 'গীত-গোবিন্দ'ৰ মৰ্ম্মকথা বুজিবলৈ হলে কবি জয়দেৱৰ জীৱন-কাহিনী জানিব লাগিবই, কাৰণ, আগতে কোৱা হৈছে যে 'গীত-গোবিন্দ' বস্তুধৰ্ম্মী বৈষ্ণৱ কাব্য নহয়, মনোধৰ্ম্মী প্ৰেম-গাঁথাহে। প্ৰেমৰ প্ৰাধান্য থকা বাবে আৰু সেই প্ৰেম কৃষ্ণাৰ্থে অৰ্পিত হোৱা বাবে সি প্ৰেমধৰ্ম্মী বৈষ্ণৱ ধৰ্ম্মৰো এখন মূল গ্ৰন্থ হৈ আছে। স্বয়ং চৈতন্যদেৱেও এই গ্ৰন্থোক্ত ৰাধা-কৃষ্ণৰ প্ৰেম আৰু ৰাধা-কৃষ্ণক তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ মূলবস্তু হিচাপে গণ্য কৰি গৈছে।

অসমীয়া বৈষ্ণৱ ধৰ্ম্মত এই গ্ৰন্থ আৰু এই ৰাধা-কৃষ্ণ প্ৰেমৰ বিশেষ স্থান নাই। সেইবুলি দুযোজনা গুৰুৰ তিৰোধানৰ পাছত অসমীয়া বৈষ্ণৱ বা অবৈষ্ণৱ কবিসকলৰ মনোযোগ এই কাব্যই আকৰ্ষণ নকৰাকৈ থকা নাছিল। সেই বাবেই এজন দুজন নহয়, তিনিজন টীকাকাৰে বিভিন্ন সময়ত বিভিন্ন ধৰণে বিভিন্ন নামত ইয়াৰ টীকা কৰিছিল আৰু ইয়াৰ অনুবাদো তিনিজন কবিয়ে তিনিবাৰ বেলেগ বেলেগ সময়ত সম্পন্ন কৰিছিল। আনকি মহাৰাজ নৰনাৰায়ণৰ ভ্ৰাতৃ শুক্লধ্বজ বা চিলাৰায়েই আছিল ইয়াৰ প্ৰথম

টীকাকাৰ। এই টীকাৰ নাম 'সাৰবতী' টীকা। দ্বিতীয় টীকা ধৃতিদাসৰ, নাম—'সন্দৰ্ভ দীপিকা' আৰু তৃতীয় টীকা ৰত্নাকৰ কন্দলিৰ, নাম—'সাৰ দীপিকা'। ষোড়শ শতিকাৰ শেষ ভাগ আৰু সপ্তদশ শতিকাৰ আগ ভাগৰ এগৰাকী শ্ৰেষ্ঠ বৈষ্ণৱ কৱি ৰামসৰস্বতীয়েই 'গীত-গোবিন্দ'ৰ প্ৰথম কাব্য-ভাঙনী লিখে। দ্বিতীয়খনি ভাঙনী লিখে অষ্টাদশ শতিকাৰ শ্ৰেষ্ঠ কৱি কৱিৰাজ চক্ৰবৰ্ত্তীয়ে আৰু তৃতীয়খন লিখিছিল ধৰ্ম্মদেৱ ভট্টাচাৰ্য্যই অষ্টাদশ শতিকাৰে শেষ দশকত। দ্বিতীয় আৰু তৃতীয় ভাঙনী দুখন লিখা হৈছিল সেই সময়ৰ ৰজা শিৱসিংহ আৰু ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ উৎসাহ-উদ্দীপনাত। কোৱা বাহুল্য যে ৰজা শিৱসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীয়েও তেওঁলোকৰ আত্মজীৱনৰ প্ৰেমৰ প্ৰতিচ্ছবি এটি কৱি জয়দেৱে পোৱাৰ দৰে ৰাধা-কৃষ্ণৰ প্ৰেমৰ মাজত দেখিবলৈ পাইছিল আৰু সেয়েহে এই কাব্যৰ প্ৰতি তেওঁলোকৰ অনুৰাগ প্ৰবল হৈ পৰিছিল। কৱিৰাজ চক্ৰবৰ্ত্তীৰ ভাঙনী মূলানুগ আৰু ধৰ্ম্মদেৱৰ ভাঙনী ৰামসৰস্বতীৰ ভাঙনীৰ আৰ্হিতে লিখা কম-বেছি পৰিমাণে বৈষ্ণৱ-পন্থী ভাঙনী। ইয়াতো দশমৰ ৰাসলীলাৰ কথা মাজে মাজে সংমিশ্ৰণ কৰা আছে।

অসমীয়াত প্ৰথম আৰু আমাৰ আলোচনাৰ প্ৰয়োজনীয় ভাঙনীটোৱে কৱি ৰামসৰস্বতীৰ ভাঙনী। ৰামসৰস্বতী মহাৰাজ নৰনাৰায়ণৰ সভাৰ সভাপণ্ডিত আছিল। শঙ্কৰ-মাধৱ আদি সম-সাময়িক বৈষ্ণৱ কৱিসকলৰ তিৰোধানৰ পিছত শেহ বয়সত তেওঁ মঙ্গলদৈৰ দৰঙী ৰজা ধৰ্ম্মনাৰায়ণৰ সভাত সভাপণ্ডিত হৈ থকা কালত এই কাব্য ৰচনা কৰিছিল। তেতিয়া তেওঁ ধৰ্ম্মনাৰায়ণ ৰজাৰ (১৬১৪—১৬৩৭=২৩ বছৰ) অকল সভাপণ্ডিতেই নাছিল, বিপদে-আপদে তেওঁৰ পুৰোহিত স্বৰূপেও কাম কৰিছিল।

> কহে ৰাম সৰস্বতী পৰম দুৰ্নীত।
>
> নিদানত ধৰ্ম্ম নৃপতিৰ পুৰোহিত॥ (২৬ পদ)

কবি ৰামসৰস্বতীৰ 'গীত-গোবিন্দ' কাব্যত বিশেষ মন কৰিবলগীয়া কথা এই যে তাত কৃষ্ণতকৈ ৰাধাহে বেছি ব্যাকুল হৈছে, 'দেহি পদপল্লৱমুদাৰম্' বুলি ঘনে ঘনে ৰাধাৰ পদত লুণ্ঠিত হোৱা নতুবা ৰাধাৰ বিৰহত মূৰ্চ্ছিত হব খোজা কৃষ্ণৰ বৰ্ণনা তাত নাই, অ'ত-ত'ত যি অলপ আছে তাতো লগে লগে ব্যাখ্যা দি কোৱা হৈছে যে ভগৱানেও এনে কাম কৰি 'দেখাইলন্ত কামাতুৰ পুৰুষৰ ভাৱে' অৰ্থাৎ কামাতুৰ পুৰুষৰ ভাওনাহে কৰিছিল। জয়দেৱৰ 'গীত-গোবিন্দ' আৰু ৰামসৰস্বতীৰ 'গীত-গোবিন্দ'ৰ বিষয়-বস্তুৰ ক্ৰম আৰু পৰিবেশন প্ৰণালীলৈ লক্ষ্য কৰিলেই সেইটো স্পষ্ট হৈ পৰিব।

জয়দেৱৰ মূল কাব্য আৰম্ভ হৈছে মধু বসন্তৰ আগমনত কৃষ্ণ-বিৰহত কাতৰ ৰাধিকাই কৃষ্ণান্বেষণত চট্‌ফটাই ফুৰোঁতে সখীয়েকে আহি কৃষ্ণৰ বাৰ্ত্তা দিবলৈ আৰম্ভ কৰাতেই। কৃষ্ণ আছিল সেই সময়ত অন্য গোপীসকলৰ লগত ৰাসক্ৰীড়াত মত্ত হৈ। সেই ৰাতৰি ৰাধিকাৰ বিৰহ-কাতৰ অন্তৰত জ্বলা জুইত ঘিউৰ দৰে হ'ল। তথাপি মৰণত শৰণ দি তেওঁ কৃষ্ণক মাতি আনি দিবলৈ সখীয়েকক খাটিলে।

সিফালে কৃষ্ণয়ো ৰাধিকাৰ বিৰহত কাতৰ হৈ গোপীসকলক এৰি ৰাধাক বিচাৰি ঘূৰি ফুৰিছে। ৰাধাৰ দূতীয়ে গৈ তেতিয়া খবৰ দিয়াত তেওঁ কিন্তু সেই অৱস্থাত ৰাধাৰ ওচৰলৈ পোনচাটে আহিবলৈ ভয় কৰিলে, কাৰণ তাকে কৰিলে ৰাধাই তেওঁক গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰি থকা বুলি জানিব। গতিকে তেওঁ ৰাধাকে তেওঁৰ ওচৰলৈ মাতি পঠালে। এনেকৈ দুয়ো মান-অভিমান কৰি থাকোঁতেই ৰাতি পুৱাল! শেষত ৰাধিকাৰে জয় হ'ল, কৃষ্ণ তেওঁৰ ওচৰলৈ গ'ল। কিন্তু গলে কি হব? ৰাধিকাই কৃষ্ণৰ অঙ্গত সুৰতি-সম্ভোগৰ চিন লক্ষ্য নকৰাকৈ নাথাকিল। খঙে তেওঁৰ মূৰৰ চুলি পালেগৈ। কৃষ্ণক তেওঁ

চকুৰ আগৰপৰা খেদি পঠালে। তাকে দেখি কথা বিষম ভাবি কৃষ্ণক সখীয়েকসকলে পুনঃ ধৰি ৰাধাৰ ওচৰলৈ লৈ গ'ল আৰু দুয়োৰো মাজত মিলন ঘটাই দিলে। তাৰ পিছত ৰাধিকাৰ ইঙ্গিতত সখীসকল আঁতৰি যায় আৰু কৃষ্ণই সেই সুযোগতে ৰাধিকাৰ চৰণত প্ৰেমাকুলভাৱে সাৱটি ধৰি 'দেহি পদপল্লৱমুদাৰম্' বুলি আত্মসমৰ্পণ কৰে আৰু তাৰ পিছত চৌষষ্টি কলাপূৰ্ণ সুৰতি-সম্ভোগেৰে মদন-যজ্ঞত আহুতি চলিবলৈ ধৰে।

ৰামসৰস্বতীয়ে জয়দেৱৰ 'গীত-গোবিন্দ'ৰ ঘটনাক্ৰম ঠিক ৰখা নাই, মূলবস্তু ঠিকেই ৰাখি তাত ৰুচি আৰু উদ্দেশ্য অনুযায়ী যোগ-বিয়োগ কৰিছে। তাত আনকি জয়দেৱৰ বিখ্যাত দশাৱতাৰ স্তোত্ৰ 'প্ৰলয়পয়োধিজলে ধৃতবানসি বেদম'ৰো ভাঙনী নাই। সেই স্তোত্ৰ ৰামসৰস্বতীয়ে 'দশ অৱতাৰক বৰ্ণিয়া প্ৰণামিলা' বুলি বচন এশাৰীৰে সামৰি থৈছে। ভাগৱতৰ কথা মিহলাই জয়দেৱৰ কাব্য তেওঁ অনুবাদ কৰিছে বুলি কাব্যৰ আৰম্ভণিতে কৈ থৈছে

জয়দেৱ নামে কৱি আছিলা পূৰ্ব্বত।
গীতগোবিন্দৰ বিৰচিলা নানা মত॥
গোবিন্দৰ ৰাসক্ৰীড়া গোপিকা সহিত।
একত্ৰ কৰিয়া ভাগৱত সমন্বিত॥
দুয়ো কথা নিবন্ধ কৰিবো এক ঠাই।
যাহাক স্মৰণে লোক বৈকুণ্ঠক যায়॥

অৰ্থাৎ ৰামসৰস্বতী 'গীত-গোবিন্দ'ত ৰাধা-কৃষ্ণৰ কথায়ে নহয়, গোপীসকলৰ কথা আৰু তেওঁলোকৰ লগত গোবিন্দৰ ৰাসক্ৰীড়াৰ বিবৰণো ভাগৱতৰ কথাৰ লগত মিহলাই দিয়া আছে।

কৱিয়ে ৰাধা কোন, গোপীসকল নো পূৰ্ব্বে কোন আছিল, কৃষ্ণয়ে বা কোন আৰু কিয় কৃষ্ণে 'ৰাধিকাক ফুৰাইলন্ত কান্ধৰ উপৰ' ইত্যাদি কথাৰ গূঢ়াৰ্থ ব্যাখ্যা কৰিছে, লগতে জয়দেৱ-পদ্মাৱতীৰ সম্বন্ধ আৰু কাৰ্য্যৰো ইঙ্গিত দিছে—

যাৰ নিজ ভাৰ্য্যা ভৈল নামে পদ্মাৱতী।
নানা বিধ বাক্য ৰচনাত চক্ৰবৰ্ত্তী॥
জয়দেৱে মাধৱৰ স্তুতিক বৰ্ণাৱে।
পদ্মাৱতী আগত নাচন্ত ভঙ্গীভাৱে॥

ৰাধাক পৰস্ত্ৰী বুলি সাধাৰণভাৱে বুজি ললে কৃষ্ণ ভগৱান হৈ নাথাকে আৰু বৈষ্ণৱ কৱিহে নালাগে—কাৰো সেই ৰাধা-কৃষ্ণৰ প্ৰেমগীত কাম্য বা বৰণীয় বস্তু নহয়। সেইদেখি ৰাধাৰ প্ৰতি পাঠকৰ চিত্ত আৰু ভক্তি অবিচলিত ৰাখিবৰ কাৰণে তেওঁৰ পূৰ্ব্ব-জন্মৰ কাহিনী বৰ্ণনা কৰি কৱিয়ে কৈছে—

এতেঁকে কৃষ্ণত ভক্তি কৰিবাক মনে।
লক্ষ্মী আসি ৰাধা ৰূপে ভৈলন্ত আপোনে॥

অৰ্থাৎ স্বয়ং লক্ষ্মীদেৱীয়ে হৈছে ৰাধা। আকৌ গোপীসকলো আছিল তিনি শ্ৰেণীৰ। এবিধ সাধাৰণ গোপকন্যা। মাধৱৰ ক্ৰীড়াৰ পুতলীৰূপে কাম কৰিবলৈ তেওঁলোক জন্ম গ্ৰহণ কৰিছিল—'মাধৱৰ ক্ৰীড়া হেতু জন্মিলা গোকুলে'। দ্বিতীয় বিধ গোপীয়ে কষ্টসাধ্য কাত্যায়নী ব্ৰত কৰি আকণ্ঠ জলমগ্না হৈ কৃষ্ণক পতিৰূপে পাবলৈ বাঞ্ছা কৰিছিল আৰু সেইবাবেই বৃন্দাবনত ৰাসলীলাৰ সময়ত তেওঁক সেইৰূপে পাইছিল। তৃতীয় বিধ গোপী হ'ল—পূৰ্ব্বৰ ৰাম অৱতাৰৰ দণ্ডকা অৰণ্যৰ ঋষিসকল। তেওঁলোকে ভগৱান ৰামচন্দ্ৰৰ লগত সীতাক অহৰ্নিশে থকা দেখি সীতাৰ ভাগ্যৰ কাৰণে অন্তৰত দুৰ্ঘোৰ ঈৰ্ষা অনুভৱ কৰিছিল। তাকে জানিব পাৰি অন্তৰ্য্যামী প্ৰভু ৰামচন্দ্ৰই দ্বাপৰ যুগত গোকুলত সকলোকে গোপনাৰীৰূপে জন্ম-লাভ কৰি ৰাসক্ৰীড়াৰ সময়ত তেওঁৰ আসঙ্গ সুখ লভিবলৈ বৰ দিছিল।

ৰামচন্দ্ৰে বোলন্ত শুনিও ঋষিলোক।
নাৰী হুয়া যদি আলিঙ্গিবে খোজা মোক॥

গোকুলত কৃষ্ণ অৱতাৰ হুইবো মই।
গোপী হুযা ভজিবাহা তোৰা ঋষিচয়॥

এনেবোৰ কথা ব্যাখ্যা কৰাৰ উপৰিও ৰাসক্রীড়াৰ তাৎপর্য্য কি, তাত ভগৱানে প্রকৃততে কি দর্শাইছিল আৰু পুৰুষ-প্রকৃতিৰ মাজৰ সম্বন্ধটোৱে বা কি ইত্যাদি কথাৰ ৰহস্য কৱিয়ে উদ্‌ঘাটন কৰি দেখুৱাইছে আৰু কৈছে যে—'সততে ভক্তৰ বশ্য দেখাইলন্ত হৰি',

আৰু— প্রকৃতি পুৰুষ দুইৰো নাহি ভিন্ন পৰ।
কার্য্য কাৰণত মাত্র ভিন্ন কলেৱৰ॥

এনে ধৰণৰ দার্শনিক আৰু পৌৰাণিক তত্ত্ব জয়দেৱৰ কাব্যৰ বহির্গত কথা।

ৰামসৰস্বতীৰ কাব্যৰ ঘটনাচক্র এইদৰে ঘূৰিছে—। শৰৎকালৰ 'পুষ্প-বিকশিত' বৃন্দাবনত চন্দ্রাৱলী নিশা কৃষ্ণই এদিনাখন কদম্বৰ তলত বহি বিশ্বমোহন সুৰত তেওঁৰ বাঁহী বজাবলৈ ধৰিলে। সেই 'বংশীধ্বনি শুনি, যতেক গোপিনী, কামে জর্জ্জৰিত চিত' হৈ উঠিল। ইফালে ৰাধা, বসুমতী, ৰতি, পদ্মাৱতী আদি কিছুমান গোপীক তেওঁ বাঁহীৰ সুৰত নাম ধৰিয়ে মাতিবলৈ ধৰিলে। গোপীসকলে ধৈর্য্য হেৰুৱাই পাটীৰ পতি, বুকুৰ কেঁচুৱা সবাকো পৰিহাৰ কৰিলে আৰু বিচূর্ত্তি হৈ কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিলে।

এইখিনিতে মন কৰিবলগীয়া কথা এই যে জয়দেৱৰ 'গীত-গোবিন্দ'ৰ ৰাসক্রীড়া আৰম্ভ হৈছে বসন্তৰ মধু যামিনীত আৰু ৰামসৰস্বতীৰ কাব্যৰ ৰাসক্রীড়া আৰম্ভ হৈছে শৰৎকালৰ চন্দ্রাৱলী নিশা। অৱশ্যে ৰামসৰস্বতীৰ কাব্যতো পিছত গৈ বসন্তৰ আবির্ভাব নোহোৱাকৈ থকা নাই, কিন্তু হৈছে কৃত্রিমভাৱে, জগদীশ্বৰ কৃষ্ণৰ ইঙ্গিতত ৰাসক্রীড়াৰ কৌতুক বঢ়াবৰ কাৰণে। অসমীয়া কৱিৰ মনৰ ওপৰত থকা ভাগৱতৰ প্রভাৱেই ইয়াৰ মূল কাৰণ। ইয়াৰ উপৰিও—

ৰন্ধন শালাত আছিলেক কেহো
মুধুইলেক হাত-ভৰি।
ঘুমটিৰ হস্তে গৈলা লৰৰস্তে
গাৰো বস্ত্ৰ নসম্বৰি॥

এনেবোৰ বৰ্ণনা স্পষ্টকৈয়ে ভাগৱতৰ ৰাসক্ৰীড়াৰ বৰ্ণনাৰে প্ৰতিধ্বনি মাত্ৰ। ভাগৱতত আৰম্ভ কৰাৰ দৰেই ইয়াতো ৰাসক্ৰীড়া আৰম্ভ হৈছে আৰু ভাগৱতত পোনতে কৃষ্ণই গোপীসকলক উলটি যাবলৈ উপদেশ দিয়াৰ দৰে ইয়াতো উপদেশ দিছে।

সবাকো মাতিলা নাৰায়ণ।
সখী তোৰা আইলা কি কাৰণ॥

* * *

কামাতুৰ পুৰুষক ডৰে।
ৰাত্ৰি নাৰী নোলাই গৃহৰে॥
ইটো বনে ৰাক্ষসৰ ভয়।
তোৰা কেনে আইলা ওলাই॥
যদি বাটে ৰমে উপপতি।
কি কৰিবা তোৰা স্ত্ৰীজাতি॥

গোপীসকলে লাজত কাপোৰেৰে মুখ ঢাকি একো নোকোৱাকৈ থকা দেখি তেওঁ পুনঃ কলে 'নে মোৰ প্ৰতি অতি স্নেহ থকা কাৰণে মোৰ কুশল-মঙ্গল জানিবৰ বাবে এনেকৈ আহিছিলা? সেয়ে যদি হয় তথাপিও এতিয়া—

আমাক দেখিলা ইতো ভালে।
ফিৰি তোৰা যায়োক সকলে॥

তেতিয়াও লজ্জাত একো উত্তৰ নিদিয়া দেখি আৰু তেওঁলোকৰ গতিমতি বৰ ভাল নহয় যেন ভাবি এইবাৰ তেওঁ ইয়াকো পুনঃ

কলে—যদিহে তোমালোকে মোক উপপতিৰূপে পাবলৈ বাঞ্ছা কৰিয়ে গভীৰ নিশা এই নিভৃত স্থানলৈ আহিছা, তেন্তে—

ইটো কৰ্ম্ম অযুগুত বৰ।
লোকে মন্দ বোলে নিৰন্তৰ॥
অল্প সুখ ক্ষণেকে চাৰয।
পৰলোকে নৰকে পৰয॥

পতিকে—

আপোনাৰ স্বস্বামীৰ ঠাই।
ইটো কাম শাস্ত্ৰ কৰা যাই॥

অকল সেয়ে নহয—

স্বামী যদি কুচিত ৰুগীয়া।
নির্ধনী দৰিদ্ৰ আলসিযা॥
খোৰা কোঙা হাস্থিতে নোৱাৰি।
তাকো নেৰিবেক নিজ নাৰী॥

এইদৰে গোপীসকলক শাস্ত্ৰৰ বিধান বিস্তৰ বুজালে। কিন্তু একোতে একো ফল নধৰিলে। গোপীসকল উলটি নগ'ল। তেওঁলোকে শেষত নিজ নিজ অভিপ্ৰায় স্পষ্ট কথাত ব্যক্ত কৰিলে—

পতিসেৱা ধৰ্ম্ম যত কহিলা আপুনি।
সেই ধৰ্ম্ম তোমাতে সিজোক চক্ৰপাণি॥

আৰু—

তুমি যদি নাৰাখা আপুনি কহো সাৰ।
ফিৰি আমি নিজ ঘৰে নপশিবো আৰ॥

বৈষ্ণৱ কবিয়ে এইখিনিতে গোপীসকলে যে কৃষ্ণক সাধাৰণ পতিৰূপে পাবলৈ বিচৰা নাছিল, স্বয়ং ভগৱান বুলি জানিহে তেওঁক ভজনীয় পতিৰূপে পাবলৈ বাঞ্ছা কৰিছিল তাকো স্পষ্ট ভাষাত কৈ থলে—

তোমাৰ চৰণ-লগ্ন তুলসীক পাই।
খোপাত পিন্ধিয়া ফুৰিবোহো গুণ গাই॥
তোমাৰ চৰণ নিজ ভকতৰ ভাগ।
লক্ষ্মী যাক সেৱা কৰি নপাৱন্ত লাগ॥
ব্ৰহ্মা-হৰে নপান্ত মাগিয়া পদ-ধূলি।
কেশ মেলি খোপাত ৰঞ্জিব তুলি তুলি॥

এযে অসমীয়া বৈষ্ণৱ কবিৰ ৰাসক্ৰীড়াৰ গোপী। গোপীসকলৰ এনে কাতৰ প্ৰাৰ্থনাত ভগৱান প্ৰসন্ন হ'ল। তেতিয়া তেওঁ ইঙ্গিত দিয়া মাত্ৰকে বসন্ত ঋতুৰ আবিৰ্ভাব হ'ল আৰু ৰাসক্ৰীড়াও চলিবলৈ ধৰিলে।

এহি বুলি বসন্ত প্ৰকাশে দিব্য বনে।
গোপিনী সহিতে হৰি পশিলা তেখনে॥

বসন্ত ঋতুৰ আগমনত শিশু-যুৱা-বৃদ্ধ সকলোৰে মন-প্ৰাণ উতলা কৰা আনন্দ শিহৰণ জাগিল। কোকিলে সঘনে ৰাও কাঢ়িবলৈ ধৰিলে। যুৱক-যুৱতীয়ে বাপ-মাৱৰ উপদেশলৈ কাণ নকৰা হ'ল। নদীত আপোনা-আপুনি জোৱাৰ আহিল আৰু মাছবোৰে উজান ধৰিলে। বৃদ্ধসকলেও মনৰ আনন্দত হাতত লাখুটি লৈ হলেও ঘৰৰপৰা বাহিৰ হ'ল। ম'ৰা-চৰায়ে চালি মেলি পেখম ধৰিবলৈ ধৰিলে। যোগীসকলৰ ধ্যানভঙ্গ হ'ল। ৰাধাই সেই বসন্তৰ প্ৰভাৱত কৃষ্ণ কৃষ্ণ ৰাৱ কাঢ়িবলৈ ধৰিলে। আৰু—

চম্পক পুষ্পত পৰে ভ্ৰমৰাসকলে।
পুৰুষ বসিছে যেন কামিনীৰ কোলে॥

আৰৌ— যেন কামাতুৰ নাৰী পুৰুষৰ কোলে।
লতাসবে কৃষ্ণক ধৰিছে কাম ভোলে॥

আৰু— কেতেকী পুষ্পই যেন হুই কামশৰ।
বিদাৰিলা হিয়া যেন বিৰহী জনৰ॥

মাধৱী মল্লিকা গন্ধে মণ্ডিত হৃদয়।
মুনিগণে মোহ যাই নাৰীক স্মৰয়॥
ইহেন প্ৰকাৰে মধু উৎসৱ বনৰ।
সেইবেলা ৰাসক্ৰীড়া গোপী-মাধৱৰ॥

গোপীসকলে সেই সময়ত মদন-পীড়িতা হৈ 'আগ বাঢ়ি যাচি মাগে ষোড়শ শৃঙ্গাৰ', কিন্তু ইয়াকো লগে লগে কৈ এৰিলে—বোলে— 'জন্মে জন্মে হৈবো প্ৰভু তোমাৰ কিঙ্কৰী'। গোপীসকলৰ এনে ধৰণৰ কিঙ্কৰীৰূপে পাবলৈ বিচৰা ভক্তিপূৰ্ণ শৃঙ্গাৰৰ বৰ্ণনা মন কৰিবলগীয়া।

কতো গোপী মাধৱক নমিবাৰ চলে।
চৰণত স্তন দিয়া মহাকাম ভোলে॥

ৰাসক্ৰীড়াৰ আমোদৰ বিবিধ ভঙ্গীত ৰামগিৰি. গান্ধাৰ, মল্লাৰ, কল্যাণ, গুঞ্জৰী আদি ৰাগৰ মালিতাবোৰ ব্যক্ত কৰা হৈছে।

এনেকৈ গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰি কৃষ্ণ মত্ত হৈ আছে। ৰাধিকা তাত নাছিল। তেওঁ সখীয়েকসকলৰ দ্বাৰা পৰিবেষ্টিতা হৈ অৰণ্যৰ অন্য এটি চুকৰ পুষ্প-কুঞ্জত কৃষ্ণৰ কাৰণে অপেক্ষা কৰি আছিল। কৃষ্ণক নোযোৱা দেখি 'মল্লাৰ ৰাগত তাল একতালি গাই' তেওঁ তেতিয়া কৃষ্ণক মাতি আনি দিবলৈ সখীয়েকক পাঁচিলে। কামিনীসকলে ক'ত বিহাৰ কৰে আৰু কৃষ্ণক ক'ত পোৱা যাব পাৰে তাৰ ইঙ্গিত দি তেওঁ কৈছে—

ক্ষেত্ৰভূমি বাড়ী আৰু ভগ্ন দেব-গেহ।
নিৰজন ঘৰ আৰু অৰণ্য বিশেষ॥
নিজ থানে নদী-তীৰে জলত নমাই।
বেশ্যাগণে ক্ৰীড়িবাক এই আঠ ঠাই॥

পিছত কৃষ্ণ আহি পালে তেওঁ কি কৰিব আৰু চতুৰ কৃষ্ণক অনঙ্গ ক্ৰীড়াত কেনেকৈ জয় কৰিব তাৰ কল্পনা-জল্পনা কৰি বাধা বহি থাকিল।

শুতিয়া থাকিবো মই নিকুঞ্জ মন্দিৰে।
এথা আসি মাধৱ বসিব ধীৰে ধীৰে॥
প্ৰথম সংগ্ৰামে মই লজ্জিত স্বভাৱে।
বস্ত্ৰে কুচ উৰুক ঢাকিবো সৰ্ব্বগাৱে॥
পটু চাটু বচনে পণ্ডিত বনমালী।
যাচি আসি আপুনি ধৰিব আঙ্কোৱালি॥
কিশলয় শয্যাত থাকিবো মই শুতি।
সাৱটিয়া অধৰ চুম্বিব যদুপতি॥
আমি ভয় লাজে অতি চিপিবো নয়ন।
মনত আকুল কামে ঘামিব বদন॥
মোৰ চিত্ত জানি কৃষ্ণে আলিঙ্গিবে ধৰি।
বিৰহৰ দুঃখ বাণ কাঢ়ি লৈব হৰি॥
ষোড়শ শৃঙ্গাৰ বিচাৰিবো নাৰায়ণে।
আপুনি দেখাই বহু বুঝি থানে থানে॥
ষোড়শ অধিক দেখাইব তিনি কলা।
ৰতিত জিনিয়া কাঢ়ি লৈবো বনমালা॥

ৰণত জিনি অকল বনমালা কাঢ়ি লৈ বহি থকাটো উচিত নহব, নিজৰ ৰতিশাস্ত্ৰৰ জ্ঞান কিমান গভীৰ তাৰো পৰিচয় দিয়া উচিত হব। তেতিয়াহে ৰাধিকাৰ মহিমা কিমান কৃষ্ণই ভালকৈ বুজিব পাৰিব। এনেকৈ কল্পনা কৰি কাম-শাস্ত্ৰৰ বিচিত্ৰ পাঠ-বোৰৰ কথা ৰাধাই মনতে সোঁৱৰণ কৰিবলৈ ধৰিলে। তাত তেওঁ পাইছিল—

কামশাস্ত্ৰ বিচাৰিয়া জানিছোঁ লক্ষণ।
কামিনী ৰমন্তে ভাগৱিলা যিটোজন॥
কামিনী ক্ৰীড়িবে তাক পুৰুষ আকাৰে।
হেন কহে শুনা ৰতি শাস্ত্ৰ ব্যৱহাৰে॥

মাধৱৰ বক্ষস্থলে কৰিবো অপাৰ।
হৃদয়ত ঘষিবো মূতন স্তনভাৰ॥
কৃষ্ণে মোৰ কেশত ধৰিব টানি টানি।
অলেখ চুম্বন দান দিবন্ত আপুনি॥

এইদৰে বিপৰীত বিহাৰকে আদি কৰি সকলোবোৰ কাম-কলা তেওঁ স্মৃতিপটত আঁকি লৈ কৃষ্ণৰ আগমন অপেক্ষা কৰি থাকিল।

সেই সময়ত কৃষ্ণও ৰাধিকাৰ বিৰহত কাতৰ হৈ পৰিছিল। এই ছেগতে কামদেৱে তেওঁলৈ পুষ্পবাণ প্ৰহাৰ কৰিবলৈ ধৰে। কৃষ্ণই সেইটো উপলব্ধি কৰিব পাৰি কামদেৱক নিজৰ চিনাকি দি কলে যে তেওঁ ত্ৰিনয়ন মহাদেৱলৈহে তেওঁৰ বাণ নিক্ষেপ কৰা উচিত, কাৰণ তেওঁহে এবাৰ তেওঁক ভস্ম কৰি শত্ৰুক শালিছিল। ডিঙিৰ বনমালাকে সৰ্পভ্ৰম কৰি, কণ্ঠৰ নীলপল্লৱকে কালকূট বুলি ভাবি আৰু কস্তুৰী কুঙ্কুমেৰে চিত্ৰ-বিচিত্ৰ হৈ থকা পৰিহিত পট্টবস্ত্ৰকে ব্যাঘ্ৰচৰ্ম্ম জ্ঞান কৰি তেওঁ কৃষ্ণকে সদাশিৱ বুলি ধৰি লৈ শৰ সন্ধান কৰা উচিত হোৱা নাই।

কৃষ্ণৰ এনে বিনয় বচনলৈ কামদেৱে কিন্তু কাণসাৰ নকৰি তেওঁলৈ দুনাই দুনাই পুষ্পবাণ প্ৰহাৰ কৰিয়ে থাকিল। কৃষ্ণই তেতিয়া ‘দুৰ্জ্জনক বৰ কৰি তৰিবে দুৰ্গতি’ বোলা নীতিকে মানি কামদেৱক চাটু কথাৰে তুষিবলৈ মন কৰি কলে—তোমাৰ মান কোন আছে? ‘ইঙ্গিততে জিনিছা তুমি যত চৰাচৰ’, মোলৈ বোপাই ‘নাটানিবা ধনু, নামাৰিবা পুষ্পবাণ’। তথাপি কামদেৱে শৰ মাৰিবলৈ নেৰাত মাধৱে কলে—

যিটো সহিলেক ৰাধিকাৰ দৃষ্টিশৰ।
তাত কৰি তোৰ শৰ কতমান বৰ॥

এনেকৈ কৈ ফেৰ পাতি থিয় হওঁতেই ৰাধিকাৰ দূতী ৰত্নাৱলী পালেহি। তেওঁ ৰাধাৰ বিষয়ে বতৰা দিবলৈ গৈ কৃষ্ণক ইয়াকো

কলে যে কৃষ্ণক নিব পাৰিব বুলি ভাবি বেচেৰীয়ে নিজৰ ভৰি-তলুৱাতে কামদেৱৰ মূৰ্ত্তি আঁকিছে আৰু সেই কামদেৱ সাক্ষাৎ যেন কামদেৱেই হৈছে—

সেই অস্ত্ৰ, সেই বস্ত্ৰ সেই ভৰি-হাত।
কামদেৱ সাক্ষাতে কেৱলে নাহি মাত॥

এইহেন চিত্ৰৰ কামদেৱকে তেওঁ কাতৰভাৱে কৈছে—'নন্দৰ পুত্ৰক প্ৰভো মুহিবাক লাগে'। ৰাধিকাৰ এনে অৱস্থাৰ কথা শুনি দুখ পাওক চাৰি কৃষ্ণই 'নাহিকে আজলী নাৰী ৰাধাৰ সমান' বুলি পুতৌৰ হাঁহি এটাহে মাৰিলে।

হেন শুনি মাধৱে হাসে খলখলি।
ৰত্নাক বোলন্ত ৰাধা পৰম আজলী॥

ৰত্নাৱলীয়ে যেতিয়া কলে যে মাধৱৰ সঙ্গসুখ পাবৰ কাৰণে ৰাধাই ঘনে ঘনে 'বিলাপ কৰন্ত শোকে বিমূৰ্চ্ছিত হই'—তেতিয়া ৰাধিকাক তুৰন্তে পাবলৈ মাধৱো ব্যগ্ৰ হৈ পৰিল—

কৰযোৰে বোলো হেৰা কথা শুনিয়োক।
ৰাধিকাক দেখাই দিলে প্ৰাণ দিয়া মোক॥

ইমানতে ৰত্নাৱলী আৰু মাধৱৰ মাজত অলপ চুপতি চলিল। ৰত্নাৱলীয়ে কলে—

—তোমাক ৰাধাৰ ওচৰলৈ লৈ গলে মোক কি দিবা?

কৃষ্ণই উত্তৰিলে—তুমি ত্ৰিভুবনৰ অধীশ্বৰী হবা আৰু সুৰাসুৰ মনুষ্যাদি সকলো তোমাৰ বশ হব—

দেৱাসুৰ নাগ যক্ষ গন্ধৰ্ব্ব মনুষ্য।
আজিধৰি সকলো তোমাৰ হোক বশ্য॥

—নালাগে, সেইটো মোক নালাগে। মই ৰাধাৰ সেৱিকা। সেৱিকাই ৰাণী পদ পাবলৈ হাবিয়াহ নকৰোঁ।

—তেন্তে তুমি মুক্তি লোৱা, যি মুক্তিৰ বাবে ব্ৰহ্মা-হৰেও উগ্ৰ তপস্যা কৰে।

—নালাগে, মোক মুক্তি নালাগে।

তোমাৰ চৰণ যিটো কৰি আছোঁ সাৰ।
তাতো কৰি অধিক মুকুতি কোন চাৰ॥

—তেন্তে কি লাগে কোৱা, এতিয়াই কোৱা, বিলম্ব নকৰিবা।

—যদি সঁচাকে দিব খুজিছা তেনেহলে তোমাৰ হাতৰ বাঁহীটো দিয়া। ইয়াৰ সহায়তহে তুমি গোপীসকলৰ মন-প্ৰাণ হৰণ কৰা।

—উপহাস নকৰিবা সখি! মোৰ বাঁহীটোৰ মূল্য জানো মোতকৈও অধিক ?

—তেন্তে ঠিক ধৰিছা। তোমাকে মোক লাগে। মই তোমাক ৰাধিকাৰ ওচৰলৈ ধৰি নিব পাৰিব লাগে। কিন্তু এটা কথা, মই তোমাক এই ভেশত নিব নোৱাৰো। তোমাৰ গাত লাগি থকা 'গোপিকা ৰমণৰ চিহ্ন' দেখি ৰাধা ক্ৰোধত জ্বলি উঠিব। তুমি অলপ সময় বৈ থাকা বাৰু, মই ৰাধাক সুধি আহোঁ।

এনেতে কৃষ্ণৰ দূতী সুকণ্ঠী সোমাই আহিল আৰু ৰত্নাৱলীৰ লগ লাগি দুয়ো ৰাধাৰ ওচৰলৈ গ'ল। সুকণ্ঠীয়ে গৈ ৰাধাক পুষ্প-শয্যাত শুই থকা দেখি কবলৈ আৰম্ভ কৰিলে—'সখি, তোমাৰ এনে ৰূপ, এনে যৌৱন বিফলে যাব লাগিছে। যোগী-সকলেও যাক ধ্যানত নাপায় সেইহেন কামিনী-মোহন কৃষ্ণই নিজে তোমাক মাতিব লাগিছে। তুমি শীঘ্ৰে গৈ তেওঁক ধৰা দি তোমাৰ জীৱন-যৌৱন সাৰ্থক নকৰা কিয় ?'

ঠিক এনে সময়তে—'ৰাধা ৰাধা' সুৰত বজোৱা বাঁহীৰ বিমোহন সুৰ ৰাধাৰ কাণত পৰিল। ৰাধাৰ লাজ লাগিল। এই বাঁহীৰ মাত তেওঁৰ শাশুৰী-ননন্দীহঁতে শুনিব লাগিলে কি বুলিব—তাকে ভাবি তেওঁ লাজত অধোমুখ হ'ল আৰু পিন্ধা কাপোৰ টানি-টুনি লওঁতে 'গুপুত বেকত ভৈলা বাঁহীৰ নিদানে'।

ৰাধাৰ মনৰ ভাব বুজিব পাৰি সুকণ্ঠীয়ে ছেগ বুজি প্ৰস্তাৱ দিলে—

চলা নিতম্বিনী শুনা মোৰ বোল।
কৃষ্ণৰ মধুৰ ৰূপে চাপি দিয়া কোল॥

ৰাধা স্থিৰে থাকিব নোৱাৰিলে। তেওঁ তৎক্ষণাৎ সাজি কাচি যাবলৈ ওলাল। মনত নানা ভাবৰ খেলিমেলি। কল্পনাত দৃঢ় প্ৰতিজ্ঞা—'সুৰত কৰ্ম্মত জিনিবো আজি গোপাল'।

একেই ৰূপ-ৰাণী ৰাধা, তাতে সাজন-কাচন আৰু অঙ্গপ্ৰসাধন। তেওঁৰ এনে ভুবন-ভুলোৱা ৰূপ দেখি দেৱতাসকলো কামচঞ্চল হৈ পৰিল। তেওঁলোকেও আহি বিমানত বহি সেই ৰূপ চাবলৈ ধৰিলে। পীণোন্নত স্তন-যুগলৰ আকৰ্ষণীয় দৃশ্য দেখি তেওঁলোকে ভাবিলে—

ৰাধাৰ হৃদয় স্তনদুই লোহাৰ কণ্টক সম দুই
তাৰ বিষে কৃষ্ণ আজি হুইব অচেতন।

ৰাধা-কৃষ্ণৰ এই মদন-যুদ্ধখন চাবলৈ দেৱতাসকলো ব্যগ্ৰ হৈ পৰিল। এই ৰণত কৃষ্ণ হব পুৰুষৰ প্ৰতিনিধি আৰু ৰাধা নাৰীসকলৰ।

যেৱে ৰণ জিনে দামোদৰ তেৱে ৰঙ্গ হৈব পুৰুষৰ
ৰাধাৰ জয়ত কৌতুক নাৰীসবাৰ।
এহি বোল বুলি দেৱগণে কৃষ্ণৰ জয়ক সাধে মনে
সাধে নাৰীগণে জয় ৰাধাৰ॥

এনেতে ৰত্নাৱলীয়ে ৰাধাক যাবলৈ বাধা দি কলে যে যাচি খোৱা তিৰোতাৰ আদৰ নাই আৰু তেনে কাম নাৰীসকলৰ কোনেও কেতিয়াও আগতে কৰা নাছিল। তেওঁ আৰু কলে যে 'জলৰ প্ৰমাণ পদ্মনালে' বোলাৰ দৰে পুৰুষৰো মৰমৰ চিন এনে-বোৰ সময়তহে।—'তোমাৰ প্ৰতি মৰম থাকিলে কৃষ্ণ নিজে আহিব নহয়।'—ৰাধা নীৰৱ থাকিল।

সুকণ্ঠীয়ে ৰাধাক উচটাবৰ কাৰণে নানা কথা কলে। আনকি বিপৰীত শৃঙ্গাৰত ৰাধাক কৃষ্ণৰ বুকুত কেনে দেখা যাব তাকো বৰ্ণনা কৰিলে—

মাধৱৰ বক্ষস্থলে প্ৰকাশিবা অবিকলে
বিপৰীত শৃঙ্গাৰ ৰসত।
তুমি যে গৌৰাঙ্গী নাৰী দুৰ্ব্বাদল শ্যাম হৰি
বিম্ব যেন সজল মেঘত॥

তাৰ উত্তৰত ৰাধাই কলে—'সঁচা, কিন্তু সখি, তুমি জানা নহয়—পূৰ্ব্বত উৰ্ব্বশীয়ে অৰ্জ্জুনৰ ওচৰত নিজক যাচি দিওঁতে কি দশা হৈছিল। গতিকে মঞো'—

নাযাইব কৃষ্ণৰ ঠাই।
সত্যে বোলো সখী আই॥

সুকণ্ঠী উলটি গ'ল আৰু মাধৱক সকলো কথা কলেগৈ। কৃষ্ণই তেতিয়া—

নিয়া মোক প্ৰাণেশ্বৰী ৰাধিকাৰ পাশ।
ৰাধাৰ বিৰহে মোৰ প্ৰাণ হোৱে নাশ॥

—বুলি সুকণ্ঠীৰ লগত ৰাধিকাৰ ওচৰলৈ গ'ল। ৰাধাই দূৰৰপৰাই কৃষ্ণৰ অঙ্গ-বস্ত্ৰত 'গোপিকা-আলাপ চিহ্ন' দেখিবলৈ পাই ৰোষ পাতি অধোমুখ হৈ ৰ'ল আৰু কৃষ্ণক নামাতিলে। বাক-চতুৰ কৃষ্ণই--

তুমি মোৰ গতি-মতি, তুমি মোৰ প্ৰাণ,
তুমি বিনে সংসাৰত বান্ধৱ নাহি আন॥—

বুলি ঘোৰ কামাতুৰ পুৰুষৰ দৰে ৰাধাৰ ওচৰত নতজানু হৈ ৰ'ল।

দেখাইলন্ত কামাতুৰ পুৰুষৰ ভাৱে।
প্ৰণিপাতে নমিলা ৰাধাৰ দুই পাৱে॥

তাকে কৰোঁতে কৃষ্ণৰ কপালত ৰাধাৰ চৰণৰ আলতা লাগিল আৰু তাকে দেখি দূতীসকলে পাৰেমানে হাঁহিলে। আংশিকভাৱে

হলেও ৰাধাৰ মান ভঞ্জন হ'ল। ৰাধা-কৃষ্ণৰ মাজত তেতিয়া প্ৰেমালাপৰ চুপতি চলিবলৈ ধৰিলে। ৰাধাই ক'লে—'তোমাৰ তাম্ৰবৰ্ণ দুই চকু আৰু উজাগৰে থকা বোকক্ষ মুখ দেখিয়ে তোমাক মই চিনিছোঁ। তুমি ওৰে ৰাতি যাৰ লগত সুৰতি-আলাপত বঞ্চিলা তালৈ পুনৰ গুচি যোৱাগৈ।'

ফিৰি যায়ো দামোদৰ সিজনীৰ পাশ।
আমাক মিছাতে কিয় কৰি আছা আশ॥

'তুমি কোনজনী ভাল নাৰী, কোনজনী বেয়া—কেনেকৈ চিনিবা? তোমাৰ ভাৰ্য্যা লক্ষ্মী যেনে চঞ্চলা তুমিও তেনে চঞ্চল।' গতিকে—

ৰাঁধা বিনে জগতে নেদেখা আন লোক।
এমুৱা কপট বাক্য সুবুলিবা মোক॥

মাধৱে কলে—'মোৰ চকু ৰঙা হৈছে তোমাৰ কাৰণেই, তুমিয়ে তাৰ বাবে জগৰীয়া।'

তোমাক নাপাই ৰাত্ৰি গোৱাইলোঁ দুৰ্ঘোৰ।
সি কাৰণে ৰাতুল নয়ন দেখি মোৰ॥

উত্তৰত পুনঃ ৰাধিকাই কলে—'বাৰু সেইটো মানিলোঁ। পিছে তোমাৰ ওঁঠত সেয়া ক'লা দাগ কিহৰ? তুমি গোপিনীৰ চকুত চুমা খাওঁতে ওঁঠত তোমাৰ কাজল লগা নাইনে? ছিঃ, চকুতো কোনোবাই চুমা খাযনে?'

হেন কামাতুৰ লোক আছে কোন জন।
মুখ এৰি চক্ষুত আছে কৰিযা চুম্বন॥

—'সেইটো নহয়। মই তোমাক নাপাই ৰৰকৈ কান্দিছিলোঁ আৰু সেই বাবে মোৰ চকুৰ কাজলেই চকুলোৰ লগত গলি গৈ ধাৰাসাৰে মুখত পৰি ওঁঠত ক'লা দাগ বহুৱাইছে।'

—'সেইটোও বাৰু মানি ললোঁ। কিন্তু তোমাৰ হৃদয়ত সেয়া কিহৰ আঁচোৰ, গোপিনীৰ নখৰ নহয় নে?'

গোপিনী আলাপ যদি নকৰিলা হৰি।
তেৱে গাৱে আঞোৰ হৈৱে কেন কৰি॥

—'নহয় তাতো তোমাৰ ভুল হৈছে। তোমাক বিচাৰি হাবিয়ে-বননিয়ে ঘূৰি ফুৰোঁতে সেয়া মোক কুঞ্জবনত কণ্টকে আঁচুৰি এনে কৰিছে।'

কণ্টকৰ মাজে বিচাৰিলোঁ থানে থানে।
শৰীৰত আঞোৰ লাগিল সিকাৰণে॥

—'হয় বাৰু, তাকো মানিলো। গোৱালিনীৰ ভৰিৰ আল্‌তা তোমাৰ হৃদয়ত কেনেকৈ লাগিল?'

ভাঙিব নালাগে কথা চিনিলোঁ দেখন্তে।
ক্রৌঞ্চ বান্ধ ধৰিছিলা গোপীক ৰমন্তে॥
পিঠিভাগে হস্ত পুৰুষ কোলে শিৱ।
আপোনাৰ হৃদয়ত চৰণ গোপীৰ॥
এহিমতে ক্রৌঞ্চ বান্ধ ধৰন্তে সতত।
গোপিনীৰ আলতা লাগিছে হৃদয়ত॥

'আৰু তোমাৰ গাত শাৰী শাৰী আল্‌তাৰ দাগবোৰ পৰিল কেনেকৈ?'

—'গধূলি কদম্বৰ তলত বহি আছিলোঁ। গোপীসকলে তাতে মোক বিচাৰি পাই মোৰ গাত ৰক্ত-চন্দনৰ চিটা মাৰিছিল। লাগিলে তুমি তেওঁলোকক সুধিব পাৰা।'

—'দুয়ো গালত তোমাক কিহে কামুৰিলে, দাঁতৰ চিন বহি আছে যে সৌৱা? গোপিনীৰ কামোৰৰ সাঁচ নহয় যদি কাৰ?'

চুম্বিতে কামোৰ দিলা গোপকন্যাগণ।
দুয়ো গালে সাঞ্চ বান্ধি আছে থানে থান॥
দশনৰ কামোৰে তোমাৰ গাৱে ঘাৱ।
গোপীৰ কৰ্ম্মক দেখি মোৰ পোৰে গাৱ॥
তথু গাৱে ঘাৱ ভৈলা দুখ মোৰ বৰ।
ৰাধা-কৃষ্ণ এক বুলি জানে নিৰন্তৰ॥

'গোপীসকলে বাৰু তোমাক ভাল পাওক, চুমাও খাওক, কিন্তু এনেকৈ কামুৰিব কিয় ?'

কৃষ্ণ এইবাৰ নিৰুত্তৰ হ'ল। তাতে ৰাধিকাৰ ক্ৰোধাগ্নি দুগুণে জ্বলি উঠিল। তেওঁ তেতিয়া কৃষ্ণক নানা কথাৰে ভৰ্ৎসনা কৰিবলৈ ধৰিলে,

এতোক বুজিলোঁ তযু মনেসে কাৰণ।
বাহিৰে ভিতৰে তযু ক'লীযা বৰণ॥

*　　　*　　　*

দাযা মুপজিলা তযু পুতনাৰ হস্তে।
নাৰী খাইবে আৰম্ভিলা সেইদিনা হস্তে॥
সিকাৰণে বিশ্বাস নকৰোঁ মই আৰ।
নাৰীৰ সম্বন্ধে তুমি ৰাক্ষস আকাৰ॥

তেতিযা সখীয়েক সুকণ্ঠীযে নানা প্ৰকাৰে ৰাধাক বুজালে আৰু কলে—'কৃষ্ণ স্বয়ং ভগৱান। স্বয়ং মহালক্ষ্মী, দেৱী সৰস্বতী আৰু আনকি ধৃতি, পুষ্টি আদি মহাবিদ্যাগণৰো কোনেও তেওঁক তোমাৰ দৰে ইতিকিং নকৰে। সপত্নী হৈও বৰং তেওঁলোকে পৰম ভাগ্যৱতী বুলিহে অনুভৱ কৰে। গতিকে তুমি ক্ৰোধ পৰিত্যাগ কৰা।'

সুকণ্ঠীৰ কথাত সকলো অভিমান ত্যাগ কৰি কৃষ্ণক 'ঐকে আহা বুলি ৰাধা মাতিলা সাদৰি' আৰু কৃষ্ণযো মহা ৰঙ্গমনে তেওঁৰ পিছে পিছে খোজ ললে।

ৰত্নাৱলীৰ মুখেদি এইখিনিতে কৰিয়ে কামুকতাৰ নিন্দা গাবলৈ পাহৰা নাই। ৰত্নাৱলীয়ে কৃষ্ণক বাট আগচি ধৰি কলে—'প্ৰভু, তুমি এইদৰে ক'লৈ যাব ওলাইছা? তোমাৰ দেখোন "গোপিনী-আলাপ চিহ্ন" সকলো গাৱত। তুমি স্নান কৰিহে সখী ৰাধাৰ সঙ্গ লব পাৰিবা। তুমি পিছে ৰাধাৰ কুঞ্জলৈ যাবাই নেকি? তুমি জগতৰ ঈশ্বৰ হৈ পৰৰ উচ্ছিষ্ট গ্ৰহণ কৰিবা নে?'

ধিক ধিক পৰৰ এৰাক খাইবে লাগে।
চপলা পিতিয়া কহে গোবিন্দৰ আগে।

কৃষ্ণ নিৰুত্তৰ হৈ সুকণ্ঠীৰ ফালে চাই ৰ'ল আৰু তেনেকৈয়ে তেওঁ মৌন সম্মতিৰে 'দেখাইলন্ত কামাতুৰ জনৰ বিলাই'। কিয়নো—

কামাতুৰ ভৈলে তাৰ নাহি লাজ ডৰ।
যেই বোলে তাকে কৰে পোষণ বান্দৰ॥
ৰাত্ৰি-দিনে কামিনীৰ পালি থাকে আশ।
স্ত্ৰী ভৈলা ৰাজা কামাতুৰ ভৈলা দাস॥

ৰত্নাৱলীয়ে তেতিয়া কৃষ্ণক যমুনালৈ লৈ গৈ লেখি লেখি এশ আঠোটা বুৰ মৰালে। স্নানান্তত কৃষ্ণে ৰাধাৰ নিকুঞ্জ মন্দিৰত প্ৰৱেশ কৰি বিধি-ব্যৱহাৰে 'মনোৰথ ৰাধাৰ পূৰন্ত দেৱ হৰি'।

ইফালে গোপীসকলে কৃষ্ণক ক'তো বিচাৰি নাপাই ৰাধাৰ সখীয়েকক সুধি সকলো জানিব পাৰিলে আৰু ৰাধাৰ কুঞ্জলৈ দলেবলে খোজ ললে। কৃষ্ণই তাৰ গম পাই (নিকুঞ্জ মন্দিৰে থাকি কৃষ্ণে পাইয়া সাৰি) ৰাধিকাক লগত লৈ হাবিৰ মাজে মাজে পলাবলৈ ধৰিলে। বাটত যাওঁতে হৰিয়ে এবাৰ ৰাধাক এৰি যোৱাৰ দৰে কৰাত ৰাধাৰ ৰোষ লাগে আৰু তেতিয়া—

ফিৰি আসি দেৱ হৰি কাতৰ কৰন্ত ধৰি
প্ৰাণেশ্বৰী এৰিওক ৰোষ।
তোমাৰ চৰণ সিদ্ধি শিৰৰ ভূষণ নিধি
ধৰি যাওঁ হুয়োক সন্তোষ॥

অৰ্থাৎ 'দেহি পদপল্লৱমুদাৰম্' বোলাৰ দৰে বুলি চৰণত ধৰাত ৰাধাৰ মান ভঞ্জন হ'ল। কবিৰ মতে তাৰ দ্বাৰা—'ভকত বৎসল হৰি, দেখাইলন্ত লীলা কৰি, কামাতুৰ জনৰ নিকাৰ'।

ৰাধাৰ মনত অহঙ্কাৰ হ'ল। তেওঁ তেতিয়া 'কণ্টকত হাণ্টিতে নপাৰোঁ আৰু মই' বুলি বহি পৰিল। তেওঁৰ মনৰ ভাব বুজি কৃষ্ণই

তেতিয়া কলে—'তেনেহলে মই কান্ধ পাতো তুমি তাতে উঠা।' গৰ্ব্বিতা ৰাধাই তাকে কৰিবলৈ প্ৰস্তুত হ'ল, কিন্তু কাপোৰ কোঁচাই লৈ কান্ধত উঠিবলৈ ওচৰ চাপি দেখে কৃষ্ণ তাত নাই। ৰাধিকাই ভোজবাজী দেখিলে।

এনে সময়তে ৰাধিকাক গোপীসকলে পম-খেদি বিচাৰি পালেহি। তেতিয়া তাতে সকলোৰে লগ হৈ কৃষ্ণক বিচাৰি গ'ল আৰু যমুনাৰ বালিত তেওঁক লগ ধৰিলেগৈ। তাতে যমুনাৰ তীৰত ৰাধা-কৃষ্ণ আৰু গোপীসকলৰ পুনৰ্মিলন হয়।

কবি ৰামসৰস্বতীৰ কাব্য ইমানতে শেষ হৈছে। এতিয়া মূল কাব্যৰ ঘটনা আৰু অসমীয়া কাব্যখনৰ ঘটনাৰ বঢ়া-টুটাবোৰ সহজে বোধগম্য হব। কৃষ্ণৰ কান্ধত ৰাধিকা উঠিব খোজাত কৃষ্ণ অন্তৰ্দ্ধান হোৱা, পোনতে শৰৎকালৰ চন্দ্ৰাৱলী নিশাহে ৰাসক্ৰীড়া আৰম্ভ হৈছিল বোলা আদি কথাবোৰ ভাগৱতৰ, জয়দেৱৰ 'গীত-গোবিন্দ'ৰ লগত সেইবোৰৰ সম্বন্ধ নাই।

জয়দেৱৰ কাব্যত আদিৰপৰা অন্তলৈকে ৰাধা-কৃষ্ণৰ কথাকে কোৱা হৈছে। ৰামসৰস্বতীৰ কাব্যত গোপীসকলেও অংশ গ্ৰহণ কৰিছে। আকৌ এগৰাকী দূতীয়েই ৰাধা আৰু কৃষ্ণৰ মাজত দৌত্য কৰ্ম্ম সমাধা কৰিছে মূল কাব্যত। ৰামসৰস্বতীয়ে কিন্তু কৃষ্ণৰ কাৰণে সুকণ্ঠী আৰু ৰাধাৰ কাৰণে ৰত্নাৱলী নামৰ দুগৰাকী দূতীৰ সৃষ্টি কৰিছে। গোপীসকল আৰু দুয়োজনা দূতীয়ে ৰাধা-কৃষ্ণৰ মাজৰ প্ৰেম-বিৰহাদিক গভীৰৰপৰা গভীৰতৰ হোৱাত আহুকাল ঘটাইছে। ৰাধিকাৰ নহলেও কৃষ্ণৰ প্ৰেম অসমীয়া কাব্যত কৃত্ৰিম প্ৰেমৰ দৰেহে প্ৰতিভাত হৈছে। প্ৰেম-বিৰহৰ বশ হৈ নিজে নানা নিকাৰ ভুঞ্জা দেখুৱাই ভগৱান কৃষ্ণে কামাতুৰ লোকৰ অৱস্থাৰহে অভিনয় কৰিছিল—তাকে প্ৰতিপন্ন কৰাটোৱেই আছিল বৈষ্ণৱ কবি ৰামসৰস্বতীৰো লক্ষ্য। ইফালে বিৰহ-কাতৰা ৰাধিকাৰ অৱস্থা ভাবি মূল কাব্যত কৃষ্ণ নিজেও মূৰ্চ্ছা যোৱাৰ

দৰে হৈছিল, অসমীয়া কাব্যত কিন্তু তেওঁ ৰাধিকাক আজলী ৰাধিকা বুলি পুতৌ কৰাৰহে অভিনয় কৰিছে। জয়দেৱৰ 'গীত-গোবিন্দ'ৰ অনুবাদ কৰোঁতে কবি ৰামসৰস্বতীয়ে ভাগৱতৰ ৰাস-ক্ৰীড়াৰ বৰ্ণনাৰে আৰম্ভ কৰি গোপীসকলে কৃষ্ণক যমুনাৰ তীৰত বিচাৰি পোৱাতে অন্ত কৰি প্ৰেমৰ কাব্যত ভক্তিৰ আচুফুল তুলিছে বুলিলেও ভুল নহব। অসমীয়া বৈষ্ণৱ কবিসকলৰ তেনে প্ৰণালীক এটা বিশিষ্ট কৌশল বুলিয়ে গণ্য কৰা যায়।

মাধৱদেৱৰ কাব্যত আদিৰস

সুগায়ক, সুপণ্ডিত, সুন্দৰদৰ্শন মাধৱদেৱৰ তেতিয়া ভৰ-যৌৱন। বিয়ালৈ ছোৱালী ঠিক হৈছিল নেঘেৰীটিঙত। ছোৱালীক জোৰণ পৰ্য্যন্ত পিন্ধোৱা হ'ল, বাকী মাত্ৰ বিয়াখন। এনেতে এদিন তেওঁৰ মাতৃ মনোৰমা আই গ্ৰহণী ৰোগত বিষমভাৱে আক্ৰান্ত হ'ল। মাধৱদেৱ তেতিয়া আছিল দুৰ্ঘোৰ শক্তি-উপাসক। মাকৰ বেমাৰত পূৰ্ব্বাপৰ ৰীতিমতে তেওঁ দুৰ্গা গোসাঁনীলৈ ক'লা পঠা আগ কৰি বেমাৰীক দাৰু-দৰ্পণ খুৱালে। ইফালে দুই এদিনকৈ পূজাৰ সময় পালেহি। পূজাৰ পঠা বিচাৰিবলৈ তেওঁ ধন-বিত দি বৈনায়েক ৰামদাসক পঠালে। ছাগৰ অন্বেষণত ফুৰোঁতে বাটত ৰামদাসৰ শ্ৰীশঙ্কৰদেৱৰ লগত ভেটা-ভেটি হ'ল। বলি-বিধানৰ বিপক্ষে শঙ্কৰদেৱৰ যুক্তি শুনি ৰামদাসে পঠা বিচাৰিবলৈ এৰি ঘৰত বহি থাকিলহি। সেই সূত্ৰেদি তেতিয়া শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পৰস্পৰ দেখা-সাক্ষাৎ ঘটিল আৰু দুয়োৰো মাজত বলি-বিধানৰ সপক্ষে আৰু বিপক্ষে তুমুল তৰ্কবাদ চলিল। তৰ্কত পৰাস্ত হৈ মাধৱদেৱে দেৱীৰ নামত পঠা বলি দিয়াৰ আশা এৰিলে আৰু শঙ্কৰদেৱক গুৰু মানি ললে। মাজুলিৰ ধুৱাহাটা-বেলগুৰি নামে ঠাইত বুৰঞ্জী-বিখ্যাত এই তৰ্কযুদ্ধখন হৈছিল। ইয়াৰ প্ৰত্যক্ষ ফল স্বৰূপে মাধৱদেৱে যে অকল শাক্ত পন্থহে পৰিহাৰ কৰিলে এনে নহয়, দাৰ পৰিগ্ৰহৰ আশা ত্যাগ কৰি গৃহী হোৱাৰ অভিলাষো মনৰপৰা সমূলি বিসৰ্জ্জন দিলে। গুৰু শঙ্কৰ আৰু ঈশ্বৰ কৃষ্ণত বাহিৰে তেওঁৰ মনোৰাজ্যত একোৰে কাৰণে স্থান নোহোৱা হ'ল। পত্নীৰ প্ৰভাৱত পৰি বিলাস উপজিলে ঈশ্বৰ চিন্তা আৰু গুৰু-

সেৱাত ব্যাঘাত হব পাৰে, মনত এয়ে হ'ল তেওঁৰ ঘোৰ আশঙ্কা। সেইদেখি গুৰুৱে এবাৰ সংসাৰ কৰিবলৈ ইঙ্গিত দিয়াতো তেওঁৰ মন নটলিল, তেওঁ সংসাৰ সংগ্ৰামত গড নমৰাকৈয়ে যুঁজিবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল। তাৰে ফলত তেওঁ আমৰণ চিৰকুমাৰ হৈয়ে থাকিল।

এনে কৌমাৰ্য্যব্ৰতী মাধৱদেৱে তেওঁৰ বিৰচিত কাব্য, বৰগীত, নাটক আদিত উৎকট্ শৃঙ্গাৰ ৰসৰপৰা আঁতৰি থাকিবলৈ সততে যত্ন কৰিছিল। ই স্বাভাৱিক কথা। সেইবুলি তেওঁৰ ৰচনাত যে আদিৰস সমূলি নাছিল এনেও নহয়। বিবাহৰ ক্ষেত্ৰত যেনেকৈ জোৰণ পৰ্য্যন্ত অগ্ৰসৰ হৈয়ে পশ্চাদপসৰণ কৰিলে, শৃঙ্গাৰ ৰসৰ বৰ্ণনাতো তেনেকৈ তেওঁ পূৰ্ব্বৰাগৰ ইঙ্গিত দিয়ে অথবা আদিৰসৰ সাধাৰণ গতানুগতিক বৰ্ণনা এটা দাঙি ধৰিয়ে আঁতৰি যায়। হব পাৰে বাস্তৱ জ্ঞানৰ অভাৱত আলোচ্য বিষয়বস্তুৰ ওপৰত পৰ্য্যাপ্ত পৰিমাণে দখল নথকাটোৱে তাৰ এটা কাৰণ, হব পাৰে 'যি গছৰ ফল নোখোৱা তাৰ তললৈও নাযাবা' বোলা নীতিয়ে অন্য এটা কাৰণ, বিষয়ৰ চিন্তা-চৰ্চ্চাই মনক বিষয়মুখী কৰে—সিও হব পাৰে তৃতীয় কাৰণ। যি কাৰণেই নহওক, তেখেত যে সেই বিষয়ে সতৰ্ক আছিল সেইটো স্বীকাৰ কৰিবই লাগিব। কামশাস্ত্ৰৰ বিস্তাৰিত জ্ঞান নথকা হেতুকে তাহানি দিগ্‌বিজয়ী পণ্ডিত শঙ্কৰাচাৰ্য্যয়ো মণ্ডন মিশ্ৰৰ পত্নী অভিনৱভাৰতীৰ লগত সেই বিষয়ৰ তৰ্কৰ সন্মুখীন হবলৈ ভয় কৰি কামশাস্ত্ৰৰ বাস্তৱ জ্ঞান অৰ্জ্জন কৰি আহিবলৈ বাধ্য হৈছিল। মাধৱদেৱ অৱশ্যে তেনে কোনো সমস্যাত পৰা নাছিল। নপৰিলেও শৃঙ্গাৰ ৰসৰ বিস্তাৰিত আলোচনাই মনত চাঞ্চল্যৰ সৃষ্টি কৰিব পাৰে বুলি ভাবি হলেও স্বেচ্ছাই তেওঁ তাৰপৰা যিমান পাৰে বিৰত আছিল।

মাধৱদেৱৰ লিখনী দাস্য আৰু বাৎসল্য প্ৰেমেৰে সৰস। তেওঁ ভগৱান কৃষ্ণৰ শিশুলীলা আলোচনা কৰি আৰু নিজক তেওঁৰ দাসানুদাস বুলি বৰ্ণনা কৰি গীত-পদবোৰ ৰচনা কৰিছিল। দাস্য

আৰু বাৎসল্য ভাবৰ কেনে ওচৰ সম্বন্ধ তাকে বুজাবলৈ ডঃ কাকতিদেৱে পুৰণি বিশ্বাসী লগুৱাই কেনেকৈ গৰিহঁতৰ পুত্ৰবৎ অপত্য স্নেহৰ অধিকাৰী হয় তাৰে উদাহৰণ দাঙি ধৰিছে। বস্তুতঃ একে প্ৰেমেই পাত্ৰ বা স্থান ভেদে ভক্তি, স্নেহ, প্ৰীতি আদি বিভিন্ন নামেৰে অভিহিত হয়। বয়সত জ্যেষ্ঠজনলৈ যি মৰম বা প্ৰেম সেয়ে ভক্তি আৰু বয়সত কনিষ্ঠ জনলৈ যি মৰম বা প্ৰেম সেযে স্নেহ নাম পায়। ভগৱানকো ভক্তই কেতিয়াবা বন্ধু, কেতিযাবা সখা (যেনে অৰ্জ্জুন আৰু কৃষ্ণৰ ক্ষেত্ৰত 'হে কৃষ্ণ, হে যাদব, হে সখেতি'), কেতিযাবা পুত্ৰ (যেনে, বাসুদেৱ-দৈৱকী আৰু কৃষ্ণৰ ক্ষেত্ৰত) আদি নানা ৰূপত কল্পনা কৰে আৰু পায়। পুত্ৰবৎ ধাৰণাৰ পৰাই বাৎসল্য প্ৰেমৰ উৎপত্তি। সংসাৰত প্ৰৱেশ কৰিবলৈ গৈ প্ৰাৱেশ নকৰি সংসাৰ-মন্দিৰৰ দুৱাৰডলিত ভৰি দি উভতি অহা পত্নী-পুত্ৰহীন মাধৱদেৱৰ অন্তৰে হয়তো ভগৱানৰ বাৎসল্য ৰূপটো অন্তৰত নানা ধৰণে ভাবিযে তৃপ্তি আৰু শান্তি পাইছিল। সেইবাবে তেৱাৰ ৰচিত বৰগীত আৰু নাটক আদিত অ'ত-ত'ত যি এফেৰি আদিৰসৰ বেঙনি ফুটি উঠা দেখা যায় তাকো আকৌ হঠাৎ বাৎসল্য প্ৰেমৰ প্ৰবল প্ৰবাহে আহি ঢৌৱাই মাৰ নিযায়। নাটবোৰৰ ভিতৰতো 'ৰাস-ঝুমুৰা' আৰু 'কোটোৰা-খেলোৱা', এই দুখনতহে ৰাধাৰ চাতুৰীযে শিশুৰ ৰং-ধেমালিক ডেই গৈ মাজে মাজে প্ৰেম-চাতুৰীৰ ফালে ঢাল খাব খোজা যেন অনুমান হয়। ডঃ কাকতিৰ মতে কিন্তু সিও পাঠকৰ ৰাধাৰ প্ৰতি থকা বদ্ধমূল ধাৰণা এটাৰে অন্য এটি ৰূপহে মাত্ৰ। সি লাগিলে যিযেই নহওক, 'ৰাস-ঝুমুৰা' নাটকত ৰাধাই কোৱা— 'তোহাৰি অধৰ মধুপান বিনা হামাক আৰৱি লাগায় নাহি। পৰম সুকোমল তোহাৰি চৰণ-পল্লব ভুবন-দুৰ্ল্লভ। *** হামাৰ স্তন যুগলে ব্যাধি বাঢ়ত তাহে ওহি চৰণে দূৰ কৰত জানি তোহাৰি চৰণক নিজ দাসী ভেলো' আদি বচন আৰু—

ঘন ঘন ভুজদোহোঁ মেলি আলিঙ্গত
চুম্বনত বয়ন মিলায়।
হৰিকো কণ্ঠে আলিঙ্গি ৰহু ৰাধা
নয়নে নয়ন ধিয়াই।

ইত্যাদি গীতত থকা 'কৰত অনঙ্গ ৰস কেলি'ৰ ভাবক আদি-ৰসাত্মক নুবুলি কি বোলা যায়? সেইদৰে 'কোটোৰা খেলোৱা' নাটকতো 'মাৱে-বাপে নাম থৈয়াছে কলঙ্কিনী ৰাধা' আদি গীত আদিৰস ব্যঞ্জক। বৰগীততো তেনেকৈ দুই-একোশাৰী মৃদু আদিৰস-ৰঞ্জিত গীত নোহোৱা নহয়।

মদন বিৰহ আগি শৰীৰ দহয় ৰে
তিলেক নাদেখি জীৱ যায়।

* * * *

কামে চঞ্চল তনু মদন জিনিযা ৰে
পঞ্চম পূৰিযা ৰস তোলে।

বৰগীতৰ এনেকুৱা পংক্তিবোৰত আৰু ভটিমাৰ—

বিৰিন্দাবন মহ, শাৰদ শশিনী
ৰজনী গোপিনী সঙ্গ;
বিবিধ ৰতিৰস দৰশিযে কহু
মদন মান কৰু ভঙ্গ॥

এনে গীত-পদত পাতল আদিৰসৰ মন্দ-মলয়া কিঞ্চিৎ অনুভব কৰা যায়।

ভাগৱতৰ শ্লোক অনুবাদ কৰোঁতে যি ঠাইৰ বৰ্ণনাত আদিৰস অৱশ্যম্ভাবী হৈ পৰে তাতো কৱিযে ধৈৰ্য্য আৰু সংযম সহকাৰে আগবঢ়াৰ প্ৰমাণ অনেক ঠাইত পৰিস্ফুট হৈ আছে। মাধৱদেৱৰ কাব্য 'ৰাজসূয়'ত শ্ৰীকৃষ্ণই গৃহাশ্ৰমত থাকি পত্নীসকলৰ লগত কেনেকৈ অনঙ্গ-কেলি কৰিছিল তাৰ এটি জীৱন্ত বৰ্ণনা পোৱা

যায়। তাতো পূৰ্ব্বকৱিসকলৰ অনুসৰণত যিখিনি নহলে নচলে নাইবা কাব্যৰ যিখিনি নহলে ৰমণীয়তাৰ হানি হব সিমানখিনি মাত্ৰ বৰ্ণনা কৰা হৈছে। কৃপালু ভগৱান শ্ৰীকৃষ্ণে ভাৰ্য্যাসকলৰ লগত সাধাৰণ মানুহৰ দৰেই তৃপ্তিৰে বিহাৰ কৰিছিল—এয়ে ভাবাৰ্থ। তাৰ এঠাইত শ্ৰীকৃষ্ণই কেনেকৈ পত্নীসকলৰ লগত বিহাৰ কৰি পত্নীসকলক মন-পূৰাই তৃপ্তি দিছিল সেই বিষয়ে কোৱা আছে—

হেন ভাৰ্য্যা সঙ্গে ৰঙ্গে কৃষ্ণ কৃপাময়।
কৰিলা অনেক কেলি মনুষ্যৰ নয়॥

*   *   *   *

প্ৰিয়াৰ কণ্ঠত আলিঙ্গিয়া বাহু মেলি।
কৰন্ত অনঙ্গৰস কৌতূহল কেলি॥
কৃষ্ণ আলিঙ্গনে সন্তোষ মনমথ।
নিৰন্তৰে নাৰী পূৰিলন্ত মনোৰথ॥
কৃষ্ণৰ পৰশে ৰতি ৰঙ্গ মিলে আতি।
কৃষ্ণৰ অধৰ মধু পিয়ে মুখ পাতি॥ (ৰাজসূয়)

অনঙ্গ-ক্ৰিয়াত দূৰৰপৰা ভুমুকি মাৰিবলৈ সুযোগ দিয়া এনে ধৰণৰ দুই-এটা বৰ্ণনা আছে যদিও বৈষ্ণৱ কৱিয়ে বৈষ্ণৱৰ নিবদ্ধ নীতি অনুসৰি তেনে আনন্দ-উপভোগৰ অসাৰ্থকতা আৰু ভগৱানৰ সেই সকলোবোৰ কাৰ্য্যৰ মাজেদি প্ৰকাশ পোৱা অতৰ্ক মহিমাৰ কথা শেষত সোঁৱৰাই দিবলৈ পাহৰা নাই।

ইসব সুখত স্পৃহা নাহিকে কিঞ্চিৎ।
নপাৰিলা নাৰীগণে কৃষ্ণক মুহিত॥ (ৰাজসূয়)

ৰাস-ক্ৰীড়াৰ বৰ্ণনা শেষ কৰাৰ আগতে শঙ্কৰদেৱেও ঠিক একে ধৰণৰ সুৰতে কৈছে—

নপাৰিলা গোপীগণে মুহিবে কৃষ্ণক।
ছায়ায়ে সহিতে যেন ওমলে বালক॥ (কীৰ্ত্তন)

শৃঙ্গাৰ ৰসৰ চাঞ্চল্যকৰ সোঁতৰ ফালে যাতে আচলে-পিছলেও পাও পিছলি নাযায তাৰ বাবে সততে সচেষ্ট হৈ পদক্ষেপণ কৰা চিৰকুমাৰ মাধৱদেৱৰো কিন্তু ৰামায়ণৰ আদি কাণ্ডত অহল্যাৰ ধৰ্ষণ বৰ্ণনা কৰোঁতে একেবাৰে গা উঠা নাছিল বুলি ভাবিবলৈ টান হৈ পৰে। বস্তুতঃ মাধৱদেৱৰ বৰ্ণনাত আদিৰস ক'ৰবাত প্ৰকট হৈ উঠিছিল যদি সেইটো গৌতম-পত্নী সুন্দৰী অহল্যাৰ সতীত্ব হৰণৰ কাহিনী-বৰ্ণনাতে হৈছিল বুলি কবই লাগিব।

আদি কাণ্ড মাধৱদেৱৰ আগ-বয়সৰ ৰচনা। ইয়াৰ ইতিহাস কথা গুৰুচৰিত পুথিৰ মতে—'আৰু মাধৱকন্দলিৰ কৱিতা ৰামায়ণ ঢাকি তুচ কৈ (তুচ্ছ কৰি) গুচাবৰ মন দিলে অনন্তকন্দলিয়ে। তেহে গুৰুজনত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ পাথিলে বৰৰ হেতু। পাছে গুৰুজনে বোলে বৰাব পো, তোমাৰ মিতাৰ শাস্ত্ৰ কৱিতা গুচাব যে খোজে, আমি ধৰোঁ গোৰত্ তুমি হোৱা আগে। তেহে আছ্য, উত্তৰা কৰিছে। কাপৰৰ গাৰি দবে আগ গোৰ সমে ৰ'ল, উপদেশ আচু যুল হ'ল। আগে উপদেশ নাই, শুভ শুভহে আছিল আধ্যাত। ছোট আতা (মাধৱদেৱ) দিছে।' এইদৰেই শঙ্কৰদেৱে উত্তৰা কাণ্ড আৰু মাধৱদেৱে আদি কাণ্ড অনুবাদ কৰি মাধৱকন্দলিৰ ৰামায়ণত যোগ দি তাক পুনঃ সম্পূৰ্ণ কৰি তুলিছিল। আদি-কাণ্ডত ইন্দ্ৰ-অহল্যাৰ সম্ভোগ বৰ্ণোৱা আছে।

মূল ৰামায়ণৰ মতে ঋষি বিশ্বামিত্ৰই বনবাসী ঋষিসকলৰ আশ্ৰম ৰক্ষাৰ্থে ৰাম-লক্ষ্মণক লগত লৈ তেওঁলোকৰ হতুৱাই মাৰীচ, সুবাহু আদি দৈত্যসকলৰ নিধন সাধি বনে বনে ভ্ৰমি ফুৰিছিল। তেনেকৈ গৈ গৈ তেওঁলোকে গৌতম মুনিৰ পুৰণি আশ্ৰম পোৱাত ঋষিয়ে আশ্ৰমৰ স্মৃতি-চিহ্নবোৰ দেখুৱাই লৈ ফুৰোঁতে শিলাখণ্ড হৈ পৰি থকা ঋষি-পত্নী অহল্যাৰ কাহিনী তেওঁলোকক কৈছিল আৰু অহল্যাৰ মুক্তিৰ কাৰণে ৰামচন্দ্ৰক সেই শিলাখণ্ডৰ ওপৰত পদৰেণু দিবলৈ আদেশ দিছিল।

অহল্যাৰ কথা উল্লেখ কৰি ঋষিয়ে কৈছিল—গৌতম মুনিৰ ভাৰ্য্যা পৰম ৰূপৱতী যুৱতী অহল্যাক দেখি দেৱৰাজ ইন্দ্ৰ কাম-মোহিত হৈছিল আৰু মহামুনি গৌতমৰ ভেশ ধৰি আহি তেওঁৰ ওচৰত সঙ্গম ভিক্ষা কৰিছিল 'সঙ্গমং শীঘ্ৰমিচ্ছামি পৃথুশ্ৰোণি সহ ত্বয়া'। ৰামচন্দ্ৰৰ কৌতূহল নিবাৰণ কৰিবৰ কাৰণে ঋষি বিশ্বামিত্ৰই লগতে ইযাকো কৈছিল—'হে পৰন্তপ, দুৰ্বুদ্ধি অহল্যাই মুনিবেশধাৰী ইন্দ্ৰক চিনিব পাৰিও দেৱৰাজৰ প্ৰতি কৌতূহলবশতঃ তেওঁৰ প্ৰস্তাৱত সম্মতি প্ৰকাশ কৰিছিল।'

মুনিবেশধৰং শক্ৰং সা জ্ঞাত্বাপি পৰন্তপঃ।
মতিঞ্চকাৰ দুৰ্ম্মেধা দেৱৰাজ কুতূহলাৎ॥

ইযাত কৌতূহলবশতঃ (কুতূহলাৎ) বোলা কথাটো বিশেষ অৰ্থ-ব্যঞ্জক। প্ৰস্তাৱিত বিষযত (কাম-কলাত) ইন্দ্ৰৰ পাৰ্গতালিৰ কথা অহল্যাই আগৰেপৰা শুনি আছিল আৰু তাৰ প্ৰমাণ চাবলৈ তেওঁৰ মনত কৌতূহলো নোপজাকৈ থকা নাছিল। সেইবাবে কৌতূহল পৰবশ হৈ তেওঁ ইন্দ্ৰক চিনিব পাৰিও তেওঁৰ অসঙ্গত প্ৰস্তাৱত সম্মতি প্ৰদান কৰিছিল। অকল সেযে নহয, বাল্মীকিৰ মতে ইন্দ্ৰৰ মনোবাঞ্ছা পূৰ্ণ কৰি আৰু নিজেও কৃতাৰ্থ হৈ অহল্যাই দেৱৰাজক সবাৰো সম্মান ৰক্ষাৰ্থে তুৰন্তে আশ্ৰমৰপৰা আঁতৰি যাবলৈ কাতৰভাৱে প্ৰাৰ্থনা কৰিছিল—

অথাব্ৰবীৎ সুৰশ্ৰেষ্ঠং কৃতাৰ্থেনান্তৰাত্মনা।
কৃতাৰ্থাস্মি সুৰশ্ৰেষ্ঠ গচ্ছ শীঘ্ৰমিতঃ প্ৰভো॥
আত্মানং মাঞ্চ দেৱেশ সৰ্ব্বথা ৰক্ষ গৌৰৱাৎ॥

ইন্দ্ৰ গ'ল সঁচা, কিন্তু নওলাতে গৌতম মুনিৰ হাতত ধৰা পৰিল। ক্ৰোধাবিষ্ট ঋষিৰ অভিশাপত ইন্দ্ৰৰ তন্মুহূৰ্ত্ততে বৃষণদ্বয় স্খলিত হ'ল, অহল্যাকো মুনিয়ে ভস্মশায়িনী হৈ কাৰো চকুত নপৰাকৈ পৰি থাকিবলৈ অভিশাপ দিলে। শেষত দেৱতাসকলৰ

অনুগ্ৰহত ইন্দ্ৰ মেষবৃষণ হয। সেই একে ঘটনাকেই পুনঃ বৰ্ণনা কৰি উত্তৰা কাণ্ডত আদিকৱি বাল্মীকিয়ে কৈছে যে অহল্যাই ছদ্মবেশী ইন্দ্ৰক চিনিব নোৱাৰি অজ্ঞতাৰ হেতুকেহে তেওঁৰ প্ৰস্তাৱত সম্মতি দিছিল আৰু সেই কামত তেতিয়া নিষ্কামা হৈ আছিল, অৰ্থাৎ মন ঢালি দিয়া নাছিল, ঋষিৰ মনোবাঞ্ছা পূৰণৰ কাৰণে মাত্ৰ নিজক নিযোজিত কৰিছিল। উত্তৰা কাণ্ডৰ মতে ইন্দ্ৰক শত্ৰুৰ হাতত বন্দী হবলৈ আৰু অহল্যাক কুৰূপা হবলৈহে গৌতমে অভিশাপ দিছিল। অসমীয়া ৰামায়ণৰ উত্তৰা কাণ্ডত অৱশ্যে অহল্যাৰ কাহিনী শঙ্কৰদেৱে অনুবাদ কৰা নাই। সম্ভৱ আদিকাণ্ডত সেই ঘটনাৰ বৰ্ণনা মাধৱদেৱে যথাযথভাৱে দিয়া কাৰণেই উত্তৰা কাণ্ডত তুনাই তাৰ উল্লেখ কৰাৰ প্ৰযোজন তেওঁ অনুভৱ নকৰিলে।

সি যি হওক, মূলৰ এই কথাখিনিয়ে মাধৱদেৱৰ হাতত কেনে ৰূপ ধাৰণ কৰিছে সেইটোহে আমাৰ আলোচ্য বিষয। মাধৱদেৱৰ মতে বিশ্বামিত্ৰ মুনিয়ে ৰামচন্দ্ৰক লৈ মহামুনি গৌতমৰ আশ্ৰমত প্ৰৱেশ কৰিলে। তেওঁ ৰামচন্দ্ৰক নি এডোখৰ শিলৰ ওপৰত তেওঁৰ পূত পাদস্পৰ্শ দিবলৈ কোৱাত ৰামে তাকে কৰিলে। তেতিয়া সেই শিলাখণ্ড চাই থাকোঁতেই এগৰাকী ৰূপৱতী নাৰীত পৰিণত হ'ল। ৰামে আচৰিত হৈ ইযাৰ গূঢ় তত্ত্ব সোধাত বিশ্বামিত্ৰই কলে, 'এইগৰাকী হ'ল গৌতম মুনিৰ ভাৰ্য্যা অহল্যা। উগ্ৰতপা গৌতমৰ তপস্যা দেখি দেৱৰাজ ইন্দ্ৰৰ ভয হৈছিল—জানোচা ঋষিয়ে তেওঁৰ ইন্দ্ৰপদ কাঢ়ি লবলৈহে এনে তুৰ্ঘোৰ তপ আৰম্ভ কৰিছে।'

ইটো ঋষি যেনে তপ কৰয় তুৰ্ঘোৰ।
কোন দিন ইন্দ্ৰপদ কাঢ়ি লৈবে মোৰ॥

সেইবাবে মদন, দিগপাল আদি দেৱতাসকলক তেওঁ গৌতমৰ তপোভঙ্গ কৰিবলৈ পঠিয়ালে, কিন্তু কোনেও সেই কাৰ্য্যলৈ আগ নাবাঢ়িল। তেওঁ তেতিয়া নিজেই সেই কাৰ্য্যৰ বাবে মৰসাহ কৰি ওলাল আৰু দেৱতাসকলক কলে, বাৰু—

গৌতমৰ তপ ভঙ্গ কৰোঁ মই যাই।
কিন্তু তুমিসব হৈবা পিছত সহায়॥

এই বুলি তেওঁ এদিন ৰাতিপুৱা গৌতম মুনিৰ আশ্ৰমত প্ৰৱেশ কৰিলেগৈ। প্ৰভাতৰ কাৰ্য্য শেষ কৰি সেই সময়ত মুনি ফলমূলৰ সন্ধানত বাহিৰলৈ গৈছিল। তেতিয়া তেওঁৰ ভাৰ্য্যা অহল্যা আশ্ৰমত অকলে আছিল। প্ৰভাতী সূৰ্য্যৰ হিৰণ কিৰণ পৰি অহল্যাৰ আটক ধুনীয়া শৰীৰৰ ৰূপ তেতিয়া তল্‌বলাই আছিল। ইন্দ্ৰই ভাবিলে—

ত্ৰৈলোক্য মোহিনী অতি পৰম সুন্দৰী।
নুহিকে সমান বিদ্যাধৰী অপেচৰী॥

অহল্যাৰ ৰূপ দেখি বাসৱৰ মনৰপৰা গৌতমৰ তপ ভঙ্গৰ প্ৰতিজ্ঞা কেনিবাদি উৰি গল। তেওঁ অহল্যাৰ সতীত্ব হৰণৰ উপায়হে ভাবিবলৈ ধৰিলে—

গৌতমৰ তপভঙ্গ এখন আছোক।
অহল্যাৰ ৰূপে আতি মোহিলেক মোক॥
মোক্ষ নুহিবেক আন সঙ্গমৰ সৰি।
কোন ছাৰ স্বৰ্গ বিদ্যাধৰী অপেচৰী॥
আহান অধৰ মধু পিবে যেবে পায।
তেবে কোটি কোটি অমৃতকো কাৰ্য্য নাই॥
আক এৰি স্বৰ্গে গৈযা কি কাম কৰিবো।
প্ৰাণে যদি মৰো আজি তথাপি হৰিবো॥
এই বুলি ইন্দ্ৰে মনে গুণিযা অশেষ।
গৌতম মুনিৰ পাছে ধৰিলন্ত বেশ॥

তেওঁ ফলমূল অন্বেষণত বাহিৰ হোৱা গৌতম মুনিৰ বেশ ধৰি হাতত ফুলৰ কুঁকি লৈ অহল্যাৰ ওচৰত উপস্থিত হ'ল। অহল্যাই মুনিক ফলমূল নানি উভতি অহা দেখি আচৰিত হৈ তেনে কাৰ্য্যৰ কাৰণ কি সুধিলে। মুনিয়ে কলে, 'আশ্ৰমৰপৰা ওলাই যোৱাৰ

সময়ত অকস্মাৎ ঘূৰি চাই মই আজি তোমাৰ মুখখনত কিবা এটা নতুন জেউতি দেখিছিলোঁ। মই তোমাৰ তেনে ৰূপ আগতে দেখা নাই। মনটো বৰকৈ উত্ৰাৱল হোৱাত মই ঘূৰি নাহি নোৱাৰিলোঁ। তুমি এতিয়া ৰতি দান কৰি মোক ৰক্ষা কৰা।'

কি পুছস সুন্দৰী বিপাক আজি মোৰ।
ঘৰহন্তে যাহন্তে দেখিলোঁ মুখ তোৰ॥
শৰৎ কালৰ পূৰ্ণ চন্দ্ৰ তুহি সৰি।
কাম-বাণে পীডা মোক কৰে সেহি ধৰি॥
বিহা কৰি আনিবাৰ পৰা কদাচিত।
হেনমত ৰূপ নতো দেখোঁ বিপৰীত॥
আজি জানো বিধাতা কৰিল বিডম্বন।
তোহোৰ নিমিত্তে পীডা কৰয় মদন॥
চল যাও শয্যাক পুছস আৰু কিক।
শুনিয়া অহল্যা সতী বোলয স্বামীক॥

মুনিৰ এনে আচৰিত ব্যৱহাৰ দেখি অহল্যাই মাত লগালে—'আজি দেখো কেনে কথা? তুমি এজন মহৰ্ষি আৰু মই তোমাৰ বিবাহিতা ভাৰ্য্যা। শাস্ত্ৰৰ বিধান অনুসৰি পত্নীৰ ঋতুৰক্ষাৰ কাৰণে মাত্ৰ ঋতুকালত মুনিসকল সঙ্গমাসক্ত হয। তুমি তাৰ অন্যথা আচৰণ কৰিলে লোকৰ হাস্যাস্পদ নহবানে?'

মুনিযে অহল্যাৰ প্ৰশ্নৰ যথাযথ উত্তৰ দি কলে যে তাঁৰ বাবে জগৰীয়া তেওঁৰ ৰূপ-লাৱণ্যহে, মুনি কেতিযাও নহয়। অহল্যাৰ আকৰ্ষণে তেওঁক যেন অস্থিৰ আৰু বিব্ৰত কৰি তুলিছে।

আজি যেবে প্ৰাণ ৰহে মদন অনলে।
তবে তপ-ধৰ্ম্ম-কৰ্ম্ম পাইবো সকলে॥
এখনে কামিনী মোৰ প্ৰাণ ৰক্ষা কৰা।
চলিওক শয্যাক বিলম্ব পৰিহৰা॥

অহল্যাই তথাপি পতিৰ যাতে ধৰ্ম্ম ৰক্ষা পৰে তাৰ বাবে পুনঃ হৰিক স্মৰণ কৰি ব্ৰহ্মমন্ত্ৰ জপিবলৈ পতি গৌতমক উপদেশ দিলে, কাৰণ, তাকে কৰিলে তেওঁ খন্তেকীয়া উত্তেজনাৰপৰা অব্যাহতি পাব।

কপট গৌতমে তেতিয়া আতুৰভাৱে কলে যে তেওঁ স্বামী হৈ ভাৰ্য্যাৰ পৰা তেনেবোৰ উপদেশ নিবিচাৰে। ভাৰ্য্যাই নৌকওঁতেই তেওঁ বাৰম্বাৰ হৰিক স্মৰণ কৰি ধ্যান কৰি চাইছে, কিন্তু তাত হেনো কোনো ফলোদয় হোৱা তেওঁ দেখা নাই। 'কামবাণে ফুটি মোৰ প্ৰাণ সঙ্কলয।'

কাম ৰিপুৰ প্ৰভাৱৰ কথা উল্লেখ কৰি তেওঁ কলে যে কামাতুৰৰ আগত শাস্ত্ৰোক্তিয়ে কাম নিদিযে—'কামাতুৰ হৈলে পৰদাৰকো হৰয়'।

আৰু

কৰিলন্ত ব্ৰহ্মা নিজ দুহিতা আলাপ।
তথাপিতো তান্ত দেখো নিসিজিল পাপ॥
নিজ ভাৰ্য্যা আলাপিবো দোষ আত বৰ।
মোৰ প্ৰাণ যায তই পাতস জগৰ॥

অহল্যাই ভাবিলে আৰু বেছি বাধা দিলে ঋষিযে হয়তো ক্ৰোধাতুৰ হৈ শাপ দিবও পাৰে—'আলাপ নাপাই শাপিবেক ঋষিৰাজ'। তথাপি ভযে ভয়ে আৰু এষাৰ কথা তেওঁ ঋষিক কলে, বোলে সেযে যদি হয তথাপি দিনটো কোনোমতে কাটি যাবলৈ দিয়ক —'দিবা গুচি আসি তেৱে হৌক নিশাভাগ।' কিয়নো—

দিনত শৃঙ্গাৰ ধৰ্ম্ম নাহিকে উচিত।
সামান্য জনৰো ইটো অতি গৰিহিত॥

মায়াবী গৌতমে অহল্যাৰ কথাত অলপ সুৰুঙা পাই ঠাট্টাৰ সুৰত উত্তৰ দিলে—কামাতুৰৰ আগত ধৰ্ম্মকথা কব নাপায। এইবোৰ এতিয়া বাদ দি শীঘ্ৰে মোৰ প্ৰাণ ৰক্ষা কৰাৰ ব্যৱস্থা কৰা।

কামাতুৰ ভৈলে তাৰ ধৰ্ম্ম কৈত আছে।
চল যাও শয্যাক বুজাবি মোক পাছে॥

অহল্যাই ভাবিলে হাতীক হাতেৰে ঠেলি খেদা অসম্ভৱ— 'হস্তে কোনে পাৰয় হস্তীক ঠেলিবাক।' অনিচ্ছা সত্বেও তেওঁ অগত্যা পতিৰ অনুগতা হ'ল। তেতিয়া—

মহা কামাতুৰ ইন্দ্ৰ ৰতিত কুশল।
ষোড়শ শৃঙ্গাৰ ভাব দেখাইলা সকল॥

মায়াবী গোতমৰ সিদিনাৰ কাৰ্য্য-কৌশলে অহল্যাৰ মনত সন্দেহৰ সৃষ্টি নকৰাই নাথাকিল। তেওঁ নিজ পতি গৌতম মুনিৰ ব্যৱহাৰ জানে। গতিকে মুনিৰ কাৰ্য্যত তেওঁৰ সন্দেহৰ মাত্ৰা ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে।

দেখিয়া বিস্ময় মন ভৈল অহল্যাৰ।
গৌতম ঋষিৰ নোহে ইমত শৃঙ্গাৰ॥

ইতিপূৰ্ব্বে পৰাঙ্গণা সম্ভোগ সম্বন্ধে বাসৱৰ কীৰ্ত্তিকলাপ তেওঁ শুনি আছিল। এতিয়া তেওঁ মনতে ভাবিলে ই ইন্দ্ৰত বাহিৰে অন্য কাৰো কাম হব নোৱাৰে, তেওঁহে মায়াধৰি এনে কাম কৰাত সিদ্ধহস্ত। ইয়াকে ভাবি তেওঁ আৰু বেছি পৰ ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। ছেগ চাই তেওঁ শয্যাৰপৰা উঠিল আৰু আগ পাছ গুণি ভয়ত কঁপিবলৈ ধৰিলে।

ভৈলো সৰ্ব্বনাশ বুলি ভৈল মহাভয়।
থিৰ নোহে হাত-ভৰি শৰীৰ কম্পয়॥

ক্ৰোধত গৰ্জ্জি উঠি তেওঁ কলে, 'অৰে' তই কহ কোন পৰম দুৰ্জ্জন'। অহল্যাৰ খং দেখি বাসৱৰ চেতনা জাগিল। ভয়ত তেওঁৰ যেন গৰ্ভ গলি গ'ল—

শুনিয়া ইন্দ্ৰৰ ভয়ে গৰ্ভ গৈল গলি।
প্ৰকম্পিত হৈয়া মাতিলন্ত কৃতাঞ্জলি॥

বদ্ধাঞ্জলি হৈ তেওঁ কবলৈ ধৰিলে 'হে মহামতি, মই দেৱৰাজ ইন্দ্ৰ, আন কোনে এনে অকাজ কৰিব? মই অধম, মোক ক্ষমা কৰক।'

অহল্যাই উত্তৰ দি কলে, 'পাপিষ্ঠ দুৰাচাৰ, তই মোৰ পতিব্ৰতা ধৰ্ম্ম নষ্ট কৰি সৰ্ব্বনাশ কৰিলি। তুৰন্তে তই মোৰ চকুৰ আগৰপৰা দূৰ হ। মই এই মুহূৰ্ত্ততে তোক শাপি ভস্ম কৰিব পাৰোঁ, কিন্তু তাৰপৰা মোৰ লাভ একো নহব। তই মোৰ আজি যি ঘোৰ অনিষ্ট সাধন কৰিলি তাৰ প্ৰতিকাৰ নাই। তোৰ এই কাৰ্য্যই মোক নৰকত পেলালে, মই নৰকলৈ যাবই লাগিব। মই তোক ইযাৰ বাবে নিজে একো শাস্তি নিদিওঁ, তোক ইযাৰ বাবে উপযুক্ত শাস্তি দিব মোৰ স্বামী পূজ্যপাদ গৌতম মুনিয়ে।'

ইন্দ্ৰ সেই সময়ত নত-মস্তক হৈ ভয়ত কঁপি আছিল। তেওঁৰ তেনে কম্পমান অৱস্থা দেখি অহল্যাৰ মনত কিঞ্চিৎ দয়া উপজিল। তেওঁ সদয় হৈ ইন্দ্ৰক কলে—

যি ভৈল সি ভৈল মোৰ শুনৰে বৰ্ব্বৰ।
তই মাত্ৰ আপোনাৰ প্ৰাণ ৰক্ষা কৰ॥
নতো পান্ত আসি তোক গৌতমে যাৱৎ।
সত্বৰে এথাৰ পাপী অন্তৰ তাৱৎ॥

অহল্যাৰ কথাত ইন্দ্ৰই যেন প্ৰাণ পালে, তেওঁৰ যেন তেতিযাহে ধাতু আহিল। তাত তেওঁ বিলম্ব নকৰি বৃদ্ধ ব্ৰাহ্মণ এটাৰ বেশ ধৰিলে আৰু পলাবলৈ বুলি ততাতৈয়াকৈ খোজ ললে। তেনেকৈ কথমপি নওলাৰ মুখ পাবহে পালে, মহামুনি গৌতম আহি সেই ঠাইত উপস্থিত হ'লহিয়েই। গৌতমে ভাবিলে—আশ্ৰমৰপৰা থৰক-বৰককৈ এইটো কোন যায়? মোক দেখি ই দেখোন ভয়ত কঁপিছে! ই নিশ্চয় কোনোবা কপটাচাৰী দেৱতা, প্ৰকৃত ব্ৰাহ্মণ নহয়। চাট্ কৰে তেওঁৰ মনলৈ আহিল—

আন কোন নোহে ইটোজন পুৰন্দৰ।
ছদ্মৰূপে জানো বিধ্বংসিল মোৰ ঘৰ॥

তেওঁ তেতিয়া মাত লগালে—বহ, তই নাযাবি—'মাতিলন্ত বহ অৰে' কোন তই যাস।'

ঋষিৰ তেনে আদেশ শুনি দেৱৰাজৰ ধাতু অন্তৰীক্ষ হ'ল। মৃত্যুৰ হাততে পৰিলোঁ ইবাৰ বুলি কঁপি-ডৰি গৈ নিজ ৰূপ ধৰি তেওঁ ঋষিৰ আগত অপৰাধীৰ দৰে থিয় হ'ল। ঋষিযে নানা কটু কথাৰে ভৰ্ৎসনা কৰি ইন্দ্ৰক এই বুলি অভিশাপ দিলে—

ছাগ যেন ভৈলি একো নাহি লাজ কাজ।
এহিসে কৰ্ম্মক লাগি ভৈলি দেৱৰাজ॥

*　　　*　　　*

সৰ্ব্বদায় তই যোনিতেসে মাত্ৰ ৰত।
সহস্ৰ হওক যোনি তোৰ শৰীৰত॥
যেন আন ক্ষণ নকৰস হেন দোষ।
এতিক্ষণে ছিণ্ডিযা পৰোক অণ্ডকোষ॥

শাপগ্ৰস্ত ইন্দ্ৰ স্খলিত-বৃষণ আৰু সহস্ৰযোনি হৈ তেনেই আপচু হৈ পৰিল। লাজে অপমানে তেওঁ কৃশ-কায় হৈ সৰোবৰত থকা পদ্মৰ তন্তুত লুকাই থাকিলগৈ।

আশ্ৰমলৈ গৈ ঋষিযে ঘটনা সম্পৰ্কে অহল্যাক সোধাত অহল্যাই মায়াবী ইন্দ্ৰৰ কুকাৰ্য্যৰ কথা কৈ 'আপুনি সৰ্ব্বজ্ঞ তুমি মোত পুছা কিক' আৰু 'মুহিকো সৰ্ব্বজ্ঞ মই নাজানিলোঁ তাক' বুলি সকলো স্বীকাৰ কৰি 'শাপি ভস্ম কৰিওক প্ৰায়শ্চিত্ত হৌক' বুলি নতজানু হৈ ৰ'ল।

সত্য কথা কোৱা বাবে গৌতমে তেওঁক শাপি ভস্ম নকৰি শিলাখণ্ড হৈ বহুকাল ধৰি পৰি থাকিবলৈ আৰু কালৰ অন্তত অযোধ্যাপতি ৰামচন্দ্ৰৰ চৰণ-স্পৰ্শ লভি মুক্তি পাবলৈ অভিশাপ দিলে।

ইফালে ইন্দ্ৰৰ ভাৰ্য্যা শচীয়ে ইন্দ্ৰক নেদেখি দেৱগুৰু বৃহস্পতিৰ ওচৰ চাপিল আৰু গুৰুদেৱৰ উপদেশমতে দুৰ্গাপূজা কৰি ইন্দ্ৰৰ লগত পুনৰ সাক্ষাৎ লভিলে।

শুনি শচীদেৱী তেৱে দুৰ্গাক পূজিলা।
তুষ্ট হুযা দুৰ্গাযো শচীক দেখা দিলা॥

গুৰুৰ উপদেশমতে ইন্দ্ৰযো তেতিযা দুৰ্গাক ভক্তিৰে আৰাধনা কৰি দেৱীৰ কৃপাত সহস্ৰযোনি গুচি সহস্ৰলোচন হ'ল। ইযাৰ পাছত স্বৰ্গলৈ গৈ স্বৰ্গৰ বৈদ্য অশ্বিনীকুমাৰদ্বয়ৰ অনুগ্ৰহত ইন্দ্ৰই মেষ-বৃষণ বা ছাগ-অণ্ডধাৰী হৈ পুনঃ স্বৰ্গৰাজ্য লাভ কৰে। এনে ত্যাগ আৰু আত্মোৎসৰ্গৰ কাৰণে ইন্দ্ৰই খাহি ছাগলিক বৰ দিলে—

হোক খাসি ছাগল পৱিত্ৰ সুকোমল।
লাগিবেক দেৱ-পিতৃ কাৰ্য্যত সকল।

অহল্যাৰ মুক্তিৰ পাছত গৌতম মুনিয়ে ধ্যানৰ বলত সকলো জানিব পাৰি আশ্ৰমলৈ আহি ভাৰ্য্যাৰ লগ লাগে আৰু বিশ্বামিত্ৰ মুনিক এনে মহৎ উপকাৰৰ বাবে প্ৰশংসা কৰি ৰাম-লক্ষ্মণ দুয়ো ভাইক বিস্তৰ আশীৰ্ব্বাদ দিয়ে। এয়ে কন্দলি ৰামায়ণৰ মাধৱদেৱ বিৰচিত আদিকাণ্ডৰ অহল্যা-কাহিনী।

মাধৱদেৱে বৰ্ণনাৰে ঘটনাৰ হুবহু চিত্ৰ অঙ্কন কৰোঁতে নাটকীয ভঙ্গীৰ বচনসহ সকলো কথা ডালে-পাতে কৰবাৰপৰা গ্ৰহণ কৰিছিল নে তাত নিজৰপৰাও কিবা কাল্পনিক সংযোজনা দিছিল, আৰু দিছিল যদি, কিমানখিনি দিছিল সেইটো বিচাৰসাপেক্ষ বিষয। তথাপি বিষয়বস্তু আৰু তাৰ উপস্থাপন এই দুয়ো বিষযতে মাধৱদেৱ বাল্মীকি ৰামায়ণৰপৰা যে বহুদূৰ ফালৰি কাটি আহিছে সেইটো হলে খাটাং কথা। হব পাৰে তেওঁ বাল্মীকিৰ আদি কাণ্ড আৰু উত্তৰা কাণ্ড দুযো কাণ্ডৰপৰা আখ্যানৰ আৱশ্যকীয় সমল সংগ্ৰহ কৰি লৈ তাক নিজৰ মনোমতভাৱে প্ৰস্তুত কৰি পদত ব্যৱহাৰ

কৰিছিল। সেয়ে হলেও কিন্তু শচীৰ দুৰ্গাপূজা আৰু 'স্তুতি, নতি, ভকতিৰে' শচীপতি ইন্দ্ৰৰ দুৰ্গা-বন্দনাৰ কথা উক্ত দুই কাণ্ডৰ ক'তো পাবলৈ নাই। ই কৃত্তিবাসী ৰামায়ণৰ ৰাৱণ বধৰ হেতু ৰামচন্দ্ৰে অকালতে কৰা দুৰ্গাপূজাৰ লেখিয়া কাহিনী। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত ইন্দ্ৰ-অহল্যা আৰু গৌতম-অহল্যাৰ কথা দুঠাইতো উল্লিখিত আছে, তাৰো কোনো ঠাইতে কিন্তু দুৰ্গাপূজাৰ উল্লেখ নাই। অন্য পুৰাণ বা উপপুৰাণত থকাৰ কথাও গম পোৱা নাযায়। এনেস্থলত বৈষ্ণৱ কৰি মাধৱদেৱে দুৰ্গা-মাহাত্মাৰ এই কাহিনীটো ক'ৰপৰা আৰু কিয় গ্ৰহণ কৰিলে, ৰামায়ণত তাৰ প্ৰযোজনে বা কিয় অনুভৱ কৰা হ'ল—বুজা নাযায। ই হযতো তদানীন্তন কালৰ লৌকিক প্ৰভাৱ।*

কৃত্তিবাসী ৰামায়ণতো এই ঘটনা মাধৱদেৱৰ আদি কাণ্ডৰ ঘটনাৰ দৰেই বৰ্ণোৱা আছে, কিন্তু তাত কথা তেনেই চুম্বক, পদ-সংখ্যাও মাধৱদেৱৰ পদসংখ্যাৰ এক-চতুৰ্থাংশও নহয়। ইন্দ্ৰ-অহল্যাৰ কথা-বতৰাৰ আকৰ্ষণীয পৰিবেশো তাত নাই, গৌতম-বেশী ইন্দ্ৰই প্ৰস্তাৱ কৰিছে আৰু পতিব্ৰতা অহল্যাই পতিৰ আদেশ বিনা বাক্যব্যয়ে গ্ৰহণ কৰিছে, সিমানেই—

পতিব্ৰতা নাহি লজ্ঘে পতিৰ বচন।
তখনি শযন গৃহে কৰিল গমন॥ (কৃত্তিবাসী ৰামায়ণ)

ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ মতে গৌতমে তপস্যাৰপৰা ঘূৰি আহি ঘৰত অহল্যাক ইন্দ্ৰৰ লগত মৈথুন-ৰত (গেহে মৈথুনং মৈথুনে চ ৰতম্) অৱস্থাত লগ পায আৰু তন্মুহূৰ্ত্ততে শাপ দিযে। মাধৱদেৱৰ মতে বৃদ্ধ ব্ৰাহ্মণৰ বেশ ধৰি পলাব খোজোতে ইন্দ্ৰ গৌতমৰ হাতত ধৰা পৰে, কৃত্তিবাসৰ ইন্দ্ৰ কিন্তু ধৰা নপৰিলেই, গৌতম মুনিযেহে পত্নীৰ গাত সদ্যোজাত শৃঙ্গাৰৰ লক্ষণ দেখি ধ্যানৰ বলত

* শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীৰ 'অহল্যা-ধৰ্ষণ' প্ৰবন্ধ দ্ৰষ্টব্য।

সকলো জানিব পাৰিলে আৰু তেতিয়াই দুয়োকো শাপ দিলে। দুয়োৰো ঘটনাৰ মিল ইমানেই মাত্ৰ যে দুয়োৰো অহল্যাৰ ইন্দ্ৰৰ প্ৰতি কামনা নাই, দুয়োৰো অহল্যা পতিব্ৰতা, পতিপ্ৰাণা। মাধৱ-দেৱৰ অহল্যা কিন্তু শাস্ত্ৰজ্ঞা আৰু বুদ্ধিমতীও। ধৰ্ম্ম আচৰণত তেওঁ পতিক সৰ্ব্বতোপ্ৰকাৰে সৎ পৰামৰ্শ দি সহায় কৰিবলৈ বিচাৰিছিল। আনকি মৈথুন-কাল সম্বন্ধেও শাস্ত্ৰোক্ত উপদেশেৰে তেওঁ স্বামীক বুজনিহে দিছিল। আৰু এটা কথা—কৃত্তিবাসৰ মতে অশ্বমেধ যজ্ঞ কৰিহে ইন্দ্ৰই সহস্ৰযোনি গুচি সহস্ৰলোচন হৈছিল, মাধৱদেৱৰ মতে দুৰ্গাৰ বৰত হয় আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ মতে আকৌ সূৰ্য্যক আৰাধনা কৰি সূৰ্য্যৰ অনুগ্ৰহতহে হয়। ইন্দ্ৰক গৌতমে সহস্ৰযোনি হবলৈ অভিশাপ দিয়াৰ কথা বাল্মীকি-ৰামায়ণে উল্লেখ কৰা নাই। বাল্মীকি-ৰামায়ণ মতে গৌতমৰ শাপত ইন্দ্ৰ স্খলিত-বৃষণ মাত্ৰ হয়।

এতিয়া কথা হৈছে যিটো কাহিনী আদিকবি বাল্মীকিয়ে তিনি-চাৰিটা শ্লোকতে সামৰি থলে আৰু কবি কৃত্তিবাসেও মাত্ৰ কুৰিটামান পদতে ভাঙি উলিয়ালে তাক মাধৱদেৱে তাৰ চাৰি-পাঁচগুণ দীঘল কৰি নাটকীয় ভঙ্গীত পৰিবেশন কৰিলে কিয়? ই আদিৰসপূৰ্ণ কথা, আৰু সেই হেতুকে তেৰাৰ হাতত ই আৰু কিছু চমু হোৱাটোহে দেখোন স্বাভাৱিক আছিল।

বাল্মীকিৰ ৰামায়ণ আৰু পুৰাণৰ অৱলম্বনত মাধৱদেৱে অহল্যাৰ চৰিত্ৰ অঙ্কন কৰিছে। আগতে কোৱা হৈছে যে বাল্মীকিৰ অহল্যা পূৰ্ণমাত্ৰাই সকামা। তেওঁ ছদ্মবেশী ইন্দ্ৰক ইন্দ্ৰ বুলি জানিও তেওঁৰ প্ৰতি আসক্তি প্ৰদৰ্শন কৰিছিল। সতীত্বৰ মৰ্য্যাদা তেওঁ ৰক্ষা কৰা নাই, বৰঞ্চ ছলনাময়ী বাৰাঙ্গণাৰ দৰে আত্মতৃপ্তি প্ৰকাশ কৰি কামুক ইন্দ্ৰকো গৌতমৰ হাতৰপৰা ৰক্ষা কৰাৰ কথাহে চিন্তা কৰিছে। মাধৱদেৱৰ অহল্যা কিন্তু সম্পূৰ্ণৰূপে অকামা আৰু ইন্দ্ৰৰ ছদ্মবেশ সম্পৰ্কেও পোনতে তেনেই অজ্ঞ।

ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ মতে 'অকামা হইলে প্ৰায়শ্চিত্তে শুদ্ধ হয়।' মাধৱদেৱৰ এনে অকামা, নিৰ্লিপ্তা অহল্যাই পিছত আত্মপৰিচয় প্ৰকাশ কৰি নতজানু হৈ অনুতপ্ত হোৱা ইন্দ্ৰক ক্ষমা কৰিলে। ইন্দ্ৰৰ সন্ত্ৰস্ত আৰু কম্পমান অৱস্থা দেখি অহল্যাৰ নাৰী-হৃদয়ৰ করুণ সহৃদয়তা উথলি উঠা একো অস্বাভাৱিক কথা নহয়। তেওঁ ইন্দ্ৰৰ শাস্তিৰ ভাৰ স্বামী গৌতম মুনিৰ ওপৰত থৈ নিজে তেওঁক ক্ষমা কৰিলে আৰু অকল ক্ষমা কৰায়ে নহয়, গৌতমৰ হাতৰপৰা আত্মৰক্ষা কৰি পলাবলৈ ইন্দ্ৰক উপদেশ দিলে। ইয়াত অহল্যাৰ দুষ্ট অভিপ্ৰায় বা কু-অভিসন্ধি ধনিষ্ঠামাত্ৰও নাছিল, কাৰণ, তেনে অজ্ঞানকৃত মহাপাতকৰ কাৰণে নৰকলৈ যে যাব লাগিব তেওঁ সেইটো সাব্যস্ত কৰিছিল—'অৱশ্যেকে মই ঘোৰ নৰকক যাইবো'। তেওঁ নিজে ইন্দ্ৰক শাপি ভস্ম নকৰিলে, কাৰণ তাৰদ্বাৰা তেওঁৰ নিজৰ পাপ খণ্ডন নহয়। আশ্ৰয়-প্ৰাৰ্থী ইন্দ্ৰক নিজে ক্ষমা কৰি গৌতমৰ হাতৰপৰা ৰক্ষা পাবলৈ উপদেশ দিয়াটো অহল্যাৰ অন্তৰৰ নাৰীসুলভ করুণা নে দুৰ্ব্বলতা? সম্ভৱ দুয়োটায়ে। এইখিনিতে এইটোও উল্লেখ কৰিব পাৰি যে অহল্যাই এই পৰিস্থিতিত নিজৰ সম্মান বা গৌৰৱ ৰক্ষাৰ বাবে (গৌৰৱাৎ) ভাবিছিল নে গৌতমৰ হাতৰপৰা (গৌতমাৎ) ৰক্ষা পাবলৈ চিন্তিছিল সেই সম্বন্ধে ৰামায়ণৰ দুয়োবিধ পাঠ পোৱা যায়। দুয়োটাতে কিন্তু তেওঁৰ চৰিত্ৰৰ দুৰ্ব্বলতা ধৰা পৰে। মাধৱদেৱৰ অহল্যাই নিজৰ যি হয় হব ('যি ভৈল সি ভৈল মোৰ শুনৰে বৰ্ব্বৰ') বুলি ইন্দ্ৰক গৌতমৰ হাতৰপৰা ৰক্ষা পৰিবলৈ উপদেশ দি নিজৰ চৰিত্ৰৰ উদাৰতাহে প্ৰকাশ কৰিছিল।

দ্বিতীয়তে, তদানীন্তন কালৰ সমাজৰ ৰুচি আৰু প্ৰয়োজনীয়-তালৈ লক্ষ্য ৰাখি বাল্মীকি-ৰামায়ণৰ অসমীয়া ভাঙনী কৰোতে মাধৱদেৱে আদিৰসাত্মক ঘটনাত কামশাস্ত্ৰসম্মত ৰহস্য ক'ত কেনেকৈ প্ৰয়োগ কৰিব লাগে সেইটোও পাহৰা নাই। সেই

বাবেহে তেওঁ এফালে ইন্দ্ৰৰ উৎকট কামোন্মত্ততা আৰু আনফালে অহল্যাৰ উত্তৰোত্তৰ প্ৰতিবন্ধকৰ বৰ্ণনা আকৰ্ষণীয়ভাৱে অঙ্কন কৰিছে। এক পক্ষৰ বাধা-প্ৰতিবন্ধকে অপৰ পক্ষৰ কামোন্মাদনা ক্ৰমাৎ তীব্ৰৰপৰা তীব্ৰতৰ কৰি তোলে, ই কামশাস্ত্ৰৰ সাধাৰণ জ্ঞান। মাধৱদেৱৰ অহল্যা-ধৰ্ষণত কৰিয়ে তাক স্পষ্ট কৰি তুলিছে। বাল্মীকিৰ ৰামায়ণত অহল্যাৰ কিঞ্চিৎ আপত্তিৰ কথা ইন্দ্ৰৰ একাষাৰ বচনৰপৰা অলপ অনুমান কৰা যায়। ইন্দ্ৰে কৈছিল—'হে সুন্দৰী, ৰতিক্ৰীড়া প্ৰাৰ্থীজনে ঋতুকালৰ বাবে অপেক্ষা কৰিব নোৱাৰে, হে সুন্দৰী, মই তোমাৰ লগত সহবাসৰ অভিলাষ কৰিছোঁ'। মাধৱদেৱে এই সামান্য কথাখিনিকে লৈ অহল্যাৰ চৰিত্ৰৰ ধৈৰ্য্য আৰু পাণ্ডিত্য গুণ দৰ্শাবৰ হেতু অসামান্যভাৱে তাক প্ৰযোগ কৰি প্ৰস্তাৱিত ৰতিক্ৰীড়াৰ প্ৰতি তেওঁৰ বিকৰ্ষণ প্ৰদৰ্শন কৰিছে। তাহানি সতী বেউলাযো ৰমণাভিলাষী পতি লখিন্দাৰক 'হে স্বামী, বিযাৰ ৰাতিত নোহে ভাল', 'বাপৰ ঘৰত কৰ্ম্ম উচিত নহয' আদি শাস্ত্ৰোক্ত নীতি বচনেৰে উপদেশ দি শান্ত কৰিছিল। কামোন্মত্ত পৰাশৰ মুনিকো এদিন ধীবৰ-কন্যা মৎস্যগন্ধাই 'দিবাভাগে মুহি ভাল' বুলি ঘোৰ আপত্তি দৰ্শাই তপৰ বলেৰে দিনতে ৰাতি গঢ়িবলৈ ঋষিক বাধ্য কৰিছিল। তেনেকৈ পতি গৌতমৰ প্ৰস্তাৱত আধা সম্মতি আৰু আধা আপত্তি দৰ্শাই অহল্যাই ছনাই যুক্তি দৰ্শাই কৈছিল—'দিবা গুচি আসি তেবে হৌক নিশাভাগ'। নকলেও হব যে এনে প্ৰতিবন্ধকে গৌতমবেশী কামুক বাসৱক আৰু বেছি কামান্ধ কৰিহে তুলিছিল। এনে নাটকীয পৰিবেশ ক'তো এনে চিত্তাকৰ্ষকভাৱে বৰ্ণনা কৰা হোৱা নাই, ই মাধৱদেৱৰ নিজা সৃষ্টি।

এনে পৰিবেশ সৃষ্টি আৰু এনে আকৰ্ষণীয় বৰ্ণনাৰ মূল উদ্দেশ্য আছিল লোকৰঞ্জন। লোকৰঞ্জন বা শ্ৰোতাৰ সন্তুষ্টিসাধন সেই সময়ৰ সকলো সাহিত্যৰে এটা প্ৰধান লক্ষ্য আছিল। তাতে

ৰামায়ণৰ আদি কাণ্ড মাধৱদেৱৰ ডেকা বয়সৰ লিখনী-নিস্থত কাব্য। তেওঁৰ বাকীবোৰ ৰচনাৰ উদ্দেশ্য আছিল পোনপটীয়া ধৰ্ম্মপ্ৰচাৰ। সেইবোৰত লোকৰঞ্জন গৌণ আৰু ধৰ্ম্মপ্ৰচাৰ আছিল মুখ্য উদ্দেশ্য। অন্য কথাত কবলৈ গলে সমাজৰ মন আকৰ্ষণ কৰি তাক ধৰ্ম্মমুখী কৰিবলৈ যিখিনি লৌকিকতা অপৰিহাৰ্য্য আছিল সিমানখিনি মাত্ৰ সেইবোৰত প্ৰযোগ কৰা হৈছিল। গতিকে সিবোৰত উৎকট আদিৰস ক'তো প্ৰকট হোৱা নাই। আৰু এটা কথা—কন্দলি ৰামাযণখনত মহাপুৰুষদ্বয়ে ভাগৱত ধৰ্ম্মকথাৰ মাজে মাজে আৰু পদৰ শেষত আচুযুল বাছিছিল যদিও তাক তেওঁলোকে লোক-সাহিত্য হিচাপেই এৰিছিল, তুলসীদাসী ৰামায়ণৰ দৰে ধৰ্ম্মগ্ৰন্থ কৰি তুলিব খোজা নাছিল।

মাধৱদেৱ সুপণ্ডিত আছিল, কিন্তু সেই পাণ্ডিত্য সদায আত্মলঘিমাৰ ভাবত আচ্ছন্ন আছিল। সেইবাবে তেওঁৰ ভাষাও আছিল সৰল। তেনে হোৱা সত্বেও কিন্তু দুই-একোটা ৰূপক আৰু উপমাৰ ভাষা-গাম্ভীৰ্য্যই কৰিৱ অন্তৰৰ গভীৰ পাণ্ডিত্যলৈ আঙুলিয়াই দি পাঠকক স্তম্ভিত নকৰাকৈ নাথাকে। ভৰা-কলহৰ গাৰে বাহিৰ হোৱা পানীৰ ক্ষুদ্ৰ বিৰিঙনিৰ দৰে ইযো যেন কৱিৰ নিজৰ অজ্ঞাতসাৰে বাহিৰ হোৱা পাণ্ডিত্য। উদাহৰণ স্বৰূপে এটা বৰগীতৰে দুশাৰী পদ উদ্ধৃত কৰা যাওক।

ধ্ৰু—হৰিপদ-পঙ্কজ পঞ্জৰ মোই।
তা মহ ৰহোঁ হাম ৰাজহংসা হোই॥
পদ—ৰয়নী দিবসে লিজএু ৰাম নামা।
প্ৰপন্নজনাশনি পঞ্জৰ ৰামা॥ ইত্যাদি

ইয়াত হৰিৰ পাদপদ্মক এটা পিঁজৰা বুলি লৈ সেই পিঁজৰাৰ ভিতৰত কৱি ৰাজহংস হৈ থাকিব খুজিছে। ৰাতিয়ে দিনে ৰামনাম লওঁ, কাৰণ, ৰাম-নাম পতিত জনৰ আশ্ৰয়ৰ কাৰণে

বজ্রনির্ম্মিত কুটীৰৰ দৰে। ইযাত উপমাৰ চমৎকাৰিত্বৰ উপৰিও 'প্রপন্নজনাশনি পঞ্জৰ ৰামা' এই বাক্যাংশটিৰ শব্দ পাতনিৰ ঝঙ্কাৰো মন কৰিবলগীযা। প্রপন্ন বা একেবাৰে নিৰাশ্রয় জনৰ অশনি-পঞ্জৰ বা বজ্রনির্ম্মিত পিঁজৰা বা পজাঘৰ হ'ল ৰাম-নাম। তাত বাস কৰিলে ভয় কিহৰ? এনে শব্দ প্রযোগ আৰু ৰূপক-উপমাৰ জৰিয়তে অতর্কিতেই যেন কৱিৰ অসামান্য কাব্যশক্তিয়ে আত্মবিকাশ কৰি পাঠকৰ ওচৰত ধৰা দিছেহি। ঠিক তেনেকৈয়ে অহল্যাৰ মুক্তি বর্ণনা কৰোঁতেও ডেকা কৱিৰ অন্তর্নিহিত আদিৰসাত্মক কাব্যশক্তিযে যেন অতর্কিতেই আহি পাঠকৰ দৃষ্টিত ধৰা দি পাঠকক স্তম্ভিত আৰু মোহিত কৰিছে। বৈষ্ণৱ কৱিয়ে কিন্তু পাহৰা নাই যে শ্রীৰামচন্দ্র পূর্ণব্রহ্মাৰে অৱতাৰ। সেইবাবে তেওঁ পুনঃ অধ্যাযৰ শেষৰ পিনে বৈষ্ণৱী ৰীতি অনুসৰি পদত আচুফুল বাছি বৈষ্ণৱী ভক্তিৰ শান্তিপানী ছটিযাবলৈ পাহৰা নাই। অহল্যাৰ কাহিনী সম্পূর্ণ কৰি ঘটনাৰ শেষত সেইবাবে মহামুনি গৌতমে কৈছে—

অনাদি ঈশ্বৰ তুমি দেৱতাৰো দেৱ।
অনাথৰ গতি তুমি বিনে নাই কেৱ॥
তযু পদধূলাৰ মহিমা অদভুত।
যাহাৰ পৰশে ভৈলা অহল্যা মুকুত॥

লোক-সাহিত্য ৰামাযণ পদবন্ধে নিবন্ধন কৰোতেও সেইবাবে আদিৰসৰ বর্ণনাৰে সমজুৱাক আপ্লুত কৰিছে যদিও বৈষ্ণৱ কৱিযে নিজৰ উদ্দেশ্য অক্ষুণ্ণ ৰাখিবলৈ যত্নপৰ হৈছে। সমজুৱাক আপ্লুত কৰিবৰ কাৰণে কৱিযে সেই দেখি ছেগ বুজি হাস্যৰসৰো অৱতাৰণা কৰিবলৈ পাহৰা নাই। গৌতমৰ আশ্রমৰপৰা নগুলাৰ জপনা এৰাই বৃদ্ধ ব্রাহ্মণবেশী ইন্দ্রই কেনেকৈ পলাবলৈ যত্ন কৰিছিল, তাৰ বর্ণনাই শ্রোতাক বাৰুকৈয়ে আমোদ দিব—

হেন শুনি মহাভয়ে লাজে পুৰন্দৰ।
তেখনে ধৰিলা বেশ বৃদ্ধ ব্ৰাহ্মণৰ॥
সন পাক্তি হেন কেশ ভোবোকাৰ দাড়ি।
ভগা ছাতি খানি বাম কান্ধে আছে পাৰি॥
হাতে গলে শিৰে মালা আছে ৰুদ্ৰাক্ষৰ।
লৰ লৰ দান্ত ফোটা কৰে চৰচৰ॥
কৰে কম্প কম্প হাত পাৱ নুহি থিৰ।
কাখে ভগী জুলি লাখুটিত দিয়া ভিৰ॥
ভিক্ষুকৰ বেশে নওলাৰ ভৈলা বাজ।
সেহি বেলা আসিলা গৌতম ঋষিৰাজ॥

মাধৱ-কন্দলিৰ আদিকাণ্ড ৰামায়ণ পাবলৈ নাই, সেইবাবে তাত নো অহল্যাক কেনে ধৰণে অঙ্কন কৰা হৈছিল অৰ্থাৎ অকামা নে সকামা হিচাপে, সেইটো জনা নাযায়। অনন্ত কন্দলিৰ ৰামায়ণৰো আদি আৰু উত্তৰা কাণ্ড নাই। অনন্ত দাসৰ শ্ৰীৰাম-কীৰ্ত্তনত অহল্যাৰ আখ্যান নাই। কথা ৰামায়ণত ৰঘুনাথ মহন্তই ঘটনাটো মাধৱদেৱৰ অনুৰূপেই বৰ্ণনা কৰিছে। সাতে-পাঁচে আদিকাণ্ডৰ অহল্যা-চৰিত্ৰ বৰ্ণনাত মাধৱদেৱৰ নাৰী-চৰিত্ৰ অঙ্কনৰ মহতী শক্তিৰ এটি ক্ষুদ্ৰ আভাস পোৱা যায় বুলিলে ভুল নহব। সি যিহওক, মাধৱদেৱৰ অহল্যা-চৰিত্ৰ কৱিৰ নাৰীৰ প্ৰতি থকা, বিশেষকৈ নাৰী-মৰ্য্যাদাৰ প্ৰতি পোষণ কৰা অন্তৰৰ গভীৰ শ্ৰদ্ধাৰ এটি নিদৰ্শন স্বৰূপ। আদিৰসৰ বিচাৰৰ ফালৰপৰাও চিৰকুমাৰ বৈষ্ণৱ কৱিৰ ই যেন আদিৰসাত্মক বিষয়ত সতীৰ্থ প্ৰতিদ্বন্দ্বীসকলৰ প্ৰতি অনিচ্ছাকৃতভাৱে দিয়া এটা যোগ্য প্ৰত্যাহ্বানহে।

বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস

(ৰজাঘৰীয়া প্ৰেম)

(১)

ষোড়শ শতিকাৰ আদি ভাগত বৈষ্ণৱ গুৰু শঙ্কৰ-মাধৱৰ প্ৰভাৱত অসমীয়া সাহিত্যত নৱজাগৰণৰ যি এটি জোৱাৰ উঠিছিল তাৰ খলকনি, কৰ লাগিলে, আজিও মাৰ যোৱা নাই। সপ্তদশ শতিকাৰ শেষ ভাগত অসমীয়া কৃষ্টি, কলা সাধনা আদিৰ ওপৰেদি বহিৰাগত প্ৰভাৱৰ, বিশেষকৈ বঙলুৱা প্ৰভাৱৰ গৰা-খহনীয়া ঢৌ সঘনে বাগৰিবলৈ ধৰে। এই ঢৌৰ সৃষ্টি হয় পোনতে ৰাজনৈতিক কাৰণত।

তেতিয়া অসমৰ পশ্চিম ফালে কোঁচৰজাসকলে ৰাজত্ব কৰিছিল যদিও, অসমৰ অধিকাংশ ঠাই আহোম ৰজাসকলৰ অধীনত আছিল। গতিকে বৈষ্ণৱোত্তৰ যুগৰ কাব্য বুলিলে ঘাইকৈ আহোম ৰজাসকলৰ আমোলৰ কাব্যৰ কথাই মনলৈ আহে। এই যুগত পোনতে চকুত লগাকৈ আগৰ কীৰ্ত্তন ভাগৱতৰ আধ্যাত্মিক গভীৰতাৰ ঠাই অধিকাৰ কৰে পাতল প্ৰেমৰ তৰাং সুঁতিবোৰে। এই সুঁতিবোৰ ক্ৰমে বিভিন্ন ধাৰাত বিভক্ত হৈ অসমীয়া কৃষ্টি আৰু সাহিত্যৰ বিভিন্ন ক্ষেত্ৰৰ ওপৰেদি ববলৈ ধৰে। বাৰিষাৰ নতুন ধলৰ পানী পাই খাল-বিলৰ মাছ-কাছই পাৰৰ ওপৰেদি কাণ বাই বাই উজাবলৈ ধৰাৰ দৰে হিন্দী, বঙলা, ইচ্‌লামী আদি নানা তৰহৰ সঙ্গীত, কাব্য, আখ্যান, উপাখ্যান আদিবোৰেও নাচি-বাগি আহি তেতিয়া অসমদেশ ওপচাই পেলাইছিল। এনেকুৱা নতুন বিদেশী কৃষ্টিৰ প্ৰবাহ স্পষ্টকৈ আৰম্ভ হয় মহাৰাজ ৰুদ্ৰসিংহ

স্বৰ্গদেৱৰ দিনত (১৬৯৬-১৭১৪ চন)। কেনেকৈ সেইটো ঘটিবলৈ পালে সেইটোও বিশেষ মন কৰিবলগীয়া কথা।

থিয় পৰ্ব্বতৰপৰা তীৰ্য্যক গতিত নামি অহা খৰস্রোতা তটিনী যেতিয়া ভৈযামৰ সমতল পাই চৌদিশৰ নানান জান-জুৰি দোং-দোভাৰ লগত মিলি যায়, তেতিয়া তাৰ পূৰ্ব্বৰ উগ্ৰ প্ৰকৃতি ক্ৰমে নাইকিয়া হয় আৰু সি গতিত গম্ভীৰ হবলৈ ধৰে। ব্যক্তি বা কোনো জাতিৰ বেলিকাও বৈবাহিক জীৱনৰ বৈচিত্ৰ্যৰ মাজেদি নতুন বা-বতাহত কিছুকাল অতিবাহিত হলে অনুৰূপ পৰিবৰ্ত্তন এটা অৱশ্যম্ভাৱী হৈ পৰে। নাৰীৰ মৃদু-মধুৰ কণ্ঠস্বৰত বিগলিত নোহোৱাকৈ থকা পুৰুষৰ কঠুৱা অন্তৰ বিধাতাই সৃষ্টি কৰা নাই, আনপিনে আকৌ নাৰীৰ কঠুৱা ব্যৱহাৰেই মনীষী টলষ্টয়ৰ দৰে শান্ত-শিষ্ট ধৰ্ম্মনিষ্ঠ লোককো বিৰক্তিৰ শেষ সীমাত উপনীত কৰি মৃত্যু পৰ্য্যন্ত বৰণ কৰিবলৈ আগ বঢ়াই দিয়া উদাহৰণবো আটক নাই। জাতীয় জীৱনত নাৰীৰ সান্নিধ্যই ঘটোৱা পৰিবৰ্ত্তনৰ উদাহৰণ আহোম ৰজাসকলৰ ক্ষেত্ৰত ভালদৰে পোৱা যায়, কাৰণ, আহোম ৰজাসকলে ৰাজ্য জয় কৰি বিজিতসকলৰ পৰাই নাৰীৰত্ন গ্ৰহণ কৰিছিল আৰু সেইদৰে ঘৰ-সংসাৰ কৰি সেই ঠাইৰে স্থায়ী বাসিন্দা হৈ পৰিছিল। গতিকে অসমীয়া নাৰীৰ সংস্পৰ্শত আহি তেওঁলোকৰ উগ্ৰ শাসক প্ৰকৃতিত নিশ্চয় কিছু নহয় কিছু পৰিবৰ্ত্তন সংঘটিত হৈছিল—সেইটো মধ্যযুগৰ বুৰঞ্জীয়ে সাক্ষী দিয়া কথা।

ৰজাঘৰীয়া সাহায্য বা ৰাজ-অনুগ্ৰহ মধ্যযুগত কলা-কৃষ্টি সম্পৰ্কীয় সকলো আন্দোলনৰে উৎস হৈ পৰিছিল। এই প্ৰসঙ্গত ইংলণ্ডৰ ৰাণী এলিজাবেথ, ফ্ৰান্সৰ ৰজা চতুৰ্দ্দশ লুই আৰু ভাৰতৰ সম্ৰাট আকবৰ, দ্বিতীয় চন্দ্ৰগুপ্ত আদিৰ নাম স্মৰণীয়। অসমতো কোঁচ ৰজাসকলৰপৰা আদৰ আৰু উদগণি পাইহে অসমীয়া বৈষ্ণৱ সাহিত্য ঠন ধৰি উঠিব পাৰিছিল। আহোম ৰজাসকলৰ কৰ্ম্মময় জীৱন-দৰ্শনৰ লগত কিন্তু বৈষ্ণৱী ত্যাগ আৰু সংযম কোনোমতে

ৰজিতা নাখালে। আহোমসকল আছিল স্বভাৱতে যুজাৰু প্ৰকৃতিৰ লোক। তেওঁলোক অসমলৈ আহোঁতে লগত তিৰোতা লৈ অহা নাছিল বাবে, অসমীয়া তিৰোতা বিয়া কৰাই, অসমীয়া মাত-কথা শিকি অসমীয়া হৈ গ'ল সঁচা, কিন্তু মনৰ সেই 'যুদ্ধং দেহি' ভাব হলে সহজে নগ'ল। যাবয়ে বা কেনেকৈ ?

আহোম ৰজাসকলৰ ভিতৰত পোনতে স্বৰ্গদেৱ চুডাংফা বা বামুণী কোঁৱৰেই (১৩৯৮-১৪০৭ খৃঃ) হিন্দু ধৰ্ম্মৰ প্ৰতি বেছি পৰিমাণে আসক্তি দেখুৱায়। তাৰ গুৰি কাৰণ আছিল, তেওঁ নিজে এক বামুণৰ ঘৰত উপজিছিল আৰু বামুণ-বামুণীৰ আশ্ৰয়তে সৰু কালত লালিত-পালিত হৈছিল। জন্মত তেওঁ ৰাজপুত্ৰ আছিল যদিও সৰুতে দৈৱবশতঃ পৰৰ আশ্ৰয়ত থাকিব লগীয়া হৈছিল। কেনেকৈ সেইটো ঘটিবলৈ পালে তাৰ চমু বিবৰণ এনেকুৱাঃ আহোমৰজা স্বৰ্গদেৱ ত্যাওখাম্‌থিৰ (১৩৮০-১৩৮৯) দুগৰাকী পত্নী আছিল, ডাঙৰগৰাকী বুদ্ধিমতী, সৰুগৰাকী ৰূপৱতী, কিন্তু তেনেই আজলী। ৰজাই এবাৰ ডাঙৰগৰাকীৰ ওপৰত ৰাজ্যভাৰ দি চুতীয়া ৰাজ্য আক্ৰমণ কৰিবলৈ সসৈন্যে ওলাই গৈ ৰাজধানীৰ-পৰা কিছুকাল আঁতৰি আছিল। এই সুযোগতে বৰ ৰাণীয়ে নিজৰ আক্ৰোশ পূৰণ কৰিবৰ অভিপ্ৰায়ে সৰু ৰাণীক মিছা অপবাদ দি মৃত্যু দণ্ড বিহে। ৰাণী তেতিয়া গৰ্ভৱতী আছিল। সেইদেখি ডাঙৰীয়াসকলে লগ হৈ চক্ৰান্ত কৰি তেওঁক নৈৰ পাৰত বধ কৰা হ'ল বুলি দেখুৱাই ভুৰত তুলি নৈৰ বুকুত উটাই দিয়ে। সেই ভুৰ গৈ কোনো এক বামুণৰ ঘাটত লাগিল। বামুণে দেখি সদয় হৈ ৰাণীক পাৰলৈ তুলি নি নিজৰ আশ্ৰয়ত ৰাখিলে। যথাসময়ত বামুণৰ ঘৰতে ৰাণীৰ এটি ল'ৰা উপজিল। ৰাজ-লক্ষণযুক্ত এই শিশুটিয়ে কালক্ৰমত গৈ ৰাজপাটত উঠে আৰু আহোম মতে চুডাংফা আৰু হিন্দুমতে বামুণীকোঁৱৰ নাম লয়। হিন্দুৰ ঘৰত হিন্দুৰ আচাৰ-পদ্ধতিত ডাঙৰ-দীঘল হোৱা হেতুকে এইজনা ৰজাৰ

হিন্দু ধৰ্ম্মৰ প্ৰতি এটি প্ৰবল অনুৰাগ বা দুৰ্ব্বলতা বৈ গ'ল। ৰজা হৈ হিন্দুৰ পূজা-পাৰ্ব্বণ আদি কাৰ্য্যবোৰতো তেওঁ ৰাজভঁৰালৰ-পৰা মুক্তহস্তে অৰ্থদান কৰিছিল। তেওঁ তিপামৰ ৰজাৰ লগত মিত্ৰতা কৰিবৰ উদ্দেশ্যে তিপমীয়া কুঁৱৰী এজনীক বিয়া কৰাইছিল। এই কুঁৱৰীগৰাকীৰ নাম আছিল লাংচেং কুঁৱৰী। তেওঁৰ তিপমীয়া যুৱক এজনৰ লগত গোপন সম্ভাৱ আছিল। গতিকে ৰজাই কুঁৱৰীক বিয়া কৰাই লেঠা চপাই লোৱাৰ দৰেহে হৈছিল। সেই যুৱকজনে গৈ কমতাৰ ৰজাৰ সহায় বিচাৰে। কমতেশ্বৰে কিন্তু ওচৰ-চুবুৰীয়া আহোম ৰজাৰ লগত বিৰোধ নকৰি নিজৰ জীয়েক ভাজনীক বামুণীকোঁৱৰলৈ বিয়াহে দিলে। বিয়াৰ জৰিয়তেও বামুণীকোঁৱৰে দুগুণ বলেৰে পুনৰ ৰাজ-শক্তি ভোগ কৰি থাকিল।

তেওঁৰ পিছৰ হিন্দু ধৰ্ম্মৰ প্ৰতি আসক্তি থকা দ্বিতীয় জনা আহোম ৰজা হ'ল স্বৰ্গদেৱ চুচেংফা বা প্ৰতাপসিংহ। তেওঁৰেই আন এটা নাম বুদ্ধিস্বৰ্গনাৰায়ণ (১৬০৩-১৬৪১ খৃঃ)। এওঁ জয়ন্তীয়া ৰজা যশমাণিক্যৰ কন্যাক বিয়া কৰাই জয়ন্তীয়াৰ লগত মিত্ৰতা কৰে। সেই সময়তে কোঁচৰজা লক্ষ্মীসিংহই তেওঁৰ ভাতিজাক পৰীক্ষিত নাৰায়ণৰ বিৰুদ্ধে যুজিবলৈ মুছলমানৰ সহায় লৈছিল। পৰীক্ষিত নাৰায়ণে তেতিয়া আহোম ৰজা প্ৰতাপসিংহলৈ নিজ কন্যা মঙ্গলাদেৱীক বিয়া দি আহোমৰ সহায় বিচাৰে। মঙ্গলাদেৱীয়ে আহোম ৰজাৰ পাটৰাণী হৈ ৰজাক ৰাজকাৰ্য্যত সহায় কৰিছিল। এইজনা ৰাণীৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়ে স্বৰ্গদেৱ চুচেংফাই হিন্দুধৰ্ম্মৰ প্ৰতি প্ৰবল অনুৰাগ দেখুৱায় আৰু হিন্দুৰ পূজা-পাতলবো পৃষ্ঠপোষকতা কৰে। কোৱা বাহুল্য যে দৰঙ্গী ৰজাৰ পৰিয়াল পূৰ্ব্বৰেপৰা আজিকোপতি শক্তিপূজা-সেৱাৰ আড়ম্বৰৰ বাবে প্ৰসিদ্ধ হৈ আছে। সেই পৰিয়ালৰে জীয়ৰী আছিল মঙ্গলাদেৱী।

ইমানলৈ নাৰীৰ প্ৰভাৱৰ হেতুকেই হওক অথবা যি কোনো কাৰণতে হওক আহোম ৰজাসকলৰ জনদিয়েকে হিন্দুধৰ্ম্মৰ প্ৰতি

আসক্তি বা অনুৰাগ মাত্ৰ প্ৰদৰ্শন কৰি উৎসৱ পাৰ্ব্বণাদিত অৰ্থ সাহায্য দান কৰিছিল আৰু কোনো কোনো ক্ষেত্ৰত মাটি-বৃত্তিও দান দিছিল। ইয়াৰ পাছতহে চুতাম্লা বা জয়ধ্বজসিংহ স্বৰ্গদেৱে (১৬৫৩-১৬৬৩ খৃঃ) বিধি-ব্যৱহাৰে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি হিন্দু হয় আৰু হিন্দুৰ পূজা-পদ্ধতিত দস্তুৰমতে যোগদান দিয়ে। নিৰঞ্জন বাপু নামে ব্ৰাহ্মণ এজনে তেওঁক শৰণ দিছিল আৰু তাৰেই দক্ষিণা স্বৰূপে ৰজাই সেই বাপুক বিস্তৰ ভূমি-সম্পত্তি দান কৰি তেওঁৰ হতুৱাই আউনীআটি সত্ৰ সুদৃঢ়ভাৱে স্থাপন কৰাইছিল।

মহাৰাজ জয়ধ্বজ কিন্তু কামুক, বিলাসী আৰু বুদ্ধিমান ৰজা আছিল। অসমীয়া কবিতা আৰু গীত-মাতৰ প্ৰতিও তেওঁ যথেষ্ট অনুৰাগ দেখুৱাইছিল। তেওঁ নিজেও গীত ৰচনা কৰি তাত সুৰ সংযোজনা কৰিছিল। পিছে, এই সকলোবোৰৰ গুৰিশিপা হেনো আছিল অইন ক'ৰবাতহে। তেওঁৰ কুঁৱৰীৰ নাম আছিল কুসুমী। পটেশ্বৰী কুসুমীৰ এগৰাকী ৰূপহী বায়েক আছিল। তেওঁৰ ৰূপে হেনো বয়সৰ ঢৌ কাটি তেওঁক তেতিয়া তেনেই দীপ্লিপ পাট-গাভৰু কৰি ৰাখিছিল। তেওঁ ইমানে ৰূপৱতী আছিল যে কেতিয়াবা ভনীয়েকৰ ঘৰলৈ বুলি ৰাজধানীলৈ আহিলে তেওঁৰ ৰূপৰ জেউতিয়ে আনকি ৰাণী কুসুমীকো ম্লান কৰি পেলাইছিল। তেওঁ বিবাহিতা আছিল যদিও ৰাজপুৰীলৈ সঘনে আহ-যাহ কৰোঁতে ৰজাৰ সদ্ভাব লাভ কৰিলে। ৰজাৰ লগত তেওঁৰ গোপন পীৰিতি পকি উঠিল। তেওঁলোক দুয়োৰো মাজত তেনেকৈ গঢ়ি উঠা গুপ্ত প্ৰণয়ৰ প্ৰতিচ্ছবি এটাকে ৰজাই ৰাধা-কৃষ্ণৰ প্ৰেম-লীলাত প্ৰতিভাত হোৱা দেখিবলৈ পালে আৰু তেতিয়াৰে পৰা ৰাধা-কৃষ্ণৰ ৰাসক্ৰীড়াৰ তেওঁ একান্ত ভক্ত হৈ পৰিল। তাৰেই ৰাগী লগাত ৰাধা-কৃষ্ণৰ প্ৰেম সম্পৰ্কীয় গীত এটা তেওঁ নিজেও ৰচনা কৰিছিল। তেওঁৰ ৰাজ-সভাত হিন্দু পণ্ডিতো আছিল বুলি গম পোৱা যায়, কিন্তু তেওঁলোকৰ বিষয়ে সবিশেষ জানিবৰ উপায় নাই।

চতুৰ্থজনা ৰজা মহাৰাজ ৰুদ্ৰসিংহ ৰাজপাটত নবহালৈকে অসমীয়া সাহিত্যই আহোম ৰজাসকলৰপৰা পোনপটীয়াকৈ লেখত লবলগীয়া একো দান পোৱা নাছিল। গদাধৰ সিংহৰ বৰপুত্ৰ লাইকোঁৱৰেই আহোম মতে চুক্ৰাংফা আৰু হিন্দু মতে ৰুদ্ৰসিংহ নাম লয (১৬৯৬-১৭১৪ খৃঃ)। মাজুলীৰ আউনীআটীয় গোঁসাইত তেওঁ শৰণ লয়। তেওঁ ভাৰত বিজয়ৰ অভিলাষ মনত লৈ তাৰ বাবে প্ৰস্তুত হৈছিল আৰু অকস্মাৎ মৃত্যুৰ মুখত পৰাত সেই সকলোবোৰ জল্পনা-কল্পনা হৈয়ে থাকিল। এই সংকল্পিত অভিযানৰ গুৰিত আছিল ঘাইকৈ দুটা কাৰণ। তীৰ্থ ভ্ৰমণ কৰিবলৈ পদব্ৰজে যোৱা অসমীযা লোকে বঙ্গদেশত মুছলমানৰ হাতত মাজে-সময়ে অশেষ লঘু লাঞ্ছনা ভুগিব লাগিছিল। গতিকে পোনতে অন্ততঃ বঙ্গদেশখন জয় কৰি তেনে বেমেজালিৰ বীজ মাৰি থোৱাই ভাল—এয়ে আছিল প্ৰথম কাৰণ। দ্বিতীয়তে, পশ্চিমীযা কীৰ্ত্তনীযা দলৰ আকৰ্ষণীয় নাম-কীৰ্ত্তন, কোচবিহাৰৰ ঘনশ্যাম কাৰিকৰকে আদি কৰি কাৰিকৰ কিছুমানৰ বিচক্ষণ কাৰিকৰী বিদ্যা, পশ্চিমীয়া পণ্ডিতসকলৰ চমৎকাৰ বাক্-চাতুৰ্য্য আদি দেখি-শুনি তেওঁ সেই ৰাজ্যবোৰ নিজৰ তলতীযা কৰি লবলৈ মনে মনে প্ৰবল অভিলাষ কৰিছিল। তেওঁৰ আমোলতেই পোন প্ৰথমে বঙ্গদেশীয কীৰ্ত্তনীয়া দলে কীৰ্ত্তন-ভাওনা আদিৰে অসমৰ ডা-ডাঙৰীযাসকলৰ মন জয কৰিবলৈ সুযোগ পায। কৃষ্ণৰাম ভট্টাচাৰ্য্য নামৰ এজন পশ্চিমীয়া পুৰোহিতক আনি তেওঁ শাক্ত ধৰ্ম্মত দীক্ষা গ্ৰহণ কৰিবলৈও মনস্থ কৰিছিল, কিন্তু পুৰোহিতজনৰ অভিমান দেখি সেই আশা ত্যাগ কৰিলে। সেইবুলি তেওঁ পুৰোহিতজনক দেশৰপৰা বিদাযো নিদিলে, তেওঁৰ পুতেকহঁতকে তেওঁত শৰণ লবলৈ তেওঁ অনুমতি দিলে। এই কৃষ্ণৰাম ভট্টাচাৰ্য্যই অসমত পৰ্ব্বতীয়া গোঁসাই নামে পিছত জনাজাত হয।

ৰুদ্ৰসিংহ ৰজা নিজে শাক্ত নহলেও শাক্তসকলক তেওঁ আদৰ

আৰু সন্মান কৰিছিল। তেওঁৰ দিনৰ পৰাই অসমত শক্তিপূজাৰ পুনৰোত্থান হয় আৰু বঙলুৱা কৃষ্টিয়ে কীৰ্ত্তন, যাত্ৰাভিনয় আদিৰ যোগেদি অসমত প্ৰৱেশ কৰি বৰ পীৰা পাৰি বহি লয়হি। ৰজাই ৰাজকীয়ভাৱে গৌড়ীয় কীৰ্ত্তনৰ দল আনি ৰাধা-কৃষ্ণৰ সঙ্গীতৰ জিল্‌মিল ধল এৰি দিয়াৰ উপৰিও পোনতে ৰজাঘৰীয়া দুৰ্গোৎসৱ পাতি আমোদ-প্ৰমোদ কৰে। তেতিয়াৰ পৰাই দুৰ্গোৎসৱ ৰজাঘাইজ সকলোৰে আকৰ্ষণীয় উৎসৱ হৈ পৰে।

ৰুদ্ৰসিংহ স্বৰ্গদেৱ যেনে পৰাক্ৰমী তেনে বিলাসীও আছিল। তেওঁ ইমান পৰিমাণে হিন্দু ভাবাপন্ন হৈছিল যে তেওঁৰ মৃত দেহটোও হিন্দু মতে কাঠসংস্কাৰ কৰিবলৈ আদেশ দি গৈছিল আৰু তাকে কৰা হৈছিল উত্তৰ-গুৱাহাটীৰ মণিকৰ্ণেশ্বৰ পাহাৰৰ ওচৰত। তেওঁৰ ৰাণী আছিল চাৰিগৰাকী আৰু পুত্ৰও পাঁচজনা। হিন্দু পণ্ডিতসকলক তেওঁ শ্ৰদ্ধা কৰিছিল আৰু ৰাজসভাত উপযুক্ত স্থান দিছিল।

ৰজা ৰুদ্ৰসিংহৰ বৰপুত্ৰ শিৱসিংহ, আহোমমতে চুতংফা (১৭১৪-১৭৪৪ খৃং)। তেওঁৰ মুখ্য পটেশ্বৰী ফুলেশ্বৰী কুঁৱৰী। এওঁলোকৰ দিনতে অসমত শাক্ত ধৰ্ম্মই প্ৰবলভাৱে গা কৰি আছে। এসময়ৰ বিখ্যাত নাচনী গাভৰু ফুলমতীয়েই গৈ ৰাজ-অনুগ্ৰহ লভি ফুলেশ্বৰী কুঁৱৰী হ'ল। তেওঁৰ ৰূপ-গুণ আৰু কৰ্ম্ম-নিপুণতাত ৰজা তেনেই বশীভূত হ'ল আৰু তেওঁৰ হাতৰ পুতলা স্বৰূপ হৈ পৰিল।

শিৱসিংহ ৰজাই ব্ৰাহ্মণ আৰু দৈৱজ্ঞসকলক বৰকৈ মানিছিল। গণনা কৰি ৰাজ-দৈৱজ্ঞই যেতিয়া তেওঁৰ ছত্ৰভঙ্গ যোগ উপস্থিত হোৱা বুলি কলে তেতিয়া তেওঁ বিনা-বাক্যব্যয়ে ৰাজসিংহাসন বৰজনা ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ হাতত সমৰ্পণ কৰিলে।

এইজনা কুঁৱৰীক ফুলেশ্বৰী, প্ৰমথেশ্বৰী আৰু বৰজনা—এই তিনিও নামত জনা গৈছিল। বহুত দিনলৈ তেওঁ নিঃসন্তান আছিল। পিছত এটা মৃত-সন্তান প্ৰসৱ কৰি সেই প্ৰসৱ

বেদনাতে তেওঁ স্বৰ্গী হয়। তেতিয়া তেওঁৰ ভগিনীক ৰজা শিৱসিংহই বিয়া কৰাই আনি সৰ্ব্বেশ্বৰী নাম দি ৰাণী পাতে। তেৰোঁ অলপ দিনৰ পিছতে স্বৰ্গী হোৱাত সলাল বৰগোহাইৰ ছুহিতৃ কালুগঞা বৰপাত্ৰৰ ঘৈণীয়েকৰ ওপৰত ৰজাৰ চকু পৰে আৰু ৰজাই ছুই-চাৰিজন বিষয়া আৰু বন্ধু-বান্ধৱৰ লগত আলচ কৰি তেওঁকে আনি ৰাণী পাতি সিংহাসনত বহুৱায়। ৰাণী হৈ এইজনা মহিলাই মদাম্বিকা নাম লয়।

তেওঁৰ পাছত ৰাজেশ্বৰ সিংহ (১৭৫১-৬৯ খৃঃ), কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০ খৃঃ) আৰু চন্দ্ৰকান্ত সিংহ (১৮১০-১৮১৮ খৃঃ) আদি ৰজাসকলেও হিন্দুধৰ্ম্ম আৰু অসমীয়া সাহিত্যৰ উন্নতিৰ হকে যত্ন কৰিছিল।

শিৱসিংহ ৰজাই নিজে গীত ৰচনা কৰিছিল। ওজাপালিৰ মালঞ্চি গীতত আজিও শিৱসিংহৰ ভণিতা থকা অনেক গীত পোৱা যায়। এই ছুজনা ৰজা-ৰাণী ভোগ-বিলাসৰ চূড়ান্তত উঠিছিল। তেওঁলোকৰ দিনতে বিহু উৎসব পোনতে ৰাজ-ভড়ালৰ খৰচত ৰাজহুৱাভাৱে পতা হয়। ছুৰ্গোৎসৱ আৰু বিহু এই ছুয়োটা উৎসৱে এই ছুজনা ৰজা-ৰাণীৰ পৃষ্ঠপোষকতাত অসমত আদৰ আৰু বিস্তৃতি লাভ কৰে। এইবোৰত বাহিৰেও অসমীযা গীত, কাব্য আদিৰ কাৰণে তেওঁলোকে কবিসকলক যি প্ৰেৰণা আৰু অৰ্থসাহায্য দান কৰিছিল তাৰেই ফলত অসমীযা সাহিত্যই নতুন ৰূপ লবলৈ সুবিধা পাইছিল। ৰামনাৰায়ণ বা কবিৰাজ চক্ৰবৰ্ত্তী মহাৰাজ ৰুদ্ৰসিংহৰ গুৰু আছিল। ৰজা শিৱসিংহ আৰু ফুলেশ্বৰী কুঁৱৰীৰ ৰাজত্ব কালতো তেওঁ ৰাজকবি আছিল। এই ছুজনা ৰজা-ৰাণীৰ উৎসাহ আৰু অনুগ্ৰহ লাভ কৰি তেওঁ শকুন্তলা, শঙ্খচূড় বধ আদি আদিৰসাত্মক কাব্যসমূহ ৰচনা কৰিবলৈ সমৰ্থ হৈছিল।

কবিসকল যেতিয়া ৰাজ অনুগ্ৰহ-প্ৰাৰ্থী হয় তেতিয়া তেওঁলোক দাতাৰ সন্তুষ্টি সাধনৰ কাৰণে তৎপৰ হবলৈ বাধ্য হয়। বিলাসপ্ৰিয়

ৰজা-ৰাণীক তেওঁলোকৰ মনস্তুষ্টি সাধন কৰা কাব্য ৰচনা কৰি দিয়া ৰাজসভাৰ কৱিৰ এটা নিৰ্দ্দিষ্ট কৰ্ত্তব্য হৈ পৰে। এনেবোৰ কাৰণতে বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত পাতল প্ৰেমে, মৌখিক সাহিত্যত প্ৰাধান্য লভাৰ দৰে, প্ৰাধান্য লভিছিল। আলোচ্য বিষয়ৰ বিস্তৃতি আৰু বৈচিত্ৰ্যৰ ফালৰ পৰাও এই যুগটো নতুনত্বৰ বিশাল ৰাজ্যলৈ এটি বিশেষ পদক্ষেপ স্বৰূপ।

কাব্য, সঙ্গীত, চিত্ৰবিদ্যা, ভাস্কৰ্য্যাদি বিবিধ কলাসমূহ বিলাসৰ সামগ্ৰী। ঐশ্বৰ্য্যৰ প্ৰাচুৰ্য্যৰ লগত বিলাসৰ নিকটতম সম্বন্ধ। গতিকে ৰজা আৰু ধনী ডা-ডাঙৰীয়াসকলৰ চিত্ত-বিনোদনৰ স্পৃহা যেনেকুৱা হয় সেই সময়ৰ কলা, সাহিত্য আদিয়ে সেইপিনে গতি কৰে, কাৰণ এই শ্ৰেণীৰ লোকসকলৰ চিত্ত-বিনোদন তৎকালীন কলা আৰু সাহিত্যৰ এটা লক্ষ্য স্বৰূপ হৈ পৰে। আহোম শাসনৰ শেষ ভাগতো সেয়ে হৈ পৰিছিল আৰু বিলাসী, ভোগাসক্ত, কামুক ৰজাসকলৰ ভোগৰ সামগ্ৰী হিচাপে ৰচিত হৈছিল এক শ্ৰেণীৰ ৰসপ্ৰধান সাহিত্য।

সভ্যতাৰ আদিম অৱস্থাৰপৰা অন্ততঃ মধ্য যুগলৈকে ৰাজশক্তি বা ক্ষমতাৰ প্ৰয়োগ হৈছিল মূলতঃ তিনিটা উদ্দেশ্যত : যশস্যাৰ স্পৃহা, ধন-ৰত্নাদি ঐশ্বৰ্য্য লাভ আৰু নাৰীৰত্ন লাভ। টাইমুৰ, জেঙ্গিছ্‌খাঁ আদি বীৰসকলে ৰাজ্যৰ পিছত ৰাজ্য জয় কৰিছিল ধন-ৰত্ন লুণ্ঠনৰ কাৰণে : ৰাজ্য বিস্তাৰতো তেওঁলোকৰ অভিলাষ নাছিল। মহাৰাজ অশোক, আকবৰ আদি ৰজাসকলে ৰাজ্য-বিস্তাৰ কৰিছিল যশস্যাৰ কাৰণে। তাহানিৰ ৰাৱণ, নৰকাসুৰ, পেৰিচ আদিৰে পৰা সিদ্দিনাৰ আলাউদ্দিন খিলিজিলৈকে এক শ্ৰেণীৰ ৰজাসকলৰ যুদ্ধ-লিপ্সাৰ মুখ্য কাৰণ আছিল নাৰীৰত্ন লাভ। স্বীকাৰ কৰিব লাগিব যে ধনৰত্ন আৰু নাৰীৰত্ন—এই দুয়োটা বস্তুৱে অতীতত বিবদমান শক্তিসমূহৰ মাজত মিত্ৰতা স্থাপনবো প্ৰধান সমল স্বৰূপ হৈ আহিছে। ভগদত্তৰ কন্যা ভানুমতীৰ

লগত দুৰ্য্যোধনৰ, চিত্ৰাঙ্গদা উলুপীৰ লগত মহাবীৰ অৰ্জ্জুনৰ, হিডিম্বাৰ লগত ভীমৰ, উষাৰ লগত অনিৰুদ্ধৰ, ৰমণীগাভৰুৰ লগত আউৰংজেবৰ যি মিলন হৈছিল সেই মিলনৰ উদ্দেশ্য বা লক্ষ্য আছিল সন্ধি বা মিত্ৰতা স্থাপন। যুগ যুগ ধৰি নাৰী যুদ্ধ আৰু বিবাদৰ হেতু হোৱাৰ লগে লগে শান্তি আৰু মৈত্ৰীৰো প্ৰতীক স্বৰূপ হৈ আহিছে। আহোম ৰজাসকলে নিজৰ লগত আহোম ৰমণী লৈ অহা হলে আহোম ৰজাসকলৰ শাসন-ব্যৱস্থা হয়তো বহুত পৰিমাণে অন্য ধৰণৰ হ'লহেঁতেন। অসমীয়া নাৰীৰ সাহচৰ্য্য আৰু দিহা-পৰামৰ্শই নিশ্চয় আহোম ৰজাসকলক অকল গাৰ্হস্থ্য জীৱনতে নহয়, ৰাজকাৰ্য্য পৰিচালনাৰ গুৰুভাৰ বহন কৰাতো যথেষ্ট সহায় কৰিছিল। হব পাৰে অসমীয়া ৰমণীৰ সন্মোহনীত পৰিযে, চাৰ্কাচৰ ক্ৰুদ্ধ, বন্য, হিংস্ৰ সিংহযো আফিঙৰ গোন্ধ পাই শান্তৰূপ ধৰাৰ দৰে, যুঁজাৰু প্ৰকৃতিৰ আহোম ৰজাসকলো তেনেই তিৰোতা-সেকৰা হৈ পৰিছিল। সি যিয়ে হওক, তেওঁলোকৰ সেই ইন্দ্ৰিয়-পৰায়ণতা প্ৰকাশ পাইছিল সেই যুগৰ গীত, ভাওনা, সাহিত্য আদি বিষয় সমূহত। সেযেহে মহাৰাজ ৰুদ্ৰসিংহক সন্তুষ্ট কৰিবলৈ কবিৰাজ চক্ৰবৰ্ত্তীয়ে জয়দেৱৰ প্ৰেম-কাব্য 'গীত-গোবিন্দ' অসমীয়ালৈ তৰ্জ্জমা কৰিছিল। সেই সময়ত ভক্তিৰসৰ উৎস শ্ৰীমদ্ভাগৱতৰ স্থান অধিকাৰ কৰিছিল শৃঙ্গাৰ ৰসপূৰ্ণ সাহিত্য ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণে। পৰিবৰ্ত্তনৰ সোঁতে কোন পিনেদি গতি লৈছিল এইবোৰেই তাৰ একোটা স্পষ্ট ইঙ্গিত দাঙি ধৰে।

বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস

(কৱিৰাজ চক্ৰবৰ্ত্তীৰ কাব্য)

(২)

আগতে উল্লেখ কৰা হৈছে যে বৈষ্ণৱোত্তৰ যুগৰ ভাগৱত হৈ পৰিছিল ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, অৰ্থাৎ বৈষ্ণৱ কৱিসকলে যিদৰে শ্ৰীমদ্ভাগৱতকে মূল গ্ৰন্থ হিচাপে লৈ তাৰপৰা বিভিন্ন প্ৰকাৰৰ সাহিত্য ৰচনা কৰিবলৈ সমল সংগ্ৰহ কৰিছিল, বৈষ্ণৱোত্তৰ যুগৰ কৱিসকলেও ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰপৰা তাকে কৰিছিল। সেইবাবে যি ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণে বৈষ্ণৱ যুগত এবাৰো উল্লেখযোগ্যভাৱে অনুবাদৰ সন্মান লাভ নকৰিলে, তাক আহোম ৰজাসকলৰ যুগৰ কৱিসকলে একাধিকবাৰ অনুবাদৰ বাবে হাতত লৈছিল আৰু তেনেকৈ অন্ততঃ পাঁচজনা কৱিয়ে তাৰ কৃষ্ণজন্ম খণ্ডকেই অনুবাদ কৰিছিল। বিশেষ মন কৰিবলগীয়া কথা এই যে তাকে কৰোঁতেও প্ৰত্যেক কৱিয়ে জোৰ দিছিল পুৰাণৰ শৃঙ্গাৰ ৰসাত্মক বিষয়বোৰতহে। গোপী-কৃষ্ণৰ ৰাস-লীলা, ৰাধা-কৃষ্ণৰ প্ৰেম-বিলাস, তুলসীৰ সতীত্ব-হৰণ, এনেবোৰ কামোদ্মেষক কথা কৱিসকলৰ চৰ্চ্চা আৰু ৰচনাৰ বিষয়-বস্তু হৈ পৰিছিল। ইয়াৰ প্ৰধান কাৰণ আছিল—বিলাসী ৰজা আৰু ৰজা-ঘৰৰ বিষয়-বৰীয়াসকলৰ এইবোৰৰ প্ৰতি প্ৰবল অনুৰাগ। তেওঁলোকে কৱিসকলক তেনেবোৰ বিষয়ৰ চৰ্চ্চাত উদ্‌গণি দিছিল। এই যুগৰ শ্ৰেষ্ঠ আৰু প্ৰতিভূ কৱি আছিল কৱিৰাজ- চক্ৰবৰ্ত্তী। আগতে উল্লেখ কৰা মতে তেওঁ ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ফুলেশ্বৰী কুঁৱৰী, এই তিনিওজনা ৰজা-ৰাণীৰ চাউল খাইছিল।

বৈষ্ণৱ যুগৰ কৱিসকলে পুৰাণ, ভাগৱত আদিৰপৰা ক্ষুদ্ৰ বিষয়-বস্তু একোটা লৈ তাতে কল্পনাৰ ৰহণ সানি বৈষ্ণৱী ভাবৰ নানা কথা সংযোগ কৰাৰ দৰে এই যুগৰ কৱিসকলেও মহাভাৰত, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আদিৰপৰা মূল কাহিনী বাছি লৈ ৰুচি অনুসাৰে শৃঙ্গাৰ ৰসপূৰ্ণ সাহিত্য ৰচিছিল। শঙ্খচূড় বধ, শকুন্তলা কাব্য, হৰিবংশ আদি কাব্যবোৰেই তাৰ প্ৰমাণ। প্ৰথমে কৱিৰাজ চক্ৰবৰ্ত্তীৰ শকুন্তলা কাব্যৰ কথাকে লোৱা যাওক।

'শকুন্তলা' কাব্যত কৱিয়ে স্বীকাৰ কৰিছে যে ৰজা শিৱসিংহ আৰু তেওঁৰ গুণৱতী মহিষী ফুলেশ্বৰী কুঁৱৰীৰ আদেশ শিৰত লৈ তেওঁ এই কাব্য ৰচনাত প্ৰবৃত্ত হৈছিল আৰু তাকে কৰোঁতে তেওঁৰ মূল অৱলম্বন আছিল মহাভাৰতৰ আদিপৰ্ব্ব।

আদিপৰ্ব্ব ভাৰতক কৰিয়া বিচাৰ।
দুষ্মন্ত চৰিত্ৰ পদ কৰিবো প্ৰচাৰ॥

কৱিয়ে তেওঁৰ কাব্যৰ মূল বা উৎস মহাভাৰতৰ আদিপৰ্ব্ব বুলি উল্লেখ কৰিছে যদিও তাত কিন্তু তেওঁ মহাভাৰতৰ বাহিৰৰ অনেক কথা ইচ্ছামতে সংযোগ কৰিছে। অকল সেয়ে নহয়, ঘটনাৰ ক্ৰম নিৰ্দ্ধাৰণতো ব্যাসদেৱতকৈ কালিদাসকহে অধিক পৰিমাণে অনুসৰণ কৰিছে। যথাৰ্থতে কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' কাব্যহে তেওঁৰ অৱলম্বন আছিল আৰু তাতো সন্তুষ্ট থাকিব নোৱাৰি নতুনকৈ তেওঁ কামকলাৰ আখ্যান নামৰ মনোহৰ আখ্যান এটা তাত প্ৰসঙ্গক্ৰমে সন্নিবিষ্ট কৰিছে। এই আখ্যান, আমি জনাত, কোনো পুৰাণ-ভাগৱতৰ আখ্যান নহয়, ই কৱিৰ মনগঢ়া আখ্যান। বধ-কাব্যৰ বিখ্যাত বৈষ্ণৱ কবি ৰামসৰস্বতীয়ে বিষয়বস্তুত স্বেচ্ছাই নতুন আখ্যান সংযোগ কৰাৰ দৰে কৱিৰাজ চক্ৰবৰ্ত্তীয়েও কামকলাৰ আখ্যান গৰ্গমুনিৰ মুখেদি ব্যক্ত কৰিছে আৰু তাকো সম্পূৰ্ণৰূপে বিশ্বাসযোগ্য কৰিবৰ অৰ্থে ৰজা দুষ্মন্তৰ

আগত দৃষ্টান্তৰ ছলেৰেহে এই আখ্যান মুনিয়ে ব্যক্ত কৰিছিল বুলিছে। দুষ্মন্ত ৰজাই নিজ নাম অঙ্কিত থকা আঙঠিটো হাতত তুলি লোৱা মাত্রকে অতীতৰ সকলো স্মৃতি তেওঁৰ মনলৈ আহিছিল। শকুন্তলাৰ স্মৃতি মনলৈ অহাত তেওঁ 'বিষকাণ্ড ঘাৱে যেন মৃগ অচেতন' হোৱাৰ দৰে হ'ল। শেষত গালৱ, গৰ্গ, গৌতম, বিশ্বামিত্র আদি ঋষিসকলে আহি তেওঁক সান্ত্বনা দিবলৈ ধৰিলে। তেওঁলোকৰ কোনোৱে তেওঁক নল-দময়ন্তীৰ, কোনোৱে ৰাম-সীতাৰ বিৰহৰ কাহিনী শুনালে। শেষত গৰ্গ মুনিয়ে তেওঁক কামকলাৰ কাহিনী শুনায়—

চন্দ্রকেতু নামে এক নৃপতি আছিল।
কামকলা নামে কন্যা বিবাহ কৰিল॥ ৪৮৯॥
কন্যাক লগত লৈযা দেশক আসিতে।
পথত বিচ্ছেদ হৈল কন্যায়ে সহিতে॥
অন্যো অন্য বহু দুখ পাইল দুই জন।
শুক পক্ষীহস্তে হৈল দুহানো মিলন॥ ৪৯০॥

ৰজাই এই কাহিনী আগতে ক'তো কোনো দিন শুনা নাছিল। সেইবাবে কাহিনীটো শুনিবলৈ তেওঁৰ মন গ'ল। তেওঁ মুনিক কলে—

কেনমতে কামকলা বিবাহ কৰিল।
কহিয়োক মুনি কেনে বিচ্ছেদ হইল॥

গৰ্গ মুনিযে তেতিযা কামকলা-চন্দ্রকেতুৰ কাহিনী ৰজাক কৈ শুনায়।

ৰত্নাৱলীপুৰ নামে ৰাজ্যৰ ৰজা আছিল চন্দ্রকেতু। এদিন তেওঁ ভদ্রাৱতী নগৰৰ ৰূপৱতী ৰাজকন্যা চন্দ্রকলাক সপোনত দেখিলে। সাৰ পাই ৰজা চঞ্চল হৈ উঠিল আৰু চন্দ্রকলাক কেনেকৈ দিঠকত দেখা পায় আৰু পত্নীৰূপে লাভ কৰিব পাৰে তাৰ বাবে ব্যগ্র হৈ পৰিল।

ৰাত্রি দিন বোধ নাই উন্মত্ত সমান।
কামকলা ৰূপ বিনে মনে নাহি আন॥

কুল-পুৰোহিত ঋষ্যশৃঙ্গে তেতিয়া তেওঁক কলে যে মৃগয়া কৰিবলৈ গলে অৰণ্যত তেওঁ শুকপক্ষী এটা লগ পাব আৰু সেই পক্ষীৰ সহায়ত তেওঁৰ কামকলা সুন্দৰী লাভ সম্ভৱ হব।

ৰজা মৃগয়ালৈ গ'ল। ৰাতি অৰণ্যত শুই থাকোঁতে তেওঁ এহাল চৰাইৰ মাজত হোৱা কথোপকথন শুনিলে। মতাটোৱে নতুনকৈ গৰ্ভ ধাৰণ কৰা মাইকীজনীক সুধিছে—'প্রিয়ে, তোমাৰ কি খাবৰ মন গৈছে?' উত্তৰত পখিনীয়ে মধু খাবলৈ মন গৈছে বোলাত মতাটোৱে কলে যে সি ৰাতিপুৱা ভদ্ৰাৱতীপুৰলৈ গৈ মধু আনি দিব। লগতে ইযাকো কলে যে ভদ্ৰাৱতীপুৰৰ কামকলা নামে ৰাজকুমাৰীয়ে চন্দ্ৰকেতু ৰজাক পতি পাবৰ কাৰণে নিতৌ হাবিৰ মাজত মধুৰে হৰ-গৌৰীক পূজা কৰে আৰু সেই মধু সি সহজে আনি দিব পাৰিব।

ৰজাই এই কথা-বতৰাবোৰ শুনি আছিল। পিছদিনা দোক-মোকালিতে যত্নেৰে তেওঁ পখীটোক ধৰিলে আৰু তেৰেঁই চন্দ্ৰকেতু ৰজা বুলি চিনাকি দি কামকলা কুঁৱৰীৰ বাৰ্ত্তা আনি দিবলৈ খাটনি ধৰিলে।

শুকপক্ষী উৰি গ'ল আৰু দুদিনৰ মূৰত ভদ্ৰাৱতী নগৰ পাই ছেগ বুজি ৰাজকুমাৰী চন্দ্ৰকলাক চন্দ্ৰকেতু ৰজাৰ বাতৰি দিলেগৈ। সেই সময়ত কুঁৱৰী কামকলাযো সপোনত চন্দ্ৰকেতু ৰজাক পাই সচিততো তেওঁক পতি পাবৰ কাৰণে হৰ-গৌৰীৰ ব্ৰত পালন কৰিছিল। ৰাজকুমাৰীয়ে শুকপক্ষীক পাই হাততে স্বৰ্গ ঢুকি পোৱা দি পালে আৰু ৰজা চন্দ্ৰকেতুক আনি দিবলৈ পক্ষীক দহোকুৰি খাটিলে। তেওঁ তেতিয়াই মাককো তেওঁৰ স্বয়ম্বৰ পাতিবলৈ কলে।

যথাসময়ত ৰজা চন্দ্ৰকেতু আহিল আৰু কামকলাই তেওঁক

স্বয়ম্বৰ সভাত পতিবৰণ কৰি বৰমাল্য প্ৰদান কৰিলে। কামকলা ৰাজকুমাৰীৰ হৰ-গৌৰী ব্ৰত পূৰ্ণ হবলৈ তেতিয়াও আৰু এবছৰ বাকী আছিল। সেই হেতুকে তেওঁ যাতে খণ্ডব্ৰতা নহয় তাৰ বাবে ৰজা চন্দ্ৰকেতুকো তেওঁৰ লগতে এবছৰ ভদ্ৰানগৰত থাকিবলৈ খাটিলে। ৰজা মান্তি হ'ল আৰু সৈন্য-সামন্ত সকলো পঠিয়াই দি তেওঁ ভদ্ৰা নগৰতে পত্নীৰ লগত থাকিল।

ব্ৰত পূৰ্ণ হ'লত ৰজা কামকলাক লৈ নিজ ৰাজ্যলৈ উভতিল। বাটত গৈ থাকোঁতে হাবিৰ মাজত অকস্মাৎ এটা কাঞ্চন-মৃগ কামকলাৰ চকুত পৰিল। তাহানিৰ সীতাৰ দৰে তেওঁ ৰজা চন্দ্ৰকেতুক সেই হৰিণটো ধৰি আনি দিবলৈ কাকুতি কৰিলে। ৰজা সোণৰ হৰিণৰ পাছে পাছে গ'ল, কিন্তু তাক ধৰিব নোৱাৰিলে। মাৰিবলৈ বুলি ধনুত শৰ যুৰিলত তাৰে হৰিণ তাতে অন্তৰ্দ্ধান হ'ল। দুখমনে ৰজা উভতিল। উভতি আহি তেওঁ কামকলাকো বিচাৰি নাপালে। কান্দি-কাটি কামকলাক বিচাৰি দিনটো কটাই ৰাতি সেই অৰণ্যৰ গছ এজোপাত ঘোঁৰাটো বান্ধি থলে আৰু গছৰ ডালতে ৰাতিটো কটালে। এনে দুৰ্ভাগ্য, ৰাতি তেওঁৰ ঘোঁৰাটোকো বাঘে খালে। একেই কামকলাৰ বিৰহ, তাতে এনে দুৰ্যোগ। ৰজা তেনেই বাতুলৰ দৰে হ'ল আৰু ভিখাৰীৰ বেশে অনাই-বনাই ফুৰিবলৈ ধৰিলে।

ইফালে কামকলাযো তেনেকৈ স্বামীৰ কাৰণে বাট চাই চাই স্বামী-বিৰহত অত্যন্ত কাতৰ হৈ নিজৰ দোষতে তেনে হ'ল বুলি ভাবি জুইত জাপ দি পুৰি মৰিবলৈ স্থিৰ কৰিলে। সকলো ঠিক-ঠাক কৰি তেওঁ জ্বলি থকা চিতাত আৰোহণ কৰিব খোজোতেই দৈববাণী হ'ল যে এবছৰৰ ভিতৰতে ৰজাৰ লগত মণিপুৰ ৰাজ্যত তেওঁৰ মিলন হব—মৰাৰ প্ৰয়োজন নাই। ৰাজকুমাৰী মণিপুৰ পালেগৈ।

ৰজাই পুনঃ শুকপক্ষীৰ সহায় ললে আৰু অনাই-বনাই ফুৰোতে সুদীৰ্ঘ এবছৰৰ অন্তত মণিপুৰ ৰাজ্যৰ কোনো এক মালিনীৰ ঘৰত

পত্নী কামকলাৰ লগত তেওঁৰ মিলন হ'ল। কামকলাক লৈ তেওঁ নিজৰাজ্য ৰত্নাৱলীপুৰ পালেগৈ আৰু তাত বাৰ বছৰ সুখেৰে ৰাজত্ব কৰি স্বৰ্গী হ'ল।

চন্দ্ৰকেতু-কামকলা হেনো পূৰ্ব্ব জন্মত বিদ্যাধৰ-বিদ্যাধৰী আছিল। স্বৰ্গত নৃত্য-গীত কৰি থাকোঁতে এদিন দুয়োৰো অকস্মাৎ তাল ভঙ্গ হৈছিল। দেৱৰাজ ইন্দ্ৰে তেতিয়া জানিব পাৰিলে যে সিহঁত দুযোৰো মাজত থকা গুপ্ত প্ৰণযৰ দুৰ্ব্বাৰ আকৰ্ষণেই সেই ভ্ৰমৰ কাৰণ। তেওঁ তেতিয়া দুয়োৰো ওপৰত ক্ৰুদ্ধ হৈ দুযোকো মৰতত মানুহ জনম লবলৈ অভিশাপ দিলে। দুযোৰো গাত তেতিয়াহে ভালকৈ চেতনা আহিল। দুযো তেতিয়া শোকাকুল হৈ কান্দি কান্দি অভিশাপৰপৰা মুক্তি দিবলৈ দেৱৰাজক খাটিলে। তাতে ইন্দ্ৰৰ অন্তৰত কৰুণাৰ উদ্ৰেক হ'ল আৰু তেওঁ তেওঁলোকক কলে যে পৃথিবীলৈ তেওঁলোক যাবই লাগিব, কিন্তু তাত সুদীৰ্ঘ এটি বছৰ মিলনসুখ ভোগ কৰাৰ পিছত পুনঃ এবছৰ বিৰহত ভুগিব আৰু তাৰ অন্তত পুনৰ বাৰ বছৰ মিলন সুখ ভোগ কৰি শাপমুক্ত হৈ স্বৰ্গলৈ উভতিব পাৰিব। বাৰ বছৰৰ মূৰত সেই বাবেই চন্দ্ৰকেতু-কামকলা পুনঃ বিদ্যাধৰ-বিদ্যাধৰী হৈ স্বৰ্গলৈ উভতিছিল।

এই ঘটনা কোনো পুৰাণ বা উপপুৰাণৰ কাহিনী নহয, ই কৱিৰ কল্পনা-প্ৰসূত কাহিনীহে। ইযাৰ আলমত কৱিযে প্ৰেমৰ আকৰ্ষণ, বিৰহৰ ছাটিফুটি, মিলনৰ আকাঙ্ক্ষা আদি প্ৰণযৰ বিবিধ অৱস্থা সৰস কৰি বৰ্ণাবলৈ সুযোগ লভিছে। বিৰহৰ বাৰটি মাহত, কন্যা-বাৰমাহীৰ দৰে, বিৰহী মনৰ ওপৰত থকা নানা ঋতুৰ প্ৰভাৱ ইয়াৰ মাজেদি প্ৰকট কৰি তোলা হৈছে। উদাহৰণ স্বৰূপে— যেনে,

এহিতো বৈশাখ মাসে প্ৰাণনাথ সমে।
মই অভাগীৰ দেখা হইল প্ৰথমে॥
অনিমেষ ভৈল আখি নিৰেখিযা মোক।
অঙ্গ পৰশতে নষ্ট ভৈল সৰ্ব্বশোক॥

সেহিসে বৈশাখ মাস বিপৰীত আজি।
তথাপি জীৱন্তে আছোঁ কেমতে নিলাজী ॥

* * *

জ্যৈষ্ঠ মাসে নিদাঘত প্ৰচণ্ড দিনেশ।
প্ৰভু সমে জলক্ৰীড়া কৰিলোঁ বিশেষ ॥
বিকসিত কুসুমত ভ্ৰমৰৰ ধ্বনি।
অনঙ্গ তৰঙ্গ ৰঙ্গ দিবস ৰজনী ॥

তেনেকৈ পুহত—

হেমন্তৰ শেষ মাসে ৰজনী গহন।
প্ৰভু সমে তিলেকাতে কৰিলোঁ শয়ন ॥
বিবিধ বিহাৰ ৰসে আনন্দিত মন।
পুহাৱে ৰজনী দেখো যেন এক ক্ষণ ॥
সেহিতো পৌষত আজি মই অভাগিনী।
যোগী হেন গৱাইছো একলে যামিনী।
ৰাত্ৰি দিনে ভূমিত শয়ন অনুক্ষণ।
পৌষতো শীতল দেখো নোহে মোৰ মন ॥

মাঘ মাহত—

মাঘমাসে হিমকৰ হিম বৰিষণে।
অধিকে সন্তোষ বাঢে সিবেলাত মনে ॥
দুই তনু এক হয় কৰন্তে শয়ন।
স্তন স্পৰ্শে নৃপতিৰ সন্তোষিত মন ॥ ইত্যাদি।

এনেকৈ এইহজাৰ তিনি কুৰি পদৰ ভিতৰত ৫০৯ পদৰপৰা ৯৩২ পদ পৰ্য্যন্ত চাৰিশ একুৰি তিনিটা পদ বা মুঠতে সমুদায় কাব্যখনৰ প্ৰায় অৰ্দ্ধেক পদ কামকলাৰ আখ্যানেই আগুৰি আছে। মাজে মাজে নাৰীৰ ৰূপবৰ্ণনাত কৱিয়ে পাঠকক উল্লাসিত কৰিবলৈ গৈ নিজেও বিশেষভাৱে উৎসাহিত হোৱা যেন লাগে।

উদাহৰণবোৰ চিৰাচৰিত ধৰণৰ হলেও তাত দৃষ্টিভঙ্গীৰ নতুনত্ব আছে। যুৱতী কামকলাৰ ৰূপৰ বৰ্ণনা দি কৰিয়ে কৈছে যে কামকলা টোপনিত নপৰালৈকে আকাশত চন্দ্ৰৰো উদয় নহয়ঃ চন্দ্ৰযো নিজে ৰূপত হীন যেন ভাবি মেঘৰ আঁৰত লুকাই থাকে। কামকলাৰ ওঁঠৰ বৰণ দেখি বিম্বফলে (কোৱাভাতুৰীয়ে) লাজতে গৈ অৰণ্যত থাকিবলৈ ললে, তাতো বেচেৰাৰ মনত শান্তি নাই, কামকলাৰ ওঁঠৰ বৰণৰ কথা ভাবি ভাবি থাকোঁতেই নিজৰ অন্তৰ ফাটি যায় আৰু বাহিৰৰ গাটোতো সেই ফাট দেখা দিয়ে, আৰু—

নাসিকাৰ সুঠান দেখিয়া তিল-ফুল।
সৰিয়া পৰয় হুয়া লজ্জায়ে আকুল॥

* * *

ডাৰিম্বৰ ফলে কুচ যুগক দেখিলা।
অধোমুখ হুযা বহু তপ আচৰিলা॥
সমান হইতে নপাৰিলা কদাচিত।
ক্ৰোধে অঙ্গ ফাটি সৰি পৰয় ভূমিত॥

আৰু—

ক্ষীণ কটি দেখিয়া সিংহ গিৰি প্ৰৱেশিল।
বাহুক দেখিযা জলে মৃণাল মজিল॥
উৰু দেখি ৰামকল গৈল বনমাজ।
চক্ষুৰ ভঙ্গিমা দেখি মৃগী পায লাজ॥ ইত্যাদি।

এইদৰে কামকলা-চন্দ্ৰকেতুৰ মিলন-বিৰহৰ ঘটনাকে লৈ ৰচিত হোৱা উপাখ্যানটোক শকুন্তলা কাব্যৰ ভিতৰৰে এখন উপকাব্যৰূপে গণ্য কৰা যায়। পণ্ডিত বিষ্ণুশৰ্ম্মাই অমৰশক্তি ৰজাৰ পুত্ৰসকলক উদাহৰণৰ ছলেৰে বুজাবলৈ প্ৰত্যেক বিষয়তে একোটা গল্প কৰলগীয়া হোৱাত সেই গল্পবোৰৰ প্ৰত্যেকে একোটা স্বয়ংসম্পূৰ্ণ কাহিনী হোৱাৰ দৰে কামকলাৰ উপাখ্যানো এটা স্বয়ংসম্পূৰ্ণ

আখ্যান হৈ পৰিছে। কৱিয়ে তাৰ মাজেদি এখন উপকাব্য ৰচনাৰ পৰিকল্পনা মনত ৰাখিছিল বুলিলেও ভুল নহব। মধুযামিনীৰ স্বপ্নত ৰজা চন্দ্ৰকেতুৱে 'অপূৰ্ব্ব-সুন্দৰী' কামকলাৰ লগত মদনসুখ উপভোগ কৰি থাকি দিঠকত তাৰপৰা হঠাৎ বঞ্চিত হোৱাৰ বৰ্ণনা দিবলৈ গৈ কৱিয়ে কৈছে—

ক্ষুধিত ভ্ৰমৰ যেন বেলা অৱসানে।
মধুপান হেতু গৈল পদ্মবন স্থানে॥
সেহি বেলা নিশা হৈলা মুদিত কমল।
তৃপিতি নাহৈল অলি হৈল যে বিকল॥

ইয়াৰ উপৰিও শুকপক্ষীয়ে ৰজাৰ হাতত বন্দী হৈ প্ৰাণৰ কাতৰত ৰজাক কাকূতি কৰোঁতে প্ৰাণী-হিংসা কেনে অধৰ্ম্মৰ কাম একাধিক উদাহৰণেৰে তাৰ বহল বৰ্ণনা দিছিল। এই প্ৰসঙ্গত শুকপক্ষীয়ে— নিষ্ঠুৰ লোক এজনেও কেনেকৈ এদিন চক্ৰবাক-চক্ৰবাকী এহালিক এৰি দিছিল তাৰ কৰুণ আখ্যান এটিও শুনাইছিল। সিও এটা সকৰুণ উপাখ্যান। তাতেই চক্ৰবাক-চক্ৰবাকীয়ে নিশা একেলগে বাহত নাথাকে কিয় তাৰো ঐতিহ্য দিয়া আছে—

পূৰ্ব্বকালে শাপ দিলা কমল-লোচনে।
জন্মাৱধি ৰাত্ৰিত বিৰহ ইকাৰণে॥ ইত্যাদি।

এনেধৰণৰ বৰ্ণনাৰে ভৰপূৰ কামকলাৰ কাহিনীত বাহিৰেও মূল মহাভাৰত নাইবা কালিদাসৰ 'অভিজ্ঞান-শকুন্তলম্'ত নথকা একাধিক ঘটনাৰ উল্লেখ কৱিৰাজ চক্ৰবৰ্ত্তীৰ 'শকুন্তলা' কাব্যত আছে, যেনে, (১) জীয়েক শকুন্তলাৰ প্ৰতি অপত্য স্নেহ জাগি উঠাত অপ্সৰা মেনকাই এদিন হেনো তেওঁৰ সখীয়েক সুনন্দা অপ্সৰীক শকুন্তলাৰ ওচৰলৈ পঠিয়াই দি তেওঁৰ মুখেদি শকুন্তলাৰ আগত শকুন্তলাৰ জন্ম-কাহিনী ব্যক্ত কৰিছিল আৰু ৰজা দুষ্মন্তৰ লগত তেওঁৰ বিয়া হব বুলি কৈছিল—

নামত সুনন্দা সখী প্ৰাণৰ সমান।
বাৰ্ত্তাৰ কাৰণে পঠাইলা সেহি স্থান॥
কহিলা ৰহস্য স্নেহভাব যথোচিত।
দুষ্মন্ত কন্যাক বিহা কৰিবো নিশ্চিত॥

(২) এই সুনন্দা অপ্সৰীয়ে পুনঃ সোণৰ হৰিণ হৈ ৰজাৰ আগে আগে দৌৰি গৈ তেওঁক কন্বমুনিৰ আশ্ৰমলৈ ভুলাই নিছিল।

সখীৰ সম্বাদ স্মৰি সুনন্দা সুন্দৰী।
প্ৰৱেশিলা বনে হেন মৃগ ৰূপ ধৰি॥
সুনন্দা ভাৱয় মনে মুহিযা ৰজাক।
কন্যাৰ নিকটে নিযা দেখাও কন্যাক॥
এহি ভাবি ধৰিলেক মাযা-মৃগ বেশ।
ৰজাৰ সন্মুখ হুয়া ভ্ৰমে নানা দেশ॥

(৩) ৰজা দুষ্মন্তই নিশা অকলশৰে গৈ শকুন্তলাৰ গৃহত প্ৰৱেশ কৰা আৰু তাতে অনসূযা, প্ৰিয়ম্বদা আৰু শকুন্তলাৰ লগত গোপনে আলাপ-আলোচনা কৰি ৰাতিৰ ভিতৰতে শকুন্তলাক গান্ধৰ্ব্ব ৰীতি মতে মাল্যদানৰ দ্বাৰা বিযা কৰাৰ কথা বেদব্যাস বা কালিদাস এজনৰো কল্পনা নহয়। ই অসমীযা কৱিৰহে কল্পনা। আলোচ্য কাব্যমতে বিযা সম্পাদন কৰিযে ৰজাৰ—

নানা লীলা হাস্য পৰিহাস্য অনুক্ষণ।
শৃঙ্গাৰ ৰসত বিনে নাহি আন মন॥
ৰতিৰস আলাপনে আনন্দ অপাৰ।
মধুপানে যেমত আনন্দ ভ্ৰমৰাৰ॥

বসন্ত কালতে আৰম্ভ কৰি গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত আৰু শীত —এই ছয় ঋতু ৰজাই আশ্ৰমতে কটালে আৰু কাম-শাস্ত্ৰমতে—

ঋতু সকলত ক্ৰমে যিসুখ বিহিত।
ভুঞ্জিলা নৃপতি শকুন্তলায়ে সহিত॥

মহাভাৰতত অনসূয়া আৰু প্ৰিয়ম্বদাৰ নাম-গোন্ধেই নাই। ৰজা দুষ্মন্তই সৈন্য-সামন্ত কণ্ব মুনিৰ আশ্ৰমৰ উপকণ্ঠত এৰি নিজে অকলে আশ্ৰমত প্ৰৱেশ কৰিছিল ঋষিক অভিবাদন জনাবৰ কাৰণে। তাতে ঐ পাৰিবলৈ যাওঁতে মৌ পোৱাৰ দৰে তেওঁ আশ্ৰমত যুৱতী শকুন্তলাক অকলে থকা অৱস্থাত লগ পায়। আশ্ৰমাগত অতিথি ৰজা দুষ্মন্তক শকুন্তলাই আদৰ-অভ্যৰ্থনা জনোৱাত তেওঁ পৰম তৃপ্তিৰে শকুন্তলাৰ পৰিচয় সোধে। শকুন্তলাই তেওঁৰ জন্ম-কাহিনী কয় আৰু সেই কাহিনী তেওঁ পিতাক কণ্বমুনিয়ে অন্য এজন ঋষিক কওঁতে শুনিছিল বুলি উল্লেখ কৰে। তাতে কামাসক্ত হৈ ৰজাই 'দৰ্শনাদেৱ হি শুভে। ত্বযা মেঽপহৃতং মনঃ'—তোমাক দেখিয়ে যেন মোৰ মনটো কেনে কেনে লাগিছে বুলি পুৰুষৰ লুভীয়া মনটোৰ এটা চুক উদিযাই দেখুৱালে, আৰু অকল সিমানে নহয়, শকুন্তলাক তেওঁ ঋষি-কন্যা নহয় বুলি জানিব পাৰি তেতিয়াই নিজ ভাৰ্য্যাৰূপে পাবলৈ প্ৰস্তাৱ দাঙি ধৰিলে—

> সুব্যক্তং ৰাজপুত্ৰী ত্বং যথা কল্যাণি। ভাষসে।
> ভাৰ্য্যা মে ভব সুশ্ৰোণি। ব্ৰুহি কিং কৰবাণি তে॥

অৰ্থাৎ 'তুমি যিদৰে কলা তাৰপৰা সুস্পষ্ট বুজা যায় যে তুমি ক্ষত্ৰিয়ৰ কন্যা। গতিকে তুমি মোৰ ভাৰ্য্যা হোৱা। কোৱা তুমি কি কৰিব খোজা?' আচৰিত কথা যে শকুন্তলাযো প্ৰস্তাৱ পোৱামাত্ৰে সন্মতি দিলেই, মাত্ৰ পিতাক অহালৈ কেইমুহূৰ্ত্তমান ৰজাক বাট চাবলৈ কলে—

> ফলাহাৰো গতো ৰাজন্। পিতা মে ইত আশ্ৰমাৎ।
> মুহূৰ্ত্তং সম্প্ৰতীক্ষস্ব স মাং তুভ্যং প্ৰদাস্যতি।

—'পিতা ফল আহৰণ কৰিবলৈ গৈছে, তেওঁ আহিলে তেওঁ মোক আপোনাৰ হাতত সমৰ্পণ কৰিবই।' লগতে নিজৰ সাংসাৰিক জ্ঞানৰ পৰিমাণ প্ৰদৰ্শন কৰি ইযাকো কৈ থলে, বোলে—

পিতা ৰক্ষতি কৌমাৰে, ভৰ্ত্তা ৰক্ষতি যৌৱনে।
পুত্ৰস্তু স্থবিৰে ভাবে ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।

ৰজা তাতো যেন ক্ষান্ত থাকিব নোৱাৰিলে। ঘিউ ঢলা জুইৰ দৰে তেওঁৰ সঙ্গম কামনা বাঢি আহিল আৰু শকুন্তলাক তেওঁ কলে, 'হে সুন্দৰী, নিজেই নিজৰ বন্ধু, নিজেই নিজৰ গতি। গতিকে ধৰ্ম্মানুসাৰে তুমি নিজক মোৰ হাতত সমৰ্পণ কৰিব পাৰা।'

আত্মনো বন্ধুৰাত্মৈব গতিৰাত্মৈব চাত্মনঃ।
আত্মনৈবাত্মনো দানং কৰ্ত্তুমৰ্হসি ধৰ্ম্মতঃ॥

যুৱতী শকুন্তলাই তেতিয়া ৰজাক প্ৰতিজ্ঞাবদ্ধ কৰি ললে যে তেওঁলোকৰ মিলনৰ ফলত যি পুত্ৰ উপজিব তেওঁক ৰজাই যুৱৰাজ পাতিব লাগিব। ৰজা প্ৰতিজ্ঞাবদ্ধ হ'লত শকুন্তলাই তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিলে—'যদ্যেতদেবং দুষ্মন্ত, অস্তু মে সঙ্গমস্তয়া' তেনে-হলে মোৰ লগত আপোনাৰ সঙ্গম হওক। তাৰ পাছত ঋষি নৌ আহোঁতেই কাৰ্য্য সমাপন কৰি সন্তোষ মনেৰে ৰজা উভতিল আৰু শকুন্তলাক নিবলৈ চতুৰঙ্গ সেনা পঠাই দিব বুলিও কৈ গ'ল।

মহাভাৰতৰ ঘটনা, 'অভিজ্ঞান-শকুন্তলম্'ৰ ঘটনা আৰু অসমীয়া কৱিৰ কাব্যৰ ঘটনা, তিনিওটা মিলাই চালে বুজা যাব যে অসমীয়া কৱিয়ে দুষ্মন্ত-শকুন্তলাৰ মিলন-সম্ভোগৰ মধুময় চিত্ৰ স্পষ্ট কৰিবৰ অভিপ্ৰায়েই ৰজাক সুদীৰ্ঘ এবছৰ কাল শকুন্তলাৰ লগত ঋষিৰ আশ্ৰমত ৰাখিছে আৰু ৰতিক্ৰিয়াৰ ওপৰত বিবিধ ঋতুৰ প্ৰভাৱ বৰ্ণনা কৰাৰ সুযোগ লৈছে। মহাভাৰতৰ মতে দুষ্মন্ত-শকুন্তলাৰ মিলন নিচেই খন্তেকীয়া, মন্ত্ৰী, পুৰোহিত আদিক আশ্ৰমৰ প্ৰৱেশদ্বাৰত থৈ ঋষিক সেৱা জনাই আহিবলৈ বুলি তেওঁ আশ্ৰমত প্ৰৱেশ কৰিছে। মুনিয়ে ফল-আহৰণৰ বাবে ৰাহিৰলৈ যোৱা বুলি শুনি ৰজাই অকলে থকা শকুন্তলাক গান্ধৰ্ব্ব ৰীতিমতে গ্ৰহণ কৰি তাতেই তেওঁত উপগত হৈছে আৰু উভতিছে। ইমান

কম সময়ৰ ভিতৰতে আশ্ৰম হেন পৱিত্ৰ স্থান এখনত এনে এটি ঘটনা সংঘটিত হোৱাটো অস্বাভাৱিক যেন লাগে। তাতে শকুন্তলা-দুষ্মন্ত দুয়ো দুয়োৰো কাৰণে আছিল তেনেই অচিনাকি-অজ্ঞাত-কুলশীল। স্বাভাৱিক বুলি প্ৰত্যয় মানিব লগীয়া হলে সেই সময়ৰ সামাজিক ব্যৱস্থা আৰু লোকাচাৰ তদনুৰূপেই আছিল বুলি ধৰি লব লগীয়াত পৰে। সেই বাবেই কৰি কালিদাসৰ দুষ্মন্তই মৃগক অনুধাবন কৰি পাত্ৰ-মন্ত্ৰীসকলক দূৰতে এৰি অকলেহে গৈ আশ্ৰমত উপনীত হৈছিল। অসমীয়া কৱিয়ে এই কাৰ্য্যত কালিদাসকহে অনুসৰণ কৰিছে। কালিদাসৰ দুষ্মন্ত কিন্তু খন্তেকৰ ভিতৰতে মহাভাৰতৰ দুষ্মন্ত অহাৰ দৰে শকুন্তলাক বিয়া কৰাই তেওঁত উপগত হৈ উভতি অহা নাই, তাত তেওঁ দিনাচৰেক আছে। কালিদাসৰ কণ্ব মুনিও সোমতীৰ্থলৈ তীৰ্থ-ভ্ৰমণৰ হেতু দীৰ্ঘকালৰ বাবে আশ্ৰমৰপৰা আঁতৰি গৈছিল, ফল-আহৰণৰ কাৰণে খন্তেকৰ বাবে নহয়। অসমীয়া কৱিৰ দুষ্মন্তও তীৰ্থ-ভ্ৰমণৰ বাবেই গৈছিল। মূল মহাভাৰতৰ শকুন্তলা আখ্যানত চৰিত্ৰ মাত্ৰ চাৰিটাঃ দুষ্মন্ত, শকুন্তলা, কাশ্যপ আৰু সৰ্বদমন (শকুন্তলাৰ পুত্ৰ), অনসূয়া, প্ৰিয়ম্বদা, গৌতমী, বিদূষক আদি কোনো নাই।

মহাভাৰতৰ শকুন্তলাই দুষ্মন্তৰ লগত গান্ধৰ্ব্ব ৰীতিমতে বিয়া সোমাবলৈ মান্তি হোৱাৰ গুৰিতে আছে ৰাজ্য-লাভৰ লোলুপ আকাঙ্ক্ষা আৰু সেইবাবেই তেওঁ স্পষ্টভাৱে তেওঁৰ পুত্ৰই যাতে সিংহাসন পায়, তাৰবাবে ৰজাক প্ৰতিজ্ঞাবদ্ধ কৰি লৈহে বিজ্ঞ ব্যৱসায়ীৰ দৰে তেওঁৰ প্ৰস্তাৱত সন্মতি দিয়ে। কালিদাসৰ শকুন্তলা সেই বিষয়ে একেবাৰে নিমাত, কেৱল তেওঁৰ সখীযেকসকলেহে ৰজাক কৈছিল যে ৰজাসকলৰ বহুত পত্নী থাকে আৰু সেই সূত্ৰে তেওঁলোকৰ সখীযেক শকুন্তলাই যাতে কাৰো ওচৰত অনুগ্ৰহৰ বাবে হাত পাতিব নালাগে, তাৰ কাৰণে যেন ৰজা সতৰ্ক থাকে —'যথা আবয়োঃ প্ৰিয়সখী বন্ধুজন শোচনীয়া ন ভবতি তথা

নিৰ্ব্বাহয়'। তাত শকুন্তলাৰ পুত্ৰ উপজিলে তেওঁক সিংহাসন দিব লাগিব বুলি দাবী কৰাৰ উল্লেখ নাই। অসমীয়া কাব্যতো তাৰে প্ৰতিধ্বনি মাত্ৰ দুই সখীৰ মুখেদি প্ৰকাশ হোৱা শুনা যায়—

হাসিয়া বুলিলা পাছে দুই সহচৰী।
তুমি ৰাজা ইটো কন্যা মুনিৰ কুমাৰী॥
ৰাজকন্যা সহিতে উচিত গৃহবাস।
তপস্বিনী বিবাহত হৈব উপহাস॥
এখনে কৰিবা কৰ্ম্ম মনৰ বেগত।
অৱজ্ঞায়ে ছাড়া যদি কি হৈব শেষত॥

তাৰ উত্তৰত ৰজাই যেতিয়া 'সত্য কৰি ধৰ্ম্মপত্নী ইহাঙ্ক কৰিবো' বুলি আশ্বাস দিলে তেতিয়া দুয়ো সখী তাতেই সন্তুষ্ট হ'ল। সিংহাসনৰ দাবীৰ কথা ইযাতো নাই।

মূল মহাভাৰতৰ মতে আকৌ কণ্বমুনিৰ আশ্ৰমতে শকুন্তলাৰ পুত্ৰ জন্ম হয আৰু সিও সাধাৰণভাৱে দহমাহ-দহদিনত নহয, পূৰা তিনি বছৰৰ অন্তত। এনে অস্বাভাৱিকতা দূৰ কৰিবৰ কাৰণে টীকাকাৰসকলে যদিও তেনে অস্বাভাৱিকভাৱে জন্মাটো মহাপুৰুষৰ লক্ষণ বুলি ব্যাখ্যা দিছে তথাপি সি সৰ্ব্বসাধাৰণৰ বাবে এটি দুৰ্ব্বোধ্য ৰহস্য হৈয়ে ৰয়। পুত্ৰৰ নাম ৰখা হয সৰ্ব্বদমন আৰু ছয বছৰ বয়সতহে মহাভাৰতৰ মতে শকুন্তলাক হস্তিনাপুৰলৈ পতি দুষ্মন্তৰ সান্নিধ্য লাভ কৰিবৰ কাৰণে পঠোৱা হৈছিল। কালিদাসৰ শকুন্তলা গৰ্ভৱতী অৱস্থাতে যায আৰু সেই মতকে অসমীয়া কাব্যতো অনুসৰণ কৰা হৈছে।

দুৰ্ব্বাসাৰ অভিশাপ আৰু আঙঠিৰ কাহিনী কালিদাসৰ অপূৰ্ব্ব সৃষ্টি। ৰজা দুষ্মন্তৰ চৰিত্ৰত ছেকা নেপেলাবৰ কাৰণেই তেনে ঘটনাৰ অৱতাৰণা। অসমীয়া কৱিযে ইয়াতো কালিদাসকে অনুসৰণ কৰিছে। মূল মহাভাৰতত দুষ্মন্তই শকুন্তলাক সুদীৰ্ঘ ন বছৰৰ

মুৰতহে পুনৰ দেখিছিল। কিন্তু সেয়ে তেওঁৰ শকুন্তলা-বিস্মৃতিৰ কাৰণ আছিল বুলিও বেদব্যাসে ক'তো কোৱা নাই, বৰং ৰজাই সকলো কথা তেওঁৰ মনত থকা সত্বেও লোকাপবাদৰ ভয়তহে শকুন্তলাক পত্নী বুলি স্বীকাৰ কৰিবলৈ সাহ কৰা নাছিল বুলি মহাভাৰতত স্পষ্টকৈ কোৱা আছে। ৰজাই আকাশী-বাণী শুনাৰ পাছতহে শকুন্তলাক গ্ৰহণ কৰে। ই ৰজাৰ চৰিত্ৰৰ দুৰ্ব্বলতা আৰু হীন মনোবৃত্তিৰ চিত্ৰ অঙ্কিত কৰে। এইদৰে দেখা যায় মহাভাৰতৰ দুষ্মন্ত ভীৰু, কামাতুৰ, মিথ্যাবাদী আৰু প্ৰবঞ্চক। অসমীয়া কৱিয়ে দুষ্মন্তৰ চৰিত্ৰ অঙ্কনত কালিদাসকহে অনুসৰণ কৰিছে। কালিদাসৰ দুষ্মন্ত এনেবোৰ দোষৰপৰা মুক্ত। কালিদাসৰ নাটকত নায়ক-নায়িকাৰ প্ৰেম প্ৰথম দৃষ্টিত উপজিছে যদিও সান্নিধ্যৰ আলম লৈ সি ক্ৰমে বৰ্দ্ধিত আৰু বিকশিত হৈ মিলন আৰু বিৰহৰ মাজেদি গৈ পৱিত্ৰীকৃত প্ৰেমত পৰিণত হৈছে। সেইবাবে আদিতে আদিপৰ্ব্ব মহাভাৰতকে অৱলম্বন কৰি শকুন্তলা কাব্য ৰচনা কৰিছে বুলি অসমীয়া কৱিয়ে কৈছে যদিও, বস্তুতঃ ঘটনা-পৰম্পৰা বৰ্ণনা কৰোঁতে তেওঁ কালিদাসকহে অনুসৰণ কৰিছে। নকৰিবয়ে বা কিয়—কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্'ক বাদ দি প্ৰেমকাব্য শকুন্তলাৰ ৰচনা জানো সম্ভৱ ?

শকুন্তলাৰ কাহিনী মহাভাৰতত বাহিৰে পদ্মপুৰাণৰ স্বৰ্গ খণ্ডতো আছে। কাহিনীটোৰ ঘটনা-পৰম্পৰাও 'অভিজ্ঞান শকুন্তলম্'ৰ লগত মিলি যায়। পদ্মপুৰাণকাৰে কণ্বমুনিক ফল-মূল আহৰণৰ বাবে পঠিয়াই সেই ছেগতে দুষ্মন্ত-শকুন্তলাৰ মিলন সংঘটিত কৰি আৰু শকুন্তলাৰ পুত্ৰ উপজিলে দুষ্মন্তৰ সিংহাসনৰ তেৱেঁ গৰাকী হব বুলি ৰজাক প্ৰতিজ্ঞাবদ্ধ কৰি মহাভাৰতক অনুসৰণ কৰিছে, ঘটনাৰ বাকী অংশৰ মূল কথাবোৰ কালিদাসৰ ঘটনাৰ লগত একে। তাৰো এটা ক্ষুদ্ৰ বিবৰণত অৱশ্যে পদ্মপুৰাণৰ 'অভিজ্ঞান শকুন্তলম্'ৰ লগত নিমিলা দেখা যায়, যেনে, পদ্মপুৰাণৰ মতে শকুন্তলা

পতিগৃহলৈ যাওঁতে প্ৰিয়ম্বদাও লগতে গৈছিল আৰু তেওঁৰ হাতৰপৰাহে সৰযূ নদীত স্নান কৰি থাকোঁতে দুষ্মন্তৰ নামাঙ্কিত আঙঠিটো পিছলি পৰিছিল। প্ৰিয়ম্বদাক শকুন্তলাই সেই আঙঠিটো স্নানৰ সময়ত অলপ সময়ৰ কাৰণে মাত্ৰ লবলৈ দিছিল। আচৰিত কথা, প্ৰিয়ম্বদাই সেই আঙঠি হেৰোৱা কথাটি সখীয়েক শকুন্তলাক স্নানৰ অন্তত কোৱা নাছিল আৰু শকুন্তলায়ো সেই বিষযে দুনাই সখীয়েক প্ৰিয়ম্বদাক একো সোধা নাছিল। ঘটনাটো অলপ আচৰিত আৰু প্ৰিয়ম্বদাৰ স্নিগ্ধ চৰিত্ৰত ই কলঙ্কৰ কালিমা সানে।

সমালোচক পণ্ডিতসকলৰ অনেকে ভাবে যে পদ্মপুৰাণৰ শকুন্তলা কাহিনী মূল পদ্মপুৰাণৰ কাহিনী নহয়, ইয়াক পিছৰ যুগত প্ৰক্ষেপ কৰা হৈছিল আৰু তাৰে ৰচনাত কালিদাসৰ শকুন্তলাৰ ঘটনা-পৰম্পৰা গ্ৰহণ কৰা হৈছিল। তেওঁলোকৰ মতে পুৰাণ সমূহত তেনে প্ৰক্ষেপণ প্ৰযোজন অনুসৰি এটা যুগত অবাধে আৰু প্ৰভূত পৰিমাণে চলিছিল। ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ ৰাধাকৃষ্ণৰ প্ৰেমেই তাৰ এটা উদাহৰণ। হৰিবংশ, কূৰ্ম্মপুৰাণ, বিষ্ণুপুৰাণ, শ্ৰীমদ্ভাগৱত আদি কোনো বৈষ্ণৱ গ্ৰন্থতে, আৰু আনকি ব্যাসদেৱৰ মহাভাৰততো ৰাধা-কৃষ্ণৰ প্ৰেমবিলাসৰ বৰ্ণনা নাই, অথচ পৰৱৰ্ত্তী কালৰ ৰচনা ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত তাক মুক্তভাৱে প্ৰাধান্য দিয়া হৈছে। সমসাময়িক সমাজৰ চাহিদা পূৰণেই তাৰ মুখ্য উদ্দেশ্য। অসমীয়া কৱিযেও বৈষ্ণৱোত্তৰ যুগৰ ৰাজশক্তি আৰু ডা-ডাঙৰীয়াসকলৰ মনস্তুষ্টি সাধনৰ কাৰণে আদিৰসাত্মক কাব্য শকুন্তলা ৰচনা কৰিবলৈ গৈ আদিৰসৰ কৱি-সম্ৰাট কালিদাসৰ শকুন্তলা নাটকক উপেক্ষা কৰি অন্য গ্ৰন্থৰ আশ্ৰয় লব—সেইটো সম্ভৱপৰ কথা নহয়। বিশেষকৈ ঘটনা-চক্ৰৰ বিবৰ্ত্তন আৰু চৰিত্ৰ-চিত্ৰণৰ কৌশলে অসমীয়া কাব্যখনৰ ওপৰত কালিদাসৰ প্ৰভাৱ স্পষ্টকৈ প্ৰমাণ কৰে।

বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস

(মাধৱ-সুলোচনাদি কাব্য)

(৩)

কৱিৰাজ চক্ৰবৰ্ত্তীয়ে অসমীয়া শকুন্তলা কাব্য ৰচনা কৰা সময়ত তদানীন্তন কালৰ শাসন, সমাজ-ব্যৱস্থা, ৰাজকীয় পৃষ্ঠপোষকতা আদিৰ প্ৰভাৱ কৱিৰ ওপৰত কিদৰে পৰিছিল তাৰ ইঙ্গিত ইতিপূৰ্ব্বে একাধিক বাৰ দিয়া হৈছে। শকুন্তলা কাব্যৰ ৰচয়িতা কৱিৰাজ চক্ৰবৰ্ত্তী আছিল ৰাজকৱি, কালিদাসৰ দৰেই ৰাজকৱি, বাল্মীকিৰ দৰে গণকৱি নহয়। ৰাজকৱিয়ে যাৰ চাউল খায় তেওঁৰ গুণ গাব লাগিবই, ৰজাৰ মানসিক পৰিতৃপ্তিৰ ফালে লক্ষ্য ৰখা তেওঁৰ একান্ত কৰ্ত্তব্য। ইন্দ্ৰিয়পৰায়ণ, ভোগাসক্ত ৰজাক তুষ্ট কৰিবলৈ হলে শৃঙ্গাৰ ৰসৰ প্ৰাচুৰ্য্যেৰে কাব্য ওপচাই পেলাব লাগিবই। ৰাজকৱি কৱিৰাজ চক্ৰবৰ্ত্তীৰ বিৰচিত শঙ্খচূড় বধ কাব্য, কৃষ্ণ জন্মখণ্ড, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আদিৰ আদিৰসপূৰ্ণ বৰ্ণনাবোৰেই তাৰ সাক্ষী।

'শঙ্খচূড় বধ' কাব্যৰ মূল কাহিনী ব্ৰহ্মবৈবৰ্ত্ত পুৰাণৰ পৰা লোৱা হৈছে। তাতো আছে, গোলোকত ৰাধাৰ তুলসী নামে এজনী যুৱতী দাসী আছিল। ৰাধাৰ দৰে তায়ো আছিল পৰম ৰূপৱতী। তাইৰ ৰূপ দেখি সুদাম নামে গোপ এজনে তাইৰ লগত গোপন বিহাৰৰ অভিলাষ কৰিছিল আৰু তাৰ বাবে সততে ছেগ বিচাৰি ফুৰিছিল। সাপেহে সাপৰ ঠেং দেখে বুলি এষাৰি কথা আছে। ৰাধাৰ চকুতো সুদাম-তুলসীৰ গোপন পীৰিতি ধৰা পৰিল। ৰাধাই তেতিয়া সুদামক মৰ্ত্ত্যত শঙ্খচূড় নামে দৈত্য হৈ জন্মিবলৈ

আৰু তুলসীক তেওঁৰে পত্নী হবলৈ অভিশাপ দিলে। তুলসীয়ে তেতিয়া স্বয়ং নাৰায়ণক পতি পাবলৈ 'দিব্য লক্ষ বৰিষ' তপস্যা কৰি ব্ৰহ্মাৰপৰা বৰ লভিলে। ব্ৰহ্মাই বৰ দি কলে যে ৰাধিকাৰ অভিশাপ তেনেই অথলে নাযায়। তাৰে ফলত তুলসীয়ে কিছু-কালৰ বাবে হলেও শঙ্খচূড় দৈত্যৰ পত্নী হব লাগিবই, তাৰ পিছত অৱশ্যে নাৰায়ণে শঙ্খচূড়ক মুক্তি দিবৰ অৰ্থে তুলসীৰ সতীত্ব হৰণ কৰিব। কাৰ্য্যতো সেয়ে হ'ল। দেৱতাসকলৰ লগত হোৱা ৰণত শঙ্খচূড় প্ৰবৃত্ত থাকোঁতে নাৰায়ণে শঙ্খচূড়ৰ ভেশ ধৰি গৈ তুলসীৰ সতীত্ব হৰণ কৰে। নিবিড় অৰণ্যৰ মাজত পোনতে শঙ্খচূড়-তুলসীৰ যিধৰণে মিলন হৈছিল আৰু জাতিস্মৰ হৈ দুয়ো যেনেকৈ বিবিধ স্থানত মৈথুনৰতভাৱে বিহাৰ কৰি ফুৰিছিল, তাৰ কামোদ্দীপক বৰ্ণনা অসমীয়া কৱিয়ে পৰম উৎসাহেৰে দিছে। তাত কামকলাবিদ কৃষ্ণৰ তুলসীৰ লগত ছদ্মবেশত হোৱা বিবিধ বিহাৰৰ বৰ্ণনা যেনে চমৎকাৰ, ৰমণ-বৈচিত্ৰ্যৰ চৰম নিপুণতাত ধৰা পৰি তুলসীক তেওঁ বৰ দান কৰি সন্তুষ্ট কৰিবলৈ প্ৰস্তুত হোৱাৰ বিবৰণো সেই একেদৰে আকৰ্ষণীয়। সেই বৰ মতে সতীত্ব হৰণৰ পাছত তুলসীৰ তনু দুই ভাগত বিভক্ত হৈ এভাগ পৱিত্ৰ গণ্ডকী নদী আৰু আনভাগ তুলসী গছত পৰিণত হয়। শঙ্খচূড়ে শিৱৰ হাতত প্ৰাণ এৰি মুক্তি লাভ কৰে। সতী তুলসীয়ে ভগৱান কৃষ্ণৰ তেনে ছলাহী কাৰ্য্যত ত্যক্ত-বিৰক্ত হৈ তেওঁকো অভিশাপ নিদিয়াকৈ নাছিল। তেওঁ অভিশাপ দিছিল যে এনে গৰ্হিত নিষ্ঠুৰ কাৰ্য্যৰ কাৰণে শিলাখণ্ড হৈ তেওঁৰ বুকুতে গণ্ডকী নদীত পৰি থাকিব লাগিব। সেয়ে শালগ্ৰাম, তুলসীৰ সতীত্ব-হৰণৰ নিকৰুণ ইতিহাস-পূৰ্ণ শালগ্ৰাম। শঙ্খচূড় বধৰ দৰে উৎকট শৃঙ্গাৰ ৰসপূৰ্ণ কাব্যৰ অন্ততো কিন্তু কৱিয়ে বৈষ্ণৱ কৱিৰ গতিতে সুৰ মিলাই কৈছে—

সকল চিত্ৰৰ বিনাশক হৰি-নাম।
হেন জানি সভাসদ বোলা ৰাম ৰাম॥

কবিৰাজ চক্ৰবৰ্ত্তীয়ে অকল 'শঙ্খচূড় বধ' কাব্যতে নহয়, 'শকুন্তলা' কাব্যৰো অনেক ঠাইত এনেকুৱা বৈষ্ণৱ ভাব প্ৰকাশ কৰা দেখা যায়, যেনে—

দুৰ্ঘোৰ কলিত বন্ধু শ্ৰৱণ-কীৰ্ত্তন।
হেন জানি কৰা পুণ্য কথাৰ শ্ৰৱণ॥
কীৰ্ত্তন কৰিও সদা মাধৱৰ নাম।
ঘুষিওক বাৰম্বাৰ গোবিন্দ কৃষ্ণ নাম॥

কবি ভৱানন্দৰ **'হৰিবংশ'**ও সেই সময়ৰ এখন লেখত লবলগীয়া কাব্য। 'হৰিবংশ' নামটো শুনি ইয়াক মূল সংস্কৃত 'হৰিবংশ'ৰেই অসমীয়া ভাঙনী যেন লাগে যদিও 'হৰিবংশ'ৰ সি মূলানুগ অনুবাদ নহয়, অসমীয়া 'হৰিবংশ'ত কবিয়ে প্ৰয়োজনমতে নানা আখ্যান-উপাখ্যানৰ সংযোগ-বিয়োগ ঘটাইছে। মূল 'হৰিবংশ'ত ৰাধাৰ নাম-গোন্ধেই নাই, অসমীয়া কবি ভৱানন্দৰ 'হৰিবংশ' কিন্তু ৰাধা-কৃষ্ণৰ প্ৰেম-লীলাৰে পৰিপূৰ্ণ। লিখকৰ ওপৰত পৰা সময়ৰ প্ৰভাৱ নাইবা ৰাজ-অনুগ্ৰহৰ প্ৰতি ৰখা আকাঙ্ক্ষাই তেনে প্ৰক্ষেপণ বা পৰিবৰ্ত্তনৰ, বিশেষকৈ শৃঙ্গাৰ ৰসপূৰ্ণ কাহিনী সংযোগৰ মুখ্য কাৰণ।

বিদ্যাচন্দ্ৰ কবিশেখৰ ভট্টাচাৰ্য্য নামৰ অন্য এগৰাকী কবিয়েও মহাৰাজ ৰাজেশ্বৰ সিংহৰ পুত্ৰ চাৰুচন্দ্ৰ আৰু তেওঁৰ সুন্দৰী যুৱতী-ভাৰ্য্যা প্ৰেমদাৰ আজ্ঞাত সেই একে **'হৰিবংশ'** পুনৰ অসমীয়ালৈ ভাঙি উলিয়ায়। তাতো তেওঁ ৰজা-ৰাইজ সকলোৰে মনঃপুত কৰিবৰ কাৰণে কবি ভৱানন্দতকৈও অধিক পৰিমাণে শৃঙ্গাৰ ৰসাত্মক আখ্যান নানা শাস্ত্ৰৰপৰা আনি সংযোগ কৰিছিল। **'হৰিবংশ'**ৰ নামত প্ৰচাৰ কৰা ইও এখন সেই সময়ৰ শৃঙ্গাৰ ৰসপ্ৰধান কাব্য। ইয়াতো ৰাধা-কৃষ্ণৰ কাম-কেলি-বিলাসৰ মুক্ত বৰ্ণনা আছে। কাব্য-বিচাৰৰ ফালৰপৰা চালে এইবোৰ কাব্যৰ স্থান সিমান ওখত নহয়।

'মাধৱ-সুলোচনা' সেই একে যুগৰে অন্যতম শ্ৰেষ্ঠ কাব্য। ইযাক 'অভীষ্ট পুৰাণ' আৰু 'মাধৱ-বিক্ৰমৰ কথা'—এই দুই নামেৰেও জনা যায়। সেই একে বিষয়ৰে দুখন কাব্য দুজন পৃথক লিখকে লিখিছে, এজনৰ নাম দীন দ্বিজ, আনজনৰ নাম শিৱ শৰ্ম্মা। দক্ষিণপাট সত্ৰৰ অধিকাৰ ৺বিষ্ণুকিঙ্কৰ গোস্বামীৰ দ্বাৰা ৰচিত তৃতীয অনুবাদ এটা থকাৰো গম পোৱা যায়। একেটা বিষযে একে সময়তে একাধিক কৱিৰ মনোযোগ আকৰ্ষণ কৰাটোৱে সেই বিষযটোৰ প্ৰতি কৱি আৰু পাঠকৰ অন্তৰত থকা বিপুল অনুৰাগৰ সূচনা কৰে।

কাব্যখনৰ মূলবস্তু পদ্মপুৰাণত থকা ক্ৰিয়াযোগসাৰ নামৰ অধ্যায়ৰ এটা চুটি আখ্যান। এই 'সুলোচনা কাব্য'—বিশেষকৈ দীন দ্বিজ কৃত কাব্যখনি ওজাপালিযেও গীত হিচাপে গায। লৌকিক গীত হিচাপে মুখে মুখে গাবলৈযে যে তাক ৰচনা কৰা হৈছিল তাৰ প্ৰমাণ কাব্যৰ মাজে মাজে থকা পদ কিছুমানতো পোৱা যায। সুলোচনা নামৰ কন্যাজনী কেনেকৈ সখীযেকসকলৰ লগত ঘাটলৈ গৈছিল আৰু তেওঁৰ লগত কোন কোন আছিল তাৰ বিতং বৰ্ণনা কৱিযে এই দৰে দিছে—

সুভাগিনী, দুৰ্ভাগিনী, আৰু ৰূপৱতী।
চন্দ্ৰা, নিৰূপমা, প্ৰভাৱতী, ভদ্ৰাৱতী॥
কালধুতী, চন্দ্ৰাৱলী, মোহিনী, ৰাতুলী।
অঞ্জনী, খঞ্জনী, চিত্ৰৱতী যে চণ্ডালী॥
মেঘনী, ৰতনী, সোণাফুলী, ভদ্ৰাঙ্কৰী।
শ্যামকালী, ঝিকাফুলী আৰু মহেশ্বৰী॥
চানেই, বানেই, ৰামকামা, লাউফুলী।
তাহাঙ্ক চাহন্তে যেন হুৰে বিযাকুলী॥
নাগেশ্বৰী, ৰূপাফুলী, আৰু বোনমালী।
ভদ্ৰাজামো, খৰ্গেশ্বৰী আৰু চন্দ্ৰাকালী॥

আগে-পাছে কন্যাগণ চাৰিও কাষত।
সুলোচনা কন্যা যায় সবাৰো মাজত।
পাত্ৰৰ ঝিয়াৰী সুধৰ্ম্মায়ে সমসখী।
গমনত দুইকো যেন ৰাজহংস দেখি॥ ইত্যাদি।

এনেবোৰ বৰ্ণনা যেন বিচক্ষণ ডাইনা পালিৰ মুখৰ আখৈফুটা বচনহে।

এইকাব্যখো ৰচনা কাল অষ্টাদশ শতিকা বুলি ঠাৱৰ কৰা হৈছে। ইয়াত অৱশ্যে ৰাজ-প্ৰশস্তি নাই আৰু কোন ৰজাৰ দিনত নাইবা কাৰ উৎসাহ-উদগণিত ইযাক লিখা হৈছিল ৰচনাৰপৰা সেইটোও বুজা নাযায়। পুৰাণৰ আখ্যানটোৰে কিন্তু প্ৰত্যেকজন কৱিৰ হাতত অলপ নহয় অলপ মোট সলাইছে। দীন দ্বিজৰ আখ্যানত মূল চৰিত্ৰবোৰ নামে-কামে আগৰ দৰেই আছে বুলিব পাৰি, কিন্তু শিৱশৰ্ম্মাৰ হাতত সেইবোৰে নামান্তৰ গ্ৰহণ কৰিছে। গ্ৰাম্য দোষো শিৱশৰ্ম্মাৰ কাব্যত অধিক। শিৱশৰ্ম্মাৰ কাব্যত বিক্ৰমদেৱৰ ঠাইত ত্ৰিবিক্ৰম, প্ৰচেষ্টৰ ঠাইত পচাক্ষম, সুলোচনাৰ ঠাইত সুলেচনা, গুণাকৰৰ ঠাইত হেমপদ্ম, গন্ধনীৰ ঠাইত সুগন্ধা, সুৰেণৰ ঠাইত হেমচন্দ্ৰ, বীৰবৰৰ ঠাইত বীৰবল—এনেবোৰ পৰিবৰ্ত্তন হৈছে। আকৌ মাধৱক ভাং-ধতুৰা খুৱাই অচেতন কৰা কথা মূল আখ্যানত নাই, ই অসমীয়া কৱিৰ নিজস্ব উদ্ভাৱনা। মূলত (ভাং-ধতুৰা নোখোৱাকৈয়ে) মাধৱ গভীৰ নিদ্ৰাত মগ্ন হোৱা বুলিহে আছে। তেনেকৈয়ে বিযাৰ ঠাইত দৰাপক্ষ আৰু কন্যা-পক্ষৰ বামুণৰ মাজত হোৱা বাক্-বিতণ্ডাখন অসমীযা কৱিৰ বাস্তৱ-গন্ধী অসমীযা কল্পনা।

মাধৱ-সুলোচনাৰ কাহিনীটো চমুকৈ এনেকুৱা। বিক্ৰম ৰজাৰ পুতেক মাধৱ। মাধৱে মৃগযালৈ যাওঁতে এদিন অৰণ্যৰ মাজৰ সৰোবৰ এটাত স্নানৰতা পূৰ্ণবয়স্কা যুৱতী এজনীক অকস্মাৎ দেখিলে আৰু খন্তেকীয়া অনুৰাগ চম্ভালিব নোৱাৰি তেওঁৰ প্ৰণয়-প্ৰাৰ্থী

হ'ল। নিজৰ চিনাকি দিওঁতে কন্যাই তেওঁৰ নাম চন্দ্ৰকলা বুলি কৈ নিজকে ৰূপৱতী ৰাজকুমাৰী সুলোচনাৰ দাসী বুলি পৰিচয় দিলে, লগতে তেওঁৰ তুলনাত যে ৰাজকুমাৰী সুলোচনাৰ ৰূপ আৰু শত গুণে চৰা তাকো কলে। কোঁৱৰে ৰাজকুমাৰীৰ লগত কেনেকৈ সাক্ষাৎ হোৱা যায় সোধাত, কন্যাই কলে যে সেই কামত গন্ধনী নামৰ মালিনীযেহে তেওঁক সহায় কৰিব পাৰিব—

আছয় গন্ধনী নামে তাহান মালিনী।
তাইৰ অনুগ্ৰহে তুমি কন্যা পাইবা চিনি॥

মাধৱে ভদ্ৰশ্ৰবা নামে ঘোঁৰাত উঠি বিশ্বাসী লগুৱা প্ৰচেষ্টক লগত লৈ সুলোচনাৰ দেশ পালেগৈ আৰু গন্ধনী মালিনীৰ আশ্ৰয়ত থাকি জানিব পাৰিলে যে তাৰে পিছদিনাখনেই ত্ৰিবিক্ৰম ৰজাৰ পুত্ৰ বিদ্যাধৰৰ লগত সুলোচনাৰ বিয়া হব। মাধৱে মৰণত শৰণ দি মালিনীৰ সহায়ত ৰাজকুমাৰীলৈ ফুলৰ পাহিত প্ৰেম-পত্ৰ লিখি এটা আঙঠিসহ পুষ্পমাল্য প্ৰেৰণ কৰিলে। অচিনাকি কোঁৱৰ মাধৱৰ ৰূপ, গুণ আৰু সাহসৰ কথা শুনি আৰু তেওঁৰ প্ৰতি কোঁৱৰৰ অকৃত্ৰিম অনুৰাগৰ কথা গম পাই কুমাৰী সুলোচনাৰ মন টলিল। প্ৰেম-পত্ৰৰ যথাযোগ্য উত্তৰ তেওঁ পঠালে আৰু স্নান কৰাৰ চলেৰে মালিনীৰ ঘৰলৈ গৈ কোঁৱৰক এবাৰ চাই ললে। কোঁৱৰ সেই সময়ত নিদ্ৰামগ্ন আছিল। কুমাৰী সুলোচনাৰ—

নিৰীখিতে বাঢি যায় মনৰ তৃপিতি।
মনত কৰিলা থিৰ এহি মোৰ পতি॥

ৰাজকুমাৰীৰ আগমনৰ কথা গম পাই কোঁৱৰ নিদ্ৰাৰপৰা উখা-মুখাকৈ জাগি উঠিল আৰু দুয়োৰো দুযো পৰিচয় লোৱাৰ পাছত দুযোৰো মাজত গোপন আলাপ চলিল। লগুৱা প্ৰচেষ্টই এইবোৰ কথাৰ গমগতি লক্ষ্য কৰি আছিল। তাৰ যুৱান মনটোতো যৌৱনৰ চঞ্চলতা আৰু বুদ্ধিৰ চাতুৰী জাগি উঠিল।

ইফালে পিছদিনাৰ মিলনৰ শুভ মুহূৰ্ত্ত কেতিয়া আহে তাকে ভাবি থাকোঁতে কোঁৱৰৰ ওৰে ৰাতি টোপনি নাহিল। পুৱতী-নিশাহে তেওঁৰ টোপনি আহিল আৰু একে লেঠাৰিয়ে কেইবাদিনো ভ্ৰমণ কৰি ভাগৰি থকা বাবে গভীৰ নিদ্ৰাত লালকাল হৈ পৰিল।

এই ছেগতে দুষ্টমতি প্ৰচেষ্টই ঘোঁৰাত উঠি গৈ বিয়াৰ ঠাই পালে আৰু আগতে মাধৱ-সুলোচনাৰ গোপন আলচৰ পৰা চোৰাংকৈ শুনি থোৱা ইঙ্গিতমতে কন্যাক মণ্ডপৰ পৰা বিয়াৰ হুলস্থুলৰ মাজত ঘোঁৰাত তুলি লৈ পলাই গ'ল। শিৱশৰ্ম্মাৰ মতে—পচাক্ষমে অৰ্থাৎ প্ৰচেষ্টই ভাং ধতুৰা খুৱাই কোঁৱৰক নিদ্ৰামগ্ন কৰি থৈহে বুদ্ধিৰে গৈ কুমাৰীক হৰণ কৰিছিল—

ভাং ধতুৰাৰ জালে থাকিবেক পৰি।
উপায় কৰিযা মই কন্যা নিবো হৰি॥ (শিৱশৰ্ম্মা)

প্ৰচেষ্টই সুলোচনাক ঘোঁৰাৰ ওপৰত পলুৱাই নি সাগৰৰ দাঁতিৰ কাঞ্চিপুৰ নামে ঠাইত উলিযালে গৈ আৰু তাতে নিৰ্জ্জন অৰণ্যৰ মাজত নিজকে মাধৱৰ ভায়েক বুলি চিনাকি দি কন্যাৰ আগত অসৎ প্ৰস্তাৱ দাঙি ধৰিলে।

জানিবা প্ৰচেষ্ট মই নাহি প্ৰিযা সংশয
বিদ্যাধৰ মাধৱৰ ভাই।
মোক আলিঙ্গন দিযা প্ৰাণ মোৰ ৰাখা প্ৰিযা
দ্বিজবৰে পাঞ্চালী ৰচয॥

কাৰ্য্য বিসদৃশ দেখি বিপদত ধৈৰ্য্যহে আহুদি বুলি ভাবি কুঁৱৰীযে বুদ্ধিৰে এটা প্ৰশ্ন তুলিলে। তেওঁ কলে, তাত তেওঁৰ আপত্তি নাই, কিন্তু শুভ কামত খৰধৰ শোভনীয নহয় আৰু সাধাৰণভাৱে হলেও ৰীতিমতে শুভ কাৰ্য্য সম্পাদন কৰিব লাগে। গতিকে—

এৰিযোক কাম ভাব ৰাখিওক মন।
বিবাহৰ উপহাৰ আনিও এখন॥

ৰূপৱতী কুঁৱৰীৰ এনে মোহলগা হিত বচন শুনি প্ৰচেষ্ট ভোল গ'ল। তেওঁ কন্যাৰ দিহামতে ঘোঁৰাটো বাটৰ কাষৰ এজোপা গছত বান্ধি থৈ বিয়াৰ দ্ৰব্য বিচাৰি হাবিত সোমাল। এই ছেগতে কুঁৱৰী সুলোচনাই ঘোঁৰাটো মোকোলাই লৈ তাৰ পিঠিত উঠি বায়ুবেগে ছুটি মেলিলে আৰু বাটত পুৰুষ বেশ ধৰি চন্দ্ৰবংশী সুসেন ৰজাৰ সভাত বীৰবৰ নাম লৈ সভাসদ ৰূপে থাকিলগৈ।

শিৱশৰ্ম্মাৰ কাব্যমতে কুঁৱৰীয়ে পিয়াহত অঙ্গ-কণ্ঠ শুকাই যোৱা বুলি কৈ পচাক্ষমক পানী বিচাৰি পঠিয়াইহে নিজে ঘোঁৰাত উঠি পলাই গৈছিল। কল্পনাটো লোক-সাহিত্যত আৰু বেছি খাপ খাই পৰে—

জলক ভুঞ্জিযা আগে শান্ত কৰোঁ দেহ।
পাছত শৃঙ্গাৰ কৰোঁ নাহিকে সন্দেহ॥ (শিৱশৰ্ম্মা)।

কাৰণ, কুঁৱৰীয়ে ভাবিছিল—

আমি সমে ইহাৰ কিমতে হব ঘৰ।
সুফুল চুহিবে খোজে পোকে গোবৰৰ॥
দধি দুগ্ধ ভোগক শূকৰে বাঞ্ছা কৰে।
শৃগাল চৰিব খোজে সিংহীৰ উপৰে॥ (শিৱশৰ্ম্মা)

ছদ্মবেশ ধৰি ৰাজসভাত থকা কালত এদিন তেওঁ ৰজাৰ আদেশ মানি গৈ বুদ্ধি-কৌশলেৰে ভীমনাদ নামৰ প্ৰকাণ্ড গঁড় এটা বধ কৰি বিপুল সুখ্যাতি অৰ্জ্জন কৰিছিল। ৰজাই তাতে সন্তুষ্ট হৈ আৰু তেওঁৰ চালে-চকুৰোৱা চেহেৰা-পাতি দেখি নিজ কন্যা জয়ন্তীক তেওঁলৈ বিয়া দিবলৈ স্থিৰ কৰিলে, আৰু স্থিৰ কৰায়ে নহয়, ধৰধৰকৈ বিয়াখন সম্পন্ন কৰি পেলালেই। বিয়াত ৰজাই যৌতুক হিচাপে গঙ্গাৰ তীৰৰ বিশাল ভূমিখণ্ড দান কৰি জী-জোঁৱায়েকক তাৰে ৰজা পাতিলে।

বীৰবৰ নামধাৰী কুঁৱৰী সুলোচনাই তেতিয়া বিমোৰত পৰি

গঙ্গাসঙ্গম তীৰ্থত স্নান কৰি পতি মাধৱক পাবৰ কাৰণে সদায় নদীৰ তীৰত ধ্যান কৰিবলৈ ধৰিলে। গঙ্গাসঙ্গম তীৰ্থৰ মাহাত্ম্যৰ কথা তেওঁ শাস্ত্ৰত পাইছিল আৰু মানুহৰ মুখতো শুনিছিল। বিধিৰ এনে বিধান—সেই সময়ত কুঁৱৰী সুলোচনাক বিচাৰি ফুৰা লগুৱা প্ৰচেষ্ট, পাণি-প্ৰাৰ্থী কৌঁৱৰ বিদ্যাধৰ আৰু হতাশাত বুৰ যোৱা ৰাজকুমাৰ মাধৱ এই আটাই কেইজনে একে সময়তে চাৰিও ফালৰ পৰা নিজ নিজ মনৰ দুখত আহি গঙ্গাসঙ্গম তীৰ্থতে দেহ ত্যাগ কৰিবলৈ বুলি ওলালহি। আত্মঘাতী হবলৈ ওলোৱা এই সকলোটি প্ৰাণীকে সেই ৰাজ্যৰ ৰজা বীৰবৰৰ ওচৰলৈ অনা হ'ল। ৰজাই প্ৰত্যেকৰে পৰা তেওঁলোকৰ জীৱনৰ করুণ কাহিনী-বোৰ শুনি ললে আৰু তেওঁলোক আপোনঘাতী হবলৈ ওলাই তেনেকৈ নিজ নিজ কাৰ্য্যৰ স্বীকাৰোক্তি দিয়া বাবে সন্তোষ পালে। তেওঁ বিহিতভাৱে বিচাৰ কৰি প্ৰচেষ্টক দোষী পাই কাৰাগাৰত বন্দী কৰি থলে আৰু নানা প্ৰকাৰে প্ৰবোধ দি বিদ্যাধৰ কৌঁৱৰক আত্মহত্যাৰ পৰা বিৰত ৰাখি নিজ ৰাজ্যলৈ ওভতাই পঠালে। ৰজা সুসেন আৰু মাধৱক সসন্মানে সেৱা জনাই দুয়োৰো ওচৰত আত্ম-প্ৰকাশ কৰিলে। সুসেন আৰু মাধৱ দুয়ো সুলোচনাৰ তেনে কাৰ্য্যত স্তম্ভিত হ'ল। বীৰবৰবেশী সুলোচনাৰ উপদেশমতেই ৰজা সুসেনে তেতিয়া মাধৱৰ লগত সুলোচনা আৰু জয়ন্তী দুয়োকো বিধিমতে বিয়া দি তেওঁক সেই ৰাজ্যৰ ৰজা পাতিলে। ঘটনা-বস্তু ইমানেই।

শিৱশৰ্ম্মাৰ কাব্য লৌকিকতাৰে ভৰপূৰ। তাত সুলোচনাৰ বিয়া উপলক্ষে দৰাপক্ষৰ পুৰোহিত মহামুনি শৃঙ্গী আৰু কন্যাপক্ষৰ পুৰোহিত গালৱ ঋষিৰ মাজত সামান্য দক্ষিণাৰ কাৰণে যিখন জোঁটা-পোটা লাগিছে, তাৰ উল্লেখ মূলত নাই আৰু ইয়াক গঞা সমাজৰ পৰিতৃপ্তিৰ বাবেই কাব্যত স্থান দিয়া হৈছে। কাব্য-সৌন্দৰ্য্য তাৰ দ্বাৰা হানি হৈছে, বৃদ্ধি হোৱা নাই। তাত ঋষি গালৱে কৈছে—

মৰ্য্যাদা ভাঙিলা আজি তাৰ মান সাধো।
গটা চাৰি মাৰিযা সভাৰ বাজ কৰোঁ॥ (২৩৮)

তেতিযা শৃঙ্গীযে উত্তৰ দিছে—

হেন শুনি শৃঙ্গী উঠি মহা ক্রোধ কৰি।
মুষ্টিক দাঙ্গিযা বোলে মাৰো খুন্দা চাৰি॥

এইদৰে ব্রাহ্মণসকলৰ মাজত ঘোৰ কন্দল লাগি পৰাত বিয়া-মণ্ডপৰপৰা পচাক্ষমে কন্যা-হৰণ কৰে।

ব্রাহ্মণ মাজত লাগি গৈলা উসমিস।
কন্যা হৰি নিলা কোনে নাপালা উদ্দেশ॥ (২৪১)
পচাক্ষমে মহাৰঙ্গে কন্যা হৰি নিলা।
পন্থত যাহন্তে পাচে যেন কথা ভৈলা॥

অন্য কোনো হৰণ-কাব্যত পুৰোহিতৰ মাজত এনে কন্দলৰ সৃষ্টি হোৱা আৰু তাৰে সুযোগত কন্যা-হৰণ সম্পাদন ঘটা পোৱা নাযায়। মুঠতে শিৱশৰ্ম্মা বিৰচিত কাব্যখনিত মূল আখ্যানৰ কঙ্কালটো মাত্র আছে, বাকী সকলোখিনি অসমীযা কৱিৰ নিজা সৃষ্টি। সেইদৰে কাব্যখনো অসমীযাত কেইবাটাও নামত জনাজাত, যেনে, 'অভীষ্ট পুৰাণ', 'অদৃষ্ট পুৰাণ', 'মাধৱ-সুলোচনা' ইত্যাদি। এইবোৰ প্রণয-গাঁথা মধ্যযুগৰ বৈষ্ণৱী সাহিত্যৰপৰা বিষয-বস্তুত নহলেও প্রকাশ-ভঙ্গিমাত আঁতৰি আহিছিল যদিও বৈষ্ণৱী প্রভাৱৰপৰা একেবাৰে মুক্ত হব পৰা নাছিল। সেইদেখিযে শিৱশৰ্ম্মাৰ কাব্যতো পোৱা যায—

শুনিযোক সৰ্ব্বজন কৰি এক মন।
অভীষ্ট পুৰাণ পদ অমৃত সমান॥ ৩১৪
দেখিলা হৰিৰ কেনে অতৰ্ক মহিমা।
অভকতে নুবুজয় হৰিৰ মহিমা॥
স্বধৰ্ম্মত থাকি যিটো সঙ্কটে পৰয়।
নাহি কোনো ভয় তাক হৰিয়ে ৰাখয়॥ ইত্যাদি।

বৈষ্ণৱোত্তৰ যুগৰ অসমীয়া কাব্যত আদিৰস

(মৃগাৱতী চৰিতৰ পৰা জনা গাভৰুৰ গীতলৈ)

(৪)

বৈষ্ণৱ যুগৰ পিছৰ সৰহভাগ কৱিয়েই ৰজা-ৰাইজৰ মনোগ্ৰাহী কৰি প্ৰেমৰ উত্তেজনা থকা নানা আখ্যান-উপাখ্যান, কাব্য, নাটক আদি ৰচনা কৰিবলৈ যত্ন কৰিছিল। ৰাজ-প্ৰশস্তি আৰু প্ৰেম— এই দুটাই আছিল সেই যুগৰ কৱি আৰু কলাবিদ্‌সকলৰ সাধনাৰ উপাস্য বস্তু। সেইবাবেই কীচক বধ, শঙ্খচূড় বধ, ৰাধা-কৃষ্ণৰ ৰাস-লীলা, কুমৰ-হৰণ আদি শৃঙ্গাৰ ৰসপ্ৰধান বিষয় সমূহকে লৈ বিভিন্ন নাট্যকাৰ, কৱি আদিয়ে বেলেগে বেলেগে নাট-কাব্য আদি ৰচনা কৰিছিল। পুৰাণ-ভাগৱত আদি পুথিবোৰেই সাধাৰণতে তেওঁলোকৰ ৰচনাৰ বিষয়-বস্তুৰ যোগান ধৰিছিল।

এই যুগৰ কাব্যালোচনাত বিশেষ মন কৰিবলগীয়া আৰু এটা কথা এই যে ধৰ্ম্মশাস্ত্ৰত বাহিৰে বহিৰাগত বিদেশী প্ৰেম-কাহিনী কিছুমানেও অনেক কৱিৰ মনোযোগ আকৰ্ষণ কৰিছিল আৰু তেওঁলোকে সেই কাহিনীবোৰক বৈষ্ণৱী পুথিৰ সুৰ আৰু ঢং দি অসমীয়ালৈ ভাঙি অসমীয়া কাব্যৰূপে চলাই দিছিল। দ্বিজৰামৰ **'চম্পাপৰীৰ উপাখ্যান'** বা **'মৃগাৱতী চৰিত'** আৰু অজ্ঞাত কৱিৰ **'মধুমালতী'** তেনে দুখন কাব্য। দুয়োখন প্ৰেমৰ কাব্য আৰু দুয়ো-খনৰে গুৰি শিপা মুছলমানসকলৰ মুখে মুখে চলি অহা দুটি ৰোমাণ্টিক কাহিনীত আটি খাই আছে। মুছলমানৰ অসম আক্ৰমণৰ সময়তে হয়তো ই পোনতে মানুহৰ মুখে মুখে প্ৰচাৰ লাভ কৰিছিল আৰু অসমীয়া কৱিয়ে অসমীয়া ৰূপ আৰু পৰিবেশ দি তাৰ

প্ৰত্যেকটো ঘটনাকে লৈ একোখন কাব্য ৰচনা কৰিলে। দুয়োখন কাব্য অষ্টাদশ শতিকাৰ শেষ ভাগৰ হলেও 'মৃগাৱতী চৰিত' আগৰ আৰু 'মধুমালতী' পাছৰ ৰচনা। দুযোখন কাব্যৰ মূল দুখন হিন্দী কাব্য—মালিক মঞ্জনৰ 'মধুমালতী' আৰু কুত্‌বনৰ 'মৃগাৱতী চৰিত'। এখনৰো অসমীযা অনুবাদ মূলানুগ নহয়। সম্ভৱ অসমীযা কৱিয়ে কাৰবাৰ মুখত গল্প দুটা শুনি অসমীয়া পাঠকৰ ৰুচি যোগাবলৈ বৈষ্ণৱী পুথিৰ সুৰত অসমীযা কাব্য দুখন ৰচনা কৰি উলিযাইছিল। ইযাতে উল্লেখযোগ্য কথা এই যে ষোড়শ শতাব্দীত হিন্দী কৱিসকলে অনেক প্ৰণয-কাব্য ৰচনা কৰিছিল, আৰু এই দুখনা সেইবোৰৰ অন্তৰ্ভুক্ত কাব্য।

অসমীযা 'মৃগাৱতী চৰিত'ৰ চমু ঘটনা কৱিৰ কথাতে—

> দেৱৰ ৰমণী মৃগাৱতী অপ্‌সৰী।
> কুমাৰে কৰিলা বন্দী তাঙ্ক কেন কৰি॥
> ছয় মাস থাকি কন্যা কেন মতে গৈলা।
> পুনু কেন কৰি দুযো এক থান ভৈলা॥ ইমানেই।

কুণ্ডিন নগৰৰ ৰজাৰ নাম আছিল আমিৰছাহা। তেওঁ আছিল অপুত্ৰক। অৱশেষত বুঢা মন্ত্ৰীৰ উপদেশ মতে ব্ৰাহ্মণ-সজ্জন, 'দুখী-ভিক্ষী', সাধু-সন্ন্যাসীসকলক মন-পূৰি দান-দক্ষিণা কৰাৰ ফলত তেওঁৰ বত্ৰিশ লক্ষণযুক্ত কোঁৱৰ এটি লাভ হ'ল। দৈৱজ্ঞই গণনা কৰি কলে যে বয়স হলে ৰাজকোঁৱৰে পৰীৰ দেশত বহুকাল ভ্ৰমণ কৰিব।

ৰাজকোঁৱৰ ডাঙৰ হ'ল, এদিন মৃগযালৈ গ'ল। বনত তেওঁ অকস্মাৎ স্বৰ্ণমৃগ এটা দেখিলে আৰু তাৰ পাছে পাছে খেদি গ'ল। হৰিণটো আগে আগে লৰি গৈ এটা নাদত জাপমাৰি পৰিল আৰু অদৃশ্য হ'ল। তাতে ৰাজকোঁৱৰ বিষমভাৱে হতাশ হ'ল। তেওঁ সেই নাদৰ পাৰতে থাকিবলৈ মনস্থ কৰিলে। ৰজাই তেওঁক তাৰপৰা নিব নোৱাৰি তাতে এটা সুবৃহৎ সৰোবৰ নিৰ্ম্মাণ কৰাই

তাৰ পাৰত কোঁৱৰৰ অভিলাষমতে তেওঁৰ জিৰণিৰ কাৰণে টঙি সজাই দিলে। এই কোঁৱৰৰে নাম মালিকজাদা।

দৈৱবশত চাৰিজনী পৰী এদিন সেই সৰোবৰলৈ গা ধুবলৈ আহিল। সিহঁতে ঠাইডোখৰ নিৰ্জ্জন পাই আৰু চাৰিওফালে চাই ক'তো কাকো নেদেখি পাৰত কাপোৰ থৈ মুকলি মনেৰে স্নান কৰিবলৈ ধৰিলে। তেনেকৈ নাতুৰি-সাঁতুৰি স্নান-মগ্ন হৈ থাকোঁতে কোঁৱৰে চেলু চাই তাৰে সৰু জনীৰ পিন্ধা কাপোৰ লুকাই থলে আৰু চক্ৰান্ত কৰি তেওঁক ধৰি বন্দী কৰিলে। এইজনী পৰীৰ নামেই চাহাপৰী। চাহাপৰীক কোঁৱৰে বিয়া কৰাই হাবিৰ মাজৰ সেই টঙিতে ছমাহ ৰাখিলে।

পিছে, এদিন কোঁৱৰ মৃগয়ালৈ গ'ল। এই ছেগতে চাহাপৰীয়ে ধাইজনীৰ চকুত ধূলি দি নিজৰ সাজপাৰ পিন্ধি লৈ উৰি গৈ গছত পৰিল। ধাইজনীয়ে বৰকৈ কাবৌ-কোকালি কৰাত পৰীয়ে কলে যে কোঁৱৰে তেওঁক অনাযাসে লাভ কৰিছিল। অনাযাস-লব্ধ বস্তুৰ মূল্য নাই। এতিয়াও যদি সঁচাকৈয়ে চহাপৰীৰ বাবে কোঁৱৰ লালায়িত তেনেহলে ৰোকম নগৰলৈ গলেই তেওঁ চাহাপৰীক পুনৰ পাব।

কোঁৱৰ এইবাৰ পৰীৰ সন্ধানত ৰোকম নগৰলৈ ওলাল। হাবিয়ে-জঙ্ঘলে, সাগৰে-নগৰে নানা ঠাই ফুৰি অশেষ জীযাতু ভুগি শেষত তেওঁ ৰোকম নগৰ পালেগৈ। তাতে চাহাপৰীৰ লগত কোঁৱৰৰ পুনৰ মিলন হ'ল। কোঁৱৰ তাতে থাকিবলৈ ললে।

যথাসময়ত তেওঁলোকৰ দুটা যঁজা সন্তান উপজিল, নাম থোৱা হ'ল আমিৰা আৰু সামিৰা। সিহঁত ডাঙৰ হ'লত আমিৰাক ৰোকমৰ ৰজা আৰু সামিৰাক যুৱৰাজ পাতি চাহাপৰী-মালিকজাদা কুণ্ডিল নগৰলৈ উভতিল। কুণ্ডিলত ইতিমধ্যে মালিকজাদাৰ মাক-পিতাক ঢুকাল। প্ৰজাসকলে মালিকজাদাক সিংহাসনত বহুৱালে। মূল কথা ইমানেই।

জয় নমো নাৰায়ণ পুৰুষ পুৰাণ।
জয় হৃষীকেশ সদাশিৱ সৰ্ব্বজ্ঞান॥

কীৰ্ত্তন-দশমগন্ধী পদ দুশাৰীৰে কাব্য আৰম্ভ হৈছে। কবিয়ে আৰম্ভণিতে এই কাব্য অধ্যয়নৰ ফল কি সেই বিষয়ে কৈছে যে ইয়াক 'শুনিলে আনন্দ মিলে, খণ্ডয আপদ' আৰু অকল সিমানেই নহয, আৰু—

ধন ধান্য সম্পদ মিলয অতিশয।
অন্তে অপেসৰা সঙ্গে স্বৰ্গত থাকয়॥

আখ্যানৰ ওপৰত আস্থা আনিবৰ কাৰণে তাৰ পৱিত্ৰতা সম্পৰ্কে শ্ৰোতা আৰু পাঠকক সতৰ্ক কৰি কোৱা হৈছে যে ঋষিসকলে লগ লাগি মৃগাৱতী চৰিতৰ কথা শুনিবলৈ অভিলাষ কৰি সুতক প্ৰশ্ন কৰাত সুতে কৈছিল—

ইটো ইতিহাস আৰে শুনা ঋষিগণ।
এহি বুলি কৈবে লৈল সুত মহাজন॥

মাজে মাজে আকৌ কৃষ্ণ-ভক্তিৰ উপকাৰিতা আৰু বিষয়ত অনাসক্তি জন্মোৱাৰ আৱশ্যকতাৰ বিষযেও উপদেশ দিযা আছে। তাৰ উপৰিও কাব্যত বিবস্ত্ৰা চাহাপৰীৰ 'কৰে অঙ্গ ঢাকি বসিলেক অধোমুখ' নাইবা—

দেখি চাহাপৰী হেঠ মাথ কৰি
লাজে আণ্ঠু সাৱটিযা।
অঙ্গ পযোধৰ ঢাকিযা সত্বৰ
জুমুৰি গাৱ কৰিয়া॥ (১৪৩)

—এনেবোৰ বৰ্ণনাই দশমৰ গোপীৰ বস্ত্ৰহৰণৰ ৰচনা সঘনে মনত পেলায় আৰু কাব্যৰ ওপৰত থকা বৈষ্ণৱী প্ৰভাৱলৈ আঙুলিযায। কাব্যখনৰ মাজে মাজে ৰাক্ষসৰ উপাখ্যান, দেৱতাৰ লগত কুমাৰৰ যুদ্ধ আদি সৰু সৰু অনেক কাহিনী সন্নিবিষ্ট আছে। চাহাপৰীৰ মদন-শয়নৰ বৰ্ণনাও কাব্যৰ অন্যতম আকৰ্ষণ। ই সমসাময়িক

সমাজ আৰু কাব্যকাৰৰ ৰুচিৰ আভাস দিয়ে। কাব্যত হয়তো চাহাপৰী সুন্দৰীৰ লগত কুমাৰৰ ৰতি-সম্ভোগ বুজাবলৈ—

মুখ শুধি কৰিয়া কৰ্পূৰ খাযা ৰঙ্গে—
মদন শয্যাত পশিলন্ত একে সঙ্গে ॥

—বুলিয়ে কৰিয়ে পাঠকক বাকীখিনি কল্পনা কৰিবলৈ দি এৰিব পাৰিলেহেঁতেন, কিন্তু তাকে নকৰি তেওঁ ব্যগ্ৰ পাঠকৰ মনৰ কৌতূহল দূৰ কৰিবৰ বাবে আৰু বহুদূৰ আগুৱাই গৈ কৈছে—

পাছে সিটো যুবৰাজ নৃপতি-নন্দন।
দেখি কামিনীৰ সিটো সুচান্দ বদন ॥ ৫০৫ ॥
নিৰন্তৰে বিন্ধিলা মদনৰ পঞ্চশৰে।
কোলাত বৈসাইলা অঞ্চলত ধৰি কৰে ॥
মুখ ভৰি কৌতূহলে কৰিলা চুম্বন।
তাৰিলা হিযাত ঘনে পীন ঘন স্তন ॥ ৫০৬ ॥

তাৰে প্ৰতিক্ৰিয়াত—

প্ৰথম লাজত কন্যা কৰি হেঠ মাথ।
আৰিমূৰি কৰয মুখত নাহি মাত ॥

তেতিয়া—

পুনৰপি কুমৰেও সাৱটি ধৰিযা।
কুচৰ কাঞ্চুলি কাটি পেলাইলা হাসিয়া ॥ ৫০৭ ॥
সুগন্ধ কস্তুৰীসমে মলযা চন্দন।
আপুনি কুমৰে ৰঙ্গে ঘসে ঘনে ঘন ॥
মুখে মুখ ভৰিযা কৰ্পূৰ খুৱাৱয।
নানা ৰঙ্গে কন্দৰ্পক কৰয় উদয় ॥ ৫০৮ ॥

এইবোৰ কৰোঁতে—

নৌতন-যৌৱনী কন্যা সুৰতি-চাতুৰী।
বহু ছন্দে-বন্ধে ধৰি গৈলেক ভাগৰি ॥

সাতসৰী ছিগিল মুকল ভৈল খোপা।
শয্যাতে পৰিল খসি মালতীৰ থোপা॥ ৫০৯॥

আৰু—

নাশ ভৈল অঞ্জন যে গুচিল সিন্দুৰ।
চুম্বনৰ চোটে ৰাগ অধৰেৰ দূৰ॥
নখ ঘাৱে কুচৰ ৰুধিৰ পাস্তি পাস্তি।
নিৰ্ম্মল গগনে যেন তাৰা কৰে কান্তি॥
ঘামিল দুইহানো গাৱ ভৈল লালকাল।
বিন্দু বিনাশিয়া নাশি মদন জঞ্জাল॥

দুয়োৰে 'মদন-জঞ্জাল' এইদৰে শাম কাটিল। এনেবোৰ উৎকট শৃঙ্গাৰ ৰসাত্মক ৰচনাৰ মাজতে পাঠকৰ মনত ভাৰসাম্য ঘটাবৰ কাৰণেই হয়তো কৱিযে মাজে মাজে বৈষ্ণৱী সুৰৰ 'নেতি' শান্তিপানী ছটিযাই ভোগত নিলিপ্ত হবলৈ উপদেশ দিবলৈ পাহৰা নাই, যেনে,—

যত পুত্ৰ ভাৰ্য্যাচয় সবে মিছা মাযাময
ক্ষণেকতে সংযোগ বিযোগ।
নদীৰ যেহেন জাঁজি তিলে যাৱে বেগে বাজি
এতেকে ইহাৰ ছাৰা ভোগ॥ ২৩৬॥
একো একো কৰি সবে ইষ্ট মিত্ৰ মৰি যাইবে
আপুনিও মৰিবা নিশ্চয।
পথৰ সমল লৈও আন আশা এৰি থৈও
হৰি-গুণ চৰণ দুতয॥

* * * *

খনো সুখ খনো দুখ যেন মেঘছাযা।
অসাৰ সংসাৰ ইটো ঈশ্বৰৰ মায়া॥ ৬০১॥

কৱি দ্বিজৰাম যে নিজেও কৃষ্ণভক্ত বৈষ্ণৱ তাক তেওঁ অনেক পদত স্বীকাৰ কৰি গৈছে। অন্তৰত বৈষ্ণৱী ভাবৰ ফল্গু বৈ থকা

কাৰণেহে কৱিয়ে চাহাপৰীৰ যৌন আবেদনপূৰ্ণ বৰ্ণনাত নিমজ্জিত হৈ থাকিও পুনৰ বৈষ্ণৱী ত্যাগৰ সুৰ বজাব পাৰিছে।

অসমীয়া 'মধুমালতী' কাব্যৰ কাহিনীটোও যথেষ্ট ৰোমাঞ্চকৰ। শুনাত নামটো তেনেই অসমীয়া নাম যেন লাগিলেও, আগতে কৈ অহা হৈছে যে 'মধুমালতী' ইচলামী কাব্যহে, লিখক কৱি শেখ মঞ্জন। পিছে অসমীয়া 'মধুমালতী'ৰ জঁকাটোহে ইচলামী, বাকী সকলো অসমীয়া, আৰু ইয়াৰ লিখক আৰু ৰচনা-কাল এই দুয়োটাও অজ্ঞাত। সম্ভৱতঃ অসমীয়া কোনো কৱিয়ে মুছলমানৰ অসম আক্ৰমণত সময়ত অহা কোনোবা ৰসিক লোকৰপৰা ইচলামী মধুমালতী কাব্যৰ ঘটনাটো শুনি তাৰ প্ৰতি আকৃষ্ট হৈ তাক অসমীয়া ৰূপ দিয়ে। পাঠক আৰু শ্ৰোতাৰ মনত বিশ্বাস জন্মাবৰ কাৰণে সেই সময়ৰ ৰীতি অনুসৰি কাব্যৰ ঘটনাবস্তু পুৰাণৰ পৰা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰিছে। অকল সিমানেই নহয়, তাক তাহানি লোমশ মুনিয়ে নৈমিষাৰণ্যত ঋষিসকলৰ আগত কৈছিল বুলিও সাক্ষী দিছে।

শুনিবাক ইচ্ছা ঋষি কয়ো বিদ্যমান।
শুনিয়া লোমস মুনি দিলন্ত সিদ্ধান্ত॥ ১৩॥

আৰু—

শুনা সামাজিকচয় ইটো কথা হয় নয়
দেখিযোক পুৰাণ বিচাৰি।
নোপোৱা ইহাক যেবে দিবা দোষ মোক তেৱে
বোলো আমি কৰ যোৰ কৰি॥

অসমীয়া কাব্যৰ কাহিনীটো থুলমূলকৈ এনেকুৱা: কণৌগিৰি নগৰত এজন ৰজা আছিল, নাম সূৰ্য্যভানু। তেওঁ এক অযুত বছৰ ৰাজত্ব কৰিছিল। বুঢ়া কাললৈকে তেওঁ অপুত্ৰক আছিল। তেওঁ এদিন দৈৱজ্ঞসকলক তাৰ প্ৰতিকাৰ কিবা আছে নেকি

সুধিলে। দৈৱজ্ঞসকলে কলে যে অৰণ্যত শিৱপূজা কৰিলে তেওঁৰ এটি গুণী, জ্ঞানী, পণ্ডিত পুত্ৰ-সন্তান লাভ হব। লগতে কিন্তু ইযাকো কৈ থলে যে ঠিক বাৰ বছৰ বয়সত কোঁৱৰক অপ্সৰাই এবাৰ হৰণ কৰি নিব। তাৰ পাছত তেওঁ এদিন সপোনত দেখা এগৰাকী সুন্দৰীক পাবৰ কাৰণে ব্যাকুল হৈ তেওঁৰ অন্বেষণত দেশান্তৰী হব।

কাৰ্য্যত সেয়ে হ'ল। কোঁৱৰৰ সেইদৰে জন্ম হ'ল আৰু বাৰ বছৰ বযসত এদিন তেওঁক চাৰিজনী পৰীয়ে আহি ৰাতি খাটে সমন্বিতে হৰণ কৰি নি বিক্ৰম নামে কোনো এক ৰজাৰ গাভৰু কন্যা মধুমতীৰ শোৱা কোঠাত থলেগৈ। কোঁৱৰৰ নাম আছিল মনোহৰ। মনোহৰ কোঁৱৰে সাৰ পাই দেখে তেওঁৰ কাষৰ পালেং এখনত এগৰাকী সুন্দৰী যুৱতী শুই আছে।

দেখিয়া কুমৰে কামে জৰ্জ্জৰিত ভৈল।
শয্যাৰ নামিয়া পাছে লাসে লাসে গৈল॥
মধুমালতীৰ খাটে বসিলন্ত গৈযা।
অপেস্বৰাগণে চাহি আছয় হাঁসিযা॥
হৃদয়ৰ মাজে হাত লাসে কৰি দিলা।
তেতিক্ষণে সুন্দৰীও চেতন লভিলা॥
চক্ষু মেলি দেখে কাষে পুৰুষ অদ্ভুত।
স্থাপিত কৰিছে হস্ত হৃদয় মধ্যত॥

এনেকৈয়ে ক্ৰমে দুয়োৰো ভিতৰত আলাপ-আলোচনা হ'ল আৰু তাৰ মাজেদি মৰমৰ আদান-প্ৰদান চলিল। দুয়ো আঙঠি সলাই দুয়োৰো প্ৰতি দুয়োৰো আন্তৰিক আসক্তি প্ৰদৰ্শন কৰিলে আৰু শেষত 'গৈল আতি নিদ্ৰা ৰতিৰঙ্গে ভাগৰিয়া'। এই সুযোগতে অপেশ্বৰী চাৰিজনীয়ে মনোহৰ কোঁৱৰক পুনঃ পালেঙত তুলি আগৰ দৰে গোপনে তাৰপৰা বাহিৰ কৰি আনিলে আৰু আপোনাৰ শয়ন-কক্ষত ৰাখি দিলেগৈ।

মনোহৰকোঁৱৰে পুৱা সাৰ পাই নিশাৰ মধুৰ স্মৃতি ভাবি-ভাবি বলিযাৰ দাৰ হ'ল। তেওঁ শেষত ৰাজকুমাৰীৰ সন্ধানত বাহিৰ হবলৈ স্থিৰ কৰিলে। পোনতে নাৱেৰে সাগৰ যাত্ৰা আৰম্ভ হ'ল। মগৰে মাজ সাগৰত কামুৰি ধৰি সেই নাও দুখণ্ড কৰি বুৰাই দিলে। কোঁৱৰে তেতিয়া ভগা কাঠ এডোখৰতে ধৰি উটি গৈ গৈ সাগৰৰ দাঁতিৰ অৰণ্য এখনত অৱতৰণ কৰিলে। সেই অৰণ্যত ফুৰি থাকোঁতে তেওঁ এখন বিতোপন উপবন দেখিলে। তাতে এটা ঘৰ আৰু সেই ঘৰটোত এজনী দীপ্লিপ ধুনীয়া কন্যা অকলে অকলে বহি থকা দেখি তেওঁ আচৰিত হ'ল। এৱেঁই আছিল বিচিত্ৰ বিশ্ৰাম নগৰৰ ৰজা চিত্ৰসেনৰ কন্যা, নাম প্ৰেমা। প্ৰেমাই কোঁৱৰক নিজৰ পৰিচয় দি কলে যে সাগৰত স্নান কৰিবলৈ যাওঁতে তেওঁক এটা ৰাক্ষসে ধৰি নি তেনেকৈ বন্দী কৰি থৈছে। সেই ৰাক্ষসে হেনো মাহত এবাৰকৈ তালৈ গৈ তেওঁৰ লগত সুৰতি সম্ভোগ কৰি উভতি যায়।

এক দিনা ৰঞ্চে মই সমে ৰঙ্গ মনে।
পুনৰপি যায় সিটো আপোন ভৱনে॥

কোঁৱৰে প্ৰেমাৰ লগত আলচ কৰি প্ৰেমাৰ পৰা সেই ৰাক্ষস-বধৰ উপায় শিকি ললে আৰু সেইমতে ৰাক্ষসক বধ কৰি প্ৰেমাক মুক্তি দিলে। তাৰ পিছত দুয়ো চিত্ৰসেন ৰজাৰ ৰাজ্যলৈ ৰাওনা হওঁতে বাটত বান্দৰৰ ৰাজ্য, সৰ্পৰ ৰাজ্য আদিত দুয়ো অশেষ নিকাৰ ভুঞ্জিলে আৰু নানা লটিঘটিৰ অন্তত দুয়ো চিত্ৰসেনৰ ৰাজ্যত উপস্থিত হ'ল। ৰজাই জীয়েকৰ মুখৰপৰা সকলো কথা শুনি জীয়েক প্ৰেমাক বিধি-ব্যৱহাৰে মনোহৰকোঁৱৰলৈ বিয়া দিলে।

· প্ৰেমাকুঁৱৰীৰ লগত মনোহৰকোঁৱৰৰ বিয়া হ'ল যদিও তেওঁৰ মন মধুমালতীৰ স্মৃতিয়ে তেতিয়া তেনেই দখল কৰি ৰাখিছিল। তেওঁ এদিন সেই কথা খোলাভাৱে প্ৰিয়তমা পত্নী

প্ৰেমাৰ আগত স্বীকাৰ কৰিলে আৰু মধুমালতীক পাবৰ কাৰণে ব্যগ্ৰতা দেখুৱালে।

সিটো মধুমালতীক দিবা কেন কৰি।
সকলো ভাৰসা তোমাসাত আছোঁ কৰি॥
হেন শুনি কামিনী বুলিলা হাস্য কৰি।
কৰিবো উপায় প্ৰভু পাৰি কি নপাৰি॥

প্ৰেমাই সেই কথা পিতাকক কোৱাত পিতাকে দুয়োকো সযতনে বিক্ৰম ৰজাৰ নগৰলৈ পঠাই দিলে। অনুপা নগৰৰ ৰজা বিক্ৰম আগৰেপৰা চিত্ৰসেন ৰজাৰ বন্ধু আছিল। প্ৰেমা সেই সূত্ৰেদি মধুমালতীৰ ওচৰলৈ গ'ল। কোঁৱৰে ৰজাৰ মালিনীৰ আশ্ৰয়ত থাকি নাৰী বেশত গৈ মধুমালতীৰ লগ ললে। দুয়ো পূৰ্ব্বৰ স্মৃতি মনলৈ আনি মহা উল্লাহেৰে একেলগে মধুনিশা যাপন কৰিলে।

প্ৰেমাৰে সৈতে ৰাতিপুৱা ৰাণী ৰূপমঞ্জৰীয়ে গৈ জীয়েক মধুমালতীৰ সঙ্গত অচিনাকি যুৱক মনোহৰক নিদ্ৰামগ্ন অৱস্থাত দেখি লাজ পালে আৰু তন্মুহূৰ্ত্ততে সুপ্ত কোঁৱৰক তেনে অন্যায়ৰ কাৰণে তুৰন্তে পক্ষীৰূপ পাবলৈ অভিশাপ দিলে।

কৈৰ ইটো দুষ্ট চোৰ দিলো তোক শাপ ঘোৰ
পক্ষী হুয়া ফুৰ সৰ্ব্বক্ষণে॥

চৰাই হৈ গছে গছে উৰি ফুৰোঁতে কোঁৱৰ এদিন দৈৱাৎ ৰজা তাৰাচন্দৰ হাতত বন্দী হ'ল। পক্ষীৰূপী কোঁৱৰে ৰজাক নিজৰ জীৱনৰ নিকৰুণ কাহিনীবোৰ কৈ কৈ বিলাপ কৰিবলৈ ধৰিলে। তাতে ৰজাৰ মন টলিল। তেওঁ নানা প্ৰকাৰে যত্ন কৰিও পক্ষীক মানুহলৈ পৰিবৰ্ত্তন কৰিব নোৱাৰি নিজে সন্ন্যাসী বেশ ধৰি চৰাইটো হাতত লৈ অনুপা ৰাজ্যলৈ গতি কৰিলে।

অনুপা ৰাজ্য তেতিয়া তেনেই শোকাচ্ছন্ন। ৰাণী ৰূপমঞ্জৰী, কুমাৰী মধুমালতী, সখী প্ৰেমা আৰু স্বয়ং ৰজা বিক্ৰম—এই

সকলোবোৰে ৰাণীৰ অভিশাপৰ শোকাবহ ঘটনাটোৰ কাৰণে শোকত অস্থিৰ হৈ পৰিছিল। সন্ন্যাসীয়ে গৈ চৰাইটো দিবহে পালে—ৰাণী ৰূপমঞ্জৰীয়ে পোনেই তাক হাতত লৈ তাৰ গাত ব্যগ্ৰভাৱে পানী চটিয়াই দি কলে—

যদি মোৰ ভক্তি আছে কৃষ্ণৰ চৰণে।
পক্ষী গুচি পূৰ্ব্বৰত হুয়ো এতিক্ষণে॥

তাতে কোঁৱৰ মনোহৰে তৎক্ষণাৎ চৰাই গুচি সঁচাকৈয়ে মানুহৰ ৰূপ ধাৰণ কৰিলে। ৰজাই তেতিয়া মনোহৰ-মধুমালতীৰ বিয়া পাতি দিলে।

কোঁৱৰে তাৰ পাছত দুযোজনী ভাৰ্য্যাকে আশ্ৰয় দি পত্নীৰূপে লৈ নিজ ৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। তাত গৈ তেওঁ—'দুই ভাৰ্য্যা সমে সিংহাসন চৰিলেক'।

মালিক মঞ্জনৰ কাব্যত প্ৰেমাক মনোহৰে বিযা কৰোৱা নাই। মাক-বাপেকে বিযাখন পাতিব খুজিছিল যদিও প্ৰেমা তাত সম্মত নহ'ল। তেওঁ মনোহৰক ভ্ৰাতৃবৎ জ্ঞান কৰি তেওঁৰ লগত মধুমালতীৰহে মিলন ঘটাবলৈ যত্ন কৰিলে। ৰাণী ৰূপমঞ্জৰীয়েও জীয়েক মধুমালতীকহে অচিনাকি কোঁৱৰ মনোহৰৰ সঙ্গত লজ্জাজনক-ভাৱে মিলি থকা বাবে ভৰ্ৎসনা কৰিছিল আৰু কোনো প্ৰকাৰে তেওঁক কোঁৱৰৰ সঙ্গ ত্যাগ কৰাব নোৱাৰি খণ্ডত পক্ষী হবলৈ অভিশাপ দিছিল। মূল কাব্যত মালিনীৰ কথাও নাই। প্ৰেমাৰ সহাযত চিত্তবিশ্ৰাম নগৰতে মনোহৰ-মধুমালতীৰ মিলন হৈছে। সাপৰ ৰাজ্য, বান্দৰৰ ৰাজ্য আদিৰ উপাখ্যানো মূলত নাই। তাৰ উপৰিও মূলত ৰজা তাৰাচন্দৰ লগতহে প্ৰেমাৰ বিয়া হয় আৰু সেই বিয়া সংঘটিত হয় মধুমালতীৰ সহায়ত। স্বীকাৰ কৰিব লাগিব যে মূলৰ চৰিত্ৰ-চিত্ৰণ আৰু পৰিবেশ সৃষ্টিৰ সৌন্দৰ্য্য অসমীয়া কাব্যত নাই। অসমীয়া কাব্যৰ নায়কে প্ৰেমা আৰু

মধুমালতী দুয়োকো পত্নীৰূপে গ্ৰহণ কৰি কাব্য-সৌন্দৰ্য্য ক্ষুণ্ণ কৰিছে। মূলত বস্তা তাৰাচন্দৰ প্ৰেমাৰ প্ৰতি ওপজা প্ৰেমৰ বৰ্ণনা অতীব আকৰ্ষণীয়। সখীসকলৰ লগত ঝুলন খেলি থকা যুৱতী প্ৰেমাক দেখি এদিন তাৰাচন্দই তেওঁৰ প্ৰেমাৰ প্ৰতি গোপনে পুহি ৰখা প্ৰেম আৰু লুকাই ৰাখিব নোৱাৰিলে, তেওঁ মূৰ্চ্ছা গ'ল। মধুমালতীয়ে তাৰাচন্দৰ মূৰ্চ্ছাৰ কাৰণ জানিব পাৰি বিয়াৰ কাৰণে আৱশ্যকীয় বিধান হাতত ললে।

কুত্‌বনৰ চহাপৰীৰ উপাখ্যান আৰু মঞ্জনৰ মধুমালতী এসময়ত সমগ্ৰ উত্তৰ ভাৰততে উল্লেখযোগ্য প্ৰেম-কাব্যৰূপে পৰিগণিত হৈছিল। দুয়োখন কাব্য সেইবাবে সমসাময়িক নানান প্ৰাদেশিক ভাষালৈ ৰূপান্তৰিত হৈছিল। অসমীয়া ভাষালৈও কিছু পলমকৈ হলেও দুয়োখন কাব্য অনূদিত হোৱাটোৱে অসমীয়া ভাষাৰ উদাৰ গ্ৰহণশীলতাৰ পৰিচয় দিয়ে। এনেবোৰ বিখ্যাত প্ৰেম-কাব্যত বাহিৰেও বৈষ্ণৱোত্তৰ যুগৰ মাজ ভাগত আৰু কিছুমান আখ্যান-কাব্যই জনগণৰ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। দ্বিজ পশুপতিৰ 'চন্দ্ৰাৱলী', জয়ধন বণিয়াৰ বাৰমাহী গীত, জনাগাভৰুৰ গীত ইত্যাদি কাব্যসমূহ এই শ্ৰেণীত পৰে।

দ্বিজ পশুপতিৰ 'চন্দ্ৰাৱলী' বঙলা মিহলোৱা অসমীয়া অথবা অসমীয়া মিহলোৱা বঙলা কাব্য। তাৰ ঘটনা-বস্তুও 'মৃগাৱতী চৰিত'ৰ কাহিনীৰ দৰেই ৰোমাঞ্চকৰ। সম্ভৱ তাৰ লিখক অসম-বঙ্গদেশৰ সীমা-মূৰিয়লি ঠাইৰ লোক আছিল। 'মৃগাৱতী' কাব্যত থকাৰ দৰে ইয়াতো কোঁৱৰ বিশ্বকেতুৰ পৰী চন্দ্ৰাৱলীক ধৰিবৰ কাৰণে কৰা চক্ৰান্তৰ বৰ্ণনা আছে। স্নানৰতা পৰী চন্দ্ৰাৱলীক কোঁৱৰে কাপোৰ লুকাই থৈ ঠেকত পেলাই ধৰে আৰু পট্টবস্ত্ৰ পৰিধান কৰাই নিজৰ অভিপ্ৰায় পূৰ কৰিবলৈ বিচাৰে। তাকে কৰিবলৈ কোঁৱৰে ভিক্ষাৰীৰ দৰে তেওঁৰ ওচৰত সুৰতি-প্ৰাৰ্থী হোৱাত তেওঁ উত্তৰ দিছিল—

অল্পমতি কন্যা আমি যবিবাহিতা নাৰী।
পুৰুষেৰ সংগ্ৰাম আমি কভু নাহি কৰি॥
পুষ্পেৰ কলিকা তনু ভ্ৰমৰা নাহি বইসে।
অখণ্ড যৌৱন মম পুৰুষে নাহি হিসে॥
কুশেৰ অঙ্কুশে নাহি বিন্ধে চৰণে।
পুৰুষেৰ যন্ত্ৰণা আমি সহিব কেমনে॥ ইত্যাদি।

এই কাব্যত চন্দ্ৰাৱলীয়ে কোঁৱৰক বিযাৰ সম্ভাৱ বিচাৰি পঠাই সেই ছেগতে ধাইক ফুচুলাই নিজ বস্ত্ৰ পিন্ধি ভুকং কৰি উৰি গুচি যায। পিছত ধাযে কান্দি কাটি বৰকৈ কাকুতি-মিনতি কৰাত তেওঁক চন্দ্ৰাৱলীয়ে এই আশ্বাস দি যায যে কোঁৱৰে যদি সঁচাকৈয়ে তেওঁক পাব খোজে তেনেহলে তেওঁ ৰত্নাপুৰ নগৰলৈ যাব লাগিব। পিছত কোঁৱৰে চন্দ্ৰাৱলীৰ অন্বেষণত অনাই-বনাই ফুৰি থাকোঁতে দৈৱাৎ অন্য এগৰাকী ৰাজকন্যাৰ লগত তেওঁৰ মিলন হয। বহুত কষ্ট আৰু অন্বেষণৰ অন্তত কোঁৱৰে চন্দ্ৰাৱলীকো পুনঃ লাভ কৰি দুযোজনা পত্নীৰ লগত সংসাৰত সুখে-সন্তোষে বাস কৰে।

দুবলা শাস্তীৰ গীততো একপ্ৰকাৰ উৰণীযা প্ৰেমৰ নমুনা পোৱা যায। তাতো সাউদৰ পুতেকে পৰৰ বিবাহিতা পত্নী দুবলাৰ প্ৰেমত পৰি তেওঁক পত্নীৰূপে গ্ৰহণ কৰিব খোজে। দুবলাই যুৱকৰ জলাকলা অৱস্থা দেখি পোনেই তেওঁক বিমুখ নকৰিলে আৰু তেওঁক ক্ৰমে বিৰত কৰিবৰ অভিপ্ৰাযে নানা ধৰণৰ অসম্ভৱ দাবী আগবঢাবলৈ ধৰিলে। যুৱকেও সেইবোৰ যত দূৰ সম্ভৱ পূৰ কৰি গ'ল। পৰিণতি কি হ'ল—অৱশ্যে বুজা নাযায়, কাৰণ গীতৰ শেষ অংশ নাই।

জয়ধন বণিয়াৰ বাৰমাহী গীতৰ কাহিনীও চমুকৈ এনে ধৰণৰ: মাণিক সদাগৰ নামে এজন সদাগৰে মহা আৰম্বৰেৰে বিয়া কৰাই উঠিয়ে নৱ-পৰিণীতা পত্নীৰ লগত একেৰাহে দিনচেৰেকো কটাবলৈ

নৌ-পাওঁতেই কাৰ্য্যবশতঃ বণিজলৈ যাব লগীয়াত পৰে। বণিজৰ-পৰা ঘূৰি আহি সদাগৰে তেওঁৰ পত্নীনো সঁচাকৈয়ে সতী হৈ আছে নে নাই তাৰে পৰীক্ষা চাবৰ অভিপ্ৰায়ে ছদ্মবেশে তেওঁৰ ওচৰ চাপে আৰু পাটৰ শাড়ী, সোণৰ সাতসৰী হাৰ, হীৰাৰ মদনকড়ি আদিৰ প্ৰলোভন দেখুৱাই তেওঁক বিচলিত কৰিবলৈ যত্ন কৰে। তাত কিন্তু তেওঁ কৃতকাৰ্য্য নহ'ল। তেতিয়া তেওঁ পত্নীৰ ওচৰত নিজৰ চিনাকি দিবলৈ বাধ্য হয়। পত্নীয়েও কিন্তু সাউদক ভালকৈ পৰীক্ষা কৰিহে শেষত পতিৰূপে গ্ৰহণ কৰে।

হোৱাতো আপোনাৰ দাম্বৰ থাক ৰে বসিযা।
ঘৰত আছে বৃদ্ধ বাপা আনো জিজ্ঞাসিযা॥

'ফুলকোঁৱৰৰ গীত'ৰ কাহিনীও খণ্ড খণ্ড হৈ মানুহৰ মুখে মুখে চলি আছে। বৰকলা নগৰৰ ৰজা শঙ্কৰদেউ। তেওঁৰ বৰপুত্ৰ মণিকোঁৱৰ। মণিকোঁৱৰে যৌৱনত ভৰি দিয়াৰ লগে লগে বিযা কৰায়। ঘৈণীয়েকৰ নাম কাঁচনমালা। কোঁৱৰৰ বয়স যেতিযা ষোল বছৰ তেতিয়া তেওঁৰ পত্নী গৰ্ভৱতী আছিল। যথাসময়ত কাঁচনমালাৰ এটি পুত্ৰ উপজিল। পিতাকৰ নামৰ লগত ৰিজিতো খুৱাই তেওঁৰ নাম ৰখা হ'ল ফুলকোঁৱৰ। ফুলকোঁৱৰৰ বৰ প্ৰিয বস্তু আছিল ফুল। এদিন তেওঁ ককাক শঙ্কৰদেৱ আৰু বুঢ়ীমাক মন্থামতীৰ অনুমতি লৈ পাখীলগা কাঠৰ ঘোঁৰাত উঠি উৰা মাৰিলে। সাত দিন সাত ৰাতি পখীঘোঁৰাত 'আকাশে উৰাৱত হৈ' শেষত পৰিলগৈ বুঢ়ী মালিনী এজনীৰ শুকান ফুলনি এখনত। মালিনীৰ নাম আছিল দিজাই বাই। ফুলকোঁৱৰ গৈ প্ৰৱেশ কৰাৰ লগে লগে বুঢ়ী মালিনী বাইৰ শুকান ফুলনি সেউতী, মালতী আদি নানা ফুলেৰে জাতিষ্কাৰ হৈ পৰিল। সেই ফুলনিতে থাকি ৰাজকুমাৰে সেই দেশৰ ৰাজকুমাৰী পচতুলালৈ ফুলৰ পাততে এদিন আলফুলকৈ এখন প্ৰেম-পত্ৰ লিখি পঠালে। ৰাজকুমাৰীয়েও

তাৰ উত্তৰ দিলে। এনেকৈ দুয়োৰো প্ৰতি দুয়োৰো আকৰ্ষণ উপজিলত দুয়োৰো ভিতৰত গোপন মিলন হ'ল। পিছত ৰজাৰ হাতত ধৰা পৰাত কোঁৱৰে প্ৰাণ হেৰুৱাবৰ উপক্ৰম হৈছিল, পিছে, কোনো উপায়ে যেনিবা তেওঁ ৰক্ষা পালে। শেষত তেওঁৰ পচতুলাৰ লগত বিয়া হ'ল। যথাসময়ত তেওঁলোকৰ এটি এটিকৈ দুটি ল'ৰা উপজিল, নাম অৰুণা আৰু ভগৰা। ফুলকোঁৱৰক এদিন এটা শুকুলা হাতীয়ে পিঠিত তুলি কোনোবা ৰাজ্যলৈ পলুৱাই নি তাতে ৰজা পাতিলে। ইফালে তেওঁৰ পত্নী পচতুলাকো ঘাটৰপৰা কোনোবা সাউদে ধৰি নাৱত তুলি লৈ গ'ল।—কথা ইমানেই। ঘটনাটো শুনাত সৰু ল'ৰাক নিচুকোৱা কাহিনী যেনহে লাগে।

'জনাগাভৰুৰ গীত'ৰ মূল কাহিনীটোও সাধুকথাৰ কাহিনীৰ দৰে। জনাগাভৰু আছিল এগৰাকী গাভৰু ৰাজকুমাৰী। গৰুচৰ ৰাজ্যৰ বুঢ়া ৰজা এজনৰ তেওঁ আছিল একমাত্ৰ জীয়ৰী। বুঢ়া ৰজাই তেওঁক আবিয়ৈ অৱস্থাতে ৰাজপাটত বহুৱালে। কিছুদিন যোৱাত ৰাজকুমাৰীৰ বিয়া সোমাবলৈ মন গ'ল। পিছে যাকে তাকে জানো তেওঁ স্বামী বৰিব? বিয়া কৰাবলৈ অহা ৰাজকুমাৰ-সকলক তেওঁ তিনিটা পণ দিলে, তাত উত্তীৰ্ণ হব পাৰিলে বিয়া, নহলে কোঁৱৰক পোতাশালত বন্দী কৰি থোৱা হব। এইদৰে এজন দুজনকৈ নশ কোঁৱৰ গৰুচৰ ৰাজ্যৰ পোতাশালত বন্দী হৈ ৰ'লহি। শেহত আহিল কামপুৰ চহৰৰ কলিধন নট। তাকো কুঁৱৰীয়ে 'নাক-কাণ কটা বিড়ালীৰ' অৱস্থা কৰি এৰি দিলে। এই কলিধন নটৰ ফুচুলনিত নগাওঁ ৰাজ্যৰ গোপীচন নামে এজন কোঁৱৰ এইবাৰ আহিল। নপোণ কুঁৱৰী আৰু কোঁৱৰৰ বাঁৰী মাকে তেওঁক আহিবলৈ মানা কৰিছিল, তেওঁ নুশুনিলে। ভাগ্যৰ কিন্তু এনেহে ফেৰ, তেওঁ কিন্তু জনাকুঁৱৰীৰ আটাইবোৰ পৰীক্ষাতে উত্তীৰ্ণ হ'ল। পিছত বুঢ়া ৰজাৰ পুতেক অভিমন কোঁৱৰে আহি হুকাবধা কৰাত তেওঁক মাৰি, বুঢ়া ৰজাকো তেওঁৰ বাৰ কুৰি

হাতীসহ খেদি গোপীচনে জনাগাভৰুক বিয়া কৰালে আৰু নিজৰ ৰাজ্যলৈ উভতি আহিল।

ওপৰত উল্লেখ কৰা ধৰণৰ উৰণীয়া প্ৰেমৰ পাতল কাহিনীত গোঁঠা গীতবোৰ বৈষ্ণৱোত্তৰ যুগৰ কালডোখৰত শিমলু তুলা উৰাৰ দৰে মানুহৰ মুখে মুখে উৰি ফুৰিছিল। এই গীতবোৰৰ ভাষা আৰু বিষয়-বস্তুৰ সাদৃশ্য সহজে লক্ষ্য কৰা যায়। একাধিক পত্নী গ্ৰহণ কৰা অথবা পৰৰ বিবাহিতা তিৰোতাৰ প্ৰণয়-প্ৰাৰ্থী হোৱাৰ দৰে কাৰ্য্যও কাব্যৰ নায়কৰ ক্ষেত্ৰত দোষণীয় বুলি দেখুৱা নহৈছিল। অন্ততঃ এনেবোৰ কাৰ্য্যই চৰিত্ৰৰ মৰ্য্যাদা বা প্ৰেমৰ একনিষ্ঠতা হ্ৰাস কৰে বুলি ধৰা নহৈছিল। এই কাব্য বা গীতবোৰৰ নায়ক-নায়িকাবোৰ প্ৰাচীন সাহিত্যৰ প্ৰেম-কাহিনীবোৰত থকাৰ দৰে কেৱল অভিজাত শ্ৰেণীৰ ভিতৰতে আবদ্ধ নাছিল, অন্ততঃ নায়িকাৰ ক্ষেত্ৰত তাৰ পৰিসৰ সঘনে কল্পনাৰ পৰী বা অপ্সৰালৈও বিয়পি পৰিছিল। মালিনী, ধাত্ৰী, সখী, সন্ন্যাসিনী, দূতী আদিৰ সহায়ত নায়ক-নায়িকাৰ মিলন এই কাব্য বা গীতবোৰত সাধাৰণতে সংঘটিত হোৱা দেখা যায়। চাহাপৰীৰ আখ্যানত বুঢ়ী ধাই, ফুলকোঁৱৰৰ গীতত মালিনী, মনোহৰ-মালতীৰ কাহিনীত প্ৰেমা আৰু বুঢ়ী মালিনীৰ নাম এই প্ৰসঙ্গত উল্লেখ কৰা যায়। বহুত ক্ষেত্ৰত আকৌ নায়কে নায়িকাক নেদেখাকৈয়ে ভাট, ভিক্ষুক বা দূত বা দূতীৰপৰা নায়িকাৰ ৰূপ-গুণৰ কথা শুনিযে প্ৰেমত পৰিছিল, সেইদৰে নায়িকাযো সপোনত দেখিয়ে কোনো লোকক পতি বৰণ কৰিবলৈ উৎকণ্ঠিতা হৈ পৰাৰ উল্লেখ সঘনে পোৱা যায়। মুঠতে এই কালডোখৰত নাট-কাব্যাদিৰ প্ৰেমে ব্ৰহ্মপুত্ৰৰ গভীৰতা পৰিহাৰ কৰি পাহাৰী নৈৰ সোঁতৰ দৰে হৈ জীৱনৰ বিভিন্ন স্তৰ ঢৌৱাই-বুৰাই পেলাইছিল।

আধুনিক অসমীয়া প্ৰেমৰ কৱিতা

ব্যক্তিগত জীৱনৰ সকলো কাজ-কামৰ অন্তৰালতে কিবা এটা নহয় এটা অদৃশ্য প্ৰেৰণা নিহিত থাকে। অশ্বাৰোহীয়ে ঘোঁৰাক আগবাঢ়ি যাবলৈ ভৰিৰ গোৰোৱাৰে আৰু মাউতে হাতীক চলাবলৈ ভৰিৰ আগেৰে খুচিয়াই থকাৰ দৰে এই প্ৰেৰণাযো মানুহক কৰ্মত প্ৰবৃত্ত থাকিবলৈ উদ্গাই থাকে। সকলো প্ৰেৰণাৰে মূল উৎস প্ৰেম। সেইবাবে ইংৰাজ কৱি কল্‌ৰিজে কৈছিল—

All thoughts, all passions, all delights
Whatever stirs this mortal frame,
All are but ministers of love
And feed his sacred flame

তাকেই সাহিত্যৰথী বেজবৰুৱাযো কৈছিল—

প্ৰেমত ঘূৰিছে ভূমণ্ডল।
প্ৰেমত ফুলিছে শতদল॥

সেই প্ৰেমৰ প্ৰকৃতি বৰ্ণাবলৈ গৈ তেওঁ কৈছিল—

যি প্ৰেমৰ লৰচৰ, সি প্ৰেম নহয়।
যি ভক্তিত ভাজ আছে, ভক্তি কোনে কয়?

মহাকৱি শ্বেক্সপীয়েৰেও তাকেই কৈছিল—

Love is not love
Which alters, when it alteration finds.

অৱশ্যে সেই শ্বেক্সপীয়েৰেই অন্য প্ৰসঙ্গত কৈছে—

Most friendship is feigning, most loving mere

folly. আমাৰ কবি হুৰবাৰ কবিতাতো সেই একে ভাবৰ প্ৰতিধ্বনি পোৱা যায়—

ভালপোৱা হাঁহি উঠা কথা,
মৰমৰ বিচনী আঁৰত,
বিশ্বাসৰ নিজৰা শুকায়
নিৰাশাৰ ৰ'দৰ তাপত। (সপোনৰ সুখ)

সি যি হওক, এইটো কিন্তু ঠিক যে প্ৰেমৰ দীপ্তিৰে দীপ্যমান হৈ চালে যিকোনো বস্তুতে সৌন্দৰ্য্য দেখা যায়। আবেগ অনুভূতিৰো উৎস প্ৰেম, আৰু প্ৰেমৰ দ্বাৰা পৰিচালিত হৈ নিজানত সোঁৱৰণ কৰা আবেগেই কবিতা। এই প্ৰেমে বিভিন্ন যুগত বিভিন্ন ৰূপত কবিসকলক আপ্লুত কৰি আহিছে। আজিৰ কবিৰ প্ৰেম মানৱতাৰ প্ৰতি মোহ আৰু নিষ্পেষিতৰ প্ৰতি সহযোগপূৰ্ণ সহানুভূতিত প্ৰকাশ পাইছে। বৈষ্ণৱ যুগত মানৱৰ প্ৰেম আৰোপিত হৈছিল ভগৱানত। ভগৱানৰ লীলা প্ৰকাশৰ আহিলা স্বৰূপেহে কবিয়ে জৈৱিক প্ৰেমৰ আকৰ্ষণ বিকৰ্ষণৰ প্ৰভাৱ কবিতাত প্ৰকাশ কৰিব পাৰিছিল। কবিৰ ব্যক্তিগত প্ৰেমৰ স্থান কবিতাত নাছিল। বৈষ্ণৱ যুগৰ আগতে প্ৰেম কিন্তু কমোৱা তুলাৰ দৰে বতাহত উৰি ফুৰিছিল আৰু ই সাধাৰণৰ সহজলভ্য সামগ্ৰী আছিল। তেতিয়া জীৱন যেনে সমস্যামুক্ত আৰু সহজ আছিল, জীৱনৰ অভিব্যক্তিস্বৰূপ গীত-মাতবোৰো আছিল তেনেকুৱা সহজ জীৱনৰে সবল প্ৰতিচ্ছবিস্বৰূপ। বৈষ্ণৱ যুগৰ পিছত অসমীয়া সাহিত্যত আত্ম-প্ৰকাশৰ এটি নতুন যুগ আহিল। তাকেই সাহিত্যৰ বুৰঞ্জীত ৰোমাণ্টিক বিস্তাৰ যুগ বোলে। অসমীয়া সাহিত্যত ৰোমাণ্টিক বিস্তাৰ যুগ ইংৰাজসকল অহাৰ লগে লগে আৰম্ভ হয় আৰু কবলৈ গলে ইংৰাজসকল যোৱাৰ লগে লগেই ইয়াৰ অৱসান ঘটাবো উপক্ৰম হয়।

ইংৰাজী সাহিত্যৰ প্ৰভাৱত ইংৰাজ কৱিসকলৰ প্ৰেম-সিক্ত জীৱনাদৰ্শ লাভ কৰি অসমীয়া সাহিত্যও ন-কৈ ঠন ধৰি উঠিছিল। এই প্ৰভাৱ বেছিকৈ পৰিলক্ষিত হয় কৱিতাত। এই কৱিতা-বোৰৰ ভাৱ-ভাষা আৰু ৰচনাশৈলী সেই সময়ৰ বঙ্গ ভাষা আৰু বঙ্গীয় সাহিত্যৰ দ্বাৰা প্ৰভূত পৰিমাণে প্ৰভাৱান্বিত হৈছিল। আত্মগত চিন্তা আৰু 'আপোন মনৰ সপোন বাৰতা' ৰসাল ভাষাত ছন্দবদ্ধ কৰাই আছিল সেই যুগৰ কৱিতাৰ ঘাই লক্ষণ। বৈষ্ণৱ যুগত কৱিয়ে কদাচিতো নিজৰ আবেগ-অনুভূতিক বিষয়-বস্তুৰ লগত মিলিবলৈ নিদিছিল। তেনে কৰাটো আত্মম্ভৰিতাৰ লক্ষণ বুলি বিবেচিত হৈ সমাজৰ চকুত হেয় প্ৰতিপন্ন হৈছিল। সেইবাবে বহুত সময়ত কৱিয়ে নিজে লিখা কাব্য বা সাহিত্যকো আনৰ লিখা বুলি কৈহে তৃপ্তি লাভ কৰিছিল। তেনেকৈ 'কহয় মাধৱ দাসে' বুলি কথা এষাৰ সকলো গীতৰ শেষত থকাটো এটা সাধাৰণ লক্ষণ হৈ পৰিছিল। বিনম্ৰ সুৰত আজিও ভকতসকলে কয় বোলে 'মই' বুলিলেই মদ্‌গৰ্ব্ব হয় আৰু জগতত 'মোৰ' বুলিবৰ একো নাই, সকলো প্ৰভুৰ সৃষ্টি।

অসমত ইংৰাজ শাসন বিয়পি পৰাৰ লগে লগে ইংৰাজ কৱি-সকলৰ চিন্তাধাৰাৰ লগত অসমীয়া কৱি আৰু সাহিত্যিকসকলৰ ঘনিষ্ঠ পৰিচয় ঘটিল। ওখত বন্ধ কৰি থোৱা জলৰাশিয়ে কোনো-মতে পাৰ ভাঙিব পাৰিলে 'বহে ব্ৰহ্মাণ্ডক ভেদি' হৈ ফেনে-ফোটোকাৰে ববলৈ ধৰাৰ দৰে হেঁচা দি ইমান দিনে বন্ধ কৰি ৰাখি থোৱা অসমীয়া কৱিৰ স্ব-স্ব আবেগ-অনুভূতিবোৰে প্ৰকাশৰ বাধা ওফৰাই নাচি-বাগি ওলাই আহিল। বিস্তীৰ্ণ সমতল পালে পৰ্ব্বতীয়া নৈ-নিজৰাৰ যি অৱস্থা হয়, অসমীয়া কৱিতাৰো সেই সময়ত তেনেকুৱা অৱস্থা হৈছিল। মুকলি বতাহ পোৱাৰ লগে লগেই কৱিসকলে নিজ নিজ অভিৰুচিমতে বিষয় বাছি লৈ কৱিতা ৰচনা কৰিবলৈ লাগি গ'ল। ফলত ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক

বিস্তাৰ যুগত হোৱাৰ দৰে বিধে বিধে 'চনেট' বা চতুৰ্দ্দশপদী কবিতা, 'ইলিজি' বা শোকৰ কবিতা, 'বেলেড্' বা আখ্যান-কবিতা আদি নানা প্ৰকাৰৰ নতুন কবিতা ৰচিত হবলৈ ধৰিলে। এই কবিসকলৰ বেছিভাগেই কাব্য-কাননত প্ৰৱেশ কৰিছিল ভৰ যৌৱনত। সেই হেতুকে তেতিয়া তেওঁলোকে মুকলি ফুলনিত নিজ নিজ অভিৰুচিৰ ৰূপহী প্ৰেমিকাক মনোমত পৰিবেশত লগ পাই 'শটাৰ মাজত মিলে দুটি প্ৰাণ, অৰ্থবিহীন সিও নে প্ৰিয়'—বুলি আগ্ৰহেৰে গ্ৰহণ কৰিবলৈ আগবাঢ়িছিল। তেনে কৰিবলৈ যোৱাত অৱশ্যে ওমৰ খৈয়ামে কোৱাৰ দৰে 'কাৰোবা ভাগ্যত মিলিছে সপোন, কাৰোবা ভাগ্যত একোৱে নাই' হ'ল। জীৱন-যুজত যিসকলে কামনাৰ কামিনী লাভ কৰিলে তেওঁলোকৰ অনেকেই আত্ম-সন্তুষ্টিত লেখনী পৰিহাৰ কৰি কাব্য-মন্দিৰৰ পৰা ওলাই আহিল আৰু বিনন্দ-বিলাস সংসাৰৰ বিপুল ব্যস্ততাত গা ঢালি নিজক বিলাই দি নিশ্চিন্ত, নিৰ্ব্বিকাৰ হ'ল। তেওঁলোকৰ অন্তৰৰ কবিতাৰ সুঁতি তাতেই শুকাই গ'ল আৰু কবি-জীৱনবো সিমানতে অন্ত পৰিল। অন্য কিছুমানে ফুলনিত সোমাই ফুলনিৰ কোনো এডোখৰ নিভৃত স্থানত নিজৰ মনোমত প্ৰেয়সীক দেখি হয়তো সম্ভাষণ জনালে, হয়তো তাকো কৰিবলৈ নৌ পাওঁতেই তেওঁলোকৰ প্ৰেয়সী গৈ আনৰ ৰৰঘৰ শুৱনী কৰিবলৈ আঁতৰি গ'ল। কল্পিত কাৰ্য্যত বিঘিনি দেখি 'আলচা কাৰ্য্য নহয় সিদ্ধি' বুলি ব্যৰ্থ প্ৰেমিক-কবিয়ে তেতিয়া কান্দি-কাটিয়ে দিন নিয়াবলৈ ধৰিলে, নতুবা হয়তো জীৱনৰ গতিকে বদলাই দি ৰাজনীতি বা সমাজ-নীতিত লাগি গ'ল। তেনে অৱস্থাত পৰি কোনো কোনোৱে সংসাৰৰ প্ৰতি বীতৰাগ হৈ চিৰ-কৌমাৰ্য্য ব্ৰতকে অৱলম্বন কৰিলে। কবিতাৰ ফালৰপৰা কাব্য-কাননৰ এই কবিসকলৰ শ্ৰেণীবিভাগ কৰি কবিতাবোৰ ফহিয়াই চালেহে প্ৰকৃত অৱস্থা উপলব্ধি কৰা যাব।

বিশেষ মন কৰিবলগীয়া কথা এই যে, সংসাৰৰ মহা ব্যস্ততাৰ

মাজত থাকিও ৰোমান্টিক যুগৰ কৱিসকলে অকলশৰীয়াভাৱে চিন্তা কৰি আবেগপূৰ্ণ কৱিতা-ৰচনাৰ মাজেদিহে আৰাম পাইছিল। তেওঁলোকৰ চিন্তা চৰ্চ্চাৰ বিষয়বস্তুৱে তেওঁলোকক তেনে হবলৈ বাধ্য কৰিছিল, কিয়নো বিয়াৰ ক্ষেত্ৰত যৌথ বা সমূহীয়া কাৰ্য্য আৰু সমদল যাত্ৰা শোভনীয় হলেও প্ৰেমৰ ক্ষেত্ৰত সেই নীতি বৰণীয় হব নোৱাৰে। এই কৱিসকলৰ প্ৰকৃতি আৰু ধ্যান আছিল—

অকলে আপোন মনে বহি নিৰলাত
ৰচোঁ মই জীৱনৰ গান।
সঙ্গীহীন বিহগীৰ আকুল সুৰত
আকাশত ভাহি উঠে তান। (দুৰ্ব্বা)

নাইবা

নিজানত বহি তাতে অন্তৰ বেদীত মোৰ
নিৰাকাৰ কিবা এটি এনেয়ে পূজিম,
তুলসী অশুচি হ'ল অশুচি দুবৰি বন
চিৰব্যৰ্থ জীৱনৰ ৰক্তজবা দিম। (গণেশ গগৈ)

তেনেকৈ অকলে অকলে ফুৰোঁতে তেওঁলোকৰ কোনোৱে দেখিবলৈ পাইছিল—'ফুটুকাৰ তলতে—যখিনী ছোৱালী—টুকুটুক চাপৰি বায়' (বেজবৰুৱা) নতুবা 'মুকুতা মণিটি পাহিত জিলিকে, ফটিক পানীত ধোৱা' (চন্দ্ৰকুমাৰ)। বিভিন্ন হলেও প্ৰত্যেকজন কৱিৰেই জীৱনৰ একো একোটি নিৰ্দ্দিষ্ট আদৰ্শ আছিল, আৰু সেই আদৰ্শ অনুসৰণ কৰি চলি থাকিয়ে তেওঁলোকে সুখ পাইছিল। বিগত মহাযুদ্ধৰ কঠোৰ বিভীষিকাই সেই আলফুল আদৰ্শবোৰ মষিমূৰ কৰিলে। বাস্তৱ জীৱনৰ বিকট মূৰ্ত্তি সেইসকল কৱিৰ সন্মুখতো আবিৰ্ভাৱ হ'ল। তাৰ বাবে দায়ী হ'ল যুদ্ধ। যুদ্ধই জীৱনৰ আদৰ্শক নিৰ্ম্মমভাৱে আঘাত কৰি তাৰ মোহময় আভৰণবোৰ আঁতৰাই দিয়াত বাস্তৱৰ নগ্ন ৰূপটো সকলোৱে আগত প্ৰকট হৈ

পৰিল। তাৰে ফলত সৃষ্টি হ'ল এক প্ৰকাৰৰ যুদ্ধোত্তৰ নতুন কবিতা। তাত আবেগৰ ঠাই যুক্তিয়ে ললে, তাত ওলাই পৰিল বাস্তৱত থকা কলকাৰখানাৰ মালিক আৰু পৰিশ্ৰমী বনুৱাৰ মাজৰ সংঘৰ্ষ, নিষ্পেষিত বুভুক্ষু আৰু বিলাসী ধনীৰ অৱস্থাৰ বৈষম্য। জীৱনৰ ছন্দময় গতিত আউল লগাৰ দৰে কবিতাৰ ভাব আৰু ছন্দতো আউল লাগিল।

সি যি হওক, ৰোমাণ্টিক বিস্তাৰ যুগৰ কবিতাত প্ৰেমৰ অভিব্যক্তি কেনে ধৰণে হৈছিল তাৰ অধ্যয়ন আমোদজনক। ব্যক্তিগত, অত্যন্ত ব্যক্তিগত সুখ-দুখ, আশা-নিৰাশাকে কেন্দ্ৰ কৰি ৰচিত হৈছিল সেই যুগৰ কবিতা। জৈৱিক বাসনাৰ প্ৰৱলতা প্ৰকাশ, প্ৰকৃতিৰ লগত ব্যক্তি আৰু মনৰ আত্মীয়তা স্থাপন আৰু বহিৰ্জগতৰ লগত ব্যক্তি-মনৰ সম্বন্ধ বিশ্লেষণ—এইবোৰেই আছিল কাব্য-প্ৰেৰণাৰ মূল বস্তু। নিজৰ নিজৰ একোটা স্বকীয়া আদৰ্শ, গৃহ-দেৱতা থকাৰ দৰে, সকলো ক্ষেত্ৰতে আছিল বাবে তেওঁলোক সততে দৃঢপ্ৰতিজ্ঞ আৰু আবেগ-প্ৰৱণ হৈ পৰিছিল। আনকি প্ৰেমৰ খেলাত নামি হতাশাৰ বা-মাৰলীত পৰিও তেওঁলোকে সৰ্ব্বস্ব ত্যাগ কৰা নাছিল। ব্যক্তিগত জীৱনত নিকৰুণ বেদনা পোৱা সত্ত্বেও তেওঁলোকে কবিতাত আশাৰ সান্ত্বনাবাণী প্ৰচাৰ কৰিবলৈ সক্ষম হৈছিল। আত্মাৰ অবিনশ্বৰতাত তেওঁলোকৰ প্ৰায় সকলোৰে আস্থা আছিল আৰু সেইবাবে জীৱনৰ আঁৰ-কাপোৰৰ সিপাৰে থকা ৰাজ্যলৈও আশাৰ জিলিঙনি পঠিয়াই অন্তৰত সান্ত্বনা লভিব পাৰিছিল।

(ক)

এই কবিসকলৰ কিছুমানে সমুত্থিত যৌৱনৰ আশা-আনন্দ সোপাকে লৈ প্ৰেয়সীৰ ওচৰ চাপিছিল আৰু অন্তৰৰ উদ্দাম বাসনা নিবেদন কৰি তেওঁৰপৰা আশানুৰূপ সন্নিধান পাবলৈ অভিলাষ কৰিছিল। পোৱা হলে হয়তো অন্যান্য দহজন তৰুণ প্ৰেমিকৰ দৰে

সংসাৰৰ ঢৌত মাৰ গ'লহেঁতেন, কিন্তু তেওঁলোকৰ ভাগ্যত সেয়ে নহ'ল! প্ৰেয়সীৰপৰা আশানুৰূপ সমিধান তেওঁলোকে নাপালে, 'কতবাৰ হেপাহেৰে সাৱটি ধৰিলা—প্ৰতিমাৰ পালা জানো প্ৰাণ ?' (দুৱৰা)। তেওঁলোকৰ জীৱন ব্যৰ্থ হ'ল। প্ৰেমৰ পূজাত ব্যৰ্থ-মনোৰথ হলেও তেওঁলোক কিন্তু হতাশ নহ'ল। ভৱিষ্যতত কেতিয়াবা হয় যদি প্ৰেমিকাৰ লগত মিলন হব, নহলেও বেজাৰ নাই। তেওঁলোকে জানে যে ভৱিষ্যতত, পৰজন্মত হলেও দুয়োৰো মিলন এদিন-নহয়-এদিন অৱশ্যম্ভাৱী। এই ভাৱধাৰাৰ শ্ৰেষ্ঠ সাধক যতীন্দ্ৰনাথ দুৱৰা আৰু গণেশ গগৈ। স্মৃতি তেওঁলোকৰ কৱিতাৰ শ্ৰেষ্ঠ বস্তু। স্মৃতিৰ পূজাৰী, ব্যৰ্থ-প্ৰেমিক কৱি এওঁলোক, ব্যৰ্থ কিন্তু আশাবাদী। সখী, নাৰৱীয়া আদি সম্বোধনৰ জৰীত ধৰি তেওঁলোকে বিৰহৰ ব্যৰ্থ ৰোদন জোৰে। অতীতক পাহৰি যাব খোজে, কিন্তু পাহৰিবও নোৱাৰে। পাহৰিবই বা কেনেকৈ ? পাহৰিবলৈ যত্ন কৰি জানো কোনোবাই কিবা কথা পাহৰি পেলাব পাৰে ? পাহৰিবলৈ যত্ন কৰাৰ নিচিনা মনত ৰখাৰ শ্ৰেষ্ঠ উপায় নাই। তেওঁলোকৰ কৱিতাৰ পংক্তি গোটাচেৰেকে তেওঁলোকৰ মনৰ ভাব-তৰঙ্গৰ আভাস দিব—

দুৱৰাৰ—গঢ়িছিলা ৰংমনে শিলৰ প্ৰতিমা
পূজিছিলা ধূপ-ধূনা ল'ই,
ৰাখিছিলা মন্দিৰৰ গুপুত কোণত
মানুহৰ চকু আঁৰ ক'ই।
ঢালি দিলা অন্তৰৰ ভকতিৰ ধাৰা
আবেগত গালা কত গান,
কতবাৰ হেপাহেৰে সাৱটি ধৰিলা
প্ৰতিমাৰ পালা জানো প্ৰাণ ?
(অতীতক যোৱাহে পাহৰি)

* * * *

কান্দি কান্দি লাগিল আমনি
কান্দিবৰ শকতিও নাই, (তোমালৈ)

*   *   *   *

অনাদৰ অৱহেলা সকলো গোটাই ল'ই
ৰচোঁ মই জীৱনৰ কুসুম কানন,
ই যে মোৰ কপালত বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।
(শূন্য পৰিচয়)

*   *   *   *

মাতিছো কাকুতি কৰি
দুই হাত যুৰি,
আজি মোক যোৱাহে পাহৰি।
(আজি মোক যোৱাহে পাহৰি)

*   *   *   *

চেনেহৰ সখা মোৰ শেষ অনুৰোধ
অতীতক নেযাবা পাহৰি,
সমাপি জীৱন খেলা বসুধা বুকুত
যামগৈ যিদিনা আঁতৰি
অতীতক নেযাবা পাহৰি।
(অঃ নেঃ পাঃ)

*   *   *   *

গণেশ গগৈ—

ইকি! সখি অভিমান? বুজিলোঁ নোলোৱা তুলি
—আপোনাৰ শ্ৰেষ্ঠধন কৰিছিলোঁ আগ,
তথাপি আঁতৰি গলা? আঁতৰতে ঠেলি মোৰ—
যাচি দিয়া যৌৱনৰ আদি পূজাভাগ।

*   *   *   *

যোৱা তেনে যোৱা সখি নেলাগে থাকিব বৈ
গুচি যোৱা যত পাৰা দূৰ দূৰলৈ,
সপোনে সন্ধান যাতে নোৱাৰে কাচিতো দিব
তোমাৰ ৰূপৰ জ্যোতি স্মৃতিযেদি বৈ।

* * * *

অতীতক এতিযাই পাহৰি পেলোৱা সখি
নাই তাত অশ্ৰুজল, নাই কীৰ্ত্তিযশ,
শ্যামল বসুধা আজি সেয়ে হব কালিলৈ,
উত্তপ্ত জ্বলন্ত প্ৰায বলুকা নীৰস। (পাপৰি)

ব্যৰ্থ বিৰহৰ বিননি অকল এই দুজনা কৱিৰ কৱিতাতে অন্ত হোৱা নাই, আৰু অনেক কৱিৰ কৱিতাতে তেনে একোটি কৰুণ সুৰ বাজি উঠিছিল, কিন্তু সেই সুৰ শীঘ্ৰেই হয়তো মিলনৰ আনন্দত মাৰ গ'ল, সেই হেতুকে সি স্থাযী নহ'ল। শশী গগৈ, লক্ষ্য চৌধুৰী, দুলাল বৰপূজাৰী, উপেন শইকীয়া আদি অনেক ডেকা কৱিৰ কৱিতাত মিলন-বিৰহৰ তেনে এটি কৰুণ সুৰ বাজি উঠা শুনা গৈছিল, কিন্তু সেই সুৰ স্থাযী নহ'ল। তেনে ক্ষেত্ৰত কৱি-প্ৰিযা এই কৱিসকলৰ কল্পনা প্ৰসূন হৈযে ৰ'ল, সেই প্ৰিয়া বাস্তৱৰ ফুলনিত কাৰো দৃষ্টিগোচৰ হবলৈ নাপালে। কৱি-প্ৰিযাৰ অন্তৰ্দ্ধানৰ লগে লগে কৱিতাও মৰহি গ'ল।

এই কৱিসকলৰ বহুতে প্ৰেযসীক দেখি কৱিতাত চিত্তচাঞ্চল্যকৰ সপোনৰ সৃষ্টি কৰি সুখ লভিছিল। বহুতে তেনে প্ৰেয়সীকে নিজৰ পৰিণীতা পত্নীৰ দৰে জ্ঞান কৰি তেওঁৰ উদ্দেশ্যে হৃদয়ৰ প্ৰেম-নৈবেদ্য উৎসৰ্গ কৰি আছিল। জীৱনৰ কোনো এটা ক্ষণত কোনোৱে আকৌ ভাবী প্ৰিয়াৰ ৰূপ-লাৱণ্য কল্পনা কৰিয়ে প্ৰেমৰ চাকিগছি জ্বলাই দি সুখ লভিছিল। আনন্দ বৰুৱাৰ 'ভাবী প্ৰিয়া', লীলা দত্তৰ 'দানৰ গৌৰব', মালিকৰ 'প্ৰিয়াৰ ৰূপ', দীনবন্ধু

তালুকদাৰৰ ‘চেনেহ’, দুলাল বৰপূজাৰীৰ ‘সপোনত কাষলৈ আহিবা লাহৰী’, তিলক দাসৰ ‘সপোনত দুয়ো লগ হম’, লক্ষ্য চৌধুৰীৰ ‘সপোনত আহিবা লাহৰী’, শশী গগৈৰ ‘সপোন প্ৰিয়া’ আদি এই শ্ৰেণীৰ কবিতা। যৌৱনৰ মাদকতা আৰু কামনাৰ চঞ্চলতাই এই কবিতাবোৰত উগ্ৰ ৰূপ ধাৰণ কৰিছে। এইবোৰ আছিল অকৃতদাৰ যুৱক কবিৰ কল্পনাবিলাসৰ কবিতা। বিয়াৰ পিছত এই কবিসকলৰ অনেকৰে ভাৱসাম্য ঘটিল আৰু লগে লগে কবিতাৰ স্ফুঁতিও মাৰ গ’ল। হয়তো তাহানিৰ সেই কবিতাৰ লিখক বুলি আঙুলিয়ালে বহুতে আজি অস্বস্তিহে অনুভৱ কৰিব। তেওঁলোকৰ দুই-একোজনে তাহানিৰ সেইবোৰ কবিতাৰ ভাব আৰু প্ৰকাশ-ভঙ্গীলৈ চাই আজি হয়তো অতীজৰ বাল্মীকি ঋষিযে এদিন ভবাৰ দৰে ভাবে—‘কিমিদং ব্যাহৃতং ময়া?’

হিয়াত দুৰন্ত বাসনা জগাই
আঁতৰি ৰলা,
ইমান নিষ্ঠুৰ মোৰ বাবে তুমি
কিযনো হলা?

(লক্ষ্মীনাথ ফুকন)

* * * *

জ্বলি থক জ্বলে যত দিন
অন্তৰত বিৰহৰ জুই,
সময়ত নুমাব আপুনি
বিষাদৰ নাথাকিব চিন।

(মিনতি—দুলাল বৰপূজাৰী)

গোলাপৰ পাহিটিত ভোমোৰাৰ গুনি গীত
কান্দিলে মোৰো যে চিত
ভাগি গ’ল হিয়া,

তোমাক নাপাই হায় একো ভাল লগা নাই
জীৱন বিফলে যায়
মোৰ প্ৰাণ প্ৰিয়া। (সপোন প্ৰিয়া—শশী গগৈ)

* * * *

মই আন সকলো পাহৰি
তোমাকেই থাকিম ধিয়াই,
সপোনত আহিবা লাহৰী
আন্ধাৰৰ ছেগ চাই চাই।
(সপোনত আহিবা লাহৰী—লক্ষ্য চৌধুৰী)

তোমাৰ কৱিতা লিখা ক্ষমিবানে সখি
ই যে মোৰ পাপ,
বাধাৰ প্ৰাচীৰ ভাঙি কি স'তে ওলাম
ইয়ে অভিশাপ!
(অভিশাপ—উপেন্দ্ৰ শইকীয়া)

(খ)

দ্বিতীয়তে আৰু এক শ্ৰেণীৰ কৱি আছে যিসকলে প্ৰেমিকাৰ ওচৰত প্ৰণয়ৰ নৈবেদ্য নিবেদন কৰিও প্ৰতিদানত, পোনতে উল্লেখ কৰা কৱিসকলৰ দৰেই ব্যৰ্থতাহে লাভ কৰিছে। এওঁলোকে কিন্তু সেই ব্যৰ্থতাক তেওঁলোকৰ কপালত 'বিধিৰ নিঠুৰ লেখা' বুলি গ্ৰহণ কৰিব খোজা নাই। 'কান্দি কান্দি লাগিল ভাগৰ, কান্দিবৰ শকতিও নাই' বুলিবও খোজা নাই। প্ৰেয়সীৰ অৱজ্ঞাৰ প্ৰত্যুত্তৰ দিছে কেতিয়াবা 'যুদ্ধং দেহি' বুলি বীৰৰ দৰে দৰ্পসূচক আহ্বানেৰে; কেতিযাবা আকৌ সেই সকলোবোৰ পাহৰিবলৈ যত্ন কৰিছে ৰূপহী প্ৰেয়সীৰ পাৰ্থিব মূৰ্ত্তিক দেৱীৰ পৱিত্ৰ মূৰ্ত্তিলৈ ৰূপান্তৰিত কৰি। তাকে চাই তাহানি ভক্ত কৱি চণ্ডীদাসে ৰজকিনী ৰামীকেই তন্ত্ৰ-মন্ত্ৰ,

পূজা-উপাসনা সকলো বুলি লোৱাৰ দৰে মানৱী প্ৰেয়সীকেই মানসী প্ৰেয়সী বা দেৱী প্ৰতিমা বুলি লৈ তাৰে ৰূপ-গুণ বৰ্ণনা কৰিছে। অম্বিকাগিৰী এই শ্ৰেণীৰ শ্ৰেষ্ঠ কবি।

অগ্নিকবি অম্বিকাগিৰীয়ে তেওঁৰ কাব্যৰ আৰাধ্যা নো কোন বা কেনেকুৱা তাৰ ইঙ্গিত অ'ত ত'ত বাককৈয়ে দিছে। 'বীণা' কাব্যত তেওঁ কৈছে—আশাতকৈও উদাৰ, আলোকতকৈও উজ্জ্বল, প্ৰেমতকৈও পৱিত্ৰ, ভক্তিতকৈও কোমল, তত্ত্বতকৈও গভীৰ যি সুন্দৰীৰ সৌন্দৰ্য্যত (কবিৰ) অন্তৰ্জগত উদ্ভাসিত হৈ থাকে—সেই চেনেহী ৰূপহীয়েই তেওঁৰ প্ৰেয়সী। কবিৰ অন্তৰ-বাৰিধিত দুৰন্ত কামনাৰ থৌকি-বাথৌকি ঢৌ তোলা সেই অপৰূপ ৰূপৱতী গৰাকীনো কোন সেই বিষয়ে ডঃ কাকতিয়ে স্পষ্ট ইঙ্গিত দি গৈছে। তেওঁৰ নাম আছিল ইন্দুমতী , কবি ৰায়চৌধুৰীৰ নিজৰ ভাষাতে কবলৈ হলে তেতিয়া 'তেওঁ তেওঁৰ আপেল-পকা মুখখনিৰে ১১ বছৰীয়া কিশোৰী। মই কিশোৰত্বৰ ডেওনা চেৰাই গৈ যুৱকত্বত সোমোৱা নাইবা সোমাওঁ সোমাওঁ হোৱা ১৭ বছৰীয়া অৰ্দ্ধ-ডেকা বা ডেকা। তেওঁ বঙালী মই অসমীয়া।' এই কিশোৰী বালিকা ইন্দুমতীয়েই "তুমি" কাব্যৰ নৈব্যক্তিক তুমিজনী। এই ইন্দুমতীক কেন্দ্ৰ কৰিয়ে এদিন কবিয়ে মৰতৰ সকলো সৌন্দৰ্য্য একত্ৰিত হৈ উদ্ভাসিত হোৱা দেখিবলৈ পাইছিল—তাহানি ভক্ত অৰ্জ্জুনে ভগৱান কৃষ্ণৰ অনুগ্ৰহত তেওঁৰ মুখৰ ভিতৰতে সমগ্ৰ ব্ৰহ্মাণ্ড দেখাৰ দৰে। কবিয়ে সেই সুন্দৰীৰ পদপ্ৰান্তত যৌৱনৰ উদ্‌ভ্ৰান্ত প্ৰেম নিবেদন কৰিলে সঁচা, কিন্তু তাৰ প্ৰতিদান হলে তেওঁ ঈপ্সিত ধৰণে নাপালে। তাতে তেওঁ নিজৰ পুৰুষত্বপূৰ্ণ আত্ম-অভিমানত বাককৈয়ে আঘাত পালে , তথাপি তেওঁ তেনেই হতাশ নহ'ল। কামনাৰ কামিনী, প্ৰাণৰ দয়িতাক তেওঁ অভিলাষ অনুযায়ী সম্পূৰ্ণ কৰায়ত্ব কৰিবলৈ নাপালেও মেঘৰ মাজেদি দেখা পূৰ্ণচন্দ্ৰৰ দৰে চকাছন্দাকৈ যিখিনি দেখে তাতেই তুষ্ট থাকিবলৈ প্ৰস্তুত হ'ল—

গোটেই মুখনি মোক নালাগে দেখাব,
গোটেই মাধুৰীখিনি নালাগে ফুলাব,
তেনেই পোহৰ কৰি নালাগে আহিব,
তেনেই খলক তুলি নালাগে হাঁহিব।
সেই বাবে হোৱা নাই বিয়াকুল মই
সেই বাবে মৰা নাই চাটিফুটি ক'ই।

* * * *

লাজৰ ওৰণি লৈ মুখমণ্ডলত,
বসৰ মেখলা পিন্ধি সুৰদি বুকুত,
ভেমৰ আঁৰৰ পৰা মিচিকণি মাৰি
ব'ইপৰা ৰূপলানি সামৰি সামৰি,
আধাফুটা সুৰে তুলি মিলনৰ গান
গোৱা যদি তাতে মোৰ পমিব পৰাণ।

('বীণা'—ৰায়চৌধুৰী)

কবি ৰায়চৌধুৰী সেই সময়ত বিদ্ৰোহী হৈ দেশৰ কামত ঘূৰিবলৈ ধৰাত প্ৰেয়সী ইন্দুমতী তেওঁৰ প্ৰেমৰ গভীৰতাৰ ওপৰত সন্দিহান হ'ল। তাতে প্ৰেয়সীৰ দুৰ্ঘোৰ অভিমানৰ যথাৰ্থ উত্তৰ দিবৰ কাৰণে তেওঁ এদিন কৰিলে কি? বাওঁ-হাতৰ কেঞা আঙুলিটো কুঠাৰেৰে কাটি এটা ধাতুৰ টেমাত আলফুলকৈ ভৰাই প্ৰিয়তমালৈ উপহাৰ দি পঠালে। অকল সেয়ে নহয়, লগতে নিজৰ কটা আঙুলিৰ তেজেৰে লিখি পঠালে—'ইন্দুমতী, এয়া লোৱা তোমাৰ প্ৰতি মোৰ অবিচল প্ৰেমৰ জ্বলন্ত নিদৰ্শন। ইয়াতকৈও আৰু কিবা লাগে নে? পিছে, কবিয়ে জানো এনে অলৌকিক দানৰ আশানুৰূপ প্ৰতিদান পালে? অভিলাষিত প্ৰতিদান বা প্ৰত্যুত্তৰ হয়তো নাপালে। সি যি হওক, তেওঁৰ সেই কাৰ্য্য কিন্তু ছন্দোময়ী ভাষাত ৰূপায়িত হ'ল—

চেনেহী ৰাক্ষসী,
মোৰ ফুল নিকা কলিজাৰ জুই-ৰঙা তেজ
খাই খাই যদি খুজিছ হাঁহিব,
তোক উপহাৰ দিবল'কে কাটিছোঁ কেনেকে'
চাচোঁ আহি নালাগে মাতিব। (বীণা)

কবি ৰায়চৌধুৰীৰ জীৱনৰ ক্ষুদ্ৰ আভাস দিবলৈ গৈ ডঃ কাকতিয়ে 'তুমি' কাব্যৰ পাতনিত কৈছে—'তুমি মন-গঢ়া কৃত্রিম কাব্যৰ পুথি নহয়। প্ৰেমিক ৰায়চৌধুৰী ডেকা বয়সত ছেলী, বাইৰণ আদি ইংৰাজ ৰোমাণ্টিক কবিসকলৰ দৰে বহুবাৰ প্ৰেমত পৰিছে, ওপজিছে, সাতুৰি পাৰ লৈছে।' 'তুমি' আৰু 'বীণা' দুয়োখন কাব্যৰে মূল উৎস সেই সুন্দৰী—ইন্দুমতী। ইন্দুমতীৰ প্ৰতি ওপজা প্ৰেমেই মিলন-বিৰহৰ মাজেদি তৰঙ্গায়িতভাৱে গতি কৰি শেষত চিৰ বিৰহত পৰিণত হৈ ভগৱৎ প্ৰেমলৈ উন্নীত হয়। কবিৰ 'তুমি' কাব্যৰ নিজা পাতনিতে তাৰ স্পষ্ট স্বীকাৰোক্তি পোৱা যায়—'বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্‌ভ্ৰান্ত প্ৰেমটোৱেই শেষত সমজাতীয় অনুভূতি আৰু সহানুভূতিৰ মাজেদি প্ৰকৃতিৰ উদাৰ সৌন্দৰ্য্য অতিক্ৰম কৰি বিৰহ, অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলোবিলাক আসক্তিৰ হাত এৰাই অনন্তৰ লগত সান-মিহলি হৈ পৰে।'

১৯৬১ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় পত্ৰিকাৰ দ্বাদশ সংখ্যা কাকতত (Journal of the University of Gauhati, Vol. XII, No. I, 1961) কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱনৰ চমু আভাষ দি লিখা এটা প্ৰবন্ধত ডঃ কাকতিয়ে লিখিছিল—

As a member of the Anarchist Party he was known to Bhai Paramanand, who recognised him to be a trustworthy and bold soldier The activities of the Anarchist party engaged him more and more. His visits to his beloved Indumati (the

prototype of the mystic figure behind his later poem, Tumi) also began to grow few and far between When one day Indumati complained of unkindness he protested The girl wanted a surer proof of his continuing love To the bewilderment of the girl, the following morning young Ambikagiri went to her and taking a sharp axe cut apart half of his left little finger, thrust it into a locket and with the blood wrote out, "Indumati, herewith I prove my ceaseless love" * * * * In 1907, he was interned at Barpeta where he was forced to stay till 1915 Here began his literary career * * It was here in the recess provided by the internment that he brooded over his love adventures with his beloved Indumati and tried to recapture his reminiscences of her in his long symbolic poem, Tumi (You) Couched in ten-syllabled tripping lines, the poem remains unsurpassed in delicate cadence and soft music In content, Tumi is the poet's vision of the Beautiful in sensuous and supersensuous images Just as the Italian girl, Emila Viviani, inspired Shelley to write his Episychidion, so the non-Assamese girl, Indumati, inspired Raychowdhury to take this flight through the realm of images

মন কৰিবলগীয়া কথা এই যে প্ৰেম-প্ৰীতিৰ মহাসমৰত পৰাজিত হৈ সেই পৰাজয়কে কপালৰ লিখন বুলি ৰায়চৌধুৰীয়ে মানি লোৱা নাই। অভিমানিনী প্ৰেমিকাকো সমুচিতভাৱে উত্তৰ দি তেওঁ নিজৰ ভৱিষ্যৎ কাৰ্য্যপন্থা স্থিৰ কৰিছে—

অহঙ্কাৰী, অহঙ্কাৰ ইমানে তোমাৰ,
তোমাৰ গৰব হ'ল ইমানেই চাৰ!
ভাঙি ভাঙি হিয়া মোৰ সোধাই দিয়াতো,
মাতি মাতি প্ৰাণ মোৰ কাতৰ কৰাতো,
ভাবি মোক হীন-নীচ বুলি
নিদিষা ঢাকনিখন খুলি

তোমাৰ লগত (তেন্তে) আজি মই
মহাৰণ কৰিলো ঘোষণা,
থাকা যদি বল-বীৰ্য্য ল'ই
তেনেহলে হ'ই হৰ্ষমনা—
আহা আগুৱাই
দিম দেখুৱাই—
তোমাতকৈ মোৰ বীৰ্য্য কিমান তেজাল।
তোমাকে আগুৰি আছে বেঢ়ি চাৰি ফাল!

*   *   *   *

নাজানো মাতিব তোক
সেইবাবে হেনো তই নোখোজ আহিব,
বিৰহ যাঁতত মোক
সেইবাবে পিহি পিহি ধৰিছ দলিব?
চাবি তেনেহলে
তোকো পলে পলে
টানি আনি বিৰহৰ যাঁতত পেলাই
দলি ৰ'ম বিৰহৰ গীত গাই গাই। (বীণা)

কৱিৰ এনে একান্ত ব্যক্তিগত প্ৰেমেই ক্ৰমে ৰূপান্তৰিত হৈ নৈৰ্ব্যক্তিক ভগৱৎ প্ৰেমত পৰিণতি লাভ কৰে। তেতিয়া কৱিৰ মানত প্ৰিয়া আৰু ভগৱান এক হৈ পৰে আৰু তুমিৰূপী ভগৱানক তেওঁ তেতিয়া, গাভৰুৰ গোলাপী গালত লাজৰ ৰাঙলী আভাৰূপে, সুন্দৰীৰ ৰসাল বুকুত ৰসৰ প্ৰতিমা ৰূপে, চেনেহীৰ চকুৰ চুকত এটি কেৰাহী কটাক্ষৰূপে, জননীৰ মনত সজাই থোৱা প্ৰেমৰূপে আৰু তেনে নানা বিচিত্ৰ ৰূপত দেখিবলৈ পায়। সেয়ে শেষত গৈ কৱিক তন্ময় কৰি তুলিলত 'সকলো তুমিয়ে নাথ, জগতত দেখিছোঁ যিমান' বুলি কৱি অভিভূত হৈ পৰে। কৱি অম্বিকাগিৰী

ৰায়চৌধুৰীৰ কৱিতাবোৰত, বিশেষকৈ তেওঁৰ প্ৰেমৰ কৱিতাবোৰত, সেই বাবেই এটা ৰহস্যপূৰ্ণ উত্তাপ অনুভৱ কৰা যায়। কৱিতাৰ প্ৰতিটো শব্দকে কৱিয়ে যেন অনুভূতিশীল প্ৰাণৰ পৰশ দি জীৱন্ত কৰি থৈছে।

কৱিৰ অন্তৰ চিৰকাল উদ্দীপ্ত কৰি ৰখা সেই সুন্দৰী ইন্দুমতীৰ ভৱিষ্যৎ সম্পৰ্কেও কৱিয়ে নোকোৱাকৈ থকা নাই। 'তুমি' কাব্যৰ প্ৰেৰণা কি—সেই সম্পৰ্কে লিখা এটা প্ৰবন্ধত কৱিযে নিজে কৈছে—ইয়াৰ এমাহমান পাছতে কলিকতাৰ ধনাঢ্য মৃত জমিদাৰৰ বিধবা পত্নীৰ একমাত্ৰ সন্তানৰ লগত বিবাহ-বন্ধনত পৰিবলৈ তেওঁ কলিকতালৈ যোৱা উজানবজাৰৰ ঘাটৰ জাহাজত উঠিল। মইও জাহাজঘাটলৈ গৈ দূৰৰপৰা তেওঁক মঙ্গলাকাঙ্ক্ষাৰে সম্বৰ্দ্ধনা জনালোঁ। কেইদিনমান পাছত কলিকতাৰপৰা বেদনাভৰা তেওঁৰ চিঠি পালোঁ বিয়া হৈ গ'ল বুলি। দুমাহমান পাছতে সাগৰত জাহাজ ডুবি বিলাতলৈ পঢ়িবলৈ যোৱা তেওঁৰ স্বামীৰ প্ৰাণ-হানি হ'ল। অগাধ ধন সম্পত্তিৰ সৈতে অতুল ৰূপশালিনী ৰূপৰাণী নিঃসন্তান হৈ বৈধব্যৰ অগ্নিকুণ্ডত পৰিল। বঙ্গালী কুলিন ব্ৰাহ্মণৰ কন্যা। তিনি-মাহমান পাছত একমাত্ৰ পুত্ৰৰ শোকত বুঢ়ী শাহুৱেকৰো মৃত্যু হ'ল। সেই সংসাৰখনত তেওঁ অকলশৰীযা হ'ল। * * * সেই ভাব-সাগৰত উটি বুৰি লাভ কৰা অভিজ্ঞতাই মোৰ 'তুমি' আৰু 'বীণা' কাব্যৰ প্ৰেৰণা।—

কৱি অম্বিকাগিৰীৰ প্ৰেমৰ কৱিতাত ব্যৰ্থতাৰ বিশেষত্ব ইযাতেই ধৰা পৰে। তেওঁৰ বিৰহ-গাথাবোৰেই প্ৰেমৰ কৱিতা আৰু সেইবোৰ তেওঁৰ কলিজাৰ ৰঙা তেজেৰে লিখা কৱিতা, প্ৰাণহীন শব্দৰ ঝঙ্কাৰমাত্ৰ নহয। প্ৰেম অভিযানৰ বিৰাট ব্যৰ্থতাত ওপজা যৌৱনৰ দুৰ্ব্বাৰ শক্তিক কৱিয়ে দেশকৰ্ম্মত আত্মোৎসৰ্গ আৰু বাণীপূজাৰ হোমত আহুতি দান—এইদৰে দ্বিধা বিভক্ত কৰি দি দেশসেৱাত নিজক নিৰত ৰাখিছে।

(গ)

তৃতীয়তে আৰু এক শ্ৰেণীৰ বিৰহী কৱি আছে, যিসকলে সমাজৰ চিৰাচৰিত ৰীতি-নীতি আৰু ভাবধাৰাৰ ওপৰত অনেক ক্ষেত্ৰত ঘোৰ সন্দেহ প্ৰকাশ কৰি সেইবোৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। ইংৰাজ কৱিসকলৰ ভিতৰত পোনতে তেনে ভাব স্পষ্টভাৱে প্ৰদৰ্শন কৰিছিল ৰবাৰ্ট ব্ৰাউনিঙে। নিৰ্ম্মম নৰহত্যাকো সুকুমাৰ কলাৰ শ্ৰেণীলৈ উন্নীত কৰি, ভয়াবহ মৃত্যুকো জীৱনৰ অন্যতম যুঁজ মাথো অথবা শেষ সমৰমাত্ৰ বুলি জ্ঞান কৰিবলৈ গৈ কৱিতাত নাটকীয় ভঙ্গীৰ সৃষ্টিৰ দ্বাৰা ৰবাৰ্ট ব্ৰাউনিঙে ইংৰাজী খণ্ড-কাব্যত যুগান্তৰ আনিছিল। অসমীয়াত সেই পদ্ধতি অৱলম্বন কৰিছিল দেৱকান্ত বৰুৱাই। ভাব আৰু প্ৰকাশভঙ্গী দুয়ো পিনেদি তেওঁ অসমীয়া কৱিতাত বিদ্ৰোহ আৰু নতুনত্বৰ পাতনি মেলে।

মৰিলে নাযাওঁ আমি পৃথিৱীৰ পৰা
থাকোঁ আমি ইয়াতে লুকাই,
আজি কোৱা কথাবাৰি বায়ুমণ্ডলত
ঢউ খেলি থাকিব সদায়। (দুৰ্গেশ্বৰ শৰ্ম্মা)

নতুবা

আহিলে মৰণ যাবই লাগিব
আন্ধাৰ পুৰীৰ কোনোবা দেশ,
নাই য'ত সুৰা, নাই য'ত গান
আন্ধাৰ পুৰীৰ ক'ত নো শেষ।
(ওমৰতীৰ্থ—যতীন্দ্ৰনাথ দুৱৰা)

নাইবা

তেৱেঁ কাম, তেৱেঁ কামী, তেৱেঁ কাৰিকৰ।
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্ব খনিকৰ॥
(মফিজুদ্দিন আহমদ হাজৰিকা)

নাইবা

দুখীয়াৰ ভগা পঁজা একোখনি তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম,
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম। (নলিনীবালা দেৱী)

বা

যিদিনা মৰিম মই সেই দিনা বাৰু
জগতৰ কেনি হানি হব?
মৰিলোনে আছোঁ এই কথাকেনো
পৃথিবীৰ কিমানে জানিব? (চন্দ্ৰধৰ বৰুৱা)

বা

দুবৰি বনতকৈ সৰু তই লক্ষ্মীনাথ
ধূলিৰো তলৰে ধূলি
তোকো নাপাহৰে, প্ৰিয়তকৈ প্ৰিয়ই তোৰ
আদৰি লবহি তুলি। (লক্ষ্মীনাথ বেজবৰুৱা)

ওপৰত উদ্ধৃতি দিয়া কবিতা-পংক্তিবোৰৰ শাস্ত্ৰোক্ত আৰু সৰ্ব্বজন-পৰিচিত ভাব আৰু বচনসমূহ অসমীয়া, তথা ভাৰতীয় ভাব-ধাৰাত একো আচৰিত কথা নহয়, ৰাতিপুৱা বেলি ওলায় বা সূৰ্য্যই পোহৰ দিয়ে বোলাৰ দৰে তেনেই সহজ বোধগম্য কথা, কিন্তু এইবোৰৰ পৰিবৰ্ত্তে—

—সৃষ্টিৰ দিনৰে পৰা, নিযতিৰ স'তে হেৰা, মানুহৰ
সংগ্ৰাম অক্ষয়—

নতুবা

—তুমি আৰু মই সজা প্ৰেমৰ পৃথিবীখনি
মৃত্যু তাৰ সীমা—

এনে ধৰণৰ ভাব আৰু ভাবৰ প্ৰকাশ-ভঙ্গী দুয়োটাই নতুন আৰু অকল নতুনেই নহয়, চমকপ্ৰদও।

দেৱকান্তৰ পূৰ্ব্ববৰ্ত্তী কবিসকলে মৃত্যুৰ মাজেদি শান্তি লাভ কৰিবলৈ, আৰু অনেকে মৃত্যুৰ মাজেদিয়ে প্ৰিয়াৰ লগত মিলন বা পুনৰ্মিলন হবলৈ হাবিয়াস কৰিছে।

—নতুবা ঘটিব প্ৰেমৰ পুতলী প্ৰিয়াৰে মিলন
তোমাৰ কৃপাত লভিম পুনৰ অপূৰ্ব্ব জীৱন।

(মৰণ দেৱতা—লক্ষ্মীধৰ শৰ্ম্মা)

*　　*　　*　　*

ধূলাত মিলিব এই ধূলাৰ শৰীৰ
উলটিম নব দেহা ল'ই।

(বিদায় পৰত—শৈলধৰ ৰাজখোৱা)

*　　*　　*　　*

চিতাগ্নি হোমাগ্নি হব
সমীৰণ মলয় চন্দন। (শেষ অৰ্ঘ্য—নলিনীবালা দেৱী)

*　　*　　*　　*

মৃত্যু কিনো? ইও এক তোমাৰ কৰুণা,
আত্মাৰ প্ৰকৃত মিলন। (মিলন—যতীন্দ্ৰ দুৱৰা)

কিন্তু দেৱকান্তৰ প্ৰেমৰ পৃথিবীৰ হলে মৃত্যুয়ে শেষ সীমা। ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়-উপভোগ্য সৌন্দৰ্য্যৰ বাহিৰলৈ গৈ মিছাতে কাল্পনিক মৰীচিকা খেদি দেৱকান্তৰ শ্ৰেণীৰ কবিয়ে হাবাথুৰি নাখায়। তেওঁলোকে জানে যে ছেগ খন্তেকীয়া আৰু জীৱনত সি এবাৰ গলে দুনাই নাহিবও পাৰে। গতিকে জীৱনত পোৱা মধুৰ মুহূৰ্ত্তবোৰৰ সুযোগ লাভ তেওঁলোকৰ লক্ষ্য। আৱেগৰ লগত যুক্তি আৰু মনীষা তেওঁলোকৰ কবিতাত সমানে থাকে। প্ৰেমৰ ক্ষেত্ৰত পোৱা বিৰহ তেওঁলোকৰ কাৰণে একো আচৰিত বা আচহুৱা অভিজ্ঞতা নহয়। তেনে বিৰহে খন্তেকীয়াভাৱে

ব্যথিত কৰিলেও তেওঁলোকক অভিভূত অথবা বিচলিত কৰিব নোৱাৰে। যুক্তিৰ সহায়ত সকলো আবেগকে জয় কৰা আৰু জীৱনৰ যিকোনো বিপৰ্য্যয় ধৈৰ্য্যেৰে গ্ৰহণ কৰিবলৈ শিকা তেওঁলোকৰ সাধাৰণ অভ্যাস। তেওঁলোকৰ মতে ধূলিৰ মানুহৰ মিলন-বিৰহো ধূলিৰ ধৰাতে সীমিত। পৃথিবীৰ কোনো পদাৰ্থ দেৱতাৰ উপভোগৰ বাবে সৃষ্ট হোৱা নাই, হৈছে মানুহৰ কাৰণে—

আমাৰ কাৰণে সখি
আমাৰ কাৰণে কান্দে
গাভৰুৰ ওঁঠৰ লালিমা। (দেৱদাসী)

'সোণাৰ তৰী' কবিতাত কবিগুৰু ৰবীন্দ্ৰনাথেও তেনে প্ৰশ্ন এটি নোতোলাকৈ থকা নাই—

শুধু বৈকুণ্ঠেৰ তৰে বৈষ্ণবেৰ গান?
পূৰ্ব্বৰাগ, অনুৰাগ, মান, অভিমান,
অভিসাৰ, প্ৰেমলীলা, বিৰহ মিলন
বৃন্দাবন গাথা
একি শুধু দেৱতাৰ?

জীৱনৰ হাঁহি-অশ্ৰু অম্লান বদনে গ্ৰহণ কৰিবলৈ এই কবিসকল সততে ৰাজী। কবি-প্ৰসিদ্ধি নামানি নতুন এই ভাবধাৰাৰ দ্বাৰা পুষ্ট হোৱা কবিসকলৰ ভিতৰত দেৱকান্তক শ্ৰেষ্ঠতম কবি বুলিবই লাগিব। তেওঁৰ কবিতাৰ নাটকীয় ভঙ্গীৰ পংক্তিবোৰে আবালবৃদ্ধ সবাকো সমানে আকৃষ্ট কৰে। সেয়েহে তেওঁৰ কবিতাৰ প্ৰেমৰ বচনবোৰো কথমপি মাতফুটা শিশুৱেও নুবুজাকৈয়ে আবৃত্তি কৰিবলৈ ভাল পায়।

—তোমাৰ বিয়ালৈ আৰু কেই দিন বাকী?
দহ দিন?
মাথো দহ দিন আছে?

এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি
মই যাম মোৰ বাটে বাটে।

*　*　*　*

হয়তো কোনোবা নিশা　বহিবা ইহাতে আহি
ওচৰত বৰ প্ৰিয়জন,
বকুলৰ সুগন্ধই তেতিয়া তোমাৰ বাৰু
কিবা কিবি কৰিবনে মন ?
হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ
খেদ নাই। মোৰ অহঙ্কাৰ
প্ৰথম জাগালো ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা
হিয়াৰ তোমাৰ।—(কলং পাৰত মাজনিশা)

*　*　*　*

আমিও মৰহি যাম ? অসাৰ্থক প্ৰেম মোৰ ?
পাপ মাথো এই চুমাচুমি ?
কি কৰিম ? হ'ক পাপ, ক্ষতি নাই, মই পাম স্বৰ্গ তাতে
তুমি ৰবা তুমি। (অসাৰ্থক)

এইদৰে দেখা যায় আবেগ আৰু অনুভূতিৰ ৰাজ্যতো সন্দেহ আৰু যুক্তিৰ প্ৰশ্ন তুলি জীৱনৰ কাৰ্য্যাৱলীক বিদ্ৰোহী দৃষ্টিকোণৰ-পৰা নিৰীক্ষণ কৰা কবিসকলৰ ভিতৰত দেৱকান্ত বৰুৱা সৰ্ব্বশ্ৰেষ্ঠ। গগৈ-হুৱৰাৰ অনুগামী কৱি অনেক ওলাল, কিন্তু অম্বিকাগিৰী আৰু দেৱকান্তৰ অনুগামীৰ সংখ্যাহে নিচেই তাকৰ। তাকৰ কিয়, পূৰ্ণ অনুগামী কৱি নাই বুলিলেও ভুল নহব।

কৱিতাত প্ৰশ্নোত্তৰৰ ভঙ্গী গণেশ গগৈয়েও ব্যৱহাৰ কৰিছিল। বেজবৰুৱাই আকৌ দস্তুৰমতে নাটকীয় ঠাচতে চৰিত্ৰৰ মুখত কৱিতাৰ বচন দিছিল। কিন্তু দেৱকান্তৰ বাক্যভঙ্গী আৰু ঢং সম্পূৰ্ণ পৃথক। বেজবৰুৱাৰ 'বৃন্দা-চন্দ্ৰাৱলী সংবাদ', 'ৰাধা আৰু

সখীসকল' আদি কবিতা একো একো প্ৰকাৰৰ একোখনি নাটিকা। ইযাৰ প্ৰত্যেকখনকে একোখনি পৰীক্ষামূলক কাব্য বুলিলেও ভুল নহব। গগৈ আৰু দেৱ বৰুৱাৰ প্ৰশ্নোত্তৰৰ বাক্যভঙ্গীক ইংৰাজীত dramatic monologue বা চৰিত্ৰ বিশেষৰ নাটকীয় মনোবিশ্লেষণ বোলা যায়। তাত বক্তাই নিজে প্ৰশ্ন তুলি নিজেই তাৰ সমিধান দি যায়।

গগৈৰ— কব পাৰা তুমি মোক
(যদিও নোকোৱা জানো)
স্মৃতিকে যিজনে খোজে পেলাব মোহাৰি
ইমান কথাঁৰ আজি আছে কিনো প্ৰযোজন ?
আপোনাৰ লক্ষ্য ল'ক আপুনি বিচাৰি।
সমিধান দিওঁ শুনা শোকাতুৰে শান্তি পায
গায় যদি বেথাভৰা বিষাদৰ গান,
যদিও প্ৰাণত আহি প্ৰাণৰ আঘাত লাগে
সেই প্ৰাণ বিধাতাৰ শ্ৰেষ্ঠতম দান। (পাপৰি)

তেনেকৈ বৰুৱাৰো—

সাগৰ দেখিছা ? দেখা নাই কেতিয়াও ? মযো দেখা নাই
শুনিছোঁ তথাপি,
নীলাম সলিলৰাশি, বাধাহীন ঊৰ্ম্মিমালা আছে দূৰ
দিগন্ত বিয়পি। (সাগৰ দেখিছা ?)

নতুবা

কাক দিবা ? দিবা কাক ? মনৰ মাধুৰীৰাশি
শৰীৰৰ শোভা সুকুমাৰ ?
দেৱতাক ? দেৱতাৰ মুগুচে পিয়াহ , হায়, অভাগিনী
প্ৰেমেৰে তোমাৰ। (দেৱদাসী) ইত্যাদি।

দুয়োজনৰ ৰচনাশৈলী একে বিধৰ হলেও দেখা যাব যে দুয়োৰো চিন্তাধাৰা নিজা আদৰ্শত পৰিপুষ্ট। এক শ্ৰেণীয়ে নিয়তিৰ হাতত নিজৰ ভাগ্য সমৰ্পণ কৰি দি 'যথা নিযুক্তোঽস্মি তথা কৰোমি' মন্ত্ৰ জপি কান্দি-কাটি সময়ৰ সোঁতত উটি গৈছে, অন্য শ্ৰেণীয়ে জীৱন-যুজত প্ৰকৃত ক্ষত্ৰিয় যোদ্ধাৰ দৰে জয়-পৰাজয় নিৰুদ্বেগচিত্তে মানি লবলৈ প্ৰস্তুতি প্ৰদৰ্শন কৰিছে। 'হাৰিয়া জিকয় কতো, জিকিয়া হাৰয়, কোনো কালে ক্ষত্ৰিয়ৰ নাহি পৰাজয়'—এয়ে তেওঁলোকৰ জীৱন-দৰ্শন। তাহানি মহাকৱি মিল্টনৰ স্বৰ্গভ্ৰষ্ট বীৰ চৰিত্ৰ এটিয়েও কৈছিল—

What though the field be lost?
All is not lost,

(Paradise Lost, BK. I)

বিৰহৰ করুণ বিননি নাইবা বেদনাৰ চাটিফুটি এই শ্ৰেণী কৱিৰ কৱিতাত পোৱা নাযায়। তেওঁলোক সদায় সকলো অৱস্থাতে আশাবাদী হৈ থাকিব পাৰে আৰু প্ৰেমৰ দৰ্শন-শাস্ত্ৰত তেওঁলোকক ভ্ৰমৰ-ধৰ্ম্মী আখ্যা দিয়া চলে।

(ঘ)

ওপৰত উল্লেখ কৰা তিনি শ্ৰেণীৰ প্ৰেমিক কৱিৰ প্ৰেম বা প্ৰণয় সামাজিক ৰীতি-নীতিয়ে সমৰ্থন কৰা বৈধ প্ৰেম নহবও পাৰে। গতিকে তেওঁলোকৰ বিৰহো কোনোবা উদ্গত-যৌৱনা প্ৰেয়সীৰ লগত সাক্ষাৎ বা মিলন হোৱাৰ পাছত ওপজা বিৰহ অথবা অবৈধ মিলনৰপৰা ওপজা বিৰহ। এই মিলন দৃষ্টি-বিনিময়ৰ মিলন, বাক্-চতুৰালিৰ মিলন নতুবা খন্তেকীয়া জৈৱিক মিলনো হব পাৰে। মুঠতে ইও একপ্ৰকাৰ মিলন। তেনেকুৱা মিলন-বিৰহৰ ফলত যে বিশ্বৰ একো স্থায়ী লাভ নহয়, এনে নহয়। বান্ধ বা ভেটা দি নৈৰ

পানী প্ৰয়োজনমতে ব্যৱহাৰ কৰাৰ দৰে বিৰহে বঞ্চিত কৰা এনে মিলন বাসনাকো সাহিত্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰি সাহিত্যৰ স্থায়ী ফচল উৎপন্ন কৰাৰ যথেষ্ট উদাহৰণ আছে। মহাকৱি ডাণ্টেৰ 'ডিভাইন কমেডি' আৰু ভক্ত কৱি চণ্ডীদাসৰ অমৰ পদাৱলী তাৰে একোটা উজ্জ্বল পটন্তৰ।

অন্য পিনে আকৌ বৈধ প্ৰেম আৰু বিৰহৰ পৰা যে আবেগময়ী কৱিতা নোলায় এনেও নহয়, বৰং এক শ্ৰেণীৰ কৱিয়ে নিজৰ পৰিণীতা প্ৰণয়ীৰ ৰূপ-গুণ বৰ্ণনা কৰিযে আবেগময়ী কৱিতাৰে সাহিত্যত স্থায়ী বৰঙণি দি গৈছে। ৰত্নকান্ত বৰকাকতী এই শ্ৰেণীৰ শ্ৰেষ্ঠ কৱি। কৱি বৰকাকতীৰ প্ৰেম, নিজৰ বিবাহিতা পত্নীৰ প্ৰতি থকা ধৰ্ম্মিষ্ঠ স্বামীৰ আন্তৰিক প্ৰেম: সীতাৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ আৰু দ্ৰৌপদীৰ প্ৰতি পঞ্চপাণ্ডৱৰ প্ৰেম। সুখৰ কথা পূৰ্ব্বৰ মনোমত প্ৰেয়সীযেই বৰকাকতীৰ ক্ষেত্ৰত গৈ পৰিণীতা পত্নী বা ঘৈণী হ'ল। প্ৰেম অবিচল থাকিল।

বৰকাকতীৰ প্ৰেম মাজে মাজে ভোগৰ পূৰ্ণতা প্ৰাপ্তিত নিমজ্জিত হৈ থাকি তাতেই আকৌ 'নেতি' ভাবত অতৃপ্ত হৈ ঈশ্বৰমুখী হৈছে। তথাপি কিন্তু সি ঘাইকৈ ইন্দ্ৰিয় ভোগাকাঙ্ক্ষাৰ প্ৰেম, কল্পনা-বিলাসী 'প্লেটনিক' প্ৰেম অথবা তপস্যা সাধনাৰ ভগৱৎ-প্ৰেম নহয়। সেই একে ধৰণৰ বৈধ প্ৰেম শৈলধৰ ৰাজখোৱাৰ 'হোমৰ কাষত' কৱিতাত, হেম গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠিত, আনন্দ আগৰৱালাৰ 'দেৱকন্যা মানৱী বেশেৰে' কৱিতাত, অতুল হাজৰিকাৰ 'প্ৰিয়াৰ সঙ্গীত'ত, বেজবৰুৱাৰ 'প্ৰিয়তমা' আদি নানান কৱিৰ নানা কৱিতাত আৰু পদ্মনাথ গোহাঞি বৰুৱাৰ 'লীলা' কাব্যত স্পষ্ট হৈ উঠিছে।

কৱি বৰকাকতীৰ প্ৰেমৰ থূলমূল কাহিনীটো তেওঁৰ কৱিতাৰ পৰম্পৰা বিচাৰ কৰিযে উলিয়াব পৰি। তেতিয়াও কৱিয়ে জীৱনৰ কিশোৰ কাল (১১ বছৰৰ পৰা ১৫ বছৰ) অতিক্ৰম কৰি

যৌৱনত ভৰি দিয়া নাই। যৌৱনৰ মন-প্ৰাণ মতলীয়া কৰা বায়ু গাত লাগিব ধৰিছে যদিও—ধুমুহালৈ তেতিয়াও বহুত বাকী। সেই সময়ত তেওঁ এদিন ভাবী প্ৰিয়াক দেখা পালে। তেতিয়া তেওঁৰ অন্তৰ কিবা এক অজান আনন্দত পুলকিত হ'ল। সেই আনন্দ আচৰিত ধৰণৰ আছিল যদিও তাৰ প্ৰবাহ কৱিৰ অন্তৰত স্থায়ীভাৱে বৈ গ'ল। ১৯১০ চন মানত আৰম্ভ কৰি ১৯২৭ চন মানলৈ ই কৱিৰ অন্তৰ বাৰুকৈয়ে আলোড়িত কৰিছিল। তেওঁ ১৯১০ চনত লিখা 'তেতিয়া' কৱিতাত কৈছে—

তেতিয়া কৈশোৰ
প্ৰশান্ত সাগৰ
জোৱাৰ নউ,
এনেতেই তুমি
আহি অকস্মাৎ
তুলিলা ঢউ।

(তেতিয়া, ১৯১০চন)

আকৌ 'তুদিন আহে যায়' বোলা কৱিতাত কৈছে—'এদিন হঠাৎ মধুৰ হাৱাত প্ৰণয় উঠিল জাগি' (১৯১৩ চন)। প্ৰথম দৰ্শনত ওপজা এই তৰিৎ প্ৰেমেই কৱিক কেনেকৈ আত্মহাৰা কৰি উটাই বুৰাই লৈ ফুৰিছে তাৰ ইঙ্গিত অনেক কৱিতাত তেওঁ বাৰুকৈয়ে দিছে।

যিদিন হন্তে
চকু চাঁত মাৰি
তুমি উজ্জলিলা মোৰ,
সেই দিন ধৰি
যেন নিলা হৰি
তিল তিল ক'ই সকলোবোৰ।

(বিশ্বহৰণ—১৯১৪ চন)

তেতিয়াৰ পৰাই বিনন্দীয়া প্ৰকৃতিৰ সকলো সৌন্দৰ্য্য হৰি নি কৱিপ্ৰিয়া কবিৰ মনোমন্দিৰত 'অৰ্দ্ধেক মানৱী তুমি অৰ্দ্ধেক কল্পনা' ৰূপে অধিষ্ঠিতা হ'ল। বাহিৰত বিচাৰি ফুৰা 'সুন্দৰ'ক তেওঁ মনৰ মাজতে লাভ কৰিলে সঁচা, কিন্তু বহিঃপ্ৰকৃতিৰ আকৰ্ষণ তেওঁৰ বাবে হ্ৰাস হোৱাত তেওঁৰ মনে জানো শান্তি পালে? তেতিয়া তেওঁ আকৌ কবলৈ বাধ্য হ'ল—

ফুলৰ হৃদয়
কৰিলা হৰণ
লুটিলা তাৰ
লাৱণ্য বৰণ
তৰাক পেলালা জঁয়,
হৰিলা বেলিৰ
হিৰণ কিৰণ
কৰিলা বিৰাট
বিশ্ব হৰণ
আৰু কি প্ৰাণত সয়?
(বিশ্বহৰণ—১৯১৪)

এনেকৈ তিল তিল কৰি বিশ্ব হৰি নি নতুনকৈ নতুন ৰূপত উদ্ভাসিত হোৱা প্ৰেয়সীয়েই মানৱী ৰূপত কৱিৰ মানসী প্ৰিয়া। এই প্ৰিয়াকেই কেতিয়াবা কেতিয়াবা তেওঁ 'প্ৰিয়' বুলিও সম্বোধন কৰিছে। অতি প্ৰিয় বৃদ্ধ ভৃত্যয়ো স্নেহাধিক্য বশতঃ গিৰিহঁতৰ পুত্ৰৰ দৰে হৈ বাছা (বৎস) সম্বোধন লাভ কৰাৰ দৰে নাইবা অতি চেনেহৰ শিশু-পুত্ৰক পিতৃ-মাতৃয়ে দেউতা, গোঁসাই, ঈশ্বৰ আদি সম্বোধনেৰে বিভূষিত কৰি তৃপ্তি লভাৰ দৰে কৱিয়েও তেওঁৰ প্ৰিয়াকেই 'প্ৰিয়' বুলিও সম্বোধন কৰি আনন্দ লভিছে। ভক্ত কৱিসকলে প্ৰিয়াক প্ৰিয় বা আৰাধ্য দেৱতাৰ শাৰীলৈ উন্নীত কৰাৰ উদাহৰণ অনেক আছে।

বাস্তৱৰ ৰূপহী প্ৰিয়াই অপ্ৰাপ্তিত কৱিৰ লগত ছঁয়া-ময়া খেলা খেলি থাকি অতৰ্কিতে কেতিয়াবা কৱিৰ কল্পনা দ্বাৰ খুলি অন্তৰত প্ৰৱেশ কৰিলে। কালক্ৰমত তেৱেঁই আকৌ কৱিৰ হাতত বাস্তৱত ধৰা দি 'কল্পনাৰ উৰণীয়া পখী' হৈও বাস্তৱৰ সোণালী সজাত বান্ধ খালেহি। তাৰেই ফলত তেওঁ প্ৰাণত প্ৰেমৰ নতুন ৰূপ উপলব্ধি কৰিলে 'প্ৰাণ মন হৈ যোৱা এক গুচি দুই'। এয়ে কৱিৰ কৱিতাৰ প্ৰিয়া, এযে তেওঁৰ প্ৰিয়, এয়ে সুন্দৰ, এয়ে প্ৰেম। প্ৰিযা আৰু প্ৰিয়, দুয়ো কেতিযাবা ইটোৱে সিটোৰ আসন অধিকাৰ কৰি একাকাৰ হৈ পৰিছে।

প্ৰেমৰ খেলাত প্ৰিয়াৰ ৰূপৰ তুলনাত নিজে কিজানি যথাযোগ্য পাত্ৰ নহয়, এনে এটি সঙ্কোচ বা নীচাত্মিকাবোধ যে কৱিৰ মনত ওপজা নাছিল এনেও নহয, কিন্তু তেওঁ তাক স্পষ্টকৈ কবলৈ সাহ কৰা নাই। ৰায়চৌধুৰীৰ কৱিতাত সেই সন্দেহ স্পষ্ট প্ৰশ্নৰ আকাৰত ওলাই আহিছে ('ভাবি মোক হীন নীচ বুলি' ইত্যাদি), দেৱকান্ত বৰুৱাৰ কৱিতাত তেনে সন্দেহ কৱিৰ মনত ক'তো উদ্ভৱ হোৱা নাই। বৰুৱা যেন নিজৰ যোগ্যতা সম্বন্ধে সদায সচেতন : হীনাত্মবোধ তেওঁৰ নাই, বৰং নিজৰ ৰূপ-গুণৰ গৌৰৱৰ সচেতনতাহে আছে। সেইবাবে তেওঁ প্ৰেয়সীৰ লগত বুকু ফিন্দাই থিয় হৈ মিভৃত কলং পাৰত মাজনিশাও কব পাৰিছে—'লুকাই আহিছা? ভয় নাই, নেদেখে কোনেও—জোনবাই ডাৱৰে আবৰা।' ইত্যাদি। বিপৰীতে কৱি বৰকাকতীৰ অন্তৰ কিন্তু ইমান আলসুৱা আৰু ইমান শঙ্কাতুৰ যে প্ৰিয়াৰপৰা জানোচা কিবা অবাঞ্ছনীয় উত্তৰ আহে তাৰে ভয়ত প্ৰিয়াই তেওঁক ভাল পায় নে নাপায়—তাকে সুধিবলৈ মনত খু-দুঁৱনি জন্মা সত্বেও 'সুধি কাম নাই' বুলিও তেওঁ তেনে প্ৰশ্ন সোধাৰ পৰা বিৰত থাকে।

ভাল পায়নে নাপায়—
সুধি কাম নাই

মুমুধিবি হায়
টুকি চকুপানী।
টিমিক-টামাক পোহৰৰ ছাটি
জ্বলিছে যে হায়
তাকো উলিযাই
মুমুমাবি
বতাহত আনি। (সান্ত্বনা, ১৯২১)

প্ৰিয়াৰ ভালপোৱা সম্পৰ্কে কবিৰ মনত যিবোৰ প্ৰশ্নৰ জাউৰি উঠে নাইবা খু-দুৱনি জন্মে সেইবোৰৰ মনঃপুত উত্তৰ তেওঁ নিজেই মনৰ মাজত পাঁডি লয় আৰু তেনেকৈ কল্পনা ৰাজ্যত বিহাৰ কৰাটোকে কঠোৰ বাস্তৱৰ সন্মুখীন হোৱাতকৈ অধিকতৰ উপাদেয় বুলি তেওঁ স্থিৰ কৰে—

ভাবি ভাবি মাথোঁ
ওপঙি যাম
ঢুকিযে নোপোৱা
আকাশ চাই। (প্ৰশ্ন—১৯১৯)

'শেৱালি'ৰ কবিৰ কবিতাৰ ৰাগীও যে মূলতঃ তেওঁৰ প্ৰিয়াৰ মনোৰম দৃষ্টি, আকৰ্ষণ আৰু চুম্বন-বাহুবন্ধনাদিৰ স্মৃতিৰ অনুশীলন মাত্ৰ তাক তেওঁ কবিতাতে—'জীৱন জুৰি লাগিল আহা তাৰেই ৰাগী', যদি

তোমাৰ হৃদয় হোমৰ
নহওঁ ময়ে হবি
নহওঁ মিছা কবি—

আদি পংক্তিবোৰত স্পষ্টকৈ স্বীকাৰ কৰি গৈছে।

শেৱালি-কবি অকল ইন্দ্ৰিয়গ্ৰাহ্য ভোগ-তৃষ্ণাৰে কবি নহয়, ভোগাতীত অতীন্দ্ৰিয় কামনাও তেওঁৰ কবিতাত আছে। 'অতনু-

পৰাণ পখী' ৰূপী প্ৰাণ-প্ৰিয়াই ধৰাদি 'ঘৰ জেউতি' ৰূপে কবিৰ গৃহত প্ৰৱেশ কৰাত যেতিয়া বায়ু-মণ্ডল 'মদন-পূজাৰ ধূপৰ ধোঁৱাবে ধুঁৱলি-কুঁৱলী' হৈ গ'ল তেতিয়া জানো কবিৰ অন্তৰে অনাবিল পূৰ্ণ শান্তি লাভ কৰিলে? প্ৰিয়াৰ ৰূপতে তেওঁ এদিন যি চিৰ-সুন্দৰৰ ৰূপ পৰ্য্যন্ত দেখিবলৈ পাইছিল সেই চিৰসুন্দৰে জানো প্ৰিয়া-প্ৰাপ্তিত ধৰা দিলে? সেই চিৰসুন্দৰক তেওঁ হয়তো ক্ষন্তেকৰ বাবে হাতত্তে পোৱা যেন পাইছিল—কিন্তু সি পুনঃ তাতেই অন্তৰ্দ্ধান হ'ল আৰু জ্যোতিৰ পূজাৰী কবি আগৰ সেই অন্ধকাৰতে পৰি ৰ'ল—

তুমিতো সুন্দৰ
মই যে কুৎসিৎ
সেই কাৰণেই নৰ'লা প্ৰিয়। (সুন্দৰ—১৯২৮)

এইখিনিতে কবিৰ পাৰ্থিব প্ৰেমৰ পৰিতৃপ্তি পুনৰ বিৰহৰ অৱসাদৰ পিনে ঢাল খাবলৈ আৰম্ভ কৰিছে। ইয়াৰেপৰা কবিৰ মানৱী প্ৰিয়াই পুনঃ মানসী প্ৰিয়ালৈ ৰূপান্তৰিত হৈ অব্যক্ত চিৰসুন্দৰৰ স্থান লভিবলৈ প্ৰয়াস কৰিছে।

পিছে, চিৰসুন্দৰৰ ধাৰণা সীমিত বুদ্ধিৰ মানুহে জানো কৰিব পাৰে? অসীম, অব্যক্ত, অনাদি, অনন্ত চিৰসুন্দৰক সীমাৰ মাজত ধাৰণা নকৰিলে ধাৰণা কৰা টান। সেইবাবে কবিয়ে তেওঁৰ চিৰসুন্দৰকো সীমিত কৰি 'ইন্দুৰ দৰে অ' মোৰ প্ৰিয়' বুলি বুজাব খুজিছে। মুঠতে কবিয়ে প্ৰিয়া, চন্দ্ৰ আৰু চিৰসুন্দৰক কল্পনাত এডাল সূতাতে গাঁথি ৰাখিছে। সেই দেখি তেওঁৰ কবিতাত কাল আৰু স্থান ভেদে ইটোৱে সিটোৰ ঠাই দখল কৰাও দেখা যায়। বিশ্বৰ সকলো সৌন্দৰ্য্য হৰণ কৰি নিজে আত্মসাৎ কৰা কবিপ্ৰিয়া পুনঃ এদিন গৈ বিশ্বৰ সৰ্ব্বৰূপত বিলীন হৈছে—

তেতিয়া নাই আকাৰ তোমাৰ
সৰ্ব্ব বিয়পি গলা,
সৰ্ব্ব ৰূপত তেতিয়া যে তুমি
আকউ মোৰে হলা। (সৰ্ব্ব ৰূপত—১৯১৭)

এই দৰেই প্ৰিয়তমাক কেন্দ্ৰ কৰি অঙ্কুৰিত হোৱা প্ৰেমেই ভোগৰ সীমা পাৰ হৈ 'নেতি' ভাবত গৈ গৈ ভগৱৎ-প্ৰেমত পৰিণত হৈছে। হলেও কিন্তু কৱিৰ সেই প্ৰেম মূলতে ইন্দ্ৰিয় ভোগাকাঙ্ক্ষাৰ ঐহিক প্ৰেমেই। বিভিন্ন সময়ত সি বিভিন্ন ৰূপত উদয় হৈ কৱিৰ মনৰ পূজাভাগ গ্ৰহণ কৰিছে। কৱিয়ে নিজে কৈছে—

মই পূজোঁ কাৰবাক—কবকে নোৱাৰোঁ
এই দেখোঁ—এই নাই—ভূলোকে দ্যুলোকে
নিতে নব ৰূপ তাৰ
নিতে অগোচৰ
বিচাৰি তাকেই বয চকুলো পলকে
লক্ষ ধাৰে লক্ষ সুঁতি
অলক্ষ্য সাগৰ। (মোৰ পূজা—১৯১৮)

প্ৰিযাক কৱিতাৰ আৰাধ্যা দেৱী হিচাপে কল্পনা কৰি অন্য যি সকল কৱিযে দুই একোটা কৱিতা বা সঙ্গীত ৰচনা কৰিছে সেই সকলৰ সুৰ-তৰঙ্গতো ৰোমান্টিক কৱিৰ ইন্দ্ৰিয-গ্ৰাহ্য ভোগাকাঙ্ক্ষা অনেক ঠাইত ভালকৈয়ে ফুটি ওলাইছে। নাট্যকাৰ সুকৱি অতুল হাজৰিকাই প্ৰিয়াৰ সঙ্গীত কৱিতাত গাইছে—

কোমল তুলাৰ দৰে সাদৰীৰ লৱনুৰ তনু,
লিৰিকি-বিদাৰি নিতে বাওঁ মই উলাহৰ বেণু।

* * * *

সাদৰীৰ বুকুখনি স্বৰ্গলাভ কৰিলে পৰশ,
পকা ঠেকেৰা যেন স্তন দুটি প্ৰেমেৰে সৰস,

আৰু মিঠা হিয়াখনি দয়া-ভক্তি স্নেহৰ পুখুৰী
ৰাজহংস হই তাতে দিনে-নিশা ফুৰোঁ মই চৰি।

* * * *

মোৰদৰে যাত্ৰী কোনো যদি আছা এই পৃথিবীত।
থাপিছা ইদৰে আৰু প্ৰাণপ্ৰিয়া হৃদয় বেদীত।
আহা ভাই ৰঙমনে একেলগে যাওঁ আগুৱাই।
প্ৰেমিক সন্ন্যাসী আমি প্ৰেয়সীৰ প্ৰেমগীত গাই॥

তেনেকৈ গোহাঁঞিবৰুৱাৰ 'প্ৰথম মিলন দিন, পোনে দেখা-দেখি'ৰ পৰা 'লীলা' কাব্যত নাকেদি বাহিৰ হোৱা 'তালুফুটা ৰাগী'লৈকে প্ৰিয়া-মিলনৰ যি বৰ্ণনা, হিতেশ্বৰ বৰুৱাৰ কাণৰ থুৰিয়াৰ সৌভাগ্য সম্পৰ্কে যি ঈৰ্ষাতুৰ মন্তব্য, হেম গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি'ৰ 'কুকুৰাঠেঙীয়া সেই আখৰ কিটিত'—পোৱা সৌন্দৰ্য্য আৰু অমিয়াৰ বৰ্ণনাই কৱিসকলক যি সম্মান বা আনন্দ নিদিয়ক লাগিলে, কৱিপ্ৰিয়াসকলক হলে গৌৰৱৰ উজ্জ্বল আসনত সদায় ৰাখিব, তাত সন্দেহ নাই। এইবোৰত কৱিসকলৰ প্ৰেমাতুৰ অন্তৰৰ একোটি জীৱন্ত চিত্ৰ অঙ্কিত হৈছে।

এই পৰ্য্যন্ত উল্লেখ কৰা চাৰিও প্ৰকাৰ প্ৰেমিকৰ প্ৰেম মানৱীয় প্ৰেম, ইন্দ্ৰিয়ভোগ্য প্ৰেম। প্ৰেমিকাৰ সৈতে মিলনেই তেওঁলোকৰ লক্ষ্য। সেই লক্ষ্যত উপনীত হব নোৱাৰি কোনোৱে জীৱনত ধুঁৱলি-কুঁৱলী দেখি কয়—

এন্ধাৰ মুধাৰ বাট নমনি একোকে
সন্মুখত স্মৃতিৰ শ্মশান;
কতনা প্ৰেমৰ ছবি লয় গৈ তাতে
তোলে এটি সকৰুণ তান
সন্মুখত স্মৃতিৰ শ্মশান। (দুৱৰা)

কোনোৱেবা এতেবেলি ভুলপথে ভ্ৰমণ কৰা যেন পাই আবা-বা দি অন্য পথ গ্ৰহণ কৰে। এওঁলোকত বাহিৰেও আৰু এক

শ্ৰেণীৰ কবি আছে যিসকলে সংসাৰৰ বা'মাৰলীত পৰি জীযাতু ভুঞ্জি ঐহিক সুখানুভূতিৰ ওপৰত জলাঞ্জলি দিয়ে আৰু ভগৱৎ-প্ৰেমৰ পবিত্ৰ সলিলত অৱগাহন কৰি সান্ত্বনা লভিব বিচাৰে। তেওঁলোকৰ অন্তৰতো ৰূপ-তৃষ্ণা আছে, সি কিন্তু ইন্দ্ৰিয়-গ্ৰাহ্য ভোগ-বিলাসৰ তৃষ্ণা নহয়—'ৰূপতৃষ্ণা চিৰসুন্দৰ'ৰ। পৰমেশ্বৰ, পৰমাত্মা বা পৰম পদহে তেওঁলোকৰ কাম্য বস্তু। নলিনী দেৱী, ৰঘুনাথ চৌধাৰী, নীলমণি ফুকন আদি এই শ্ৰেণীৰ কবি।

বিযোগৰ দহনত হিয়াখনি যায় ফাটি,
নাজানো কেতিয়া আৰু—পুৰাব দুখৰ ৰাতি।
(ৰঘুনাথ চৌধাৰী)

—সৃষ্টিৰ সকলো সৌন্দৰ্য্যৰ মাজত
বিচাৰি তোমাক ভাগৰিলোঁ।
সৌন্দৰ্য্যৰো তুমি দূৰৰ সপোন
এই কথা আগে নাজানিলো।
মনৰ আলোকপুৰী জিনি আছা
অৰূপা সুন্দৰী মনোৰমা,
প্ৰাণেৰে পৰশ নাপাই তোমাৰ
গঢ়িছোঁ মনতে তিলোত্তমা। (নীলমণি ফুকন)

এই শ্ৰেণীৰ কবিক আমি প্ৰকৃততে প্ৰেমৰ কবি আখ্যা দিব নোৱাৰোঁ, কাৰণ, তেওঁলোকৰ প্ৰেমত জৈৱিক প্ৰেমৰ আনুভূতিক আবেদন নাই। সুস্বাদু মচলাযুক্ত তেলত সিজি থাকি কটু-অম্ল পদাৰ্থয়ো আচাৰত পৰিণত হৈ নিজৰ স্বাদ এৰি ৰুচিপূৰ্ণ অন্য স্বাদ গ্ৰহণ কৰাৰ দৰে এওঁলোকৰ প্ৰেমেও ভক্তি-ৰসত সিদ্ধ হৈ অন্য ৰূপ আৰু অন্য স্বাদ গ্ৰহণ কৰিছে। ইয়াৰ ৰাগীৰ মোল দোচোৰা। এই ৰাগীক প্ৰকৃততে প্ৰেমৰ ৰাগী বোলা নাযায়।